ইন্দ্ৰাণী শৰ্মা
আবিৰ

কিমান অকলশৰীয়া হলে মানুহৰ মৰিবলৈ মন যায়?
কিমান দুখ পালে জীৱনত সুখ বিচাৰি হাহাকাৰ কৰিবলৈ মন নাযায়?
কিমান কান্দিলে মানুহৰ কেতিয়াও হাঁহিবলৈ মন নাযায়?
এইবোৰ প্ৰশ্নই মোক অহৰহ খেদি ফুৰে।
আৰু উত্তৰ বিচাৰি নাপাই মই নিজৰ ভিতৰখন খান্দি খান্দি শেষ কৰোঁ।
মোৰ আত্মাৰো কান্দোন মই শুনিব নিবিচাৰোঁ। সেইবাবে শামুকৰ খোলাৰ দৰে আন্ধাৰ এখিনিৰ মাজত সোমাই থাকোঁ মই।
কোনেও নেদেখে মোক, আৰু মইও নাচাওঁ অচিনাকি মুখবোৰক।

: Miss Ananya, are you allright?
লানি নিছিগা চিন্তাৰ ঢৌবোৰৰ মাজত কেতিয়া সোমাই পৰিলো নিজেই গম নাপালো।

:Oh, I am sorry Sir. Yeah I am fine, absolutely fine.
:Could you please tell me more about yourself?
আটাইতকৈ বেয়া পোৱা প্ৰশ্ন এইটোৱেই। সৱ ইন্টাৰভিউতে সোধে।নিজে নিজৰ কথা কৈ বেয়া পাওঁ। কিন্তু উপায় নাই,ক'বই লাগিব।
:Myself Miss Ananya Goswami, I am from Assam. I have completed my B.E in Electronics and telecommunication last year.
বচ্, হৈ গল আৰম্ভ, কত পঢ়িছিলো, কি পঢ়িছিলো, কি কি লেটেষ্ট টেকনলজি জানো, হবি কি, ইত্যাদি ইত্যাদি।মানুহজনৰো চাগে জানিবলৈ একো আগ্ৰহ নাই, কিন্তু নিয়ম মাফিক সুধি আছে, হাতত মোৰ বায়'ডাটা খন আছেই। ভাটৌৰে মতা দি মইয়ো মাতি গৈছো
:Sir, I am a very quick learner, and a very good team player.
কৈয়ে আছো, নিজৰে আমনি লাগিছে।
কলেজৰ পৰা ওলাই চাকৰি বিচাৰি হাবাথুৰি খাইছো। নোপোৱা নহয়, পাইছো, কিন্তু নিজে বিচৰা ধৰণৰ নহয়। কৰবাত যদি কাম ভাল নহয়, কৰবাত ঠাইখন। পুণে বা হায়দৰবাদ যোৱাৰ ইচ্ছা একেবাৰেই নাই মোৰ।হে প্ৰভু, আজি কিবা এটা কৰি মিলাই দিবা আৰু।
:Thank you Miss Ananya. Please go to the Panel 8 for the next technical round.
অফ কেম্পাছত চাকৰি পোৱা ইমান সহজ নহয়, হাজাৰ হাজাৰ কেন্ডিডেট। তাৰ মাজৰ পৰা এশ মান হে বাছিব। পৰৱৰ্তী ৰাউণ্ডৰ আগতে আকৌ এবাৰ ভগৱানক ভাবি লৈছো।
:Come in Miss Ananya.
মূৰ তুলি চালো, গোটেই দিনটোত লগ পোৱা প্ৰথম জন মানুহ যিয়ে মোক এনেকৈ হাঁহি মাৰি সম্ভাষণ জনাইছে। ভয়টো অলপ কমিল।
মোৰ প্ৰজেক্টৰপৰা আৰম্ভ কৰি লেটেষ্ট টেকনলজি, ইকনমিক ব্ৰেকডাউন সৱ সুধিছে। কিছুমান পাৰিলো, কিছুমান নোৱাৰিলো। ওলাই আহিবৰ সময়ত তেখেতে কলে

:You can wait outside. Will call you again.
অপেক্ষাৰ এই সময় খিনি বৰ অশান্তিকৰ। ৰুমটোৰপৰা ওলাই আহি বাহিৰৰ বিশাল ছোফাখনত বহিলো। মোৰ দৰেই আৰু বহুত লৰা ছোৱালী অপেক্ষাৰত। ৰাতিপুৱা লালচাহ একাপ খায়েই ওলাই আহিলো। শনিবাৰ যদিও ট্ৰেফিক আছিলে, খাবলৈ সময়ে নাপালো। পুৱা ৮ বজাৰ পৰা এতিয়া দেৰ বজালৈকে ইটোৰ পিছত সিটো ৰাউণ্ড, ভোকত পেটটো কলমলাই গৈছে। কেফেটেৰিয়াত গৈ কিবা এটা খাই লওঁ বুলি উঠি গলো। বেগতে ফোনটো ছাইলেন্ট কৰি সুমুৱাই থোৱা আছে. উলিয়াই দেখোঁ বাৰটা মিছদ্ কল। কাৰ হব আৰু, আয়ুৰ, মানে আয়ুস্মানৰ।

: মাথা টো খাই হে এৰিবি মানে ন?
: বহুত ইম্পৰটেন্ট কথা আছে। ইস্মান ফোন মাৰিছো, উঠাব লাগে বুলি নাজান?
: আয়ু, মই ইন্টাৰভিউ দি আছিলো বুলি জান নে নাই তই?
: তইতো এনেও পাবিয়েই ন। তই মোক্তে চোকা আছ। ময়েই যদি পালো সেইটো কোম্পানিত, তই কেলেই নাপাবি।
: মোক্তে নহয়, মোতকৈ।
: বাদ দেয়া না সেইচৱ।মেইন কথা গাহৈ মাংখ টো বনাই দিবি হাঁ।
: কাম নাই আৰু মোৰ! বাই দা ৱে, গাহৈ নহয় গাহৰি আৰু মাংখ নহয় মাংস।
: তই কি বানান কৰি কৰি মাংখ খাৱ নেকি?
: ধেই এইডাল ফোন থ।
:নথবি ৰ।
:কি হ'ল?
:কিবা খালি নাই তই?
ফোনটো হাতেৰে চেপি ধৰিলো।
বুকুখন গধুৰ হৈ আহিল, মোৰ বাবে চিন্তা কৰা মানুহ আছে বুলি ভাবিবলৈও ভয় লাগে মোৰ।
: খালো। এতিয়া ৰাখিছো।
: নাইখোৱা মই জানো। সেইখন কেফেটেৰিয়াত বাৰ্গাৰ ভাল পাবি, খাই ল'বি।
: হব।
ল'ৰাল'ৰিকৈ ভেজ বাৰ্গাৰটো গিলি আকৌ আহি ৱেটিং এৰিয়াত বহিলোহি। মনত এসোপা চিন্তাৰ পাহাৰ। আন ছোৱালীৰ দৰে জীৱন মোৰ নহয়। নাইবা জীৱন একেই, মইহে আনৰ দৰে নহয়।
উফ্ আৰু নোৱাৰি।
চিন্তাৰ পৰা খন্তেকৰ কাৰণে হ'লেও মুক্তি লাগে মোক।
লাহে লাহে smoking zone টোৰ ফালে খোজ ল'লো।
অস্থিৰ মানুহে ধোৱাঁৰ কুণ্ডলিৰ লগত দুখবোৰ, চিন্তাবোৰ উৰি গ'ল বুলি ভাৱে।
পৃথিৱীত ইয়াতকৈ পুতৌজনক আৰু কি হ'ব পাৰে ?
“Welcome to Infotech, Miss Ananya, you are selected”.

সুখী হোৱাৰ বৰ এটা অভ্যাস নাই মোৰ, মাত্ৰ হাঁহি এটা মাৰি HR গৰাকীক সম্ভাষণ জনালো। আয়ুলৈও মাত্ৰ এটা শব্দ লিখিলো, ” পালো”।
মই এনেকুৱাই, মই অনন্যা।

অফিচ বিল্ডিংটোৰপৰা ওলাই অহাৰ আগতে এবাৰ নিজৰ চাৰিওফালে চালো।
কোনোবা খুব সুখী, কোনোবা দুখী ।
হাহিঁছে, কান্দিছে।
পোৱা নোপোৱাৰ খন্তেকীয়া হিচাপ, কাইলৈ কি হ’ব নেদেখা জীৱনটোক লৈও মানুহৰ কিমান পৰিকল্পনা, কিমান হেপাঁহ।
কাৰ বাবে কৰে মানুহে হিচাপবোৰ?
এমুঠি অন্ন, এডোখৰ বস্ত্ৰ নে “মোৰ সকলো আছে” বুলি ভাবিব পৰাকৈ এটা পানীৰ নিচিনা সপোন দেখিবলৈ।
হয়, পানীৰ নিচিনা সপোন, আকাৰ নাই, ৰং নাই, কিন্তু ই থাকে, যাৰ পাছে পাছে জীৱনবোৰ দৌৰি থাকে।
মৰা মানুহে বাৰু সপোন দেখেনে? যদি নেদেখে আধৰুৱা সপোনবোৰ ক’লৈ গুচি যায়।
পৰম সুখক চোন মানুহে স্বৰ্গ সুখ বুলি কয়।
যদি মৃত্যুৰ পাছত স্বৰ্গ প্ৰাপ্তি হয়, তেন্তে তাৰ পাছত মানুহে কি সপোন দেখে?
স্বৰ্গ প্ৰাপ্তিৰ পাছতো হেঁপাহ থাকেনে আন কিবা প্ৰাপ্তিৰ???

উফ্, আৰু বেছিদেৰি ইয়াত থাকিলে ময়ো সপোন দেখিম।
যিমান পাৰি সোনকালে ইয়াৰপৰা যোৱা ভাল। কেব্ এখনকে মাতিবলৈ লৈ আয়ুৰ মেছেজ পালো।
“মই আৰু বসন্তী আহি আছো, কেব ল’ব নালাগে”
বসন্তী। কাৰোবাৰ আওপুৰণি স্কুটি এখন কিনিলে আয়ুয়ে, নামে দিছে বসন্তী।
নালাগে বুলি নকলো। কৈ লাভ নাই বুলি জানো। ওলাই আহি গেইটৰ সন্মুখত বহিব পৰা ঠাই অকণ চাই বহিলো।
“ওলাই যা মোৰ ঘৰৰপৰা, বাহিৰ হ। এইক মই আজি মাৰিয়েই পেলাম।”
কথাবোৰ কাণত এতিয়াও বাজে, বুকুত খুন্দিয়াবহে নোৱাৰে।
অন্তৰ খন বন্ধ কৰি থোৱা বহুদিন হ’ল, মগজু হে খোলা ৰাখিছো,দুনীয়াৰ লগত মোকাবিলা কৰিব পৰাকৈ, সকলো সময়তে, সকলো পৰিস্থিতিতে।
কিন্তু.....

ফোনৰ স্ক্ৰীণত নাম্বাৰটো উলিয়াই লৈ বাৰে বাৰে ৰৈ গৈছো। এৰি অহা দিনৰ স্মৃতি বোৰ আজি যেন বেছি সতেজ হৈ ঘূৰি আহিছে মোৰ ওচৰলৈ। ডায়েল কৰিবলৈ মনে ক'লেও মগজুৱে বাধা দিছে মোক।
কিন্তু এখন অসহায় মুখে মোক ৰাতি দিন খেদি ফুৰে।
অপৰাধবোধে মোক কোঙা কৰে।
সেই মুখখন পোহৰাবলৈকে মই আকৌ এবাৰ নাম্বাৰটো ডায়েল কৰিলো।
:হেল্ল'
:হেল্ল'
:মাজু..
:তৰা, ককাক ফোন দে।
:মাজু, তই ইমান দিনৰ মূৰত
সিফালৰ পৰা তৰাৰ থুকা থুকি মাত।
কিন্তু এইবোৰে মোক আজিকালি চুবই নোঁৱাৰে চোন।
"কাৰ ফোন?"
গলগলীয়া মাতটো কাৰ বুজিবলৈ বাকী নাথাকিল। তৰাৰ মাত হৰিল। কিন্তু ময়ো কথা নপতাকৈ নেৰোঁ।
:তৰা, ককাক ফোন দে।
:চাৰে গালি...
:ককাক ফোন দে বুলি কৈছো দে। লাউড স্পিকাৰ অন কৰ।
:তই কেলেই এনেকুৱা মাজু?
তৰাৰ হাতৰ পৰা ফোনটো কোনোবাই থপিয়াই নিয়া যেন লাগিল। অলপ সময় কাৰো মাত নাই।
:মাজু, কি কাৰণে ফোন কৰিছ?
মা!
ফোন কৰাৰ কাৰণে বেয়া পাইছে। নাইবা ভয় খাইছে দেউতাই গম পোৱাৰ কাৰণে।
গোটেই জীৱন মিছাৰ মাজতে পাৰ কৰিছে তেওঁ। গতিকে প্ৰশ্নটো শুনি ময়ো আচৰিত হোৱা নাই।
:ককাক ফোন দিবানে?
:কিয় লাগে সেইটো ক।
:মোৰ মুখ খুলিলে কোনো শান্তিত থাকিব নোৱাৰিবা কৈ থ'লো মই। মোৰ খং উঠাই নলবা এতিয়া। বহুত কথা মইও ক'ব পাৰোঁ। ককাক ফোন দিয়া।
কথাখিনি মাক ক' লেও দেউতাৰ বাবেহে আছিল, আৰু তেওঁ যে শুনি আছে সেইয়া মই জানো।
এইবোৰৰ শেষ নাই ।
জেদ অহংকাৰ আৰু স্বাৰ্থপৰতাই গোগ্ৰাসে গিলিলে আমাৰ জীৱনবোৰ। কিন্তু কাৰো ভ্ৰুক্ষেপ নাই।
এইটোও আচলতে এটা নিচা, প্ৰতিদিনে কাৰোবাৰ প্ৰতি ঘৃণা কঢ়িয়াই লৈ ফুৰাৰ নিচা, "মই সকলো ফালৰ পৰাই শুদ্ধ" বুলি ভাবি আত্মসন্তুষ্টি লোৱাৰ নিচা, সমাজৰ আগত নিজকে আনতকৈ বেলেগ বুলি ভবাৰ নিচা।
আস্, বৰ বেয়া নিচা এইবোৰ।
পিছে লাগিল যেতিয়া সহজে আতৰি নাযায়। থাকিব।

মানুহবোৰ তিলে তিলে মৰি গলেও এই ৰাগী লাগিলেই থাকিব।
:গোসাঁনী অ', কেতিয়া আহিবি আই, মাতটো শুনো, কিবা এটা কচোন।
কিমানদিন!
শিল এচপৰাই ডিঙিটো খুন্দা মাৰি ধৰিলে।
ককা বুলি মাতিবও নোৱাৰা হ' লো।
:মোকো নামাত নে, মাজু অ'।
:ভালে আছা?
:কেলেই গুচি গলি আই, গুচি আহ ,গুচি আহ, মই আছো নহয়।
:ককা, মই ভালে আছো।
:মই যে ভালে নাই, মোকো লৈ যাবি তোৰ ওচৰলৈকে। মাজু, শুনি আছনে?
:চাকৰি এটা পালো, লৈ আনিম তোমাক। আহিবানে?
:...
:হেল্ল
:ভালেই হব লৈ যাবি, বুঢ়াৰ আল পৈচান ধৰিবলৈ মোৰ সময় নাই।
কাটি দিলে ফোনটো।
মাক মই কেতিয়াও ভাল পাব নোৱাৰিম,কেতিয়াও নোৱাৰিম।
সমাজৰ আদৰ্শ মহিলাগৰাকীৰ কুৎসিত মুখ খন চিনি পাওঁ মই, বেয়া পাওঁ মই, সাংঘাটিক বেয়া পাওঁ ।
আচলতে ভাল পাবলগীয়া একো নায়েই, তাত মোৰ দোষ কি!

:ব'ল ব' ল, উঠ।
আয়ু কেতিয়া আহি ৰ'লহি গমেই নাপালো। পিঠিত বেগটো লৈ তাৰ পাছফালে বহিলো। ডিয়' আৰু ঘামৰ অকটা গোন্ধ এটা নাকত লাগিলহি।
: কেইদিন গা নাই ধোৱা?
:হিচাপ নাই ৰখা, তিনিদিন মান হ'ল। গোন্ধ যে নাই আৰু, ডিয়' লগাইছো তো।
:লেতেৰা কেলেই ইমান তই!
:চাৰ্ট পেন্ট কেইটা গধূলি দি দিম ধুই দিবি দেই।
:মোক পগলা কুকুৰে কামুৰিছে নেকি?
:তহঁতৰ পিজিত ৱাচিং মেচিন আছে কাৰণে হে কৈছো। দিবি দেই।
:চাকৰ পাইছ মোক?
:নাম, এতিয়াই নাম। মোৰ বসন্তীত উঠি মোকেই দম।
: হ'ব যা, দি দিবি। ধুই দিম বাৰু। ইস্ত্ৰি কিন্তু নকৰোঁ এতিয়াই কৈ থৈছো।
:অ'ক্কে।
সেইটোৰ লগত চুপটি মাৰি মাৰি ৰূম পালোহি। মই থকা পিজিটোৰ পৰা দুটা বিল্ডিং এৰি আয়ুহঁতৰ ৰূম। আয়ু আৰু সমীৰ থাকে তাত। মোৰ ৰূমত বৰ্তমান মই অকলে। ইয়ালৈ অহা মাত্ৰ দুটা সপ্তাহ হে হৈছে। ৰূম

মেইট দুয়োজনী ঘৰলৈ গৈছে।
আজি এজনী ঘূৰি অহাৰ কথা।
: বিশটকা দে।
নামিয়েই এইটোক পইচা লাগে।
:কিয়?
:তই নবনাও কলি ন মাংখ টো, মই নিজেই বনাম। নহৰু নাই। কিনি নিব লাগে। দে পইচা।
:তোৰ ওচৰত বিশ টকাও নাই?
: মই ধনী মানুহ, খুচুৰা নাৰাখো নহয়।
পইচা টো লৈয়েই আয়ু গুচি গ'ল। ৰূমৰ ফালে খোজ ললো।
মন, শৰীৰ একেবাৰেই ভাগৰুৱা।

চিৰিকেইটা কোনোমতে বগাই আহি ৰূম পালোহি। দৰ্জাখন খিলি লগোৰা আছিল।
এবাৰ নক্ কৰোতেই খুলি দিলে।
:হাই, আই এম হিবা, আপকা ৰুমমেট।
এমোকোৰা হাঁহিৰে সাদৰ সম্ভাষণ।
হিবাৰ পিন্ধনত এযোৰ হাত দীঘল চুৰিদাৰ, মূৰত এখন হিজাব।
প্ৰথম দেখাতেই আপোন যেন লগা এখন মৰমলগা মুখ। নিজে যদিও হাহিঁব নাজানো কোনোবাই হাঁহি থাকিলে মোৰ খুব ভাল লাগে। আমাৰ ঘৰত এই বস্তুটো বৰ আপুৰুগীয়া আছিল।
:হাই, আই এম অনন্যা।
ক'ত ঘৰ কি কথাৰে চমু পৰিচয় হোৱাৰ পাছত ফ্ৰেছ হ'লো। প্ৰথম চিনাকিতে বুজি পালো হিবাই কিমান কথা কয়। মোৰ ভাগৰ লাগিছে যদিও তাইৰ কথাবোৰ শুনি আছো। আয়ুৰ লগত দুটা এটা কথা পতাৰ বাহিৰে মোৰ কবলগীয়া বা শুনিবলগীয়া একো নাথাকেই। কিন্তু হিবাৰ কথাবোৰ, কথাৰ লগত বাৰে বাৰে সলনি হোৱা তাইৰ মুখৰ অভিব্যক্তি, দক্ষিণ ভাৰতৰ বিশেষ সুৰত কোৱা হিন্দী, সকলো ভাল লাগিছে।
হিবাই একেটা কোম্পানীতে আজিৰপৰা তিনিমাহ আগতে জইন কৰিছে। মেংগালোৰৰ সাগৰৰ পাৰৰ ধুনীয়া ঠাইৰ ধুনীয়া ছোৱালী হিবা।
:আপ নে কুছ খায়া?
:নেহী।
:আয় য়', মে ঘৰ ছে বিৰিয়ানি লায়ি হুঁ, আপ খায়েংগী?
:অ' কে।
হিবাই টিফিন বক্সটো আগবঢ়াই দিবলৈ লৈ আধাতে ৰৈ গ'ল।

:ক্যা হুৱা?
:আপ কা আজ জব লগ গয়া হে ফিৰ ভি আপ ইতনা উদাস হ’, কুছ হোৱা হে ক্যা?
:নেহী, মে’ খুছ হুঁ। Just a little bit of tiredness.
:ঠিক হে আপ্ খানা খা কে আৰাম কৰ ল’। মে’ আন্টি ছে মিল্ কে আতি হুঁ।

সৰু বিচনা খনত পৰি চকু কেইটা বন্ধ কৰি দিলো। মনৰ ভিতৰত খুন্দিয়াই থকা কথাবোৰে অাৰু বেছিকৈ আমনি কৰিছে এতিয়া। অাৰু কিমানদিন এনেকৈ জীয়াই থাকিম ময়ো নাজানো। কিন্তু মৰিবলৈ সাহস বা দুঃসাহস যিয়েই নকওক মোৰ নাই।
আৰু মৰি থাকিলে নো কাৰ কি ক্ষতি হ’ব।
আচলতে কথাবোৰ এনেকুৱাই।
মৰি নোযোৱালৈকে সকলো অকলশৰীয়া।
মৰাৰ পিছত কিছুদিনলৈকে আপুনি আপোনাৰ চিনাকি মানুহবোৰৰ চছিয়েল মেডিয়াত বৰ বিশেষ মানুহ হৈ পৰে।
এক কথাত ক বলৈ গলে আপোনাৰ মৃত্যুৰ বাতৰি চছিয়েল মেডিয়াত ট্ৰেণ্ড কৰে, কোনোবাই নিজৰ কোমল অন্তৰৰ বিষয়ে এহালিচা লিখে, কোনোবাই ভগৱানে দোষ ধৰিব বুলি RIP লিখি দায়িত্ব সাৰে, আৰু মোৰ নিচিনা মানুহবোৰে একো নিলিখে।
কাৰণ আমি ভালকৈ জানো, নিজক মাৰি পেলাবলৈ হলে নিজৰ ওচৰত মানুহ কিমানবাৰ হাৰিব লাগে।
মূৰৰ বিষটো যেন এই কথাবোৰে আৰু দুগুণ কৰি তুলিলে।গাৰুত মুখ খন জোৰ কৈ হেঁচি ধৰি শুই থাকিলো।

অফিছৰ প্ৰথম দিন। হিবা আৰু আয়ুয়ে দিয়া উপদেশ অনুসৰি সম্পূৰ্ণ ফৰ্মেল কাপোৰ পিন্ধি নটা বজাতে অফিচত উপস্থিত হ’লো। On boarding প্ৰক্ৰিয়টো যথেষ্ট দীঘলীয়া। প্ৰায় তিনি চাৰি ঘন্টা সময় HR ডিপাৰ্টমেন্টৰ কাম বিলাকতে পাৰ হ’ ল।
ঠিক চাৰে বাৰ বজাত লাঞ্চ ব্ৰেকত আয়ুৰ লগত খাবলৈ ওলাই আহিলো।
:প্ৰজেক্ট কি দিব কৈছে নাই?
:নাই কোৱা। ট্ৰেইনিং নিদিয়ে বুলি কৈছে। Self learning অৰ কাৰণে পোন্ধৰ দিন সময় দিব।
:ঠিকেই আছে।
:আয়ু, ককাক লৈ আহিম মই।
:ৰাখিবি ক’ ত?
:ভাড়াঘৰ বিচাৰিম নেক্সট মাহৰ পৰা।
:তই এটা দিন এইবোৰ নভবাকৈ থাকচোন। আইচ ক্ৰীম খুৱাম তোক ব’ল।
মোৰ চিন্তাৰ পাহাৰৰ এচপৰা মাটি খহাবও নোৱাৰে এইবোৰে। আইচ ক্ৰীম কেৱল আয়ুৰ কথা ৰাখি খাবলৈ গ’লো।

সকলো যাৱতীয় কাম শেষ কৰি resources manager গৰাকীৰ কথামতে তেওঁৰ লগত ১০ নম্বৰ মহলালৈ উঠি গ'লো। তাৰেই এটা প্ৰজেক্টত মোক allocate কৰিছে ।দহটা মহলৰ অফিছটোত সকলো মানুহ ইমান ব্যস্ত। প্ৰথম বাৰৰ বাবে অলপ ভয় লাগিল।মই যদি ইয়াতো সফল হ'ব নোৱাৰোঁ!
বিফলতা মোৰ আজন্মৰ সহচৰ।

:Ananya, meet your project manager A. K Suresh. And Suresh, she is our new joinee Ananya.
কৰমৰ্দন কৰিবলৈ হাতখন আগবঢ়াই দিলো। হাহিঁ মুখেৰে মোক আদৰণি জনালে সুৰেশে।
:Nice to meet you Ananya. Let me introduce you to the team.
:Pleasure is all mine sir. Thank you.
:You can call me Suresh. Here we don't use Sir, Mam and all. Okay?
:Okay Suresh.
মোতকৈ বয়সত প্ৰায় দুগুণ ডাঙৰ মানুহ জনক নাম কাঢ়ি মাতিবলৈ ভাল নালাগিল। কিন্তু ইয়াত কোনেও কাকো ছাৰ বা মেডাম বুলি নকয়। বয়সৰ ব্যৱধান বা পদমৰ্যাদা চাই ইয়াত কোনেও কাকো সন্মান নিদিয়ে। IT sector অৰ আটাইতকৈ ভাল লগা দিশ এইটোৱে। ইয়াত সকলো সমান।

গ্লাছৰ দুৱাৰখন খুলি সুৰেশৰ পিছে পিছে সোমাই গ'লো। বুকুৰ ধপধপনি অলপ বাঢ়ি যোৱা যেন লাগিল। গোটেই ফ্ল'ৰটোত অসংখ্য কিউবিক'ল। ইমান মানুহ থকা সত্বেও একেবাৰে নিস্তব্ধ। কম্পিউটাৰ কি বোৰ্ডৰ খটখট শব্দ আৰু কিছুমান অস্ফুট গুণ গুণ শব্দৰ বাহিৰে একো শুনা নাপায়। গৈ গৈ একেবাৰে শেষৰ কিউবিক'ল এটাত গৈ ৰ'লো।
:This is your cubicle, this is your seat and they are your team mates. Guys please come close to welcome our new team mate Ananya.
সুৰেশৰ কথা শুনি ওচৰৰ কিউবিক'ল কেইটাৰ পৰা প্ৰায় বাৰ জনমান মানুহ উঠি আহিল। তাৰে দুজনী ছোৱালী আৰু এটা ল'ৰা প্ৰায় মোৰ বয়সৰে, দুগৰাকী বিয়া হোৱা মহিলা, আৰু বাকীকেইজন চিনিয়ৰ যেন লাগিল।
সকলোয়ে নিজৰ নিজৰ চিনাকি দিলে যদিও কাৰো নাম মনত নৰ'ল। অলপ নাৰ্ভাছ হৈছো যেন লাগিল। মাত্ৰ যিমান পাৰি সহজভাবে নিজৰ চিনাকি দি গৈছো।
: I have a meeting now,where is Anirudh?
:He is preparing for the demo Suresh, in that meeting room.
:Ananya, you take your laptop and directly go to Meeting room 101.Tell him that Suresh has sent you and he will help you with the software configuration. Have a good day.
:Thank you Suresh.
হাতত লেপটপটো লৈ মিটিং ৰুমৰ ফালে খোজ ল'লো। এনেতে কোনোবাই দৌৰি আহি মোক পিছফালৰ পৰা

মাতিলেহি। ঘূৰি চাই দেখো, হিবা।

: Ananya, we are in same team.

:is it?

:হাঁ, মেইনে দেখা আপকৌ সুৰেশ কে সাথ,মেৰা আভি টেষ্টিং টিম মে কাম দিয়া হে, আপকৌ দেভেলপ্মেন্ট ৱৰ্ক দেংগে শায়দ্ ।By the way, where are you going now?

: Suresh sent me to meeting room 101,to meet Anirudh.

:Anirudh?

:Yes.

:Okay,be careful.

কৈয়ে হিবা আঁতৰি গ'ল।

মই হে একে ঠাইতে ৰৈ গ'লো।

কেয়াৰফুল!

কিন্তু কিয়?

গ্লাছৰ দৰ্জা খনৰ বাহিৰৰ পৰা এবাৰ চালো। ৰূম টোৰ একেবাৰে শেষৰ চকী খনত কোনোবা এজন বহি আছে। মুখ খন ভালকৈ নেদেখি। দৰ্জাখনত হাতখন দিবলৈ গৈ বাৰে বাৰে ৰৈ গৈছো।

হিবাৰ কথাষাৰ বাৰে বাৰে মোৰ কাণত বাজিছে। কিয় বা তেনেকৈ ক'লে মোক।

“Be carefull” !

যি হয় হব, বেছি ভাবি থাকি লাভ নাই।

দৰ্জাখন সামান্য ঠেলি মূৰটো সুমুৱাই চালো।

ফৰাছী পাৰফিউমৰ ফুৰফুৰীয়া গোন্ধ এটা নাকত লাগিল।

“Excuse me!May I come in?”

সোণালী ফ্ৰেমৰ চশমাৰ সিপাৰে এযোৰ গভীৰ কজলা চকুৱে মোৰ ফালে চাই পঠিয়ালে। এখন নিস্তেজ মুখ। চাৱনিত বিৰক্তিৰ বাহিৰে আন একো নাছিল।

ব্লু ব্লেজাৰ, হোৱাইট ছাৰ্ট আৰু কফি ৰঙৰ টাইডাল যেন ব্যৰ্থ হৈ পৰিছে তেওঁৰ ম্লান পৰা মুখখন পোহৰ কৰিবলৈ।

খুব বেছি দুই ছেকেণ্ড।

তাৰ পাছত সেই চকুযোৰ আকৌ নামি গল লেপটপ ৰ স্ক্ৰীনলৈ।

মই বাৰু বেয়া সময়ত আহিলো নেকি, নাইবা কিবা নকৰিব লগীয়া কৰিলো নেকি!

কি কৰিম কি নকৰিম ভাবি ৰৈ আছোঁ মাথোঁ।

:Come in.
বছ সিমানেই।
দুৱাৰখন ঠেলি সোমাই আহিলো।
মিটিং ৰূম টোৰ ভিতৰত এখন ডাঙৰ ঘূৰণীয়া টেবুল আৰু চাৰিখন চকী। ৱালত এখন হোৱাইট বোৰ্ড লগাই থোৱা আছে। কোনোবাই বাৰে বাৰে কিবা লিখি লিখি মোহাৰি থৈছে। বাহিৰৰ তুলনাত ৰূমটোত পোহৰ অলপ কম।
মোক তেতিয়াও বহিবলৈ কোৱা নাই।লেপটপটো সাৱটি মই মাত্ৰ মানুহজনৰ সন্মুখৰ চকীখনৰ ওচৰত থিয় হৈ ৰৈ আছোঁ।
তেওঁ তেতিয়াও কিবিকিবি টাইপ কৰি আছে।মাজে মাজে ধোৱাঁ ওলাই থকা কফিৰ কাপত চুমুক দিছে, আকৌ টাইপ কৰিছে, বাৰে বাৰে হাতৰ ঘড়ীটোলৈ চাইছে,কেৱল মোৰ ফালে চাবলৈহে সময় নাই।
কাণখন অলপ গৰম গৰম যেন লাগিল। মোৰ ইতিমধ্যে খং উঠা আৰম্ভ হ'লেই। ইমান attitude মোৰ সহ্য নহয়।

:Excuse me !Mr Anirudh , right?
:Yes,and you?
:Hi I am Ananya,I joined your team today.
: Good for you.
ৰিয়েলি!
ইমান attitude !
খঙে চুলিৰ আগ পাইছেগৈ, আৰু সহ্য কৰিব নোৱাৰি।
:Actually Suresh sent me to you.Will you please help me with my initial configuration?
: Don't you see I am busy.Go and tell your manager , I am not available to entertain everyone ok?
ইমান বেয়া ব্যৱহাৰ!
তাকো প্ৰথম দিনাখনেই।
খং এটা উঠি আছিল, এতিয়া দুখো লাগিছে। নিজকে কি বুলি ভাবিছে নাজানো।
মইও কিন্তু এৰি নিদিওঁ।
: That's not my problem Sir.So just stop nagging in front of me.
যি মুখত আহিলে কৈ দিলোঁ।
কথা শুনি তেওঁ চকীৰ পৰা উঠি থিয় হল। হাতত লেপটপটো লৈ দপদপাই ওলাই গল। যাওঁতে মাথোঁ কৈ গল।
:We gonna sort this out later.
হঠাৎ কি হৈ গ'ল, মই যেন বুজিয়েই নাপালোঁ। প্ৰথম দিনটোতেই ইমান বেয়া হৈছে মোৰ লগত। খঙত কি কৰোঁ কি নকৰোঁ লাগিছে। চকী এখন টানি বহি পৰিলো। এইবোৰ কেৱল মোৰ লগতেই কিয় হয়।অকণমান

শান্তি লিখা নাই নে মোৰ বাবে।একো কামেই কিয় চিধাকৈ নহয় মোৰ জীৱনত।
চকুকেইটা জপাই দিলো।
পিছে কিমান দেৰি এনেকৈ বহি থাকিব পাৰিম। কিবা এটা কৰিব লাগিবই। হিবাৰ নাম্বাৰটোত ফোন কৰি তাইক মাতি পঠিয়ালো। অলপ সময় পাছত তাই আহিলে।
মোৰ লগত কি হল গোটেই খিনি কথা তাইক কলো।
কথাবোৰ মন দি শুনি তাই মাত্ৰ কলে।
: আজ সুবহ্ ছে অনিৰুদ্ধ্ এইছে হি বিহেভ্ কৰ ৰহে হে। উনকা অ'ৰ সুৰেশ কে বীচ্চ বেহেচ্ ভী হোৰা হে। I think he is very upset and angry today. But otherwise he is a very good guy. “

কিন্তু মোৰ কি দোষ। মই কি কৰিলো। মোৰ লগত এনে ব্যৱহাৰ কিয় কৰিব।
:I will help you Ananya, it’s okay.
হিবাই যি পাৰে সহায় কৰিলে যদিও সম্পূৰ্ণ কৰিব নোৱাৰিলে। দুই জনীয়ে বহুপৰ যুঁজি যুঁজিও নোৱাৰিলো।
ইতিমধ্যে গধূলি হওঁ হওঁ। ঘড়ীটোলৈ চালো, সাত বাজিব ৰে হল।।
মোৰ যেন কোনো কামেই ভালকৈ নহয়। মনটো বেয়া লাগিল। হিবা তাইৰ নিজৰ কাম কৰিবলৈ গুচি গল।
মইও পানীৰ বটলটো লৈ কেফেটেৰিয়াটোৰ ফালে আগবাঢ়িলো।
কিন্তু কি আচৰিত!
তাত ধুমধাম ৰে কাৰোবাৰ বাৰ্থডে চেলিব্ৰেট হৈছে আৰু সকলোৰে মাজত সেইয়া হাঁহি মুখেৰে অনিৰুদ্ধ।
মানুহৰ মন নে চৰকাৰৰ নীতি!
মিনিটে মিনিটে সলনি হয় যে!
মানুহৰ জুমটোৰ কাষেদি পাৰ হৈ গৈ পানী ভৰালো।
সোনকালে ওলাই যাব পাৰিলেই হ'ল।

:So,Miss Ananya,shall we talk now?
মূৰ তুলি চালো।
অনিৰুদ্ধ।
চচ্মা যোৰ নাই।
অথনিৰ বিৰক্তিৰ অলপো চিন নাই চকুত।
সঁচা কথা কবলৈ অলপ অনুশোচনা হে দেখিবলৈ পোৱা যেন লাগিল।

কিন্তু ইমান সহজে হাৰ মনা মানুহ মই নহয়।
:No,I am leaving for home now.
:What about your software configuration? What should I tell to your manager?
মন গৈছিল বটলৰ পানী খিনি মুখলৈকে মাৰি দিম।
কিন্তু নোৱাৰি কৰিব।গোটেই দিনটোত তেওঁৰ সময় নহ'ল, এতিয়া মই যাবলৈ ওলোৱাত তেওঁৰ সময় হ'ল।

:I am not available to entertain everyone,specially after such a terrible day, ok?
কৈয়ে গুচি আহিলো সেইখিনিৰ পৰা। খোজ কেইটা বেছি খৰ কৰি নিজৰ ঠাই পালোহি। উশাহটো দীঘলকৈ টানি এবাৰ চাৰিওফালে চালো। টিমৰ কোনো মানুহ ঘৰলৈ যোৱা নাই। মই যাব পাৰিম নে নাই বাৰু? হিবালৈ মেচেজ কৰিলো।reply আহিল, ন বজাৰ আগত কোনো নাযায় ঘৰলৈ।
আকৌ নিজৰ চিটত বহি থাকিলো।
সময়বোৰ কিবা নেযায় নুপুৰাই নিচিনা লাগিছে আজি মোৰ। ইফালে নতুনকৈ কিনা ফৰ্মেল জোতাযোৰে ভৰি কাটি শেষ কৰিলে। ইফালে সিফালে চাই কোনেও নেদেখাকৈ জোতাযাৰ খুলি দিলো। গোৰোহা দুইটা ফুলি ৰঙা পৰি আছে। তেজ ওলাই আহিব অলপ দেৰি আৰু পিন্ধি থাকিলে। হাতেৰে চুই দিলত বিযে মূৰত ধৰি গ'ল।
খঙত নে বিষত নাজানো, চকুকেইটা সেমেকি আহিল, কেতিয়াবা মোৰ কিয় এনেকুৱা হয় ময়ো নাজানো। হাজাৰ ধুমুহা শুকান চকুৰে চাই ৰোৱা মানুহজনী কেতিয়াবা সৰু কথাতে চকুলো টুকো।
আঙুলিৰে চকুৰ কোণত টিপি ধৰিলো।

এনেতে মোৰ কাষৰ চিট টোত কোনোবা আহি বহিলহি। জোতাযোৰ লাহেকৈ ডেস্ক খনৰ তললৈ থেলি দিলো।
: I am sorry Ananya, really very sorry!
মোৰ সৈতে একেটা কিউবিকলত সেইজন মানুহ, অনিৰুদ্ধ!

কিমান সহজেই কৈ দিলে।
ছৰী!
পাৰি নেকি এনেকেই কৈ দিব?
মই চোন নোৱাৰোঁ, মোকো চোন কোৱা নাই কোনেও!
অনিৰুদ্ধলৈ এতিয়া চাব নোৱাৰোঁ মই।চলচলীয়া চকুৰ প্ৰতি মানুহবোৰৰ দৰদ বেছি।আৰু মই আটাইতকৈ বেয়া পোৱা বস্তুটো হৈছে মোৰ পৰতি কাৰোবাৰ অহেতুক দৰদ,সমবেদনা। “বেছেৰী” , “আয়ে দেহি”এই শব্দবোৰ বৰ ভয়ানক।
:Its okay.
তৰ্ক কৰাৰ ইচ্ছা আৰু শক্তি এটাও নাই মোৰ।হুইলিং চেয়াৰ খন ঘূৰাই চাবলেও মন নাই। তেওঁ আৰু কিবা কোৱাৰ আগতে কাণত হেডফোন ডাল লগাই ললো। কিন্তু কিছু সময় পাছতেই টেবুলত কোনোবাই নক্ কৰিলে। উচপ খাই উঠিলো।
মোৰ পৰা সহাঁৰি নাপাই অনিৰুদ্ধ

উঠি আহিল নিজৰ ঠাইৰ পৰা,মোৰ একেবাৰে কাষতে ৰলহি।

:Hey, are you crying? What have I done man, Ananya, see I am really very sorry. Look at me.

সৰু ল'ৰা ছোৱালীক যেনেকৈ আমি মৰমেৰে বুজাওঁ, ঠিক তেনে এটি ভাৱত অনিৰুদ্ধই মোকো ক'লে। ইমান মৰম কিহৰ বাবে! এনেকুৱা মাত মই কাৰো পৰা পোৱা নাই আৰু মোৰ ভালো নালাগে।

:I am not a baby to cry over silly things.I am just tired.

:Okay,so can we talk now?Let's go grab a cup of coffee and then we will talk.Cool?

:Nope I don't drink coffee.

: Ananya, it's your first day,I don't want you to go home sad.Come.

অনিচ্ছা সত্বেও উঠিলো, কিন্তু জোতাযোৰ পিন্ধিবলৈ হে কষ্ট হল। যেনে তেনে ভৰাই অনিৰুদ্ধ পিছে পিছে খোজ ললো। টিমটোৰ বাকী মানুহবোৰে আমালৈকে চাই আছে। অলপ অসহজ যেনো লাগিল।

:Anirudh, are you going for coffee?Let me join you guys.

ছোৱালীজনীৰ মাত শুনি ঘূৰি চালো। অথনি চিনাকি হওঁতে নামটো টানিয়া বুলি কৈছিল।সাংঘাটিক গ্লেমাৰাছ। এতিয়াহে চাইছো ভালকৈ। পিন্ধনত এটা ক'লা পেঞ্চিল স্কাৰ্ট আৰু বটলগ্ৰীণ কালাৰৰ ছাৰ্ট। চুটিকৈ কটা চুলি খিনি বাৰে বাৰে ঠিক কৰি থাকে।হাই হিলৰ খটখট শব্দ কৰি মোক যেন দেখাই নাই তেনে এটি ভাবত পাৰ হৈ গৈ অনিৰুদ্ধ ৰ সমানে খোজ ললে। মন কৰিলো দুয়োৰে খুব ভাল বন্ধুত্ব । কথাৰ মাজতে হাঁহি হাঁহি টানিয়াই অনিৰুদ্ধৰ বাহুত লাহেকৈ ঠেলা মাৰি দিছে, হাঁহিৰ খিল খিল শব্দৰ মাজত মোৰ উপস্থিতি যেন হাৰা হৈ উৰি গৈছে। অৱশ্যে দুয়োকে একেলগে ভালেই দেখিছে। মই হে পাছে পাছে কিয় আহি আছো এতিয়া ভাবিছো।

কাবাব মে হাড্ডী বুলি চাগে ইয়াকে কয়।

লিফট লবীটোৰ ওচৰ পাই অনিৰুদ্ধই ঘূৰি চালে।

:You don't have to say anything Miss Ananya?

:Nope.

তাতকৈ বেছি কোৱাৰ প্ৰয়োজন নাছিল যেনেই লাগিল। মোৰ চমু আৰু পোনপটীয়া উত্তৰে অনিৰুদ্ধক অলপ হলেও আঘাট কৰা যেন লাগিল।

সন্তুষ্টি, ভীষণ ভাল লাগিল অনিৰুদ্ধৰ অভাৰ স্মাৰ্টনেছক উপলুঙা কৰি।

লিফ্টত আমি তিনিজন। দহ নম্বৰ ফ্লোৰৰপৰা গ্ৰাউণ্ড ফ্লোৰলৈকে যাব লাগিব। টানিয়াৰ কথা তেতিয়াও শেষ হোৱা নাই। অনিৰুদ্ধকহে এতিয়া অলপ অন্যমনস্ক যেন লাগিছে। লিফটখনৰ এটা কোণত আউজি মোলৈকে চাই আছে। এবাৰ চকুত পৰিলত মইহে মোৰ দৃষ্টি আঁতৰাই আনিলো, কিন্তু তেওঁ নিনিলে।

কোনোবাই এনেকৈ চালে কি কৰিব লাগে মই নাজানো। অৱশ্যেই মোক খুব কমেইহে চাগে চাই এনেকৈ। জন্মগত ভাৱে পোৰা বগা ৰং আৰু ডাঙৰ চকুকেইটাৰ বাহিৰে বাহ্যিক সৌন্দৰ্য্য একো নাই মোৰ। আৰু আজিকালি টো বাহ্যিকতাই সকলো!

নিজৰ যত্ন লোৱা কেতিয়াবা বাদ দিলো মই। টানিয়াৰ মেনিকিউৰ কৰা হাতৰ দীঘল দীঘল নখ কেইটা চাই নিজলে চাইছো। কামুৰি কামুৰি নখ বুলিবলৈ একো নাইয়েই। চিন্তা যিমানেই বাঢ়ি গৈ থাকে নখৰ আকাৰ চুটি হৈ গৈ থাকে।

এবছৰ আগতেই কটা চুলিও খিনি বাঢ়িহে গৈ আছে মাত্ৰ। কোনো আকাৰ নাই। সেইবাবে আজিও পকাই মেলি খোপা এটা বান্ধি আহিছো। নিস্তেজ মুখ খন আৰু মৃতপ্ৰায় আত্মাৰ ব্যৰ্থ জীৱন গাথা কোনোবাই পঢ়ি চাই বুলিহে চকুত কাজলৰ ডাঠ লেপ লগাই ৰাখোঁ। প্ৰসাধন সিমানেই।সেইবাবেই চাগে টানিয়াৰ দৰে ‘পাৰফেক্ট’ বিউটি এৰি অনিৰুদ্ধই মোৰ মাজত কি দেখিছে বুজিবলৈ টান হৈছে।

মৃদু শব্দ কৰি লিফ্ট খন খোল খাই গল। ওলাই আহি ৰৈ দিলোঁ। জানি বুজি আগবাঢ়িবলৈ দিলো দুয়োকে। কিন্তু অনিৰুদ্ধ এইবাৰ যেন মোক লৈহে ব্যস্ত।

কেফেটেৰিয়াটোৰ ওচৰ পাই দুই কাপ কফি অৰ্ডাৰ দি তেওঁ মোলৈ চালে।

:Ananya,Tea or Coffee?

:Tea.

:আছাম কে ল’গ চিৰ্ফ ছাই হি পি না পছন্দ্ কৰতে হে না?

প্ৰথম বাৰ টানিয়াৰ মোৰ লগত কথা।

:Mostly,we prefer tea over coffee.

:Really!You are from Assam? It’s such a beautiful place.

অনিৰুদ্ধৰ মুখত নিজৰ ঠাইৰ প্ৰশংসা শুনি ভালেই লাগিল।

: পৰ তুম বিলকুল ভী পাহাৰী নেহী লগতী। তুম্হাৰি আখেঁ ভী বড়ী হে।

What nonsense!

অসমৰ প্ৰতি এতিয়াও এইবোৰ মানুহৰ ইমান ভুল ধাৰণা। টানিয়াৰ ভূগোলৰ জ্ঞান কিমান গম পালো আৰু। কিন্তু তৰ্ক কৰিবৰ মন নগল।

: মেইন পাহাৰ’ পে নেহী ৰেহতী।

অনিৰুদ্ধ ই মিছিক কৈ হাঁহি এটা মাৰি মুখ খন ঘূৰাই দিলে। তিনিওটা নিজৰ নিজৰ চাহ আৰু কফি হাতত লৈ গ্লাচৰ ৱাল খনৰ দাঁতিতে লাগি থকা টেবুল এখনত বহিলো। টানিয়াৰ অনৰ্গল কথা তেতিয়াও শেষ হোৱাই নাই। বিৰক্তি লাগিলেও শুনি আছোঁ।

:So Ananya,tell me more about yourself.

কিয় জানিব খুজিছে অনিৰুদ্ধই। নে অথনিৰ ৰুক্ষ ব্যৱহাৰৰ বাবে নিজেই লাজ পাই এতিয়া মোৰ লগত সহজ হবলৈ চেষ্টা কৰিছে।

:Nothing much,I just exist.

এইবাৰ তেওঁ চকুত চকু ৰাখি উত্তৰ দিলোঁ।অনিৰুদ্ধ যেন আকৌ এবাৰ আচৰিত হল। তিৰবিৰাই থকা ধুনীয়া চকুহাল যেন পৰশ্ন ৰে ভৰি পৰিল।

:You can check out my insta profile,I am an influencer you know.Not very far from having
10k follower.

টানিয়াই একো সুযোগ নেৰে নিজৰ বিষয়ে কবলৈ।বিশেষ কৈ অনিৰুদ্ধই কিবা ক'লে পাকে প্ৰকাৰে কথাটো সলাই দিয়ে।

:Sorry,I don’t use Insta.

:Are you seriouse!

আচৰিত হৈ সুধিলে নে খঙত সেয়াহে নুবুজিলো।কিন্তু টানিয়াৰ মুখ খনৰ সলনি হোৱা ৰং চকুত পৰিল। ব্লাছ লগোৱা গাল দুখন অলপ বেছি ৰঙা হৈ পৰিল।

:I am from Indore, MP. And I am pleased to meet you today. Once again sorry for everything.

অনিৰুদ্ধই আৰু কিবা কিবি ক'ব খুজিছিল। কিন্তু তেনেতে ফোনৰ ৰিংটন বাজি উঠিল।অনিৰুদ্ধৰ কথা শেষ নহ'ল।আয়ুৰ ফোন।

:মই গ্ৰাউণ্ড ফ্ল'ৰতে আছো, কেফেটেৰিয়াত। ইয়ালেকে আহ।

ৰক্ষা। টানিয়া আৰু অনিৰুদ্ধৰ মাজত আৰু বেছি সময় থকাৰ ইচ্ছা নাই মোৰ।

অলপ সময় পাছত পিঠিত বেগটো লৈ আয়ু সুমাই আহিল।

:ব'ল ব'ল,মই নমাই দিম, আজি কেব নালাগে ল'ব।

ৰাতি অফিচৰ কেব লৈ যাব পাৰি বুলি হিবাই কৈছিল যদিও এই সময়ত মই ওলাব বিচাৰো ইয়াৰ পৰা।কিন্তু প্ৰথম দিনাই সকলোৰে আগতে গুচি যাবলৈ ভালো লগা নাই।অনুমতি লবলৈও ইচ্ছা নাই মোৰ।অনিৰুদ্ধই যেন বুজি পালে।

:You can leave Ananya, Come bit early tomorrow, we will work together on your configuration thing. And yeah, put something on that shoe bite, it must be hurting a lot. Bye.

আধা খোৱা চাহৰ কাপ টো দাষ্টবিনত থৈ ওলাই আহিলো তাৰপৰা।আয়ুয়ে একো ধৰিব নোৱাৰি কিবাকিবি কৈ

পিছে পিছে আহি আছে।মই একো শুনা নাই।অনিৰুদ্ধই কিয় কব তেনেকৈ।মই দুখ পোৱালৈ চিন্তা কৰিবলৈ কোন তেওঁ।লিফ্টত সুমাই জোৰেৰে switch টিপিছো।বেগ টো লৈ আকৌ নামি আহিলো।আয়ু ৰৈ আছিল তলতে,লগত অনিৰুদ্ধ আৰু মুখত এসোপামান বিৰক্তি লৈ টানিয়া।

:Ananya.

অনিৰুদ্ধৰ মাত।

:Yes.

:Nothing, Take care.

আয়ুৰ হাতখনত ধৰি টানি আনিলোঁ।মই জানো, অনিৰুদ্ধই হয়তো এতিয়াও মোলৈকে চাই আছে।
সেই যোৰ কজলা চকুক মই মোৰ ভিতৰলৈ শিপাব নিদিওঁ, কেতিয়াও নিদিওঁ।

মেইন কদম কদম বদল তা হুঁ য়হী
য়ে জিন্দেগী বদলতী হি নেহী
হে' লফ্জ' কি কমি ..

প্ৰিয় গীতটি কাণত লগাই আয়ুৰ বসন্তীৰ পিছফালে বহি বেংগালুৰুৰ লানি নিছিগা ট্ৰেফিকৰ মাজে মাজে আহি আছো। অজস্ৰ লাইটৰ পোহৰ আৰু যান বাহনৰ কৰ্কশ শব্দৰ মাজতে ছেপ্টেম্বৰ মাহৰ ফিৰফিৰীয়া বতাহ এছাটি গাত লাগিছে।অদ্ভুত মায়া এই চহৰখনৰ। কংক্ৰিটৰ অৰণ্যৰ মাজতো সেউজীয়া কঢ়িয়াই ফুৰিছে অতদিনে। কিনকিনিয়া বৰষুণ আৰু পাতলীয়া বতাহ এছাটিৰে যেন প্ৰকৃতিয়ে মাজে মাজে সোঁৱৰাই থাকে এই চহৰখনত সেউজীয়াৰ উপস্থিতি।
: ঐ শুন না, তোৰ লগত যে আছিলে সেইকেইটা, কেতিয়াবা দেখো একেলগে , বেয়া চিগাৰেট টানি থাকে ।ছোৱালীজনীক আমাৰ টিমত সৱেই “ধোঁৱা কুমাৰী” বুলি কয়। তই কৈ নিদিবি আকৌ দেই।
:ধুৰ, কাম নাই আৰু মোৰ সেই মক্কেল কেইটাৰ লগত লাগি থাকিবলৈ।আৰু নাম দিবলৈ তই কোন, মইও খাওঁ চোন কেতিয়াবা, মোক সেইবোৰ নাম দিলে কাটাপ্ কে দিম।
:আৰু তই সেইসোপা মেক আপ কৰি অকল মানুহে চাবলৈকে চিগাৰেট হুপি হুপি পাৰহৈ যোৱা সৱকে চেক আউট কৰিবি, তোকে কাটাপ কে দিম।
এইটোৰ মুখখন আজিকালি বৰ চলে। মনে মনে থাকিলো। কিন্তু অনিৰুদ্ধ আৰু টানিয়া সদায় একেলগে থাকে বুলি কোৱা কথাটোৱে মোক অকণমান হ'লেও খুচিলে।
: তাৰ নাম অনিৰুদ্ধ নে কি আছিলে। এইবাৰৰ টপ ফাইভ এম্প্লয়ী লিষ্টত তাৰ নাম আছে।
: গুড ফৰ হিম।
এতিয়াহে বুজিলো। সেইকাৰণে ইমান বেছি এটিটিউড।ৰাতিপুৱাৰ কথাটো মনত পৰি খং এটা উঠিয়ে আহিল। হঠাৎ কিবা মনত পৰাৰ দৰে আয়ুয়ে ক'লে

: আমাৰ মায়ে তোক ফোন কৰিবলৈ কৈছে, বৈদ্য গালি দিব খাই লবি।
: কৰিম দে।

মোৰ কথা পতাৰ ইচ্ছা নাই বুলি সি গম পালে। বাকী চোৰা ৰাস্তা মনে মনে আহিলো। আয়ুৰ পিঠিতে হাত দুখন দি মূৰটো পেলাই দিলো। বিশেষ একো ভাবিবলৈ মন যোৰা নাই। এনেকৈয়ে মাত্র গৈ থাকিবলৈ মন গৈছে।
যেতিয়া দুখ সুখ একোৱে চুব নোৱাৰে, তেতিয়া বাৰু মানুহ কিয় জীয়াই থাকে???
যোৱা ছয় টা বছৰে মইও তেনেকৈয়ে আছোঁ। কিয় আছোঁ, কাৰ বাবে আছো ভাবিলে উত্তৰ একো নাই।
কিন্তু মোৰো কিছুমান দায়িত্ব আছে, যাৰ বাবে মই জীয়াই থাকিবই লাগিব।
কিছুমান মানুহ চাগে কেৱল দায়িত্ব পালন কৰিবলৈকে জীয়াই থাকে।
: এইজনী মৰিলে মই হাঁহ মাৰি ভাত খাম।
দেউতাৰ কথাষাৰ মই সঁচা হবলৈ নিদিওঁ। তেওঁতকৈ আগতে মই কেতিয়াও নমৰো, ঈশ্বৰে নিবলৈ নাহে মোক মই জানো।
হোষ্টেলৰ ওচৰ পাই আয়ুক বিদাই দিলোঁ। জোতা যোৰ খুলি হাততে লৈ ওপৰলৈ উঠি গলো।হিবা তেতিয়াও আহি পোৱাহি নাই।চিৰিয়েদি উঠি আহি প্ৰথমৰ ৰুমটো আমাৰ।দুখন বিচনা ,এটা ডাঙৰ ৱাৰ্ডৰৰ, দুখন টেবুল আৰু এটা এটাচ্ছ বাথৰুম।বাওঁফালৰ বিচনাখন মোৰ।ভালকৈ বস্তুবোৰ এতিয়াও চিজিল লগাবই পৰা নাই। একো কৰিবলৈ মন নাযায় আজিকালি।
ফ্ৰেছ্ হৈ আহি বিচনাত পৰিলোঁহি।
ফোনটো উলিয়াই লৈ আয়ুৰ মাকলৈ ফোন লগালো।
:ঐ, তই যে মোলৈ ফোন এটাও নকৰ কেলেই।হেৰৌ মই মানুহজনী মৰিলো নে আছোঁ বোলে খবৰ এটা লওঁ, নাই, তহঁত কাৰো খবৰ নাই। সউতে আকৌ মই ভাত সানি খোৱালেহে হয়।
:আয়ুৰ পৰা খবৰ লৈ থাকোঁ খুৰী।
:সেই গৰুটোৰ কথা নকবি মোক।আজি এবছৰ হলহি ঘৰলৈ আহিবলৈ খবৰ নাই তাৰ।কি চাকৰি কৰিছ তহঁতি?বিহুৰে পূজাই ঘৰলেও আহিব নোৱাৰি।কিহৰ ইমান কাম।ল'ৰাটোৰ এতিয়াও গাত কথা নাই। মোক কৈছে বোলে বোৱাৰী এজনী চাইছো। ই মোৰ জান খাই দিব বুইছ।
আয়ুৰ মাকৰ কথা সোনকালে শেষ যে নহয় গম পালোঁ।মই মাত্র শলাগ লৈ থাকিলেই হল।আয়ুৰ আখ্যান গোটেইখন শুনিব লাগিব।শুনি আছোঁ।
:মাজু অ'ই।
:হমম্।
:ককাৰৰ গা ভাল নাথাকে আজিকালি।তোৰ মাৰৰ আকৌ মেল মিটিং মাৰোঁতেই যায় নহয় দিনটো।কালি মই গৈছোঁ হেৰৌ সন্ধিয়া খন নিজেই চাহ বনাই খাইছে।মোক কৈছে এটুপা তয়ো খা।মই বোলো দেউতা অ' নালাগে আপুনি মোক চাহ খুৱাব।ময়ে বনাই দি থৈ আহিছোঁ।মস্ত ঘৰডালত অকলে অকলে আছে।বেয়াই লাগে হেৰৌ ।তই সংসাৰ কৰি লৈ যা,বৰ কষ্ট পাইছে ইয়াত।
:কিবা এটা কৰিম ,এতিয়া থৈছোঁ খুৰী।

খুৰীৰ লগত কথা পাতি মনটো আকৌ আয়ুহঁতৰ চোতাললৈ দৌৰ মাৰিলে। মোৰ সৰুকালৰ সকলো ভাললগা সময় সেইখন চোতালতে পাৰ কৰিছোঁ। আয়ুৰ মাক মোৰ নিজৰ মাতকৈ বেছি আপোন আছিল। যদিও মই আয়ুতকৈ ডেৰবছৰ ডাঙৰ কিন্তু মোৰ সৰুৰ পৰা এতিয়ালৈকে একমাত্ৰ বন্ধু সিয়েই। মোৰ গুলু মুলু "অকৰা কছাৰী"। আৰু মই তাৰ " জাপৰী গোসাঁনী"।
:সদায় সদায় সিহঁতৰ ঘৰলৈ যাবলৈ মানা কৰোঁ নে নাই মই।
কলাফুলত এছাৰিৰ কোব খাইও দৌৰিছিলো আয়ুহঁতৰ ঘৰলৈ। তাৰ ভঙা চাইকেল লৈ টনা আজোৰা কৰিছিলো। দেউতাই আনি দিয়া দামী চাইকেল মোৰ ভাল নালাগিছিল। ডুবাইৰ পৰা অনা ইম্পৰটেদ্ চকলেট এৰি মই আয়ুৰ মাকে নিমখত দি থোৱা গুলনেমু টোকোৰা বেছি তৃপ্তিৰে খাইছিলো। মা আৰু দেউতাৰ ফোপোলা আভিজাত্য মোৰ ভাল নালাগিছিল। মানুহৰ আগত অভিনয় কৰোঁতে কৰোঁতে মা আৰু দেউতাৰ মাজত সচাঁ মিছাৰ এখন অদ্ভুত মায়াজাল গঢ়ি উঠিছিল। আৰু মই যিমানেই ডাঙৰ হৈ আহিছিলো, সেইজালখন সিমানেই ফালি চিৰি শেষ কৰি পেলাইছিলো।
মই মোৰ মা দেউতাৰ কোনোদিন "মৰমৰ" নাছিলো।

ফোনৰ নটিফিকেশনৰ শব্দত সুৱাগপুৰৰ বাংলোৰপৰা একে কোবে উভটি আহিলো।
'এ নিউ মেইল ফ্ৰম এছ্ অনিৰুদ্ধ'
কি নাম আকৌ এইটো। উপাধি নাই চোন।
খুলি চালো।
"ট্ৰাই তু ৰিছ্ অফিছ বিফৰ নাইন টুমৰু"
লগত চাগে সেইজনীও থাকিব। যিমান পাৰোঁ দেৰিকৈ যাম কাইলৈ।

ৰাতিপুৱা শুই উঠি অলপ দৌৰিবলৈ যোৱাটো মোৰ পুৰণা অভ্যাস। আজিও ওলাই আহিছো। ৰাতিপুৱা ইয়াত যথেষ্ট ঠাণ্ডা পৰে। পাতল জেকেট এটা পিন্ধি আহিছো যদিও ঠাণ্ডা লাগিছে।মই থকা pg টোৰ পৰাএক কিলোমিটাৰ মান দূৰত্বতে সৰু পাৰ্ক এখন আছে। বহুত মানুহে ৰাতিপুৱা ইয়াত মৰ্ণিং ৱাক কৰিবলৈ আহে,বয়সস্থ মানুহ কিছুমানে একেলগে যোগা কৰে। আজিও আহিছে। কিন্তু সদায়ৰ দৰে আহিম বুলি আয়ু আজিও নাহিলে।তাৰ পাছত ক'ব, এলাৰ্ম নাবাজিলে, সাৰ নাপালে, গা বেয়া লাগিলে।বাহানা দিবলৈ তাৰ ওচৰত এশ এটা কাৰণ থাকেই। ৰৈ থাকি লাভ নাই। দুটামান ৰাউণ্ড মাৰি যাব লাগিব। আজি দেৰিকৈ যাম বুলি ভাবিও সোনকালে অফিচ যাবলৈ বাধ্য।
অনিৰুদ্ধৰ পাছতে কালি ৰাতিয়েই সুৰেশৰ মেইল আহিছিল। আজি সোনকালে গৈ অনিৰুদ্ধৰ লগত কাম কৰিবলৈ। এক সপ্তাহৰ পাছতে ক্লায়েন্ট ভিজিট আছে। গতিকে তাৰ আগতে সকলো ৰেডি হৈ থাকিব লাগিব।যিমান পাৰোঁ খৰকৈ দৌৰিবলৈ চেষ্টা কৰিছো।
জীৱনটো একে ঠাইতে ৰৈ গৈছে, সেইবাবেই চাগে মই আজিকালি আগতকৈ বেছিকৈ দৌৰো।
কোনোবাই মতা যেন লগাত কাণৰ পৰা হেডফোন ডাল আঁতৰাই চালো।

:গুড মৰ্নিং মে’ম।

অনিৰুদ্ধ!

ইয়াতো????

ব্লেক ট্ৰেক চুইট আৰু বিনা চশমাত বহুত বেলেগ দেখাইছে।কপালত বিন্দু বিন্দু ঘামেৰে এখন ৰৌদ্ৰোজ্জল মুখ।

: আচৰিত হৈছা?? মোক ইয়াত দেখি।

: নাই হোৱা। পাৰ্ক হয়, মোৰ ঘৰ নহয়তো, সৰ আহিব পাৰে।

: কথা এটা কওঁ নে?

:কি?

: তুমি শুই উঠি কেৰেলা জুইচ খোৱা বন্ধ কৰি দিয়া। ইমান কম বয়সতে মাতত ইমান তিতা। Doesn’t really suit you, Miss Pahari.

মোৰ উত্তৰ শুনিবলৈ নৰ’ল। নিজৰ ট্ৰেকত দৌৰা আৰম্ভ কৰিলে। মইহে ভেবা লাগি চাই থাকিলো। কি কৈ থৈ গ’ল??উত্তৰ এটা নিদিয়ালৈকে শান্তি নাপাম এতিয়া। আৰু কাইলৈ পৰা ইয়াত দৌৰিবলৈ নাহোঁ।অনিৰুদ্ধ এপাক ঘূৰি আহি সেইখিনি পোৱাৰ আগতেই পাৰ্কৰ পৰা গুচি আহিলো।

ৰুমলৈ ঘূৰি আহি পাওঁতে হিবাই কাৰোবাৰ লগত খুব সৰু সৰুকৈ কথা পাতি আছিল। মই সোমাই অহাৰ লগে লগে ভয় খাই যোৱাৰ দৰে ফোন টো কাটি দিলে। চকু কেইটা চলচলীয়া। কি হ’ল বুলি সোধোতে একো নকলে। মোৰো কাৰোবাক জোৰ কৰি কথা সোধাৰ অভ্যাস নাই। ক’বলৈ মন থাকিলে ক’ব, নাথাকিলে নাই। গা পা ধুই ৰেডি হৈ ওলাই আহিলো।হিবাই গা বেয়া বুলি ছুটি লৈছে। আয়ু দেৰিকৈ যায়।তাৰ ৰাতি বাৰটা মানলৈকে অনলাইন থাকিব লাগে। অফিচৰ পৰা আহিও সদাই লগিন কৰিব লাগে।লগত যাব নোৱাৰিলেও তাক কৈ থৈ নগলে মোৰ ভাল নালাগে।”মই যাওঁ ” বুলি মেচজ এটাকে দি বাছত উঠিলো।

বাছখনত সাংঘাটিক ভিৰ। যেনেতেনে উঠি সন্মুখৰ দুৱাৰখনৰ ওচৰতে থিয় হৈ আহিছো। বেংগালুৰৰ বাছ বিলাকত দুখন দুৱাৰ থাকে। সন্মুখৰ দুৱাৰেদি মহিলা সকল উঠে, আৰু পাছৰ খনেদি পুৰুষ। সন্মুখৰ প্ৰায় পাঁচ শাৰীমান আসন মহিলা আৰু শাৰীৰিক ভাৱে অক্ষম লোকৰ বাবে সংৰক্ষিত থাকে। কিন্তু ৰাতিপুৱা সময়টোত অফিচৰ মানুহেৰে ভৰ্তি হৈ থাকে। পিঠিৰ বেগটো এহাতে ধৰি আনখন হাতেৰে যেনেতেনে ছিট এটাতে ধৰি আহিছো। কেব ল’বলৈ হ’লেও প্ৰায় এশ টকা খৰছ হয়। আৰু মই এটা টকাও এনেই খৰছ নকৰোঁ। সোনকালে ঘৰ এটা ভাড়া লৈ ককাক আনিবই লাগিব। তাৰ কাৰণে মোক পইচা লাগে, বহুতখিনি। কথাবোৰ চিন্তা কৰি বেলেগ এখন পৃথিৱী পাওঁগে মই। এনেতে কোনোবাই বুকুত হেঁচা মাৰি ধৰাৰ দৰে লাগিলত চক্ খাই উঠিলো। কাষৰ চিটৰ মানুহগৰাকীৰ পৰা পইচা ল’বলৈ যাওঁতে জানি বুজি হেণ্ডিমেন জনে হাতখন বুকুত ঘঁহাই নিলে। কাণে মূৰে জুই লাগি যোৱাকৈ খং উঠি আহি। তাৰ চকুলৈ চালত সি কুটিল হাঁহি এটাৰে মোক সম্ভাষণ জনালে।আগ্ পাছ নাভাবি গাৰ জোৰেৰ এটা চৰ মাৰিলো।মানুহবোৰৰ মাজত গুণগুণনি আৰম্ভ হ’ল। সি ভয় খাই নিজৰ ভাষাত কি ক’লে সকলো কথা বুজি নাপালো যদিও তাৰ ভাৱ ভংগীৰ পৰা সি যে জানি বুজি কৰা নাই, ভিৰৰ বাবে অজানিতে হোৱা বুলি কৈছে সেইটো বুজিলো। সকলো মানুহ আচৰিত ধৰণে চুপ হৈ থাকিল। কাৰো যেন সময় নাই, নাইবা এইবোৰ একদম সাধাৰণ কথা তেনে এটি

ভাৰত।
এৰা, চিনাকি মানুহেই বিপদৰ সময়ত আঁতৰি যায়, অচিনাকি মানুহৰ পৰা নো কি আশা কৰিম!ড্ৰাইভাৰক বাছ ৰখাবলৈ কৈ আধা ৰাস্তাতে নামি খোজকাঢ়ি বাট ল'লো। মূৰটো অদ্ভুত ধৰণেৰে গৰম হৈ আছে।

ঠিক ন বাজি পাঁচ মিনিটত অফিচ পালো।মানুহ বোৰ এতিয়াও সব অহা নাই। দুৱাৰখন খুলি নিজৰ কিউবিকেলৰ ফালে খোজ ল'লো। আমাৰ টিমৰ কোনো অহাই নাই তেতিয়াও।লেপটপটো উলিয়াই অন কৰোঁতেই কাৰোবাৰ খোজৰ শব্দ শুনিলো। ঘূৰি নাচালেও গম পালো কোন হব পাৰে।
:Hungry?
:Nope
: মোৰ বহুত ভোক লাগিছে। ব্ৰেকফাষ্ট কৰি লওঁ ব'লা।
: মই খাই আহিছো।
:অ'কে, মই খাম, তুমি চাবা, ব'লা এতিয়া।
এইটোক মানে লগত এজনী লগত লাগেই। কফি খাবলৈ ,চিগাৰেট খাবলৈ, ভাত খাবলৈ।
: Listen, you are my senior,but let me clear one thing,I really don't like this.
আপোনাৰ ভোক লাগিছে প্লিজ গৈ খাই লওক মোক এনেই টানি নেথাকিব।মই ভাল নাপাওঁ।
: ঠিক আছে। নালাগে বাৰু যাব। মই আহি আছো।
ইমান বেয়াকৈ কোৱাৰ পাছতো ইমান নম্ৰ ব্যৱহাৰ!! ঠিকেই ,কৰ্পোৰেট পৃথিৱীৰ মানুহ যে। পেটত খং থাকিলেও দেখুৱাই নিদিয়ে।পিছত হে গম পাম ইয়াৰ ফল কি হয়গৈ।
ঘূৰি আহি অনিৰুদ্ধক অলপ গহীন যেন লাগিলে।মোক উঠিবলৈ কৈ নিজে মোৰ চকী খনত বহি ললে। বেলেগ এখন চকী টানি মই তেওঁৰ পাছফালে বহিলো। আৰ্মানি পাৰফিউমৰ ষ্ট্ৰং গোন্ধ নাকত লাগিল। একদম ওচৰৰ পৰা।অনিৰুদ্ধই কামবোৰ কৰি যাওঁতে মোক বুজাই গৈ আছে, মই যি পাৰো নোট কৰি গৈছো। কিছু সময় পাছত এজন এজনকৈ টিমৰ মানুহবোৰ আহিবলৈ ধৰিলে।পৰিবেশটো অলপ হুলস্থুলীয়া হ'ল। সুৰেশ যিহেতু অহা নাই, সবেই ডাঙৰ ডাঙৰকৈ ইটো কিউবিকেলৰ পৰা সিটোলৈ শুনাকৈ কথা পাতিছে।
অনিৰুদ্ধই মিটিং ৰুমলৈ যোৱাৰ প্ৰস্তাৱ দিলে। লেপটপটো লক কৰি হাতত লৈ তেওঁ আগে আগে আৰু মই পাছে পাছে। আনটো ফালৰ পৰা হাতত দুকাপ গৰম কফি লৈ টানিয়া আগবাঢ়ি আহিল। এটা কাপ অনিৰুদ্ধৰ ফালে আগবঢ়াই দিলে। ধন্যবাদ সূচক হাঁহি এটাৰে অনিৰুদ্ধই কাপটো লৈ আগবাঢ়িল।
: Where are you guys going?
:None of your business.
অনিৰুদ্ধৰ উত্তৰ শুনি টানিয়াৰ লগতে মইও আচৰিত হলো। হয়টো মোৰ ওপৰত উঠা খং বেছেৰীৰ ওপৰতে জাৰি দিলে। লাজত ৰঙা পৰি উচাৎ মাৰি টানিয়া আঁতৰি গল।

মিটিং ৰুমত সোমাই লেপটপটো আন্ লক্ কৰিবলৈ লৈ অনিৰুদ্ধ ৰৈ গল।লক্ স্ক্ৰীণত ৰখা ফটোখন বহুদেৰি চাই সুধিলে
: খুব মৰমলগা অকণমানি টো, দেখাত তোমাৰ সৈতে একদম একেই। কোন হয়?

মোৰ মোবাইল,লেপটপ সকলোতে একেখন ফটো আছে।যিখন তেওঁ দেখাটো মই বিচৰা নাছিলো।

: That’s my child. Please don’t ask any more questions.

:You are married!

:No.

অনিৰুদ্ধৰ হাতৰ পৰা গৰম কফিৰ কাপ টো সৰি পৰিল। ডাঙৰ চকুকেইটাই হাজাৰ প্ৰশ্নৰে মোক থকা সৰকা কৰিলে। আৰু এক মিনিট সময়ো তাত ৰৈ থকা মোৰ বাবে কঠিন হৈ পৰিল।

:Excuse me.

অনিৰুদ্ধৰ উত্তৰলৈ বাট নাচাই ৰাছৰুমৰ ফালে দৌৰ মাৰিলো। ঠাণ্ডা পানীৰ টেপটো খুলি মুখত যিমান পাৰোঁ পানী মাৰিছো।

উটি যাওক মোৰ সকলো খং, সকলো দুখ, সকলো ভুল।

শেষ হৈ যাওক আন্ধাৰ আন্ধাৰ দিন, বিষাদ বিষাদ ৰাতি.......

সুৰাগপুৰৰ বগা বাংলো।

আমাৰ ঘৰ।

সন্মুখত এখন প্ৰকাণ্ড লোহাৰ গেইট।খুটাত এখন তামৰ ফলক। লিখা আছে “জানকী কানন”। মোৰ আজু আইতা, মানে ককাৰ মাকৰ নাম আছিল জানকী। ককাই ঘৰটো আজু আইতাৰ নামেৰে সাজিছিল যদিও মাৰ্বল পাথৰৰ বগা ৰঙৰ বাবে সৰু ঠাইখনৰ সৱেই ‘বগা বাংলো’ বুলিয়েই কয়।

গেইটখন খুলি সোমাই গ’লে এখন ধুনীয়া সেউজীয়া ল’ন, এখন ফুলৰ বাগিছা,এখন ডাঙৰ লোহাৰ ঝুলনা। বাগিচাত ককাৰ লখিমী হাতত জকমকাই ফুলি থাকে নানা ৰঙী ফুল।বাগানৰ বনুৱাক নিদি ককাই নিজেই যত্ন লয় প্ৰতিজোপা গছৰ, প্ৰতিপাহ ফুলৰ।আইতাই হেনো ফুল ভাল পাইছিল,নামো আছিল শেৱালি।ককাৰ লগত সৰুতে ফুলৰ গছবোৰ ময়ো ৰুইছিলো, পানী দিছিলো।কেতিয়াবা আয়ুকো টানি আনিছিলো।আমি দুইটা আছিলো ককাৰ লিটিকাই।পাইপেৰে পানী দিওঁতে আগতে নিজে গা ধুই লওঁ দুইটাই।ককাই গালিও নাপাৰে।কেতিয়াবা নিজেও আমাৰ লগতে গা ধুৱে।কিন্তু আমাৰ এই ধেমালিবোৰৰ কাৰণে মাৰ হেনো ইজ্জত শেষ হৈ যায়।

“মানুহে দেখিলে পাগল বুলি ক’ব, ল’ৰা কি বুঢ়া কি সৰ একেই।”

অসুখী আছিল মোৰ মা, মনৰ পৰা কেতিয়াও কাকো ভাল পাব নোৱাৰাকৈ অসুখী মানুহ।

আমাৰ ধেমালি বোৰ মাৰ ইমানেই অসহ্য আছিল যে মায়ে সেইডোখৰ ঠাইতে এটা গেৰেজ বনোৱাই দিলে।দেউতাৰ সেইবোৰ চাবলৈ সময় নাই।মাৰ কথামতে ঘৰৰ পুৰণি সহায়কাৰী যোগেশ দাই এইবোৰ কাম কৰে।ককাক কোনেও একো নকয়,নোসোধে।মায়ে বনোৱা গেৰেজটোত কিন্তু ককাৰ বগা ‘কন্টেছাৰ’খন

এনেকৈ থোৰা থাকে যাতে ঘৰলৈ অহা মানুহ সকলোৰে তাত চকু পৰে।
“আমি ধনী মানুহ”।
দেখুৱাবতো লাগিবই।
শেৱালি ফুলৰ গছ কটা গল,ককাৰ দুখ লাগিল,কিন্তু মানুহে আহিয়েই গম পাব পৰা হল আমি কিমান ধনী।এইটো বিজ্ঞাপন আমাৰ ঘৰত বৰকৈ চলে। হাঁহি উঠে, মা দেউতাই কৰা প্ৰায়বোৰ অহংকাৰ কিন্ত ককাৰেই সম্পত্তিক লৈ।একমাত্ৰ পুত্ৰ হিচাপে দেউতাই মাত্ৰ সেইয়া ভোগহে কৰিছে।তাতো ইমান অহংকাৰ। নিৰ্লজ্জ!
মা দেউতাই ককাৰ ওপৰত কৰা প্ৰতিটো অন্যায় মই দেখিছিলো, বুজিছিলো।কিন্ত মোৰ বিপৰীতে মোতকৈ চাৰি বছৰ ডাঙৰ মোৰ বা আছিল মা দেউতাৰ একান্তই বাধ্য।মায়ে ভাল পোৱা সকলো কাম কৰিছিল তাই,কোনো কথাৰে প্ৰতিবাদ কৰা নাছিল।পঢ়া শুনা খেলা ধূলাৰ পৰা আৰম্ভ কৰি status মেন্টেইন কৰালৈকে।মাৰ কাৰণে একদম পাৰফেক্ট ছাইল্ড।
আৰু মই??
মই কোন আছিলো নিজেই বুজি নাপালো কোনোদিন!!!!!
এৰি অহা দিনৰ স্মৃতিবোৰে এনেকৈয়ে খুন্দিয়াই থাকে মাজে মাজে। ঠিক যেন মুনি চুনি বেলিকাৰ ধূসৰিত সময়। কাকো স্পষ্ট কৈ নেদেখি,কিন্তু সকলো আছিল।নাকৰ পৰা তেজৰ সোঁত এটা বৈ আহিছে। টিছু পেপাৰৰ ৰ'লটো টানি মচি মচি ৰখাব পৰা নাই। সৰুৰ পৰাই এই অসুখটো আছে মোৰ। এতিয়া আৰু বাঢ়ি গৈছে। নাকটো হাতেৰে টিপা মাৰি ওপৰলৈ মূৰ কৰি ঠিয় হৈ আছো। আকৌ এবাৰ অনিৰুদ্ধৰ মুখা মুখি হোৱাৰ সাহস হোৱা নাই। কিবা এটা আছে সেই চকুযোৰত যি মোক কিবা সুধিব খোজে, কব খোজে।আৰু মই শুনিব নিবিচাৰো।
প্ৰেম মোৰ হোৱা নাই কোনোদিন, এই নিচা মোক নালাগে। আচলতে এইবোৰ সব মায়া। আজি আছে, কাইলে নাই। মই চিৰস্থায়ী নোহোৱা একো বস্তুৰে ভাল নাপাওঁ।
ৱাছ ৰুমৰ দৰ্জাখন ধামকৈ খুলি হিবা সোমাই আহিল।মোৰ অৱস্থা দেখি তাই আকৌ অনিৰুদ্ধক দুষিলে।
:This is too much.
: It’s not him Hiba, don’t blame Anirudh.
কিয় জানো তেওঁক হিবাই বেয়া কৈ কোৱাত মোৰ ভাল নালগিল। চকু কেইটা ডাঙৰ কৰি তাই আচৰিত হৈ মোলৈ চালে। উত্তৰ নাছিল মোৰ ওচৰত।
তাইক তাতে এৰি আকৌ অনিৰুদ্ধৰ ওচৰলৈ গলো।মই সুমাই যোৱাৰ লগে লগে মূৰ তুলি চালে।একো নকলে।সম্পূৰ্ণ নিৰৱতাৰ মাজেৰে প্ৰায় ডেৰ ঘণ্টা সময় পাৰ হল।
:Its done, you will get your work assignment via mail.
:Thank you!
:Its my work. No problem.
লেপটপ টো মোৰ হাতত নিদি টেবুলত থৈ মোৰ ফালে ঠেলি দিলে।চকুলৈ চোৱা নাই।ওলাই গৈ দৰ্জা মুখ পাই আকৌ ঘূৰি আহিল,
:I should not have asked you, sorry for getting bit personal.

:
কিবা এটা উত্তৰ আশা কৰিছিল হয়তো।অলপ পৰ ৰৈ থাকিল।মই হে একো কব নোৱাৰিলোঁ।কবলৈ একো নাছিল।অনিৰুদ্ধ আঁতৰি গল।অলপ পৰ নিজৰ সৈতে কটাই মইয়ো ওলাই আহিলো ৰুমটোৰপৰা।দ্বিতীয় দিনাৰ অভিজ্ঞতা চোন আৰু বেছি বেয়া।
ঘূৰি আহি নিজৰ ঠাইত বহিলো।ইটো সিটো মেইল আহি আছে।অলপ সময়ৰ পাছত অনিৰুদ্ধৰ মেইল আহিল।খুলি চালো।নতুন কাম দিছে।কি কাম চাই থাকোঁতেই কালি চিনাকি হোৱা টিমৰ বিবাহিত মহিলা গৰাকী উঠি আহিল।নামটো সুভাষিণী নে কিবা এটা তেনেকুৱাই আছিল।ঠিক মনত পৰা নাই।মিঠা বৰণীয়া উজ্জ্বল মুখ খনত ডাঙৰ চকু আৰু ডাঠ বৈ পৰা চেলাউৰী কোচা জিলিকি থাকে।কপালত সৰুকৈ সেন্দুৰ আৰু চন্দন মিহলি ফোট এটা।ভৰিত পিন্ধা পায়লযোৰ খোজৰ লগত জুনুক কৈ বাজি উঠিছে।দাক্ষিণাত্যৰ প্ৰায় বিলাক মহিলাই এনেকৈ নিজক সজাই ৰাখে।দেখি ভাল লাগিল।
:Ananya, you will be working with me.
আঁৰ চকুৰে অনিৰুদ্ধলৈ চালো।নিজৰ কামত মগ্ন।কাণত earpods লগাই থৈছে।
:Okay, mam.
:Call me Subhashini.
তেওঁ আৰু তিনিমাহৰ পাছত মেটাৰ্ণিটি লিভত যাব।গতিকে এই সময়খিনিত তেঁওৰ গোটেই কামখিনি শিকি বুজি লোৱাৰ দায়িত্ব মোৰ।তেওঁ মোক নিজৰ ঠাইলৈ মাতি নিলে।লেপটপটো লৈ উঠি যাওঁতে অনিৰুদ্ধই আঁৰ চকুৰে চালে, একো নকলে।
আৰম্ভ হল নতুন কাম।সুভাষিণী স্কুলৰ মৰমিয়াল বাইদেউ বোৰৰ নিচিনা।মই যে একেবাৰে নতুন বুজি পায়, কথাবোৰ এটা এটাকৈ বুজাইছে।মাজে মাজে ইটো সিটো কথা মোৰ বিষয়ে সোধে,নিজৰ বিষয়ে কয়।ঘৰৰ পৰা বনাই অনা লাঞ্চ দুয়ো একেলগেই খালো।বহুত দিনৰ মূৰত ভাল লগা মানুহ এগৰাকী পোৱা যেন লাগিল।দিনটো তেওঁৰ লগত কেনেকৈ পাৰ হল গমেই নাপালো।সাত মান বজাত আয়ু ওলালহি।ঘৰ যাবলৈ লৰালৰি।সুভাষিণী দেৰিকৈ যায়, গতিকে মইয়ো তাক পঠাই দিলো।অফিচৰ কেব লৈ দেৰিকৈ যাম।

চাৰে সাত বজাত ক্লায়েন্টৰ সৈতে গোটেই টিমৰ মিটিং হল।ডাঙৰ conference room এটালৈ গলো।সুৰেশ আৰু অনিৰুদ্ধই বেছিভাগ আলোচনা কৰা দেখা গল।মিটিঙত মোক নতুন টিম মেম্বাৰ হিচাপে চিনাকি কৰাই দিলে।গোটেই সময়খিনিত দুই তিনিবাৰ অনিৰুদ্ধৰ চকুত চকু পৰিল।মন কৰিলো তেওঁ কেতিয়াও নিজৰ চকু আঁতৰাই নিনিয়ে,প্ৰত্যেক বাৰেই মইহে আঁতৰি আহোঁ।

মিটিং শেষ কৰি মোবাইলটো চালো।
“You can not avail the cab facility until your address verification is completed. Your request has been rejected”
নটা বাজিল।অফিচৰ কেব নাপাওঁ।ইফালে মিটিং শেষ কৰি সব ওলাই গৈছে।বাকী আছো কেৱল মই,অনিৰুদ্ধ আৰু সুভাষিণী।ইতিমধ্যে সুভাষিণীৰ স্বামী আহি বাহিৰত ৰৈ আছে তেওঁক নিবলৈ।মোক Ola বা Uber এখন বুক কৰিবলৈ কৈ তেওঁ গুচি গল।বাহিৰত কিনকিনিয়া বৰষুণ।এখনো কেব পাবলৈ নাই।বহুত দেৰি ৰৈ ৰৈ

এখন পালো।ৰেইটিং টাইম ২৫ মিনিট।
উফ্।

বেগটো সামৰিবলৈ নিজৰ ঠাইলৈ আহিলো।অনিৰুদ্ধ অলপ আচৰিত হ'ল।ঘড়ীটো চালে।একো নকলে। বেগটো লৈ আহিবলৈ লওঁতে তেওঁ নিজৰ ঠাইৰ পৰা উঠিল।
:I will drop you.
:I booked cab.
:Its raining, no cab will come inside the tech park. It will get cancelled.
কি কুফা মানুহ ৰে!
কোৱাৰ লগে লগে ফোনটো চাইছো,সঁচাকৈয়ে cancelled.

অনিচ্ছাসত্তেও অনিৰুদ্ধৰ পিছে পিছে খোজ ললো।প্ৰায় চাৰে ন বাজিবৰ হওঁ হওঁ।ইমান দেৰিকৈ বাছত যাবলৈও ভাল নালাগে।তাতে ৰাতিপুৱাৰ ঘটনাটো মূৰৰ পৰা আঁতৰাই নাই।গতিকে তৰ্ক কৰি লাভ নাই। লিফ্টত সোমাই যিমান পাৰি তেওঁৰ পৰা আঁতৰি থিয় হলো।
:ইমান দেৰিকৈ ৰূমত ডিনাৰ থাকিব নে?
খোৱাৰ কথা ভবাই নাছিলো।ভোক লাগিছে।কিন্তু দহ বজাৰ পাছত কীটছেন বন্ধ কৰিব। মেগী বা বিস্কুট কিবা এটা খাম আৰু।
:থাকিব চাগে।
:নতুন ৰেষ্টুৰেণ্ট এখন খুলিছে ওচৰতে।Reviews are really good.
নিজে খালেই হ'ল।মই কি খাম সেইটো লৈ চিন্তা কৰাৰ কি প্ৰয়োজন তেওঁৰ।
:মোৰ বাহিৰত খাবলৈ ইচ্ছা আৰু পইচা এটাও নাই।
লিফ্ট খন ইতিমধ্যে basement পালেহি।অনিৰুদ্ধই আৰু কথা নুলিয়ালে।শাৰী শাৰী কৈ পাৰ্ক কৰি থোৱা গাড়ী বোৰৰ মাজে মাজে তেওঁৰ পাছে পাছে মাত্ৰ গৈ আছো।এখন কলা ৰঙৰ SUV ৰ ওচৰত তেওঁ ৰ'ল।আনলক কৰি অলপ আগবাঢ়িল।মই সেইখিনিতে ৰ'লো।গাড়ীখন উলিয়াই নি অলপ আগত ৰখাই তেওঁ নামি আহিল।আনফালৰ সন্মুখৰ দৰ্জাখন মোৰ কাৰণে খুলি ৰৈ থাকিল।
বেগটো মোৰ পৰা লৈ পিছৰ ছিটত থলে।
এখেতে মানে অলপ বেছিয়েই gentleman দেখাব যায়।
মই বহাৰ পাছত দৰ্জাখন বন্ধ কৰি তেওঁ ড্ৰাইভিং ছিটত বহিল।
: seat belt please.
:

নাজানোহে যেনিবা।ভাবিছে চাগে কেতিয়াও গাড়ীত উঠি পোৱা নাই বুলি।
:sorry. সদায় বাছত ট্ৰেভেল কৰা মানুহ যে, অভ্যাস নাই।
কথাটো তেওঁক কটাক্ষ কৰি যে কৈছো বুজি পালে।অলপ সময় মনে মনে থাকিল।বৰষুণৰ কাৰণে ৰাস্তাটো সম্পূৰ্ণৰূপে জাম লাগি আছে।অন্ততঃ আৰু এক ঘণ্টা লাগিব ৰূম পাবলৈ।কাইলৈৰ পৰা যিমানেই দেৰি নহওক কিয় আয়ু নাইবা হিবাক ৰখাই থমেই।ফোনটো উলিয়াই আয়ুলৈ ফোন কৰিলো।ইমান দেৰিকৈ এনেকৈ অহাৰ কাৰণে,তাক ফোন কৰি মাতি নিদিয়াৰ কাৰণে এসোপামান বকিলে।মনে মনে শুনি আছো। কিনো ক'ম। মোৰ গাত ভুল থাকিলে শুনিবই লাগিব। বকি বকি ফোনটো কাটি দিলে আয়ুয়ে।
ৰক্ষা।

অনিৰুদ্ধই খুব কম ভলিউমত গান লগাইছে।
"My life is brilliant
My love is pure
I saw an angel
Of that I'm sure"
জেমছ ব্লান্টৰ "You are beautiful" গীতটো বাজি উঠিল।
মন কৰিলো অনিৰুদ্ধই ৰাষ্টাতকৈ বেছি আঁৰ চকুৰে বাৰে বাৰে মোৰ ফালে চাই থাকে।
:I feel suffocation in AC. গ্লাছ খুলিব পাৰি নেকি?
:As you wish mam.
এ চি বন্ধ কৰি গ্লাছ খুলি দিলে।পাতলীয়া বতাহজাকে চুই গ'ল।দিনটোৰ অৱসাদে হেঁচা মাৰি ধৰিছে।মূৰটো অলপ অলপ বিষাইছেও।তাতে চুলিখিনি দিনৰ দিনটো টানি টানি বান্ধি থওঁ, আৰু বেছি বিষাই সেইকাৰণে।ক্লাচ্চ ডাল খুলি দিলো।মূৰটো বহুত পাতল লাগিল।চকু কেইটা মুদি দিবলৈ মন গৈছে।কিন্তু অলপ বেছিয়েই হৈ যাব।ইমান বিশ্বাস কৰিব নোৱাৰি কাকো।সাৰে থকাই ভাল।
বতাহত চুলিখিনি যেনি তেনি উৰিছে। দীঘলো হৈছে বহুত। দৰমহা আহিলেই কাটিব লাগিব।
:Strawberry and mint, right?
অনিৰুদ্ধৰ প্ৰশ্নত থতমত খালো। মই সদায় হাৰ্বেল এছেন্সৰ Strawberry and Sweet mint Shampoo ব্যৱহাৰ কৰো। গোন্ধটো ভাল পাওঁ। কিন্তু অনিৰুদ্ধই তেনেকৈ কৈ দিয়াত ভীষণ লাজ পালো।
মই তেওঁৰ ফালে চোৰাত দীঘলকৈ উশাহটো টানি আগলৈ চালে।
অনিৰুদ্ধৰ ওঁঠৰ কোণত হাঁহি এটি ফুটি উঠিল। অৰ্থ বুজা টান। মন কৰিলো তেওঁৰ চকু কেইটা হাঁহি দিলে তিৰবিৰাই উঠে।
কি যে ভাবি আছো নহয়!!
:বৰষুণ ভাল পোৱা?
এইটো আকৌ কেনেকুৱা প্ৰশ্ন।
:নাপাওঁ।
:কিয়?

:ৰাস্তাবোৰ গেলি যায়, ট্ৰেফিক বাঢ়ি যায়, কাপোৰ নুশুকায়, মোবাইলৰ নেটৱৰ্ক বেয়া হয়।আৰু কাৰণ লাগিব?
:নাই নাই।Enough.
অনিৰুদ্ধই হাঁহিছে মোৰ উত্তৰ শুনি।হাঁহিব লগীয়া কি আছে বুজি নাপালো।এতিয়াতো আৰু বৰষুণ দিলে চুৰ্ণী এখন লৈ নাচি নাচি তিতিব পৰাকৈ মই সৰু হৈ থকা নাই।
বৰষুণ ভাল পোৱা দিনবোৰ পুৰণি হ'ল।
মন ভাল লগা দিনবোৰ অচিনাকি হ'ল।
বৰষুণ বুলি কলে পাগল আছিলো সৰুতে।দৌৰ মাৰো আয়ুহঁতৰ ঘৰলৈ।আয়ুৰ মাক মোৰ বাবে মৰমৰ এখন নৈৰ দৰে আছিল।আয়ুৰ প্ৰতি যিমান মৰম, মোলৈও সিমানেই।আয়ু ঘৰৰ সৰু।তাৰ বায়েক জুৰি বা আৰু অপূৰ্ব দাদা আমাতকৈ বহুত ডাঙৰ।বৰষুণ দিলে খুড়ীয়ে নিমখ দি লিকটা পিঠা বনায়।মোলৈ থৈ দিয়ে।ঘৰৰ গৰুৰ গাখীৰৰ লগত খাওঁ।জুৰি বাই চুলি বান্ধি ফোট দি সজাই দিয়ে।অপূৰ্ব দাদাইহে দুইটাকে অংক পাতি দিয়ে কৰিবলৈ।মই নিজৰ কেইটা কৰি আকৌ আয়ুৰ কেইটাও কৰি দিওঁ।তাৰ বিনিময়ত আয়ুয়ে মোক তাৰ ভাগৰ তেঁতেলি পেকেটৰ আধা দিয়ে।
মই হেনো আগতে পৰীৰ দৰে ধুনীয়া আছিলো।
আয়ুৰ মাকে মাতে "গোসাঁনী"।
জুৰি বা আৰু অপূৰ্ব দাদাই "মাজু ভনী"।
আয়ুৰ দেউতাকেহে বৰ বেছিকৈ নামাতে।দেউতাৰ সৈতে তেওঁৰ ভাল সম্পৰ্ক নাছিল।সেইবাবে মোকো বেয়া পাইছিল।
মোক বেয়া পাবলগীয়া কি আছিল তেতিয়া বুজাই নাছিলো।
হঠাৎ ব্ৰেক মাৰি দিয়াত উচপ খাই উঠিলো।ল'ৰা এটাই স্কুটি এখন লৈ আগেৰে পাৰ হব খুজিছিল।কোনোমতেহে বাচিছে।হাউলি যাওঁতে খুলি থোৱা চুলি খিনি অনিৰুদ্ধৰ হাতত লাগিল।
মূৰ তুলি চালো।অনিৰুদ্ধই সেই একেই চাৱনিৰে চাই আছে।
:Sorry.
মাতটো যেনেতেনে হে ওলাইছে।কিয় মোৰ এনেকুৱা হৈছে???
মেইন ৰোডৰ জাম এৰি অনিৰুদ্ধই চাৰ্ভিচ ৰোড ল'লে। অলপ দীঘলীয়া হ'ব কিন্তু ট্ৰেফিক বহুত কম। মইও মোবাইলত মেপখন উলিয়াই চাই আছো। ভৰষা মোৰ কাৰো ওপৰতেই নাই। অলপ সময় যোৱাৰ পাছত অনিৰুদ্ধই মিউজিক বন্ধ কৰি দিলে। মই তেতিয়াও বাহিৰলৈকে চাই আহিছো।
:তোমাক কিবা এটা সুধো নে?
কি সুধিব খুজিছে?অথনিৰ ফটোখনৰ কথা সুধিলে কি কম মই!
:কি?
:Is there any reason you lied to me in the morning?
এইবাৰ অনিৰুদ্ধই গাড়ী খন ৰখাই দিলে। মোৰ ফালে চাই আছে। কি উত্তৰ দিম মই। কিয় মোৰ পিছত পৰি আছে এনেকৈ। মোৰ জীৱনৰ আন্ধাৰ দিনবোৰ কিয় খুচৰিব খুজিছে।
:That's too personal to share. And I didnt lie to you.
:I know, I am sorry. But you can trust me Ananya.

:I don’t even trust myself.

মোৰ উত্তৰ তেওঁৰ ভাল নালাগিল। অলপ সময় মোৰ ফালে চাই অনিৰুদ্ধই গাড়ী আকৌ ষ্টাৰ্ট দিলে। এইবাৰ তেওঁ আগতকৈ বহুত বেছি স্পীডত চলাইছে। ভালেই হৈছে। যিমান সোনকালে ৰুম পাওঁ সিমানেই ভাল। মই আৰু বেছি দেৰি অনিৰুদ্ধৰ লগত থাকিব নিবিচাৰো। পিজিৰ ওচৰৰ ৰাস্তাটো অনিৰুদ্ধই চিনি নাপায়। ময়েই দেখুৱাই দিলো। ঠেক গলিটোৰ সন্মুখতে এখন পানী অনা গাড়ী ৰখাই থৈছে।অনিৰুদ্ধৰ গাড়ী নোসোমায়।

:এইখনিৰপৰা মই খোজকাঢ়ি যাম।

:মইও আহিছো লগত, পাৰ্ক কৰি লওঁ।

:পাৰিম মই অকলে।

: It’s 10:30 Ananya, let me come with you please.

ৰাস্তাটো পোহৰ যদিও নতুন বাবে অলপ অসহজ লাগে। গতিকে একো নকলো।গাড়ীৰ পৰা নমাই বেগটো মোৰ হাতত দি অনিৰুদ্ধই কাষে কাষে খোজ ল’লে। আমাৰ বাহিৰে আৰু কোনো নাই গলিটোত।

:আমি প্ৰায় ডেৰ ঘণ্টা সময় একেলগে থাকিলো। আৰু তুমি মাত্ৰ মোৰ কথাৰ উত্তৰ হে দিলা। You didn’t ask me anything.You dont like to talk?

:Nope.

:Aah, this “Nope” gonna kill me someday.

একো নকলো। মোৰ পিজিৰ গেইটৰ সন্মুখ পালোহি।

:Thanks a lot. That’s my room. Good night Anirudh.

ভদ্ৰতা মইয়ো জানো। অনিৰুদ্ধক ধন্যবাদ জনোৱাৰ দৰকাৰ আছিল। সেইবাবেই ক’লো।

:It’s definitely a very good night. Thanks for trusting me.

এতিয়াহে ভাবিলো কি বিশ্বাসত মই অনিৰুদ্ধৰ লগত এনেকৈ গুচি আহিলো। আয়ুৰ বাহিৰে কাকোৰেই চোন আজিলৈকে ইমান কাষ চাপিব দিয়া নাই।

আজি এনেকুৱা কি হ’ল যে মই ...

উফ্।

গেইটখন খুলি সোমাই আহিলো। অনিৰুদ্ধ তেতিয়াও ৰৈয়ে আছে। ঘূৰি নাচালো। ৰুমলৈ সোমাই আহি খিৰিকীৰে চালো। তেওঁ নাই।

হিবাই ৰুমত ভাত আনি ঢাকি থৈছে। মোলৈ তাইৰ মৰম আছে। বৰ সৰল ছোৱালী জনী।

ফোনত মাকৰ লগত কথা পাতি থকাৰ পৰাই মোক চকু পকাই ভাত খাবলৈ ক’লে। ফ্ৰেচ হৈ আহি খোৱাৰ আগতে আয়ুলৈ মেছেজ কৰোঁ বুলি ফোনটো চালো।

Unknown নাম্বাৰৰ মেছেজ। একো লিখা নাই। মাত্ৰ এখন ফটো।

খুলি চালো।

গাড়ীৰ চিটত মোৰ চুলিত মৰা ক্লাচ্ছ ডাল থাকি আহিল।

আৰু তাকে ফটো উঠাই মোলৈ পঠাই দিছে।

নিজৰ মূৰটো ৱালত মাৰি দিব মন গ’ল।

অনিৰুদ্ধৰ সৈতে এটি সন্ধিয়া যথেষ্ট আছিল।মোক আকৌ এবাৰ জোকাৰি যাবলৈ।তেওঁৰ গাড়ীত এৰি অহা clip ডাল, ফটোখন আৰু অনিৰুদ্ধৰ চকুৰ তিৰবিৰাই থকা উজ্জলতাই মোক তেওঁৰ পৰা আঁতৰি থাকিবলৈ কৈ গল।কাৰোবাৰ অহেতুক আত্মীয়তা মোৰ ভাল নালাগে।

মানুহৰ পৰা আঁতৰি থকাটো মোৰ দুৰ্বলতা নহয়, সেইয়া মোৰ জেদ। আৰু এই পৃথিৱীত মই সকলোতকৈ বেছি ভাল পোৱা বস্তুটোৱেই হৈছে মোৰ জেদ।জেদ নোহোৱা হলে মই চাগে কেতিয়াবাই শেষ হৈ গলোহেতেন।নাইবা জীৱনটো এনেকুৱা নহ'লহেতেন।

আজি প্ৰায় এক সপ্তাহ মই অনিৰুদ্ধৰ পৰা যিমান পাৰোঁ নিজকে আঁতৰাই ৰাখিছো।তেওঁ অহাৰ আগতেই অফিচ পাবলৈ চেষ্টা কৰোঁ।নিজৰ ঠাইত নবহি সুভাষিণীৰ কাষত বহি কাম শিকো।ইটো সিটো কথাৰ অজুহাত লৈ অনিৰুদ্ধ আমাৰ ওচৰলৈ আহে, সুভাষিণীৰ লগত কথা পাতে।মই মূৰ তুলি নাচাও।হতাশ হৈ আঁতৰি যায়।

কিন্তু সন্ধিয়া টিম মিটিঙৰ সময়ত মই তেওঁৰ পৰা পলাই ফুৰিব নোৱাৰোঁ।মই জানো তেওঁ মোলৈকে চাই থাকে, কিন্তু কোনোদিন সেইফালে নাচাওঁ।

কিবা যেন অঘোষিত এক প্ৰতিযোগিতা আমাৰ মাজত।চকুৰ চাৱনিতেই সোধা হৈ যায় বহু প্ৰশ্ন, উত্তৰ নাথাকে। এই প্ৰশ্নবোৰ শব্দ হৈ মোৰ ওচৰলৈ আহে বুলিয়েই মিটিং শেষ হোৱাৰ সময়লৈকে ৰখাই থওঁ আয়ুক নাইবা হিবাক।অনিৰুদ্ধই মোক ইচ্ছা কৰিও একো ক'ব নোৱাৰে।মই কিয় এনেকৈ পলাই ফুৰিছো সুধিব খুজিও সুধিব নোৱাৰে।

কেতিয়াবা মই খৰধৰকৈ আয়ুৰ লগত ওলাই আহোঁতে লগতে ওলাই আহে, একো নকয়, মাথোঁ এনেকৈ চাই থাকে যেন তেওঁৰ খুব মৰমৰ কিবা এটা মই কাঢ়ি আনিছো।

বিৰক্তিকৰ সেই জেদ, সেই অভিমান।

দুদিনৰ চিনাকিত মানুহ কাৰো আপোন হ'ব নোৱাৰে।মইতো হ'বই নোৱাৰোঁ।

নিজৰ মা, দেউতা কাৰোৰে মই আপোন নহয়।

আয়ুয়েও মোক পুতৌ কৰে মই জানো, মোৰ লগত থাকি চাগে তাৰো ভাল নালাগে।কিন্তু শৈশৱৰ বন্ধু বুলি সি মোক এৰি যাবও নোৱাৰে। মই বুজি পাওঁ, সকলো বুজি পাওঁ, মৰি মৰি জী থকা মানুহৰ সংগ কোনেও ভাল পাব নোৱাৰে। মাত্ৰ বুজি নাপাওঁ অনিৰুদ্ধই কিয় এনেকুৱা কৰে?

হয়তো মোৰ জীৱনৰ বিষয়ে জানি টানিয়াৰ লগত মুখৰোচক আলোচনা কৰিবলৈকে তেওঁ মোৰ কাষ চাপিব খুজিছে।

কথাবোৰ ভাবিলে উত্তৰ নাপাওঁ, খং আৰু বিৰক্তি হে বাঢ়ি বাঢ়ি গৈ থাকে।দিনবোৰ তেনেকৈয়ে পাৰ কৰিছো।

দুদিন পাছত গণেশ পূজা।অসমৰ দুৰ্গা পূজাৰ নিচিনাকৈ ইয়াত গণেশ বাবাৰ পূজা হয় ।প্ৰায় চাৰি পাছদিন চলে এই উৎসৱ।এইবাৰ তাতে শুক্ৰবাৰ পৰাৰ কাৰণে শনিবাৰ আৰু দেওবাৰ মিলাই তিনিদিনৰ দীঘলীয়া বন্ধ। কাইলৈ সকলোৱে পৰম্পৰাগত সাজ পাৰ পিন্ধি আহিব লাগিব বুলি এক সপ্তাহৰ আগতেই মেইল

আহিছিল।
লগতে আবেলি ৪ বজাৰ পৰা ৫ বজালৈকে সাংস্কৃতিক অনুষ্ঠান থাকিব।কোনোবাই গান গাব, কোনোবাই নাচিব। নতুনকৈ জইন কৰা সকলোৱে নিজৰ নিজৰ প্ৰতিভা দেখুৱাব লাগিব। বাধ্যতা মূলক। এইকেইদিন অকল সেইবোৰেই আলোচনা হৈ আছে।ইভেন্টটোৰ সমস্ত দায়িত্ব টানিয়াৰ।
এংকৰিং কৰাৰ লগতে ডান্স কৰিব বুলিও এইকেইদিন সকলোকে জনাই আছে।
মই কি কৰিম বুলি বাৰে বাৰে সুধিবলৈ আহে, আৰু প্ৰত্যেক বাৰেই মই একেটাই উত্তৰ দিওঁ যে মোৰ একো প্ৰতিভা নাই গতিকে মই একো নকৰোঁ। চেলাউৰি কোচা বিশেষ এটা ভংগীমাত কোচাই টানিয়া আঁতৰি যায়। বিৰক্ত হয়, আৰু সেইয়া চাই মোৰ ভাল লাগে।

সুভাষিণীৰ কিউবিকেলৰ আনটো ফালেই টানিয়া বহে।আহি পায়েই বেগটো থৈ অনিৰুদ্ধৰ ওচৰলৈ যায়।দুয়ো ওলাই গৈ কফি আনে।তাৰ পিছত টানিয়া অনিৰুদ্ধৰ ডেস্ক খনৰ ওপৰত বহি বলিউডৰ পৰা আৰম্ভ কৰি নিজৰ লেটেষ্ট ছপিং ডিটেইল সৱ ডিচকাছ কৰে।অনিৰুদ্ধই নিজৰ ফালৰ পৰা একো নকয়।শুনি থাকে।কেতিয়াবা কাম আছে বুলি কৈ পঠিয়াই দিয়ে।
আজিও একেই। কাইলৈৰ ইভেন্টটো লৈ টানিয়াৰ কি কি পৰিকল্পনা সেইবোৰেই আলোচনা। লগতে অনিৰুদ্ধক জোৰ কৰি আছে আহোঁতে পিক্ কৰি আনিবলৈ। শাড়ী পিন্ধি কেবত অহাৰ ইচ্ছা নাই হেনো। সোনকালে আহি সুভাষিণীৰ কাৰণে ৰৈ ৰৈ আমনি লাগিছে, তাতে এইবোৰ শুনি শুনি কাণ বিষাই গৈছে।চাহ খাবলৈ আজিকালি সদায় সুভাষিণীৰ লগতে যাওঁ।কেতিয়াবা আমাৰ লগতে কৃতিকা যায়।আমাৰ টিমৰে ছোৱালী।হাইদৰাবাদত ঘৰ।বেছি কথা নকয় যদিও হাঁহিমুখীয়া ।
মোৰ বয়সৰে ছোৱালী। অহা মাহত তাইৰ বিয়া।সকলোৱে সেইবাবে জোকাই থাকে।অনিৰুদ্ধই “bride to be” বুলি সম্বোধন কৰে, কাম কমকৈ দিয়ে।বিয়াৰ বজাৰ কৰিবলৈ সময় দিছে হেনো।
টিম লিডৰ দায়িত্ব ধুনীয়াকৈ পালন কৰিছে অনিৰুদ্ধই,সেইবাবেই সকলোৰে ফেভাৰিট,মোৰ বাহিৰে।
আমনি লাগিছে।চাহ এক কাপ খাওঁ বুলি কেফেটেৰিয়াৰ ফালে খোজ ললো।মই উঠাৰ লগে লগে অনিৰুদ্ধ ল'ৰালৰিকৈ নিজৰ ছিটৰপৰা উঠি আহিল।আওকাণ কৰিবলৈকে কাণত হেডফোন লগাই খৰকৈ খোজ ল'লো।
:ভাইয়া,এক কাপ ছাই, ইলাইছিৱালা।প্লিজ অদৰক্ মত্ ডালিয়েগা।
:Make it two. Same choice.
অনিৰুদ্ধ আহি কাষতে ৰলহি।
সেই বিশেষ সুগন্ধি বতাহত বিয়পি পৰিল।
:পৰ আপ্ ত' কফি পিতে হেই না ছাৰ?
:আজকল ছাই পছন্দ হে।
লাইন মাৰিবলৈ আৰু মানুহ নাপালে।এইমাত্ৰ টানিয়াৰ লগত কফি খাই গৈছে।আকৌ এতিয়া চাহ খাবৰ হ'ল।ইমান মিছা কথা কেনেকৈ ক'ব পাৰে মানুহে।
টানিয়াৰ ফেক্ ডিম্পলটোৰ নিচিনাই ফেক্। দুইটা খুব মিলে সেইকাৰণে।

নিজৰ চাহ কাপ লৈ আঁতৰি আহিলো।অনিৰুদ্ধই মাথোঁ কাষেৰে পাৰ হৈ যাওঁতে কৈ গ'ল
"I am just waiting for tomorrow."
প্ৰথমে বুজি পোৱা নাছিলো। পিছত বুজি পাই নিজৰে হাঁহি উঠিলে। ভাবিছে চাগে মইও টানিয়াৰ নিচিনাকৈ শাৰী পিন্ধি আহি চিধাই তেওঁৰ ওচৰলৈ গৈ দেখুৱাম।
'চোৱা মোক কিমান ধুনীয়া লাগিছে'।
অনিৰুদ্ধই complement দিব, আৰু মই ফুলি যাম। নিজকে যে কি বুলি ভাবে নহয়! ঘূৰি আহি সুভাষিণীক দেখি সকাহ পালো। দিনটো ভালকৈ পাৰ কৰিব পাৰিম,অনিৰুদ্ধৰ পৰা আঁতৰি থাকিব পাৰিম।
অফিচৰ পৰা আহি ৰুমত সোমাই আচৰিত হ'লো। ধুনীয়া নীলা শাৰী এখন পিন্ধি হিবা বহি আছে। ভালকৈ পিন্ধিব জনা নাই। কিন্তু ৰংটোৱে তাইক একেবাৰে পৰী জনীৰ নিচিনা লাগিছে।
মোক দেখি সৰু ছোৱালীৰ নিচিনাকৈ মুখখন sad smiley টোৰ নিচিনা কৰি দেখুৱালে। কাইলৈ শাৰী পিন্ধিবলৈ এতিয়াৰ পৰাই প্ৰেক্টিছ। বিচনাৰ ওপৰত কাপোৰৰ দ'ম।ওপৰতে এটা খুব ধুনীয়া জৰী কাম কৰা মেৰুণ কালাৰৰ হাত দীঘল আনাৰকলি কুৰ্টা।
পিঠিৰ বেগটো বিচনাতে থৈ হিবাক শাৰী পিন্ধাবলৈ লাগিলো। তাই হাত দুখন ওপৰলৈ কৰি ৰৈ আছে। পিন্ধাই থাকোঁতে জুৰি বালৈ মনত পৰিল।
ময়োতো এনেকৈয়ে ৰৈ থাকিছিলো।
মেখেলা চাদৰ পিন্ধি ময়োতো কইনা হৈছিলো।
আৰু দৰা কোন বুলি ক'লে "আয়ু" বুলি কৈ লাজ কৰিছিলো।
জুৰি বা আৰু খুৰীয়ে মোৰ ৰঙা পৰা ফুলা ফুলা গাল দুখনত চুমা আকি দিছিল, একোলা লৈছিল।
তলত বহি শাৰীৰ কোচ দি থকা মই উঠিব নোৱাৰা হ'লো। চকু কেইটা পুৰিছে। পানী ওলাই গ'লেই শেষ। হিবাৰ ফুৰ্তি খিনি মই চাব বিচাৰো, মোৰ দুখবোৰে কাৰোকে দুখী কৰাটো মই নিবিচাৰো।
:হৈ গ'ল। You look perfect Hiba.
:Thank you Annuu, and this is for you.
বিচনাত থকা ধুনীয়া কুৰ্টা টো মোৰ হাতত তুলি দিলে হিবাই।
তাই হেনো মই কি পিন্ধিম তাকে ভাবি আছিল, মই নিজে যে একো নকৰোঁ তাই জানে। আৰু কাইলৈ সকলো ধুনীয়াকৈ আহিলে মই বেয়াকৈ গ'লে তাইৰ খুব বেয়া লাগিব। সেইবাবে নিজৰ সৰতকৈ ধুনীয়া কুৰ্টাটো মোক দিছে।
কুৰ্টা টো হাতত লওঁতে বাধা দি ৰখা পানীখিনি ওলাই আহিল।
হিবাই আচৰিত হৈ চাই থাকিল।
আৰু মই জুৰি বাক ধৰাৰ দৰে তাইক আকোঁৱালি ধৰিলো।

খিৰিকীৰ পৰ্দাখন আঁতৰাই এবাৰ বাহিৰলৈ চালো।
আকাশ খন আজি গোমা।
আবেলিলৈ বৰষুণ দিব চাগে।
আজিকালি দৌৰিবলৈ নাযাওঁ, ৰুমতেই যি পাৰো basic workout খিনি কৰি লওঁ। আজি কিন্তু সেইবোৰ একোৱেই নহ'ল। হিবাই ছটা বজাতে উঠি মোকো উঠাই দিলে। ভাল বিহু লাগিছে মানে। তললৈ গৈ গৰম পানী আনি ৰূমতে গ্ৰীণ টি বনাই মোকো দিলে। চাই হে আছো মই। গোটেইজনী ক'ব নোৱাৰা হৈ আছে।বিচনাত কাপোৰ ,মেকআপৰ বস্তু গোটেইখিনি মেলি লৈছে।গা ধুবলৈ যাওঁতেও মোক আকৌ নুশুবলৈ কৈ থৈ গ'ল। আৰু কিবাকিবি কৈ আছিলে, মইহে টোপনিয়াই থাকোঁতে একো নুশুনিলো।
তাই বাথৰূমত সোমোৱালৈহে ৰৈ আছিলো। ব্লেংকেট খন টানি আকৌ শুই থাকিলো। কিমান দেৰি শুলো গমেই নাপালো।
মোবাইলৰ নটিফিকেশন শুনি খকমকাই উঠিলো। ৮ বাজিবৰ হ'ল। হিবাই নিজৰ মেকআপ খিনি কৰি হাতত শাড়ী খন লৈ মুখ খন ফুলাই বহি আছে। খং উঠিলেও একো নহয় তাই,গালি পাৰিব নাজানেই চাগে।
:What the ..!!shit.Sorry Sorry.
টাৱেলখন লৈ দৌৰি দৌৰি বাথৰূমত সোমালো। চুলিত কালি তাইয়ে তেল লগাই দিছিল। ধুব লাগিব। মিনিমাম আধা ঘন্টা লাগিব। হিবাই যিহেতু গান গাব গতিকে তাইৰ ইন্সট্ৰোমেন্টৰ লগত প্ৰেক্টিছ কৰিবলৈও আছে। নিজৰ ওপৰতে খং উঠিল। কেবখন সময়ত নাপালে বহুত দেৰি হৈ যাব। ল'ৰালৰিকৈ গা ধুই ওলাই আহিলো। তিতা চুলিখিনিত টাৱেলখন মেৰিয়াইযিমান পাৰোঁ খৰধৰকৈ হিবাক শাড়ী পিন্ধাবলৈ লাগিলো। তাই মনে মনে ৰৈ আছে।মই যেনেকৈ ঘুৰিবলৈ কৈছো কৰি আছে।
:Done.Hiba, you start, I will come late.
গোটেইজনী একেবাৰে জ্বলি পকি উঠিল। মোক লগত লৈ হে যাব। মোক বিচনাত বহুৱাই ৰূমলৈ আনি থোৱা ব্ৰেকফাষ্টৰ প্লেটখন আগবঢ়াই দিলে। ইদলি আৰু নাৰিকলৰ ছাটনি। চকু কেইটা টেলেকা কৰি খাবলৈ দেখুৱালে।
মই খাওঁ মানে তাই হেয়াৰ ড্ৰায়াৰ লৈ মোৰ চুলি শুকুৱাবলৈ লাগিল।
:Strawberry and mint, right??
চৰ্চণি খাই গ'লো।
অনিৰুদ্ধৰ ওঁঠৰ কোণৰ হাঁহিটোলৈ মনত পৰি গল।
খাই উঠি হিবাৰ কুৰ্টাটো পিন্ধিবলৈ লৈ ৰৈ গ'লো। ইমান জাকজমক কাপোৰ মই নিপিন্ধোৱেই। মোৰ প্ৰায়বোৰ কাপোৰ ক'লা নাইবা গ্ৰে কালাৰৰ। কিন্তু হিবাই এইটো মোক বহুত মৰমত দিছে। গতিকে মানা কৰাৰ প্ৰশ্নই নুঠে,পিন্ধিলো।
এইবাৰ তাই তাইৰ মেকআপৰ বস্ত উলিয়াই আনিলে।
:No Way. I am not gonna wear makeup. No no.
তাৰ পাছত এখন যুদ্ধ। হাজাৰ তৰ্ক বিতৰ্কৰ পাছত ফাউন্ডেশন, কাজল আৰু পাতল গোলপীয়া লিপ কালাৰত দুয়োজনী ৰাজী হ'লো। বাকীবোৰ সামৰি থওঁতে তাই ভোৰভোৰাই থাকিলে।কেৱল মেকআপ নহয়, তাইৰ কোনোবা ককায়েকে অনা gucci ৰ পাৰফিউমও সানি দিলে মোৰ গাত।সকলো কৰি, চুলিখিনও ঠিক

ঠিক কৰি হোৱাৰ পাছতহে মোক আইনা চাবলৈ দিয়া হ'ল।
নিজক চাবলৈ বৰ বেছি উৎসাহ নাথাকে মোৰ আজিকালি। চাব্বিশ বছৰীয়া জীৱনত বহুবাৰ নিজক নিজৰ ওচৰত হাৰি যোৱা দেখিছো।
কোনেও নেদেখা মোৰ ভিতৰৰ মানুহ জনীক মই আইনাত দেখা পাওঁ।
ভয় লাগে,নিজক পুতৌ কৰিবলৈ মোৰ সাহস নাই।
নিজৰ চকুত চকু থৈ হেৰাই যোৱাৰ ইচ্ছা মোৰ নাই ।

মুখৰ আগত ডাঙৰ আইনাখন ধৰি এমোকোৰা হাঁহি লৈ ৰৈ আছে তাই। নিজক চোৱাৰ আগতে তাইকহে চালো।মোৰ পৰা কি শুনিব বিচাৰিছে বুজি পালো।
উজ্জ্বল ৰঙৰ হিবাক আজি নীলা শাড়ী খনেৰে পৰীৰ দৰে লাগিছে। বাহিৰে ভিতৰে ধুনীয়া তাই। সেইবাবে মোকো সজাব খুজিছে, তাইৰ দৰে।
এইবাৰ মই নিজকে ভালকৈ চালো।
হিবাৰ হাজাৰ প্ৰচেষ্টা, নতুন কাপোৰ, খুলি ৰখা চুলি ওঁঠৰ পাতল গোলপীয়া সকলোবোৰ মিলিও মোক ধুনীয়া সজাব নোৱাৰিলে..
এটি হাঁহিৰ প্ৰয়োজন আছিল।
সেই হাঁহিটো কোনেও আনি দিব নোৱাৰে, হেৰাই থাকিল,কেতিয়াবাই।
:মেইনে অচ্ছা মেকআপ কিয়া না।
: হাঁ। Thank you.
বেগ সামৰি দুইজনী খৰধৰকৈ নামি আহিলো। নটা বাজি গ'ল। হিবাৰ ফোনত বাৰে বাৰে টানিয়াই ফোন কৰি আছে।তাৰমানে অনিৰুদ্ধ আৰু টানিয়া অফিচত হাজিৰ।দেৰি হৈছে আমাৰ।দুইজনীয়ে কেব বিচাৰিবলৈ লাগিলো।মই যাব পৰিলেও হিবাই শাড়ী পিন্ধি নোৱাৰে যাব বাছত ওলমি।এইটো সময়ত কেব পাবলৈও দিগদাৰ।ৱেইটিং টাইম বহুত বেছি।উপায় নাপাই আয়ুক ফোন কৰিলো।সেইটো শুয়ে উঠা নাই।নাযাওঁ নথওঁ কৰি কৰি বিয়েৰ খাবলৈ পইচা দিম বুলি কোৱাত আহিবলৈ মান্তি হল।হিবাক তাৰ লগত পঠাই মই বাছত যাম।
অলপ সময় পাছত জপৰা চুলি আৰু ফুলা ফুলা চকুৰে আয়ু ওলালহি বসন্তী লৈ।
:তোক ছোৱালী ছোৱালী লাগিছে বে।চাফা চাফা একদম।গা ধুলি ন আজি।
:চুপ।এইক তই নমাই থৈ আহ।
তেতিয়ালৈকে হিবাই সিফালে মূৰ কৰি কেব চাই আছিলে।মই কোৱাত ঘূৰি চালে।
আৰু হিবাক দেখি এইফালে আমাৰ জনৰ মুখ মেল খাই গ'ল।মাত নাই।
:ঐ, কি বেলটোৰ নিচিনা মুখ মেলি আছ।যাবিনে কি।বিয়েৰ খুৱাম তোক।
:বিয়েৰটো ময়ে তোক খুৱাই দিম জাপৰি।যাম মানে, উৰি যাম এতিয়া।
এইটো মানে ধুনীয়া ছোৱালী এজনী দেখিলেই হ'ল।দুইটাকে চিনাকি কৰাই দিলো।আয়ুয়ে দাঁত কেইটা উলিয়াইয়ে থলে গোটেই সময়খিনি।হিবাই শাড়ী খন কোচাই পিছফালে বহিল।বেগটো মই ধৰি দিলো।
মোৰফালে এবাৰো চাবলৈ আয়ুৰ সময় নহল।উৰি গৈছে একেবাৰে।

পেটুৱা চাগে প্ৰেমতেই পৰিলে।
হাঁহি এটা আপোনা আপুনি ওলাই আহিল।
অফিচ সোমায়েই সময়টো চালো।১০ টা বাজিবৰ হল।মনতে ভাবি আহিছো অনিৰুদ্ধই নেদেখাকৈ মনে মনে শুভাষিণীৰ ওচৰলৈ যাম।এনেয়েও আজি কোনেও চাগে কাম নকৰে।গ্লাছৰ দৰ্জাখন খুলি যিমান পাৰোঁ খৰকৈ খোজ ললো।আমাৰ টিমৰ কোনো নাই।ইফালে সিফালে চাই দেখোঁ সবেই গ্ৰুপ হৈ ফটো মৰাত ব্যস্ত।অনিৰুদ্ধ,টানিয়া, হিবা কাৰো দেখা দেখি নাই।সুভাষিণীয়ে মোক দেখি চকুৰ ইঙ্গিতেৰে ফটো উঠাবলৈ মাতি পঠালে।বগা পাটৰ শাৰী আৰু খোপাত ফুল লগাই ধুনীয়াকৈ সাজি আহিছে সুভাষিণী।মানুহজনী মনেৰে ধুনীয়া।হাঁহি দিলে পোহৰ হৈ পৰে মুখ খন।
অনিৰুদ্ধ অহাৰ আগতে বেগটো নিজৰ ঠাইত থৈ অহাই ভাল।
কিন্তু মোৰ ডেস্কৰ ওচৰ পাওঁতে চিনাকি সুগন্ধি এটা নাকত লাগিল।অনিৰুদ্ধই ডাঙৰ speaker এটা ফিট কৰি আছে তাত।সেইখিনিৰ পৰাই উভতিলো।তেওঁ দেখা নাপালে।
উফ, ৰক্ষা।
সুভাষিণীৰ ওচৰ পালোগৈ। কৃতিকা আৰু সুভাষিণীৰ মতে মই বিন্দি এটা লগাব লাগিছিল। কৃতিকাই নিজৰ বেগৰ পৰা আনি ক'লা সৰু বিন্দি এটা লগাইহে এৰিলে। অলপ পাছত আমাক দেখি টানিয়া আহিল।নেভী ব্লু কালাৰৰ লেহেংগা ছ'লি পিন্ধিছে।লগত মিলাই নিখুঁত মেকআপ।আহিয়েই আৰম্ভ কৰি দিলে তাই আজি কিমান বেছি ব্যস্ত।শুনি আছো।আজি আহোঁতে অনিৰুদ্ধই যে তাইক পিক কৰিলে, তাইক পাৰফেক্ট বিউটি বুলি complement কৰিলে সেইয়াও কলে।লগতে দুইটাই গাড়ীৰ ভিতৰত তোলা চেল্ফি কেইখন মানো দেখুৱালে।
দুইটাৰে একদম পাভ জোৰা।তাতে আজি মিলাই পিন্ধিছে।দুয়োৰে ড্ৰেচ নেভী ব্লু।
অলপ সময় কথা পাতি সুভাষিণী আৰু কৃতিকাৰ লগত খাবলৈ ওলাই গ'লো।
অনিৰুদ্ধই নেদেখাকৈয়ে দিনটোৰ আধা গল।অলপ পাছতে Event আৰম্ভ হ'ব।আৰু তাৰ পাছত মই আৰু হিবা ঘৰলৈ যাম।আজি সন্ধিয়াৰ সব মিটিং cancelled।অনিৰুদ্ধৰ লগত যেন মুখামুখি নহয় ভগৱান।
তিনি বজাৰ লগে লগে ফ্ল'ৰৰ এটা অংশত সকলো গোট খালে।তাতে অলপ ওখকৈ ষ্টেজৰ নিচিনাকৈ বনাই থোৱা আছে।যিমান পাৰোঁ পিছত গৈ থিয় হৈ আছো।লগত কৃতিকা।সুভাষিণী অলপ আগত চকী এখন লৈ বহি আছে। সুৰেশৰ ৱেলকাম স্পীছৰ পাছত কালচাৰেল প্ৰগ্ৰাম আৰম্ভ কৰিলে টানিয়াই।উচ্চস্বৰত হাতচাপৰি বাজিল।ষ্টেজৰ কাষতে অনিৰুদ্ধ আৰু সুৰেশ বৈ আছে।নীলা ৰঙৰ পাঠানি কুৰ্টা, ব্লু জিন্স আৰু ফৰ্মেল ছু পিন্ধিছে অনিৰুদ্ধই।বাৰে বাৰে ইফালে সিফালে চাইছে।মই থকাৰ ফালে চালেই মই লুকাই দিওঁ।
কিয় ??সেইয়া মই নাজানো।
এটা এটাকৈ প্ৰগ্ৰেম আৰম্ভ হল।কোনোবাই গান গাইছে, কোনোবাই নাচিছে, beat boxing কৰিছে, mimicry কৰিছে।তাৰ মাজতে অনিৰুদ্ধক special award ও দিয়া হল।এৱাৰ্ড লোৱা সময়তো তেওঁৰ দুচকুৱে কাৰোবাক বিচাৰি থাকিল।
:And now we have a very special performance by Miss Ananya Goswami from our Business Excellence and Innovation Team.
নিজৰ নামটো শুনি কঁপি গ'লো। তাকো ঘোষণা কৰিছে সুৰেশে। মইতো একো কৰিম বুলি কোৱা

নাছিলো।এনেকৈ কৈ দিয়াৰ পাছত নোযোৱাকৈ থাকিবও নোৱাৰোঁ।
ভিৰৰ মাজৰপৰা ওলাই ষ্টেজৰ ফালে খোজ ললো। অনিৰুদ্ধৰ ফালে নাচাওঁ বুলিও চাই পঠিয়ালো।
দুটি তৰা তিৰবিৰাই উঠিল।
অলপ পানী যেন বিৰিঙি আছে, ওঁঠৰ কোণৰ হাঁহিটো আন দিনাতকৈ বেছি উচ্ছল, প্ৰাণময়।

ষ্টেণ্ডমাইকটোৰ ওচৰত ৰৈ ইফালে সিফালে চাইছো।কি কম ভাবিয়েই পোৱা নাই।মই সদায় আঁতৰি থাকি ভাল পাওঁ।লুকাই থাকি ভাল পাওঁ।মই কোনোদিন মঞ্চত উঠি গান গাই, নাচি বা কোনোধৰণৰ অনুষ্ঠান কৰিয়েই পোৱা নাই।সকলোতে আধৰুৱা আছিলো মই।বা আৰু মই একেলগেই নাচ গান শিকিবলৈ গৈছিলো যদিও মই সকলোবোৰ আধাতে এৰো।
ভাৰত নাট্যম শিকিলো, আধাতে এৰিলো।
শাস্ত্ৰীয় সংগীতৰ শিক্ষাও আধৰুৱা কৰিলো।
মায়ে সেইবাবে যিকোনো অনুষ্ঠানলৈ গলে বাক হে লগত লৈ গৈছিল।মই ককাৰ লগত ঘৰতে থাকিছিলো।হাতত জাপি, গামোচা আৰু ডাঙৰ ডাঙৰ পুৰস্কাৰ বুটলি বা যেতিয়া ঘৰলৈ আহিছিল, মায়ে তাই ভালপোৱা বস্তুৰে ঘৰ ভৰাই তুলিছিল।তাৰ পাছদিনা ঘৰত টি পাৰ্টি ৰাখিছিল,সকলোৰে আগত বাৰ পুৰস্কাৰ সমূহ দেখুৱাই তাইক প্ৰশংসা কৰিছিল,আৰু মই সেইবোৰ এৰি আয়ুৰ ঘৰত খুড়ীয়ে তাঁত লগোৱা চাবলৈ দৌৰ মাৰিছিলো।মাৰ খং দুগুণ বাঢ়িছিল।সেইদিনা ৰাতি মোক ৰূমত ভাত খাবলৈ নিদিয়াকৈ লক কৰি থোৱা হৈছিল।খুব কান্দিছিলো।ককাই মা দেউতাক বুজাইছিল,কাকূটি মিনতি কৰিছিল,কিন্তু লাভ একো হোৱা নাছিল।মই কান্দি কান্দি কত দিন তেনেকৈয়ে শুই থাকিছিলো।ৰাতিপুৱা তৰা নাইবা বায়ে দুৱাৰ খুলি দিয়াৰ লগে লগেই ককাৰ কোলাত উঠিছিলো।ককাই দিনটো মোক নিজৰ লগতে ৰাখিছিল।কথাবোৰ যেন ....

:Say something Ananya, it’s getting weird now.
চেপা মাতেৰে টানিয়াই কাণৰ কাষত কৈ গ’ল।
বগা বাংলোৰ বন্ধ কোঠাৰ পৰা উভটি আহিলো।
ইমান মানুহৰ মাজত থাকিও মই বন্ধ কোঠাৰ নিঃসংগতাত চটফটাই ফুৰিছো।
কি কৰিম এতিয়া মই???

এনেতে হিবা আগবাঢ়ি আহিল মোৰ ফালে।হাতত মোৰ বাঁহীটো।
এতিয়া হে বুজি পালো সকলোবোৰ।এই বাঁহী টো আয়ুৰ ওচৰত আছিল।তাৰমানে দুয়োটা একেলগে আহোঁতে এই বিষয়ে আলোচনা হ’ল আৰু আয়ুয়ে ৰূমৰ পৰা মোৰ সেইটো লৈ আনিছে।আয়ুলৈ চাওঁতে দাঁত উলিয়াই হাঁহি দেখালে।

মই ককাৰ পৰাই শিকিছিলো বাঁহী বজাবলৈ।ককাৰ বাঁহীৰ সুৰত যাদু আছিল।জনা হোৱাৰ পৰাই বজাইছিলো,কি মায়া সনা আছিল ককাৰ বাঁহীৰ ৰাগ বৃন্দাৱনী।গোঁসাই ঘৰত দলিছা পাৰি ককাৰ সমানে বহি সৰু বাঁহী এটা লৈ মইও ফু ফু কৈ কিবা কিবি বজাইছিলো।লাহে লাহে পৰিছিলো, আঙুলি বুলাবলৈ শিকিছিলো।

মায়ে লাজ পাইছিল,আঙুলি ফাটি যোৱাকৈ মাৰিছিল,ছোৱালী হৈ বাঁহী বজোৱাটো লাজৰ কথা আছিল মাৰ কাৰণে,হলেও বজাইছিলো।

বাঁহীৰ মাতত সঞ্জীৱনী থাকে, ককাৰ মৰম থাকে।

বাঁহীৰ মাত মোৰ আপোন, খুব আপোন।

ৰৈ থকা মানুহখিনি অলপ আচৰিত হোৱা যেন লাগিল।হয়তো ভাবি আছিল মই গান গাম, নাইবা নাচিম।হাতত বাঁহী টো দেখি তেওঁলোকৰ উৎসুকতা আৰু বেছি বাঢ়ি যোৱা যেন লাগিল।

মাইকটোৰ ওচৰত ৰৈ এবাৰ দীঘল কৈ উশাহ টো টানি ললো।

বাঁহীৰ পৰশ ওঁঠত লাগিলে মোৰ চকুকেইটা আপোনা আপুনি বন্ধ হৈ যায়।

বজালো,ককাই শিকোৱা সেই বিৰহৰ সুৰ আজি আকৌ এবাৰ বজালো।সকলো নিস্তব্ধ।

এই সুৰে মোক বেলেগ এখন পৃথিৱীলৈ লৈ যায়, প্ৰতিবাৰেই।ভাঁহি থাকে হেৰুৱা দিনৰ অস্পষ্ট ছবি।

এখন নিষ্পাপ মুখ,থুপুৰ।

মোৰ কলিজাৰ এফাল, মোৰ গোঁসাই মানু,’থুপু’।

হেৰাই যাওঁ মই কৰবাত, যিমানেই মই সোমাই যাওঁ সেইখন পৃথিৱীৰ মাজলৈ, মোৰ বাঁহীৰ সুৰ সিমানেই বেছি আপোন হয়।যেন শেষ উশাহলৈকে বজাই যাম,এই সুৰ, বিৰহৰ।

হাত চাপৰি বাজিয়েই থাকিল,চকু মেলি চাই দেখোঁ সকলোৰে মুখত হাঁহি, ইমান পৰে কতো এটা শব্দ নোহোৱাকৈ কেৱল বাঁহীৰ মাত ভাঁহি আছিল এইটো ফ্লুৰত।এতিয়া হাত চাপৰিৰ শব্দই মুখৰ কৰি তুলিছে।বাঁহীটো বুকুতে সাৱটি নামি আহিলো,বহুতেই ওচৰলৈ আহি অভিনন্দন জনালে।

হাঁহি এটা মাৰি সামৰি থলো যদিও ভিতৰি মই জ্বলি উঠিছো,সাংঘাতিক খং উঠিছে আয়ুৰ ওপৰত।এই বাঁহীটো মোৰ একান্তই নিজৰ।এনেকৈ মানুহৰ মাজত প্ৰশংসা বুটলিবলৈ মই কোনোদিন বাঁহী বজোৱা নাই।আজি এনেকুৱা এটা পৰিস্থিতি সৃষ্টি কৰাৰ আঁৰত সিয়েই। এবাৰ তাৰ ফালে চালো,হিবাৰ সৈতে কথা পাতি পাতি হাঁহি ৰখাবই নোৱাৰা হৈছে।

খং টো আৰু বেছি উঠি আহিল।

পিছৰ অনুষ্ঠান ইতিমধ্যে আৰম্ভ হৈছে।মোৰ হে একো চোৱাৰ ইচ্ছা নহল।গুচি যাবৰ মন গৈছে।ডেস্কৰ ফালে খোজ ললো, বেগটো লৈ একেবাৰেই ওলাই যাম।

ভিৰৰ পৰা ওলাই আহিহে ভালকৈ উশাহ লব পাৰিছো।অলপ দেৰি সেইখিনিতে ৰৈ থাকিলো।

:Are you alright??

অনিৰুদ্ধৰ মাতত উচপ খাই ঘূৰি চালো।ফ্লুৰৰ সিটো মূৰত হুলস্থুল, টানিয়া আৰু আন এটা টিমৰ দুজনী ছোৱালীৰ গ্ৰুপ ডান্স চলি আছে আৰু সেইবোৰ এৰি অনিৰুদ্ধই মোৰ খবৰ লবলৈ আহিছে।

কিন্তু কিয়??????

:I am fine.

:Come with me.

:Excuse me???

:Excused, now please come.

অনিৰুদ্ধক না ক'ব নোৱাৰিলো, ইয়াৰপৰা ওলাই যাবলৈ মোৰো ইচ্ছা হৈছিল।তেওঁৰ পিছে পিছে খোজ ললো।কিন্তু অনিৰুদ্ধ ৰৈ দিলে, সমানে খোজ দিবলৈ।

লিফ্টত সুমুৱালৈকে দুয়ো মনে মনেই থাকিলো।কেফেটেৰিয়াৰ পৰা দুকাপ চাহ লৈ ওলাই আহিলো।অনিৰুদ্ধই তেতিয়াও একোৱেই কোৱা নাই।

আৰু নিজৰ ফালৰপৰা কেতিয়াও কথা আৰম্ভ মই কৰি পোৱা নাই।

আমাৰ বিল্ডিংটোৰ বাহিৰতে এখন সৰু পাৰ্ক আছে,তাতে বহি প্ৰায়েই চাহ খাই মানুহবোৰে।বহিব পৰাকৈ পকাৰেই কিছুমান সৰু সৰু বেঞ্চৰ নিচিনা বনাই থোৱা আছে।অনিৰুদ্ধই কাষত বহিবলৈ ঠাই উলিয়াই দিছিল যদিও মই সন্মুখৰ আনখন বেঞ্চত বহিলো।

তেওঁ মিচিকিয়াই হাঁহিলে, চকুত নপৰাকৈ নাথাকিল।

:Your bindi is misaligned.

ইমান দেৰি মানে মই তেনেকৈয়ে থাকিলো।কোনেও মন নকৰিলে।অনিৰুদ্ধই কোৱাৰ লগে লগেই ঠিক কৰিবলৈ লাগিলো।লৰালৰিকৈ কৰোঁতে বেছিহে বেয়া হৈ গল।

:Let me help you.

বহা ঠাইৰপৰাপৰা উঠি আহিল অনিৰুদ্ধ।

:What?????No!

মাতটো জোখতকৈ বেছি ডাঙৰকৈ ওলাল।অনিৰুদ্ধ নিজৰ ঠাইতে স্থিৰ হৈ থাকিল।মই ফোটটো একেবাৰেই এৰুৱাই আনি পেলাই দিলো।তেওঁ মাথোঁ নীৰৱে চাই থাকিল।

:বাঁহী বজাই ভাল পোৱা?

কি উত্তৰ দিম এই প্ৰশ্নৰ।আছে জানো মোৰ ওচৰত ইয়াৰ উত্তৰ।

:ভবা নাই কেতিয়াও।

:অনন্যা, কি লুকুৱাই ৰাখিছা???

:I just want to go home Anirudh, may I??

অনিৰুদ্ধই মোক সলনি কৰিব খুজিছে, কাৰো লগতে সহজে কথা এটাও পাতিব নোৱাৰা মই সিদিনা অনিৰুদ্ধৰ গাড়ীত উঠিলো, আজি পাৰ্কত বহি চাহ খাবলৈ আহিছো, ভীষণ খং উঠিছে নিজৰ ওপৰতে।কাণ মূৰ গৰম লাগি আহিছে।

:No you cant.

চমু উত্তৰ,কিন্তু আচৰিত ধৰণেৰে ৰুক্ষ।অনিৰুদ্ধ হঠাৎ সলনি হৈ যায়।হাতৰ ঘড়ীটো চাই তেওঁ মোৰ ফালে চালে।ইমান গভীৰ চকু, ইমান প্ৰখৰ চাৱনি।

আঁতৰাই আনিলো মোৰ দুচকু, পোহৰ মই বেয়া পাওঁ।

আৰু অনিৰুদ্ধৰ দুচকুত হাজাৰ জোনাকী পৰুৱাৰ পোহৰ।

চাহৰ কাপটো কাষৰ ডাষ্টবিন টোত পেলাই অনিৰুদ্ধ এইবাৰ মোৰ একেবাৰে কাষতেই বহিল।
মোৰ উশাহটো আচৰিত ধৰণেৰে চুটি হৈ আহিল।
আচৰিত হৈ চালো, সেই একেই চাৱনি।
আনফালে মুখ ঘূৰালো।
:I will keep it very simple, I want to know you more Ananya, I just feel good when I see you, and it really hurts me a lot to see you suffering so much.
:
:And today when I saw you, I literally skipped a bit Ananya.
অনিৰুদ্ধই আৰু বহুত কিবাকিবি কৈছিল, মই ভালকৈ একো শুনা নাই।হাত ভৰি কঁপি উঠিছে মোৰ।
কি কয় অনিৰুদ্ধই,মোৰ বিষয়ে একো নজনাকৈ ইমানখিনি কথা কেনেকৈ কব পাৰিছে!মই তেওঁৰ চকুলৈ এতিয়াও চাব পৰা নাই, আনফালে মূৰ কৰি মাথোঁ শুনি আছো,পাৰ ভাঙি নামিছে চকুলোৰ নৈ।

কেনেকৈ কওঁ মই অনিৰুদ্ধ, 'ভালপোৱা' আজিকালি মোৰ ভাল নালাগে।
চকুকেইটা জপাই দিলো।
চেৰেলেকৰ কঁৰাল লগা টোপোলা টোপোলা দুগালেৰে থুপুৰ মুখ খন ভাঁহি আহিল।
"মা ইই,মা ইই"|

উঠি আহিলো সেই ঠাইৰপৰা।অনিৰুদ্ধই বাধা নিদিলে, বহি থাকিল একে ঠাইতে। বেগটো লৈ সুৰেশক মাত্ৰ মেছেজ এটা কৰিলো
"I am not feeling well, leaving early today".
কেৰখনত বহি দুহাতেৰে মুখ ঢাকি মই আজি কান্দিছো। কি হৈ গ'ল মোৰ জীৱনটো!
কি ভুল কৰিছিলো মই???
কিয় ভগৱান, কিয় কৰিলা এনেকুৱা???
সকলোৰে ভুলৰ শাস্তি পালো কেৱল মই।
১৮ বছৰ, মাত্ৰ ১৮ বছৰ আছিল তেতিয়া মোৰ। দেউতাই সিদ্ধান্ত লৈছিল মোক বিয়া দিব, কাৰণ মা দেউতাৰ নাক কাণ কাটি(?)তেওঁলোকৰ সুযোগ্য সন্তান, মোৰ বা পলাই গুচি গৈছিল আমাৰ বাগানৰ কৰ্মচাৰী ৰাজুৰ লগত।
মা দেউতাৰ ফোপোলা আভিজাত্যৰ মিছা অহংকাৰ তচনচ কৰি গৈছিল, ভৰিৰে মোহাৰি গৈছিল।
আৰু সকলোবাৰৰ বাবে দায়ী মই নহলেও শাস্তি মোক দিয়াৰ সিদ্ধান্ত হৈ গৈছিল।

চকুপানী বোৰ আজি ওলাই আহিবলৈ দিছো।
কিমান আৰু বাধা দিম।
বৰফ হৈ নিজৰ বুকুতে খুন্দিয়াই থাকে প্ৰতি পলে।
কেবৰ ড্ৰাইভাৰ জনে বাৰে বাৰে পিছলৈ ঘূৰি চাইছে।একো সোধা নাই।উচ্চ স্বৰত বাজি থকা গানটো তেওঁ বন্ধ কৰি দিলে।
মোৰ মনত কিহৰ ধুমুহা কাক নো কম?
কোনেনো বুজিব?
ক'লা পৰা চকুৰ তলৰ অংশই বহুত উজাগৰী নিশাৰ
কথা কৈ যাব খোজে, মাথোঁ শুনোতা হে কোনো নাই।

:গাড়ী অন্দৰ নেহী যায়েগী মাদাম।
ৰুমৰ ওচৰ পালোহি,গাড়ীখন সৰু গলিটোত নোসোমায়।বেগটো পিঠিত লৈ পইচাটো দি কেনিও নোচোৱাকৈ খোজ ললো।
বেগটো মাটিতে পেলাই বিচনাত পৰিলো, গাৰুটো মোৰ বাবে যেন এখন কান্ধ, ইয়াতে মূৰ থৈ হাজাৰ নিদ্ৰাবিহীন ৰাতি অকলে কান্দিছো মই, কোনেও নজনা কথাবোৰ নিজৰ লগতে পাতিছো,কেতিয়াবা থুপুৰ কথা ভাবি, ককালৈ মনত পেলাই অকণমান হাঁহিছো, পিছ মূহুৰ্ততে মা দেউতালৈ মনত পৰি খঙত আকৌ এবাৰ জ্বলিছো।
আজিও গাৰুত মুখ গুজি ভাবিছো, মই ক'লৈ গৈ আছো, কি পামগৈ এই যাত্ৰাৰ শেষত?
আৰু এখিনি আন্ধাৰ, ঘন ক'লা?
নে অলপ পোহৰ, ঠিক অনিৰুদ্ধৰ চকু কেইটাৰ দৰে!
:এইক মই আজি শেষ কৰি দিম।
কিমানটা বছৰ পাৰ হ'ল,হ'লেও দেউতাৰ ৰঙা চকু আৰু হাতৰ ৰিভলভাৰটো স্পষ্ট কৈ মনত আছে মোৰ।ককা দৌৰি আহি মোৰ সন্মুখত ৰৈছিল, মালৈ চাইছিলো, দেউতাৰ এইটো ৰূপ তেওঁ দেখিয়েই থাকে, যেন সাধাৰণ কথা।
:পিষ্টল দেখুৱাই বৰমতা ওলাব নালাগে, এইখন ঘৰত সৰৰে মেল'ড্ৰামা, বুঢ়া কি পুতেক কি।
উকালি আহিছিল মোৰ, গোটেই ৰাতি কান্দি কান্দি লেবেজান হৈ থকা মই বমি কৰি দিছিলো সেই সময়ত।
তৰা আৰু ককাই ধৰি নি শুৱাই থৈছিল গৈ।
বিৰবিৰাই আছিলো মাথোঁ এটাই বাক্য “মই বিয়া নহওঁ, লাগিলে মৰি যাম”।
বা গুচি গৈছিল নিজৰ প্ৰেমিকৰ লগত, ময়ো যদি গুচি যাওঁ, দেউতাৰ ভয় আৰু বাঢ়িছিল।মায়ে মানুহৰ লগত কথা পাতিবলৈ বাদ দিছিল।আৰু মই আচৰিত হৈছিলো দেউতাই নিজতকৈ বেছি বিশ্বাস কৰা ৰাজু দাদা, একেদিনাই শত্ৰু হৈ পৰিল কেনেকৈ?
দেউতাৰ চাহ বাগানৰ সকলো হিচাপ- নিকাচ,ফেক্টৰীৰ প্ৰডাক্সনৰপৰা পেকেজিং লৈকে সকলো কাম, এক পইচাও হেৰ ফেৰ নকৰাকৈ চম্ভালি থকা ৰাজু দাদা দেউতা ঘোৰ শত্ৰু হৈ পৰিল, একেদিনাই।
বা চাগে গুচি নোযোৱা হ'লেহে মই আচৰিত হলোঁহেঁতেন।কিমান আৰু তায়ো চাবি দিয়া পুতলাৰ দৰে মাৰ

কথাত নাচি থাকিব।মোৰ দৰে মা দেউতাৰ অবাধ্য হবলৈও তাইৰ সাহস নাছিল।যিদিনাখন মা দেউতাই অসভ্যৰ দৰে কাজিয়া কৰি হুলস্থূল কৰিছিল, বা সেইদিনা কান্দি কান্দি মোৰ বিচনাত সোমাইছিলহি।
মোৰ কাৰণে একদম সাধাৰণ আছিল সেইবোৰ কথা, কেতিয়াবা বাঁহী বজাই ইগনৰ কৰিছিলো, কেতিয়াবা গান শুনি।
বহুত বেছি অসহ্য লাগিলে দেউতাৰ মিনি বাৰ খনৰ বটল খুলিছিলো।ধৰা নপৰিবলৈ দামী মদৰ বটলত কিমান যে পানী ভৰালো তাৰ হিচাপ নাই।
ক্লাছ এইটৰ পৰাই মই এই কাম কৰিছিলোঁ, কিন্তু নিজৰ কাজিয়াত ব্যস্ত থকা মা দেউতাই গমেই পোৱা নাছিল বহুদিনলৈ, আৰু যেতিয়া গম পাইছিল, ইজনে আনজনৰ ওপৰত দোষ জাপি দায়িত্ব সাৰিছিল।
দেউতাৰ মিনি বাৰত তলা লাগিছিল।
আৰু মই যোগেশ দাই আনি থোৱা ভাং চোৰ কৰি আনি খাইছিলো।
জেদ মোৰ নিচা, নে নিচা মোৰ জেদ,বুজিব নোৱাৰাকৈ মাতাল হৈ থাকিছিলো কোনোবাটো ৰাতি।
বগা বাংলোৰ ওপৰ মহলৰ প্ৰকাণ্ড কোঠাটোত অকলে পৰি ৰৈছিলো, ককাৰ ওচৰলৈ যোৱা নাছিলো, আৰু মা দেউতাই মোক ওচৰত কোনোদিন বিচৰা নাছিল।
দিনটোৰ বেছিভাগ সময় কিতাপৰ সৈতে পাৰ কৰিছিলো, পঢ়া শুনাত মই বেয়া নাছিলো।
যিদিনাখন স্কুলত প্ৰথম হৈছিলো, মায়ে নিজে মাংস বনাই থৈছিল।ঠিক যেন বিনিময়, মই তেওঁক অহংকাৰ কৰিবলৈ এটি উপায় দিছো, সেইবাবে তেওঁ মোক অকণ আদৰ দিছে।
পিছদিনা কিটি পাৰ্টিৰ কেন্দ্ৰবিন্দু মোৰ মাৰ্কছিট খন আছিল।

কিমান দেৰি তেনেকৈয়ে পৰি থাকিলো নাজানো।ফোনটো বাজি উঠিল, সময় চাইছোঁ ৭ বাজি গ'ল,হিবাৰ ফোন।তাইক নোকোৱাকৈ গুচি অহাৰ বাবে এগালমান বকিলে।তাৰ পাছতহে জনালে যে আজি টিমৰ সকলোকে বাহিৰত ডিনাৰ কৰাব।গতিকে মই যাব লাগে।বহুতবাৰ নাযাওঁ বুলি কোৱাৰ পাছতো নামানিলে।মোৰ যাবলৈ ইচ্ছা আৰু শক্তি এটাও নাই।কিন্তু মই নগ'লেও তাই অকলশৰীয়া হয়।
ফোনটো থৈ যাবলৈ ৰেডি হলো।তাই এড্ৰেছটো পঠাই দিছে।হোটেল হোৱাইট অৰ্কিড।
বাথৰুমৰ শ্বাৱাৰটো খুলি বহি থাকিলো অলপ সময়।চকুপানীৰ লগতে নাকৰ পৰা তেজৰ সোঁত এটাও বৈ আহিল।দিনে দিনে বেছি অসুখীয়া হৈ আহিছো মানুহজনী।বেছিদিন জীয়াই নাথাকিমেই নেকি! অৱশ্যে মই থকা বা নথকাৰ কোনো অৰ্থ আজিলৈকে বিচাৰি পোৱা নাই।

অফিচৰ পাৰ্টিত কি পিন্ধিব লাগে মই নাজানো।ব্লু জিনছটোৰ লগত ব্লেক ফুল শ্লীভচৰ টপ তো পিন্ধিলো।দুয়োটা পুৰণি,মোৰ নিচিনাই ৰং নোহোৱা। আইনাত চালো এবাৰ। চকুকেইটা ৰঙা হৈ ফুলি আছে।কাজলৰ ডাঠ লেপ এটাৰে ঢাকিবলৈ চেষ্টা কৰিলোঁ।
আকৌ বিফল।
চুলিখিনি বান্ধিবলৈ লৈ নোৱাৰিলো, মূৰৰ বিষ,খোলা ৰখাই ভাল।বুট জোৰ পিন্ধি হাতত মোবাইল তো লৈ ওলাই আহিলো।ট্ৰেফিকৰ মাজেৰে আহোঁতে আহোঁতে মোক এক ঘণ্টা সময় লাগিল।
ডাঙৰ হোটেল খনৰ সন্মুখত ৰৈ কোনফালে যাম ভাবি আছোঁ।হিবা,সুভাষিণী কোনেও ফোন উঠোৱা নাই।উপায়

নাই, অনিৰুদ্ধক ফোন কৰিলো।বহুত দেৰি ৰিং হোৱাৰ পাছত উঠালে।

:Hi, I am in the reception, where to come?

:Just wait there, I am coming.

প্ৰায় দহ মিনিট মানৰ পাছত অনিৰুদ্ধ ওলাই আহিল,অথনিৰ সাজত নহয়,ব্লেক জিনছ,ব্লেক পুল অভাৰ আৰু এযোৰ হোৱাইট স্নীকাৰ, পাৰফিউম একেটাই।

:Hey, are you....

মই চকু তুলি চোৱাৰ লগে লগে অনিৰুদ্ধ মনে মনে ৰ'ল,মোৰ অৱস্থা দেখি বুজি পালে তেওঁৰ সেইকেইটা কথাই মোৰ কিমান পুৰণা ঘাঁ আকৌ সজীৱ কৰিলে।

:Which way?

ময়ে সুধিলো।অনিৰুদ্ধৰ চকু কেইটা সেমেকি যোৱা দেখি মোৰ ভয় লাগিল।ককা আৰু থুপুৰ পাছত মোৰ বাবে কান্দিব খোজা প্ৰথম পুৰুষ, অনিৰুদ্ধ।

নালাগে, মোৰ বাবে আৰু কোনেও কান্দিব নালাগে।

পাৰ্টি হোৱা ঠাইখিনি পোহৰ অলপ কম।ডি জে চলি আছে।টানিয়া, কৃতিকা আৰু আৰু কিছুমান অচিনাকি মুখ নাচি থকা দেখিলো।ৰেড কালাৰৰ ৱান পিছ্ আৰু উৰি থকা চুলিৰে টানিয়া জিলিকি আছে সকলোৰে মাজত। অনিৰুদ্ধক দেখি ওচৰলৈ মাতিলে। মই হিবাক বিচাৰিবলৈ লাগিলো। কাৰো মাত ক'তো নুশুনি।

অলপ দূৰত সুভাষিণী ,সুৰেশ আৰু এজন চিনিয়ৰ বহি খাই আছে।হাতত প্লেট এখন লৈ হিবাও সেইখিনি পালেহি।মোক হাতত ধৰি একেবাৰে চুকত থকা টেবুল খনলৈ লৈ গল।

:Anirudh made you cry again,right?

:No.I am fine. Let me get a drink.

মোৰ লগতে সোমাই অহা অনিৰুদ্ধ ড্ৰিংক ছাৰ্ভ কৰা ঠাইতে ৰৈ আছে।মই যোৱা দেখি অলপ আচৰিত হ'ল।

:Whiskey, neat.

:What?? No man, give her a screwdriver or Mojito may be.

ফ্ৰুইট জুইচৰ লগত ড্ৰিংক মিলাই বনোৱা ককটেইল মই নাখাওঁ।মোক নিচা লাগে, ষ্টাইল নহয়।

:Stay out of it Anirudh.

ড্ৰিংকটো হাতত লৈ সেইখিনিৰ পৰা আঁতৰি আহিলো,হিবাই এইবিলাক খালে বেয়া পায়,গতিকে তাইৰ ওচৰলৈ নগৈ মই আনটো মূৰে থকা অলপ কম পোহৰৰ ঠাই খিনিলৈ গলো।অনিৰুদ্ধক দেখাৰ পিছত দিনৰ কথাবোৰে আকৌ আমনি কৰিলে।একেকোবে শেষ কৰিলো গোটেইখিনি ড্ৰিংক।

অলপ সময় তাতেই ৰৈ থাকিলো, নিচা মোৰ লগা নাই,কিন্তু উচ্চস্বৰত বাজি থকা মিউজিকে মূৰৰ বিষ দুগুণে বঢ়াই দিলে।

:Ananya.

অনিৰুদ্ধৰ মাতত জোখতকৈ বেছি কোমলতা।

: Come with me.

সিফালে থকা দৰ্জাখন খুলি মোক অনিৰুদ্ধই বাহিৰলৈ উলিয়াই আনিলে।অপেন ৰুফ টপ।এটা কোণত স্মকিং এৰিয়া।

আনটো ফালে মোক হাতত ধৰি লৈ গল অনিৰুদ্ধই।
আৰু মই এবাৰো বাধা নিদিলো।
:Please say something Ananya?
এল ই ডি লাইটৰ কম পোহৰতো হাজাৰ জোনৰ পোহৰেৰে উজ্জ্বল অনিৰুদ্ধৰ চকুত মই মোৰ বাবে কিবা এটা দেখিলো।
নিৰাপত্তা, ভালপোৱা, আদৰ, নে সন্মান?
মোৰ গালত অনিৰুদ্ধৰ সোঁহাত!
আহ্ মই হাৰি যাব খুজিছো, মাত্ৰ এবাৰ।

এটি যুগৰ শেষত অকণমান আদৰ, মোৰ বাবে, কেৱল মোৰ বাবে।
চকুকেইটা জপাই দিলো।
বুকুৰ ভিতৰৰ ধুমুহাজাক যেন হঠাৎ শান্ত হৈ গ'ল।
লগতে মোৰ উশাহটোও চোন বৈ যোৱাৰ দৰে লাগিছে।
: অনন্যা!
চকু মেলি চালো আকৌ এবাৰ।
কিমান মৰমেৰে মাতিলে উত্তৰ দিবলৈ শব্দ হেৰাই যায়,আলফুল হেঁপাহ এটাই কলিজাটো খুন্দিয়াই থৈ যায়।
অবিন্যস্ত চুলি আৰু হুইস্কীৰ পাতলীয়া নিচাই চকুকেইটাক বৰ আমনি দিছে।ছাঁ পোহৰৰ মায়াসনা সময়ত অনিৰুদ্ধৰ সান্নিধ্য, মই বাৰু কেনেকৈ স্থিৰ হৈ থাকোঁ!
অনিৰুদ্ধই কাণৰ কাষৰ চুলিখিনি আঁতৰাই দিব খুজিলে, মই দুখোজ পিছুৱাই আহিলো।
:মই নাজানো কিয় মই তোমাক লৈ ইমান ব্যস্ত হৈ পৰিছো, কিন্তু অনন্যা, তুমি বুজি পোৱা নাই তুমি এনেকৈ থাকি নিজৰ লগত কিমান বেছি অন্যায় কৰিছা।You are blessed with abundant talent.
সুভাষিণীৰ পৰা মই সকলো গম পাওঁ।এক সপ্তাহত তুমি যিমানখি শিকিছা,কৰিছা ,আজিলৈকে কোনেও কৰিব পৰা নাই।
অনিৰুদ্ধই কৈয়েই আছে,মইহে একো শুনা নাই।
“তই মোৰ গোসাঁনী ছোৱালী, আমাৰ ঘৰৰ মানুহে তোৰ মূল্য নুবুজে, পোহৰ অনিবি দেই মা, মই তোৰ নামত লিখি থৈ যাম এই জানকী কানন,ভালকৈ ৰাখিবি,তইহে পাৰিবি,মই জানো। “
ঠাণ্ডাৰ দিনত ককাৰ ভৰিত মিঠাতেল সানি দিওঁতে ককাইও এনেকৈ কৈছিল মোক।ককাই বুজিছিল মই কিমান বেছি হতাশাত ভুগিছিলো,মন ভাল লগাবলৈ কৈছিল এইবোৰ কথা।মইয়ো জানিছিলো মই যে লখিমী ছোৱালী নহয়।মিঠাতেলৰ বাতিটো আঁতৰাই ককাৰ ভৰিৰ ফালেই শুই পৰিছিলো।নাম গাইছিল তেওঁ,বৰগীত শুনাইছিল।

“পুত্ৰ পৰিবাৰ, সৱহি অসাৰ.... “
মোৰ অস্থিৰ মনটো ক্ষন্তেকৰ বাবে হলেও প্ৰশান্তিৰে ভৰি পৰিছিল।

ককাৰ পাছত জীৱনত প্ৰথমবাৰৰ কাৰণে কোনোবাই মোক প্ৰশংসা কৰিছে।ইয়াৰ উত্তৰ কেনেকৈ দিয়ে সেইটো মই নাজানো।

:Ananya, you really need to open up, please!
কৈ দিওঁ বুলিয়েই কৈ দিব নোৱাৰি, কিছু কথা ৰাখি থওঁ আমি বুকুৰ কোণত, সেইখিনি দুখ আমাৰ, কেৱল আমাৰ।

:Let’s go inside, I am feeling cold here.
হিবাই মোক বিচাৰি বিচাৰি সেইখিনি পালেহি, অলপ অপ্ৰস্তুত হ’লো।অনিৰুদ্ধক একো কোৱাৰ সুযোগ নিদিয়াকৈ গুছি আহিলো।

:তুম পাগল হ’ অনন্যা।
হিবাৰ মতে অনিৰুদ্ধৰ মোৰ প্ৰতি কোনো ইন্টাৰেষ্ট নাই। তেওঁ যি কৰি আছে সেইয়া নিশ্চয় কিবা এটা প্লেন কৰি কৰিছে। নাইবা কিবা প্ৰেংক হ’ব।
কাক বিশ্বাস কৰিম মই?
অনিৰুদ্ধৰ চকুকেইটাই মিছা মাতিব পাৰে জানো?
কিন্তু হিবাই তাৰ পিছত কোৱা কথাখিনি মোৰ মোহভঙ্গ কৰিবৰ বাবে যথেষ্ট আছিল।
মই অফিচৰ পৰা গুচি অহাৰ কিছু সময় পিছতেই টানিয়াক লৈ অনিৰুদ্ধ নিজৰ ৰূমলৈ গৈছিল, আৰু দুয়ো কাপোৰ কানি সলাই ৰেডী হৈ ডিনাৰৰ কাৰণে আহিছে।

:Are you sure Hiba?
:Taniya told me, that they both went to his room to freshen up and get ready for the party and ..

দুয়োজনীয়ে খাবলৈ বহিছিলো যদিও হিবাই খোৱা এৰি মোক জ্ঞান দিবলৈহে ধৰিলে।আমাৰ সিফালৰ টেবুলখনতে অনিৰুদ্ধ, টানিয়া, কৃতিকা আমাৰ টিমৰে প্ৰশান্ত বহিছে।মন কৰিলো কথাৰ মাজতে টানিয়াই অনিৰুদ্ধক কাণে কাণে কিবা এটা কৈ খুব হাঁহিছে।মোৰ ফালে যিদৰে চালে মোৰ বিষয়েই কিবা ব্যংগ কৰিছে যেনহে লাগিল।তেজ এখিনি উজাই আহিলে মূৰলৈকে।হুইস্কী আৰু অনিৰুদ্ধৰ নিচা একেলগে ফাটি গ’ল। সাংঘাতিক খং উঠিছে, আনৰ ওপৰত নহয়, নিজৰ ওপৰত।
খোৱাৰ মাজতে সুৰেশ আহি সৱকে উদ্দেশ্যি কিবা কিবি ক’লে।সকলোকে ভাল কামৰ বাবে প্ৰশংসা কৰিলে।মোৰ মূৰত এতিয়াও হিবাৰ কথাবোৰহে ঘূৰি আছে।

:Ananya,its your first team dinner, how is the feeling?
সকলোৱে মোৰ ফালেই চাই আছে।
:Nice.

:Only one word?
:I mean,yeah, its really nice.
একেটা কথাকে অলপ বহলাই কলো।ইয়াত ভাল লগা আছেই বা কি!
:So you like your team, any complain against anyone?
সুৰেশে ধেমেলীয়া সুৰত কোৱা কথাষাৰ টানিয়াৰ হজম নহল।
:She doesn't like to talk much Suresh, she only talks to selective people, right Ananya?
মোক ইতিকিং কৰি আজিলৈকে কোনো সাৰি যোৱা নাই, কিন্তু আজি অসভ্য আচৰণ কৰিব নোৱাৰোঁ মই।
:I dont have anything against anyone. But I just want to say that working with Subhashini is really very encouraging and fun. I am really gonna miss her.
:Thats true, she is a gem.
সকলোৱে সুভাষিণীৰ বাবে হাত চাপৰি বজালে।মোৰ ফালে চাই "Thank you" বুলি কওঁতে সুভাষিণীৰ চকুকেইটা চলচলীয়া হৈ পৰিল।উঠি গৈ ওচৰতে ৰ'লো।
:But we must thank Anirudh also, he is the best lead.
টানিয়া।
ওপৰতে কথা কোৱাটো এইজনীৰ হবি নেকি?
অনিৰুদ্ধক ইমান তেল কিয় মাৰি থাকে বুজি নাপাওঁ।মন নাথাকিলেও সৱৰে লগত অনিৰুদ্ধৰ বাবেও হাতচাপৰি বজালো।মোলৈ চোৱাত বেলেগ ফালে মুখ ঘূৰালোঁ।
খোৱা শেষ হোৱাৰ পাছত কোন কেনেকৈ যাব সেই লৈ আলোচনা হল।সময় এঘাৰ বাজি গ'ল তেতিয়া।মই আৰু হিবাই কেব লৈ আহিম বুলি কোৱাত সুৰেশে বাধা দিলে।মই ড্ৰিংক কৰা হয়তো তেওঁ দেখিছিলে। গতিকে সিদ্ধান্ত হ'ল অনিৰুদ্ধই হিবা, টানিয়া, মোক আৰু সুভাষিণীক ড্ৰপ কৰিব।
সুৰেশৰ ঘৰ বিপৰীত দিশত, গতিকে তেওঁৰ গাড়ীত কৃতিকা আৰু প্ৰশান্ত যাব।বাকীবিলাকৰ নিজৰ বাইক আছে।
ওলাই আহোঁতেও টানিয়াই অনিৰুদ্ধক অলপ সময়ৰ কাৰণেও এৰি নিদিলে।
আমাক হোটেলৰ সন্মুখতে ৰখাই অনিৰুদ্ধই গাড়ীখন আনিবলৈ গ'ল। গাড়ী খন সেইঠাইত ৰখোৱাৰ লগে লগে টানিয়া খৰধৰকৈ গৈ সন্মুখৰ ছিটটোত বহি ল'লে।এক মিনিটৰ কাৰণেও সুভাষিণীৰ সুবিধা অসুবিধাৰ কথা নাভাবিলে।প্ৰেগনেন্ট মানুহজনীক আগৰ ছিটত বহিবলৈ দিব লাগে বুলি অনিৰুদ্ধৰো খবৰ নহ'ল।
এইবাৰ খংটো ৰখাব নোৱাৰিলোঁ।
চিধা গৈ অনিৰুদ্ধৰ ফালৰ দুৱাৰখনত গৈ ধামকৈ মাৰিলো।
আচৰিত হৈ নামি আহিল।
:if you forgot let me remind you that Subhashini is pregnant, tell your girlfriend to sit in the back or you both just carry on, I will drop her in cab.
বেছিকৈ খং উঠিলে মোৰ এনেকুৱাই হয় ,মুখত যি টি ওলাই যায়। কি কৈছো নাজানো , কিন্তু কৈছো।
:Mind your words Miss.
দৰ্জাখন জোৰত মাৰি আঁতৰি গ'ল অনিৰুদ্ধ।হাতত ধৰি সাৱধানেৰে লৈ আনিছে সুভাষিণীক।সন্মুখৰ দুৱাৰখন

খুলি টানিয়াক নামিবলৈ কৈ সুভাষিণীক বহাই দিলে।
টানিয়া পিছৰ দৰ্জাখন খুলি সোমাল,পিছে পিছে হিবা,অনিৰুদ্ধই ড্ৰাইভিং ছিটত বহি মোলৈ এবাৰো নোচোৱাকৈ গাড়ী ষ্টাৰ্ট কৰিলে।
ইমানেই যদি ইগ’ তেন্তে মোৰ পিছত এনেকৈ লাগি আছিল কিয় !
ময়ো এৰি নিদিওঁ।
বহুদেৰীলৈকে গাড়ীত নবহাত তেওঁ নামি আহিল।
:You know what, show this attitude to someone else, but for now, my team is my responsibilty. So sit in the car .NOW.
সময় প্ৰায় বাৰ বাজিবৰ হ’ল।এতিয়া তৰ্ক কৰি লাভ নাই।মনে মনে গৈ গাড়ীত বহিলো।গোটেই ৰাস্তাটো মই মনে মনেই থাকিলোঁ।অৱশ্যেই ভুল মোৰেই আছিল।ইমান বেয়াকৈ ক’লে সৰৱে খঙ উঠিব।কিন্তু যি হৈ গল তাক মই সলনি কৰিব নোৱাৰিলোঁ।
অনিৰুদ্ধৰ ফালে এবাৰ চালো। খঙত ৰঙা পৰি আছে।সুভাষিণী আৰু টানিয়াৰ কথাবোৰৰ চমু উত্তৰ দি সামৰি থৈছে।নিজে একো কোৱা নাই।মাজত বহি অহা হিবাই কি হ’ল মোক সুধি আছে বাৰে বাৰে।
:First we will drop Subhashini, anyone has any problem with that.
কথাষাৰ মোৰ বাবেই আছিল বুলি বুজি পালো।উত্তৰ হে নিদিলো।টানিয়াই এনেও দিবই উত্তৰ মই জানো।
সুভাষিণীৰ পাছতে টানিয়াৰ ঘৰ পাম।
:Anirudh, lets drop them next and then while coming back you can drop me.
:No, I dont have time.
অনিৰুদ্ধৰ উত্তৰত টানিয়তকৈ বেছি মই হে আচৰিত হলো। সুভাষিণীক নমাই এইবাৰ টানিয়াৰ ৰূমৰ ফালে গাড়ী আগবাঢ়িল।
নামি যাওঁতে টানিয়াই অনিৰুদ্ধক ভালকৈ বাই কৈহে গৈছে।পৰা হ’লে চাগে চুমা এটাকে খাই দিলেহেঁতেনে।টানিয়াৰ ৰূমৰপৰা আমাৰ ৰূমলৈ প্ৰায় পোন্ধৰ মিনিটৰ বাট।ঘড়ীটো চালো, বাৰ বাজি পোন্ধৰ মিনিট।বেংগালুৰুৰ ব্যস্ত ৰাজপথ প্ৰায় জনশূন্য।অনিৰুদ্ধই এবাৰো পিছলৈ নোচোৱাকৈ গাড়ী চলাইছে।হিবা আৰু মই মনে মনে বহি আহিছো।
:Anyone has problem with music?
উত্তৰলৈ বাট নাচাই অনিৰুদ্ধই ব্ৰায়ান এডাম্ছৰ গান এটা জোখতকৈ বেছি ভলিউমত লগালে।

“Look into my eyes
You will see
What you mean to me”

এইটো মোৰো ভাল লগা গান, কিন্তু এতিয়া একেবাৰেই শুনিব মন যোৱা নাই।

পোন্ধৰ মিনিট মোৰ বাবে পোন্ধৰ বছৰ যেন লাগিল।

অনিৰুদ্ধক ছৰী কম নে নকম ভাবি থাকোঁতেই ৰুম পালোহি।নামি লৈ ৰৈ আছোঁ, হিবাই অনিৰুদ্ধক ধন্যবাদ জনাই মোলৈ চাই কিবা এটা ইংগিত দি অলপ আঁতৰি গ'ল।

অনিৰুদ্ধৰ সন্মুখত ৰৈ মইহে বুৰ্বকৰ দৰে মনে মনে আছোঁ।

:You don't have to thank me. Your ego will get hurt, right?

জীৱনত বহুত কিবাকিবি শুনিছো, সহিছো, কিন্তু অনিৰুদ্ধৰ ৰুক্ষ ব্যৱহাৰ মই মানি লব পৰা নাই, সহ্য কৰিব পৰা নাই।দুখ লাগিছে।

:I am sorry, I was mean to you, I am really ...

আৰু একো কব নোৱাৰিলোঁ, কান্দিবও পৰা নাই কিন্তু বুকুখন কিবা এটা খুন্দা মাৰি ধৰিছে।

:Hey ...

অনিৰুদ্ধৰ আগত কিয় এনেকুৱা কৰিছো মই নাজানো, তললৈ চাই চকুপানী খিনি যিমান পাৰোঁ চেপি ৰাখিলো।

:Ananya ..

নাই দেখা মই অনিৰুদ্ধক, একো দেখা নাই, পানীৰে উপচি পৰিছে মোৰ দুচকু।ভয় খাইছো কিজানি বাহিৰত নেদেখালেও মনেৰে বিচৰা সেই আদৰকণ মই আঁকোৱালি লোৱাৰ আগতেই হেৰাই যায়।

অনিৰুদ্ধই যদি মোক কেতিয়াও আমনি নকৰে?

অনিৰুদ্ধ যদি মোৰ বাবে কেতিয়াও চিন্তিত নহয়?

মোলৈ যদি তেওঁৰ দুখ নালাগে?

:Ananaya, you want to say something, should I call you later?

:nope.

:Uff, this girl!

একো নাভাবি অনিৰুদ্ধই আলফুলে মোৰ চুলিত হাত বুলাই দিলে।

আৰু পাৰ ভাঙি ৰৈ আহিল চকুৰ লুণীয়া পানী।

এই হেঁপাহ শিপাইছে, বুকুৰ নেদেখা কোণলৈকে।

বেংগালুৰুত এতিয়া নিয়ৰ সৰিছে।

মূৰটো হাতেৰে খামুচি সজোৰে চিঞঁৰি দিছো মই।

কেনেকৈ ইমান দুৰ্বল হৈ পৰিলো মই।অনিৰুদ্ধৰ অকণমান খং, সামান্য অভিমানত মই গলি গ'লো কেনেকৈ!

ছ'ৰীও কৈছো মই কাৰোবাক, মই???

নাই, মই এনেকৈ কাৰোবাৰ ওচৰত হাৰি যাব নোৱাৰোঁ।

অফিচলৈ গৈ অনিৰুদ্ধক কম মই দুঃখিত নহয়, নাইবা একোৱেই নকওঁ।
কিন্তু অনিৰুদ্ধক দেখিলে ভাবি থকা কথাবোৰ খেলিমেলি হৈ যায়, কিয়??
এইকেইদিন এইবোৰ ভাবিয়েই সময় পাৰ কৰিছো।দীঘলীয়া ছুটী শেষ হৈছে ।আজি আকৌ যাব লাগিব, অনিৰুদ্ধৰ সৈতে মুখামুখি হ'ব লাগিব,টানিয়াৰ সেই বিশেষ চাৱনি সহ্য কৰিব লাগিব।একেবাৰেই ইচ্ছা নাই ,কিন্তু উপায়ো নাই।তাতে আজি মই সুভাষিণীৰ কাৰণে কিবা এটা লৈ যোৱাৰো কথা আছে।হিবাক টানি আজুৰি উঠাই কামত লাগিছো দুয়োজনী।কালিয়ে প্ৰয়োজনীয় বস্তুবোৰ আনি থৈছিলো।এতিয়া youtube চাই চাই বনাবলৈ আৰম্ভ কৰিছো।কি হয় নাজানোঁ, বেয়া হ'লে লাজো পাম।টেষ্ট কৰোঁতে কৰোঁতে আধা আমিয়েই খাই পেলালোঁ।হ'লেও বহুদিনৰ পিছত মই মনেৰে কাৰোবাৰ কাৰণে কিবা এটা কৰিছোঁ।বিশেষ একো নহয়, পায়স বনাইছো দুইজনীয়ে।সুভাষিণীৰ খুব মন গৈছে আনে বনোৱা কিবা এটা খাবলৈ, মোৰ আগত প্ৰায়ে কৈ থাকে।সেইবাবেই এই আয়োজন আজি।সৰু গ্লাছৰ টিফিন বক্সটোত পায়স খিনি ভৰাই ল'লো।কোনেও নেদেখাকৈ মনে মনে দিব পাৰিলেই হয়।

সকলোতকৈ আগতেই অফিচ পালোহি আজি।কোনো অহা নাই বুলি ভাবি মনটো ভাল লাগোতেই পিছফালৰ পৰা অনিৰুদ্ধই মাত দিলে।
:Good Morning Ananya.Come with me, we need to talk.
শেষ।
সেইদিনাৰ কথাই ক'ব চিউৰ।
কিহে পাইছিল মোক সোনকালে আহিবলৈ।লগত অহা হিবাই আয়ুক লগ পাই চাহ খাবলৈ ৰৈয়ে দিলে গ্ৰউণ্ড ফ্লুৰতে।
:Morning, tell me .
:Come.
হাতত মেকবুকটো লৈ অনিৰুদ্ধ আগবাঢ়িল ,পিছে পিছে মই। ডাঙৰ conference ৰূমটোত আগৰে পৰাই সুৰেশ বহি আছো।ডাঙৰ LED টিভি টোত ppt এখন display হৈ আছে।কিয় জানো সুৰেশক দেখি মনটো ভাল লাগিল।অন্ততঃ মই ভাবি থকাৰ দৰে অনিৰুদ্ধই সেইদিনাৰ কথা উলিয়াব নোৱাৰে।অনিৰুদ্ধৰ পিছে পিছে সোমাই গ'লো।
:Good morning Ananya, please take a seat.
সুৰেশৰ মুখ খন অলপ চিন্তিত যেন লাগিল।অনিৰুদ্ধৰ মুখতো হাঁহি নাই আজি।কি হৈছে একো ধৰিব পৰা নাই।
:Ananya, did anyone ask you run any script, did you login after we came back from the party that day?
হঠাৎ সুৰেশৰ প্ৰশ্ন শুনি আচৰিত হৈ গ'লো।
:No Suresh. I didnt login.
এইবাৰ অনিৰুদ্ধ আৰু সুৰেশ দুয়োজনে ইজনে সিজনৰ মুখলৈ চালে, মই তেতিয়াও কি হৈছে একোৱেই বুজা নাই।অনিৰুদ্ধই মেইল এটা খুলি মোক পঢ়িবলৈ দিলে।তাত লিখা আছিল যে মোৰ id ৰপৰা শুক্ৰবাৰৰ দিনা

এটা activity আছে যাৰ ফলত বহুখিনি ডাটা ইতিমধ্যে delete হৈ গৈছে।আৰু সেইটো কথা client ৰ পৰা গৈ higher managememt পাইছেগৈ।

:But it is showing your id.

:Trust Me Suresh, I didnt do anything.

পিছৰ কথাকেইটা কওঁতে মাতটো নোলোৱা হৈ গৈছে।এইয়া কেনেকৈ সম্ভৱ।

মইতো এইকেইদিন অফিচৰ কোনো কামেই কৰা নাই।আৰু এনেকুৱা ডাঙৰ কাম এটা মই সুভাষিণী বা অনিৰুদ্ধক নুসুধাকৈ কেতিয়াও নকৰোঁ।

:Then who the hell has done it??

অনিৰুদ্ধই প্ৰায় চিঞঁৰি উঠাৰ দৰে মোক কলে।চকুৰে মুখে খং স্পষ্ট।কিন্তু ময়ো জানো মই এই কাম কৰা নাই।চাই থাকিলো সেই অনিৰুদ্ধৰ চকুযোৰলৈ।

ৰঙা চকুলৈ ভয় অন্ততঃ মই নকৰোঁ।

:Did you share your id with anyone?

:Yeah.

:with whome?

:Subhashini.

:Have you lost it Ananya???Dont you know that’s confidential?

মই জানি বুজি একো কৰা নাই, সেইদিনা মোৰ কম্পিউটাৰটোত configuration হোৱা নাছিল বাবে মই সুভাষিণীৰ লেপটপত লগিন কৰিছিলো কাম এটাৰ কাৰণে।তেতিয়াই ক’ব লগীয়া হৈছিল।কিন্তু সেইটো যে ইমান ডাঙৰ ভুল হ’ব মই কেতিয়াও ভবাই নাছিলো।

:Now you have to write an email saying it was a mistake and it won’t happen again.

:But I haven’t done it.

:But you have created a mess madam.

অনিৰুদ্ধই কটাক্ষ কৰি কোৱা কথাকেইটাই মোক বুজাই দিলে যে ইয়াত কোনো কাৰো আপোন নহয়।অনিৰুদ্ধই সঁচাকৈ বুজা নাই নে যে এই ভুল মই জানি বুজি কৰা নাই???

:I have to go for another meeting, please work with Anirudh. Sort it Ani, please.

সুৰেশ ওলাই গ’ল।

অনিৰুদ্ধই চকী এখন টানি মোৰ ওচৰত বহিল।

মই চোৱা নাই তেঁওৰফালে, ইমান সহজে ৰং সলোৱা মানুহ মই ভাল নাপাওঁ।মনে মনে ভাবিলো, অনিৰুদ্ধৰ পৰা এতিয়াৰ পৰা নিৰ্দিষ্ট দূৰত্বত থাকিম সদায়, মানুহৰ ওচৰ চাপি মই সদায় এনেদৰেই আঘাত পাইছো। সমস্ত দোষ মূৰ পাতি লৈ মেইল লিখিছো, ছৰী কৈছোঁ, আগলৈ কেতিয়াও নকৰোঁ বুলি কথা দিছো।কিয় জানো এবাৰলৈও মোৰ আজি কান্দিবৰ মন যোৱা নাই।মোৰ লগত কেতিয়াবা কিবা ভাল হ’লেহে চাগে মোৰ চকুপানী ওলাব।এইবোৰ মোৰ লগত হৈয়ে থকা ঘটনা।

আনে কৰা ভুলৰ শাস্তি মূৰ পাতি লওঁতেই জীৱনৰ বাকী দিনকেইটাও যাব যেন পাইছো মই।মেইল টো লিখি এবাৰ নিয়ম মাফিক অনিৰুদ্ধক দেখুৱালো, পঢ়ি চাই দুটা লাইন অলপ সলনি কৰিবলৈ ক'লে,কৰিলো।
এনেতে ৰূমলৈ হুৰমুৰকৈ সুভাষিণী সুমাই আহিল।
ঘটনাটো ইতিমধ্যেই সৰেই গম পাইছে।কিন্ত শুনি আচৰিত হ'লো এই কাম সুভাষিণীয়ে কৰিছে বুলি কোৱাতহে।
আচলতে সুভাষিণীৰ ইচ্ছাকৃত ভুল নাছিল।যিহেতু মই সেইদিনা তেওঁৰ লেপটপত লগিন কৰিছিলো গতিকে মোৰেই id টো চেভ হৈ আছিল।আৰু সুভাষিণীয়ে লৰালৰিকৈ স্ক্ৰীপ্ট এটা চলাবলৈ যাওঁতে সকলো খেলিমেলি হৈ গ'ল।
:I am really sorry Ananya.You dont need to reply to that email, I will take all the blame.
:No, Ananya send that email.
অনিৰুদ্ধৰ কথা শুনি আচৰিত হলো, মই ভুল কৰা নাই বুলি জানিও মোক কিয় মেইল কৰিবলৈ কৈছে। এই মানুহবোৰ ইমান জটিল কিয়।অনিৰুদ্ধই সুভাষিণীক নিজৰ ঠাইলৈ পঠিয়াই দিছে।মই তেতিয়াও শিলৰ দৰে ৰৈয়ে থাকিলোঁ।
:What??Send it.
অনিৰুদ্ধ ইমান কঠোৰ হ'ব পাৰিছে কেনেকৈ???
মেইলটা পঠিয়াই দিলো।
খং, দুখ কি লাগিছে নাজানো।কিন্ত মই সুস্থ হৈ থকা নাই।বিৰাট খং উঠিছে মোৰ।নিজৰ ওপৰত,অনিৰুদ্ধৰ ওপৰত, সুভাষিণীৰ ওপৰত।
:Sent.
:Listen Ananya ...
নুশুনিলো, গুচি আহিলো,অনিৰুদ্ধৰ প্ৰতি যি সামান্য সন্মান আছিল সেইয়াও আজি নাইকিয়া হৈ গ'ল।লেপটপটো নিজৰ ঠাইত থৈ ওলাই আহিলো।
Smoking zone টোৰ পৰা অলপ আঁতৰত চিগাৰেট এটা জ্বলাই গোটেই কথাবোৰ মনতে আকৌ এবাৰ জুকিয়াই চালো।
নাই কোনোফালৰ পৰাই মই ভুল নহয়।
আৰু কোনো ফালৰ পৰাই অনিৰুদ্ধ শুদ্ধ নহয়।
চিগাৰেটৰ শেষৰ অংশটোৰে ছালখনত পুৰি নিলতহে ঘূৰি আহিলো বৰ্তমানলৈ।
উঠি আহিলো, দূৰৰ পৰাই অনিৰুদ্ধ আৰু টানিয়াক হাতত কফিৰ কাপ লৈ সেইফালেই অহা দেখিলো।
ৱাহ, কি টাইমিং।
কাষেৰেই পাৰ হৈ আহিলো, এবাৰো নোচোৱাকৈ, অনিৰুদ্ধৰ প্ৰতি আৰু কোনো মোহ নাই মোৰ, খং আছে, বহুত বেছি খং।

কিন্তু মোৰ লগত যিয়েই নহওক, সুভাষিণীৰ মনটো বেয়া হোৱাটো মই বিচৰা নাই।বেগৰপৰা টিফিনটো লৈ সুভাষিণীৰ ওচৰলৈ গ'লো।ইতিমধ্যে টিমৰ সকলো আহিছে।মই সেইখিনি গৈ পোৱাৰ লগে লগে কৃতিকা, প্ৰশান্ত, সুভাষিণী সবেই বুজাবলৈ আৰম্ভ কৰি দিলে।মোৰ একো শুনাৰ ইচ্ছা নাই যদিও উপায় নাই।সৱৰে কথা শেষ হ'লত সুভাষিণীক টিফিন টো আগবঢ়াই দিলো।

আচৰিত হৈ মোৰ ফালে চালে।

:মেৰে লিয়ে??

: হাঁ।

একো কোৱা নাই, চকুপানী দুটোপালহে বিৰিঙিছে।পায়সখিনিৰ ফটো এখন মাৰি তেওঁৰ স্বামী লৈ পঠিয়াইছে। মোক দুবাৰ মান সাৱটি ধৰিলে।এশবাৰ মান আজিৰ ঘটনাৰ কাৰণে মাফ খুজিলে।

:What's going on here.

অনিৰুদ্ধৰ গহীন মাত শুনি সৱ মনে মনে থাকিল।মই একে ঠাইতে বহি থাকিলো, ঘূৰিও নাচালো।

:See, what Ananya got for me.

সুভাষিণীয়ে সৰু ছোৱালী এজনীৰ দৰে অনিৰুদ্ধক পায়স খিনি দেখুৱালে ।লগতে মাত্ৰ খাবলৈ মন গৈছে বুলি কোৱাৰ বাবেই যে মই নিজে বনাই নিছোঁ সেইয়াও ক'লে।অনিৰুদ্ধই কোনো উত্তৰ নিদিয়াকৈ শুনি থাকিল।সুভাষিণীয়ে কোৱাত এচামুছ খাইও চালে।

:Its really good, Thank you.

মই তেতিয়াও ঘূৰি চোৱা নাই।

অনিৰুদ্ধৰ চকুত মায়া আছে,আৰু সেই মায়া যে স্বাৰ্থপৰ আৰু মিছাৰ এক অদ্ভুত মায়া, সেইয়া মই আজি বুজি উঠিছোঁ।

সকলো নিজৰ নিজৰ কামত লাগিল। গোটেই দিনটোত মই এবাৰো অনিৰুদ্ধৰ মুখামুখি নহ'লো।

সন্ধিয়াৰ মিটিং খনত আকৌ মোৰ কথা ওলাল। কিন্তু এইবাৰ আচৰিত ধৰণেৰে অনিৰুদ্ধই মোৰ হৈ মাত মাতিলে। ক্লায়েন্টক নিজেই কথা দিলে যে ডিলিট হোৱা সমস্ত ডাটা তেওঁ restore কৰি দিব। মাত্ৰ দুদিনৰ সময় বিচাৰিলে। আনকি মোক অলপ টানকৈ কোৱাৰ বাবে আমাৰ অনচাইট মেনেজাৰ ফাৰ্ণান্ড'ক দ্বিতীয় বাৰ তেনেকৈ নক'বলৈ সকীয়াই দিলে। এঘন্টাৰ সলনি প্ৰায় দুঘন্টা চলিল আজিৰ মিটিং। অৱশেষত সিদ্ধান্ত হ'ল দুদিনৰ ভিতৰত অনিৰুদ্ধই সকলো ঠিক কৰিব লাগিব।

অনিৰুদ্ধৰ কথাৰ ওপৰত কোনেও মাত নামাতিলে।

মিটিং শেষ কৰি সকলো ঘৰলৈ যাবলৈ ওলাল। মোৰো ন বজাৰ কেব।

বেগটো সামৰি থাকোঁতেই অনিৰুদ্ধ মোৰ

ওচৰলৈ আহিল।

:একো সুধিবলগীয়া নাই??

:Nope.

:But I do have a lot to tell. Ananya!!!!

অনিৰুদ্ধৰ ক'বলগীয়াখিনি মোৰ শুনিবৰ ইচ্ছা নাছিল, একেবাৰেই নাছিল।
কিন্তু হিবাৰ সন্মুখত মই তেওঁক অপমান কৰিবও বিচৰা নাই।
আৰু সকলোৰে অধিকাৰ থাকে, নিজৰ খিনি কোৱাৰ, নিজৰ পক্ষ ৰখাৰ, মোৰো আছিল, যিটো মোক দিয়া নহ'ল কোনোদিন। মই কেৱল শুনিছিলোঁ,মানিছিলোঁ আৰু কেতিয়াবা খঙত উফৰাই পঠিয়াইছিলোঁ।
কিন্তু ক'ব নোৱাৰিলোঁ কোনোদিন, ক'বই নোৱাৰিলোঁ কেতিয়াও।

হিবাক আগবাঢ়িবলৈ কৈ মই অনিৰুদ্ধৰ ডেস্কৰ ওচৰতে ৰৈ থাকিলো।সেইসময়ত ওচৰৰ কিউবিকেল কেইটা একেবাৰে খালি।কৰ'বাত এজন দুজন বেছেলৰ বহি অফিচৰ নেটৱৰ্কত চিনেমা ডাউনলোড কৰি আছে।অনিৰুদ্ধৰ সৈতে এইটো মূৰত অকলে কিবা এটা সহজ হ'ব পৰা নাই মই।
:Tell me.
থিয় হৈ থাকিয়েই সুধিলো।
একো নক'লে।
মোৰ কাৰণে নিজেই চকী এখন টানি আনিলে তেওঁ।বহিলো।লেপটপ টো খুলিবলৈ কোৱাত অন কৰিলোঁ।
:কাম কৰি লওঁ আগতে, তাৰ পাছত কথা পাতিম, হ'ব?
কি??????
এই ৰাতিখন আকৌ কাম আৰম্ভ কৰিম??
পাগল হোৱা নাইতো???
অনিৰুদ্ধই যেন গমেই নাপায় সময় কিমান হৈছে,মাত্ৰ এইটো কৰা সেইটো কৰা কৈ গৈ আছে আৰু মই কৰি গৈ আছোঁ।মাজতে নিজে গৈ দুকাপ চাহ আনিলে,মই কফি খাই বেয়া পাওঁ বুলি ভালকৈ জানে আজিকালি।
:অসমৰ মানুহে অকল চাহ খায়?
:পানীও খায় কেতিয়াবা।
খং এটা এনেও উঠিয়েই আছিলে, আৰু বেয়াকৈ ক'বলৈ মন আছিল,কিন্তু নক'লো।
অনিৰুদ্ধই কথা বঢ়াবলৈ কিবাকিবি কৈ থাকিল,উত্তৰ হে নিদিলো।ইচ্ছাই নাছিল।ঘড়ীটোলৈ চালো,১০টা বাজি গ'ল।কাম তেতিয়াও শেষ হোৱা নাই।
: Ananya,how is your kid?
কি পেডত খটখটকৈ চলি থকা হাতখন ৰৈ গ'ল মোৰ।অনাকাংক্ষিত পৰশ্নটোৰ উত্তৰ যে মই নিদিওঁ বা মই দিব নোৱাৰোঁ সেইয়া অনিৰুদ্ধই ভালকৈয়ে জানে।
আচলতে অনিৰুদ্ধই আঘাত কৰিব জানে, মোৰ ভিতৰখন জোকাৰি দিব জানে।
অনিৰুদ্ধ মোৰ বাবে ভয়ংকৰ, বিপদজনক।
:I dont know.
হাতৰ নখ এটা কামুৰি কামুৰি উত্তৰ দিলোঁ।মই যেতিয়াই বেছি নাৰ্ভাছ হওঁ,এনেকৈ নখ বোৰ কামুৰি থাকোঁ।মোৰ সৰু সৰু নখ কেইটা কেতিয়াও বাঢ়িবলৈ নাপায়েই।

মই যে আকৌ অস্থিৰ হৈ পৰিছোঁ, তেওঁ বুজিছে, হয়তো মনত খুব আনন্দ পাইছে।
:Ananya, hey, look at me ...
হঠাৎ অনিৰুদ্ধ মোৰ ইমান ওচৰ চাপি আহিল যে মোৰ উশাহ লোৱাও কঠিন হৈ পৰিল।
ফৰাচী পাৰ্ফিউমৰ চিনাকি সুবাস আকৌ এবাৰ উশাহত অনুভৱ কৰিলো, অনিৰুদ্ধৰ চকুৰ দীঘল দীঘল পলক, আৰু বৈ পৰা চেলাউৰী ডাল ইমান ওচৰৰ পৰা প্ৰথম দেখিলোঁ।ঘন চুলি কোচা আৰু পাতলীয়া ডাড়িৰে এজন সুদৰ্শন পুৰুষ অনিৰুদ্ধ।সেইবাবে চাগে তেওঁৰ মোৰ প্ৰতি অহেতুক আত্মীয়তা,দায়বদ্ধতা ,মোৰ কিবা এটা হজম হোৱা নাই।নিজৰ দুখলগা অৱস্থাটো মই ভালকৈয়ে দেখিছো।
:I have a tough life Anirudh, better you stay away from it. আৰু মই মোৰ জীৱনৰ ভাল বেয়া গোটেইবোৰ সামৰি ঠিকেই চলি আছোঁ, হঠাতে আপুনি আহি খেলিমেলি কৰি নিদিব।মই বহুত কষ্ট কৰি আজিৰ অৱস্থা পাইছোহি।অলপ সময় জীয়াই থাকিবলৈ পালে সুখী হম।Hope you understand!!
নিজৰ দুৰ্বলতা মই কেতিয়াও অনিৰুদ্ধক দেখুৱাব নোৱাৰোঁ।তেওঁৰ চেহেৰাত মই ভুল নাযাওঁ।
কিন্তু মোৰ প্ৰতি অকণমান মৰম দেখুওৱা,আদৰ কৰা মানুহৰ অভাৱ।অনিৰুদ্ধৰ মোৰ প্ৰতি কেয়াৰ, Concern জোখতকৈ অলপ বেছি।
গতিকে মই যে কোনোবাদিনা ভুল কৰি পেলাম সেইয়া মই জানো।
মোৰ ফালে কিছু সময় থৰ লাগি চাই থাকি অনিৰুদ্ধ নিজৰ ঠাইৰ পৰা উঠিল।
:Lets go.
চাৰে দহ বাজিছে তেতিয়া।
একো প্ৰশ্ন নকৰাকৈ মই ওলাই আহিলো।এই সময়ত মই অকলে থাকিব বিচাৰোঁ।অনিৰুদ্ধই একো কোৱা নাই।খং উঠিলে মুখ খন অলপ ৰঙা হৈ যায় তেওঁৰ, আৰু চকুকেইটা জপাই মাজে মাজে দীঘল দীঘল উশাহ লয়।
কথা নকয়।
লিফ্টত সোমাৱাৰ পাছতো একেই নিৰৱতা।
অনিৰুদ্ধ দিনে দিনে মোৰ কাৰণে এটি সাঁথৰ হৈ গৈ আছে।আৰু এই সাঁথৰ ভাঙি চাবলৈ ইচ্ছা মোৰ নাই।

অনিৰুদ্ধৰ গাড়ী চলিল, মই আজি পিছৰ ছিটত।নিজৰ ইচ্ছাতে বহিছোঁ।অনিৰুদ্ধই একো নক'লে।কিন্তু মোক আচৰিত কৰি গাড়ীখন মোৰ ৰূমৰ ফালে নগৈ বিপৰীত দিশত আগবাঢ়িল।
:আমি ক'লৈ গৈছো?
:To break your cage.
:Excuse me?
:Can't.
:Damn!
:Dont worry, I am not cheap like you think.
একো কোৱা নাই।অনিৰুদ্ধই মোক বিপদত পেলাব নোৱাৰে।অফিচৰ পৰা ঘৰ safely নোপোৱালৈকে emergency number ত যোগাযোগ কৰিব পাৰি।কিবা খেলিমেলি দেখিলেই ফোন কৰি দিম।

আন দিনাতকৈ বেছি জোৰত গাড়ী চলালে অনিৰুদ্ধই।গাড়ী এইবাৰ অলপ ভিৰ জেগাৰ পৰা আঁতৰি বেলেগ ৰাস্তা ল'লে।এখন ডাঙৰ ফ্লাইঅভাৰৰ তলেৰে গৈছে।অলপ দূৰ গৈ অনিৰুদ্ধই গাড়ী ৰখালে।মোৰ ফালৰ দৰ্জা খন খুলি ৰৈ থাকিল।নিজেই নামি আহিলোঁ।

লেতেৰা জাবৰৰ দ'ম এটাৰ পৰা অহা অকতা গোন্ধ এটা নাকত লাগিল।উশাহ ল'ব নোৱাৰা উৎকট দুৰ্গন্ধ।অলপ দূৰে দূৰে থকা ষ্ট্ৰীট লাইট কেইটাৰ পোহৰবোৰো ভালকৈ নপৰে ঠাইখনত।

:Come. I will show you what is called a tough life.

অনিৰুদ্ধক একো ক'ব নোৱাৰিলোঁ মই।তেওঁক অনুসৰণ কৰি কেইখোজ মান গৈ যি দৃশ্য দেখিলোঁ, সেই দৃশ্যই মোৰ অন্তৰাত্মা জোকাৰি গ'ল।

সেই গেলা জাবৰৰ দ'মটোৰ পিছফালে এডোখৰ ঠাইত প্ৰায় দহগৰাকী মান কিন্নৰ।তাত কিয় তেনেকৈ ৰৈ আছে বুজিবলৈ দেৰি নালাগিল।মুখত উগ্ৰ প্ৰসাধন আৰু অদ্ভুত বেশ ভূষাৰে গ্ৰাহকৰ বাবে বাট চাই ৰৈ আছে।তাৰে এগৰাকীয়ে জাবৰৰ দ'ম টোৰ পৰা কিবা এটা বুটলি খাইছে।

বমি বমি ভাৱ এটা উজাই আহিল।

অলপ আঁতৰৰ পৰা চাই আছোঁ।

এনেতে দুজন মানুহ বাইকত আহিল। আৰু আহিয়েই তেওঁলোকৰে দুগৰাকীমানক সোধ পোছ নকৰাকৈ মাৰিবলৈ ধৰিলে।বাকীবোৰে হাত যোৰ কৰি কিবা কিবি কৈছে।একো বুজি নাপালোঁ।কঁকালৰ খুঁচনীৰ পৰা পইচা উলিয়াই দিছে।যি দিব পৰা নাই তাক মাৰিছে।গোৰ মাৰি দিছে,মুখ খন জাবৰৰ মাজত হেঁচি ধৰিছে।এগৰাকীয়ে মুঠি খুলি নিদিয়াৰ বাবে চুৰীৰে ৰেপি পইচা উলিয়াই লৈছে।

ৰৈ থকা ঠাইতে থৰ থৰ কৈ কঁপি আছোঁ মই।অনিৰুদ্ধই মোলৈ চাই হুমুনিয়াহ কাঢ়িছে।

:মই যেতিয়া প্ৰথম বাৰ এই দৃশ্য দেখিছিলোঁ, বহু দিনলৈ খাব শুব পৰা নাছিলোঁ।পুলিচৰ লগতো কথা পাতিলো, একো লাভ নাই।এইবোৰ দালাল।ইহঁতৰ লগত কোনেও লাগি নলয়।মানুহ মাৰি পেলাব পাৰে ইহঁতে।আৰু মই ইমান সাহসী নহয় অনন্যা। মই জীয়াই থাকিব বিচৰা সাধাৰণ মানুহ।

সেইকাৰণে কেতিয়াবা আহোঁ, পইচা দিওঁ, কিবা এটা খাবলৈ দিওঁ।সিমানেই।কিন্তু আচৰিত কি জানা, নিজে নৰকত থাকিও ইহঁতে মোক স্বৰ্গ সুখৰ আশীৰ্বাদ দিয়ে।হাঁহি হাঁহি মোৰ মূৰত হাত থয়, মই দিয়া এশ টকাটো লৈ লাখ টকীয়া হাঁহি এটা উপহাৰ দিয়ে।

I truly admire them.

এই মানুহবোৰ অমৰ।কোনেও মাৰিব নোৱাৰে ইহঁতক।জীয়াই থকাৰ দুৰ্বাৰ হেঁপাহ থাকে ইহঁতৰ।

এতিয়া মোক কোৱা, প্ৰতিদিনে এনেকৈ থাকিও হাঁহিব পাৰে মানুহে,আনক সুখী হোৱাৰ আশীৱাদ দিব পাৰে,তুমি কিয় নোৱাৰা????

অনিৰুদ্ধই মোৰ চকুত চকু থৈ সুধিলে।

নিজৰ মাজতেই সোমাই থকা মই আনৰ দুখ দেখিয়েই নাই পোৱা নেকি বাৰু সচাঁকৈ!

নাই, নহয়, অনিৰুদ্ধই ভুল বুজিছে মোক।

:অনিৰুদ্ধ....

:হম..

:কিবা এটা দি আহিব পাৰিম নে?
বেগৰ পৰা পইচাকেইটা লৈ আগবাঢ়িলো।
ইতিমধ্যে সেই মানুহ দুটা গুচি গৈছিল।অনিৰুদ্ধক দেখা পাই দুগৰাকীমান কিন্নৰ দৌৰি আহিল।
ঠিক যেন মৃত্যু মুখৰ পৰা উভতি অহা মানুহে ইশ্বৰ দেখা পাইছে।
পইচা কেইটা লৈ এগৰাকী দৌৰিছে ওচৰৰ হোটেলখনলৈ।
ভোকে মানুহক কি কি নকৰায় এই পৃথিৱীত!
অনিৰুদ্ধৰ লগতে মোকো আশীৰ্বাদ দিলে আজি।মই আচৰিত হ'লো,
মৰি মৰি জীয়াই থকা মানুহেও ইমান হাঁহিব পাৰেনে?
আন্ধাৰ ভৱিষ্যত, নিসংগ জীৱনেও মানুহক হৰুৱাব নোৱাৰেনে?
এই লেতেৰা বোৰ মনলৈ সোমাই যাবলৈ দিয়া নাই এওঁলোকে।
মোৰ মূৰত থকা হাতখনত চুৰীৰ দাগ, মৰা তেজ, কিন্তু মৰমৰ স্পৰ্শ একেই আছে।
আশীৰ্বাদৰ ৰং আজি বগা, ঠিক এওঁৰ খোপাত থকা গজৰাডালৰ দৰেই।
হাতখনৰ ঘাঁ ডোখৰ চুই চালো, কেঁচা।
:মেৰী উমৰ ভী তুঝে লগ জায়ে বেটি, তু কভী উদাস না হ', য়ে ইন্সান ফৰিষ্টা হে'। তু ইনকে সাথ খুচ ৰহেগী।
অনিৰুদ্ধৰ ফালে চালো, হয় জানো তেওঁ 'ফৰিষ্টা'? এই সময়ত চোন মোৰো তেনেকুৱাই লাগিছে।
বিদায় ললোঁ,এখন নতুন পৃথিৱীৰ স'তে চিনাকি আজি। অনিৰুদ্ধৰ নিচিনাকৈ ময়ো আহিম কেতিয়াবা, কিবা এটা কৰিম।
আজি মোৰ দুখৰ বোজাটো এওঁলোকৰ হাঁহিৰ ওচৰত সৰু হৈ পৰিল।

অনিৰুদ্ধই নোকোৱাকৈয়ে সন্মুখৰ ছিটত বহিলো।ড্ৰাইভিং ছিটত বহি অনিৰুদ্ধই গাড়ী ষ্টাৰ্ট দিলে।আকাশৰ জোনটোলৈ চালো।ক'লা ডাৱৰ এখিনিয়ে বাৰে বাৰে ঢাকি দিছে, কিন্তু প্ৰতিবাৰেই সুৰুঙা বিচাৰি ওলাই আহিছে আৰু বেছি উজ্জ্বল হৈ।
মইও জীয়াই থাকিবলৈ শিকিম, কেৱল নিজৰ দুখ, নিজৰ কষ্টক লৈ নহয়, আশে পাশে থকা মানুহবোৰৰ বাবেও মই জীয়াই থাকিম।
:আকৌ কেতিয়া আহিম?
:তুমি যেতিয়া কোৱা।
এইবাৰ খোৱা বস্তু আনিম নে কাপোৰ, কি খাই বা ভাল পায় সুধিবলৈকে নহ'ল।
:Music?
অনিৰুদ্ধই সুধি সুধি সকলো কাম কিয় কৰে?
:মই গান এটা লগাব পাৰিম নেকি?I mean if you dont mind.
আজি মই গান শুনিম। আশীৰ্বাদৰ ৰং লাগিছে মোৰ শিল হোৱা কলিজাত।
:Omg,why not.
ব্লুটুথ অন কৰি মোৰ মোবাইলত বহুদিনৰ মূৰত এটি ভাল লগা গান বজালো।

আকাশ কেন ডাকে...
মন ছুটি যায়...

এ.চি বন্ধ কৰি গ্লাছ নমাই মই বাহিৰলৈ চাই আহিছো।
মোৰ সমানে সমানে জোনবাইটো আহি আছে।
থুপুৰ মুখখনৰ নিচিনা গোল, কোমল।
ককাৰ কপালৰ চন্দনৰ ফোট টোৰ দৰে বগা,পৱিত্ৰ।

জোনটোৰ সৈতে আহি থাকোঁতে অনিৰুদ্ধক যেন পাহৰিয়েই পেলাইছো।
:Are you hungry Ananya?
:Nope
আজি যেন ভোক পিয়াহ সকলো পাহৰি পেলাইছোঁ।এতিয়াও মনত ভাঁহি আছে মোক আশীৰ্বাদ দিয়া চন্দ্ৰা দিদিৰ হাত খনলৈ।নামটো তেওঁ নিজেই কৈছিল মোক।অনিৰুদ্ধৰ ফালে ঘূৰি চালো।মানুহজন বাৰু ভাল নেকি?
ককা,আয়ু আৰু থুপুৰ বাহিৰে আৰু ভাল মানুহ আছে নেকি এই পৃথিৱীত!!
এই মানুহজনকচোন মই লাহে লাহে বিশ্বাস কৰিবলৈ লৈছোঁ।
ভাল লগা, ভাল পোৱা এইবোৰ মানুহে এনেই ভাৱে ইমানকৈ।
পৃথিৱীৰ আটাইতকৈ গভীৰ সম্বন্ধ প্ৰেমৰ নহয়, বিশ্বাসৰ।
অনিৰুদ্ধৰ প্ৰতি মোৰ বিশ্বাস বাঢ়িছে, এইয়া জানো ভালপোৱাৰ বাবে কাটি লোৱা আলিবাট নহয়??
উফ্।
কি হৈছে মোৰ।
কথাবোৰ ভাবি ভাবি ৰূমৰ ওচৰ পালেহি।সময় তেতিয়া চাৰে এঘাৰ বাজিছে।আমাৰ ৰূমলৈ সোমাই যোৱা গলিটোৰ মুখতে সেইটো আয়ু, কাষত হিবা।আচৰিত হোৱা নাই।আজিকালি প্ৰায়ে দুয়োটা ফোনত কথা পাতি থাকে।প্ৰেম নে কি নাজানোঁ।আয়ুৰ এনেও বেছিদিন কাৰো লগত নিটিকে।

গাড়ীখন কাষলৈ চপাই ৰখাই দিলে অনিৰুদ্ধই।
বেগটো লৈ নামি আহিলোঁ।
গাড়ীৰ পৰা অনিৰুদ্ধও নামি আহিল, আৰু আমাক একেলগে দেখি আয়ু আৰু হিবা আগবাঢ়ি আহিল।
:ক'ত আছিলি তই ইমান দেৰি?

আয়ুৰ কথাৰ সুৰটো অলপো ভাল নালাগিলে মোৰ।
মোৰ ওপৰত অধিকাৰ দেখুৱাই কথা ক'লে বেয়া পাওঁ মই। সেইয়া লাগে যিয়েই নহওক।

অনিৰুদ্ধও অপ্ৰস্তুত হোৱা যেন লাগিল। মোক ফ্ৰেছ হৈ ফোন এটা কৰিবলৈ কৈ তেওঁ গুচি গ'ল।
:তোৰ মাথাটো আছে নে নাই হাঁ। ইমান ৰাতি সেইটোৰ লগত যে ঘূৰি আছিলি ,কি বিশ্বাসত ?আৰু সেইটোৰ কি এজনীৰে মন ভৰা নাই নিকি?যেতিয়াই তেতিয়াই চোন টানিয়াৰ লগতে ঘূৰি ফুৰে।এতিয়া নতুনকৈ তোৰ পিছত লাগিছে।বেছি ফাল্টু কৰিলে মাথা ফালি দিম মই।
:চুপ, একদম চুপ।মোক কোনেও ফুচুলাই নিয়া নাই মই নিজেই গৈছিলোঁ।আৰু মই কি কৰি আছো মই জানো আয়ু, তই বেছি লেকচাৰ দিব নালাগে।যা এতিয়া ইয়াৰ পৰা।মূৰ বিষাইছে মোৰ।
হিবাই একো বুজি পোৱা নাই যদিও আমি যে কাজিয়া লাগিছো সেইটো গম পাইছে।আয়ুক যাবলৈ কোৱাৰ লগে লগে সি দপদপাই গুচি গল।
ময়ো হিবাক হাতত ধৰি ৰুমলৈ লৈ আনিলোঁ।

:তুম ঠিক হ' না অনন্যা।
:হাঁ,তুমহে কুছ বতানা হে।
হিবাক সকলো খিনি কলো।কথাবোৰ শুনি থাকোঁতে তাইৰ চকুপানী সৰিছে, ছোৱালীজনী বৰ কোমল মনৰ।মোৰ কাৰণে তাই ৰাতিৰ আহাৰ আনি থৈছে।মই হাত ভৰি ধুই আহোঁ মানে গৰম কৰিও আনিলে। খাওঁতেও তাই কি কি দেখিলো,অনিৰুদ্ধৰ লগত কাজিয়া কৰিলো নেকি সেইবোৰেই সুধি থাকিল।

খোৱা শেষ কৰোঁতেই অনিৰুদ্ধই ফোন কৰিলে।আজি প্ৰথম বাৰৰ কাৰণে কৰিছে,উঠাম নে নুঠাম ভাবি থাকোঁতে মিছ্দ কল হৈ গ'ল।
পিছৰবাৰত উঠালো।
:Hello.
:Hi, so lets finish the work now.Come in skype.
:now?
:Yes mam, now.
এইডালৰ পৰা মানে শান্তি নাই।যি অকণ ভাল ভাৱ আহিছিল হাৰা হৈ উৰি গ'ল।
বিচনাৰ পৰা উঠি আহি আকৌ লেপটপ অন কৰিলোঁ।হিবাই আচৰিত হৈ বিচনাৰ পৰা মূৰ তুলি চালে।তাই শুবলৈ লৈছে,গতিকে লাইট অন নকৰাকৈয়ে কাম কৰিব লাগিব।টেবুল লাইটটোকে অন কৰি ললোঁ।
অনিৰুদ্ধই skype ত কল কৰিছে।ভিডিও অন নকৰোঁ আমি। অকল অডিও সংযোগ কৰিলো।
এইখন মিটিং কিমান দেৰি চলিব ঠিক নাই।
:Share your screen and just follow the steps I am going to tell.
:okay.
কৰি গৈ আছো।

মাজে মাজে টোপনিয়ে হেঁচা মাৰি ধৰিছে।বটলটো খুলি পানী অকণ চকুকেইটাত সানি লৈছো।ইটো সিটো কাম উলিয়াইয়ে আছে অনিৰুদ্ধই।সময় চালো।ৰাতি আঢ়ৈ বাজি গৈছে।এতিয়াও কাম বাকী আছেই অলপ।

:Are you sleepy?

:Of course.

:Really?I was expecting a ‘nope’,the signature one.

উত্তৰ নিদিলোঁ।অনিৰুদ্ধই কম ভলিউমত লাকি আলিৰ গান লগাই থৈছে।ইমান ৰাতিও কোনোবাই গান শুনেনে?টোপনি আৰু বেছিকৈহে বাঢ়িছে গান শুনি শুনি।

:মোৰ বহুত ভাগৰ লাগিছে, আমি কাইলৈ কৰিব পাৰিম নেকি?

:মই কাইলৈৰ পৰা দুসপ্তাহ অফিচত নাথাকিম।সেইকাৰণে ইমান দেৰি লৈকে তোমাক কামত লগাই আছোঁ।কামটো ময়ো কৰিব পাৰিলোঁ হেঁতেন, কিন্তু তুমিতো শিকিব লাগিব।পিছত কেতিয়াবা দৰকাৰ হলে নিজে কৰিব পাৰিব লাগিব।

অনিৰুদ্ধ দুই সপ্তাহ নাথাকিব, কিন্তু কিয়?

সুধি চাওঁ?

নাই, বেছি হৈ যাব।

:Hey, you wont ask me anything?

:Nope.

অনিৰুদ্ধই নিজেওতো ক’ব পাৰে।আৰু দুসপ্তাহ মানে কৃতিকাৰ বিয়ালৈকে নাথাকে।আমি সবেই বিয়ালৈ যোৱাৰ কথা।তাৰমানে অনিৰুদ্ধ নাযায়।

ভালেই হ’ব, মই মুকলি মনেৰে যাব পাৰিম।

কাম শেষ হওঁতে হওঁতে চাৰিটা বাজিল।

অনিৰুদ্ধই এবাৰ verify কৰিলে।

:Okay, send an email with all the steps we followed, and tell them its done.

:okay, good night.

মনটো ভাল লাগি গ’ল।

:I cant sleep now, have my flight in another 3 hours. Will book a cab now and directly go to Airport.

ইমান কষ্ট কেনেকৈ কৰিব পাৰে?দিনৰ দিনটো অফিচৰ কাম, তাৰ পাছত মোৰ লগত এতিয়া ইমান দেৰিলৈকে কাম কৰি আকৌ এতিয়া যাব এয়াৰপোৰ্ট।কিয় জানো অনিৰুদ্ধলৈ কিবা এটা বেয়া লাগিল।মোৰ কাৰণেইটো এতিয়ালৈকে কাম কৰি আছিল।

:মোৰ কাৰণেই আপোনাৰ কষ্ট হ’ল।ইমান দেৰি লৈকে কাম কৰিব লগা হ’ল।Sorry.

:Are you really feeling sorry?

:Yeah.

:Then do me a favour please.

:Yeah Sure.
:When I am not in office, make sure nobody put pressure on Subhashini, if any such thing happens, you please message me or call me.

মই জানো অনিৰুদ্ধই বিচাৰে তেওঁৰ টিমৰ সকলো ভালে থাকক।ভালকৈ কাম কৰক।কিন্তু সুভাষিণীক লৈ তেওঁৰ চিন্তা দেখি আজি আৰু বেছি সন্মান উপজিল।
:Sure.Bye.
:Bye Ananya, Sleep now.
বেছি গা বেয়া লাগিলে অনিৰুদ্ধই কাইলৈ চুটি লবলৈয়ো ক'লে।নিজে ইমান কষ্টৰ মাজতো মোৰ কথা ভবাৰ বাবে মোৰ কিবা এটা ভাল লাগিল।
Skype কলটো কাটি দিবৰ সময়ত হে ভুলতে মোৰ video অন হৈ গল।
কাটি দিবলৈ লওঁতেই অনিৰুদ্ধৰ মাত...
:Please don’t disconnect.

অনিৰুদ্ধই মোক এনেকৈ দেখাটো মই বিচৰা নাছিলো।বিশেষকৈ এই গোটেই পাণ্ডা অঁকা পিংক কালৰৰ নাইট চুইট আৰু এইডাল hair band ত।এইযোৰ মোক হিবাই পছন্দ কৰি দিয়া।সৰ ক'লা ক'লা তাই ভাল নাপায়।সেইকাৰণে এইযোৰ আনিছিলো।
কিন্তু অনিৰুদ্ধই দেখিলতহে বেছি লাজ পালোঁ মই।
:Now I can travel peacefully, bye.
:Bye, safe journey.
:Oh, Thank you.
:Anirudh..
:Hmm
:Thank you for today.
উত্তৰ নাই দিয়া তেওঁ।
কিছু সময়ৰ কাৰণে যেন সময় খিনি ৰৈ গৈছে।অনিৰুদ্ধই নিজৰ ভিডিও অন কৰিছে।
যাবলৈ ৰেডি হৈ আছিল চাগে, এইমাত্ৰ গা ধুই অহাৰ নিচিনা লাগিল, চুলি খিনি খেলি মেলি,ভিজি থকা, বটল গ্ৰীণ চাৰ্ট টোৰ ওপৰৰ দুটা বুটাম খোলা।
চকু কেইটা অকণমান ৰঙা, ভাগৰ সুস্পষ্ট।
পিছফালৰ মিউজিক চিষ্টেমটোত তেতিয়াও বাজি আছে ..
“কভী এইচা লগতা হে, দিল মে জ' বাত হে
জিচে কেহনা ছাহো, পৰ মে কেহ পাও না”

ক'বলৈ একো নাছিল। মাত্ৰ চাই ৰ'লো, অনিৰুদ্ধৰ চকুলৈ...

প্ৰথমবাৰৰ বাবে বুকুখন অলপ বিষাইছে, উশাহটো
ঘন।

“Reached home safe”
অনিৰুদ্ধৰ মেছেজটো পাই কিবা এটা ভাল লাগি গ’ল।ৰাতিপুৱা প্ৰথম চকু মেলি এই তিনিটা আখৰে মনটো জীপাল কৰি তুলিলে।

হিবাই ওলাই মেলি ৰৈ ৰৈ গুচি গ’ল।মইহে বিচনাৰ পৰাই উঠিব পৰা নাই।মূৰটো বিষাইছে।ছুটি লবলৈও ভাল লগা নাই।যেনেতেনে উঠি আহিলোঁ।অলপ দেৰি হ’ব বুলি সুৰেশলৈ মেচেজ এটা পঠিয়াই দিলোঁ।
কালি ৰাতিৰ কথাবোৰ মনত পৰি মনটো খেলিমেলি লাগি গৈছে।
অনিৰুদ্ধই কিয় বা মোক চাই আছিল?
নিজৰ ভিডিও কিয় বা অন কৰিছিল?
নাই নাই,অলপ বেছিয়েই ভাবিছোঁ।অভাৰ থিংকিং মোৰ পুৰণা বেমাৰ।আকৌ উকাইছে এইকেইদিন।খৰধৰকৈ ওলাই আহিলো অফিচলৈ বুলি।

সোমাই আহিয়েই অনিৰুদ্ধৰ ডেস্কলৈ চকু গ’ল। ক’লা কফি কাপটো,সৰু মাৰ্বল পথ’ছ আৰু জেড প্লেণ্টৰ পট দুটা,এসোপামান sticky নোটছ, আৰু এখন সৰু নোট বুক।লকাৰত ভৰাবলৈ পাহৰিলে চাগে।লেপটপটো অন কৰি মেইল পঢ়িবলৈ লাগিলো। অলপ পিছত সুভাষিণী আৰু সুৰেশ মোৰ ডেস্কৰ ফালে আগবাঢ়ি আহিল।
:Great Job Ananya, I think we have two Anirudh in our team now.
কালি ৰাতিয়েই কাম শেষ কৰি মেইল পঠিয়াই দিছিলো, তাৰ কাৰণেই এই প্ৰশংসা।
আচৰিত নহয়নে?
এদিন আগত মোক বহুৰাই লৈ জেৰা কৰা হৈছিল, আৰু আজি একেখিনি মানুহেই মোৰ প্ৰশংসাত পঞ্চমুখ।
অনিৰুদ্ধই ঠিকেই কৈছিল, ভাল বা বেয়া সকলো মাত্ৰ ক্ষণিকৰ বাবেহে, গভীৰতা ক’তো নাই।
হাঁহি এটি লৈ থাকিব পাৰিলেই সকলো সহজ।

আজি অফিচত অনিৰুদ্ধৰ চিনাকি সুবাস, গহীন মাতটো নাই।অলপ খালি খালি অনুভৱ এটাই চুই গ’ল।ঠিক সকলো থাকিও যেনেকৈ মই সদায় ঘৰত খালি বুকু এখন লৈ ঘূৰি ফুৰিছিলোঁ।উমি উমি জ্বলিছিলোঁ নিথৰ ৰাতি বোৰত।বগা বাংলোৰ ক’লা দিনবোৰ আকৌ এবাৰ মনত পৰি গ’ল।

ওলাই আহি আকৌ ধোঁৱাৰ কুণ্ডলীত নিজকে উৰুৱাই দিছোঁ।যিমানেই ধোঁৱাবোৰ কুণ্ডলী পকাই ওলাই যায়, মোৰ ভিতৰৰ খালি ঠাইবোৰে আৰু বেছি শূন্য হৈ শেষ হোৱাৰ বাট বিচাৰি পায়।

:ককা মোক কেলেই কোনেও ভাল নাপায়?মই মা দেতাৰ নিজৰ হয় নে নহয়?
:বেয়া কথাবোৰ কেলেই কৈ থাক নো?তই আমাৰে ছোৱালী, তোক সৱেই ভাল পায়, মই পাওঁ।আইতাই নিজেই তোক গোসাঁনী নামটো দিছিলে।
:মায়ে তেন্তে কেলেই ইমান বেয়া পায় মোক?
:এইবোৰ বহুত কথা।
ককাই একো নকয়, গোঁসাই ঘৰৰ জ্বলি থকা চাকি গছৰ শলিতা ডাল ঠিক কৰি আৰু অকণ তেল ঢালি দিয়ে, হাতৰ তলুৱাত তাৰে অকণ উম সামৰি আনি মোৰ মূৰত দি আশীৰ্বাদ দিয়ে।মই তেতিয়াও স্থিৰ চকুৰে শিলৰ মূৰ্ত্তি তোলৈ চাই থাকোঁ।
:এইজনী তোমাৰ ছোৱালী প্ৰভু, চকু মেলি চাবা।
মই কিয় ভগৱানৰ ছোৱালী?
ককাই উত্তৰ নিদিয়ে।
অৱশেষত মই উত্তৰ বিচাৰি সকলো সীমা চেৰাই গৈছিলো।প্ৰতিটো কাম মা দেউতাৰ বিপৰীতে গৈ কৰিছিলো।স্কুলৰ লগৰ ল'ৰাৰ পৰা খুজি আনিছিলো নতুন নতুন নিচা।
মোক মাৰি মাৰি দেউতাৰ হাত বিষাইছিল, কিন্তু মই হাৰি যোৱা নাছিলো।
সেই জেদ মোৰ বাবে মোৰ সাহস আছিল, কিন্তু মই বুজিয়েই নাপালো কেতিয়া মই জীৱনৰ আটাইতকৈ ধুনীয়া সময়বোৰ আন্ধাৰৰ মাজতে পাৰ কৰি পেলালোঁ।
মাৰ মূৰৰ কামোৰণি হৈ পৰিছিলো মই।
পিছলৈ লাহে লাহে বুজিছিলো মায়ে মোক কিয় বেয়া পায়।
মোৰ এটাই দোষ আছিল, মই ককাক ভাল পাইছিলোঁ, আইতাক ভাল পাইছিলোঁ।
মই মানুহক ভাল পাইছিলোঁ।
দেউতাই যিদিনা নিজে বাগানৰ ফেক্টৰীত জুই লগাবলৈ নিৰ্দেশ দি পিছত একো নজনাৰ ভাও ধৰিছিল, মই মনে মনে থাকিব নোৱাৰিছিলোঁ।দেউতাই বিচাৰিলেই জিলা বন্ধ হৈ যায়, বাগানৰ মজদূৰৰ মাজত হুলস্থূল লাগে, ঘৰত নেতা পালিনেতাৰ ভিৰ লাগে।
দেউতাই নিজক ভগৱানৰ দৰে ভাবিবলৈ ধৰে।
আৰু সেই অহংকাৰ ভাঙি মই প্ৰশ্ন কৰোঁ
:ককাৰ পইছা লৈ মোক দম নেদেখুৱাব।আপোনাৰ ঔকাদ কি?
আকৌ এবাৰ বন্দী হওঁ ৰুমত,একেই নাটকৰ পুনৰাবৃত্তি।
ককাৰ হাজাৰ বাধা স্বত্বেও দেউতাই এইবোৰ কৰে, মাৰ সম্পূৰ্ণ সহযোগ থাকে।প্ৰতিবাদ কৰোঁ কেৱল মই।ঘৰত গৰম শলাৰে তৰাৰ হাত জ্বলাই দিয়া মায়ে উদাত্ত কণ্ঠৰে মঞ্চত নাৰী মুক্তিৰ শ্লোগান দিয়ে, গামোছা পিন্ধে।
সেইখন ঘৰৰ সকলোবোৰ কেৱল মিছা আছিল।

দেউতাৰ ওচৰলৈ অহা গুণ্ডা কেইটাৰ এটাই তৰাক এদিন পিঠিত ঢকা মাৰি দিছিল, কান্দি কান্দি তাই যেতিয়া মাক কৈছিল, উত্তৰত তাইহে মাৰ পৰা গালি খাইছিল।
আৰু মই ঠিক মায়ে কৰাৰ দৰে গৰম শলা ডাল পাকঘৰৰ পৰা নি সেই মানুহটোৰ হাতত লগাই দিছিলো।
দেউটাত reputation বেয়া হৈ গৈছিল।
মই সুখী হৈছিলো।
যিমানেই ডাঙৰ হৈ আহিছিলো,সিমানেই বেছি মই অকলশৰীয়া হৈ পৰিছিলো,মা দেউতাৰ কাৰণে চিন্তাৰ কাৰণ হৈ পৰিছিলো।

আয়ুৰ ঘৰ খন আৰু ককা নথকা হলে মই চাগে কেতিয়াবাই মৰি থাকিলোঁহেতেন।ভাল মানুহৰ মাজত থাকি ভাল পাইছিলোঁ সৰুতে।হয়তো এতিয়াও।
সেইবাবেই চাগে অনিৰুদ্ধলৈ আজি মনত পৰিছে মোৰ।
মোৰ গালত তেওঁৰ সেই আঙুলি কেইটাৰ আলফুল পৰশ,মোলৈ চালে সৰু হৈ যোৱা সেই ধুনীয়া চকু কেইটা, তাত তিৰবিৰাই থকা সেই নিয়ৰৰ দৰে জীপাল আকুলতা বোৰ।

ফোনৰ মাতত বৰ্তমানলৈ ঘূৰি আহিলো।
ঘৰৰ ফোন।
এবাৰতে উঠালোঁ, ককাৰ মাত।
:ককা, তুমি কেনেকৈ ফোন কৰিলা?
:তৰাই লগাই দিছে, গাটো বৰ বেয়া লাগি আছে এইকেইদিন।এবাৰ তোক চাওঁ চাওঁ লাগিছে।বেছিদিন নাথাকোঁ আৰু ।তই আহিবিনে?
জ্বলি থকা চিগাৰেট টোৰ সৈতে ময়ো জ্বলিছো।কেনেকৈ যাওঁ সেইখন ঘৰলৈ, যিখন ঘৰত মোৰ কাৰণে অকণো ঠাই নাছিল।
য'ত থুপুৰ কাৰণে অকণো মৰম নাছিল।

:তোমাক লৈ আনিম গৈ, এমাহ সময় দিয়া মোক।
:তই ভালে আছ নে মা?
:হমম।
আৰু কথা পাতিব নোৱাৰিলোঁ।তিনিটামান পাফ টানি ঘূৰি আহিলোঁ নিজৰ কামলৈ।ক'ৰপৰা কি মিলাও একো বুজি পোৱা নাই, ককাৰ যদি কিবা এটা হয়, মই কেনেকৈ জীয়াই থাকিম।
চকু কেইটা মুদি দিছো।
নাকৰ পৰা আকৌ বৈছে নিমখীয়া তেজৰ সোঁত।
ৱাছ ৰুমলৈ দৌৰ মাৰিলো।

এইটো সময়ত মোক আয়ুৰ বাহিৰে কোনেও নুবুজে। তালৈ ফোন কৰিলো। কালিৰ পৰা তাৰ লগত মাত বোল বন্ধ। হ'লেও সি ফোনটো উঠালে।

:কি হ'ল?

:কেফেটেৰিয়ালৈ আহ।

:নাযাওঁ।

:চৰ মাৰি দিম আয়ু কৈ দিছো। আহ এতিয়াই। তই বেছি মূৰৰ ওপৰত উঠিছ।

ফোনটো কাটি আয়ুৰ ওচৰলৈ দৌৰিলো।

সৰুকালৰ সেই থুপুকা মোৰ দন্দুৰাটো আজি অলপ গহীন। কালিৰ কাৰণে নিজে মাফ খুজিলো। ককাই ফোন কৰা কথা কোৱাত তাৰো মনটা সেমেকি গ'ল।

: লৈ আহোঁগে ব'ল । তোৰ বাপেৰে কি ডাল কৰিব।

:আনি ক'ত ৰাখিম?

আগ পাছ নভৱাকৈ বহুত কাম কৰিলো জীৱনত। আৰু নকৰোঁ।

আয়ু এতিয়াওচোন ডাঙৰেই হোৱা নাই।

বেছি দূৰলৈ একো ভাবিব নোৱাৰে।

ৰূমলৈ ঘূৰি আহিও ক'তো মন বহা নাই। খাবলৈও মন যোৱা নাই। ফোনটো উলিয়াই অনিৰুদ্ধৰ নাম্বাৰটো চাই আছো। ফোন বা মেচেজ কৰাৰ সাহস নাই।

কেতিয়াবা হয় এনেকুৱা, আমি কাৰোবাক বিচাৰি চাওঁ কোনো এক সময়ত, মনৰ কথাবোৰ কৈ দিব বিচাৰোঁ। কিন্তু মগজুৰ ওচৰত উত্তৰ দিবলৈ একো বিচাৰি নাপায় ৰৈ যাওঁ।

"Ananya, life can be tough at times, but remember, you are strong"

অপ্ৰত্যাশিত, কিন্তু অত্যাৱশ্যকীয়।

অনিৰুদ্ধৰ মেচেজটো কেইবাৰ পঢ়িলে মন ভৰিব????

আজিকালি চকু মুদিলে থুপু আৰু ককাৰ লগতে আৰু এখন মুখে মাজে মাজে ভুমুকি মাৰে।

অনিৰুদ্ধৰ।

আৰু উচপ খাই সাৰ পাওঁ মই,কিয় সেই মানুহজনৰ প্ৰতি মোৰ মনত হেঁপাহৰ ৰাগ এটি বাজি থাকে??

মই শুনো কি নুশুনো,আপোন সুৰত সেই ৰাগ আজি কিছুদিনৰ পৰা যে বাজিয়েই আছে।সিদিনাৰ সেই ক্লান্ত দুচকুৰ আকুলতা মোৰ বুকুৰ মাজলৈকে শিপাইছে।

অনিৰুদ্ধই যদি মোৰ বুকুত ঘৰ সাজিছে, তেন্তে সেইয়াও এটি সপোন মোৰ বাবে,যিটো সপোন মই নিজেও সঁচা হোৱাটো নিবিচাৰোঁ।

আজি জীৱনৰ প্ৰথমটো দৰমহা পাইছো।মনটো ঠিক কেনেকুৱা লাগিছে ময়ো সঠিককৈ নাজানো।কৰিবলগীয়া বহুতেই আছে মোৰ।নিজৰ কাৰণে নহয়।ককা আৰু থুপুৰ কাৰণে।এইকেইটা পইচাৰে কিমান কি মিলাব পাৰিম ভাবিছোঁ।education loan টো এতিয়াও চলিয়েই আছে।
মাহে আঠ হাজাৰ টকা পিজিৰ আন্টিকে দিব লাগে।ঘৰ এটা ভাড়া ল'বলৈ হলেও deposit দিব লাগিব প্ৰায় এক লাখ টকা।কোনোফালৰ পৰাই একো মিলা নাই মোৰ।ককাৰ ওচৰত নিজকে বৰ সৰু অনুভৱ কৰিলো।সেইজন মানুহৰ কাৰণেই আজি মই নিজে কিবা এটা কৰিব পাৰিছোঁ।
মোক জীয়াই ৰখা মানুহজনৰ শেষৰ সময়চোৱা দুখৰ হোৱাটো মই নিবিচাৰো।
ঘৰখনত অশান্তি হ'ব বুলি দেউতাৰ প্ৰতিটো কথা মনে মনে সহ্য কৰা ককাই কেৱল মোৰ কাৰণেই যুঁজিছিল।

স্পষ্টকৈ মনত আছে মোৰ, বা গুচি যোৱাৰ তেতিয়া মাত্ৰ এটা সপ্তাহ পাৰ হৈছিল।মোৰ হায়াৰ চেকেণ্ডাৰী ৰিজাল্ট ওলাইছিল।তিনিটা বিষয়ত লেটাৰ লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিলোঁ।আয়ুয়ে ঘৰতে আহি ৰিজাল্ট দি গৈছিলহি।মই তেতিয়া ঠিক গৃহ বন্দী হৈ থকাৰ দৰে আছিলোঁ।দেউতাৰ শাসনৰ যেন সকলো সীমা চেৰাই গৈছিল।
ইফালে বাৰো তেতিয়ালৈকে একো খা খবৰ নাই।ৰাজু দাৰ বুঢ়া মাক দেউতাকৰ ওচৰতো একো উত্তৰ নাছিল।ককাৰ ভৰিয়ে হাতে ধৰি মাফ খোজা সেই মানুহ জনৰ অসহায় মুখখন দেখি মোৰ বেয়া লাগিছিল।
ককা মৌন হৈ থাকিলেও দেউতা নাছিল।বুঢ়া মানুহজনৰ ওপৰত জঁপিয়াই পৰিছিল।
এইবোৰৰ মাজত মোৰ ৰিজাল্ট কি হৈছে সুধিবৰ সময় কাৰো ওচৰতে নাছিল।
আৰু এদিন সকলোকে আচৰিত কৰি দেউতাই খোৱাৰ টেবুলত মোক কৈছিল।
:আৰু পঢ়ি ফালিব নালাগে তই।এজনীয়ে মোৰ নাক কাণ কাটিলেই, তয়ো একেই কৰিবি মই জানো।
:মোৰ এন্ট্ৰেন্স ক্লিয়েৰ হৈছে, মই ইঞ্জিনিয়াৰিং কৰিম।
:ঘৰৰ বাহিৰ ন'হবি।তোৰ ব্যৱস্থা মই কৰি আছোঁ।
সৱ বুজি পাইছিলোঁ মই।
দেউতাই বাক মন্ত্ৰীৰ পুতেকলৈ বিয়া দিম বুলিয়েই সেইজনৰ নেগুৰত ধৰি ঘূৰি ফুৰিছিল।বায়ে এনেকুৱা এটা কাণ্ড কৰি দেউতাৰ সৱ প্লেন ওলোটাই দিলে।
এতিয়া সেইবাবে বাৰ কাৰণে নহ'ল যেতিয়া মোকেই সেইটোলৈ বিয়া দিব।
মায়ে একো মাত মতা নাছিল, ককাই ভাতৰ কাঁহীত পানী ঢালি উঠি গৈছিল।কিন্তু ময়ো ইমান সহজে হাৰ মানি লোৱা মানুহ নাছিলো।
কিমান সপোন থাকে এজনী ছোৱালীৰ।মোৰো আছিল।হয়তো বাকীবোৰ ছোৱালীতকৈ অলপ বেলেগ, কিন্তু আছিল।ঘৰৰ উশাহ বন্ধ কৰা পৰিবেশ টো এৰি মই পৃথিৱীখন চাবলৈ বিচাৰিছিলো।
ককাৰ ওচৰত বহি দিনৰ দিনটো মই কান্দি কান্দিয়েই পাৰ কৰিছিলো।
মায়ে দেউতাৰ লগতো কথা পতা বন্ধ কৰি দিছিল।মাৰ মতে দেউতাৰ দোষতে বা গুচি গৈছিল।এইবোৰৰ

মাজত মই আকৌ এবাৰ অৱহেলিত হৈছিলো।
আৰু এদিন আবেলি আমাৰ ঘৰলৈ নতুন আলহী আহিছিল।হাফ পেন্ট এৰি মই চুৰিদাৰ পিন্ধি আলহীৰ আগত ওলাইছিলোঁ।তৰা আৰু মায়ে বিধে বিধে খোৱা বস্তু ৰান্ধি ডাইনিং সজাইছিল।কান্দি কান্দি ফুলি থকা মোৰ চকু কেইটা সেইদিনা প্ৰথমবাৰৰ কাৰণে কাজলৰ ডাঠ লেপ সানি সজাইছিলো।

: তোমালোক অকণ ফুৰি আহা যোৱা, আমাৰ বাগান খন দেখাই আনা বেবী।
ৱাহ, বেবী।
মানুহৰ আগত একদম বেলেগ এটা ৰূপ ল'ব পাৰে মায়ে।প্ৰায় এমাহ ঘৰতে বন্দী হৈ থকা মই সেইদিনা অচিনাকি ল'ৰা এজনৰ লগত ওলাই গৈছিলো।
মোৰ মনত তেতিয়া নতুন একুৰা জুই লাগিছিল।মই সিদ্ধান্ত লৈছিলোঁ মই মৰি যাম কিন্ত দেউতাৰ কথা নুশুনো।কেৱল ধৰ্ম আৰু জাত পাতৰ কাৰণেই মোৰ জীৱনটো যদি দেউতাই শেষ কৰিব পাৰে তেন্তে তেনেকুৱা জীৱন মই নিজেই শেষ কৰি পেলাম।
:তুমি বিয়াৰ পাছতো পঢ়িব পাৰিবা?
বাগানৰ মাজেৰে খোজ কাঢ়ি গৈ থাকোঁতে সেই অচিনাকি মানুহজনে মোক কৈছিল।মোতকৈ প্ৰায় দহ বাৰ বছৰ ডাঙৰ মানুহজনৰ প্ৰতি মোৰ কোনো ধৰণৰ আক্ষেপ নাই।তেওঁ দেউতাৰ কথামতে মোৰ ঘৰলৈ আহিছে।গতিকে মই তেওঁক অসন্মান কৰা নাছিলো।
:মোৰ পঢ়াৰ ইচ্ছা নাই।
:তোমাৰ ৰিজাল্ট ইমান ভাল হৈছে, কিয় নপঢ়িবা?
:এনেই।
ঘৰলৈ ঘূৰি আহিছিলো।সেইদিনাৰপৰা ঠিক দুমাহৰ পাছত মোৰ বিয়াৰ দিন ঠিক হৈছিল।মাৰ কাৰণেই দেউতাৰ লগত আমাৰ সম্পৰ্কীয় মানুহৰ ভাল সম্বন্ধ নাই।গতিকে এইবাৰ কথা লৈ মাত মতা মানুহ অকল ককা।খুড়া আমাৰ ঘৰলৈ কেতিয়াও অহা দেখা নাছিলো।পেহী এজনী আছিলে বুলিহে শুনিছিলো কিন্তু দেখা মনত নপৰে।গতিকে মোৰ হৈ কোনোবাই মা দেউতাক বুজাব বুলি মই আশাও কৰা নাছিলো। সাজু হৈছিলো আন এখন যুদ্ধলৈ।

:অনন্যা, কব চে আপকা ফোন বজ্ ৰহা হে,উঠা ল' না।
চকুকেইটা বন্ধ কৰি পৰি থাকোঁতে কিমান দেৰি হল গমেই নাপালোঁ।অফিচৰ পৰা আহি কাপোৰ কানি একো সলোৱা নাই।দহ বাজিবৰ হ'ল।হিবাই জোকাৰি দিলতহে সাৰ পালোঁ।
অনিৰুদ্ধৰ ফোন।
:hello
:Ananya!
উফ।
আজি প্ৰায় দহ দিনৰ পাছত অনিৰুদ্ধৰ মাত শুনিছোঁ।তেওঁ যোৱাৰ পাছত সেই এদিনেই যি মেছেজ কৰিছিল।তাৰ পাছত আমাৰ মাজত একো কথা হোৱা নাই।

:Yeah
বিছনাৰ পৰা উঠি বহিলো।বুকুখন অলপ জোৰেৰে ধক ধক কৰিছে।
:কিয় ফোন কৰিছো নুসুধা?
:কিয়?
:Listen to this.
শংকুৰাজৰ অলকানন্দা গানটো শুনি আচৰিত হ'লো।
অসমীয়া গান????
অনিৰুদ্ধই অসমীয়া গান কিয় শুনিছে???
:Nice song right?
:Why did you call me Anirudh?
:Oh yeah, make sure you are present at Kritika's wedding.
নিজে বাইক ট্ৰিপ লৈ ধুনীয়া জেগাত ঘূৰি ফুৰিছে আৰু মোক বিয়া খাবলৈ গৈ ব'ৰ হবলৈ কৈছে।
:No, I won't
:প্লীজ,মই যাব নোৱাৰিম ন,মোৰ গিফ্টটো লৈ যাবা তুমি।
:Excuse me!
মই চাকৰ নেকি কিবা।
আৰু টানিয়াকো ক'ব পাৰে চোন।মোক কিয় কৈছে।
:No, you will take my gift, thats final.
ফোনটো কাটি দিলে।
কৃতিকাৰ বিয়ালৈ এতিয়া আৰু মোক ভগৱান আহিলেও নিব নোৱাৰে।

হোৱাটচ্এপত অনিৰুদ্ধৰ মেছেজ। মোৰ এড্ৰেছ বিচাৰিছে। কিন্তু মোৰ চকু গ'ল হোৱাটচ্এপৰ ডি পি খনলৈ।লাডাখৰ ধুনীয়া পৰিৱেশৰ মাজত অনিৰুদ্ধ, লগত তেওঁৰ কেইজনমান বন্ধু।

তাৰ কাষতে আৰু এখন চিনাকি মুখ মই দেখিলো।
যিখন মুখ মই আৰু কেতিয়াও চাব নিবিচাৰো।
অনিৰুদ্ধই জানি বুজি মোলৈ এইখন ফটো পঠোৱা নাইতো???

অনিৰুদ্ধৰ নাম্বাৰটো আকৌ এবাৰ ডায়েল কৰিলো মই। বাৰে বাৰে সংযোগসীমাৰ বাহিৰত বুলি কৈ কাট খাই গৈছে।ভয়ত নে দুখত মই মানুহজনী জ্বৰে ঘমা দি ঘামিছো নিজেই ধৰিব পৰা নাই।

অনিৰুদ্ধই সেই মানুহটোক কেনেকৈ চিনি পায়?
অনিৰুদ্ধই মোৰ অতীত জানি মোৰ লগত খেল খেলি আছে নেকি???
নাইবা একো নাজানি মোক ভাল পাবলৈ লোৱা অনিৰুদ্ধই যদি আজি মোৰ অতীতৰ বিষয়ে সকলো গম পাই যায়। আকৌ এবাৰ ফটোখন চালো।
গাটো বিছাই ডকা দি ডাকিলে।
কি কৰিব এই পাষগুটোৱে এইবাৰ।
যদি ই কথাবোৰ মই কোৱাৰ আগতেই অনিৰুদ্ধক কৈ দিয়ে???

বগা বাংলোৰ ক'লা দিনলিপিৰ পাতবোৰ আজি এখিলা এখিলা কৈ মেল খাইছে চকুৰ আগত। মা দেউতাৰ জেদ আৰু অহংকাৰৰ আগত হাৰ মানি মই বিয়া হ'বলৈ সাজু হৈছিলো তেতিয়া। ককাই বুজাইছিল, পঢ়া শুনা এৰি নিদিবি। তোৰ ভাল হ'ব।
আৰুনো ক'ব কি????
মানুহজন বৰ অসহায়। মই বুজিছিলো।

বিয়াৰ আয়োজন আৰম্ভ হৈছিল।মই দিনে দিনে আৰু বেছি অসুখীয়া আৰু জেদী হৈ পৰিছিলো।মা দেউতাৰ লগতে ককাৰ লগতো কথা বতৰা কমি আহিছিল।আয়ু আহিলেও দেউতাই তাক বাহিৰৰ পৰা খেদাই পঠিয়ায়।দেউতাৰ দৰে সমাজৰ এজন আগশাৰীৰ মানুহে ইমান কম বয়সীয়া ছোৱালীক বিয়া দিবলৈ ওলোৱা কথাটো লৈ গোটেই ঠাইখনতে বু বু বা বা আৰম্ভ হৈছিল।
প্ৰশ্ন সদায় মোৰ চৰিত্ৰৰ ওপৰতে উঠিছিল।
কিন্তু অহংকাৰে মূৰত ধৰা মা দেউতাই সেইবোৰ চিন্তা কৰি চোৱাই নাছিল।

বিয়ালৈ ঠিক পোন্ধৰ বিশ দিন বাকী থাকোঁতে এদিন সেই মানুহজন আমাৰ ঘৰলৈ আকৌ আহিল।নিজে সোধা নাছিলোঁ যদিও নামটো বিকাশ বুলি গম পাইছিলো।দিল্লীৰ কোনোবা এখন কলেজৰপৰা আধাতে পঢ়া বাদ দি ঘূৰি আহি অসমত ব্যৱসায় আৰম্ভ কৰিছিল।
দেউতাৰ কাৰণে এইবোৰ বৰ জৰুৰী। ল'ৰা নোহোৱা ঘৰখনত দেউতাৰ ব্যৱসায় চলাবলৈ এজন মানুহৰ দৰকাৰ।মানুহজন আহিলে মোৰ ভাল নালাগিছিল।কিন্তু বাধ্য হৈ মই তেওঁৰ লগত কথা পাতিছিলোঁ।
কেইদিনমান পাছত মই সেই মানুহজনৰ লগত থাকিম বুলি মই কল্পনা কৰিও চোৱা নাছিলো।
:আন্টি, মই অনন্যাক অলপ বজাৰ কৰাবলৈ লৈ যাব পাৰিম নেকি?
মা একেবাৰতে মান্তি হৈছিল।মাৰ কথামতেই আকৌ এবাৰ সেই মানুহজনৰ গাড়ীত উঠি মই ফুৰিবলৈ গৈছিলো।
:তুমি কথা পাতি বেয়া পোৱা নেকি?
:উম।
:তোমাৰ বিয়া হোৱাৰ ইচ্ছা নাই ন?
প্ৰশ্নটো শুনি মই ভয় খাইছিলো।দেউতাক যদি লগাই দিয়ে?মোৰ লগতে ককাৰো অশান্তি হব।

:আছে।
:I will help you. মই নিজেই বিয়া খন ভাঙি দিম।
:সঁচা?????
মৃত্যু মুখৰ পৰা উভতি আহিছিলো মই।সমুখত দেখি থকা আন্ধাৰ খিনি একেবাৰতে যেন আঁতৰি গৈছিল।
:আপুনি ভাল মানুহ।
:ৰ'বা।মোৰ এটা condition আছে।
:মই সব চৰ্ত মানি ল'ম।
:Intelligent move huh!
গাড়ীখন গৈ গৈ অৰ্ধ নিৰ্মিত শ্বপিং প্লাজা এটাৰ সমুখত গৈ ৰ'ল। ঠাইখিনিত দোকান বজাৰ সিমান একো নাই। মই বিকাশৰ ফালে আচৰিত হৈ চালো।
: ভিতৰত মোৰ অফিচ বনাই আছোঁ, ব'লা।
চিৰিয়েদি উঠি গৈ তিনি নম্বৰ মহলা পালোগৈ। ডাঙৰ বিল্ডিংটোত মোৰ আৰু বিকাশৰ বাহিৰে আন কোনো নাই।গৈ গৈ সৰু কোঠা এটা পালো।বেৰবোৰত প্লাষ্টাৰ কৰাই নাই, ইটাবোৰত পানী বিৰিঙি আছে।মজিয়াখন ভঙা শিল ইটাৰে ভৰ্ত্তি।
কিয় আনিছে বুলি ভাবি থাকোতেই বিকাশে হঠাৎ মোক পিছফালৰ পৰা জোৰেৰে ঠেলা মাৰি দিলে ।কৰ্ফাল খাই মজিয়াত পৰিলোঁ।
:বাপেৰে বুৰ্বক পাইছে মোক হাঁ?স্কুলতে প্ৰেগনেন্ট হৈ গ'লি চাগে ন।এতিয়া বদনাম হোৱাৰ ভয়ত বিয়া পাতিছে।কোনে আজিৰ দিনত ইমান সৰুতে ছোৱালী বিয়া দিয়ে হাঁ??
মোৰ ওচৰত আস্তিন কোঁচাই ৰঙা ৰঙা চকুৰে ৰৈ থকা মানুহটোলৈ মোৰ ভয় লাগিছিল।কোনোমতে চুচৰি গৈ কোঠাটোৰ চুক এটাত কুচি মুচি বহি পৰিছিলোঁ।বিকাশে আৰু বহুত লেতেৰা লেতেৰা শব্দ ব্যৱহাৰ কৰিছিল।মনে মনে শুনি ৰৈছিলো।
এইবোৰৰ মাজলৈ মোক নিজৰ পৰিয়ালৰ মানুহেই ঠেলি দিছে।
আক্ষেপ কৰিমেই বা কেনেকৈ।
:তোৰ নিচিনা ছোৱালীক ভালকৈ চিনি পাওঁ।নাইন টেইনত drugs খাবি,মদ খাবি আৰু বদনাম হ'লেই বিয়া পাতিবি।
:মই তেনেকুৱা একো কাম নাইকৰা।
:চুপ থাক।একদম চুপ।
মোৰ লগত অলপ পিছত কি হ'বলৈ গৈ আছে মই ভালকৈয়ে বুজি উঠিছিলোঁ।ককাই শিকাই দিয়া আৰু মই কোনোদিন গাই নোপোৱা প্ৰাৰ্থনা টো মনত বাৰে বাৰে আওঁৰাইছিলো।
:নিউজ বনাম মই তোক লৈ চাই থাক।
থৰথৰকৈ কঁপিছিলো মই।
:তোৰ বাপেৰে তোক মাৰি পিটি বিয়া দিবলৈ লৈছে।আজিকালি জোখতকৈ বেছি পলিটিকেল হৈ গৈছে মানুহটো।চল্লিশ লাখ টকা মাজত সোমাই খাই দিলে বে মোৰ।I must take revenge. এক মিনিটত সৱ শেষ হৈ যাব আজি।চিনি পোৱা নাই মোক চাল্লা ।

বিকাশে কাৰোবালৈ ফোন কৰি মাতি পঠিয়ালে। অলপ পাছত আৰু দুজন মানুহ তালৈ আহিছিল।
:বাপেৰলৈ ফোন কৰ।
মোৰ হাতত ফোনটো জোৰেৰে হেঁচি ধৰি বিকাশে কোৱা কথাকেইটাই মোক কঁপাই তুলিলে।

:নকৰোঁ মই।
:নকৰিলে তোৰ লগত মই কি কৰিম চাই থাক।
:কি কৰিবি হাঁ??
ভয় লাগিলেও মই যুঁজিছিলো।বিকাশৰ ৰঙা চকু কেইটালৈ সমান খঙেৰে চাইছিলো।
:খং দেখাইছ মোক হাঁ, চাল্লী..
মোৰ গালত উপৰ্যুপৰি চৰিয়াইছিল বিকাশে। মই কিন্তু এবাৰলৈও কন্দা নাছিলো।

আঁঠু দুটা জোৰেৰে সাৱটি বহি আছোঁ ।
:তোৰ জেদটোৱে বৰবাদ কৰিব তোক চাই থাক।
টাইম নাই মোৰ ওচৰত।কাপোৰ খোল।
ওপৰৰ চাঁদখন যেন মোৰ মূৰৰ ওপৰত খহি পৰিল।
বিকাশৰ ভৰিত ধৰি কান্দিবও নোৱাৰোঁ ।মোৰ স্বাভিমানে মোক বাধা দিছে।
কি কৰিব সি?
ৰেপ??
শৰীৰ শেষ কৰিব পাৰিব, আত্মাক কেনেকৈ শেষ কৰিব। হাজাৰটা আঘাত লৈও জীয়াই থাকিম মই।
:তই ক'বই লাগিব। তোৰ বায়েৰ ক'ত আছে অকল মই জানো। চাফা হৈ যাব। বুজিলি।
:মই ক'ম। কি কম কৈ যাওক।
:Very smart. মোৰ চল্লিশ লাখ টকা এতিয়াই লাগে। যিমানেই দেৰি হ'ব তোৰ সিমানেই বিপদ হ'ব কৈ দিছো।

ককাই দেউতাক বাৰে বাৰে কৈছিল, এই পৰিয়ালটোৰ লগত শত্ৰুতা বা মিত্ৰতা একোৱেই ভাল নহয়, আঁতৰি থাক, নাই নুশুনিলে। চাহ মজদূৰৰ লগত কিছুদিন আগতে মিটিং হোৱা মই শুনিছিলো। কিন্তু পইছাৰ কথা কি কৈ আছে মই একো বুজা নাই। দুখীয়া মানুহৰ পইছাবোৰ মিলা প্ৰীতিৰ মাজেৰে খাই থয় দেউতাহঁতে। এইবাৰ কি হ'ল নাজানো।

দেউতালৈ ফোন কৰি কথাবোৰ কওঁতে মই এবাৰো কঁপা নাছিলো। দেউতাই চিয়ঁৰিছিল, বিকাশৰ নাম লৈ অকথ্য গালি পাৰিছিল, কিন্তু এবাৰো মোক একো সুধা নাছিল। ফোনটো বিকাশৰ ফালে আগবঢ়াই দিলো। সি দেউতাক এঘন্টা সময় দিলে।

আৰু সেই একঘণ্টা সময়ত মই নৰকৰ যাত্ৰা কৰিছিলো। নাই মোক সিহঁতে ৰেপ কৰা নাছিল। পুলিচৰ ওচৰত যাতে একো প্ৰুফ নৰয়, তাৰবাবে সিহঁতি মোৰ লগত সাৱধানেৰে কৰিছিল মানসিক অত্যাচাৰ। অশালীনতাৰ সীমা চেৰাই মই হৈ পৰিছিলো নগ্ন, অসহায়, বাকৰুদ্ধ।
চকুৰ পৰা পানী নহয় যেন তেজহে বৈছিল সিদিনা।আৰু মোৰ অসহায় অৱস্থা দেখি সিঁহতি কিৰিলি পাৰি হাঁহিছিল।

দেউতা গৈ যেতিয়া মোক ঘূৰাই আনিছিল, সেইদিনা আন এজনী অনন্যা ঘৰলৈ ঘূৰি আহিছিল।
মোৰ বিয়াৰ কথাবোৰৰ অন্ত পৰিছিল,ককাই ভগৱানক পূজা কৰা বাদ দিছিল।
মা অলপ সলনি হৈছিল, মোৰ পৰা যেন পলাই ফুৰিছিল।

নৈৰ দৰে ।
হয়, নৈৰ দৰেই আছিল মোৰ ভিতৰখন।
বাৰিষাৰ নহয়, খৰালীৰ।
শুকান, শূন্য আৰু অলপ ৰঙচুৰা।

সেই দিনটোৰ কথাই বুকুখনত আকৌ এবাৰ খুচি থৈ গ'ল।
বহি থকা ঠাইতে সৰুকৈ তেজৰ এটা ডোঙা।নাকৰ পৰা বৈ আহিছে।হিবাই খৰধৰকৈ কপাহ অকণ আনি হেঁচি ধৰিছেহি।
তাইৰ চকুত অকণমান পানী আৰু হাজাৰটা প্ৰশ্ন।
মোৰ চকুত একো পঢ়িব নোৱাৰে তাই।মই শিলৰ দৰেই কঠিন।মোৰ চকু মুখত একো নেদেখে কোনেও।আজিও দেখা নাই।

এইখিনি সময়ত আকৌ এবাৰ মোক নিচাৰ দৰকাৰ হৈছে।
সকলো পাহৰিব পৰা নিচা।
হিবাক আঁতৰাই ৰূমৰ পৰা ওলাই আহিলোঁ।নৱেম্বৰ মাহৰ ঠাণ্ডা আৰু নিজৰেই চেঁচা হুমুনিয়াহ বোৰে মোক যেন খোজ কাঢ়িব নোৱাৰা কৰি পেলাইছে।নিজকে চুচৰাই নিয়া দি নিছোঁ।
খালী ভৰিৰেই খোজ লৈছো আয়ুৰ ওচৰলৈ।নিজান ৰাস্তাটোত পৰি থকা শিলগুটি কেইটাই তলুৱাখনত বিন্ধিছে।
হ'লেও যে ৰ'বলৈ সময় নাই মোৰ।

পুৰণা বিল্ডিংটোৰ সন্মুখ পাই আয়ুলৈ ফোন কৰিবলৈ লৈ দেখো মোবাইলটো এৰি থৈ আহিলোঁ।
Security গাৰ্ড জনক কৈ তেওঁৰ ওচৰত থকা লেণ্ডলাইন টোৰ পৰা আয়ুৰ ইন্টাৰকমত ফোন কৰিলোঁ।সেই খিনি সময়ত গাৰ্ডজনৰ চকুত মোৰ কাপোৰবোৰ আকৌ খোল খাইছে।

নিশা এঘাৰ বজাত দুটা লৰা থকা ৰূমলৈ মই যিটো অৱস্থাত আহিছোঁ, আমাৰ ভদ্ৰ সমাজে তাক ভাল চকুৰে নাচায়।
কিন্তু এইখন সমাজক মই কেতিয়াবাই বুঢ়া আঙুলি দেখুৱাই থৈছো।সব চাল্লা বেইমান।
ফোনৰ উত্তৰ নাই।
আয়ুলৈ ৰৈ থাকি লাভ নাই।
চাৰি নম্বৰ মহলালৈকে চিৰিকেইটা বগাই যাওঁতে উশাহটো ৰৈ যোৱা যেন লাগিল।
দুৱাৰত টোকৰ মাৰিবলৈও শক্তি নাই মোৰ।
যেনেতেনে হাতখন দিওঁতেই খোল খালে দৰ্জাখন।

:কি হ'ল তোৰ ঐ???পাগল নে কি মানে!!
কি কৈছে শুনাৰ ধৈৰ্য্য নাই মোৰ।
ৰঙা চকু কেইটা আৰু মোৰ অৱস্থা দেখি সি বুজিছে চাগে মোৰ হৈছে কি!

:কিবা এটা দে মোক।
:নিদিওঁ।তোৰ অৱস্থা টো কি হৈ আছে দেখিছোঁ ।
মদ খাই আৰু বৰবাদ কৰিব নালাগে।
:দে নহলে মই কিবা কৰি দিম আয়ু।
:কি কৰিবি?মৰিবি?ভালেই পাব তোৰ বাপেৰে।ইঞ্চুৰেঞ্চৰ পইচা পাব যে।
:আয়ু!!!

দুৱাৰমুখত আমাৰ কথাবোৰ শুনি কাষৰ ফ্লেটৰ দৰ্জা খোল খালে।আদ বয়সীয়া মহিলা গৰাকীয়ে এনেদৰে দৰে চাই আছে যেন কিবা সাংঘাতিক মনোৰঞ্জন দিম আমি এতিয়া।
চাৰ্কাছ বোৰ বন্ধ হোৱাৰ পৰা মানুহবোৰৰ উপায় নোহোৱা হল।বেয়া পায় লাভ নাই।
:সোনকালে দে মই যাওঁ ইয়াৰপৰা।
আয়ুৰ ৰূমমেট আহি এবাৰ আমাক চাই গ'লহি।সি মোক আজিলৈকে মাতি পোৱা নাই।সাংঘাতিক বেয়া ছোৱালী মই তাৰ কাৰণে।
অকালপক্ক লৰাটোক দেখিলে মোৰ হাঁহি উঠে।সমাজ সংস্কাৰৰ গোটেই ঠিকাটো যেন সিয়েই লৈ থৈছে, ঠিক তেনে এটা attitude।মোক দেখিলে গাটো ধুই দিব যেন কৰে।তাকে দেখুৱাই আয়ুক ঠেলি সুমাই আহিলো।

ফ্লেটৰ নামত এইটো কি বুজা টান।হলটোতে আয়ুৰ বিছনা।খেলিমেলি ৰুমটোত আধাখোৱা পিজ্জা,বিয়েৰৰ বটলৰপৰা আৰম্ভ কৰি নথকা বস্তু নাই।নেপেলোৱা ডাষ্টবিনৰ লেতেৰা গোন্ধ।য'ত ত'ত পৰি থকা কাপোৰৰ দ'ম।

:ৰহ বুলি কৈছোঁ নাই মই।ব'ল ইয়াৰ পৰা।

আয়ুৰ খং উঠিছে।হয়তো অলপ লাজো পাইছে সি।মোক হাতত ধৰি ৰুমৰপৰা উলিয়াই লৈ আনিলে।বাহিৰত থকা তাৰ লেতেৰা ছেণ্ডেল এযোৰ পিন্ধিবলৈ দিলে।দুয়োটা নামি আহিলো ।

:কি হ'ল ক'বি নে কি?

:একো নাই হোৱা মোৰ।হিবাই ড্ৰিংক কৰিলে বেয়া পায় so তোক বিচাৰি আহিছিলোঁ।সিমানেই।

:কোনোবাই কিবা ক'লে তোক?

:কোনে কি ক'ব!

অলপ সময় তেনেকৈয়ে পাৰ হ'ল।মই বিচাৰিলেও একো ক'ব নোৱাৰোঁ কাকো।মোৰ সুখ দুখঃ কাৰো লগতেই ভগাব নাজানো মই।আজিও নাইপৰা।

:মই ঘৰলৈ যাম, মায়ে মাতিছে।যাবি যদি ব'ল।

:ক'লৈ যাম মই????ক'ত থাকিম

:আমাৰ ঘৰত থাকিবি।ককাক চাই আহিবি।

:নাযাওঁ।

:তোক অকলে এৰি থৈ নাযাওঁ মই।এনেকুৱা পগলা উক দিলে কোনে চাব তোক।

কথা কেইটা কওঁতে আয়ুয়ে মোৰ ফালে চোৱা নাই।হাতৰ চিগাৰেটটো আগবঢ়াই সি মুখ ঘূৰালে।এই লৰাটোক মই কেতিয়াও বুজি নাপাওঁ।মোতকৈ সৰু,মগজুত খোৱাৰ বাহিৰে বেলেগ চিন্তা নাথাকে, কিন্তু কেতিয়াবা মোৰ অভিভাৱক হৈ পৰে সি।

বাওঁহাতৰ চিগাৰেট টো পাফ এটা টানি সোঁহাতেৰে আয়ুৰ হাতত খামুচি ধৰিলো।এইখন হাতেই মোক এদিন আন্ধাৰৰ মাজৰ পৰা তুলি আনিছিল।আজিও মনত আছে মোৰ সেই দিনটো।

:তোক নাহিবলৈ কৈছিলোঁ নে নাই, বাৰে বাৰে আহি থাক যে, লাজ চৰম আছে নাই।

দেউতাৰ এইবোৰ কথা শুনিও সি আহিছিল।মোক বিচাৰি।হাতত কেতিয়াবা কিবা এটা লৈ।মই তেতিয়া ভয়াৰহ দিনবোৰৰ সৈতে যুঁজি যুঁজি নিজৰ মাজতে শুই পৰিছিলোঁ।পঢ়া শুনা সকলো বাদ পৰিছিল।এটা বছৰ নষ্ট হৈছিল তেনেকৈয়ে।

কিন্তু ভাবি আচৰিত হওঁ, ইমানৰ পাছতো মই কেতিয়াও মৰাৰ কথা ভবা নাছিলোঁ।মৰিবলৈ বহুত উপায় আছিল,কাৰণো আছিল।

জীয়াই থাকিবলৈ বিশেষ একো নাছিল, ককাৰ বাহিৰে।

আয়ুৰ বাহিৰে।

তাক চাবলৈকে ওলাই আহিছিলোঁ এদিন বন্ধ কোঠাটোৰ পৰা।

সেইদিনাও গেইটৰ মুখত আয়ু ৰৈ আছিল।হাতত কেইটামান লিচু।সিহঁতৰ বাৰীৰ।

সম্পূৰ্ণ এটা বছৰৰ পাছত দেখিছিলো তাক।সেইবাৰ সি হায়াৰ চেকেণ্ডেৰী পৰীক্ষা দি উঠিছিল।
:মায়ে দিছে ল।আধা আধা কৰিবি।
:হমম।
:আমাৰ ঘৰলৈ যাবি?মায়ে আজি ভাপত দিয়া মাছ বনাইছে।
:ওহোঁ।
:পকৰি খাবি?
:ওহোঁ
:তোক কথা এটা ক'বলৈ আছিলে।
:কি?
:তোক সবেই বেয়া পালেও মই ভাল পাওঁ।
দহটা লিচুৰ আধা আধা কৰি পাঁচটা তাৰ হাতত দি মই একো নোকোৱাকৈ গুচি আহিছিলোঁ।আয়ুয়ে একো নাজানে, নালাগে জানিব।কিন্তু মোৰ বাবে সি দেৱদূত হৈ আহিছিল সেইদিনা।
মই সেইদিনা প্ৰথম বাৰৰ বাবে ৰাতিটো নকন্দাকৈ পাৰ কৰিছিলো।

আয়ুৰ হাতত ধৰি ৰুমৰ ওচৰ পালোহি।ৰাতিটো বৰ বেছি নিজান আজি।কোনো মানুহ নাই আশে পাশে।
:মই চাই আছোঁ যা।
গেইটৰ মুখত তাক এৰি ৰুমলৈ খোজ ললোঁ।ভাগৰ লাগিছে খুব।ৰুমটো আন্ধাৰ।হিবা শুই পৰিছে ইতিমধ্যে।ৰুমতে ফোনটো এৰি থৈ গৈছিলো।অনিৰুদ্ধৰ মিছড কল কেইবাটাও।
কলবেক কৰিলোঁ।
:Hello
:Hey, did you call me?I got missed calls from your number.
সংযোগসীমাৰ বাহিৰত বুলি কোৱাৰ কাৰণে কেইবাবাৰো try কৰিছিলোঁ।
:Yeah!
:সব ঠিকে আছেতো, আৰু ইমান দেৰি উঠোৱা নাছিলা কিয়?
:মই ৰুমত নাছিলোঁ।
:ইমান ৰাতি ক'ত গৈছিলা?
:আয়ুৰ ৰুমলৈ।
:What????I mean, alright!
:
:ইমান ৰাতি অকলে গৈছিলা?
:So??
:Its not safe right?

:He is my friend Anirudh.
:I didnt mean it.
:বুজা নাই মই।
:মইয়ো তোমাক বুজি পোৱা নাই অনন্যা!

ফোনটো কাটি গ'ল নে অনিৰুদ্ধই কাটি দিলে নাজানো।জানিবৰ ইচ্ছাও ন'হল।খিৰিকীৰ পৰ্দাখন আঁতৰাই চালো।আয়ু তেতিয়াও ৰৈয়ে আছে।ফোন কৰি তাক যাবলৈ ক'লো।
টোপনিৰ লগত বহুদিন দেখাদেখি হোৱাই নাই।Insomnia নে আন কিবা ভবাও নাই বাৰু।চকুৰ তলৰ দাগবোৰ আৰু বেছি ক'লা হৈ গৈছে দিনে দিনে।আজি ৰাতিও মোৰ টোপনি নাহে মই জানো।অনিৰুদ্ধ আৰু বিকাশৰ মাজত কি আলোচনা হব পাৰে তাকেই ভাবি পাৰ কৰিছোঁ সময়বোৰ।ইটোৰ পিছত সিটো চিন্তাই খুলি খুলি খাইছে মোক।

ঘড়ীটোলৈ চালো।চাৰে তিনিটা বাজি গৈছে।বাহিৰত আবতৰীয়া পাতল বৰষুণজাকৰ টোপ টোপ শব্দ।গাৰুটো সাৱটি চকুমেলি পৰি আছোঁ মই।কাৰ বাবে সাৰে থাকোঁ, কাৰ বাবে মৰিও জী থাকোঁ মই নিজেই নাজানো।অনিৰুদ্ধই কি ভাবি মোক কি কৈছে মই বুজিছোঁ।কিন্তু আয়ু আৰু মোৰ মাজত মই কাকো সুমাবলৈ নিদিওঁ।দিব নোৱাৰোঁ।
কিছুমান সম্পৰ্ক কাকো বুজাব নোৱাৰি।
আয়ু আৰু মইয়ো ঠিক তেনে এটি সম্পৰ্কৰে বান্ধ খাই আছো।
আৰু অনিৰুদ্ধ??????

সেই মানুহজন মোৰ লগত কিয় বান্ধ খাইছে আজি কিছুদিনৰ পৰা।
কিয় বেলেগ এই অনুভৱ???

ফোনৰ নটিফিকেছনৰ শব্দত চকু মেলি চালোঁ।ইমান ৰাতি কাৰ মেছেজ হ'ব পাৰে।

অনিৰুদ্ধৰ মেছজটো দেখি বুকুখন চিৰিং কৈ উঠিল
“Ananya, this is not fair, you should not have done this!!!”

অনিৰুদ্ধক মনৰ পৰা একেবাৰে আঁতৰাই ৰাখিছোঁ এইকেইদিন।পাগলৰ দৰে কাম কৰিছোঁ।নিজৰ কাম শেষ কৰি আকৌ যাওঁ সুভাষিণীৰ পৰা নতুন কাম বিচাৰি। সিদিনাৰ মেছেজটোৰ পাছত আমাৰ আৰু একো কথা

হোৱা নাই।
নোহোৱাটো দুয়োৰে বাবে ভাল।
মই সুধি চাম বুলি ভাবিও সুধিব নোৱাৰিলোঁ।
এইবোৰ কথাই মোক খুলি খুলি খাই,কিন্তু তেনেদৰে থাকি মই মোৰ চাকৰিটো হেৰুৱাই পেলাব নোৱাৰোঁ। গতিকে চেষ্টা কৰিছো মগজটোক শান্ত ৰাখিবলৈ, নিজকে স্থিৰ কৰি ৰাখিবলৈ।

আজিও একেদৰেই অফিচ আহিছো।নিজৰ কাম কৰিছোঁ।এনেতে টানিয়া আহিল মোৰ ওচৰলৈ
:তুম আ ৰহী হ' না শাদী পে?
দুদিন পাছত কৃতিকাৰ বিয়া।তালৈকে যোৱাৰ প্ৰস্তুতি চলিছে ।কোন কেনেকৈ যাব সেইয়া লৈ আজি বহুদিন আগৰপৰাই আলোচনা হৈয়ে আছে।কৃতিকা ইতিমধ্যে ছুটি লৈ ঘৰলৈ গৈছে।যোৱাৰ আগত বাৰে বাৰে মোক কৈ গৈছিল মই যাতে বিয়ালৈ যাওঁ।আনকি শুভাষিণীকো কৈ থৈ গৈছিল মোক যাতে তেওঁলোকে লৈ যায়।কৃতিকাৰ দৰাৰ ঘৰ চালেম নামৰ ঠাইখনত।গতিকে দুয়ো ঘৰৰ সন্মতিক্ৰমে য়েৰকাদৰ(Yercaud)এটা ৰিজৰ্টত বিয়াৰ reception হ'ব।আমাৰ সকলোৰে থকাৰ ব্যৱস্থাও কৰা হৈছে।
মই ইতিমধ্যেই সুৰেশক জনাই দিছিলোঁ যাব নোৱাৰিম বুলি।আজি টানিয়াই আকৌ কিয় সুধিছে বুজি পোৱা নাই।
:নেহী, মেইন নেহী আ ৰহী হুঁ।
:May I know why?
:মন নেহী হে।
:How selfish you are Ananya?Its her big day and you are not coming because you don't feel like?
তুম কিচি ক' অপনা দ'ষ্ট ভি নেহী মানতি হ' না?

কৈয়ে উচাট মাৰি আঁতৰি গল টানিয়া।মোক কিন্তু তাইৰ কথা কেইটাই অলপ হ'লেও জোকাৰি গ'ল।টিমৰ সকলো মানুহ যাব।আনকি সুভাষিণীও যাব স্বামীৰ সৈতে।হিবাই মোক লগ ল'বলৈ এইকেইদিন সাহস গোটাব পৰা নাই।তাইৰ যোৱাৰ ইচ্ছা আছে যদিও মুখ খুলি ক'ব পৰা নাই ।কৃতিকাৰ লগত তাইৰ প্ৰায়ে কাম থাকে, গতিকে ভাল চিনাকি।তাতে য়েৰকাদ ঠাইখন খুব ধুনীয়া।চাবলৈ যাবলৈ ইচ্ছা হৈছে বেচেৰীৰ।কিন্তু মই নাযাওঁ বুলি জানি সেইবিষয়ে কথা উলিয়াবলৈও সাহস নাইকৰা।
মই বাৰু বেছি স্বাৰ্থপৰ হৈ গৈছোঁ নেকি দিনে দিনে?

ৰুমলৈ ঘূৰি আহিও একেটা কথাকে মনত ঘূৰি থাকিল।অনিৰুদ্ধ থকা হ'লেতো মই কেতিয়াও নাযাওঁ।এতিয়া তেওঁ নাযায় বুলি ভাবি মনতে এবাৰ যোৱাৰ কথা ভাবি চালো।আজি সুভাষিণীয়েও কৈ আছিল, সৱ যাব, মই অকল নগ'লে কথাটো বেয়া দেখিব। ।অৱশেষত সিদ্ধান্ত ল'লো,ময়ো যাম।ভাত খাই থাকোঁতে হিবাক কথাটো কোৱাত তাই জাপ মাৰি উঠিল।আৰু সদায়ৰ দৰে প্ৰথম চিন্তা কাপোৰ, নিজৰ লগতে মোৰ কাৰণেও।

:আচাম কে ল’গ শাদি মেইন ক্যা পেহেন তে হে’?তুম ভি ৰহী পেহেন’ না।সৱ অপনা অপনা ট্ৰেডিচনেল ড্ৰেচ পেহেন কে যায়েংগে,কিত্না অচ্ছা লগেগা।

কথাটো শুনিও উত্তৰ নিদিলোঁ।মোৰ ওচৰত তেনেকুৱা একো কাপোৰ নায়েই।মেখেলা চাদৰ পিন্ধিয়ে পোৱা নাই বুলি ক’ব পাৰি। অলপ ডাঙৰ হোৱাৰ পৰাই কোনো বিয়া সকাম খাবলৈ মই নাযাওঁ।মায়ে নিবলৈ ইচ্ছাও নকৰে।

মাত্ৰ ককাই এবাৰ মোক আইতাৰ এযোৰ বৰ মৰমৰ কাপোৰ দিছিল।সেইযোৰকে সামৰি থৈছো নিজৰ বুলি।
:হিবা,তুমহে কুচ দিখানা হে।

বাকচ খুলি পুৰণা মুগাৰ মেখেলা আৰু ৰিহা খন উলিয়াই আনিলো।হিবাৰ চকু কেইটা ডাঙৰ হৈ গ’ল।হাতেৰে বোৱা বুলি কওঁতে তাই বিশ্বাসেই নাইকৰা।আৰু ইমান বছৰ পুৰণি কাপোৰ বুলিও তাই মানি ল’ব পৰা নাই।ককাই এইযোৰ কাপোৰ মোক দিয়াৰ দিনা কৈছিল,
“আইতাই এদিনো পিন্ধিবলৈকে নাপালে।মাৰে এইবোৰ বেয়া পায়।তই ভালকৈ ৰাখিবি।নিপিন্ধ বুলি জানো, আওপুৰণি হল।হলেও দেচোন, আইতাৰৰ মৰমৰ কাপোৰ।”

চকুকেইটা সেমেকি আহিল।কাপোৰযোৰ নাকত লগাই চালো।পাঁচবছৰ বয়সতে হেৰুৱাইছিলো যদিও আইতাই লগোৱা আফগান স্ন’ ৰ চিনাকি গোন্ধটো মোৰ বৰ আপোন।
গুলপীয়া গাল দুখন আৰু ডাঙৰ সেন্দুৰৰ ফোঁটটোৰে সৈতে আইতা মোৰ বাবে দুৰ্গা দেৱীৰ দৰেই আছিল।
:তুম য়েহি পেহেন’ অনন্যা।পুৰাণা হে,পৰ বহত প্যাৰা হে।

তাৰ লগত মিলাই readymade blouse ক’ত পাম সেয়াও হিবাই ভাবি উলিয়ালে।মনটো মোৰো অলপ মুকলি লাগিল।কিমান আৰু পুৰণা দিনৰ সেমেকা ভাৱনাতে সুমাই থাকিম।
আইতাৰ হাঁহিটোলৈ মনত পৰি নিজেও অকণমান হাঁহিলো।
কাইলৈ অফিচৰ পৰা বাহিৰে বাহিৰে বজাৰ, তাৰ পাছত পাৰ্লাৰ,তাৰ পাছত বিৰিয়ানি... উফ হিবাৰ লিষ্ট খন ডাঙৰ হৈ হৈ গৈয়ে থাকিল।
লাইটটো অফ কৰি কাপোৰযোৰ সাৱটি চকু মুদিলো।
এনেতে আয়ুৰ ফোন।
:কি হ’ল?
:শুইছিলা নেকি মইনা কলিজা?
:পইচা লাগে তোক?
:নহয়, বেলেগ এটা কথা হে।
:কি?
:মই যাব পাৰিম নাই বিয়ালৈ?

:তাঁৰ কেইডাল জোৰা লগাই ল তাৰ পাছত মোক ফোন কৰিবি।
:প্লিজ প্লিজ, কিবা এটা কৰি দে না,মই পইচা দিম ন গাড়ী খৰছ, এনেও ছিট খালি থাকিব মই হিচাপ কৰিলো।আৰু তাত গৈ মই বেলেগ হোটেল চাই ল'ম,বিদ্যা কৈছোঁ।
:মই টানিয়াক সুধিব লাগিব,সৱ তাইয়ে arrange কৰিছে, আৰু মই সেইজনীক কিমান বেয়া পাওঁ তই জানই।
:মোৰ কাৰণে নালাগে তই হিবাৰ কাৰণে কৰি দে।
:ধেই এইডাল।ফোন থ।
এওঁলোকৰ প্ৰেম কিমানখিনি পালেগৈ জনাই নাছিলোঁ।মনে মনে বাৰু বেয়া পোৱা নাই।দুইটা মোৰ মৰমৰ।কি কৰিব পাৰোঁ চাব লাগিব।

নিজকে অলপ মানুহৰ নিচিনা ৰূপ এটা দিয়াৰ প্ৰয়োজন আছিল। কেতিয়াবা নিজক ভাল পাবলৈও মানুহে নিজৰ যত্ন লব লাগে।এইটো কথা মই লাহে লাহে উপলব্ধি কৰিছোঁ।হিবাৰ পৰাও শিকিছো।মই নিজৰ মাজত ডুবি থকা সময়বোৰত কেতিয়াবা তাই কয়, আমি নিজকে যদি মৰম নকৰোঁ, ভাল নাপাওঁ, আনে আমাক ভাল পোৱাটো সম্ভৱ কেনেকৈ?
ঘৰখন যেনেকৈ আমি ধুনীয়াকৈ ৰাখিলে ভাল পাওঁ, ঠিক তেনেকৈ শৰীৰটোও ৰাখিব লাগে!
এইবোৰ কথা মোক আজিকালি হিবাই কয়।
মই নুশুনো, নামানো, নুবুজোঁ, হলেও তাই কৈ থাকে।
আজি পাৰ্লাৰত স্পা কৰা চুলিখিনি চুই মোতকৈ তাইৰ ফুৰ্টি বেছি, বেগত কাপোৰ ভৰাই থাকোঁতেও মাজে মাজে চুই চালেহি।

অনিচ্ছাসত্বেও মই টানিয়া আৰু প্ৰশান্তক কৈ আয়ুৰ কাৰণে ছিট এটা যোগাৰ কৰিলোঁ।পোৱা ঠিক ৭ বজাত আমাক পিক আপ পইণ্টত ৰ'বলৈ কোৱা হ'ল।প্ৰায় ৫-৬ ঘণ্টাৰ ৰাস্তা।আজি শনিবাৰ ।গতিকে ট্ৰেফিক অলপ কম হয়।হিবা আৰু মই দুইজনী আহি ৰৈ আছোঁ।জেকেট পিন্ধিও কঁপি আছোঁ ঠাণ্ডাত।ঠিক ৭ বাজি ১৫ মিনিটত গাড়ী আহি পালেহি।
বাৰটা মানুহ বহিব পৰা এখন ডাঙৰ টেম্পো ট্ৰেভেলাৰ।সোমাইয়ে প্ৰথম ছিটত সুৰেশ আৰু তেওঁৰ পত্নী।পিছৰ ছিটত প্ৰশান্ত আৰু টানিয়া ।এজন মানুহ বহিব পৰা ছিট কেইটাৰ এটাত সুৰেশৰ ক্লাছ চিক্সত পঢ়া জীয়ৰী, আনটোত তেওঁৰ ৭ বছৰীয়া ল'ৰাটো।
দুইটা গেম খেলাত ব্যস্ত।সুভাষিণী এইখন গাড়ীত নাই।তেওঁ স্বামীৰ সৈতে নিজৰ গাড়ীত।সুৰেশৰ পত্নীৰ সৈতে চিনাকি হলো।তেখেত পেছাত ডক্তৰ।কম কথা কয় যদিও হাঁহিমুখীয়া।আমাৰ টিমৰ আৰু দুজন মানুহ আহিছে, তেওঁলোকৰ লগত বেছি ভালকৈ এতিয়াও চিনাকি নাই মোৰ।
কামবোৰো আমাৰ বেলেগ বেলেগ।হাঁহি এটা মাৰি সম্ভাষণ জনাই একেবাৰে শেষৰ ঢ়িটৰ আগৰ দুটিয়া ছিটটোত হিবা আৰু মই বহিলো।দহবাৰ মান ফোন কৰাৰ পাছত ফোঁপাই জোপাই আয়ু ওলাইছেহি।আৰু তেখেত অহাৰ লগে লগে মই উঠি গৈ আগৰ ছিটত বহিব লগা হ'ল।অৱশ্যেই মই অকলে বহি ভাল পাওঁ। পিঠিৰ বেগটো কাষতে থৈ হেডফোনটো লগাই ললোঁ।আৰম্ভ হ'ল আমাৰ য়েৰকাদ অভিমুখী যাত্ৰা।

সান্নিধ্যৰ ‘তুমি সুবাস’ গানটো কাণত বাজি আছে।মিহি বতাহজাকে কুঁৱলীৰ ফাঁকে ফাঁকে কিবা এটা মিঠা অনুভূতি কঢ়িয়াই আনিছে।এই অনুভৱ খিনি বৰ ভাল লগা।মাজে মাজে আয়ুয়ে খাবলৈ ইটো সিটো দি আছে।খাবলৈ মন নাই যদিও লৈ থওঁ।NH44 ত প্ৰায় চাৰে তিনি ঘণ্টা ধৰি যাত্ৰা কৰি আমি ১০:৩০ বজাত চালেম পালোহি।

তাতেই সকলোৰে ব্ৰেকফাষ্ট কৰিবলৈ নামিলো।সুৰেশ আৰু তেওঁৰ পত্নীয়ে আমাৰ সকলোকে সুন্দৰ South Indian ব্ৰেকফাষ্ট কৰালে।খাই বৈ আহি গাড়ীত বহিলো।এতিয়াৰ পৰা পাহাৰীয়া ৰাস্তা আৰম্ভ হব।২০ টা hair pin বেণ্ড আছে।কিন্তু অলপ দূৰ গৈয়ে গাড়ীখন আমাৰ আগ নাবাঢ়ে।ৰৈ আছে।ফোনত কথা পাতি পাতি সুৰেশ নামি গ’ল।পিছে পিছে টানিয়া।

কিমান দেৰি ফচিম এতিয়া ঠিক নাই।

গান শুনি বহি থকাই ভাল।

চকু কেইটা মুদি খিড়িকীতে মূৰটো পেলাই দিলো।কাণত তেতিয়া বাজি আছে ‘বাৰ্তালাপ’,মৈত্ৰেয়ীৰ শব্দৰ যাদু আৰু কণ্ঠৰ মায়াত ডুবি আছো ।

“পাহৰণিৰে তুলি অৱগুন্থণ
এটি দুটি মিঠা
শব্দৰ গুঞ্জন
দুটি ওঁঠৰ তুলিকাত
জীপাল হেজাৰ বাৰ্তালাপ”
(বাৰ্তালাপ:মৈত্ৰেয়ী পাটৰ)

কিন্তু...

:Aah finally.

চিনাকি সুবাস উশাহত পাই বুকুখন ধককৈ উঠিল।

সন্মুখত অনিৰুদ্ধ।

মই চোৱাৰ লগে লগে চকুকেইটা ডাঙৰ কৰি হাঁহি দিলে।

ব্লেক লেডাৰ জেকেটটো খুলি মোলৈ এনেকৈ আগবঢ়াই দিলে যেন মই সেইটো ধৰিবলৈহে ৰৈ আছিলো। আৰু এবাৰো একো নুসুধাকে মোৰ কাষৰ ছিটটোৰ পৰা মোৰ বেগটো আঁতৰাই নিজে বহিলে।অঁকৰা নিচিনাকৈ চাই হে আছোঁ।

:So you finally came ha??You are looking extra beautiful by the way.Is this the glow after seeing me??

:Damn!!!!!

ক'ৰ পৰা ওলালেহি ধৰিবই নোৱাৰিলোঁ।জেকেটটো হাতত ধৰি চাইহে আছো।ঠাণ্ডাত চাগে কাৰোবাৰ লগত বাইকত আহিছিল।চকুকেইটা অলপ ৰঙা আৰু চলচলীয়া।নকটো অলপ ৰঙচুৱা।গ্রে কালাৰৰ ফুল শ্লীভচ টি চার্টটো,মিহিকৈ ওলোৱা দাড়িখিনৰে সৈতে ভাগৰুৱা লাগিছে যদিও হাঁহিটো একেই, উজ্জ্বল।

:You can touch me and check, I am real.
:Yeah, sad.
:How rude Ananya!

জেকেটটো আগবঢ়াই দি সিফালে মুখ ঘূৰালো।গানৰ ভলিউম যিমানলৈকে বাঢ়ে বঢ়াই দিছোঁ।সোনকালে গৈ পালেই হয় আৰু।
অলপ দূৰ গৈ পোৱাৰ পিছতে সুৰেশৰ পুত্ৰ জিজ্ঞাস আহি আমাৰ ওচৰত হাজিৰ।
:Ani bhaiya,I will sit with you.
:No!
সৰু লৰাৰ দৰে মুখ খন কৰি মোৰ ফালে চালে অনিৰুদ্ধই।
হাঁহি উঠি গল যদিও দেখুৱাই দিয়া নাই।ময়েই টপৰাই উত্তৰ দিলো।
:Yes of course ,come Jigyas.

উফ ভগৱান।
ল'ৰাটোক মোৰ কাৰণেই পঠিয়াই দিয়াৰ বাবে বহুত বহুত ধন্যবাদ।গোটেই ৰাস্তাটো কেনেকৈ যে গলোহেঁতেন।অনিৰুদ্ধই আৰু কি কি শুনালেহেঁতেন ঠিক নাই।
প্রায়বোৰ কথাৰে উত্তৰ মোৰ ওচৰত নাথাকে।
মই পলাবলৈ বাট এটা বিচাৰিয়েই আছিলোঁ।
কিন্তু মোৰেই ভাগ্য বেয়া।
উঠি লৈ খৰধৰকৈ ওলাই যাবলৈ লওঁতেই hair pin বেণ্ড এটাত গাড়ীখন এনেকৈ ঘূৰিলে যে মোৰ সোঁহাতখন সন্মুখৰ আনটো ছিটত আৰু বাওঁহাতখন অনিৰুদ্ধৰ কলাৰত থৈ কোনোমতে হে নপৰাকৈ ৰ'লো।
হাউলি গৈ নিজকে ৰখাওঁতে অনিৰুদ্ধক একেবাৰে কাষতে পালো।
বুকুখন ধক কৈ উঠিল।

আমাৰ মাজত দূৰত্ব তেতিয়া মোৰ আউল বাউল চুলিৰ খেলিমেলি খিনিৰ সমান।তেওঁৰ আৰু মোৰ উশাহ বোৰ ঘন নহয়, ৰৈ গ'ল,একেবাৰে।এই সময়খিনিয়ে কি আনিছে মই নাজানো।নিজৰ বুকুৰ শব্দ আৰু অনিৰুদ্ধৰ কঁপি উঠা ওঁঠ দুটা
মই বুজিব পৰা নাই।
পলক নেপেলোৱাকৈ মোলৈ চাই ৰৈছে অনিৰুদ্ধই।
চকু কেইটা সৰু হৈ গ'ল তেওঁৰ।

কি দেখিছে?কি বিচাৰিছে?

:Di, you gonna sit on Ani Bhaiya’s lap?

জিজ্ঞাসে দাঁতকেইটা উলিয়াই হাঁহি দেখুৱালে।

অথনিৰ পৰা মৰম লাগি থকা লৰাটোলৈ সাংঘাটিক খং এটা উঠি আহিল।

নিজকে সামৰি থিয় হ’লো।

:Sorry!

অনিৰুদ্ধই একেবাৰে সৰুকৈ কোৱা শব্দটো মোৰ কাণত নহয়, একেবাৰে বুকুত লাগিল।স্থিৰতা হেৰুৱাই তেওঁৰ ইমান ওচৰত আহি ৰোৱাৰ পাছতো মোৰ শৰীৰৰ কোনো অংশতে তেওঁ হাত দিয়া নাই।সাৱধানেৰে আঁতৰাই ৰাখিছে নিজক।

পুৰুষ!নিজক সন্মান কৰা পুৰুষ অনিৰুদ্ধ।

লাহেকৈ আঁতৰি আহি আনটো ছিটত বহিলো যদিও এবাৰ ঘূৰি চালো।তেওঁ তেতিয়া জিজ্ঞাসৰ লগত গেম খেলাত ব্যস্ত।মই আঁতৰি অহাৰ লগে লগেই টানিয়া নিজৰ ঠাইৰ পৰা উঠি গৈ অনিৰুদ্ধৰ কাষতে বৈ কথা পতাত লাগিল।বাৰে বাৰে গাড়ীখন টাৰ্ন লওঁতে হাতখন তেওঁৰ হাতত দি হে ৰৈছে।

মই বাৰু অলপ জ্বলিছো নেকি?

নাই, মোৰ সেইবোৰ চাই থকাৰ দৰকাৰ নাই।

কিন্তু নাচাওঁ বুলিওচোন বাৰে বাৰে চকু যায়।

এবাৰ তেওঁৰ চকুত চকু পৰাত ভীষণ লাজ পালো।য়েৰকাদৰ পাহাৰীয়া ৰাস্তাৰ মনোমোহা সৌন্দৰ্য মই উপভোগ কৰিব পৰা নাই।নিজকে সুধি চাইছোঁ, আয়ুকচোন মই ইমান ভাল পাওঁ,কিন্তু হিবাৰ সৈতে তাক দেখি মোৰ এনেকুৱা নহয় কিয়!

অনিৰুদ্ধকতো মই ভীষণ বেয়া পাওঁ।

তেন্তে এতিয়া মোৰ ভিতৰি অলপ হলেও বেয়া লাগিছে কিয়।

কথাবোৰ ভাবি ভাবি বাহিৰলৈ চাই আহিছো।মেপত চাওঁতে আমাৰ ৰিজৰ্টটো আৰু চল্লিশ কিলোমিটাৰ দেখাইছে।তাৰমানে আৰু প্ৰায় এক ঘন্টা লাগিবই।

এনেতে এটা মেছেজ, অনিৰুদ্ধৰ।

:Come back, please!I need to talk to you!please.

টানিয়া তেতিয়াও তাতেই, তেনেহ’লে মোক কিয় মাতিছে।

মেছজটো চাইও একো উত্তৰ নিদিলো।

গান শুনি শুনিয়েই বাকী খিনি ৰাস্তা পাৰ কৰিলোঁ।

প্ৰায় এক বজাত আমি গৈ আমাৰ ৰিজৰ্টটো পালোগৈ।কৃতিকাৰ দেউতাক আৰু খুড়াক গেইটৰ সন্মুখত ৰৈয়ে আছিল।সুৰেশৰ সৈতে ফোনত সংযোগ ৰাখিয়েই আছিল তেওঁলোকে।আমাক খুব সুন্দৰকৈ আগবঢ়াই নিলেহি।ৰিজৰ্টটো কিমান ধুনীয়া ভাষাৰে বুজাব নোৱাৰি।

প্ৰকৃতিৰ কোলাত যেন আন এখন স্বৰ্গ।নামি আহোঁতেও অনিৰুদ্ধই মোক কিবা ক’ব খুজিছিল, কিন্তু আওকাণ কৰি মই হিবা আৰু আয়ুৰ ওচৰলৈ খোজ ললো।

:Ananya,we dont have room for your friend, remember?

টানিয়াই শুনাই দিলে যে আয়ুৰ কাৰণে ইয়াত থকাৰ ব্যৱস্থা নাই।মানে সি ‘বিন বুলায়ে মেহমান’।সুধি চাই গম পালোঁ এইটো ৰিজৰ্ভত আৰু এটাও ৰুম খালি নাই।

:He can stay with me!

অনিৰুদ্ধ আৰু আয়ু একেলগে?????

:No Way.

আপোনা আপুনি ওলাই গ’ল মোৰ মুখৰ পৰা।

:Thanks bro!

Bro??

Really!

আয়ুক ঘোচা মাৰি দিবলৈ মন গৈছিল।অনিৰুদ্ধক এনেই দেখিবই নোৱাৰে, এতিয়া নিজৰ কামত অহাৰ লগে লগে Bro!!

মোৰ কাষেৰেই দুইটা কথা পাতি পাতি নিজৰ ৰুমৰ ফালে আগবাঢ়িল।মই আৰু হিবা কৃতিকাক লগ কৰিবলৈ তাই থকা cottage টোৰ ফালে আগবাঢ়িলোঁ।ইতিমধ্যে সুভাষিণীও আহি পালেহি।আমাক দেখি কৃতিকা দৌৰি আহিল।

পাতল হালধীয়া পাটৰ শাৰী, খোপাত এথোপা ফুল, ডিঙিত গহনা, ভৰিত পায়েল, দুহাতত মেহেন্দিৰ ডাঠ ৰং, তাইক দেখি অজানিতে চকু কেইটা সেমেকি আহিল।

খুব ধুনীয়া দেখাইছে তাইক।

কইনাৰ সাজত চাগে সকলো ছোৱালীকে খুব ধুনীয়া দেখাই।

মোক বাৰু কেনেকুৱা লাগিব??

:She is my mom.

ৰুমটোত কৃতিকাৰ মাক, মাহীয়েক আৰু তাইৰ তিনি চাৰিজনী মান কাজিন।সকলোৰে লগত চিনাকি হ’লো।তাৰে এগৰাকীয়ে আমাক ৰাতিৰ reception ৰ কাৰণে সজাই দিবলৈ সাজু হ’ল।মই নালাগে বুলি কোৱাত হিবাই চকু পকাই দেখালে।আৰম্ভণি মেহেন্দিৰে কৰিব।আৰু মেহেন্দিৰ নাম শুনি হিবাই জাপ মাৰি গৈ হাত পাতি বহিল।মই লাঞ্চৰ কথা মনত পেলাই দিলতহে উঠি আহিল।

লাঞ্চ কৰিবলৈ যাওঁতেও অনিৰুদ্ধক কথা কোৱাৰ সুযোগ নিদিলোঁ।লাহে লাহে যে তেওঁৰ খং উঠিছে বুজি পালোঁ।

খাই বৈ অলপ জিৰণি লবলৈ সবেই নিজৰ নিজৰ ৰুমত সোমালো।

আমাৰ cottage টোত মই হিবা আৰু টানিয়া।মাজৰটোত সুৰেশৰ পৰিয়াল।তাৰ সিফালৰটোত আয়ু আৰু অনিৰুদ্ধ।টানিয়াৰ পৰা শুনামতে অনিৰুদ্ধই কাৰো লগত ৰুম share কৰিব নোখোজে, সেইবাবে নিজৰ পইচাৰে অকলে এটা ৰুম বুক কৰিছিল।পিছে এতিয়া হঠাৎ কি হ’ল কোনেও বুজি নাপালে।

মই পিছে বুজি পালো।
কিন্তু এইটো ভাবি ভাবি হাঁহিও উঠিল যে পালেগে আয়ুৰ নিচিনা লেতেৰা এটাক হে।

সন্ধিয়া ৭ বজাত সকলোকে ৰেডি হৈ পাৰ্টি Venue লৈ যাবলৈ কোৱা হ'ল।লাঞ্চ কৰি অকণমান শুবলৈ মন গৈছিল যদিও হিবাৰ উৎপাতত সেইয়া হৈ নুঠিল।দুইজনী মেহেন্দি লগাই বহি আছো।টোপনিত মোৰ চকু জাপ খাই গৈছে।কিন্তু কিয় জানো জীৱনত প্ৰথম বাৰ কাৰোবাৰ বিয়ালৈ আহি, এইবোৰ কৰি মোৰ কিবা এটা ভাল লাগিছে।নতুন নতুন লাগিছে।

নিজৰ সম্বন্ধীয় মানুহৰ লগত মা দেউতাৰ ভাল সম্পৰ্ক নাছিল ।কাৰোবাৰ বিয়া সকাম হলে ককা যায় ড্ৰাইভাৰ লৈ, আমাক নিব খুজিলেও মায়ে যাবলৈ নিদিয়ে।কিমান কি কি যে হেৰুৱাই পেলালো মাহঁতৰ অহংকাৰৰ কাৰণেই।

চিলমিল টোপনিৰ পৰা সাৰ পাই দেখোঁ আমাৰ ৰুমৰ দুৱাৰ খোলা।মোৰ বাহিৰে কোনো নাই।উঠি গৈ ইফালে সিফালে চাওঁতে দেখোঁ বাহিৰত সবেই একেলগে চাহ খাই আছে।
অনিৰুদ্ধক দেখি ওলাই নগলো।চাহৰ কাপটো হাতত লৈ তেওঁ তেতিয়াও আমাৰ ৰুমৰ ফালেই চাই আছে।

মুখ হাত কেইটা ধুই ওলাই আহি দেখোঁ টানিয়া আৰু হিবাই
কাপোৰ কানি সলালেই।দুয়োজনীৰে কাপোৰ বোৰ কইনাৰ কাপোৰৰ নিচিনা জাক জকম।অৱশ্যে সিহঁতৰ শৰীৰৰ উজ্জ্বল ৰং আৰু বেছি ধুনীয়াকৈ ফুটি উঠিছে।
ময়ো আইতাৰ পুৰণা মেখেলা চাদৰ যোৰ পিন্ধি নিজকে চালো।মই দেখাত আইতাৰ দৰে ধুনীয়া নহয়,কিন্তু কাপোৰ যোৰ বৰ ধুনীয়া।বিউটিচিয়েন গৰাকীয়ে কোৱা স্বত্তেও বৰ বেছি মেক আপ নকৰিলোঁ।মাত্ৰ মোৰ মুখৰ শেঁতা পৰা ৰংটো তেওঁ অকণ উজ্বলাই দিলে।চকুত কাজল লগাই সৰু ৰঙা ফোঁট এটা ললোঁ।খোলা চুলিখিনি এবাৰ ঠিক কৰি ললোঁ।
:লিপষ্টিক!
চিগাৰেট খোৱা ওঁঠত ৱাইন কালাৰৰ লিপষ্টিক সানি দিলে হিবাই।কাণৰ সৰু ফুলি যোৰ খুলি তাই কালি কিনি দিয়া অলপ ডাঙৰ ঘুৰণীয়া ফুলি যোৰ পিন্ধিলোঁ।কাণ খন বিষাই গলগৈ।ডিঙিত ককাই সৰুতেই পিন্ধাই দিয়া মিহি চেইনডাল, লগত কৃষ্ণ গোঁসাইৰ লকেটটো।ওলাই আহিলোঁ ৰুমৰ পৰা। আমাৰ ৰুমৰ পৰা অলপ আঁতৰত বিভিন্ন লাইট আৰু ফুলৰ সৈতে পাৰ্টিৰ কাৰণে সজাই তুলিছে ঠাইখন।ইমূৰত সুন্দৰ সাজ সজ্জাৰে এটা ষ্টেজ।দৰা কইনা আৰু মাক দেউতাক বহি আছে।যদিও বিয়াৰ সকলো নিয়ম তেওঁলোকৰ ঘৰত হৈছেই তথাপি আজি আকৌ এবাৰ মালা পিন্ধোৱাৰ লগতে সেন্দুৰ দিয়াৰ কথা।তাৰেই যো জা চলি আছে।সেইখিনি পোৱাৰ লগে লগে সকলোৰে জাকজমক কাপোৰ আৰু গহনাৰ মাজতো কিন্তু সবেই মোৰ পুৰণা মুগাৰ কাপোৰ সাজ চুই চালেহি।কি হয়, ক'ত পায়, কেনেকৈ পিন্ধিছোঁ সৰ ক'ব লগীয়া হৈছে?

কিন্তু ইমানবোৰ মানুহৰ মাজতো মোৰ চকুৱে মাত্ৰ এজন মানুহক হে বিচাৰি ফুৰিছে!!!

ইফালে সিফালে চাওঁতেই কোনোবাই চুলিত টানি দিয়াৰ দৰে লাগিল।ঘূৰি চালো, আয়ু।

:তই কি কৰিলি বে,অকণ অকণ ধুনীয়া লাগিছে।

:তোক কেলেইনো।যা ইয়াৰপৰা।

:ঐ,ইমান মৰমলগা ন মোৰ মানুহজনী।

:কি???

মোৰ কাষতে ৰৈ থকা হিবালৈ চাই আয়ু গোটেইটো উৰি যাওঁ যেন।ইয়াৰনো আৰু কি, কিমান দিন থাকে এই প্ৰেম নাজানো।

কিন্তু হিবাক সঁচাকৈ মৰম লাগিছে।পাতল হালধীয়া আনাৰকলি চুৰিদাৰযোৰ আৰু মূৰৰ একে ৰঙৰ হিজাব খনে তাইৰ উজ্জ্বল মুখ খনি আৰু শুৱাই তুলিছে।দুইটাকে কথা পতাৰ সুযোগ দি অকণমান আঁতৰি সুভাষিণীৰ ওচৰ চাপিলো।সুৰেশৰ পত্নী আৰু ছোৱালী হৰ্ষিতাও সুভাষিণীৰ ওচৰতে আছিল।অলপ সময় কথা পাতি আমি সকলো একেলগে কৃতিকাৰ ওচৰলৈ যাবলৈ উঠিলোঁ।অনিৰুদ্ধৰ কিন্তু তেতিয়াও ক'তো দেখাদেখি নাই।

:Ananya, where is Anirudh??

মই কেনেকৈ জানিম।খং উঠি আহিল।মোক কিয় সুধিছে ।

:No idea, Suresh.

অলপ পাছত দেখোঁ টানিয়া আৰু প্ৰশান্তৰ সৈতে কথা পাতি পাতি সোমাই আহিছে অনিৰুদ্ধ।মোক দেখাৰ আগতেই সেইখিনিৰ পৰা আঁতৰি হিবাৰ পিছফালে থিয় হলোহি।

:Guys, let's bless the couple.

তেতিয়াও সকলোৰে শেষত থাকিয়েই আগবাঢ়িলোঁ।এনেও মই এনেকৈ থাকি ভালপোৱা মানুহ।ষ্টেজৰ ওচৰ পাই ৰৈ গলো।সকলো উঠি গৈ ফটোৰ বাবে প'জ দিছে।দৰা কইনাক মাজত লৈ এফালে হিবা,আয়ু, সুৰেশ,তেওঁৰ পত্নী,সুভাষিণী আৰু তেওঁৰ স্বামী।

আনফালে টানিয়া,অনিৰুদ্ধ,পৰশান্ত আৰু টিমৰ আন দুজন।

মই একেবাৰে শেষত গৈ হিবাৰ কাষত ৰ'লো।সুৰেশ আৰু সুভাষিণীয়ে ডাঙৰ উপহাৰৰ টোপোলাটো আগবঢ়াই দিলে।আৰু সকলো ব্যস্ত থাকোতেই মই তাৰ পৰা আঁতৰি আহিবলৈ ললোঁ...

:Ananaya, please come here.

শেষ।

কৃতিকাৰ মাতত নামি যাবলৈ লৈও ৰৈ গ'লো,আৰু ঘূৰি লৈ

নাচাওঁ বুলিও এবাৰ তেওঁৰ ফালে চালো।
ব্লেক কালাৰৰ থ্ৰী পিছ চুইট, gelled up চুলি আৰু একেবাৰে চিনাকি হাঁহিটোৰে সৈতে অনিৰুদ্ধ।
মোৰ চকুত চকু পৰাৰ লগে লগে তেওঁ চকু দুটা জপাই দিলে।
যেন এক স্বস্তিৰ নিশ্বাস।
বিচাৰি বিচাৰি হাবাথুৰি খোৱা কিবা এটা বিচাৰি পোৱাৰ দৰে।
সময়বোৰ কেতিয়াবা সঁচাকৈ ৰৈ যায়,ইমান বোৰ মানুহৰ মাজতো এটা আছুতীয়া পল আমাৰ বাবেও আছে। থাকে, এনে এটি ক্ষণ আমাৰ সকলোৰে জীৱনতে থাকে, আমি বিচাৰোঁ বা নিবিচাৰোঁ।
য'ত গাল দুখন অকণমান ৰঙচুৰা হয়, উশাহবোৰ ঘন হয়, হাত ভৰি বোৰ অকণমান হলেও কঁপি উঠে।
মোৰো ঠিক তেনেকুৰাই হৈছে।
নিজকে সামৰি কৃতিকাৰ কাষ পালোগৈ।
:Your dress is so pretty Ananya!!
দৰা কইনাক মাজত লৈ এফালে অনিৰুদ্ধ আৰু আনফালে মই।যিমান পাৰোঁ সেইফালে নোচোৱাকৈ কেমেৰাৰ ফালেই চাই থাকিলোঁ।
আৰু শেষ হোৱাৰ লগে লগেই আঁতৰি আহিলোঁ।
ঘূৰি চোৱা নাই।কিবা এটা যেন সহজ হব পৰা নাই মই।

মানুহৰ কথা বতৰা, মিহিকৈ বাজি থকা গান,আৰু কেমেৰাৰ ফ্লাছৰ শব্দৰ মাজত মই অলপ নীৰৱতা বিচাৰি আঁতৰি আহিলো।সকলো কথা পতা, খোৱাত ব্যস্ত।সৰুকৈ পতা বাৰ খনত আয়ু,প্ৰশান্ত আৰু অনিৰুদ্ধ একেলগে।যেন বহুদিনৰ চিনাকি।
ইচ্ছা থাকিও আজি সেইফালে যোৱা নাই।
আইতাৰ কাপোৰযোৰ পিন্ধি হাতত গিলাছ তুলিব নোৱাৰোঁ মই।
আইতাইতো চাগে বিচৰা নাছিল মোৰ জীৱনটো এনেকুৰা হোৱাটো।কিন্তু হৈ গ'ল।
হিবাই স্কুলীয়া বান্ধৱী লগ পাইছে,নিজৰ ভাষাত কথা পতাত ব্যস্ত।ওচৰত ৰৈ থাকিও নিজকে অলপ অকলশৰীয়া লাগিল।
ভিৰৰ পৰা আঁতৰি ৰিজৰ্টটোৰ আনটো ফাললৈ খোজ ললো।এটা সৰু পানীৰ জুৰি বৈ গৈছে সেইফালেদি।এখন সৰু কাঠৰ দলং।তাত ভেট,পদুম আৰু কিছুমান বনৰীয়া ফুল ফুলি আছে।জোনৰ পোহৰত ঠাইখিনি যেন আৰু বেছি ধুনীয়া হৈ পৰিছে।
আকাশ খনলৈ চালো।আগৰ পৰাই চাওঁ।আজিও আইতাক বিচাৰি চাইছোঁ।আটাইতকৈ উজ্জ্বল তৰাটো আইতা।
"সৌৱা চা, আইতাই চাই আছে তোলৈ, তই চকু টিপিয়াই দে,আইতাইও টিপিয়াই দিব"
বিশ্বাস কৰিছিলোঁ, কাৰণ ককাই কৈছিল।
ককাই মিছা কথা নকয়।
মেলি লোৱা ৰিহাৰ আচলখন দুহাতেৰে তুলি অকাশখনলৈ দেখুৱালো।
"আইতা,চোৱা, মই তোমাক সামৰি ৰাখিছোঁ"

মনতে কোৱা কথাবোৰ আইতাই শুনে, ককাই বুজে।
আৰু নো আছে কোন মোৰ বুলিবলৈ!!!!
আচলটোৰে মুখ খন ঢাকি কিমান দেৰি থাকিলো নাজানো।
কাৰোবাৰ উপস্থিতিৰ উমান পাই উচপ খাই উঠিলোঁ।
দুহাত বুকুত সাৰটি দলং খনৰ আনফালৰ কাঠৰ ৰেলিং খনত আউজি বৈ থকা মানুহজন অনিৰুদ্ধ।
মই চোৱাৰ লগে লগে শেঁতা হাঁহি এটা মাৰি দেখুৱালে।
:এনেকৈ কিয় আছা?
:এনেই।
:You have something to say?
:Nope.
:Your bindi is misaligned.Again.

কথাটো কৈ তেওঁ নিজৰ ঠাইৰপৰা আহি মোৰ একেবাৰে কাষ পালেহি।আচৰিত হৈ চাই ৰ'লো।কঁপালৰ ফোঁটটো ঠিক কৰোঁ বুলি হাতখন ওপৰলৈ তুলিলোঁ।মিহি ষ্টীলৰ খাৰু খিনি জুনুক কৈ উঠিল।
নাইপৰা মই একো কৰিব।অনিৰুদ্ধক উপেক্ষা কৰিব নোৱাৰি।
স্থিৰ চাৱনিৰে তেতিয়াও চাই আছে মোৰ ফালে।
আৰু মোক আচৰিত কৰি কপালত আঙুলি বুলাই ৰঙা ফোঁট টোত চুই দিলে তেওঁ।
ডিঙিটো শুকাই গৈছে মোৰ,চকু কেইটা নিজে নিজে জাপ খাই গৈছে।
এই স্পৰ্শ কিয় ইমান বেলেগ।
কঁপালৰ ফোঁটটোৰ ৰঙা খিনি মোৰ গাল দুখনলৈকে বৈ আহিল।
:Ananya!!
:
:Please say something!
অনিৰুদ্ধৰ মাতত সচকিত হৈ উঠিলোঁ।নতুন সপোন দেখাৰ ভুল কৰিবলৈ ওলাইছোঁ মই।নাই, এইয়া ভুল।
:Let me go Anirudh.
:No, please.
:
দূৰৰ পৰা ভাঁহি অহা মৃদু সঙ্গীতৰ সুৰ, জোনৰ পোহৰ, বৈ যোৱা পানীৰ কলকল শব্দ আৰু সন্মুখত অনিৰুদ্ধ।
কি নাম এই সময়ৰ?
আৱেগ?
অনুৰাগ?
নে
আদৰ??
দুখোজ পিছুৱাই গ'ল তেওঁ, কিবা ক'ব খুজিও যেন ক'ব পৰা নাই।দীঘল দীঘল উশাহ লৈছে, ইফালে সিফালে

চাইছে।

এনেকুৱা কিয় হয়??

:I am sorry Ananay,but...

বুকুত নতুন আশংকা!কি ক'ব অনিৰুদ্ধই।

:but??

:মই হাৰি গৈছোঁ বাৰে বাৰে,তোমাৰ ওচৰত।মোক নুসুধিবা কিয়?

আকৌ ওচৰ চাপি আহিল তেওঁ, মোৰ আউল বাউল চুলিখিনিত হাত ফুৰাই দিলে।বাধা দিব নোৱাৰিলোঁ।

:Its not sympathy,trust me. But I know many things about you Ananya. I am sorry I asked Ayushman which is not right but...

:What the F.. Anirudh!How dare you!!!

চিঞঁৰি উঠিলোঁ।আয়ুৰ ওপৰত প্ৰচণ্ড খং উঠি আহিল।মিনিটৰ ভিতৰতে সি মোক পুতৌৰ পাত্ৰ বনাই দিলে।

:প্লিজ মোক ভুল নুবুজিবা।মই তোমাক জানিব বিচাৰিছিলোঁ ,কিন্তু ইমানখিনিও নহয়।He was drunk Ananya please dont be angry.

:Really?

চকুৰ পানীবোৰ বাধা দি ৰাখিব পৰা নাই।খঙত নে দুখত মই কঁপি উঠিছোঁ নাজানো।নিজকে ইমান অসহায় মোৰ কেতিয়াও লগা নাছিল।

অপৰাধীৰ দৰে ৰৈ আছে অনিৰুদ্ধ।চকুৰ কোণত এডোঙা পানী।

সঁচা নে মিছা, মই নাজানোঁ।

:I want to be a part of your life,am I asking too much??

অনিৰুদ্ধই কোৱা কথাষাৰৰ উত্তৰ দিয়াৰ ইচ্ছাও নহল মোৰ।

:Say something, please!

:

:I don't need a man to survive Anirudh.

:But I need a woman,a woman like you.I don't care if you call me a weak man,a coward,a fool or anything.I don't give a shit.All I want and need is you Ananya,only "YOU".

অনিৰুদ্ধৰ মাতটো আনদিনাত কৈ ডাঙৰ।

জোনৰ পোহৰবোৰ যেন কমি আহিছে।এই সময়ত কি কৰিম মই ভাবি পোৱা নাই।অনিৰুদ্ধই কি জানে কিমান জানে মই নাজানো।কিন্তু জানিব নালাগিছিল।

:মই বাৰে বাৰে কৈছোঁ,মোক অকলে থাকিবলৈ দিয়ক প্লিজ।

হাতযোৰ কৰি পোৱা নাই কেতিয়াও,আজি কৰিছোঁ।

:Ananya!

:Anirudh,do you know my past?

:I don't care.

:I was a drug addict.

:I don’t care

:I tried to kill myself

:I don’t care

:I have a child

:I don’t care

:I don’t even know how many people have seen me naked.....

নাইপৰা ক’ব,বুকুখন বিষাইছে মোৰ।আজিলৈকে সাঁচি ৰখা চকুপানীৰ আজি বান্ধ খোল খাইছে।অনিৰুদ্ধৰ ফালে চাব নোৱাৰোঁ।তেওঁৰ ফালে পিঠি দি বোৱাই দিছোঁ বুকুৰ শিল গলি বৈ যোৱা নৈ খন।

কিমান আৰু সহিম এইবোৰ।

ভালপোৱা মোক নালাগে, অকণমান সময় শান্তিৰ পালেও মই সুখী হ’ম।সেয়াও যেন মোৰ প্ৰাপ্য নহয়।অনিৰুদ্ধ আঁতৰি যাব,মই জানো।

কিন্তু....

:I love you Ananya.

পিছফালৰ পৰা মোক দুহাতেৰে সামৰি ললে অনিৰুদ্ধই।মোৰ চুলিত মুখ গুজি ভালপোৱাৰ প্ৰকাশ কৰা মানুহজন সঁচা নে?

বিবাহৰ থলীৰ পৰা তেতিয়া ভাঁহি আহিছে...

Inkem inkem inkem kaavaale...

Chaaley idi chaaley...

Neekai nuvve vachi vaalaavey,

Ikapai thiranaalley

:I love you Ananya.

পিছফালৰ পৰা মোক দুহাতেৰে সামৰি ল’লে অনিৰুদ্ধই।মোৰ চুলিত মুখ গুজি ভালপোৱাৰ প্ৰকাশ কৰা মানুহজন সঁচা নে?

মোক এনেকৈ সামৰি লোৱা মানুহ আছেনে?

মোক ভালপাওঁ বুলি কোৱাও সহজ নে?

এইয়া ক্ষন্তেকীয়া আৱেগ নে জীৱনজোৰা সমৰ্পনৰ আৱাহনী সংগীত?
অনিৰুদ্ধৰ সৰল দুবাহুত চটফটাই উঠিলোঁ মই।
হঠাৎ তেওঁ কি কৰি পেলালে হয়তো তেওঁ নিজেই নাজানে।
মই আচৰিত হোৱাই নহয়, অস্থিৰো হৈছোঁ।
বুকুৰ শুকান শুকান অনুভৱবোৰ তেওঁৰ উশাহৰ উমত গলি গলি মোৰ চকুৰে দি বৈ আহিছে।
নিৰৱধি।
শোক এটাই খুন্দা মাৰি ধৰিছে।
এইবাৰ যে হুকহুকাই কান্দিছো মই, আৰু যিমান জোৰেৰে মই কান্দিছো,সিমানেই সৰল ভাৱে অনিৰুদ্ধই সাৱটি ধৰিছে মোক।
:Shhh,please Ananya no.
বগা বাংলোৰ অকলশৰীয়া দিনবোৰ, নিজক ঘিণ কৰি দিনটোত দহবাৰকৈ গা ধোৱা সময়বোৰ,থুপুক সাৱটি অকলে কন্দা ৰাতিবোৰ, সকলোবোৰে যেন আজি একেলগে হেঁচা মাৰি ধৰিছে মোক।
:Leave me... Anirudh... Please

নাই, এৰি দিয়া নাই মোক, ধৰিয়েই ৰাখিছে।এইবাৰ তেওঁ মোক ঘূৰাই দিলে নিজৰ ফালে।মূৰত হাত ফুৰাই কৈ উঠিল
:এনেকৈ কিয় কান্দিছা অন্যান্য,সকলো ঠিক হৈ যাব, তুমি কৰিবা ঠিক, মই আছোঁ,মই তোমাক হেৰাই যাবলৈ দিব নোৱাৰোঁ।
:কিয়??
অনিৰুদ্ধই কিমান বুজিছে মোৰ কথা সেইয়া মই নাজানোঁ, কিন্তু মোক এনেকৈ কোৱা মানুহ ককাৰ পাছত চাগে এইয়াই প্ৰথম।
বিশ্বাস হোৱা নাই মোৰ।
অনিৰুদ্ধক সজোৰে ঠেলি আঁতৰাই পঠাইছোঁ।
মোৰ সোঁহাতখন তেতিয়াও তেওঁৰ হাতৰ মুঠিত।
:কোনে ক'লে মই হেৰাই যাম বুলি?কিয় ভাবিছে মই শেষ হৈ যাম বুলি।অনন্যা আছিল,আছে আৰু থাকিব।এবাৰ মৰা মানুহক আকৌ কোনে মাৰিব হা??মই অকলেই জীয়াই থাকিম।থাকিব পাৰিম।
:I am sorry, may be I just got carried away Ananya..

:Excuse me!You said you love me because you got carried away?You hugged me because you got carried away?Have you lost it Mr. Anirudh?

তেওঁৰ ওচৰত উত্তৰ নাই।এটি অবোধ শিশুৰ দৰে তলমূৰ কৰি তেওঁ শুনি আছে।আৰু তেওঁক দেখি মোৰ যেন খঙটো আৰু বেছি বাঢ়ি হে গৈছে।সকলোৰে ওপৰত উঠি থকা সীমাহীন খং আজি মই তেওঁৰ ওপৰতে যেন উজাৰি দিম।আৰু তাৰ পাছতহে যেন মই শান্তি পাম।কৈয়ে আছোঁ,মোৰ মুখৰ পৰা ওলোৱা প্ৰতিটো শব্দৰ

তীক্ষ্ণ বাণ তেওঁ বুকুপাতি গ্ৰহণ কৰিছে।
মনে মনে।
অসহায় ভাৱে।
ভালপোৱাই মানুহক জানো অসহায় কৰিব পাৰে?
নে ভালপোৱাৰ অভিনয় কৰা মানুহবোৰে সময়ত উপযুক্ত সংলাপ বিচাৰি নাপাই এনেকৈ অসহায় হোৱাৰ অভিনয় কৰে।
উফ।
কিয় যে আহিছিলোঁ মোৰ তেনেকুৱা লাগিছে এই সময়ত।
:I know men like you very well!You can only think of one thing.
কৈয়ে আঁতৰি আহিব খুজিলো, কিন্তু এইবাৰ মোৰ সন্মুখত যেন আন এজন অনিৰুদ্ধ।
চকুত খংবোৰ আঙাঠাৰ দৰে দল দলকৈ জ্বলিছে।তথাপি চাই ৰ'লো পলক নেপেলোৱাকৈ।চকু তল কৰা মানুহ মই নহয়।

:Dont you dare cross your limit Ananya.

অনিৰুদ্ধৰ এনে ৰূপ মই দেখা নাই কেতিয়াও।হয়তো মই কোৱা কথাই তেওঁৰ male ego হাৰ্ট কৰিছে।
বেয়া নহয়।
হোৱাটো বিচাৰোঁ।
মোৰ কাম হৈ গৈছে ইতিমধ্যে।

কথাবোৰ আৰু বেয়ালৈ যোৱাৰ আগতেই তাৰ পৰা আঁতৰি আহিব খুজিলো।কিন্তু মোক আকৌ এবাৰ আচৰিত কৰি মোৰ কঁকালত বাওঁহাতেৰে মেৰিয়াই ধৰি ওচৰ চপাই নিলে অনিৰুদ্ধই।তেওঁৰ বুকুত খুন্দা খাই যোৱাকৈ।
:What did you say?Man like ‘This’. You think I am dying to touch you right?

অনিৰুদ্ধই কথা কোৱা নাই, চিঞঁৰিছে, মোৰ চকুত চকু থৈ।তেওঁৰ উশাহবোৰ ঘন ঘন।লগতে মোৰো।কিন্তু কিয় জানো তেওঁৰ চকুত মই সঁচা কিবা এটা দেখিলোঁ।
:কি ভাবিছা তুমি অনন্যা।I am school going teenager?
I am a thirty year old man do you bloody understand?I have seen life, hell everything.So what if you have a child, I am not vergin too.Its just that I was careful and didn’t become a father.Put this to your tiny brain, there is much more in this world rather than someone’s verginity.

অনিৰুদ্ধ ফোঁপাইছে,মন কৰিলোঁ, যদিওবা মই তেওঁৰ ইমান কাষত এতিয়াও ৰৈ আছোঁ তেওঁৰ হাতখন কিন্তু কেতিয়াবাই আঁতৰাই নিছে।অলপ আঁতৰি থিয় হলো।খঙত কি কৈ দিলোঁ তেতিয়া মই নাভাবিলো।কিন্তু এতিয়া মোৰ বেয়া লাগিছে।হয়তো মই তেনেকৈ ক'ব নালাগিছিল।কাঠৰ দলং খনৰ ৰেলিং খনত ধৰি তেওঁ পানী খিনি চাই আছে।একো কোৱা নাই।

আচলতে কিবা কবলৈ একো বাকীয়েই ৰোৱা নাই।সকলো কোৱা হৈ গৈছে।হয়তো এইয়াই আমাৰ শেষ কথা আছিল।

হোৱা উচিত।

আকাশলৈ চালোঁ, আইতাই তেতিয়াও চাই আছে আমাক।

মোক দেখি আকৌ এবাৰ তিৰবিৰাই উঠিল।

মই বাৰু অনিৰুদ্ধক ক্ষমা খোজা উচিত নেকি?

নাই, মই ইমান সৰু হৈ যাব নোৱাৰোঁ।

তেওঁৰ ফালে চালোঁ, মোৰ ফালে তেতিয়াও ঘূৰি চোৱা নাই।

এখোজ দুখোজকৈ তাৰপৰা আঁতৰি আহিব ধৰিলোঁ।

:Ananya, he was my roommate in Delhi.

কাৰ কথা কৈছে অনিৰুদ্ধই??

বুজিবলৈ বেছি সময় নালাগিল।

ঠাইতে ৰৈ গলো মই।

বজ্ৰপাত পৰি যে মাজে মাজে ফালি নিয়ে গছবোৰক, অনিৰুদ্ধৰ কথাষাৰেও মোক তেনেকৈয়ে ফালি নিলে মোক।

মুহূৰ্ততে যেন ছাই হৈ উৰি গল মোৰ খং, অভিমান, সন্মান,সকলোবোৰ।

বিকাশৰ আসুৰিক তৃপ্তিৰ ভাগ তাৰমানে অনিৰুদ্ধয়ো লৈছে?

আৰু সেইবাবেই অনিৰুদ্ধৰ মোৰ প্ৰতি এই অহেতুক আত্মীয়তা!

নে মই সহজেই ধৰা দিম বুলি ভাবি তৰা এখন জাল।

ধুমুহাৰ গতিৰে আগুৱাই গ'লো অনিৰুদ্ধৰ ফালে, গাৰ সমস্ত জোৰেৰে তেওঁক জোকাৰি দিলোঁ।

:I hate you Anirudh, I hate you.

বহুত কিবাকিবি কোৱাৰ ইচ্ছা আছিল, কিন্তু নোৱাৰিলোঁ।

:Ananya, stop. মোক ক'বলৈ দিয়া প্লিজ।

কৈ গৈছে তেওঁ ।

বিকাশ অনিৰুদ্ধৰ চিনিয়ৰ।দুয়ো একেখন কলেজতে পঢ়িছিল।চাৰিবছৰ একেটা ৰূমতে আছিল।অসমীয়া শিকিছিল তেতিয়াই।হোষ্টেলৰ সকলোৰে মাজত এতিয়াও ভাল সম্পৰ্ক।কিছুদিন আগতে কথা পাতি সকলো মিলি ফুৰিবলৈ গৈছিল।তাতে নিজৰ পত্নীক লৈ বিকাশো আহিছিল।অনিৰুদ্ধই যেতিয়া অসমৰ ছোৱালী তেওঁৰ টিমত আছে বুলি কয় আৰু মোৰ নাম উল্লেখ কৰে তেতিয়া বিকাশ অস্থিৰ হৈ উঠে মোৰ ফটো চাবলৈ।আৰু তাৰ পাছত ৰাতি অকলে অনিৰুদ্ধক মাতি নি সকলো কথা কয়।বিকাশ হেনো অনুতপ্ত।

কথাটো শুনাৰ লগে লগে যেন বিকাশৰ সলনি অনিৰুদ্ধকে চৰ মাৰি দিম মোৰ তেনে লাগিল।
অনুতপ্ত।
My foot.
:I never knew him well Ananya.
:
: I left the trip in between and just came here to meet you, trust me, please.Please dont misunderstand, please.
মোৰ সন্মুখত আঁঠু লৈ কি কৈছে অনিৰুদ্ধই সেইয়া শুনাৰ শক্তি মোৰ নাই।

একো ক'ব পৰা হৈ থকা নাই মই।অনিৰুদ্ধক সেই ঠাইতে এৰি মই খোজ ললো, জীৱনৰ নতুন প্ৰত্যাহ্বান।

অনন্যাৰ মৃত্যু যেন সমাগত।

অনিৰুদ্ধক উপেক্ষা কৰি আঁতৰি আহিলো।ৰূমৰ ছাবি হিবাৰ ওচৰত।তাইৰ ওচৰলৈ গৈ পিছফালৰ পৰা মাত দিলো।
:ক্যা হোৰা অনন্যা, য়ে ক্যা হাল বনায়া হে তুমনে ?
:কুচ নেহী,give me the key please.

অভ্যৰ্থনা থলীৰ হুলস্থুলৰ মাজত মই থকা নথকাৰ কথা নাহে।ৰূমলৈ গুচি আহিলোঁ।বাথৰূমত কিমান দেৰি সুমাই থাকিলো নিজেই নাজানোঁ।মুখ খন বাৰে বাৰে ধোৱাৰ পাছতো বিষন্নতা বোৰ আঁতৰি নগ'ল।কাপোৰযোৰ সলাম বুলিও নোৱাৰিলোঁ।
যেতিয়া মনটো ভাগৰুৱা হয়, শৰীৰেও নাটনে।বিচনাত পৰিও মই চকুহাল মুদিব পৰা নাই।অনিৰুদ্ধৰ কথাবোৰে মোক শান্তিত থাকিবলৈ দিয়া নাই।
হয়, মই জানো তেওঁৰ গাত ভুল নাই।
কিন্তু বিকাশৰ বন্ধু বুলিয়েই ঘিণ কৰিম মই তেওঁক।
হয়তো আজীৱন।
সেই মানুহজনক বুকুৰ কোনোবা এটা কোণত মই চাগে ঠাই অকণ দিছিলোঁ।তেওঁ দেখি মনত অলপ হলেও ভাল লগা অনুভৱ কৰিছিলোঁ।
তেওঁ অফিচলৈ নাহিলে তেওঁৰ খালি ঠাই টুকুৰা লৈ বাৰে বাৰে চাইছিলো।
কিন্তু এতিয়া...

চকু কেইটা সেমেকি আহিল।
এনেতে কাষৰ সৰু টেবুলখনত থকা ফোনটো বাজি উঠিল।
এইটো নম্বৰৰ পৰা ককাই হে ফোন কৰে।একে বাৰতে উঠালো
:হেল্ল’
:মাজনী।
ফোনটো বুকুত সাৱটি দীঘলকৈ উশাহ এটা ল’লো।ককাৰ এষাৰ মতে মোৰ মনত হাজাৰটা সঞ্জীৱনী মন্ত্ৰৰ প্ৰশান্তি ঢালি দিব পাৰে।
:ককা, ভালে আছা নে?
:শুনচোন, তই আহচোন এবাৰ, মই যামগৈ।অকলে অকলে নালাগে থাকিব।এনেও মোক ইয়াত কোনেনো ভাল পায়, তোৰ ওচৰতে থাকিম।শুনিছ নে মা?
:উম,শুনিছোঁ।
:তই পইচাৰ কথা চিন্তা নকৰিবি।মই লেখাপানীৰ বাগান খিনি বেছি দিম।গোটেইবোৰ ইহঁতক নিদিওঁ নহয়।সেইয়া তোৰ।বুজিছ নে।
:মোক সেইবোৰ নালাগে ককা, পইচা আছে, আৰু অলপ যোগাৰ কৰি লৈ আনিম তোমাক।
:তোৰ গাটো ভালনে?খোৱা বোৱা কৰিবি দেই।তই আকৌ খোৱাত বেয়া নহয়।মই যাম তই চিন্তা নকৰিবি।তাত শাক পাইছ নে?

শাকৰ ভাজি খাই ভাল পাওঁ।মায়ে নাজানিলেও ককাই জানে।কিমানদিন খোৱা নাই নিজৰেই মনত নাই।
:গোসাঁনী,আছ নে অ’ আই।
:ককা,কথা এটা সুধোঁ নে তোমাক?
:সুধ আকৌ কি কথা।
:কোনোবাই যদি নজনাকৈ কিবা ভুল কৰে আৰু সেইটো কথাই আমাক বহুত কষ্ট দিয়ে, সেই মানুহজকনক আমি কি কৰা উচিত?
:কি হ’ল মোক কৈ দেচোন, মনটো পাতল হ’ব।
কথাবোৰ ইমান সহজ হয় জানো?
ককাৰ সলনি যদি মোক মোৰ মায়ে এবাৰলৈও এনেকৈ সুধিলেহেঁতেন!
:তোমাক ক’ব নোৱাৰিম ককা।মোক প্ৰশ্নটোৰ উত্তৰ দিয়া।
:শুন মা, যি কথাই নহওঁক লাগিল, তোৰ মনত যদি অশান্তি দিছে, তেন্তে খোলাকৈ কৈ দে।ভাল পাওঁ বুলি, বেয়া পাওঁ বুলি কৈ নিদিয়া মানে আমি নিজকো ফাঁকি দিয়া।কৈ দিলে বুকুখন পাতল লাগে।মনবোৰ খোলা হয়।কথাবোৰ পাতি চাব লাগে, তেতিয়াহে উত্তৰ ওলাব।বুজিছ।

আৰু এটা কথা, আমি কেতিয়াবা গমেই নাপাওঁ, কাক আমি শেষবাৰৰ বাবে লগ পাইছোঁ।কাইলৈ যদি সেই মানুহজন আমাৰ মাজৰ পৰা নাইকিয়া হৈ যায়, মনত বহুত কথাই থাকি যাব।
:ককা, মাঘৰ বিহুৰ আগত লৈ আনিমগৈ তোমাক।বৰুৱা খুড়াৰ লগত কথা পাতি থব।

বৰুৱা খুড়া আমাৰ উকীল।
:মই যাম বুলিলে কোনে কি কৰিব। শুনচোন ,তৰাক লৈ যাম নেকি, ভাত পানী কেইটা ৰান্ধি দিব।
:নালাগে, মই সেইবোৰ চাম ককা, এতিয়া ৰাখা, মই আয়ুৰ সৈতে যাম কেইদিনমান পিছত।

ককাৰ লগত কথা পাতি মনটো মুকলি লাগিল।মোৰ এটাই সপোন, ককাৰ শেষৰ সময় খিনি মোৰ সৈতে পাৰ হওক।মই জানো তাত থাকিলে ককাৰ কি দশা হ'ব।খুব ভালকৈয়ে জানো।
বিছনাৰ পৰা উঠি আহিলো।চুলিখিনি পকাই খোপা এটা বান্ধি ললোঁ।ধুই অহা মুখ খনত অথনিৰ মেক আপৰ নামমাত্ৰও বাকী ৰোৱা নাই।বেগৰ পৰা চিগাৰেট এটা উলিয়াই জ্বলালো।
এই সময়ত প্ৰয়োজন।
পাফ কেইটামান একে লেঠাৰিয়ে টানি নাকে মুখে ধোঁৱা বোৰ উলিয়াই দিলোঁ।
অলপ আগতে অনুভৱ কৰা বুকুৰ বিষটো ও যেন ওলাই গৈছে ধীৰে ধীৰে।

বিকাশৰ পৰা মোৰ বিষয়ে জনাৰ পিছতো অনিৰুদ্ধই মোক ভাল পাওঁ বুলি কেনেকৈ ক'ব পৰিছে।মই নিজকে যিমানেই বুজাও নালাগে, মোৰ মনৰ ভিতৰত এতিয়াও তেওঁৰ প্ৰতি অকণমান বিশ্বাস বাকী আছে।

তেওঁক কষ্ট দি মই নিজেও কষ্টত থাকোঁ কিয়!

নাই।

কথাবোৰ সম্পূৰ্ণ কৰিবই লাগিব।
Orbit এটা মুখত লৈ ৰুমটো লক কৰি অনিৰুদ্ধৰ সৈতে কথা পতাৰ উদ্দেশ্যে ওলাই আহিলোঁ।কিন্তু ক'তো তেওঁক দেখা নাপালোঁ।হয়তো মই এৰি অহা ঠাইতে তেওঁ এতিয়াও তেনেকৈয়ে আছে।
তাতো গৈ চালো, নাই।
ক'লৈ বা গুচি গ'ল।
কথা পতাৰ আশা বাদ দি ঘূৰি আহিলোঁ, দেখোঁ আমাৰ ৰুমৰ সন্মুখত তেওঁ ৰৈ আছে।
:ছৰী ক'বলৈতো সুযোগ এটা দিয়া?
:ok
:You are okay to talk now?
:hmm

তেওঁৰ আন্ধাৰ মুখখন অকণমান পোহৰ হৈ উঠা যেন লাগিল।
:But first go get a shwal, its cold.
গৰম কাপোৰ তেনেকৈ অনা নাই।পিন্ধি অহা জেকেটটো হে আছে।
:I am fine.

অনিৰুদ্ধই আৰু একো নক'লে, দুয়ো লাহে লাহে খোজ ললো।
কাষেৰে খোজকাঢ়ি যাওঁতে এবাৰ ভুলতে তেওঁৰ আঙুলি কেইটাই অজানিতে মোৰ আঙুলি কেইটা চুই গ'ল।
আঁতৰাই আনিলো নিজকে।
আমি গৈ লন খনৰ এটা মূৰত থকা কাঠৰ বেঞ্চ খনত বহিলো।আমাৰ সন্মুখত এখন সৰু ফুলনি,সিফালে বিয়াৰ অভ্যৰ্থনা স্থলী।
মোক বহিবলৈ দি তেওঁ থিয় হৈয়ে থাকিল।
:মই জানি বুজি একো কৰা নাই অনন্যা।
শূণ্যলৈ চাই তেওঁ হুমুনিয়াহ কাঢ়িলে।
:হমম।
তেওঁ এইবাৰ মোৰপৰা অলপ আঁতৰি বেঞ্চখনৰ আনটো মূৰত বহিল।অফিচৰ মিটিং বা কনফাৰেন্স বিলাকত গভীৰ প্ৰত্যয় আৰু আত্মবিশ্বাসেৰে কথা কোৱা অনিৰুদ্ধৰ কথাবোৰ আজি ইমান খেলিমেলি কিয় মই বুজি পোৱা নাই।মোৰ আগত তেওঁৰ কি হৈ যায়।
হাতৰ আঙুলি কেইটা বাৰে বাৰে ফুটাইছে, মুখ খন মোহাৰি আছে,কিবা যেন ক'ব খুজিও ক'ব পৰা নাই।হাতত পিন্ধা স্মাৰ্ট ৱাটছত ইনকমিং কল, তেওঁ উঠোৱা নাই।
দুয়ো মনে মনেই আছোঁ।
:I am sorry!
:হমম।
:সঁচাই?তুমি মোক মাফ কৰি দিছা, আই মিন অলপ আগতেটো তুমি মোক...
:I have anger issue.
:অনন্যা,তুমি এনেকৈ কিয় আছা?কি আছে তোমাৰ মনত?কিহে তোমাক ইমান কষ্ট দিছে?

মোৰ মনত ধুমুহা আছে অনিৰুদ্ধ, যি প্ৰতিনিয়ত ভাঙি থৈ যায় মোক, মোৰ ভিতৰৰ মানুহজনীক।
মোৰ মনত এখন সাগৰ আছে,উত্তাল তাৰ ঢৌ।সেইবাবেই চাগে বাহিৰত ইমান শান্ত হৈ থাকিব পাৰো।
কিন্তু, এইবোৰ জানো কোনোবাই বুজি পাব।
সামৰি থলো নিজৰ মাজতে।
:একো নাই।
:আচ্ছা, এতিয়া খংটো কেনেকৈ কমিল?
:ককাৰ লগত কথা পাতি।

নোকোৱা হ'লেও হয়, কিন্তু মুখত ওলাই গ'ল।
:ককাক মিছ কৰা বহুত?
:বহুত।
:May I ask you one thing?

:কি কথা?

:Your father is a business tycoon,right?

তাৰমানে বিকাশৰ পৰা সকলো গম পাইছে অনিৰুদ্ধই।মই অতদিনে লুকুৱাই থোৱা চিনাকি তেওঁ গম পাইছে।শ শ বিঘা মাটিৰ চাহৰ বাগান, ফেক্টৰী,চিনেমা হল, দুখন ডাঙৰ ডাঙৰ হোটেল, চাৰি পাঁচ ঠাইত ঘৰ,ফ্লেট।দেউতা ধনী মানুহ।হয় ,আধুনিক ভাষাত Business Tycoon।অনিৰুদ্ধৰ ফালে চালো, মৌলৈকে চাই আছে, চকুত বহুত প্ৰশ্ন।মই বাহিৰত খাবলৈ যেতিয়া পইচা নাই বুলি মানা কৰোঁ,টিমৰ ৰিকেণ্ড পাৰ্টিত আঁতৰি থাকোঁ, তেতিয়া টানিয়াই lower middle class mentality বুলি কথা শুনাই, মই একো নকওঁ।মই জানো অনিৰুদ্ধইও তেনেকৈয়ে ভাবি আছিল।সেইবাবে চাগে আজি বেছি আচৰিত হৈছে।

:মোৰ দেউতাই কি কৰে সেইটো কিয় লাগে।মই নিজে মাত্ৰ কেইটামান টকা ঘটি আছোঁ, তাৰে বেংগালুৰৰ নিচিনা ঠাইত চলি আছোঁ, সেইটো জানিলেই হ'ল।আৰু দেউতাৰ পইচা লৈ অহংকাৰ কৰা নাই কাৰণেই চাগে নিজে কিবা এটা কৰিব পাৰিছোঁ।দেউতাৰ সম্পত্তিৰ ভাগ মই বিচৰা নাই কেতিয়াও।

:I am proud of you!

:You should not be.

আকৌ মৌনতা।কথাবোৰ খেলিমেলিতেই শেষ হয় দুয়োৰে মাজত।দুয়ো সন্মুখৰ ফালে চাই বহি আছো। মিহি বতাহজাক আৰু শীতৰ এই সেমেকা গধূলিটো কিবা যেন অদ্ভুত।বাৰে বাৰে সলনি হৈছে ইয়াৰ ৰং। অলপ ঠাণ্ডাও লাগিছে, ৰিহাৰ আচলটো টানি গাটো ঢাকি ললোঁ।

:ককাৰ লগতে তোমাৰ আৰু কাৰোবালৈও মনত পৰে, সেইবাবে

লেপটপত ফটো ৰাখিছা?মিছ কৰা বহুত?

বেঞ্চখনত ধৰি ৰখাইছো নিজকে, কিয় মনত পেলাই দিছে মোক তেওঁ সেই ঘাঁ টুকুৰা।

:You miss him na?

অনিৰুদ্ধ কাষ চাপি আহিল।

মূৰ তুলি চালো।

তেওঁৰ চকুকেইটা চলচলীয়া,মোৰ বাবেইনে?

এনে লাগিল, শেষৰবাৰ থুপুক এৰি আহোঁতে তাৰ চকু কেইটা হে যেন।

একেই।

দীঘল দীঘল পলকৰ সৈতে গোল গোল দুটা কজলা চকু।মোক মিনিটতে শিলৰ পৰা পানী কৰিব পৰা।

:I dont miss him, I carry him in my heart.

অনিৰুদ্ধই সিফালে চাই চকুকেইটা মোহাৰিলে।আকৌ মৌন সময়।

:Anirudh....

:Hmmmm

মোৰ ফালে ঘূৰি চালে তেওঁ।

:Close your eyes, please.
:কি?আই মিন কিয়?
:বেয়া পাইছে যদি নালাগে।
:Noooo, I would love to.

মোৰ ফালে সামান্য ঘূৰি লৈ তেওঁ চকুকেইটা জপাই দিলে।
মুখত সামান্য কৈ ফুটি উঠা এটা হাঁহি।

নোৱাৰিলোঁ মই নিজকে ৰখাব।

কিমান দিন হৈ গ'ল,থুপুক।নেদেখাৰ, চুই নোচোৱাৰ..
সমস্ত আৱেগেৰে মোৰ সোঁহাতৰ আঙুলিৰে আলফুলে চুই চালো তেওঁৰ চকুৰ দীঘল দীঘল পলক।
আহ,একেই স্পৰ্শ, নিষ্পাপ, নিৰ্মল।
থুপুক কোচত তুলিও এনেকৈয়ে চুই চাওঁ।
নিমিষতে ছাই হৈ গ'ল মোৰ সকলো দুখ, অহংকাৰ,অভিমান।
মোৰ ভাল লাগিছে এইখিনি সময়, মই জী উঠিছোঁ এইখিনি সময়ত।

কি এইয়া?

ডিপ্ৰেছনত হোৱা মুড চুইং?

প্ৰেম?

ভ্ৰম!

কি আছে এই ক্ষণত????
কিয় শূন্য বুকুত ভৰা ভৰা অনুভৱৰ জোৱাৰ?
সমগ্ৰ পৃথিৱী যেন নাইকিয়া হৈ গৈছে মোৰ বাবে।
আছে কেৱল অনিৰুদ্ধ, এই স্পৰ্শ আৰু মোৰ বৈৰাগী মনত উদয় হোৱা নতুন মোহ, নতুন মায়া ।

বুকু ভৰাই জী লৈছোঁ এটি মুহূৰ্ত।
ইয়াৰ পাছত আহিবলগীয়া শূন্যতাৰ সৈতে যুঁজ দিবলৈ।
:Thank You!
আঁতৰাই আনিলোঁ মোৰ হাতখন, অনিৰুদ্ধই লাহে লাহে দুচকু খুলিছে।
চাই আছে মোৰ ফালে,বহু কথাই কৈ গৈছে চকুৰ ভাষাৰেই।
বুজিব পাৰোঁ, কিন্তু দেখুৱাই দিব নোৱাৰোঁ।
:How can someone carry so much love inside and still so rude outside!!!!
অনিৰুদ্ধই কোৱা কথাষাৰ নুশুনাৰ ভাও জুৰি উঠি আহিলোঁ।
:কিমান আৰু পলাই ফুৰিবা অনন্যা?
বাওঁহাতেৰে খামুচি ৰাখিলে মোৰ বাওঁহাতৰ মুঠিটো।
এটি উশাহৰ হিচাপ খেলিমেলি হ'ল।
তেওঁ উঠি আহি মোৰ সন্মুখত থিয় হৈ ৰ'ল।
নিজেই মোৰ হাতখন তেওঁৰ চকুৰ ওচৰলৈ নি আকৌ এবাৰ বুলাই দিলে চকুৰ পলকত।মই চাই থাকিলোঁ ,একো কৰিব পৰা হৈ থকা নাই এতিয়া।কিন্তু দুচকুৰে দুটোপাল লুণীয়া পানী বৈ আহিল।তেওঁৰ হাতত থকা মোৰ হাতখন নি বুকুৰ ওপৰত থৈ শুনাই দিলে তেওঁৰ উশাহৰ শব্দ।কঁপি উঠিলোঁ।এইবোৰ কি হৈছে মই যেন সহিব পৰা নাই।কাষ চাপি আহিছে অনিৰুদ্ধ,বহুত বেছি কাষলৈ।

সামান্য সৰু হৈ যোৱা চকু কেইটা অলপ যেন চঞ্চল।
দুহাতেৰে মোৰ মুখ খন তুলি ধৰিলে তেওঁ
:প্লিজ গুচি যোৱা ইয়াৰপৰা।ময়ো মানুহ অনন্যা।
I don't want to do something which will make you uncomfortable. Please go.

ভীষণ লাজ পালোঁ।মোৰেই ভুল নহয় জানো।কিয় আহিছিলোঁ তেওঁৰ ওচৰলৈ, তাকো স্পষ্ট কৈ জনাৰ পাছত যে তেওঁ মোৰ কাৰণে কি অনুভৱ কৰে, নিজকে বুৰ্বকৰ দৰে লাগিল।অনিৰুদ্ধই বাট এৰি কাষত থিয় হ'ল,আৰু এবাৰো তেওঁৰ ফালে নোচোৱাকৈ গুচি আহিলোঁ মই।
বিবাহৰ থলীত তেতিয়া ভিৰ নাই।আধা মানুহ ইতিমধ্যেই গুচি গৈছে।দৰা কইনা আৰু পৰিয়ালৰ সকলো খোৱাত ব্যস্ত।হিবা আৰু আয়ু দুইটা নিজৰ মাজতে কথা পাতি পাতি খাই আছে।প্লেট এখনত অলপ কিবা অলপ লৈ সিহঁতৰ ওচৰ পালেগৈ।
:ক'ত আছিলি, মাথা বিষ হৈছে নেকি আকৌ?
আয়ুৰ মুখকত সামান্য চিন্তাৰ ৰেশ।
:অলপ বিষাইছে।সেইকাৰণে ৰূমতে শুই আছিলো।
:মোক ফোন কৰি নিদিলি কেলেই, খানা লৈ আনিলোঁ হেঁতেন না তালৈকে।খাই লৈ শুই থাকিবি গৈ, গৰম পানীৰে ভৰি ধুই শুবি।

কছাৰী পোৱালীটো মোৰ।বৰ চিন্তা তাৰ ,মোৰ কিবা এটা হয় বুলি।খাই থাকোঁতেই ফোনটো বাজিল।অনিৰুদ্ধৰ মেছেজ।
:ভুল নুবুজিবা। I so wanted to hold you in my arms Ananya, you need it too,I know.
Please don't misunderstand me.

ফোনটো হাতৰ পৰা সৰি পৰিল।চৰ্চৰণী খাই উঠিলোঁ।তাৰমানে সেইকাৰণে মোক পঠিয়াই দিলে তাৰপৰা। খং এটাও উঠি আহিল, নিজৰ ওপৰতে।প্লেটখন থৈ কৃতিকাক মাত লগাই খৰধৰ কৈ ওলাই আহিলোঁ।ৰূমলৈ গৈ বিছনাত পৰি দিব পাৰিলেই যেন শান্তি।কাইলৈ তাতে ঘূৰি যাবলৈ আছে।সুৰেশৰ মতে ন বজাত ব্ৰেকফাষ্ট কৰি ইয়াৰপৰা ওলাব লাগিব।
পাৰ্টি কেতিয়া শেষ হয় ঠিক নাই।আকৌ এবাৰ অনিৰুদ্ধৰ মুখামুখি হ'ব নোৱাৰিম।

:Careful!
য'তে বাঘৰ ভয় ত'তে ৰাতি হয়।
পিছলৈ চাই চাই কথা পাতি গৈ থাকোঁতে ধামকৈ খুন্দা মৰা মানুহজন আন কোনো নহয়, অনিৰুদ্ধ।
উফ।
চকুলৈ নাচালো ,কি কৈছে তাকো শুনা নাই, আগলৈ চাই প্ৰায় দৌৰি যোৱাদি গৈ ৰুমত সোমালো।দৰ্জাখনতে আঁউজি বহুত দেৰি ৰৈ থাকিলোঁ।
মোৰ লগত চোন আগতে এনেকুৱা হোৱা নাই কেতিয়াও।
এইয়াই নেকি ভালপোৱা???
ওহোঁ।
জীৱনত প্ৰথমবাৰ মোৰ বাবে চিন্তা কৰা মানুহ লগ পাই মই জোখতকৈ বেছি ভাবিছোঁ, কোনোবাখিনিত স্বাৰ্থপৰ হৈ পৰিছোঁ।
মোৰ মাজত প্ৰেম হৈ যোৱাকৈ ভাললগা একো নাই,সেইয়া মই ভালকৈয়ে জানো।

কাপোৰ কানি সলাই বিচনাত পৰিলোঁ।ভাগৰ আছিলেই, এতিয়া টোপনিও ধৰিছে।

ছয় বজাতে সাৰ পালোঁ।দেখোঁ কাষতে হিবা শুই আছে।টানিয়া নাই।ভীষণ ঠাণ্ডা আৰু কুঁৱলী।
মুখ হাত ধুই নাইট ড্ৰেচটোৰ ওপৰতে জেকেটটো পিন্ধি ৰূমৰ পৰা ওলাই আহিলোঁ,ঠাইখন ভালকৈ চোৱাৰ লগতে অলপ খোজ কাঢ়িলোঁ।চাফা কৰা মানুহ এজন দুজনৰ বাহিৰে আৰু কোনো নাই।অলপ দূৰৰ পৰা দেখিলো অনিৰুদ্ধ আৰু সুৰেশ জগিং কৰি আছে, মোক দেখি সুৰেশে হাত খন ডাঙি দেখুৱালে।অনিৰুদ্ধৰ মুখত একো অভিব্যক্তি নাই।কালি ৰাতিৰ আৱেগিক মুহূৰ্ত বোৰৰ বাবে ময়ো অলপ লাজ পাইছোঁ।
তেওঁলোক আহি মোৰ ওচৰ পোৱাৰ আগতেই তাৰ পৰা আতঁৰিলোঁ।অনিৰুদ্ধই কিবা কবলৈ বিচাৰিছিল,

নুশুনিলো।
বাৰাণ্ডাতে ব্ৰাছ কৰি কৰি হিবা ৰৈ আছিল।
মোক দেখি টান মাৰি ভিতৰলৈ লৈ গ'ল।
আৰু তাৰ পাছত তাই যিখিনি কথা ক'লে,শুনি মোৰ তেজ উতলি আহিল।
কালি ৰাতি পাৰ্টিৰ শেষৰফালে মদৰ নিচাত টানিয়াই দৰা ঘৰৰ কাৰোবাক বেয়া ব্যৱহাৰ কৰিলে।তাকে লৈ বহুত হুলস্থুল।আৰু বুজাবলৈ গৈছিল অনিৰুদ্ধ আৰু সুৰেশ।তেওঁলোকে এনেই বহুত কথা শুনিব লগীয়া হ'ল।
আৰু....
হিবাই কোৱামতে টানিয়াক ৰূমলৈ লৈ আনিছিল অনিৰুদ্ধই, বাৰে বাৰে পৰি গৈছিল তাই,সাৰটি ধৰিছিল অনিৰুদ্ধক ...
:Enough!I don't want to hear anything.

আৰু শুনাৰ ধৈৰ্য্য নাই মোৰ।আজিলৈকে কাৰো প্ৰতি মোৰ মনত ঈৰ্ষা নাছিল।কিন্তু অনিৰুদ্ধৰ লগত টানিয়াৰ সম্পৰ্ক মোৰ আজিকালি কিবা এটা সহ্য নোহোৱা হৈ আহিছে।খঙতে ব্ৰেকফাষ্ট কৰিবলৈও ওলাই নাহিলো।ৰূমতেই অৰ্ডাৰ কৰিলোঁ।

কৃতিকা আৰু পৰিয়ালৰ সকলোকে মাত লগাই ওলাই আহিলোঁ।মাকে আমাক উপহাৰ স্বৰূপে কিবা এটা দিলে।মোকো দিছে এখন ধুনীয়া পাতল গুলপীয়া ৰঙৰ শাৰী।তেওঁলোক আবেলিলৈ যাবগৈ।কৃতিকাক সাৱটি লওঁতে মোক কাণে কাণে ক'লে
:I am so happy to see you smiling Ananya!

এই মানুহবোৰ ইমান ভাল!
মোৰ হাঁহিটোৰো খবৰ ৰাখে।
কইনা কইনা লগা ছোৱালীজনীক এৰি আহোঁতে মনটো বেয়া লাগিল।মই তাইৰ লগত কথা পাতি থাকোঁতেই অনিৰুদ্ধ আহিল।
:I need to talk.
:I don't think so Anirudh.

কি থাকিল আৰু কথা পাতিবলৈ, তেওঁক মই বুজিয়েই পোৱা নাই এতিয়াও।আহি চিধাই গাড়ীত বহিলোহি।এইবাৰ আগতীয়াকৈ এটিয়া ছিট এটাত বহি আছোঁ।এজন এজনকৈ সকলো আহিল।আৰু মই ভবাৰ দৰেই অনিৰুদ্ধ আহি প্ৰথমেই মোৰ ওচৰ পালেহি,মই কাণত হেডফোন লগাই বাহিৰলৈ চালোঁ।
:I have an announcememt to make.
সুৰেশৰ কথাৰ প্ৰতি সকলোৰে মনোযোগ দিলে।অনিৰুদ্ধ তেতিয়াও মোৰ কাষতেই থিয় হৈ আছে।

:Its definitely not a good news but Anirudh is going to leave this team in just two weeks. So this may be our last trip together.

আচৰিত নহয়, চক খালোঁ।মযেই নহয় আমি সকলোৱেই।
একেবাৰেই অনাকাংক্ষীত আছিল।
অলপ হাউলি তেওঁ মোৰ কাণৰ কাষত কৈ উঠিল
:Last trip, please be with me!!!

মন কৰিলোঁ সুৰেশৰ বাহিৰে এই কথাটো কোনেও জনা নাছিল।
কিন্তু অনিৰুদ্ধ কলৈ যাব?
কিয় যাব?
:Our young man is in love, but we cant reveal the name now. But as per company policy he cant be in this team after this .But Anirudh, I am really happy for you.

আমাৰ কোম্পানীৰ পলিছি অনুযায়ী এজন মেনেজাৰ বা টিম লিড কেতিয়াও তেওঁৰ তলত কাম কৰা কৰ্মচাৰীৰ লগত সম্পৰ্কত থাকিব নোৱাৰিব।কাৰণ তেতিয়া যোগ্যতা অনুযায়ী পাবলগীয়া সুবিধা বা এৱাৰ্ড বিলাকত অন্যায় হোৱাৰ ভয় থাকে।আৰু সেইবাবেই হয়তো অনিৰুদ্ধই এৰি যাব খুজিছে অতদিনে কাম কৰি থকা তেওঁৰ টিমটোক।
মোৰ বাবে?
নে টানিয়াৰ লগত কালি যি হ'ল সেইবাবে?

সকলো নিজৰ ঠাইত বহিল, অনিৰুদ্ধ তেতিয়াও মোৰ কাষতে থিয় হৈয়ে আছে।উপায় নাপায় উঠি আহিলোঁ।শেষৰ আগৰ ছিটটো আমাৰ বাবেই যেন খালী আছিল।খিৰিকীৰ কাষৰ ছিটত মই বহিলো।তেওঁ কথা আৰম্ভ কৰাৰ আগতেই বাহিৰলৈ চালো।
কিছুসময় মনে মনে পাৰ হ'ল।
:Take this.
Airpod টোৰ এটা Earpod মোৰ ফালে আগবঢ়াই দিলে।
বুজি নাপায় তেওঁৰ ফালে চালো।
:শুনা।
কাণত লগাই ল'লো।
বাজি আছে

"Jheeni jheeni in saason se
Pehchani si awazon mein

Goonje hai aaj aasman
Kaise hum bezubaan”

বিছনা খন আঁতৰাই টুল এখন আনি ফেন খনৰ একেবাৰে তলতে থ’লো।
আত্মহত্যা মহাপাপ।
পঢ়িছিলোঁ কেতিয়াবাই।
কিন্তু নিজক ঘিণ কৰি কৰি জীয়াই থকাতো জানো পাপ নহয়?
সকলোৰে অশান্তিৰ কাৰণ নিজেই বুলি জনাৰ পাছত জীয়াই থকাটো জানো উচিত।!
গাঁঠিটো মাৰিব নাজানোঁ,কেইবাবাৰো চেষ্টা কৰি কৰিও পৰা নাই।
ডায়েৰী খুলিও একো লিখি থৈ যোৱা নাই মই, লিখিবলৈ একো নায়েই।
তেতিয়ালৈ মই যোগেশ দাদাই অনা ভাঙৰ নিচাত ডুবিয়েই আছোঁ, ৰাতি দুই বাজিছে।বগা বাংলোত নিস্তব্ধতাই বিৰাজ কৰিছে।
প্ৰায় সাত আঠ মাহৰ আগতে হৈ যোৱা ঘটনাটো এতিয়াও মোৰ মনত সজীৱ।
বিকাশৰ হাঁহি, লগৰকেইটাৰ লোলোপ দৃষ্টি, মোৰ গালত পৰা চৰটো।
সব মনত আছে।
মা দেউতাৰ মনত নাই চাগে, মোৰ আছে।
দেউতাই ইতিমধ্যে বা ঢুকাল বুলি মানি লৈ শ্ৰাদ্ধও পাতিলে, ককাৰ হাজাৰ বাধা, কান্দোনেও ৰখাব নোৱাৰিলে।
মা নিমাত, মোৰ লাহে লাহে এনেকুৱা লাগিবলৈ ধৰিছে, মা মনে মনে থাকি আন এখন যুদ্ধ যুঁজি আছে।সেইখন যুঁজ তেওঁৰ একান্তই নিজৰ।

:ৰাজু ধনী হোৱা হ’লে বাপেৰৰ প্ৰব্লেম নাথাকিলে হেঁতেন।

মাৰ ক’বলগীয়া সিমানেই আছিল।

হায়াৰ চেকেণ্ডেৰীৰ পাছত পঢ়াও বৈ গৈছিল মোৰ।একবছৰ সম্পূৰ্ণৰূপে বন্ধ কোঠাত পাৰ কৰা মই মানসিক ভাৱে চাগে অসুস্থ হৈ পৰিছিলোঁ তেতিয়া।মোৰ একোৱেই ভাল নালাগিছিল।মই সপোন দেখা বাদ দিছিলোঁ।ৰাতি ৰাতি সাৰে ৰৈছিলোঁ।কিবা কিবি অদ্ভুত ছবি আঁকিবলৈ আৰম্ভ কৰিছিলোঁ।
আৰু শেষত সিদ্ধান্ত লৈছিলোঁ, যাওঁগৈ, সিপাৰে কিজানিবা আইতাক লগ পাওঁৱেই।
গাঁঠিটো সঠিককৈ দিব পাৰিলোঁ।

কিন্তু এনেতে দৰ্জাত ধাম ধামকৈ শব্দ হ'ল,টুল খন প্ৰকাণ্ড বিচনাখনৰ তললৈ ঠেলি গাঁঠি দিবলৈ লোৱা মাৰ পুৰণা শাড়ীখন তুলিৰ তলত ভৰাই দিলোঁ।ৰাতি দুই বজাত কোন হ'ব পাৰে??
দৰ্জাখন সামান্য ফাঁক কৰি চাওঁ, বুকুত হাত দি ককা ৰৈ আছে।
মুখত বিন্দু বিন্দু ঘাম।
:কি হৈছে তোমাৰ ককা?
:ধৰ চোন মোক, বুকুখন বিষাইছে।
ককাক ধৰি আনি বিচনাত শুৱাই দিলোঁ, ঘন ঘনকৈ উশাহ লৈছে, মাজে মাজে একেবাৰেই সাৰ সুৰ নোহোৱা হৈও যায়।
ওলাই গৈ মা দেউতাৰ দৰ্জাত জোৰ জোৰকৈ টোকৰ মাৰিলোঁ।
:কি হে পাইছে এই ৰাতিখন?
হাউচ কোটটোৰ গাঁঠি মাৰি মাৰি মা উঠি আহি দুৱাৰ খুলিলে।মুখত বিৰক্তি।
:ককাৰ কিবা হৈছে।
ঘৰত হুলস্থুল লাগিল।দেউতা উঠি আহিল,ৰাতিয়েই ককাক হস্পিতাল লৈ যোৱা হ'ল। হাৰ্টত ব্লক।এটা দুটা নহয় তিনিটা ডাঙৰ ডাঙৰ ব্লক।
অক্সিজেন দি থোৱা ককাই কাহোঁতে তেজৰ চেঁকুৰা ওলাইছিল।চেঁচা পৰি যায় হঠাৎ।কিন্তু যেতিয়াই মাত মাতে, কেৱল মোক বিচাৰে।ডাক্তৰৰ পৰামৰ্শ মতে ককাৰ angioplasty কৰাৰ সিদ্ধান্ত হ'ল।মা দেউতাৰ গালি শুনিও মই কিন্তু ককাৰ লগে লগেই থাকিলোঁ।ৰাতি ৰাতি ICU ৰ বাহিৰত বহি থকিলোঁ।আচলতে ককা নোহোৱা হৈ যাব বুলি ভয় খাইছিলোঁ।আৰু তাতোকৈ ভয় খাইছিলোঁ মই যদি মৰি থাকিলোঁ হেতেন, তেন্তে এই মানুহজন যে হাৰ্ট এটেক হৈ মৰি গলহেঁতেন সেইয়া নিশ্চিত আছিল।

নিজকে ধিক্কাৰ দিলোঁ।
স্বাৰ্থপৰ মই।
ভয়াতুৰ মই।
ককাৰ ওচৰত নিজকে অপৰাধী যেন লাগিল।

যোগেশ দাৰ লগত মই বহি থাকোঁ, মা দেতাৰ হাজাৰ বাধাও মই নামানো, হস্পিতালতে চিঞঁৰি চিঞঁৰি কাজিয়া কৰোঁ।কিন্তু তথাপি ককাক এৰি নাযাওঁ।কিজানিবা মই ঘূৰি আহি লগ নাপাওঁ।
আইতাৰ দৰে যদি ককাও নাইকিয়া হৈ যায়।

গ্লাছৰ খিড়িকী খনেদি বাহিৰৰ পৰাই চাই থাকোঁ।ককাই উশাহ লৈছেনে?
যোগেশ দাৰো মোৰ কাৰণে বেয়া লাগে,ওচৰতে বহি কিবাকিবি বুজাই থাকে।মই কিন্তু একো নুশুনো।মোক সেই সময়ত কেৱল ককাক ঘূৰাই লাগে।আজীৱন এই মানুহজনৰ যত্ন লম মই।
মাত্ৰ এটা সুযোগ দিয়া ভগৱান!
কাহানিও প্ৰাৰ্থনা নকৰা মই বাৰে বাৰে হাত যোৰ কৰি ওপৰলৈ চাওঁ।

অপাৰেচনৰ আগ মুহূৰ্ততো ককাৰ ওচৰত মই থাকোঁ।
:মা অ’, মোৰ একো নহয় দে, আইতাই কৈ থৈ গৈছে মোক, তোৰ সৈতে থাকিবলৈ।
সেহাই সেহাই কথাবোৰ কয় ককাই।
কান্দিছিলোঁ সেইদিনা,বছৰ বছৰ ধৰি সাঁচি ৰখা চকুপানীবোৰ বোৱাই দিছিলোঁ।ককাক ধৰি লৈ মই খুব কান্দিছিলোঁ।
ডাক্তৰে গালি পাৰিছিল, মই কিন্তু শুনা নাছিলোঁ।

প্ৰায় এক সপ্তাহ দিন হস্পিতালত কটাই ককা ঘূৰি আহিছিল, আগতকৈ অলপ দুৰ্বল হৈ।আৰু মই নিজৰ খোলাটোৰ পৰা ওলাই দিনে ৰাতিয়ে ককাৰ পাছে পাছে লাগি ফুৰিছিলোঁ।
ককাৰ লগতে শুইছিলোঁ, খাইছিলোঁ।
গীতা পঢ়িছিলোঁ, বাঁহী বজাইছিলোঁ।
আকৌ এবাৰ জী থাকিবলৈ চেষ্টা কৰিছিলোঁ।

:Aah
হঠাৎ জোৰেৰে ব্ৰেক মৰা গাড়ীখনে মোৰ চিন্তাৰ ধাৰাত ব্যাঘাত জন্মালে।কাষত বহি থকা অনিৰুদ্ধই দুচকু জপাই গান শুনি আহিছিল, ব্ৰেক মাৰোঁতে সন্মুখৰ ছিটটোত ধামকৈ কপাল খন দি খুন্দা মাৰিলে।
:Are you alright?
কপালত হাতখন দি সৰু ল’ৰাৰ নিচিনাকৈ মূৰটো জোকাৰি দেখুৱালে।
মূৰটো মোৰ ফালে আগবঢ়াই দিলে, ফু কৰি দিয়া, তেনে এটি আব্দাৰত।
অসহজ লাগিল, কিন্তু কৰিলোঁ।

তেওঁ চকুকেইটা জপাই থৈছে।লাহেকৈ ফু মাৰি দিওঁতে কঁপালৰ চুলিকেইডাল খেলিমেলি হৈ গ’ল।
:কি ভাবি আহিছা ইমানকৈ?
তেওঁৰ প্ৰশ্নৰ উত্তৰ নাই।
:Nothing.
এইসময়ত আমি কৃষ্ণ গিৰি পাইছোহি।ৰাস্তাটোৰ কাষতে এটা সুন্দৰ হ্ৰদ।চৌপাশ খুব ধুনীয়া।
:Just look at that.
পৰিৱেশটো দেখি তেওঁ যেন excited হৈ গ’ল।মোৰ বেছিয়েই ওচৰ চাপি আহিল।মই যিমান পাৰোঁ নিজকে আঁতৰাই আনিলোঁ নিজক।অলপ লাজ পালে চাগে তেওঁ..
:Oh Sorry.
:You should be!
কঠোৰ হোৱাৰ ইচ্ছা নাছিল, কিন্তু মই তেনেকুৱাই।মুখৰ পৰা কোমল কথা আজিকালি নোলায়েই।
:অনন্যা,মই কলৈ যাম নুসুধা?
:Nope.

:This nope is surely killing me slowly.
একো উত্তৰ নিদিলোঁ, দিয়াৰ ইচ্ছা নহ'ল।
অনিৰুদ্ধই কিবাকিবি কৈছিল, মই বাহিৰলৈ চালোঁ।
কিছু সময় আকৌ নীৰৱতা।

আৰু মোৰ কাণৰ পৰা earpod টো নিজেই আঁতৰাই তেওঁ কৈ উঠিল...
:মই একেটা ভুল দুবাৰ নকৰোঁ অনন্যা।তুমি খুলি কৈ দিয়া প্লিজ, মই তোমাক যদি আমনি দিছোঁ, মই নিজক আঁতৰাই নিম।I respect you a lot .You can tell me,should I go away?
একেবাৰে সৰুকৈ কোৱা কথাকেইটাই কিন্তু মোৰ বুকুত বৰ ডাঙৰকৈ খুন্দা মাৰিলে।
:I don't know Anirudh, I just don't know.

কিয় মই আনৰ দৰে নহয়?
কিহে মোক আনৰ দৰে হ'বলৈ নিদিয়ে!
এইবোৰ কথাই মোক আমনি দিব নোৱাৰা হৈছে আজিকালি, কিন্তু অনিৰুদ্ধক দিছে।
তেওঁ বিচাৰে মই তেওঁৰ সৈতে সহজ হৈ কথা পাতো, তেওঁক কিবা এটা সুধো,তেওঁৰ কথাত হাঁহিবলৈ শিকো, কিন্তু তেনেকুৱা একো হৈ নুঠে।
অনিৰুদ্ধ নিৰাশ হয় বাৰে বাৰে, আজিও হৈছে।
মই কেনেকৈ কওঁ অনিৰুদ্ধ, ক'ৰ পৰা আৰম্ভ কৰোঁ, ক'ত গৈ শেষ কৰোঁ।
খুলি নকলেওতো বুজিব পাৰে মানুহে, কিছুমান কথা নোকোৱাকৈ, নজনাকৈ থকাই ভাল।
হাতত ক'ৰবাৰপৰা আহি পানী অকণ পৰা যেন লগাত কাণৰ হেডফোন আঁতৰাই চালোঁ, অনিৰুদ্ধই উশাহ ল'ব পৰা নাই, চলি থকা গাড়ীত পানী খাওঁতে খুব বেয়াকৈ চৰুচৰণি খাইছে।কাঁহি কাঁহি ৰঙা পৰি গৈছে গোটেই মানুহজন।
বুকুখনত ধৰি ধৰি জোৰে জোৰে কাঁহিছে।
মনত পৰিল ককাৰ সেই অসহায় মুহূৰ্তবোৰলৈ।
একো নাভাবি তেওঁৰ হাতৰপৰা বটলটো লৈ ছিটত থ'লো।নিজৰ ছিটৰপৰা উঠি তেওঁৰ ওচৰতে থিয় হৈ আছোঁ,মুখৰ পৰা পানীখিনি মচি দিলোঁ।
চাই আছে মোৰ ফালে,আচৰিত নে অভিভূত, নাজানোঁ।
কিবা ক'ব খুজিছিল,এনেতে আয়ু উঠি আহি তেওঁৰ পিঠিখন মোহাৰি দিলে।সকলোৱে কি হৈছে বুলি ঘূৰি চালে।
তেতিয়াহে যেন মই কি কৰি আছোঁ বুজি পালোঁ।

নিজৰ ঠাইত আহি বহিলো।
অলপ পাছত তেওঁ ঠিক হ'ল।

:এইটো বটল পেলাই দিব।
বহল মুখৰ বটলটোৰে পানী খাওঁতে আগতেও চৰ্চৰণি খাইছে অফিচত।ইমানকনো নাজানে।ল'ৰাবোৰ কিছুমান কথাত ইমান অঁকৰা কিয় থাকে বুজি নাপাওঁ।আয়ুকো দেখিছোঁ, অনিৰুদ্ধও একেই।
:ঠিক আছে, পেলাই দিম।
:এতিয়া ভাল লাগিছে নে?
কিয় সুধিলোঁ নাজানোঁ, কিন্তু মুহুৰ্তৰ বাবে ময়ো ভয় খাইছিলোঁ, তেওঁৰ উশাহ বন্ধ হৈ যাব যেন দেখি মোৰো উশাহ বন্ধ হৈ যোৱাৰ দৰে হৈছিল।
কিয় হৈছিল, সেইয়াও বুজোঁ, কিন্তু মগজুৰ পৰা সেই উত্তৰ হৃদয়লৈ যাবলৈ দিয়াত মই অপাৰগ।
এই মানুহজনৰ প্ৰতি মোৰ আকুলতা আছে, মৰম আছে,আদৰ আছে।
তেওঁক দেখিলে মোৰ ভাল লাগে, আনে নকৰা কামবোৰ কৰা মানুহজন মোৰ কিবা এটা চিনাকি যেন লাগে।আৰু তেওঁ যেতিয়া মোলৈ চাই,মোৰ বুকুৰ কোনোবাখিনিত নতুন সপোন এটাই গঁজালি মেলে।

:মই ইমান জলদি নমৰো দিয়া।
:মৰাৰ কথা কোনেনো কৈছে।
:তেন্তে ইমান ভয় কিয় খাইছিল?কিয় তোমাৰ চকুকেইটাত এতিয়াও পানী বিৰিঙি থকা দেখিছোঁ?

মোৰ মাজে মাজে মগজটো নাইকিয়া হৈ যায়, আৰু তেতিয়াই মই এনেকুৱা কাম কিছুমান কৰোঁ।হয়, কৰিলোঁ মই এইটো মূৰ্খামি।কি দৰকাৰ আছিল তেওঁৰ ওচৰত নিজক উদঙাই দিয়াৰ।

:আয়ু, ইয়ালৈ আহ।
জোখতকৈ বেছি চিঞঁৰি আয়ুক মাতিলোঁ।
:Sorry.I was just pulling your leg.আৰু বটলটো বাৰু মই পেলাই দিম।
যি কয় কৈ থাকক, মৰিলেও ঘূৰি নাচাওঁ।এই চকুযুৰিয়ে যাদু জানে।
অনন্যাক গলাব পৰা যাদু, নতুন সপোন দেখুৱাব পৰা যাদু।
গ্লাছখন আৰু অলপ খুলি মুকলি বতাহত নিজকে এৰি দিলোঁ।এজাক চেঁচা বতাহে মোক কোবাই গৈছে, মেলি ৰখা আউল বাউল চুলি খিনি হাতেৰে সামৰিব নোৱাৰি বেগৰ চেইন খুলি ক্লাচ্চ বিচাৰিবলৈ ধৰিলোঁ।
:Take this.

পকেটৰ পৰা কিবা এটা উলিয়াই তেওঁ মোৰ ফালে আগবঢ়াই দিলে।মই তেওঁৰ গাড়ীত এৰি অহা ক্লিপডাল।
এতিয়াও আছে?
লগতে ৰাখিছে?

:I was waiting for a moment like this to return it, take it.
হাতৰ পৰা ক্লিপডাল লওঁতে অলপ হলেও কঁপি উঠিলোঁ,এই নতুন নতুন কথাবোৰ, সৰু সৰু পলবোৰ,মোৰ কলিজাৰ ইফালে সিফালে আজিকালি ঘনাই ভুমুকি মাৰিবলৈ ধৰিছে।

যিটো বয়সত এইবিলাক ভাল লাগিব লাগিছিল, ভাল পাব লাগিছিল, সেইখিনি সময়ত মই নিজৰ লগতে যুঁজি থাকিলোঁ।পলাই ফুৰিলোঁ সকলোৰে পৰা।ককাৰ অসুখৰ পিছত মই আৰু বেছি নিঃসংতাত ভুগিবলৈ ধৰিছিলোঁ।ৰাতি ৰাতি উঠি উঠি ককাই উশাহ লৈ আছে নাই চাই থাকোঁ, ককাই অকণমান কাহিলেও চিঞৰ বাখৰ লগাওঁ।এইবোৰ দেখি দেখি ককা যেন আৰু বেছি চিন্তিত হৈছিল।আৰু তাৰ মাজতে এদিন মায়ে মোক আকৌ এবাৰ আচৰিত কৰি নিজৰ সিদ্ধান্ত শুনালে।
:পঢ়া শুনা এনেকৈ বাদ দি কি কৰিম বুলি ভাবিছ?
ভাতৰ টেবুলত সেইদিনাও মই ককাই খোৱাৰ নিচিনাকৈ খিছিৰি খাইছিলোঁ।মা দেউতাই তৰা আৰু নতুনকৈ অহা বাহাদুৰে বনোৱা নতুন ৰেচিপিৰ সোৱাদ লৈছিল।
:মইতো এৰো বুলি এৰা নাই, এৰুৱাই দিলে মই কি কৰিম।
:ক'লকাতা যাব লাগিব তই।এবছৰে এণ্ট্ৰেন্সৰ কাৰণে অকণমান যদি পঢ়িলিহেঁতেন,মোৰ ইমান মূৰৰ কামোৰণি ন'হলহেঁতেন।
:একো নাই, মই মেনেজ কৰি দিম।
অপৰাধীৰ দৰে মোৰ পৰা সদায় পলাই ফুৰা দেউতাৰ চমু উত্তৰ।
:মই ক'ত পঢ়োঁ সেইটো মই দিছাইড কৰিম।
:নোৱাৰ।সৰ তোৰ ইচ্ছামতে নচলে মাজু।তোৰ বাহিৰেও আৰু মানুহ আছে এইখন ঘৰত।এজনীতো জীয়াই আছেনে মৰিলে তাকো খবৰ নাই, এতিয়া চকুৰ আগত তই এনেকৈ থাকি কি শাস্তি দিব খুজিছ মোক ?কি কি সহিম মই?
মোক কোৱা কথাকেইটাৰ শেষৰ শাৰীটো মায়ে ককাৰ ফালে চাই কৈছিল।আৰু আচৰিত ধৰণেৰে সেইদিনা মৌন হৈ ৰৈছিল ককা।

:মাৰৰ লগত তৰ্ক কৰি নেথাকিবি, পঢ়িবলৈ হে কৈছে, তোৰ ভালৰ কাৰণেই কোৱা নাই জানো আই।
:মই তোমাক এৰি ক'তো নাযাওঁ ককা।
:একেবাৰে যাব নালাগে নহয় মা,আহি থাকিবি আকৌ, প্লেনত আহিলেচোন দুঘণ্টা মানতে পাবিহি।ময়ো যাম নহয়।আৰু আমাৰ প্ৰদীপ আছেই তাত।
:কোন প্ৰদীপ?
:পাহৰিলি হ'ব পায়,কেলেই দেউতাৰৰ বন্ধু।আগেয়ে ইয়াতে আছিলে।এতিয়া তাতে কিবা ডাঙৰ ব্যৱসায় কৰে।
:মই গুচি গলে তুমি একেবাৰে অকলে অকলে হৈ যাবা।
:অকলে অকলে নহয়, অকলশৰীয়া।কেলেই হ'ম,নহওঁ, মোৰ লগত আইতা আছে,মাধৱ আছে।যি মানুহৰ অন্তৰত ঈশ্বৰ থাকে, সেই মানুহ কেতিয়াও অকলশৰীয়া নহয়।মাধৱে অৰ্জুনক কুৰুক্ষেত্ৰৰ যুদ্ধতো লগ দিছিল,আমাক জীৱনৰ যুঁজত নিদিবনে??

তাৰ পাছত অনেক দিন অনেক ৰাতি মই ভাবিছিলোঁ, নিজৰ লগত তৰ্ক কৰিছিলোঁ।আৰু শেষত সিদ্ধান্ত লৈছিলোঁ।মই যাম।ককাৰ কাৰণেই মই যাম।
এদিন নিজৰ ভৰিত থিয় হৈ ককাক লৈ যাম ইয়াৰপৰা।
এখন ঘৰ বনাম, য'ত কেৱল ককা আৰু মই থাকিম।
মা দেউতা, তেওঁলোকৰ অহংকাৰ,কাজিয়া, ফোঁপোলা অভিজাত্য, এইবোৰ একো নোহোৰা এখন সৰু ঘৰ।

স্মৃতিবোৰ চকুপানীৰ টোপাল এটা হৈ সৰি পৰিল।
:We will reach your PG in just half an hour.ইমানদেৰি না তুমি কিবা এটা ক'লা না মোক কিবা কোৱাৰ সুযোগ দিলা।কিয় অনন্যা?
:কি ক'ম?
:তোমাৰ যি মন যায়।
:অনিৰুদ্ধ।
:হমম।
:You should not leave this team.
:You gonna miss me?
:Nope.
:Aah

ৰুমৰ ওচৰ পালোহি।অনিৰুদ্ধ গান শুনাত ব্যস্ত।চকুকেইটা জপাই বেলেগ এখন পৃথিৱীত বিচৰণ কৰি আছে।আয়ু আৰু হিবা উঠি গ'লেই।মইহে ওলায়েই যাব পৰা নাই।
:Excuse me.
নাই, একো উত্তৰ নাই।
উপায় নাপাই আঙুলিৰে তেওঁৰ বাহুত লাহেকৈ খুঁচি দিলো।
:Oouch.
:মই নামিব লাগে।উঠি দিব নেকি?
:নিদিওঁ।
:What!!!!!
হাঁহি এটা মাৰি তেওঁ উঠিল।সকলোকে বিদায় জনাই নামি আহিলোঁ।তেওঁ খিড়িকীয়েদি চাই আছে।এবাৰ ঘূৰি চালোঁ।
ইংগিতত জনালে ফোন কৰিম।উত্তৰ নিদিলোঁ।
আয়ু আৰু হিবাক কথা পাতিবলৈ এৰি মই আগবাঢ়িলোঁ।এইকেইটাৰ গোটেই ৰাস্তাটো কথা পাতিও এতিয়ালৈকে শেষেই নাইহোৰা।
:ঐ জাপৰী, ৰহ।
:কি হ'ল।

:ঘৰলৈ যাবি নে কি ক আকৌ, টিকেট কাটিব লাগে নহয়।
:মই ট্ৰেইনত যাম, তই ফ্লাইট ল ধনী মানুহ।
ট্ৰেইনত যোৱাৰ আন কাৰণ নাই।পইচা কেইটামান বাচিব।আৰু এতিয়া মই অযথা পইচা খৰছৰ কথা ভাবিবও নোৱাৰোঁ।আহোঁতে ককাক লৈ এনেয়েও ফ্লাইট ল'বই লাগিব।আয়ুক আৰু একো কোৱাৰ সুযোগ নিদিয়াকৈ ৰুমলৈ আহিলোঁ।অত্যন্ত ভাগৰ লাগিছে।দীঘলকৈ উশাহ টানি বিচনাত নিজকে এৰি দিছো।অনিৰুদ্ধৰ ফৰাছী পাৰ্ফিউমৰ সুগন্ধি এতিয়াও উশাহত আছেই।হাজাৰবাৰ ভাবোঁ, হাজাৰবাৰ নিজকে ভুল প্ৰমাণিত কৰিব খোজোঁ।অনিৰুদ্ধ মিছা, অনিৰুদ্ধৰ মোৰ প্ৰতি থকা আত্মীয়তা মিছা।মই ভালপোৱাৰ যোগ্য কেনেকৈ হ'ম।মোক চোন মোৰ মা দেউতাইও ভাল নাপায়।
বুকুৰ বাওঁফালে বিষ এটাই উক দিছে, কি হৈছে নাজানো।
বিচনাত অলপ সময় তলমূৰ কৰি পৰি থাকিলোঁ।
উশাহ লৈছোঁ যদিও বিষটো আছে।
এমাহমানৰ পৰা বেছি ঘনে ঘনে অনুভৱ হৈছে, ডক্টৰৰ ওচৰলৈ যোৱা মানে এসোপা মান টেষ্ট, হাজাৰ টকাৰ খৰছ।
মনৰ জোৰতে উঠি আহি পানী অলপ খাই মুখ হাত ধুই আবেলিৰ চাহকাপ বনাবলৈ ল'লো।

আজিকালি আমি ৰূমতে চাহ বনাই খাওঁ।পিজিৰ গাখীৰ চাহ কাপ দুখ লগা।সেইকাৰণে induction এটা আনি লৈছোঁ।
:অনন্যা,মেৰে লিয়ে ভি স্পেচিয়েল ছাই বনা দ' পিলিছ।
হিবাই মোৰ হাতৰ চাহ খাই ভালপায় আজিকালি।আদা আৰু জালুক দিয়া চাহকাপ প্ৰথম মই কলিকতাৰ বিশেষ এখন দোকানত খাইছিলোঁ।একেই সোৱাদ, একেই ভাললগা।
ককাৰ আশীৰ্বাদ লৈ ঘৰৰ পৰা ওলাই আহি এডমিছন লৈছিলোঁ কলিকতাৰ এখন সম্ভ্ৰান্ত শিক্ষানুষ্ঠানত।দেউতাই মোটা অংকৰ ডনেছন দি মেনেজমেণ্ট কোটাৰ ছিট এটা মোক দিয়ালে।Electronics and Telecommunications বিভাগত অনিচ্ছাসত্বেও জইন কৰিলোঁ।Mechanical Engineering কৰাৰ হেঁপাহ ৰখা মই একেবাৰে অনীহা ৰাখিছিলো এইটো বিভাগত।কিন্তু উপায় নাপায় লৈছিলোঁ।দেউতাই কি কৰি কি মিলাই মোক এডমিছন দিয়াইছে ময়ো ভালকৈ জনা নাছিলো।গতিকে তৰ্ক কৰাৰ প্ৰশ্নই নুঠে।
যি পাইছোঁ তাতেই সন্তুষ্ট হোৱাৰ দৰে আছিল কথাবোৰ।
কলেজৰ হোষ্টেলত ছিট নাছিল।গতিকে সিদ্ধান্ত হৈছিল মই প্ৰথম ছেমিষ্টাৰটো প্ৰদীপ খুড়াৰ ঘৰত থাকিম।তেওঁৰ ঘৰত কেৱল তেওঁ আৰু তেওঁৰ পত্নী।পুত্ৰ সিদ্ধাৰ্থ তেতিয়া ৰাছিয়াত থাকিছিল।দেউতাই যে মোক নজৰত ৰাখিব বিচাৰিছে সেইয়া মই খুব ভালকৈয়ে বুজি পাইছিলোঁ।প্ৰদীপ খুড়া মানুহজন খুব মৰমীয়াল আছিল, লগতে তেওঁৰ পত্নী অৰুনিমা খুড়ীও।
'ঘৰ'যেন লগা এখন ঘৰ,মৰম আৰু হাঁহিৰে উমাল।
প্ৰথম দেখিয়েই মোক সাৰটি কোৱা মানুহগৰাকীৰ মাজত মই মমতা বিচাৰি পাইছিলোঁ।
ভাল লাগিছিল।
এটা ৰাতি থাকি দেউতা ঘূৰি যাবলৈ ওলাই মোক এখন ATM কাৰ্ড দি কৈছিল

:যি লাগে উলিয়াই ল'বি।
:নালাগে, ককাই পইচা পঠিয়াই দিম বুলি কৈছে ।
দেউতাই একো প্ৰতিবাদ কৰা নাছিল।
:মই মাজে মাজে আহি থাকিম।
:মোক লগ কৰিবলৈ?ককাক লৈ আহিব পাৰা যদিহে আহিবা।নোৱাৰিলে আপুনিও আহিব নালাগে।
:হ'ব।
:অচিনাকি মানুহক বৰকৈ বিশ্বাস নকৰিবি, আৰু কিবা লাগিলে পৰদীপক ক'বি।
:চিনাকি মানুহকে বিশ্বাস নকৰোঁ, অচিনাকি বাদেই দিয়ক।
কথাষাৰ দেউতাৰ বুকুভেদি পাৰ হৈ গৈছিল।সুন্দৰ চেহেৰাৰ দেউতাৰ মুখৰ কেহেৰাজ বৰণ মোৰ চকুত পৰিছিল।বিচনাৰ কাষতে থকা study টেবুল খনতে ATM কাৰ্ড খন থৈ দেউতা গুচি গৈছিল।মই তেওঁক আগবঢ়াই দিবলৈকো ওলাই অহা নাছিলোঁ।খুড়া খুড়ী আচৰিত হৈছিল, কিন্তু মোক একো সোধা নাছিল।আমাৰ পৰিয়ালৰ ভিতৰুৱা কথাবোৰ তেওঁলোকে জানে।গতিকে মোক প্ৰশ্ন কৰি যে লাভ নহয় সেইয়া বুজি উঠিছিল।

আৰম্ভ হৈছিল নতুন জীৱন।কলেজ লাইফ।আৰু মই ডুবিছিলোঁ বেলেগ এখন দুনীয়াত।নতুন ফ্ৰেণ্ড, নতুন ঠাই আৰু কিছুমান নতুন নতুন অভিজ্ঞতা।খুড়া খুড়ীৰ সৈতে কিন্তু মই নিৰ্দিষ্ট দূৰত্ব বজাই ৰাখিছিলোঁ।কাৰণ মোৰ সকলো কথাই যে তেওঁলোকে দেউতাক কৈ দিব মই জানিছিলোঁ।খুব সাৱধান আছিলোঁ সেই ক্ষেত্ৰত।মোৰ নতুন বন্ধু বান্ধৱী কাকোৱেই মই ক'ত থাকোঁ জানিবলৈ দিয়া নাছিলোঁ।মোক লগ কৰিবলৈকো আহিবলৈ দিয়া নাছিলোঁ।পঢ়া শুনাৰ বাহিৰে সকলো কৰিছিলোঁ।ককাক দিয়া কথা মই যেন পাহৰি পেলাইছিলোঁ।মা দেউতাৰ অত্যাধিক শাসনৰ তলত গুজৰি গুমৰি থকা মই মুক্ত হৈ উৰিছিলোঁ।পইচাৰ কাৰণে চিন্তাই নাছিল, নিৰ্লজ্জৰ দৰে দেউতাই দি থৈ যোৱা কাৰ্ডখনেৰেও পইচা উলিয়াইছিলোঁ।মুঠতে বেপৰুৱা এটা জীৱন।মা দেউতাৰ ওপৰত প্ৰতিশোধ লৈছোঁ বুলি ভাবি মই নিজকে আৰু বেছি ধ্বংসৰ পথলৈ লৈ গৈছিলোঁ।

চাহ উতলি পৰি গ'ল।হিবা দৌৰি আহিল।
:তুম পাগল হ',কাঁহা ধ্যান ৰেহতা হে তুমহাৰা?
:হিবা!
:ক্যা হোৱা?
:Anirudh said that...
:what?
:Nothing.

মোবাইলৰ স্ক্ৰীণত চিনাকি নম্বৰ এটা দেখি দৌৰি আহিলোঁ।
:হেল'
:মা...ই।
:থুপু....

বুকুৰ বাওঁফালৰ বিষটো দুগুণ বেছিহৈ খুন্দা মাৰি ধৰিলে।এই এটা মাতৰ কাৰণে মৰি মৰি জীয়াই আছোঁ মই।
:মাজু, মই মনে মনে ফোন কৰিছোঁ আজি, তই কেতিয়া আহিবি?
:বা প্লিজ আকৌ এবাৰ তাৰ মাতটো শুনিব দে মোক, প্লিজ বা।
বিচ্ছিন্ন হৈ গৈছে লাইনটো।উফ আৰু নোৱাৰোঁ।এই চক্ৰবেহুৰ পৰা কেনেকৈ নিজকে উলিয়াই আনিম মই।কিয় ইমান জটিল মোৰ প্ৰতিটো দিন,প্ৰতিটো ৰাতি।
ফোনটো দলিয়াই দিছোঁ, শেষ কৰি দিম যেন লাগিছে সকলোবোৰ।
হাতত চাহৰ কাপ লৈ ৰৈ থকা হিবাই মোৰ অস্থিৰ অৱস্থাটো দেখি আঁতৰি গৈছে।
:Ananya, you have a visitor.
কুক জনৰ মাতত ওলাই আহি তললৈ চালোঁ।
ভিজিটিং ৰূমত অনিৰুদ্ধক দেখি মই যেন মোৰ হেৰুৱা উশাহটো ঘূৰাই পালোঁ।তেওঁ কিয় আহিছে সোধাৰ সময়ো মোৰ নাছিল।
:Hey, are you okay, Annanya..?
কঁপি থকা ওঁঠ দুটা আৰু বুকুৰ বিষটোৱে মোক কথা ক'বলৈ নিদিলে।মাত্ৰ মূৰটো জোকাৰি তেওঁক বুজালো, মই ঠিকে নাই, একেবাৰেই নাই।
ইফালে সিফালে চাই অনিৰুদ্ধ কাষ চাপি আহিল।মূৰত হাত থৈ এটাই কথা কৈ গ'ল
:তুমি ভবাতকৈও বহুত বেছি শক্তিশালী তুমি।তুমি ঠিকে থাকিবই লাগিব অনন্যা।মই আছোঁ,থাকিম।
মোৰ হাতত এটা সৰু পেকেট দি আঁতৰি যোৱা মানুহজনলৈ চাই মই এটাই কথা ভাবিছোঁ
“অনিৰুদ্ধ যদি সঁচা তেন্তে মই জীয়াই থাকিব পাৰিম”।

পেকেটটো খুলি বহুপৰ চাই আছোঁ।
ভিতৰত এটা সৰু পিতলৰ wind chime. উলিয়াই অনাৰ লগে লগে মধুৰ শব্দৰে বাজি উঠিল।ফুৰিবলৈ গৈ তেওঁ সকলোৰে কাৰণে কিবা নহয় কিবা এটা আনিছিল।প্ৰথম দিনাই টানিয়া আৰু সুভাষিণীৰ হাতত দেখিছিলো তেওঁ লাডাখৰ পৰা অনা কিছুমান বস্তু।মোলৈ কিবা আনিছে বুলি মই সপোনতো ভৰা নাই।অনাকাংক্ষীত ভাৱে লাভ কৰা ক্ষুদ্ৰ উপহাৰো আশীৰ্বাদ যেন লাগে।
গধুৰ মনটোক আওকাণ কৰি ওঁঠত পাতলীয়া হাঁহি এটা খেলি গ'ল।

খিৰিকীৰ ওপৰৰে গজালটোত আঁৰি থ'লো।পেকেটতো পেলাবলৈ বুলি লওঁতেই ভিতৰত আৰু কিবা এটা আছে যেন লাগিল।জোকাৰি চাওঁতে সৰু অকণমানি সোণালী ৰঙৰ ঝুমকা এযোৰ সৰি পৰিল ।সৰু সৰু rose gold পাথৰ থকা কাণফুলিযোৰ হাতত লৈ চাই থাকোঁতেই হিবাই থপিয়াই নিলেহি।
:Ayooooo, so cute.Ananya.

:Yeah, very cute.
:Anirudh likes you na?
:পতা নেহী।
:মুঝে বতা সকতি হ’।
:অভি নেহী হিবা।অভি নেহী।
কথাবোৰ নিজেই বুজা নাই ভালকৈ।জীৱনটো নতুনকৈ আৰম্ভ কৰা ইমান সহজ নহয়।পুৰণি দিনৰ ভয়াৱহ স্মৃতি কিছুমান এতিয়াও ছাঁৰ দৰে মোৰ পিছে পিছে ঘূৰি ফুৰে।মই যিমানেই আগলৈ দৌৰো, সিমানেই পিছলৈ টানি আনে মোক।মই আকৌ মোৰ চাৰিওফালে প্ৰাচীৰ বান্ধি লুকাই যাওঁ।
অকলে থকাৰ অভ্যাস কৰোঁ।
নিজৰ মাজত সম্পূৰ্ণ হ’ব পৰা মানুহ এজনী হোৱাৰ সপোন দেখোঁ।
স্বয়ংসম্পূৰ্ণ হোৱাৰ হাবিয়াসে মোক যেন বেছিহে নিসংগ কৰি পেলাইছে।অনিৰুদ্ধ মোৰ জীৱনলৈ অহাৰ পাছত এনে লাগে,ময়ো হাতত হাত থৈ আগবাঢ়ি চাওঁ নেকি?
ময়ো ‘মোৰ’ কিছু কথা ‘আমাৰ’ কৰি লওঁ নেকি?
অসহায় যেন লাগিলে মোৰ বাবে ৰৈ থকা অনিৰুদ্ধক সাৱটি লওঁ নেকি?
তাৰপিছত...
তাৰপিছত অনিৰুদ্ধ যদি মিছা হয়!!
তেওঁ যদি এটি ভ্ৰম হয়!!
তেওঁ যদি মোক চুই চাই পেলাই দিয়ে, নাইবা জোখতকৈ জোৰেৰে হেঁচা মাৰি ধৰি মোৰ উশাহবোৰ নাইকিয়া কৰি দিয়ে!!
ককা আৰু থুপুৰ পৰা মোক আঁতৰাই লৈ আনে!!
এনেকুৱা নোহোৱাৰ দাবী কোনোৱেইতো কৰিব নোৱাৰে!!!

:ঐ ছোৱালী, ইয়াতে ফ্ৰী খানা খাই খাই কিমানদিন থাকিবা আৰু।
প্ৰদীপ খুড়াৰ ঘৰত থকা তেতিয়া প্ৰায় তিনিমাহ হৈ গৈছিল।প্ৰথম বছৰত হোষ্টেল নাপাওঁ বুলি নিশ্চিত আছিলোঁ।খুড়া খুড়ীয়ে নিজেই ৰখাইছিল।প্ৰাইভেট হোষ্টেল বিচাৰিলে বেয়া পাইছিল।কিন্তু হঠাৎ তেওঁলোকক চাৰপ্ৰাইজ দিবলৈ অহা পুত্ৰ সিদ্ধাৰ্থই মোক হজম কৰিব পৰা নাছিল।অহাৰ দিনাৰপৰাই আমাৰ সৰু সুৰা তৰ্ক আৰম্ভ হৈয়ে গৈছিল।খুড়া খুড়ীয়ে বুজাই বুজাই হাৰি গৈছিল।কিন্তু সিদ্ধাৰ্থৰ মনোভাৱ সলনি হোৱা নাছিল।

কলেজৰপৰা আহিয়েই মই মোৰ ৰুমটোত সুমাই থাকোঁ।খোৱা টেবুলত নাখায় নিজৰ ৰুমতে খাবলৈ লৈছিলোঁ।এমাহৰ কাৰণে অহা সিদ্ধাৰ্থ মোৰ কাৰণে এবছৰীয়া আলহীৰ দৰে হৈ পৰিছিল।মই আকৌ ঘৰত থকাৰ দৰে ৰুমতেই সুমাই থকা হৈছিলোঁ।
কলেজৰ নতুন বন্ধু বান্ধৱীবোৰৰ মাজত মই কেৱল নিজকে জোৰ কৰিহে ৰাখিছিলোঁ।কাৰোৰে লগত মই

এবাৰলৈও নিজক মিলাই চাব পৰা নাছিলোঁ।কিছু অভিজ্ঞতাৰ বাবেই হওক বা মা দেউতাৰ অৱহেলাৰ বাবেই হওক, মই অকালপক্ক আছিলোঁ।সিহঁতৰ অদ্ভুত ধেমালি কিছুমানত মোৰ ভীষণ খং উঠিছিল।
মনে মনে আঁতৰি আহিছিলোঁ।আৰু লাহে লাহে মই নিজৰ বাবে শামুকৰ খোলাৰ দৰে কিবা এটা নিৰ্মাণ কৰিছিলোঁ।

তাৰ পাছত...
এদিন মনে মনে ৰুমত চিগাৰেট হুপি আত্মবিভোৰ হৈ থকা অৱস্থাত দুৱাৰত টোকৰ পৰিল।ৰাতি চাৰে এঘাৰ বজাত মোৰ ৰুমলৈ আগতে কোনো অহা নাই।লৰালৰিকৈ চিগাৰেট লুকুৱাই, গোটেই ৰুমতে deodrant মাৰি দৰ্জা খুলিলোঁ।
সন্মুখত সিদ্ধাৰ্থ।
:কি লাগে।
:I am sorry yaar. ভিতৰলৈ আহিব দিয়া।
দৰ্জাখন প্ৰায় ঠেলা মাৰি সোমাই আহি চিধাই বিচনাত বহা সিদ্ধাৰ্থৰ কথাৰ সুৰ বেলেগ আছিল।
আনদিনাতকৈ কোমল,নম্ৰ।
:মোৰ গাৰ্লফ্ৰেণ্ড বৰ পজেছিভ।তুমি ইয়াত থকাটো তাই ভাল নাপায়।সেইকাৰণে কামুৰি আছিলোঁ তোমাক।
:মই হোষ্টেল চাই আছোঁ।
চকী খনত বহি টেবুলত থকা কিতাপখন এনেই লুটিয়াই আছোঁ।
:আৰামছে থাকা,মই তাইক কৈ দিছোঁ তুমি অলৰেডি ইয়াৰপৰা গুচি গৈছা বুলি।
:মিছা কথা নোকোৰা হ'লেও হয়।
:তুমি মিছা কথা নোকোৰা নেকি?মায়ে কৈছে তোমাৰ past life বোলে তামাম ইন্টাৰেষ্টিং।
:মানে?
:Oh come on.তুমি বোলে বহুতৰ লগতে কিবাকিবি কৰি আছিলা তাত?সেইকাৰণে ইয়াত থৈ গৈছে তোমাৰ পাপাই।
অলপ মজা মোকো দিয়া না প্লিজ।
:খুড়া... খুড়ী...
:মা পপাক মাতি লাভ নাই বেবী,এইটো ৰুমৰ পৰা তালৈকে মাত নাযায়।তাতে দৰ্জা বন্ধ,টিভি ফুল ভলিউমত লগাই থোৱা আছে... All set baby, all set.
বিছনাৰ পৰা উঠি আহি মোৰ চকীখনৰ হেণ্ডেল ডালত হাত থৈ ৰৈ আছে সিদ্ধাৰ্থ।ময়ো চাই আছোঁ, ইমান লেতেৰা কথাৰ উত্তৰ দিব মই নাজানোঁ।
কিন্তু মই কিবা কৰাৰ বা কোৱাৰ আগতেই সি মোৰ মুখ খন জোৰকৈ মেলি সৰু পিল এটাৰ নিচিনা কিবা এটা ভৰাই দিলে।
আৰু মই যাতে সেইটো উলিয়াই পেলাব নোৱাৰোঁ তাৰ কাৰণে মুখ খন চেপি ধৰি থাকিল।লাহে লাহে পিলটো গলি মুখত এটা অদ্ভুত সোৱাদ লাগিল।মোৰ চাৰিওফালৰ বস্তুবোৰ যেন ধোঁৱা ধোঁৱা।আৰু মোৰ চকীখন যেন উৰি গৈ আছে, লগতে ময়ো।

মূৰটো আছে, গাটো যেন নাই।
জিভাখন ডাঠ, চকুকেইটা গধুৰ।

এখন হাত মোৰ ফালে আহি আছে..... আহি আছে।
হাতখন মুখ হ'ল,মুখ খন শৰীৰ হ'ল।
উশাহ ল'ব নাইপৰা, কিন্তু নিজকে লৰচৰ কৰিবও নাইপৰা মই।
আৰু হঠাৎ মুখ খন চিনাকি চিনাকি লাগিল...
বিকাশৰ নিচিনা...
তাৰ বন্ধুবোৰৰ নিচিনা...
সেই নতুন নিচা ইমানেই শক্তিশালী আছিল যে মই একোৰেই কৰিব পৰা নাছিলোঁ।
কিন্তু যেতিয়াই মোৰ শৰীৰৰ কাপোৰ বোৰ খহিবলৈ ধৰিলে, সেই বিষাক্ত দিনটোৰ স্মৃতিবোৰ ঘূৰি আহিল, মোৰ গাটো জিকাৰ খাই উঠিল।
সিদ্ধাৰ্থৰ তলপেটত জোৰেৰে গোৰ মাৰি দিলোঁ।
তাৰ পাছত বহুত চেষ্টা কৰি দৰ্জাখনৰ ওচৰ পালেহি, জোৰে জোৰে চিঞঁৰিলো।নাই কাৰোৰে সঁহাৰি নাই।
প্ৰায় আধা ঘন্টা ধৰি এখন যুজঁ চলিল বন্ধ কোঠাত।
বস্তুবোৰ চেদেলি ভেদেলি হৈ পৰিল।
দুয়োটাৰে শৰীৰত ঘাঁ।
তথাপি সিদ্ধাৰ্থই হাৰ মনা নাই।আকৌ এবাৰ জঁপিয়াই পৰিল মোৰ ওপৰত।

বিছনাৰ কাষত লুকুৱাই থোৱা বিয়েৰৰ বটল ভাঙি মোৰ বুকুৰ সোঁমাজত গুজি দিব খুজিছিল।উফৰাই দিওঁতে এছোৱা কাটি লৈ গ'ল।
:অনন্যা, অনন্যা।
দুৱাৰত টোকৰ পৰিল।খুড়ীৰ মাত শুনি সিদ্ধাৰ্থ আঁতৰি গ'ল।দৌৰি গৈ দৰ্জা খুলি দিলোঁ।ৰূমত কি ঘটিছিল বুজিবলৈ তেওঁৰ বাকী নাথাকিল।
:বাবু, কি কৰিছ তই ইয়াত, ৰূমত যা।
মাত্ৰ সেইষাৰ বাক্য???
আৰু একো নাই ক'বলৈ???
খুড়ীৰ ঘৃণাৰ দৃষ্টি মোৰ ওপৰত হে পৰিল।সমস্ত দোষ যেন মোৰেই আছিল।
:খুড়াৰ আগত এইবোৰ ক'ব নালাগে।তুমি চল দিছা কাৰণে সি চল পাইছে।আৰু ল'ৰা মানুহৰ এইটো বয়সত ভুল হয়েই।

মাৰ দৰে মৰম কৰা খুড়ী এক মিনিটতে আন এজনী মানুহলৈ ৰূপান্তৰিত হৈছিল।
পুত্ৰস্নেহত অন্ধ মানুহ।
বাথৰূমত গৈ বমি কৰিছিলো, নাকৰ পৰা বৈ আহিছিল ৰঙা ৰঙ সোঁত।

মন,শৰীৰ সকলোবোৰ অসুখীয়া।
এটা এটাকৈ বস্তুবোৰ সামৰি থাকোঁতে ককালৈ মনত পৰি কান্দিছিলোঁ।কিন্তু কাকোৰেই একো ক'ব নোৱাৰিলোঁ

আজিও পৰা নাই।হয়তো কেতিয়াও নোৱাৰিম।

আচৰিত কথা কি জানেনে?
জীৱন চলি থাকে, বৈ নাযায়।আমি বৈ যাওঁ, দিনৰ পিছত দিন, মাহৰ পিছত মাহ, বছৰৰ পিছত বছৰ।
আৰু কেতিয়াবা...কেতিয়াবা একো একোটা যুগ।
নিজকে তেতিয়া চকৰিৰ দৰে লাগে, উঠিছোঁ, লৰচৰ কৰিছোঁ, কিন্তু আকৌ একেঠাইতে আহি বৈ গৈছোঁ।
মোৰ জীৱনটো ঠিক তেনেকুৱাই।
ঘূৰিপকি আহি এটা বিৰাট শূন্যত আহি বৈ যায়।কিছুদিন পাছত জীৱনৰ সাতাইশটা বছৰ পাৰ কৰিম, কিন্তু মই মোৰ নিসংগ শৈশৱৰ খং অভিমানবোৰত আজিও ছটফটাই আছোঁ।

:অফিচ নেহী জানা অনন্যা?
আঠটা বাজিল।কালিৰ দিনটোত হৈ যোৱা ঘটনাবোৰে ৰাতিটো শুবলৈ নিদিলে।হিবাই মোৰ বিচনাৰ ওচৰৰ খিড়িকী খন খুলি দিলে।মৃদু বতাহ এছাটি ৰূমৰ ভিতৰলৈ সুমাই আহিল।লগতে ফুলৰ সুগন্ধি।এইসময়ত আমাৰ ইয়ালৈ ফুল বিকা মানুহজন আহে।আণ্টিয়ে খোপাত লগাবলৈ গজৰা আৰু পূজাৰ বাবেও ফুল কিনে।লগতে পিজিৰ কিছু ছোৱালীয়েও ফুল কিনি পূজা কৰে।মইহে নাস্তিক ইয়াত।হিবাইতো যেনেতেনে কৰি হ'লেও দিনটোত পাঁচবাৰ নামাজ পঢ়ে।
এবাৰ ককাই কৈছিল, মোৰ অস্থিৰ মনক প্ৰাৰ্থনাৰ প্ৰয়োজন।একান্ত ভাৱে কৰা প্ৰাৰ্থনাই মনক প্ৰশান্তি আনি দিয়ে।
পৰাপাৰহীন দুখৰ মাজতো ক্ষণিকৰ বাবে হ'লেও মানুহে শান্তি বিচাৰি পায়।
কৰি চাম কেতিয়াবা, যেতিয়া ঈশ্বৰ আছে বুলি বিশ্বাস কৰিব পাৰিম।
অনিৰুদ্ধই দিয়া wind chime টো মৃদু শব্দ কৰি বাজি আছে।ঠিক যেন এটা গুঞ্জৰিত প্ৰাৰ্থনা।শুনিলেই বুকুখন ভৰি যোৱা সুৰ।বিচনাৰ পৰা উঠি আহিবলৈকে গাত জোৰ নাই যেন লাগিছে।ডক্টৰৰ ওচৰলৈ যাম বুলিও যোৱা হোৱা নাই।তাতে অনিৰুদ্ধই যদি সঁচাকৈ প্ৰজেক্ট এৰি যোৱাৰ সিদ্ধান্ত লৈছে তেন্তে কাম আৰু দুগুণ বাঢ়িব।তাতে সুভাষিণীও মেটাৰ্নিটি লিভত যাব।কি যে হ'ব !!!
মই মানে য'তেই যাওঁ তাতেই সৱ খেলিমেলি।

গা ধুই অকল চাহ একাপ খাইয়েই অফিচলৈ ওলালো।আজি ব্ৰেকফাষ্টত ‘ওপমা’ দিছে,মই খাই বিৰাট বেয়া পাওঁ।অফিচতে কিবা খাম বুলি হিবাৰ লগত ওলাই আহিলো।

সময়তকৈ সোনকালেই পালোহি অফিচ।কেৱল সুৰেশ আহিছে।টানিয়া আজি ছুটিত আছে।তাই ৰাতিপুৱাই টিমৰ whatsapp গ্ৰুপটোত মেছেজ কৰিছিল।
মোৰ ডেস্কৰ ওচৰ পাই দেখোঁ অনিৰুদ্ধ নিজৰ ছিটত বহি কাম কৰি আছে।
:গুড মৰ্ণিং।
কাহানিও কৰি পোৱা নাই।আজি কিয় জানো মন গ'ল।ময়েই আগতীয়াকৈ মাত লগালো।
:Excuse me???I mean, are you real!!Or its just me daydreaming like a teenager !!
কৈয়েই হা হা কৈ হাঁহি দিলে ।কিহে পাইছিল জানো মোক।নমতা হ'লেই ভাল আছিল।নিজেৰ ছিটত গৈ বহি থাকিলো।তেওঁৰ হাঁহি শুনি সুৰেশ উঠি আহিল।কিয় হাঁহিছে তাকে সুধি আকৌ এবাৰ মোক লাজত পেলালে।লেপটপটো খুলি মেইল পঢ়াৰ ভাও জুৰি আওকাণ কৰিলোঁ।
:So Ananya, ready to face your new lead. He is just opposite to our ‘happy go lucky’ Anirudh.

সুৰেশৰ কথাত কি কম ভাবি নাপালোঁ, এনেই হাঁহি এটা মাৰি শলাগ লৈ থৈ দিলো।ইতিমধ্যে মেইল আহিছে আমাৰ নতুন লিড হ'ব অমৃত ৰাজাশেখৰণ।কোন চিনি নাপাওঁ।
মই কিবা সোধাৰ আগতেই সুৰেশে ক'লে যে তেওঁ আগতে এইটো টিমতে আছিল।দুবছৰমান আগত কিবা কথাত লাগি এৰি গৈছিল।এতিয়া অনিৰুদ্ধৰ ঠাই ল'ব পৰা বেলেগ মানুহ নাই বাবে সুৰেশে বহুত ৰিকুৱেষ্ট কৰিছে ঘূৰি আহিবলৈ।আৰু লগতে জনালে অমৃত অলপ খঙাল মানুহ।কামৰ ক্ষেত্ৰত অলপ খেলিমেলিও সহ্য নকৰে।আজিৰপৰা তেওঁ আহিব অনিৰুদ্ধৰ পৰা কাম শিকিবলৈ।যিহেতু কাম বহুত শিকিবলগীয়া আছে, সেইবাবে অনিৰুদ্ধক দুসপ্তাহ নহয়, দুমাহৰ পাছতহে প্ৰজেক্ট এৰি যাবলৈ দিয়া হ'ব।কিয় জানো মনত অলপ ভাল লাগি গ'ল।অন্ততঃ আৰু দুমাহ তেওঁক লগ পাই থাকিম।আমাৰ মাজত কিবা সম্পৰ্ক থাকক বা নাথাকক, এই মানুহজনক দেখিলে মই সাহসী হৈ উঠোঁ।
আকৌ এবাৰ জী উঠাৰ প্ৰয়াস কৰোঁ।
:মোক আৰু দুমাহ সহ্য কৰিব পাৰিবা নে?
সুৰেশ আঁতৰি গৈছে।ঘূৰি চাই দেখোঁ তেওঁৰ দৃষ্টি কম্পিউটাৰ স্ক্ৰীণত।অভ্যস্ত আঙুলি কেইটাই তেতিয়াও কিবাকিবি টাইপ কৰিয়েই আছে।
:কি চাই আছা,কোৱা আকৌ।পাৰিবা তো?
:মই সহ্য কৰি আছোঁ বুলিনো কেতিয়া কৈছোঁ?
টেবুলত হাতেৰে ভেজা দি তেওঁ চকীখন চলাই আনি মোৰ ওচৰ পালেহি।মই তেওঁৰ চকুলৈকে চাই আছোঁ।কাম কৰোঁতে তেওঁ চছমা পিন্ধি লয় সদায়, আজিও পিন্ধিছে।
কিন্তু তেওঁৰ চকুৰ চাৱনি তেতিয়াও মই সহ্য কৰিব নোৱাৰোঁ।
সব খেলিমেলি হৈ যায়।

:তেন্তে মোৰ পৰা ইমান পলাই ফুৰা কিয়?ভয় কৰা?
:আজিলৈকে এনেকুৱা কোনো মানুহ জন্ম হোৱা নাই যাক মই ভয় কৰোঁ।
:সেইটো তোমাৰ ভ্ৰম।তুমি মোক ভয় কৰা, বহুত বেছি ভয়।Now take this.
জেপৰপৰা বগা ৰুমাল এখন উলিয়াই মোৰ হাতত দিলে, একো বুজিব নোৱাৰি অঁকৰাৰ নিচিনাকৈ তেওঁৰ মুখলৈ চাই থাকিলো।তেওঁ আঙুলিৰে কপাল খনলৈ দেখুৱালে।বিন্দু বিন্দু ঘাম।
তাৰমানে?
মই সচাঁকৈ ভয় কৰোঁ নেকি অনিৰুদ্ধক???
তেওঁ আঁতৰি গ'ল।সুভাষিণীৰ মাত শুনি ময়ো লেপটপটো হাতত লৈ আনটো কিউবিকেললৈ খোজ ললো।

যিমান পাৰোঁ নিজকে কামৰ মাজতে ব্যস্ত ৰাখিলোঁ।লাঞ্চ ব্ৰেকৰ পাছতেই সুৰেশৰ লগত অমৃত আহিল।মানুহজন দেখাতেই অলপ খঙাল নিচিনা।বেছি একো কথা নাইপতা কাৰো লগত।সৰৱে লগতে গহীনত কথা পাতি থকা মানুহজন কিন্তু অনিৰুদ্ধৰ লগত বেলেগ।
:What's up bro?
Bro??
Really?
দুয়োটা মানুহ ইমান বিপৰীত অথচ 'bro' ।দুয়োজনে হাঁহি হাঁহি আমাৰ ফালেই চাই চাই কিবা কথা পাতি থাকিল।মাজতে সুভাষিণী উঠি গৈ তিনিওজন একেলগে চাহ খাবলৈ ওলাই গ'ল।আজি অফিচৰ পৰিৱেশটো কিবা বেলেগ ধৰণৰ।নিজকে অকলশৰীয়া নিচিনাও লাগিছে।টানিয়া নাই,কৃতিকাও ছুটিত।প্ৰশান্তই মোৰ লগত এনেয়েও বেছি কথা নাপাতে।সোনকালে কাম কেইটা কৰি ওলাই যাব পাৰিলেই হ'ল। সাত বজাৰ মিটিং খন আজি নাই। গতিকে দেৰিলৈকে নাথাকিলেও হ'ব। যেনেতেনে চাৰে ছয় বজালৈকে বহি থাকিলো।
বেগ সামৰি ওলাই আহোঁতে সৰেই চালে।সুৰেশক গা বেয়া লাগিছে বুলি কৈ গুচি আহিলো।অনিৰুদ্ধ আৰু অমৃত তেতিয়া নিজৰ ঠাইত নাই।দেখাৰ আগতে পলাব খুজিছোঁ মই।
আৰু গ্লাছৰ দৰ্জাখন ঠেলি ওলাই আহিয়েই সেই দুজনকে দেখিলোঁ।অনিৰুদ্ধই আচৰিত হৈ এবাৰ মোলৈ আৰু এবাৰ হাতৰ ঘড়ীটোলৈ চালে।
মই কাষেদি পাৰ হৈ গুচি আহিলোঁ।
:Amrit, you go to my place, I will just come okay.

অনিৰুদ্ধ যে মোৰ ওচৰলৈ আহিছে জানিও পিছলৈ ঘূৰি চোৱা নাই।কোবাকুবি কৈ গৈ লিফ্টত সুমাই বন্ধ হোৱা বুটামটো টিপি দিলোঁ।কিন্তু তেওঁ হাতখন মাজত দি ৰখাই দিলে।
:Too much Ananya.
:দেৰি হৈছে মোৰ।
:কি কামৰ কাৰণে দেৰি হৈছে?
:পাৰ্চনেল উৰৰ্ক।
:আৰু কিমান মিছা কথা কোৱা।আৰু দেৰি হৈছে যদি মই থৈ আহিম।আগতে মোৰ কথাটোৰ উত্তৰ দিয়া।

মই যিমান পাৰোঁ লিফটখনৰ চুকটোত সুমাই আছোঁ।তেওঁ দুৱাৰখনৰ সন্মুখত ৰৈ মোৰ ফালে নোচোৱাকৈ কথাবোৰ কৈ আছে।

:কি কথা মোৰ মনত নাই।

তেওঁ ঘূৰি লৈ মোৰ একেবাৰে সন্মুখত থিয় হ'ল।লিফ্ট তেতিয়া দহ নম্বৰ ফ্লুৰ পালেগৈ।মই মানে লৰালৰিত আপ বুটাম টিপিলোঁ।

মই পাগল,পক্কা পাগল।

:মনত পেলাই দিব লাগে?

মই তেতিয়াও লিফটখনৰ display খন চাই আছোঁ।তললৈ নামিছে।আঁঠ নম্বৰ মহল পাইছেহি।অনিৰুদ্ধ আৰু মোৰ মাজত এতিয়া মাত্ৰ এটি উশাহৰ বাট।মুখত chewing gum লৈ দৃষ্টি মোৰ ওপৰতে ৰাখি লাহে লাহে কি প্ৰশ্নৰ উত্তৰ পঢ়িবলৈ লৈছে তেওঁ মই নাজানো।

আৰু ঠিক তেনেতে...

ধামকৈ শব্দ কৰি লিফ্টখন ৰৈ গ'ল।

সকলো আন্ধাৰ।

:Shit!Shit!Don't worry, I am here.

তিনি আৰু দুই নম্বৰ মহলৰ মাজতে লাগি ধৰিলে।এতিয়া কি হ'ব মই নাজানো।অনিৰুদ্ধই মোবাইলটো উলিয়াই চালে, নেটৱৰ্ক নাই।লিফ্টত এটা emergency বুটাম থাকে।তেওঁ সেইটো টিপিছে যদিও কাম কৰা নাই।

তাৰমানে এতিয়া অপেক্ষাৰ বাহিৰে আন উপায় নাই।

পোহৰত মোক প্ৰশ্ন কৰি মোৰ একেবাৰে ওচৰত ৰোৱা মানুহজন কিন্তু আন্ধাৰত মোৰ পৰা একেবাৰে আঁতৰত লিফটখনৰ আনটো মূৰত ৰৈ আছে।

আন্ধাৰৰ সুযোগ নোলোৱা পুৰুষ।

থাকে নেকি?

মই প্ৰথম দেখিছোঁ।

বেয়া পাওঁ বুলিলেও বেয়া পাব নোৱাৰা এই মানুহজন মোৰ আজিকালি ভাল লগা হৈ আহিছে।মিঠা মিঠা অনুৰাগ এটা নতুনকৈ জাগিছে।

:Ananya.

:Hmmmm

:Relax, we will be fine, okay ??Don't worry.

সৰু ল'ৰা ছোৱালীয়ে যে ভয় খালে মাক দেউতাকে বুজাই দিয়ে ,ঠিক তেনে এটি সুৰত অনিৰুদ্ধই মোক ক'লে।

:Hmm.

কিছুসময় তেনেকৈয়ে পাৰ হ'ল...

মোবাইলটো উলিয়াই পোহৰ কণ লৈ মই নিজেই তেওঁৰ ফালে আগবাঢ়ি গ'লো।

কাষতে ৰৈ থাকিলোঁ।এইখিনিতেই মোৰ সাহসবোৰ মোলৈ ৰৈ থাকে।

মোবাইলটো চাৰ্জ নাই।কিমান দেৰি চলে নাজানোঁ।
তেওঁৰ হাতত যিহেতু পোহৰ আছে,মোৰ ফোনটো মই বেগৰ কাষৰ চেইন ডাল খুলি ভৰাই থ'লো।
আকৌ নীৰৱ কিছু মুহূৰ্ত...
অনিৰুদ্ধই তেওঁৰ সোঁ হাতখন মোৰ ফালে আগবঢ়াই দিলে।
আৰু একো নাভাবি আন্ধাৰতে খামুচি ধৰিলোঁ।আঙুলিৰ ফাঁকে ফাঁকে আমাৰ নোকোৱা আবেগবোৰ বিয়পি পৰিল।
অনিৰুদ্ধই তেতিয়াও বাওঁহাতেৰে নিজৰ মোবাইলটোৰে লিফ্টখন পোহৰাই ৰাখিলে,মই যাতে ভয় নাখাওঁ তাৰবাবে।
তেওঁ নাজানে, মই আন্ধাৰতো বিশ্বাস কৰা মানুহ তেওঁ।
বাওঁহাতখন তেওঁৰ হাতত এৰি সোঁহাতেৰ নিজৰ বুকুত হাত দি চালোঁ।উশাহবোৰ এতিয়া ঘন নহয়।
শান্ত।
প্ৰশান্ত।

আমাৰ আশে পাশে এতিয়া কিছু কথা বতাহত উৰি ফুৰিছে।ধৰি আনি ওঁঠত গুজি ল'বলৈহে আমি দুয়ো অপাৰগ।
কোনে কয়??
মৌনতা অসহনীয়।মইতো ভালপাওঁ, বহুত বেছি ভালপাওঁ।বুকুৰ ভিতৰৰ নেদেখাবোৰ চাবলৈ, নোপোৱাবোৰ চুবলৈ, মৌনতাৰ বাহিৰে আছেইবা কি???
অনিৰুদ্ধৰ হাতৰ মুঠিটো লাহে লাহে আৰু বেছি সৰল হৈ আহিছে।সামান্য পোহৰত উজলি থকা মুখ খন মোৰ ফালে ঘূৰাই তেওঁ মোক চাই আছে, আৰু মই সন্মুখলৈ চাই ভাবিছোঁ...
যদি মই কেতিয়াবাই নিজক শেষ কৰি দিলোহেঁতেন, এই মুহুৰ্তৰ ভাল লগা খিনি হেৰুৱাই পেলালোহেঁতেন।
ইমানবোৰ চকুপানীৰ পাছত হাঁহি এটা ৰৈ আছে বুলি নাজানিলোঁহেঁতেন।
আমি আচলতে জীয়াই থকাৰ সপোন সদায় দেখিব লাগে।
:অনন্যা...
:হমম
:কি ভাবিছা?ভয় লাগিছে নেকি?
:Nope.
তেওঁ সৰুকৈ হাঁহি দিলে।উত্তৰ নো কি দিম।এইখিনি সময় মনে মনে থাকি পাৰ কৰিব খুজিছো।ভাল লাগিছে তেনেকৈয়ে।
কৰ্কশ শব্দ এটা কৰি লিফ্টখন খোল খালে।লাইটবোৰ জ্বলি উঠিল।অনিৰুদ্ধই হাতখন এৰি দিলে।দুয়ো ওলাই

আহিলোঁ।
:কি কাম আছে নোকোৰা?
:এনেই, কিবা এটা ভাল নাইলগা আজি।
:গা বেয়া লাগিছে?
:নাই।
:Life is tough Ananya, but trust me, everyone is suffering,struggling,fighting their own battles everyday.
:মোৰ জীৱনটো বহুত বেলেগ অনিৰুদ্ধ।
:মোৰ বিষয়ে তুমি কি জানা?কেতিয়াবা মোক সুধিছা,মই কেনে আছোঁ?
কথাষাৰে মোক চুই গ'ল।কিমান বেছি স্বাৰ্থপৰ মই।আজিলৈকে অনিৰুদ্ধক এবাৰলৈও সোধা নাই, কেতিয়াও জানিবৰ ইচ্ছাও কৰা নাই।ভালে আছেনে আপুনি?
দুয়ো আহি তেতিয়া অফিচ বিল্ডিংটোৰ বাহিৰত।
:মই ড্ৰপ কৰি দিওঁ?
:নালাগে, মই কেব লৈ ল'ম।
:ভালকৈ যাবা।
এক মিনিটো তাত ৰৈ নাথাকিল তেওঁ।উভটি খোজ ল'লে।মই চাইয়ে ৰ'লো তেওঁক।ইমান সুখী, ইমান প্ৰাণময়, ইমান হাঁহি থকা মানুহ এজনৰ মনত আন কিবাও থাকিব পাৰে নেকি?যদি আছে তেন্তে তেওঁ কিয় অকল মোক ক'ব বিচাৰে।মইতো তেওঁৰ কোনো নহয়।
অলপ পিছত কেবখন আহি ওচৰত ৰ'লহি। আগৰ ছিটটোত বহিবলৈ গৈ দেখোঁ মানুহ এজন বহি আছে।কোলাত এটা প্ৰায় এবছৰীয়া কেঁচুৱা। প্ৰথম যেতিয়া অফিচত দেখিছিলোঁ দেউতাক কিছুমানে নিজৰ কেঁচুৱাক অফিচলৈ লৈ আনে, গোটেই দিনটো খোৱাৰ পৰা আৰম্ভ কৰি ডায়েপাৰ সলোৱা, কান্দিলে লৈ লৈ ফ্লুৰটোৰ ইফালৰ পৰা সিফালে ঘূৰাই ফুৰোৱা, এই সকলো কাম কৰে তেতিয়া মনটো ভাল লাগিছিল।সদায় বেয়া পাই অহা দেউতা শব্দটোলৈ অকণমান সন্মান জাগিছিল।

কেঁচুৱাটো দেউতাকৰ কোলাত থিয় হৈ পিছলৈ চাই আহিছে।পিছৰ ছিটত মই আৰু আন এগৰাকী মহিলা।তেওঁ লেপটপ খুলি কাম কৰি আছে।কেনিও চাবলৈ সময় নাই।ইমান মৰমলগা কেঁচুৱাটোৰ ফালেও মূৰ দাঙি চোৱা নাই।মইহে চাই চকু কেইটা টিপিয়াই দিলোঁ।খিলখিলাই হাঁহি দি মোৰ ফালে হাত দুখন মেলি দেখুৱালে।একোলা ল'ব লাগে যেন তেনে এটি ভাৱত।দেউতাকে দেখা পাই হাঁহি দেখুৱালে।
:Can I please hold him for once?
:Sure.
নিজৰ কোলাত আলফুলে তুলি লোৱা অকণমানিটোক চাই মই আকৌ এবাৰ শিয়ঁৰি উঠিলোঁ।
"থুপু"
উফ।এনেকুৱাই, ইমানেই মৰমলগা এখন মুখ।মোৰ থুপু।ফুলা ফুলা গাল আৰু ডাঙৰ ডাঙৰ চকু।মোৰ কোলাত এনেকৈয়ে হাঁহে সি।আকৌ বা কেতিয়া দেখোঁ তাক।

শেষৰবাৰ যেতিয়া তাক দেখিছিলোঁ, সি পৰথম মোক মাতিব পৰা হৈছিল।বাক এৰি মোৰ লগত শুইছিল।সৰু হ'লে কি হ'ল,প্ৰতিটো শিশুৱে বুজি পাই তাৰ লগত প্ৰকৃত ভালপোৱা কাৰ আছে।কোনে তাক বুকুৰ মাজত সামৰি ৰাখিব খোজে।সি মোৰ মুখত হাত দি কলকলাই কিবা এটা কয়।মই বুজি পাওঁ।মোৰ দৰে সি ও লাহে লাহে অদৰকাৰী হৈ পৰিছে সেইখন ঘৰত।মই তাক সাৰটি ধৰিলে সি গোটেইটো কুচিমুচি সুমাই থাকে।তিনিবছৰ সম্পূৰ্ণ হোৱাই নাই তেতিয়া তাৰ।
মোৰ বুকুখন আৰু বেছিকৈ বিষাবলৈ ধৰে।থুপুৰ জীৱনটো মোৰ নিচিনা হোৱাটো মই সহ্য কৰিম কেনেকৈ??
:Excuse me, I need to get down.
মাত্ৰ কেইটিমান মুহুৰ্তৰ বাবে মোক থুপুৰ কথা মনত পেলাই দিবলৈকে যেন আহিছিল অকণমানি কেঁচুৱাটো।দেউতাকে নামি যাওঁতে মোৰ কোলাৰপৰা পৰা লৈ যোৱা অকণমানিটোক মই নেদেখা হোৱালৈকে চাইয়ে থাকিলোঁ।
মনত পৰিল মোৰ আৰু এটি অসম্পূৰ্ণ কাম।মই অতদিনে ভয় কৰি থকা যুঁজ খন মই আৰম্ভ কৰিবই লাগিব। থুপুক মই মোৰ ওচৰলৈ আনিবই লাগিব।

ৰুমলৈ আহি দেখোঁ হিবা কান্দি কান্দি বিচনাত শুই আছে।কি হৈছে সুধি সুধি ভাগৰি গৈছোঁ কিন্ত নকয়।এবাৰ ধমকি দিয়াৰ দৰে সুধিলত ফটো এখন দেখুৱালে।দেখি কঁপি উঠিলোঁ।এইটো হিবাৰ ভায়েক।মুখ খন চিনিবই পৰা নাই।গোটেই গাতে তেজ।এক্সিডেণ্ট হ'ল চাগে।তাই তেতিয়াও একো কোৱা নাই।আকৌ সুধিলোঁ তাই গোটেইজনী জকজকাই উঠিল

:আপ কে হি ল'গ' নে মাৰা হে মেৰে ভাই ক'।
কথাটো শুনি উচপ খাই উঠিলোঁ।কি হৈছে একো ধৰিব পৰা নাই।আকৌ সুধিলত তাই ক'লে কেনেকৈ তাইৰ সৰু ঠাইখনত এতিয়া ধৰ্মীয় ৰাজনীতি চলিছে।সমনীয়া ল'ৰাৰ মাজত লগা সাধাৰণ কাজিয়া গৈ ধৰ্মীয় যুঁজ হ'লগৈ।আৰু তাৰে সুযোগ লৈ যাৰ যাৰ ব্যক্তিগত মতভেদ আছিল তেওঁলোকেও যোগ দিলেহি।হিন্দু মুছলিমৰ কাজিয়া হ'লগৈ।আৰু তাতে তাইৰ ভায়েকেৰ এই দশা হ'লগৈ।
হিবাৰ কথাৰ উত্তৰ মোৰ ওচৰত নাই।যোল্ল বছৰীয়া লৰাটোক এনেকৈ মাৰিব পাৰেনে মানুহে।
পাৰে।
মানুহে সৰ কৰিব পাৰে।
ঘৰত মাক অকলে।দেউতাক নোহোৱা ঘৰখন হিবাই চলাই আছে।তাইক যাবলৈ কাপোৰ কানি যি ওপৰতে আছিল বেগত ভৰাই দিলোঁ।মোৰো দুখ লাগিছে বহুত।এইবোৰ কথাৰ অন্ত নাই।পৃথিৱীখন শেষ হোৱাৰ পথত।কোনে ক'ত আৰম্ভ কৰিছিল সঠিককৈ কোনেও নাজানে।ইতিহাস খুঁচৰি কোনে চাব।মাৰিব লাগে, কাটিব লাগে।অকল ধৰ্মই নে,জাতি আৰু অঞ্চল বিশেষেও এই কাৰ্য্য চলিয়েই আছে।ডাঙৰ ডাঙৰ মানুহবোৰে জুইকুৰা জ্বলাই দিয়ে,মৰেগৈ হিবাৰ ভায়েকৰ দৰে সাধাৰণ মানুহবোৰ।

তাইক বাছ ষ্টেচনত থ'বলৈ আয়ু আহিল।কিন্তু হিবাই তাক ঘূৰিও নাচালে।তাৰ গাত নো কি দোষ।ময়েই কৈছিলোঁ থৈ আহ বুলি।কিন্তু এইখিনি সময়ত হিবাক বুজাই লাভ নাই।কেৱত উঠি হিবা গুচি গ'ল।বহুত দেৰিলৈকে আয়ু মোৰ ওচৰতে থাকিল।তাৰো মনটো বেয়া লাগিছে।ওচৰৰে সৰু চাহৰ দোকানখনত বহি দুয়োটাই সেইবোৰ কথাকে পাতি আছোঁ।কথাৰ মাজতে আয়ুয়ে ক'লে

:তাইক মই সঁচাকৈ ভাল পাওঁ জাননে।বিদ্যা শপত।তাই মোক চাগে আৰু নামাতে কেতিয়াও।

আয়ুলৈ চালোঁ।ইমান কোমল মনৰ লৰাটোক হিবাই বুজিব লাগিব।মই বুজাম।পৰিস্থিতি ভাল হওক, সকলো ঠিক কৰি দিম।

:তই বিশ্বাস কৰিছ ন।মা কচম কৈছোঁ।আমাৰ মায়েও জানে।

:আগতে তাইৰ ভায়েকটো ভাল হওক, সেইটো ভাৰ।এইবোৰ পিছতো পাতিব পাৰিবি তাইৰ লগত।সব কথাৰে এটা সময় থাকে।

সি কি বুজিলে নাজানো।চিগাৰেট টানি তাতে বহি থাকিল।

আয়ুক এৰি ৰুমলৈ খোজ ললোঁ।বেছি ভাবিব পৰা শক্তি এতিয়া মোৰ বাকী ৰোৱাগৈ নাই।মোবাইলটো হাতত তুলি নম্বৰ এটা ডায়েল কৰিলোঁ।বহুত দেৰি ৰিং হোৱাৰ পাছত..

:Hey, you alright?

:ওহোঁ।

:মই অফিচৰ পৰা ওলাইছোঁ, তোমাক চাই যাম এবাৰ।ওলাই আহিব পাৰিবা?

:হমম।

অফিচলৈ পিন্ধি যোৱা কাপোৰ কেইটা সলাই মুখ হাত ধুলো।কথাবোৰ মগজত তেতিয়াও পাক খাইয়েই আছে।ঘৰত পিন্ধা পাইজামা পিন্ধিয়েই তললৈ নামি আহিলোঁ।

কাৰোবাৰ বাবে অধীৰ অপেক্ষা...

এবাৰ চোৱাৰ হেঁপাহ

উশাহত তেওঁক সামৰি লোৱাৰ হাবিয়াস...

মিহিকৈ বৈ থকা চেঁচা বতাহজাকত ফাগুনৰ এমুঠি পলাশ বুলিয়া আৱেগ.. বৈ বৈ বাজিছে মিঠা এটি গীত.. শুনি কি নুশুনি তাৰ সুৰ..

চুলিখিনি সামৰি ঢিলা খোপা এটা বান্ধি লৈছোঁ।পাইজামাৰ পকেটত হাত দুখন ভৰাই গলিটোৰ সন্মুখত ৰৈ আছোঁ, এই যেন মুখত এটা মিঠা হাঁহি লৈ মোৰ ফালে আগুৱাই আহিব.. এই অনুভূতি একেবাৰেই নতুন, কিন্তু ভাললগা।

বিষন্ন সময়তো আমি যাক বিচাৰোঁ, হাজাৰ বেয়া লগাৰ মাজতো যাৰ এষাৰ মাত বা বিশ্বাসৰ এখন হাত আমাক লাগে, যাযাবৰী অনুভৱক লক্ষ্য বিচাৰি পাবলৈ যাৰ উপস্থিতিৰ প্ৰয়োজন হয়, সেইয়াই যদি ভালপোৱা... তেন্তে অনিৰুদ্ধক মই..???

ৰাস্তাটোৰ সিপাৰে গাড়ীখন ৰখাই তেওঁ নামি আহিল।অলপ ভাগৰুৱা।পাতল নীলা চাৰ্ট আৰু ফৰ্মেল ব্লেক পেন্টত এতিয়াও কিন্তু সম্পূৰ্ণ প্ৰফেচনেল । ৰাস্তাটো পাৰ হ'বলৈ ইফালে সিফালে চাওঁতে চুলিখিনি হাতেৰে ঠিক কৰি আছে।এইটো তেওঁৰ অভ্যাস।অফিচতো মন কৰোঁ।
এবাৰ আকৌ নিজলৈ চালো। ধুই ধুই ৰং যোৱা ঘৰত পিন্ধা পাইজামা আৰু একেবাৰেই ঢিলা টি চাৰ্টটো পিন্ধি আহিছোঁ।অলপ ভালকৈ আহিবতো পৰিলোঁহেঁতেন।নিজক লৈ বেছিয়েই উদাসীন মই।

তেওঁ আহি ওচৰ পালেহি।চিনাকি সুগন্ধি আকৌ এবাৰ উশাহত লাগিল।
:সব ঠিকে আছেতো, গা বেয়া নেকি তোমাৰ?
:গা ভালেই।
:মোক ফোন কৰিলা যে!I mean I am happy but..
অকণমান লাজ পালোঁ।কেনেকৈ কওঁ যে মোৰ মন গৈছিল কথা পাতিবলৈ, তেওঁক এবাৰ লগ পাবলৈ।
:I am sorry.. তেনেকৈ ফোন কৰি দিব নালাগিছিল।
:অহ প্লিজ অনন্যা,বেছি ফৰ্মেল তুমি।আমি এতিয়াও অচিনাকিৰ দৰে কিয় কথা পাতো?তুমি কিয় এতিয়াও সহজ নহয় মোৰ লগত।
:মই তেনেকুৱাই।
:সেইকাৰণে তো পাগল কৰিছা..
:Excuse me?
:Excused.
আকৌ মৌনতা।আমাৰ মাজত ইমানেই বেছি কথা আছে যে শব্দবোৰে বাট হেৰুৱাই বাৰে বাৰে।মই জানো,মই আৰম্ভ কৰিলে বহু কথাই সুধিব অনিৰুদ্ধই, বহু কথাই কৈ দিব মোক।
কিন্তু মই কিয় জানো বিচাৰিও নিজক খুলি দিব পৰা নাই তেওঁৰ সন্মুখত।অনিৰুদ্ধয়ো একো কোৱা নাই।ময়েই হিবাৰ ভায়েকৰ লগত হোৱা ঘটনাটো ক'লো।তেওঁ একো উত্তৰ নিদিয়াকৈ শুনি থাকিল।
:হিবা ঠিকে আছে?
:অলপ আগতে ওলাই গৈছে।9:30ত বাছ আছে।
:অকলে কিয় গৈছে?She must be very disturbed.Ayushman or you should have gone with her.
হয় তো।
হিবাই খঙতে একো নক'লেও আমাৰোতো দায়িত্ব আছিল।তাইৰ এই বিপদৰ মূহুৰ্তত অকলে এৰি দিলো।জোৰ কৰি হ'লেও যাব লাগিছিল।অন্ততঃ এই সময়ত তাইক অলপ সাহস দিব লাগিছিল।অনিৰুদ্ধই কেনেকৈ সকলোৰে কথাবোৰ বুজি পায়।ইমান দূৰলৈকে কেনেকৈ ভাবিব পাৰে সকলোবোৰ।

:এতিয়াও আধা ঘনটা আছে।মই ড্ৰপ কৰি আহিম।তোমাৰ বন্ধুক মাতি দিয়া।বাছখন জালাহল্লী ক্ৰছত ৰ'ব,আমি পাই যামগৈ।
আয়ুক ফোন কৰি সোনকালে ওলাই আহিবলৈ ক'লো।অনিৰুদ্ধৰ কথামতে হিবাকো ফোন কৰিলোঁ।তাই তেতিয়াও উচুপি আছে।বহুত বুজোৱাৰ পাছত তাই মান্তি হ'ল ,আয়ুক লগত নিবলৈ।কিন্তু তাইক ড্ৰপ কৰিয়েই সি ঘূৰি আহিব লাগিব।হিবাৰ ঘৰলৈকে আয়ু যাব নোৱাৰিব।আমাৰ বাবে হিবা ভালে কুশলে ঘৰ পাবগৈ লাগে।অনিৰুদ্ধই ঘৰত থৈ আহিবৰ বাবেও কৈছিল, কিন্তু হিবাই মানা কৰিলে।আয়ু অহালৈকে দুয়ো সেইখিনিতে ৰৈ থাকিলোঁ।অলপ পাছত সি দৌৰি দৌৰি ওলালহি।অনিৰুদ্ধই গাড়ী ঘূৰালে।মোক বাই বুলিও কৈ থৈ নগ'ল।সন্মুখৰ দৰ্জাখন খুলি আয়ু বহিল।মই তেওঁৰ ফালে চাই আছোঁ।আকৌ আহিব জানো ঘূৰি? যদি নাহে এবাৰ যাওঁ বুলিতো ক'ব পাৰিলেহেঁতেন।

ঘূৰিব লওঁতেই তেওঁ ধামকৈ দৰ্জা খুলি দপদপাই উঠি আহিল।
:What?আকৌ বেলেগকৈ কিয় মাতিব লাগে সদায়।দেৰি হৈছে বুজি পোৱা নাই।
:ময়ো যাম?
:You are impossible Ananya. Just get into the car.
:এনেকৈ??
:আমি পাৰ্টি কৰিব নাযাওঁ ৰাইট?গাড়ীত বহা।
:ইমান গালি দিয়ে ।
তেওঁ আঁতৰি যাওঁতে মুখতে বিৰবিৰাই কোৱা কথাটো তেওঁৰ কাণত পৰিল।
:I heard that.

বেংগালুৰুৰ ট্ৰেফিক ফালি গাড়ী আগবাঢ়িল।অনিৰুদ্ধই আয়ুক কিবাকিবি বুজালে।বিষয়টো যে খুব স্পৰ্শকাতৰ আৰু এতিয়া এই বিষয়ে যাতে একো আলোচনা নকৰে তাকো ক'লে।মোৰ লগত তেওঁ একো কথা পতা নাই।প্ৰায় আধা ঘণ্টাৰ পাছত আমি বাছ ষ্টপ পালোগৈ।হিবাক ফোন কৰি লগ কৰিলোঁ।তাই তেতিয়াও কান্দিয়েই আছে।কিন্তু আমাক দেখি অলপ হলেও যে তাই সাহস পাইছে সেইয়া চকুত পৰিল।অনিৰুদ্ধই তাইৰ হাতত গুজি দিয়া পইচা কেইটা তাই বাৰে বাৰে মানা কৰিছে।কিন্তু আমি সৱেই জানো তাইক এতিয়া পইচাৰ প্ৰয়োজন।তাতে মাহৰ শেষ।মই নিজৰ একাউন্টৰ পৰা যি পাৰোঁ তাইলৈ ট্ৰেন্সফাৰ কৰি দিলোঁ।তাই কোৱামতে অলপ আগতে ICU ত এডমিট কৰিছে ভায়েকক।সকলো ঠিক হৈ যাব বুলি কোৱাৰ বাহিৰে কিনো কম ভাবিয়েই নাইপোৱা।আমাৰ পৰা বিদায় লৈ আয়ু আৰু হিবা বাছত উঠিল।

:সব ঠিক হৈ যাব।Don't worry.
তেওঁৰ কথাবোৰত সাহস আছে, বিশ্বাস আছে।নিজেই গৈ সন্মুখৰ ছিটত বহিলো।তেওঁৰ ওঁঠৰ কোণত খেলি যোৱা মিঠা হাঁহিটো চকুত পৰিল।চিটবেল্ট লগাই গাটো এৰি বহিলো।ভৰিত পিন্ধা ফাৰৰ শ্লিপাৰ যোৰ খুলি ভৰি কেইটা মুকলি কৰি দিছোঁ।তেওঁ জানে মই AC ল'ব নোৱাৰোঁ।গ্লাছ খুলি দিলে।গাড়ী এইবাৰ ৰূমৰ ফালে নগৈ বিপৰীত দিশত আগবাঢ়িল।

:বিৰাট ভোক লাগিছে, প্লিজ এতিয়া পইচা নাই বাহিৰত নাখাওঁ বুলি নক'বা।
:ঠিক আছে নকওঁ।কিন্তু মই এনেকৈ ক'তো খাবলৈ নাযাওঁ।আপুনি খাই আহিব মই গাড়ীত বহি থাকিম।
:ভোক লগা নাই তোমাৰ?
:Nope.
:You and your 'nope' to everything.
তেওঁ কোৰাৰ সুৰটোত নাহাঁহি নোৱাৰিলোঁ।বাওঁহাতৰ বুঢ়া আঙুলিৰ নখটো কামুৰি হাঁহিটো ৰখাবলৈ চালো।
:কাইলৈ তোমাৰ নখ কাটি দিম অফিচত।সোনকালে আহিবা।এতিয়া বেলেগ কিবা খাবা, নখ নালাগে খাব।

গাড়ী গৈ ৰেষ্টুৰেণ্ট এখনৰ সন্মুখত ৰ'ল।তেওঁ নামি গ'ল ।মোক এবাৰো নামাতিলে।খং উঠি আহিল।অলপ জোৰ কৰি চাবতো পাৰিলেহেঁতেন।কিমান ভোক লাগিছে মই হে জানো।মোবাইলটো উলিয়াই এনেই কিবাকিবি চাই আছোঁ।
অলপ পিছত এহাতত পিজ্জা আৰু আনখন হাতত ছফ্ট ড্ৰিংক লৈ ওচৰ পালেহি।
:দৰ্জাখনতো খোলা।
দৰ্জাখন খুলি হাতত পেকেটটো ধৰি আছোঁ।তেওঁ তাৰপৰাই এটুকুৰা লৈ খাবলৈ লাগিল।ৰাস্তাৰ কাষত গাড়ী ৰখাই এনেকৈ খোৱাৰ অভ্যাস নাই মোৰ।ৰৈ আছোঁ।
:প্লিজ এতিয়া এনেকেও নাখাওঁ বুলি নকবা।খং উঠিব মোৰ।
কথা বহলাই লাভ নাই।এটুকুৰা লৈ খাবলৈ ল'লোঁ।তেওঁ Cold ড্ৰিংকৰ এটা ছিপ লৈ মোলৈ আগবঢ়াই দিলে।
একেডাল ষ্ট্ৰ' দি খাম?
আজিলৈকে মই কাৰো ঝুঠা নাখাওঁ।
মই নোখোৱা দেখি তেওঁ বুজি পালে।
:Oh sorry. দুটা আনিবলৈ দিগদাৰ হ'ল।লৈ আনিছোঁ ৰ'বা
:নালাগে।একেটোই হ'ব।
তেওঁ মিচককৈ হাঁহি দিলে।
এই হাঁহিটোৰ প্ৰেমত নপৰাকৈ আৰু কিমান দিন থাকিবি অন্যান্য???
আৰু তাৰপাছত একেডাল ষ্ট্ৰৰে গোটেইটো ড্ৰিংক শেষ হ'ল।
পিজ্জাৰ পেকেটটো ডাষ্টবিনত পেলাই তেওঁ গাড়ীত বহিলহি।

গাড়ী উভতিল।মোৰ ৰুমৰ দিশত।একো কোৱা নাই অনিৰুদ্ধই।
:মোলৈ কিয় ফোন কৰিলা নোকোৱা?
:এনেই।
:কথা পাতিব মন গৈছিল।
:হমম।
:কিয়?
:নাজানো।

:কেতিয়া জানিবা?

:

:অনন্যা।

:হ্মম।

:এইফালে চোৱা।

ৰাস্তাৰ কাষত গাড়ীখন ৰখাই দিলে তেওঁ।দহ বজাৰ সেৰেঙা ট্ৰেফিক।এখন দুখন গাড়ী পাৰ হৈ গৈছে।তেওঁৰ কথামতেই চালোঁ তেওঁৰ ফালে

:ভাল লাগে মোৰ লগত কথা পাতি?

বাৰে বাৰে কঁপি উঠিছে মোৰ ওঁঠ দুটা।

কেনেকৈ কওঁ অনিৰুদ্ধ?

কেনেকৈ বিশ্বাস কৰোঁ আপোনাক, কেনেকৈ ভাল পাওঁ নিজক?

:ভাল লাগে, এতিয়া নুসুধিব কিমান।

:Okay, I won't.

অনিৰুদ্ধই আৰু তাৰ পাছত একোৰেই নুসুধিলে।

ৰুমৰ ওচৰত মোক নমাই দি তেওঁ নিজেও নামি আহিল।গেইটৰ সন্মুখলৈকে আগবঢ়াই দিলে।কিন্তু আজি যে মোৰো তেওঁক এৰি শূণ্য কোঠাটোলৈ যাবলৈ মন যোৱা নাই।ইমান উকা উকা কিয় লাগিছে নাজানো।

:বাই।শুই যাবা সোনকালে।

:হ্মম।

:Ananya,come here.

:কোনো প্ৰশ্ন নকৰাকৈ মই তেওঁৰ আৰু অকণ কাষ চাপি গ'লো।এতিয়া যে মোৰ একো ভাবিবৰ মন যোৱা নাই।

:I am there for you, always.

গালখনত লাহেকৈ চুই দিলে অনিৰুদ্ধই।

বুকুখন ধককৈ উঠিল।

নিশাৰ আকাশৰ পৰা আইতাই তেতিয়া আমালৈকে চাই আছিল।

l am there for you, always.
গালখনত লাহেকৈ চুই দিলে অনিৰুদ্ধই।
বুকুখন ধককৈ উঠিল।

নিশাৰ আকাশৰ পৰা আইতাই তেতিয়া আমালৈকে চাই আছিল।
সদায় দুখোজ পিছুৱাই যোৱা মই আজি একে ঠাইতে ৰৈ আছোঁ।ঠাইখিনি শূণ্য।শাৰী শাৰী কৈ জকমকাই ফুলি থকা বুগেনভিলিয়া আৰু জোনাকে ছটিয়াই দিয়া সোণালী সোণালী এমুঠি পোহৰ।অনিৰুদ্ধৰ চকুত এনেকৈয়ে খেলি থাকে জোনাক, পোহৰ পোহৰ সপোন।মই বিচাৰি পাওঁ এটোপোলা উশাহ, মোক জীয়াই ৰাখিব পৰাকৈ।বাওঁহাতখন তুলি চুই চালো মোৰ গালত থকা তেওঁৰ সোঁহাতখন।
আস !
মোৰ সন্মুখত ৰৈ থকা মানুহজন সঁচা নে?
ইমান ভাললগা একেলগে বিচাৰি পোৱাটো সম্ভৱ নে?
মোৰ আৰু অলপ কাষ চাপি আহিল অনিৰুদ্ধ।
কলিজাৰ কম্পনত ভালপোৱাৰ ৰুণজুন শব্দ..
চকুকেইটা জপাই দিলোঁ,মেলি দিলেই যেন সপোন এটা ভাঙি থাকিব।
কপালৰ আগত পৰি থকা চুলিকেইডাল আঁতৰাই দিলে তেওঁ।
:অনন্যা...
:হমম..
ডিঙিটো যেন কিহবাই সোপা মাৰি ধৰিছে, কথাবোৰ বাহিৰলৈ ওলোৱা নাই, আৰু বেছি ভিতৰলৈহে সুমাই গৈ আছে।মোক সামৰি ল'বলৈ মই নিজেও পৰা নাই এতিয়া।
আৰু...
খেলিমেলি অনুভৱৰ মাজত দিশহাৰা হৈ উপঙি ফুৰা অস্থিৰ মনটোক বুটলি আনিব খোজোঁতেই...
অলপ হাউলি অনিৰুদ্ধই কৈ উঠিল
:Mystery girl, now go from here or just hold me before I fall for you again..
লাজ কৰিব মই নাজানো, কিন্তু চকু মেলি সন্মুখত হাঁহি থকা অনিৰুদ্ধক দেখি গালখন পুৰিছে।আৰু কিবা কোৱাৰ আগতেই উভতিলো, তেওঁ ৰৈয়ে আছে..
:Hey, listen
থমকি ৰ'লো
:Will call you..
পিছলৈ ঘূৰি নোচোৱাকৈ খোজ ল'লোঁ ৰুমলৈ।

হিবা নথকা ৰুমটোত অকলে থাকিবলৈ কিবা এটা ভাল লগা নাই আজি।আমাৰ ৰুমটোত এখন খালি বিছনা এনেয়েও আছে।আচলতে ৰুমটো তিনিজনী ছোৱালী থাকিব পৰা।কিন্তু আগৰপৰাই থকা ছোৱালীজনী বিয়া হৈছে নতুনকৈ।সেইবাবে এতিয়াও অহা নাই।মই অহাৰ আগতেই গুচি গৈছিল।হিবাই কোৱামতে তাইও এদিন

নে দুদিন হে লগ পাইছে।
এতিয়া সেইখন বিচনাত আমাৰ গোটেই বেগবোৰ থোৱা থাকে।হিবাৰ ফালৰ ৱাল খনত ঢেৰ ফটো।তাতে মাক আৰু ভায়েকৰ সৈতে তাইৰ এখন ফটো আছে।দেখি মনটো বেয়া লাগি গ'ল।ভায়েকটোক তাই খুব মৰম কৰে।সৰুতেই দেউতাকে এৰি থৈ গৈছিল সিহঁতক।দেউতাকৰ আন এখন সংসাৰ আছে এতিয়া।হিবাৰ মাহীমাক আছে, মাহীমাকৰ সন্তান আছে।কৈছিল এদিন সকলোবোৰ তাই।তাই মাক আৰু ভায়েকৰ বাবেই হাঁহি থাকে সদায়।মনত ক্ষোভ আছে,কিন্তু কাৰো আগতেই নেদেখুৱাই।অকলেই সামৰি ৰাখে সকলো।মোকো কয় তাই, হাঁহি থাকিবলৈ।
মই নোৱাৰোঁ, মই নাজানো।
হাঁহিবোৰ কেতিয়াবাই হেৰুৱাই পেলালো।

গৰুটোত মূৰ থৈ বিচাৰি চাইছোঁ আকৌ এবাৰ, কিজানিবা ঠিক কোনখিনিত মই একেবাৰেই নিজক হেৰুৱাই পেলাইছিলোঁ সেইয়া বিচাৰি পাওঁ।
সিদ্ধাৰ্থৰ হাতত অপদস্থ হৈ মই আৰু এটা দিনো প্ৰদীপ খুড়াৰ ঘৰত থকা নাছিলোঁ।পিছদিনাই বস্তু সামৰি ওলাই আহিছিলোঁ।ক'লৈ যাম এবাৰো ভবা নাছিলো, কিন্তু ওলাই আহিছিলো।
কলকাতাৰ মুকুন্দপুৰৰ গলিয়ে গলিয়ে থাকিবলৈ ঠাই বিচাৰি ঘূৰি ফুৰিছিলোঁ।কোনো এটা পিজিত খালি ছিট নাছিল।
ককালৈ ফোন কৰি পাগলৰ নিচিনাকৈ কান্দিছিলোঁ।আৰু আবেলিৰ ফ্লাইট লৈ দেউতা আৰু ককা আহিছিল।মা কিন্তু নাহিল।মই তেওঁক ঘিণ কৰিবলৈ আৰম্ভ কৰিছিলোঁ সেইদিনাৰ পৰা।বেয়া পোৱাবোৰ ঠিক সেইদিনাই ঘৃণালৈ ৰূপান্তৰিত হৈছিল।দেউতাই আকৌ ঘৰলৈ ঘূৰাই আনিব খুজিছিল।কিন্তু মই নাযাওঁ বুলি সিদ্ধান্ত লৈছিলোঁ।কোনোদিনেই মাৰ ওচৰলৈ যাবলৈ মোৰ মন নাছিল।
প্ৰায় এসপ্তাহ মই ককাৰ সৈতে হোটেলৰ ৰূমতে থাকিছিলো।দেউতাই কলেজৰ ওচৰৰ বেলেগ এটা প্ৰাইভেট হোষ্টেল ঠিক কৰি দিছিল।আৰম্ভ কৰিছিলোঁ নতুন জীৱন।
কলেজৰ চাৰিটা বছৰৰ প্ৰথম তিনিটা বছৰ সেইটো হোষ্টেল ৰূমতেই পাৰ কৰিছিলো।বন্ধু সিমান নাছিল মোৰ।কাৰণ মানসিক ভাৱে মই তেতিয়া লাহে লাহে আৰু বেছি নিসংগ হৈ পৰিছিলোঁ।মই বেয়া পাইছিলো সকলোকে, নিজকো।হোষ্টেলৰ চাৰিজনীয়া কোঠাটোৰ বাকী তিনিজনী ছোৱালীৰ মাজত বন্ধুত্ব আছিল, কিন্তু মোৰ লগত কোনেও ভাল কৈ কথা পতা নাছিল।মই অকলেই থাকিছিলোঁ, খাইছিলোঁ, ফুৰিছিলোঁ।ক্লাছতো মাত্ৰ দুই তিনিজন বন্ধু বান্ধৱী আছিল, তাৰে মাজত আছিল কলিকতাৰে ছোৱালী স্নেহা।প্ৰথম প্ৰথম কলেজলৈ আহোঁতে বন্ধু হোৱা সকলোৱেই দুই তিনিমাহৰ পাছতে মোৰ পৰা আঁতৰি গৈছিল।কাৰণ মই সিহঁতৰ কাৰণে 'কামোৰ' আছিলোঁ।
আৰু মই সকলোকে সিদ্ধাৰ্থ আৰু বিকাশৰ দৰেই চৰিত্ৰৰ বুলি ভাবিছিলোঁ।সিহঁতে মোক যিমানেই নিজৰ পৰা বেলেগকৈ ৰাখিছিল, মই সিমানেই নিজৰ সংগ উপভোগ কৰিবলৈ শিকিছিলো।

যিটো মই আজিও কৰোঁ।সেইবাবেই চাগে কোনোবাই এতিয়া মোৰ লগত কথা পাতিলে বা ভাল মাত এষাৰ মাতিলে মোৰ বিশ্বাস কৰিবলৈকো টান হয়।

কথাবোৰ ভাবি থাকিলে শেষ নহয়, মইহে শেষ হৈ যাম যেন লাগে।
ফোনটো বাজি আছে, অনিৰুদ্ধৰ ফোন।
উঠালো।
:শুৱা নাই?
:ওহোঁ।
:অকলে বেয়া লাগিছে?
:হিবাক মিছ কৰিছোঁ।
:আৰু মোক?
:মানে?
:একো নাই।
:
:অনন্যা...
:হমম
:I want to see you..

অনিৰুদ্ধই ফোনটো কাটি ভিডিঅ' কল কৰিছে।নুমাই থোৱা লাইটটো অন কৰিলোঁ।গাৰুটো পোনাই বিচনাত আউজি বহিলো।
বগা টি চাৰ্ট পিন্ধি বিচনাত পৰি পৰি মোৰ লগত কথা পাতি থকা মানুহজন কিবা এটা মৰম লাগিবলৈ লৈছে আজিকালি।
ভাল লাগিবলৈ লৈছে।
:Say something
:You look tired.শুই যাওক আপুনি।কাইলৈ অফিচত কথা পাতিম।
:নালাগে,এতিয়াই কোৱা।
:কি ক'ম।
:যি মন যায়, মই জানো তোমাৰ ক'বলগীয়া বহুত আছে।
:আছে,কিন্তু নকওঁ।You will judge me.
:I never judge people, no matter what. You still dont trust me?
:I trust you, but not this society.
আকৌ দুয়ো মনে মনে ...
:অনন্যা,সৰ কথা ইমান বেছি complicate নকৰিবা।জীৱনটো আজি আছে, কাইলৈ নাথাকিবও পাৰে।মই নাথাকিবও পাৰোঁ।হেৰাই যোৱাৰ পিছত বিচাৰি ফুৰি লাভ আছে জানো?মই তোমাক ভাল পাওঁ, তোমাৰ লগত কথা পাতি, তোমাৰ সৈতে সময় পাৰ কৰি ভাল পাওঁ। তাতকৈ বেছি মই ভবা নাই।তুমিও নাভাবিবা।Let's keep everything simple.
:hmm

:ময়েই সৰ ভাল পাওঁ, তুমি নোপোৱা?

:Nope.

:Aah

অনিৰুদ্ধই বুকুত লাহেকৈ হাতেৰে খুন্দিয়াই হাঁহি দেখুৱালে, বহুদিনৰ মূৰত মোৰ মুখতো হাঁহি এটা ফুটি উঠিল

:ময়েই সৰ ভাল পাওঁ, তুমি নোপোৱা?

:Nope.

:Aah

অনিৰুদ্ধই বুকুত লাহেকৈ হাতেৰে খুন্দিয়াই হাঁহি দেখুৱালে, বহুদিনৰ মূৰত মোৰ মুখতো হাঁহি এটা ফুটি উঠিল।

:মই জানো।There is something you love about me.

:তেনেকুৱা একো নাই।

:মিছা কথা।

:সঁচা।

:You love my eyelashes, you touched them with so much affection, I still feel it.

লাজ এটাই আৱৰি ধৰিলে।হয়, চুই চাইছিলো সেই জোনাক ৰাতি, অনিৰুদ্ধৰ ধুনীয়া চকুযুৰিৰ দীঘল দীঘল পলক।মন গৈছিল আলফুলে যেন আঁকি দিম এটি চুমা।থুপুৰ দৰেই নিষ্পাপ চকু দুটা।
গোল গোল, তিৰবিৰাই থকা ।

:অনন্যা,একো নোকোৱা?

:আপুনি যিবোৰ কথা কয়, উত্তৰত মোৰ ক'বলগীয়া নাথাকেই।

:যিবোৰ মানে?কোনবোৰ?

:আপুনি মোৰ বিষয়ে একো নজনাকৈ,একো নভবাকৈ কৈ দিব পাৰে ভাল পাওঁ, ভাল লাগে ধৰণৰ কথাবোৰ।

:What do you mean by that?

:I mean just look at you,you are so perfect in everything. But I am a born looser Anirudh. I am the human version of failuer you know.

:তেনেকৈ কিয় কৈছা।

:সঁচাটো কৈছো।

অনিৰুদ্ধই একো কোৱা নাই।চাই আছে।মই হে অশান্তি পাইছোঁ।এনেকৈ ভিডিঅ' কল কৰা অভ্যাস নাই

মোৰ।তাতে অনিৰুদ্ধই কলিজাৰ ভিতৰখনো জুমি চাব পাৰে।এইবাৰ তেওঁ উঠি বহিল।অলপ চিৰিয়াছ যেন দেখা গ'ল।

:অনন্যা, মই তোমাক একো কথাত জোৰ নকৰোঁ।কিন্তু তুমি এনেকৈ থাকিলে কেতিয়াও জীৱনত আগবাঢ়িব নোৱাৰিবা।একেঠাইতে ৰৈ থকা মানুহে একেটা দৃশ্যকে চাই চাই জীৱনটো পাৰ কৰে।ইফালে সিফালে কি আছে নেদেখে।তোমাৰো একেই হৈছে।তুমি ইমান বেছি নিজৰ দুখ আৰু অতীত লৈ ব্যস্ত থাকিলে আহিবলগীয়া দিনবোৰ একেই থাকিব।একো বেলেগ নহয়।আৰু তোমাৰ লাইফত কি হৈছে বা কি হ'ব সেইটো তোমাৰ ওপৰত নিৰ্ভৰ কৰে।সৰ দোষ আনৰ ওপৰত জাপি বহি থাকিলে এনেকৈয়ে থাকি যাবা তুমি।মই মাত্ৰ তোমাক এইটো কথাকে বুজাব খুজিছোঁ।কিন্তু তুমি ইমান বেছি admanet যে মই কেতিয়াবা নিজকে আঁতৰাই আনিম বুলিও ভাবো।

কথাবোৰৰ পৰা অনিৰুদ্ধৰ অলপ খং উঠা যেন লাগিল।মোৰ পৰা তেওঁ কি আশা কৰি আছে মই বুজোঁ, কিন্তু একো কৰিব হে নোৱাৰোঁ।মনে মনে শুনি আছোঁ।তেওঁ ও ৰৈ গ'ল,মোক কথা কৈ যে লাভ নাই ভালকৈয়ে বুজিছে

:অনন্যা,বেয়া নাপাবা।I was bit harsh. Sorry.
:Its okay.
:তোমাৰ চাগে কথা পতাৰ ইচ্ছা নাই।শুই থাকা।কাইলৈ অফিচত লগ পাম।গুড নাইট।
:মইতো কোৱা নাই ইচ্ছা নাই বুলি।
:What??
:
:মই পাগল হ'বলৈ বেছি দিন নাই।
তেওঁ নিজৰ চুলি কেইডাল খামুচি কথাটো কোৱাৰ ভংগীমাত নাহাঁহি নোৱাৰিলো।অলপ জোৰকৈয়ে হাঁহিলো।বাওঁফালৰ বেৰীয়া দাঁতটো চাগে তেওঁ প্ৰথম বাৰ মন কৰিলে।কাৰণ মোৰ হাঁহি বহুত কম মানুহে হে দেখিছে।আয়ুৰ ভাষাত হাতী দাঁত সেইটো মোৰ।আপুৰুগীয়া।কেতিয়াবা হে ওলায়।
অনিৰুদ্ধই চাইয়ে আছে.. এই চাৱনিত আজিকালি লাহে লাহে হেৰাই যাওঁ মই
:অনন্যা...
:হমম..
:You miss your home na???
অনিৰুদ্ধক উত্তৰ দিবলৈ লৈও ৰৈ গৈছোঁ।কি কম।ঘৰলৈ মনত পৰে, সদায় পৰে।কিন্তু বগা বাংলোলৈ নহয়।ককাৰ ঘৰ খনলৈ মনত পৰে।থুপুলৈ মনত পৰে।
:অনিৰুদ্ধ.. মোৰ থুপুলৈ মনত পৰে.. সদায়।
:You want to talk about it now?
:I am not ready.. but...

:Shhhh.. its okay.. relax.
:কথাবোৰ ক'বলৈ মোৰো মন যায়, কিন্তু আৰম্ভ কৰিবলৈ একো নাথাকে।আৰু শুনাৰ পাছত আপুনি কি ভাবিব সেইটো মই নাজানোঁ।আগতে হোৱা হ'লে হয়তো নাভাবিলো হেঁতেন, কিন্তু এতিয়া মোৰ কাৰণে আপুনি কি ভাৱে সেইটো জৰুৰী।
:কিয়?
:কিয় টো ৰ উত্তৰ নাই।
কিছুসময় আকৌ দুয়ো মনে মনে ৰৈছোঁ..
:চাৰিওফালে এবাৰ চোৱা অনন্যা।আজি হিবা বা তাইৰ ভায়েকৰ লগত যি হৈছে, সেইয়া জানো ভাল হৈছে?বেয়া মানুহ থাকিবই।নাথাকিলে ভাল বেয়াৰ বিচাৰ কৰিবা কেনেকৈ।তুমি কিছুমান বেয়া মানুহ লগ পালা, দুখ পালা।যিটো মই বিচাৰিলেও নাইকিয়া কৰিব নোৱাৰোঁ।কিন্তু বিশ্বাস কৰা, তোমাৰ আহিবলগীয়া দিনবোৰ কেতিয়াও মই জানি বুজি আন্ধাৰ হ'বলৈ নিদিওঁ।আৰু তুমি কোৱাৰ দৰে মই নহয়।ময়ো সাধাৰণ মানুহ।চিম্পল লাইফ এটা বিচাৰোঁ।একদম চিম্পল।সেইবাবে চাগে তোমাৰ ওচৰত ইমান কমফৰটেবল হওঁ।ইমান ফেক ৰ্ল্ড খনত একদম ফিল্টাৰ নোহোৱা তোমাৰ কথাবোৰ মোৰ ভাল লাগে।ইমান কেনেকৈ নিজক বেলেগকৈ ৰাখিছা?
ট্ৰেণ্ড কি তোমাৰ কোনো concern নাই, মানুহে কি ভাবিব তুমি কেয়াৰ নকৰা।যি মন যায় কৈছা, কৰিছা। I just love you the way you are.

অনিৰুদ্ধই কৈ যোৱা কথাবোৰ নিজৰেই বিশ্বাস হোৱা নাই।আজিলৈকে নিজৰ প্ৰশংসা মই কেতিয়াও শুনা নাছিলোঁ।আজি প্ৰথম বাৰ কোনোবাই এনেকৈ মোক প্ৰশংসা কৰিছে।উত্তৰ দিবলৈ একো নাই।সঁচা মিছাৰ বিচাৰ নকৰোঁ।কথাবোৰে বুকুত খুন্দিয়াইছে।ভাল লাগিছে।মোৰ বাবেও কোনোবাই ভালকৈ ভাবে।সেইয়া জানিয়েই চোন আজিকালি ভাল লগা হৈ আহিছে দিনবোৰ।
:তুমি একো নোকোৱা?
:একো নাই ক'বলৈ?
:ঘৰলৈ কেতিয়া যাবা?ককাক আনিবলৈ।
:আপুনি কেনেকৈ জানিলে?
মই কোনোদিন অনিৰুদ্ধৰ আগত এইবোৰ কথা পতা নাই।হঠাৎ প্ৰশ্নটো সুধি উচপ খাই উঠিলোঁ।
:তোমাৰ বন্ধুৱে তোমালোক দুইটাৰে কথা কৈ দিয়ে।
আয়ু!
এইটোৰ পৰা শান্তি নাই।বিয়াৰ পৰাই দুয়োটাৰে কথা আৰম্ভ হৈছিল।তাৰমানে এতিয়াও পাতি থাকে।
:আৰু কি কি কৈছে আয়ু য়ে আপোনাক?
:সব।
:সব মানে?
:নকওঁ।মাত্ৰ মই কিবা হেল্প কৰি দিব লাগে যদি কোৱা।
:এইটো কাম মই নিজে কৰিব বিচাৰোঁ।

:মই জানিছিলোঁ তুমি মোৰ হেল্প নোলোৱা বুলি।But still, I just want to tell you that I am there okay?

:Hmm

:এতিয়া শুই যোৱা,টোপনি নাহিলে চিগাৰেট নাখাবা।তোমাৰ health issue আছে বহুত মই জানো।এতিয়া শুই যোৱা।গুড নাইট।

ভিডিঅ' কলটো কাটি দি বহুপৰ তেনেকৈয়ে বহি থাকিলোঁ।ককাক আনিবলৈ যাওঁ কেনেকৈ।ঘৰৰ deposit এক লাখ টকা।ভাড়া বাৰ হেজাৰ।যিমান কেইটা ঘৰ খবৰ লৈছোঁ সব মোৰ বাজেটৰ বাহিৰত।পঢ়া সময়তে ককাই দিয়া অলপ পইচা সাঁচি থৈছিলোঁ, লগত কোম্পানীৰ জইনিং ব'নাচ মিলাইছো।তাৰ পাছতো জোৰা মাৰিব পৰা নাই।ককাই দিব খুজে, কিন্তু মই ল'ব নোৱাৰো।পঢ়ি থাকোঁতে কথাবোৰ বেলেগ আছিল, এতিয়াও বেলেগ।তাতে আজি হিবাৰ হাততো অলপ দিব লগা হ'ল।কিন্তু মই দেৰি কৰিবও নোৱাৰোঁ।শেষৰ সময়খিনি ককা মোৰ লগত থাকিব বিচাৰে।আজিলৈকে একোৱেই দিব নোৱাৰিলোঁ।অন্ততঃ এইখিনি মই কৰিবই লাগিব।

চিগাৰেটৰ পেকেটটো উলিয়াই লৈ ৰৈ গ'লো।অনিৰুদ্ধই মানা কৰিছে।কাৰো কথা নুশুনা মই অনিৰুদ্ধৰ কথা শুনিম জানো।

এটা জ্বলাই লৈছোঁ।ৰূমটোৰ নিৰজনতাত ধোঁৱাবোৰ কুণ্ডলী পকাই বিয়পি পৰিছে।

এইটোৱেই জীৱন, সব ধোঁৱা ধোঁৱা।

এই আছে এই নাই।

কিন্তু ক'ৰবাত কিবা এটা জ্বলি থাকেই, আমি দেখোঁ বা নেদেখোঁ।

কলেজৰ তেতিয়া শেষৰটো বছৰ।এদিন এটা ফোন কলে মোৰ জীৱনটো সলাই পেলাইছিল।

:হেল্ল'

:মাজু, মই বা,ভালনে তোৰ?

উচুপি উচুপি কথা কোৱা বাৰ মাতটো কিমান দিনৰ মূৰত শুনিছিলোঁ ঠিক নাই।কি সুধিব লাগে মই পাহৰিয়েই গৈছিলোঁ।

:বা?

:মাৰ পৰা তোৰ নম্বৰটো লৈছোঁ, তই ভালে আছ?

:বা তই মাৰ লগত কথা পাত?

:সদায় পাতোঁ।

:দেউতাই জানে?

:নাজানে।মা মোৰ ইয়ালৈ আহিছেও।

:ইয়ালৈ মানে?ক'ত আছ তই?

:গুৱাহাটী।

:তই কিয় তেনেকুৱা কৰিলি বা?তোৰ কাৰণে মোৰ লগত কি কি হ'ল জান?
:মোক মাফ কৰি দে প্লিজ।তোক মই বহুত ভাল পাওঁ তই জান।

বায়ে ফোন কৰাৰ দিনা মোৰ এনে লাগিছিল, ককাৰ বাহিৰেও কাৰোবাৰ মনত আছে যে মই জীয়াই আছো।প্ৰদীপ খুড়াৰ ঘৰৰ পৰা আহি হোষ্টেলত থকাৰ পৰা মই এবাৰো ঘৰলৈ যোৱা নাছিলো।মায়েও মোলৈ কোনোদিনেই ফোন কৰা নাছিল।দেউতাই কেতিয়াবা পইচাৰ কথা সোধে।ককাৰ নিজাকৈ মোবাইল নাই।তৰাৰ ফোনৰ পৰাই খবৰ লয় মাজে মাজে।
বায়ে ফোন কৰা দিনটোৰ ঠিক একসপ্তাহ মানৰ আগতে অসহায় হৈ মালৈ ফোন কৰিছিলোঁ।
স্বীকাৰ কৰিছিলোঁ জীৱনৰ এটা ডাঙৰ ভুল।
মনে মনে মোৰ কথাবোৰ শুনি তেওঁ দেউতাক কৈ দিছিল।
আৰু তাৰ পাছত
"এই মৰিলেই শান্তি"
"এই মৰিলে মই হাঁহ মাৰি ভাত খাম"
দেউতাৰ চিঞৰ ফোনতেই উফৰি আহিছিল।
মই তেতিয়ালৈ নিশ্চিত হৈছিলোঁ মই যে মাৰ নিজৰ নহয়।কোনো মাকে নিজৰ সন্তানক এনেকৈ এৰি দিব নোৱাৰে।অৱশ্যে আকৌ ভাবোঁ মায়ে বা দেউতাই প্ৰায় সকলোবোৰ কামেই কেৱল আনক দেখুৱাবলৈ কৰে, যিটো কামৰ social validation নাথাকে সেইটো কাম কৰাটো জৰুৰী বুলিও নাভাৱে।কিন্তু বাৰ লগত মায়ে কথা পাতে বুলি জানি মই আচৰিত হৈছিলোঁ।মান ইজ্জত শেষ কৰি গুচি যোৱা বুলি ঘৰত ইমান হুলস্থূল কৰা মায়ে বাক মাফ কৰিলে কেনেকৈ???
মাৰ ছচিয়েল ষ্টেটাছ তললৈ নমাই দিয়া বাক কেনেকৈ আঁকোৱালি লৈছে মায়ে?
:মাজু, ক আকৌ কিবা এটা।
:তোৰ ভালনে?
:আছোঁ আৰু।তই ভালে আছ?আগৰ নিচিনাই হৈ আছ ন।মায়ে কৈছে।
:মায়ে মোৰ কথাও পাতে?
:সদায় কয় মোৰ আগত।
:কিন্তু মোলৈ ফোন কৰিব নোৱাৰে।
:সেইবোৰ বহুত কথা মাজু।তই নুবুজিবি।
:তেন্তে বুজাই দে বা।এতিয়া লুকুৱাবলৈ কি আছে।আমাৰ ফেমিলিটো নৰ্মেল নহয় সেইটো কোনে নাজানে।কাক দেখাবলৈ ইমান এক্টিং।আৰু মোৰ লগত হে যে প্ৰব্লেম।তোৰ লগত কিয় নহয়।মই নিজৰ নহয় নেকি।নে মই দেখাত বেয়া,তহঁতৰ নিচিনা ৰঙা বগা চেহেৰাৰ নহয় কাৰণে মায়ে লাজ পায়।ক বা, এতিয়াও মনে মনে থাকিবি নে।তই তো ৰাজু দাৰ লগত গুচি গ'লি,কিয় কৰিলি তেনেকুৱা।মোৰ কথা, ককাৰ কথা ভাবি নাচালি।মায়ে তো তোক ইমান মৰম কৰিছিল।মাৰ কথা নাভাবিলি কিয়?

:মোৰো নিজৰ মন এটা আছিলে মাজু।মায়ে যি কয় তাকেই কৰি কৰি মই সেই মনটোক মাৰিয়েই পেলালোঁ।'ভাল ছোৱালী'ৰ টেগটো লগাই মায়ে মোক মানুহৰ আগত ইমানেই ওপৰলৈ উঠাই দিলে যে মই আন ছোৱালীৰ নিচিনা একো কামেই কৰিব নোৱাৰিলোঁ।তোৰ মনত আছে নে,এবাৰ যে লগৰ এজনীৰ বায়েকৰ বিয়াত গৈ এপাক নাচিছিলোঁ কাৰণে মায়ে কিমান লাজ পাইছিল।হাতত ধৰি টানি আনি গাড়ীত ভৰাই লৈ আনিছিল ঘৰলৈ।মোৰ উশাহ বন্ধ হৈ গৈছিল সেইটো ঘৰত থাকি থাকি।মায়ে মোক চকুৰ আগৰপৰা আঁতৰ হ'বলৈ নিদিয়াটো মোৰ কাৰণে কিমান অসহনীয় আছিল তই কি বুজিবি।মোৰো মন আছিল ওলাই যাবলৈ, ভাল কলেজ এখনত পঢ়িবলৈ।কিন্তু নিদিলে।মাৰ পৰা আঁতৰি গ'লেই যেন মই হেৰাই যাম।মই জানিছিলোঁ মায়ে কিয় ভয় কৰিছিল, এবাৰ আপোন কাৰোবাক হেৰুওৱা মানুহে পদে পদে ভয় খায়.. কিন্তু

:মায়ে কাক হেৰুৱাইছে?

:তই নালাগে জানিব।কিন্তু মাক তই বেয়া পাই নেথাকিবি মাজু।

মায়ে তোক ভাল পাব নোৱাৰে, ভুল তোৰ বা মাৰ কাৰো নহয়।ভুল তোৰ কপালৰ।

:বেয়া মাত ওলাব এতিয়া মোৰ।কি কৈ আছ একো বুজি পোৱা নাই মই।

:শুন,তোলৈ মই এটা হেল্প বিচাৰি ফোন কৰিছোঁ,কৰিবি?

:স্বাৰ্থ আছে কাৰণেহে ফোন কৰিছ, তহঁত সৱ চেল্ফিছ।

:তোৰ বাহিৰে মোক কোনেও হেল্প কৰিব নোৱাৰে।প্লিজ এবাৰ মোৰ কথাটো শুনি ল।

:মইতো সদায় শুনিয়েই আহিছো বা।মোৰো কিন্তু বহুত কবলগীয়া আছে।যিবোৰ কোনেও নুশুনে।তইতো নাজান মই কি অৱস্থাত আছোঁ।

:মই জানো।

:মায়ে কৈছে?

:উম।

:তোৰ লগত মোৰ কথা পাতিবলৈ তেওঁৰ সময় আছে, মোৰ খবৰ ল'বলৈ হে নাই।ইমান স্বাৰ্থপৰ মানুহ মই দেখা নাই।মা বুলি ভাবিবলৈ মনেই নাযায় আজিকালি।

:মাজু, লাইফটো কাৰোৰে ইজি নহয়।বুজি পাবি মই কি কৈ আছোঁ।

আৰু সেইদিনাৰ পৰাই আৰম্ভ হৈছিল জীৱনৰ এটা নতুন অধ্যায়ৰ।গুৱাহাটীলৈ গৈ লগ কৰিছিলোঁ বা আৰু ৰাজুদাদাক।

বাক দেখি চকুপানী ওলাইছিল।আগৰ চেহেৰা নাই।বয়সতকৈ বেছি ডাঙৰ যেন দেখিছিলো তাইক।সৰু ভাড়াঘৰটোৰ দুটা কোঠাত যেনেতেনে আছে।ৰাজুদাই ইলেকট্ৰনিকছৰ দোকান এখনত মেনেজাৰ হিচাপে কাম কৰি আছে।ঘৰৰ অলসুৱা বা জনীক গৃহিণীৰ ৰূপত দেখি সুখী হ'ম নে দুখী হ'ম মই একোৱেই ভাবি পোৱা নাছিলোঁ।মাৰ সৈতে গৈ এমাহত এবাৰ মেনিকিউৰ কৰা বাৰ হাত দুখন আগৰ দৰে কোমল নাছিল।চুই চাইছিলো।তাই সেমেকা হাঁহি এটাৰে চকুপানী ঢাকিছিল।

:তোৰ কষ্ট হৈছে বা?

:আগতে নকৰা কামবোৰ শিকি ল'লোঁ মাজু। কাম কৰা মানুহ ৰাখিব নোৱাৰোঁ।ইমান পইচা নাই।মায়ে দিব খুজে, ৰাজুৱে ল'বলৈ নিদিয়ে।

:তোৰ এইটো লাইফ ভাল লাগিছে?

:এতিয়া সেইবোৰ একো নাভাবোঁ ।সিদ্ধান্ত যিহেতু মোৰেই আছিল।ভাবি কিবা লাভ আছে জানো?

বাৰ উত্তৰটোত হাজাৰটা প্ৰশ্ন আছিল, সুধিব খুজিও নুসুধিলোঁ।

বাহিৰৰ কোঠাটোতে বহি ঢেৰ কথা পাতিছিলোঁ।

:ভিতৰলৈ আহ।

তাইৰ পিছে পিছে সোমাই গৈছিলোঁ।

:কিবা হ'ল নেকি কচোন।

:পিছত কম, তই ভাত খা চোন।

প্লাষ্টিকৰ চকী টেবুলত বহি বায়ে ৰন্ধা ভাত খাইছিলোঁ।তাই মুৰ্গীৰ মাংস খিনি জালুক দি মই ভালপোৱা ধৰণেৰেই ৰান্ধিছিল।লগত শাকৰ ভাজি।মই খাই ভালপাওঁ।

তৰা আৰু বাহাদুৰৰ হাতৰ সোৱাদ লৈ ডাঙৰ হোৱা বা নিজেই পাকৈত ৰান্ধনী হৈ পৰিছিল।দুয়োজনীয়ে মন খুলি কথা পাতিছিলোঁ।মই খুলি কৈছিলোঁ মোৰ লগত ঘটি যোৱা প্ৰত্যেকটো ঘটনা।বায়ে মনে মনে শুনি আছিল।ভাত খাই দুইজনী বিচনাত পৰোঁতেও ময়েই কথাবোৰ কৈ আছিলোঁ।বাৰ ফালৰপৰা একোৰেই নাই।

:মাজু, মোৰ পৰা লুকুৱাব নালাগে।এই ঢিলা হুডি পিন্ধি কিমান দিন ঢাকিবি?

বায়ে জানে?

কোনে কৈছে?

মায়ে?

সামান্য বাহিৰলৈ ওলোৱা পেট তো তাই চুই চাইছিল।

মই দুখোজ পিছুৱাই আহিছিলোঁ।

:মোক দি দে?প্লিজ?

কিবা ক'বলৈ মোৰ ওচৰত শব্দই নাছিল।

:চাৰিবছৰে বহুত কান্দিছোঁ মাজু।এতিয়া আশাই বাদ দিছিলোঁ।তই মোক একো ক'বও নালাগে।কাৰ হয় সেইয়াও নালাগে।মাত্ৰ মোক দি দে, প্লিজ।মই বহুত অকলশৰীয়া মাজু।

বায়ে কি কৈ আছে বুজি একো পোৱা নাই,

কিন্তু বুজিছিলোঁ বা যে মানসিক ভাৱে ভাগি পৰিছে।মনত পৰিছিল দেউতাই তাইক দিয়া শাও বোৰ।উৎপাত কৰি চৰু ধুই শ্ৰাদ্ধ পতাৰ দিনটো।অসহায় ককাৰ চকুপানীবোৰ।মাৰ নিৰ্লিপ্ত চাৱনিবোৰ।

কিয় কৰে ?

নিজ পিতৃ মাতৃয়েও এনেকৈ অভিশাপ দিব পাৰেনে?

কিয় ইমান স্বাৰ্থপৰ সকলোবোৰ সম্বন্ধ??

আজি বায়েও নিজৰ স্বাৰ্থ লৈয়ে মোক মাতিছে।আৰু মই ভাবিছিলোঁ, তাই সঁচাকৈ মোক ভাল পায়।

গুৱাহাটীত সেইদিনা সন্ধিয়া ধুমুহা আহিছিল।

ফোনৰ ৰিংটন শুনি বৰ্তমানলৈ ঘূৰি আহিলোঁ।চাৰে বাৰটা বাজিছে।আয়ুৰ ফোন।
:আয়ু, কি হ'ল?
বুকুখন ধিপিং কৈ উঠিল।
কোন মুহূৰ্তত বেয়া খবৰ পাওঁ একো ঠিক নাই।
:sense আহিছে বুলি কৈছে।এইমাত্ৰ মাকে ফোন কৰিছিলে হিবাক।
দীঘলকৈ উশাহ এটা টানি লৈছোঁ।
:হিবা ঠিকে আছেনে?
:আছে।তই চিন্তা কৰি থাকিবি বুলি ইমান দেৰিকৈ ফোন কৰিলোঁ।শুৱা নাই কেলেই?ফোন অফ কৰি শুই যা।
ফোনটো কাটি অফ কৰিবলৈ লওঁতে অনিৰুদ্ধৰ মেচেজ।
“Tomorrow come bit early”
তেওঁক তেতিয়াও অনলাইন দেখি ৰিপ্লাই কৰিলোঁ।
:why?
লগেলগেই ফোন বাজিল।
:ইমান দেৰি শোৱা নাই কিয়?কি কৰি আছিলা?
:এনেই।
:এই ছোৱালজনী একদম কথা নুশুনে।ওচৰত থকা হ'লে হেঁচা মাৰি শুৱাই থলোহেঁতেন।
হঠাৎ কি কৈ দিলে হয়তো তেওঁ নিজেও ধৰিব নোৱাৰিলে।
ময়ো কি ক'ম ভাবিয়েই নাপালোঁ।
:I didnt mean that way.. sorry. Shit!
আৰু কথা বহলাই থাকিব মন নাই।ফোনটো অফ কৰি শুই পৰিলোঁ।টোপনিৰ অপেক্ষা কৰিব লগীয়া নহ'ল।ফোনত থুপুৰ ফটোখন চাই চকুদুটা জপাই দিলোঁ।

:Good morning mystery woman!!!See you soon.
মেছেজটোৱে মুখলৈ হাঁহি এটা কঢ়িয়াই আনিলে।অনিৰুদ্ধই দিয়া নাম।প্ৰায়ে কয়।মই হেনো mystery woman।আচলতে তেওঁ বুজাই নাই মোৰ ভিতৰখন যে চাব বিচাৰিলেই চাব পাৰি।মই পৰ্দা দিয়া নাই কোনোদিনেই।যি আছিল,যি আছে সেয়া সকলোৱে দেখে, বুজিবলৈ কোনোৱে কোনোদিন চেষ্টা নকৰিলে সেইয়া বেলেগ কথা।
আক্ষেপ নাই।
বিচনাত পৰি পৰিয়েই হিবালৈ ফোন কৰিলোঁ।কেইবাবাৰো ৰিং হোৱাৰ পাছতো নুঠালে।আকৌ আয়ুলৈ কৰিলোঁ।সিহঁত দুয়োটা বাহিৰে বাহিৰে হস্পিতাল পালেগৈ।আয়ু বেচেৰা বাহিৰতে ৰৈ আছে।হিবাই ভিতৰলৈ

নিব নোৱাৰে।ঘৰৰ মানুহ মানে মোমায়েক আৰু খুড়াক সম্বন্ধীয় মানুহবোৰলৈ ভয়।
এৰা, ভয়।
কোনে কয় আমি আত্মীয় মানুহক ভাল পাওঁ বুলি!
নাপাওঁ, আমি ভয় কৰোঁ,আৰু য'ত ইমান ভয় থাকে তাত মৰম ভালপোৱা থাকে জানো?
মানুহ এনে এবিধ প্ৰাণী যি নিজৰ বাহিৰে কাকোৱেই ভাল পাব নোৱাৰে।সম্বন্ধ কিছুমানে বান্ধি থয় কাৰণে থাকে, আৰু কেতিয়াবা একেলগে থাকি থাকি মোহ জন্মে।সন্তানৰ প্ৰতি, মাক দেউতাকৰ প্ৰতি ,ককাই ভাইৰ প্ৰতি।
এই মোহে মোক চুব পৰা নাছিল, যেতিয়ালৈকে মোৰ ভিতৰত মই থুপুক অনুভৱ কৰিব পৰা নাছিলো।

কোনো ধৰণৰ ৰুটিন নথকা মোৰ লাইফষ্টাইল আৰু মদ চিগাৰেটৰ সেৱনৰ ফলতেই হওক মোৰ মাহেকীয়া নিয়মীয়া নাছিল।সেইবোৰো প্ৰায় দুমাহ পাৰ হৈ যোৱাৰ পাছত যেতিয়া গা বেয়া লাগিবলৈ ধৰিলে উপায় নাপাই ডাক্তৰৰ ওচৰলৈ গৈছিলোঁ।মুখত বিৰক্তি আৰু ঘৃণা লৈ ডক্টৰে কৈছিল।মোৰ পেটত এটা নতুন জীৱন।মই এবাৰো নোকোৱাকৈয়ে বা একো নুসুধাকৈয়ে তেওঁ কৈ উঠিছিল
:Get rid of it as soon as possible. After few days I wont be able to help you.

কি কৈছে বুজিবলৈ মোৰ বাকী নাছিল।সেইখিনি মুহূৰ্তত মোৰ মূৰত এজাক প্ৰচণ্ড বা মাৰলি।কি কৰিম মই ভাবি পোৱা নাছিলোঁ।এটা ৰাতিৰ নিচা আৰু মোৰ জীৱনৰ বাটটো যেন অস্বাভাৱিক ধৰণেৰে পাক খাই গৈছিল।লিখি দিয়া দৰৱ কেইটা কিনিবলৈও মোৰ শক্তি নাছিল।বাহিৰৰ বেঞ্চ এখনতে বহি আছিলোঁ।কঁপা কঁপা আঙুলিৰে মাৰ নম্বৰ ডায়েল কৰি কান্দিছিলোঁ।যিটো মোৰ ভুল আছিল।কিয় সেই সময়ত ইমান অসহায় অনুভৱ কৰিছিলোঁ নাজানো।মায়ে শুনি আছিল মনে মনে।পইচা পঠোৱাৰ কথা কৈছিল।গালি দিয়া নাছিল।দেউতাক কৈ দিছিল।আৰু তাৰ পাছৰখিনি মই শুনিব পৰা নাছিলোঁ।ককাই আজিও নাজানে সেই চৰম সত্য, নাইবা জানিও মোৰ আগত সেইবিষয়ে একো কথা নুলিয়াই।

এনেতো নাছিল যে মই সিদ্ধান্ত ল'ব পৰাকৈ mature নাছিলোঁ।বয়সতকৈ বহুত বেছি আগতেই মই জীৱনৰ সত্যবোৰ এটা এটাকৈ বুজি উঠিছিলোঁ।দুখ সুখ একোৱেই চুব নোৱাৰাকৈ ডাঙৰ হৈছিলোঁ।কিন্তু সেইদিনা নিজকে বৰ দুৰ্বল যেন অনুভৱ হৈছিল ।খোজ কাঢ়িবলৈকো যেন শক্তি নাই।আঁঠু দুটা নাই নাই লাগিছিল।ডিঙিটো শুকাই গৈছিল।গোটেই গাটো ঘামৰে জুৰুলি জুপুৰি হৈছিল।
কি কৰোঁ?
নিজেই মৰো, আনক মাৰো নে কাকো নমৰাকৈ জীয়াই থাকোঁ।
এই সকলোবোৰৰ মাজতে এটা কথাত মই নিশ্চিত আছিলোঁ, কাৰো ওচৰত বেচেৰী হৈ সহায় বিচাৰি আৰু নাযাওঁ।যি কৰিম নিজেই কৰিম।
মানসিক, শাৰিৰীক শক্তি যে হেৰাই গৈছিল।

কিন্তু হস্পিতালৰ পৰা ওলাই আহিয়েই সেই শক্তি মই ফুটপাথত শুই থকা গৰ্ভৱতী ভীক্ষাৰী জনীৰ পৰা পাইছিলোঁ।তাইৰ ওচৰত খেলি থকা ফটা কাপোৰ পিন্ধা ল'ৰা ছোৱালী দুটাৰ পৰা লৈছিলোঁ।ইহঁত জীয়াই থকাৰ সংগ্ৰাম খনৰ একো একোজন যুঁজাৰু।মনতে ভাবিছিলো তাইতো মাৰি পেলোৱা নাই পেটৰ সন্তানক।তেন্তে মই ইমান নিষ্ঠুৰ কিয় হ'ম??
থাকিব, মোৰ সন্তান জীয়াই থাকিব।
অনন্যাৰ কোনো অংগই মৰিব নোৱাৰে।
টানিছিলো, সেইদিনাও চিগাৰেট টানিছিলো।এটা চিগাৰেটৰ ধোঁৱাই একো কৰিব নোৱাৰে মোৰ সন্তাক।বিস্কুটৰ পেকেট এটা কিনি সিহঁতৰ সৈতে একেলগে খাইছিলোঁ।একেটা বটলত মুখ দি পানীও খাইছিলোঁ।
মানুহজনীয়ে হাত পাতি আৰু পইচা খুজিছিল।
মনিবেগটোৰ পৰা কাৰ্ড কেইখম উলিয়াই তাইক দি দিছিলোঁ আৰু হোষ্টেললৈ নতুন এজনী মানুহ হৈ ঘূৰি আহিছিলোঁ।

কিন্তু...
মায়ে তাৰ মাজতো তেওঁৰ স্বাৰ্থ পূৰণ কৰাৰ সুযোগ বিচাৰি পালে।সন্তানৰ বাবে হাহাকাৰ কৰি থকা বাৰ কোলাত মোৰ সন্তান দি তেওঁ দুয়োফালে মিলাই ৰাখিব খুজিলে।অবিবাহিত হৈ মই সন্তান পালিলে তেওঁ লাজ পাব, আৰু বাৰ দুখ তেওঁৰ সহ্য নহয়।আৰু সেইবাবে বাৰ লগত কথা পাতি মায়ে সকলোবোৰ প্লেনিং কৰিয়েই থৈছিল।
এবাৰলৈও মোক সোধা নাছিল।

:মাজু,কথাবোৰ ভালকৈ ভাবি চা।তই আমাৰ ঘৰতে থাকিবি।
:আৰু মোৰ পঢ়া শুনা?বাদ দিম।
:মায়ে মেনেজ কৰিব।তই ডিৰেক্ট গৈ exam দিব পৰিবি।এনেয়েও এইটো অৱস্থাত তই কলেজ গ'লে সবেই হাঁহিব, কথা শুনাব।
:তাতে মোৰ কি আহে যায়?
:তই পাগল হোৱা নাইতো?এনেকৈ কলেজ যাবি তই?
:যাম,যেতিয়ালৈকে পাৰোঁ তেতিয়ালৈকে যাম।কোনো কলেজৰ ৰুল নাই প্ৰেগনেন্ট হ'লে পঢ়িব নিদিওঁ বুলি।যদি ইমান মৰম আছে মোলৈ খবৰ ল'বলৈ আহি যাবি কেতিয়াবা।

কথাৰে নোৱাৰি বায়ে চকুপানীৰ আশ্ৰয় লৈছিল।
:চা মাজু।তই আজিলৈকে ঘৰৰ কাৰোৰে কাৰণে একো কৰিব লগীয়া হোৱা নাই।আজি মই তোক অকল মোৰ কাৰণেই বুজোৱা নাই,আমাৰ গোটেই ঘৰখনৰ কাৰণে কৈছোঁ।তই মোৰ লগত থাক।মই সমস্ত দায়িত্ব ল'ম।ইয়াৰ ডাক্তৰক দেখুৱাম।মাৰ চিনাকি আছে।একো নহয়।তই মাত্ৰ মোৰ লগত থাক।তোৰ পঢ়াৰ লোকচান নহয়।মায়ে কথা পাতিব।কিমান বিয়া হোৱা ছোৱালীয়ে পঢ়া তেনেকৈয়ে শেষ কৰে।প্লিজ বুজিবলৈ চেষ্টা কৰ।

বুজিছিলোঁ, তাৰ বাহিৰে উপয়েই বা আছিল কি!!!
আজীৱন কেৱল বুজোঁতে, শুনোতেই গৈছে মোৰ।
সদায়ৰ দৰে মা জয়ী হৈছিল, মই হাৰিছিলোঁ।

:I am waiting outside!
What!!!!
অনিৰুদ্ধ কিয় আহিছে?নটা বাজিবলৈ তেতিয়াও দহ মিনিটমান বাকী।মই গাটো ধুই অফিচলৈ বুলি ওলাইছোহে।চুলি আঁচোৰি কিবাকিবি ভাবি থাকোঁতেই এইটো মেছেজ। খিড়িকীখন খুলি তেওঁক দেখোঁ নেকি চালো।
নাই।
হয়তো ৰাস্তাৰ মূৰত আছে।এইবিলাক অলপ বেছিয়েই হৈছে।কামোৰ লাগে মোৰ।ৰিপ্লাই লিখিলোঁ।
:মই লিফ্ট বিচাৰিছিলোঁ নেকি?
:What!Okay!Sorry its my fault. I will leave now.

অনিৰুদ্ধৰ খং উঠিল।Emotional মানুহবোৰে অভিমান নে কিবা বুলিও কয়।ফোনটো লৈ কেব বিচাৰিবলৈ লাগিলোঁ।

সম্পূৰ্ণ এটা সপ্তাহ, অনিৰুদ্ধই মোৰ লগত কোনো ধৰণৰ কথাই পতা নাই।আনকি মোলৈ তেওঁ চাবলৈয়ো বাদ দিলে।অফিচত যিমান বাৰ দেখা হয়, তেওঁ চকু আঁতৰাই নিয়ে।মোক কিবা কাম দিবলগীয়া হ'লেও মেইল কৰে নাইবা অমৃতক কয়।এই এসপ্তাহত কিমান কি হৈ গ'ল,তেওঁ একো সোধা নাই।আয়ু ঘূৰি আহিল, হিবাৰ ভায়েক অলপ সুস্থ হৈছে, কিন্তু তাই এতিয়াও ঘূৰি অহা নাই।মই অকলেই আছোঁ ৰুমত।কথা পাতিবলৈ বহুতেই আছিল, কিন্তু সামান্য কথাতে বেয়া পাই অনিৰুদ্ধই মোক যেন পাহৰিয়েই পেলালে।সদায় শোৱাৰ আগতে এবাৰ তেওঁৰ নম্বৰটো চাওঁ, ডায়েল কৰি কাটি দিওঁ।ৰিং হ'বলৈ নিদিওঁ।তেওঁৰ হয়তো একো অনুভৱ হোৱা নাই।মইহে মিছ কৰিছোঁ। আমাৰ চুটি চুটি বাৰ্তালাপৰ এক সুকীয়া মাদকতা আছিল, যিটো মই এতিয়া বিচাৰি হাবাথুৰি খাইছোঁ।
অদ্ভুত এক শূন্যতাই বিৰাজ কৰিছে চৌপাশে।অনিৰুদ্ধ বিহীন সময় বোৰ ভাল নলগা হৈছে।
কিন্তু মই তেওঁক একো ক'বও নোৱাৰোঁ।
সেইয়া তেওঁ জানে, সেইবাবেই অলপ বেছি কৰিছে।
সেইদিনা অফিচত যেতিয়া সকলো চাহ খাবলৈ ওলাল, মোকো লগ ধৰিছিল অমৃতে, কিন্তু মই কিবা উত্তৰ দিয়াৰ আগতেই অনিৰুদ্ধই কৈ উঠিল

:She won’t come, leave it.
যাবলৈ উঠিও আকৌ বহি থাকিলোঁ।সৰ গুচি যোৱাৰ পাছত চকুকেইটাই সেমেকি আহিল।কিন্তু তথাপি তেওঁক একো কোৱা নহ’ল।ওলাই গৈ লানি নিছিগা ধোঁৱাৰ মাজতে আক্ষেপ অভিমান সকলো উৰুৱাই দিলোঁ।
কেতিয়াবা সাংঘাটিক খং উঠে অনিৰুদ্ধলৈ।
কি বুলি ভাবিছে নিজকে!
মোৰ লগত জেদ,আই মিন ৰিয়েলি!!!
মই মৰিও যাম কিন্তু কাৰো ওচৰত কেতিয়াও নিজকে সৰু নকৰোঁ।কাৰণ হাউলি দিলেই মানুহ মূৰত উঠে।তাৰ পাছত আৰু নমাব নোৱাৰি।আৰু সেইয়া মই হ’বলৈ দিব নোৱাৰোঁ।
অনিৰুদ্ধ যিমান মৰমীয়াল সিমানেই খঙাল।এইটো কথা আৰম্ভনিতেই এদিন সুভাষিণীৰ মুখত শুনিছিলোঁ, নিজেও বুজিছিলোঁ।কিন্তু কেতিয়াও ভবা নাছিলো সেইদিনাৰ কথাটোত তেওঁ এনেকুৱা ব্যৱহাৰ কৰিব বুলি। যিমানেই ভাবিছোঁ, সিমানেই নিজৰ ওপৰত খং উঠিছে।কিয় যে কৈছিলোঁ তেনেকৈ।কিন্তু আকৌ ভাবোঁ, মইতো তেনেকৈয়ে কথা কওঁ।সেইদিনা এনেকুৱা কি হৈ গ’ল।আমাৰ মাজত যে মাতবোল সম্পূৰ্ণ ৰূপে বন্ধ সেইয়া লাহে লাহে সৰেই মন কৰিছে।কিন্তু অনিৰুদ্ধৰ সন্মুখত কোনেও একো নকয়।

আজি শুক্ৰবাৰ।সকলো পাৰ্টি মুডত।সোনকালে কাম শেষ কৰি যাবলৈ ওলাইছে।কথাৰ পৰা বুজিলোঁ পাৰ্টি অনিৰুদ্ধৰ ৰূমত।সৰ যাব।টানিয়াও।শুনি মগজটো উতলি আহিল।মোক এবাৰলৈও মতা নাই তেওঁ।কামৰ মাজতে অমৃত আহি ডেস্কৰ ওপৰত বহিলহি
:You are not coming?
:Where?
:To the party?
:No.I am fine. Thanks for the invitation.
:Hey, Macha, what is this da, sort it out na.

অমৃতে অনিৰুদ্ধক কোৱা কথাষাৰ তেওঁৰ কাণতেই নপৰিল।
মই যেন মৰিহে আছোঁ পাৰ্টি কৰিবলৈ।অমৃত উঠি গৈ কিবাকিবি কৈ আছিল তেওঁক, হেডফোন লগাই ইগন’ৰ কৰিলোঁ।চিনি পোৱা নাই মোক।মই যেতিয়া ইগন’ৰ কৰোঁ মানুহে নিজেই পাহৰি যায় নিজে Exist কৰে নে নকৰে।কামত লাগিলোঁ।কৰিবলগীয়া ঢেৰ আছে।এইবোৰৰ লগত আৰু কেতিয়াও ‘মাথা নামাৰো’।
সাত বজাত ওলাই আহিলোঁ।আয়ুক ফোন কৰিলোঁ,
:ব’ল যাওঁ,আজি তোক মই খুৱাম।
:কি লাক বে মোৰ, দুটা দুটা পাৰ্টি।শুন না, তোৰটো কাইলৈ দে।আজি মই বুকদ।
:দুটা পাৰ্টি মানে।
:অনিৰুদ্ধই মাতিছে তাৰ ৰূমত।ফ্ৰী কা খানা, দাৰু।
কি??
তাৰমানে মোৰ বাহিৰে সৰ যাব।অকল মই যাব নোৱাৰিম।

:আয়ু,মোৰ অফাৰ আজিয়েই আছে।য'ত খাওঁ বুলি ক'বি তাতেই খুৱাম, বিদ্যা।
:ধেৎ, ইমান ইমুচনেল কৰি নিদিবি।ফ্ৰী খানা আৰু দাৰু বুলি ক'লে মই আবেগিক হৈ যাওঁ বে।তই নুবুজিলে কোনে বুজিব।আজি তালৈ যাওঁ, কাইলৈ তই খুৱাই দিবি দেই।

ফোনটো কাটি দিলে।তাৰমানে এইটো যাবই।ইমান বেছি আপোন একেবাৰে।মোক পাত্তাই নিদিলে।বাছতেই যাওঁ বুলি বাছ ষ্টপৰ ফালে খোজ ল'লো।মনত তেতিয়াও অকণমান আশা, কিজানিবা অনিৰুদ্ধই ফোন কৰেই।পাৰ্টিলৈ মই মতা হেঁতেনো নাযাওঁ, কিন্তু তেওঁ মোক এবাৰো নজনোৱা কথাটো একেবাৰে ভাল লগা নাই।
এনেকৈ পাহৰিব পাৰে নেকি কোনোবাই।
তাকো যাক তেওঁ কিছুদিন আগতে সাৱটি ধৰিছিল, ভাল পাওঁ বুলিও কৈছিল।
বাছত উঠি ৰুম পালোহি।একো খবৰ নাই।সময়বোৰ যিমানেই পাৰ হৈছে,মোৰ খং অভিমান সিমানেই বাঢ়িছে।এনেকুৱা অস্থিৰ অৱস্থা হয় বুলিয়েই কাকোৱেই নিজৰ মনৰ কাষ চাপিবলৈ দিয়া নাছিলোঁ।মোৰ কোনোদিন কাৰোপৰাই একো আশাও নাছিল।কোনেও মোৰ হোৱা নোহোৱা লৈ ব্যস্তও নাছিল।তেনেকৈয়ে সুখী হৈছিলোঁ মই।
কিয় আহিছিল অনিৰুদ্ধ, কিয় মোৰ ভিতৰত নতুন আশা, নতুন সপোন সিঁচি দিছিল।আৰু মোক এনেকৈ অৱহেলা কৰি কি সুখ পাইছে তেওঁ।
ভাতকেইটা লৈ ফোনটোকে চাই আছোঁ।নাই তেওঁৰ একো খবৰেই নাই।আয়ুৰ whatsapp ষ্টেটাছত পাৰ্টিৰ ফটো।সব আছে, সুৰেশ,প্ৰশান্ত,অমৃত,টানিয়া, আয়ু আৰু এজনী ছোৱালী।চিনি পোৱা নাই।আজি প্ৰথম দেখিছোঁ।
ফোনটো পিটিকি থাকোতেই হিবাৰ ফোন..
:হিবু!
:অনন্যা!
:কেইছি হ' ?
উত্তৰত হিবাই কোৱা কথাখিনিয়ে মোক শিল হৈ খুন্দিয়ালে।ভায়েকৰ শাৰীৰৰ ঘাঁ শুকাইছে যদিও মানসিক অৱস্থা একেবাৰে বেয়া।ৰাতি ৰাতি চিঞৰে, যাকে তাকে মাৰিবলৈ খেদি যায়।ডক্টৰে হাত দাঙি দিছে।সিহঁতৰ সৰু ঠাইখনত ইমান উন্নত চিকিৎসাৰ ব্যৱস্থাও নাই।বেংগালুৰ নাইবা হাইদৰাবাদত দেখুৱাব লাগে।
:মে' ক্যা কৰোঁ অনন্যা,আজ আব্বু হ'তে ত'...
পিছৰখিনি তাই ক'ব পৰা নাই ।
:ঠিক হ' যায়েগা হিবা।Please don't cry.
:মামু মেৰা নিকাহ কৰা দেংগে।
হিবাই নিকাহ কৰিব।
শিয়ঁৰি উঠিলোঁ শুনি।
অলপমান সহায় আৰু পইচাৰ বিনিময়ত হিবাই নিজৰ জীৱনটো এনেকৈ কাৰোবাৰ লগত সাঙুৰি দিব খুজিছে?

কিয় ইমান অসহায় মানুহবোৰ?
তাইক বুজাবলৈ ভাষাই নাছিল।গালি পৰিবও পৰা নাই।তাইক এতিয়া পইচা আৰু কাৰোবাৰ সহায় লাগে।আৰু তাৰে সুযোগ লৈ মোমায়েকে তাইৰ কাৰণে লৈ আনিছে এইটো সম্পৰ্ক।
বহুতপৰ মনে মনে থাকি তাইক মাত্ৰ এটা কথাই ক'লো
:Just give me a day Hiba,don’t take any decesion!Please!
ফোনটো থৈ শূণ্যলৈ চাই মাত্ৰ পৰি আছোঁ বিচনাত।সময়বোৰ ইমান অভিশপ্ত কিয়।হিবা,তাইৰ ভায়েক আৰু মোৰ মৰমৰ আয়ুটো।তিনিটা জীৱন সাঙুৰ খাই পৰিছে।অলপ খেলিমেলিতেই যে থান বান হৈ যাব।
কেনেকৈ কি কৰিম?
কি মিলাম?
ইমানবোৰ পইচা ক'ত পাম?
অনিৰুদ্ধৰ লগত কথা পতাৰ ইচ্ছা আৰু নাই।কাইলৈ ৰাতিপুৱাই ককালৈ ফোন কৰিম।মোক সকলো বিপদত সাৰথি হৈ থিয় দিয়া মানুহজন কেৱল ককা। নিশ্চয় কিবা এটা উপায় ওলাব।

চিলমিল টোপনিত ফোনৰ মাতত সাৰ পালোঁ।বাৰটা বাজিবলৈ পাঁচ মিনিট।অনিৰুদ্ধই মোক কিয় ফোন কৰিছে?
মদৰ নিচা চাগে বেছি হ'ল।নুঠালো।
আকৌ কৰিছে।
:কি হ'ল?
অলপ টানকৈয়ে কৈছো।
:Come down.
:What?
:গেইট লক আছে জানো মই।হ'লেও আহা।
:আপুনি ঠিকে আছেতো?
:নাই, একেবাৰেই নাই।এতিয়া আহিবা নে নাহা কোৱা?
:আহিছোঁ,এক মিনিট।
আৰু প্ৰশ্ন কৰাৰ প্ৰয়োজন নাই।বুজিছোঁ সকলো।ওপৰতে থকা নীলা কুৰ্তীটো পিন্ধি চুলিখিনি বান্ধি ছেণ্ডেলযোৰ পিন্ধি তললৈ নামি আহিলো।
তলা মৰা গেইটৰ সিপাৰে ট্ৰেক পেণ্ট আৰু ক'লা টি-চাৰ্ট পিন্ধি অনিৰুদ্ধ,এইপাৰে মই।
যেন এটা যুগৰ মূৰত তেওঁক ইমান কাষত পাইছোঁ।চিনাকি সুগন্ধি আৰু অচিনাকি তেওঁৰ চকুৰ ভাষা।কি ক'ব এতিয়া??
:Wish me!
:For?
:I came this world on this day.
আজি তেওঁৰ ওপজা দিন?সেইবাবেই পাৰ্টি ৰাখি এতিয়া এৰি থৈ মোৰ ওচৰ পাইছেহি।খং অভিমান সকলো

যেন নিমিষতে হেৰাই গ'ল।মোৰ শুভেচ্ছা ইমান 'বিশেষ'।

:সেইয়াও কৰিব নোৱাৰা?

উত্তৰ নিদিলোঁ।সোঁহাত খন গেইটৰ লোহাবোৰৰ ফাঁকেৰে সৰকাই দিলোঁ,তেওঁ বুজি পালে।নিজৰ দুয়োখন হাতেৰে খামুচি ধৰিলে মোৰ হাতখন।

:Happy birthday Anirudh.And sorry for that...

:Shhh, Its okay!I know you.

খামুচি থকা হাতখন তেওঁ এৰি দিয়া নাই, ময়ো আঁতৰাই আনিব নোৱাৰিলোঁ।

মোৰ চকুত চকু থৈ আকৌ এবাৰ অনিৰুদ্ধই ভালপোৱাৰ সপোন এটা গুজি দিলে।

অকাশতৰ তৰাবোৰ ফুল হৈ ফুলি উঠিল।

তাৰ মাজতে আইতাও আছিল।

মোৰ চকুত চকু থৈ আকৌ এবাৰ অনিৰুদ্ধই ভালপোৱাৰ সপোন এটা গুজি দিলে।

অকাশতৰ তৰাবোৰ ফুল হৈ ফুলি উঠিল।

তাৰ মাজতে আইতাও আছিল।

মোৰ উশাহত ভালপোৱাৰ সোঁত, এই যেন বৈ গৈছে বুকুৰ ইফাল সিফাল ৰঙা কৰি।ধুক ধুক কৰি থকা কোমল কলিজাটোত মৰমতে সৰুকৈ খুন্দা এটা মাৰি দিয়ে।

:কিয় ইমান জেদ তোমাৰ অনন্যা?

অনিৰুদ্ধৰ আকুল দুচকুত সামান্য বিষাদ, এসাগৰ অভিমান।

তেওঁৰ হাতৰ চেপাত ঘামি উঠা মোৰ হাতদুখন মুকলি কৰি দিলে লাহে লাহে।এইবাৰ সোঁহাত খন পাৰ কৰি গাল খন চুই দিলে তেওঁ...

:একো নোকোৱা?

:

:মই যাওঁ?

:ওহোঁ।

:এনেকৈয়ে থাকিবা?

:ভাল লগা নাই?

:গেইটখন ভাঙি ভিতৰলৈ আহোঁ?

খিলখিলাই হাঁহি উঠিলোঁ আমি দুয়ো।জেইলত যে মানুহ লগ কৰিবলৈ আহে, তেনেকুৱাই হৈছে ঠিক।ইপাৰে তেওঁ সিপাৰে মই।যেন উৰি পাৰ হৈ যাম সিপাৰলৈ।

এনেতে তেওঁৰ ফোনটো বাজিল।

:Sorry, sorry, I came out for a Sutta.Coming yaar.

তেওঁৰ বাবে কেক লৈ ৰৈ আছে সকলো।যাব লাগিব।মনটো সেমেকি আহিল।মইহে নাথাকিম।
:যোৱা, এতিয়া শুই থাকাগৈ।
:ভালকৈ যাব।
:ব'লা মোৰ লগত,ভালকৈ যাম তেতিয়া!
চকুকেইটা সামান্য সৰু কৰি কোৱা কথাকেইটাৰ উত্তৰ মোৰ ওচৰত নাছিল।গম্ভীৰ খোজেৰে তেওঁ আঁতৰি যোৱাৰ ফালে চাই আছোঁ।গেইটৰ লাইটবোৰৰ পোহৰে পোহৰাই ৰখা ঠাইখন তেওঁ গুচি যোৱাৰ লগে লগে যেন আকৌ আন্ধাৰ হৈ পৰিল।অনিৰুদ্ধক বুকুতে সামৰি ৰুমলৈ আহিলো।লাইটবোৰ অফ কৰি বিচনাত পৰিলোঁ।

ৰাতিপুৱাই আকৌ এবাৰ হিবাৰ ফোনত সাৰ পালোঁ।তাইৰ ওপৰত যে সাংঘাটিক ধৰণৰ হেঁচা প্ৰয়োগ হৈছে সেয়া সহজেই বুজিব পাৰিলোঁ।তাই মোক ভায়েকৰ ৰিপোৰ্ট খিনি পঠাই দিলে।বেংগালুৰুৰ ভাল হস্পিতালৰ ভিতৰত "Manipal Hospital" খন অন্যতম।তাত এবাৰ গৈ মই সুধি আহিব লাগিব।লগতে খৰছৰ এটা থুলমূল হিচাপ লাগে তাইক।যাবলৈ অসুবিধা নাই যিহেতু আজি শনিবাৰ।তাইৰ লগত অলপ সময় কথা পাতি ফোনটো ৰাখিলো।বেয়া লাগিছে মনটো।একো ভালকৈ কৰিব পৰা নাই তাইৰ বাবে।ককালৈ ফোন লগালো।ককাৰ নিজাকৈ ফোন আছে যদিও কৰিব নোৱাৰে।তৰাই লগাই দিব লাগে।কোনোবাই কৰিলেও মায়ে চাই লৈ হে দিয়ে ফোনটো।এইবোৰ বহুত আগৰপৰাই চলি আছে।নামচাইত থকা বাগান দেউতাই তেনেকৈয়ে বিক্ৰী কৰিলে।ককাৰ পুৰণি চিনাকি কৰ্মচাৰী বা বন্ধুৰে খবৰ দিয়ে বুলি দেউতাই ককাক ফোনৰ পৰা আঁতৰাই ৰাখে।হাৰ্টৰ অসুখৰ কাৰণে বেয়া বুলি কৈ থৈছে।আৰু বেচেৰা ককাই তাকেই বিশ্বাস কৰি লৈছে।বহুতদেৰি চিন্তা কৰি ফোন কৰিলোঁ।
:ককাৰ গা বেয়া, শুই আছে।
মাৰ গহীন মাত।কি উত্তৰ দিম ভাবি নাপালোঁ।ৰাতিপুৱাই তেওঁৰ মাত শুনাৰ ইচ্ছাও যে নাছিল।গোটেই দিনটো বৰবাদ হৈ যাব এতিয়া।
:কি হৈছে ককাৰ?
:বুঢ়া হৈছে, বেমাৰ হ'বই।কি কাম আছে সেইটো ক।
:তোমাক কৈ কিবা লাভ আছে জানো।
মা কিছু সময় মনে মনে থাকিল।
:কিবা লাগে যদি ক।
কি?
বাহিৰলৈ চাই পঠিয়ালো।সূৰ্যটো পূবফালেই ওলাইছেনে আজিও?
:পইচা লাগে মোক, কোৱা পাৰিবা দিব?

মই জানো মায়ে নিদিওঁ বুলিয়েই ক'ব।হ'লেও কেৱল তৰ্ক আৰম্ভ কৰিবলৈকে কৈছোঁ।চাওঁ কি উত্তৰ আহে।

:তোৰ নামত ১৫ লাখ জমা হৈ আছে, লৈ ল'বি।

:দেউতাৰ পইচা মোক নালাগে।

:কোনে কৈছে বাপেৰৰ পইচা বুলি?

:তেন্তে?

:সৱ কথাত মোক জেৰা নকৰিবি, পইচা লাগে বুলি কৈছ,মই দিছোঁ।সেইকেইটা তোৰ নামত থোৱা আছিল, কোনে থৈছিল, নালাগে জানিব।তোৰ একাউন্টত অলপ অলপকৈ দি দিম।

আৰু কিবা আছিল যদি ক?

:ককাক লৈ আনিম মই, তোমালোকে লাজ নোপোৱা তো?

:আমাৰ কথা কেতিয়াৰ পৰা ভাবিবলৈ ধৰিলি?

কথাটোৱে অলপ খুচি দিয়াৰ দৰে লাগিল।যুক্তি মোৰো আছিল,কিন্তু ৰাতিপুৱাই সেইবোৰ উলিয়াই ল'বলৈ মোৰ ইচ্ছা নাছিল।

:পইচা খিনি পঠিয়াব নালাগে।কাৰোবাক দান কৰি দিবা।এনেও পাপৰ পইচাই হ'ব।

ফোনটো কাটি দিলো।উশাহ বন্ধ হৈ যায় এইবোৰ কথা ওলালে।

আজিকালি মন নোযোৱা হৈছে।সলনি কোনো নহয়।না মা, না দেউতা, না মই।চেষ্টা কৰিলে আৰু বেছি বেয়া হোৱাৰ হে ভয়।

ফোনটো বাজি উঠিল।

অনিৰুদ্ধৰ মেছেজ এটা আছে।খুলি চালোঁ।

"Where is my birthday gift?"

পাহৰিয়েই গৈছিলোঁ।জন্মদিনৰ উপহাৰ কিবা দিম বুলি মই বাৰু ভবাও নাছিলোঁ।এতিয়া সুধি দিলত হে মনত পৰিল।বেছি একো ভাবি নাথাকি তেওঁলৈ ফোন কৰিলোঁ।

:Good Morning Ananya..

তেওঁৰ পিছফালৰ পৰা মন্দিৰৰ মন্ত্ৰ উচ্চাৰণৰ শব্দ ভাঁহি আহিল।

:মন্দিৰত আছে আপুনি?

:Yesss. জন্মদিনত পূজা নকৰিলে মায়ে বৰ দুখ পায়।নিজেতো মোৰ কাৰণে ব্ৰত ৰাখি পূজা কৰে।

:মই পিছত ফোন কৰিম তেন্তে।

:শুনা।

:হমম।

:আজি ফ্ৰী আছা যদি লাঞ্চ কৰিবা মোৰ লগত?

:আই এম ৰিয়েলি ছৰী, মোৰ হস্পিতাল যাব লগীয়া আছে।

:কিয়?কি হৈছে, মোক নাইকোৱা যে।

তেওঁক হিবাৰ কথাবোৰ খুলি ক'লো ।মনে মনে শুনি থাকি দীঘল হুমুনিয়াহ কাঢ়িলে।

:মই লৈ যাম তোমাক।ৰেডি হৈ থাকিবা।এটা বাৰ্থডে হাস্পিতালত কটাই চাওঁ।কি কোৱা?

:ঠিক আছে।

তেওঁক মানা কৰাৰ ইচ্ছা নাছিল।
মানুহজন দিনে দিনে আৰু মৰমৰ হৈ পৰিছে।

ফোনটো থৈ টাৱেল খন হাতত লৈ বাথৰুমত সোমালো।চুলি খিনি ধুই থাকোঁতে মনত পৰিল তেওঁ সোধা প্ৰশ্নটো “Strawberry and Mint right?”,হাঁহি এটাই ওঁঠত লাহেকৈ চুই গ'ল।

সদায় পিন্ধা জিনছ আৰু ঢিলা টপকেইটা আজি পিন্ধিবৰ মন নাই।বেগটো খুলি বগা কুৰ্তীটো উলিয়াই আনিলোঁ।ব্লু জিনছৰ লগত পিন্ধি ভাল পাওঁ।এইটো নিজেই কিনিছিলোঁ।হয়তো সেইদিনা মনটো ক'লা পৰি থকা নাছিল।চুলিখিনি টাৱেলেৰে টুকি ড্ৰায়াৰটো অন কৰোঁতেই কাৰেণ্ট গুচি গ'ল।
আধা তিতা চুলিখিনি তেনেকৈয়ে মেলি ৰাখিলো।মেক আপ কৰিবলগীয়া মোৰ একো নাথাকেই।কাজল সানিয়েই সেইটো কাম সামৰি দিব পাৰোঁ।বেগত মানিবেগ আৰু পানীৰ বটলটো ভৰাই তললৈ নামি আহিলো।তেওঁ ৰাস্তাৰ সিপাৰে গাড়ীখন ৰাখি এইপাৰে ফোনত কথা পাতি ৰৈ আছিল।
আৰু তেওঁক দেখাৰ লগে লগে লগতে মৰি যাওঁ যেন লাগিল।
কিয়?
কাৰণ তেওঁ আৰু মোৰ কাপোৰ একেই ।
:Hey we are twinning!
মই যেন দেখা হে নাই।
:কথা পাতা।
হঠাৎ ফোনটো আগবঢ়াই দিলে, আচৰিত হ'লো।একো ধৰিবই পৰা নাই।
:Ananya, please click a pic.
সুভাষিণী।সৰুকে জনোৱাৰ কি দৰকাৰ আছিল।ঘোপাকৈ চাই পঠিয়ালোঁ।তেওঁ বুজি পালে।ফোনটো কাটি গাড়ীত বহিলো দুয়ো।
:খং উঠি ৰঙা পৰি লাভ নাই, আজি দিনটো মোৰ লগতে থাকিব লাগিব।
:গোটেই দিনটো কিয়?
:মইতো গোটেই লাইফটো বিচাৰোঁ।তুমিহে বুজি নোপোৱা।

গাড়ীৰ মিউজিক চিষ্টেমত তেতিয়া বাজি আছিল...

“Dil hi rakhne ko kabhi

Upar upar se sahi keh dena haan

Keh dena haan yun hi”

খং উঠি ৰঙা পৰি লাভ নাই, আজি দিনটো মোৰ লগতে থাকিব লাগিব।
:গোটেই দিনটো কিয়?
:মইতো গোটেই লাইফটো বিচাৰোঁ।তুমিহে বুজি নোপোৱা।
কিনো কথাবোৰ কৈ থাকে,মোৰ ওচৰত এটাও উত্তৰ নাথাকে।কথা সলাবলৈকে ক'লো
:কালি পাৰ্টি কেনেকুৱা গ'ল?
:Awesome.
তেওঁ নিজৰ ফোনটো মোৰ ফালে আগবঢ়াই দিলে।পাৰ্টিৰ ফটো।সৱৰে মুখত কেক।পাৰফেক্ট কৈ ফটো তোলা চেমপেইন খোলাৰ মুহূৰ্ত।তাৰ পাছত সকলোৱে গিফ্ট দিয়াৰ ফটো।সাৰটি ধৰি শুভেচ্ছা দিয়া ফটোবোৰ নোতোলাহেঁতেনো হয়।টানিয়াই যেন জোখতকৈ বেছিয়েই ভালকৈ সাৱটি শুভেচ্ছা দিছে।সোনকালে সোনকালে scroll কৰি কৰি গৈছোঁ।পাৰ্টিৰ ফটো শেষ হৈ এইবাৰ বেলেগ ফটো ওলাল।মোৰ ফটো।কৃতিকাৰ বিয়াত তোলা যেন লাগিছে।আইতাৰ কাপোৰযোৰৰ সৈতে হিবাৰ কাষত বৈ কিবা কৈ আছো।মনে মনে তুলিলে।
কিন্তু কিয়?
ফোনটো তেওঁক ঘূৰাই দিলোঁ।
:Nice pics.
:Thank you mam!
তাৰ পাছত গোটেই ৰাস্তাটো তেওঁ হিবাৰ ভায়েকৰ বিষয়ে কথা পাতি আহিল।তেওঁ কথাবোৰ বহুত দূৰলৈকে চিন্তা কৰি কয়।ইয়ালৈ আনিলে কেনেকৈ কি প্লেন কৰিব লাগিব, কি কি কথাৰ খেয়াল আমি ৰাখিব লাগিব, সকলোবোৰ।মই বিশেষ একো কোৱা নাই,শুনি আছোঁ।ভাল লাগে শুনি থাকে।
:তুমি নামা মই পাৰ্ক কৰি আহি আছো।
হস্পিতালখনৰ ভিতৰত সোমাই হে মোৰ মনটো গধুৰ হৈ আহিল।গাটো বেয়া লাগি আহিল।এনেকৈয়ে এদিন মোক মা বা আৰু ৰাজু দায়ে লৈ গৈছিল।দিনটো আজিও মনত সজীৱ হৈ আছে মনত।একেই মানুহৰ ভিৰ, একেই অস্থিৰতা।নাই নোৱাৰোঁ মই।এই পৰিবেশটো বৰ জটিল।
কি কৰিম কি নকৰিম ভাবি থাকোঁতেই তেওঁ আহিল
:তুমি বহা ইয়াতে, মই কথা পাতি আহোঁ।
ভালেই পালো।মোৰ এতিয়া কাৰো লগতে কথা পতাৰ শক্তি নাই।অনিৰুদ্ধই মোৰ ফোনৰপৰা ৰিপোৰ্ট খিনি নিজৰ ফোনটোত লৈ অনুসন্ধান কক্ষৰ ফালে আগবাঢ়িল।অসংখ্য মানুহৰ ভিৰ।বহিবলৈ ঠাই নাছিলেই।যেনেতেনে চকী এখন পাই বহিলো।হস্পিতালৰ এই গোন্ধটো মোৰ একেবাৰেই সহ্য নহয়।বমি বমি ভাৰ আহে।হাজাৰ হাজাৰ মানুহৰ ভিৰত কিমান যে মুখ দেখিবলৈ পাওঁ।অস্থিৰ, বিমৰ্ষ, কাৰোবাক হেৰুৱাৰ ভয় নাইবা নতুন জীৱন পোৱাৰ আনন্দত পাৰভাঙি বৈ অহা চকুলোৰ নৈ।কোনোটো বস্তুৱেই মই সহিব নোৱাৰোঁ।মোক অতিমাত্ৰা সুখ নাইবা দুখ দুয়োটাই জোকাৰি যায়।মই পলাব খোজো।দৌৰি দৌৰি যেন আঁতৰি

যাম।প্ৰথমবাৰ থুপুক যেতিয়া স্কেনিং মেছিনটোৰ পৰ্দাত দেখিছিলোঁ, তেতিয়াও এনেকুৱাই হৈছিল মোৰ।সুখী দুখী একোৱেই হোৱা নাছিলো।বমি হৈছিল মোৰ।ওচৰত বৈ থকা বাৰ চকুলো দেখিছিলোঁ।মা সেইদিনাও আঁতৰতে ৰৈছিল।ডক্টৰ সুপৰ্ণা তেওঁৰ বান্ধৱী।সকলো ইতিমধ্যেই আলোচনা কৰিয়েই থোৱা আছিল
থুপুক দেখি তেওঁ মাত্ৰ দামী ফ্ৰেমৰ চছমাযোৰ এবাৰ খুলি ৰুমালেৰে চাফা কৰি আকৌ পিন্ধিছিল।ডাক্তৰক মাত্ৰ তেওঁ সুধিছিল
:সব ঠিকে আছেতো?কিবা কম্প্লিকেছন আছে নেকি?
:ব্লাড টেষ্ট কৰিব লাগিব।বেবীৰ গ্ৰউথ ঠিকেই দেখিছোঁ।কিন্তু মাকৰ হেলথ ভাল দেখা নাই।অলপ সাৱধান হোৱা উচিত।খোৱাত যত্ন ল'ব লাগিব।মই ডায়েট লিখি দিছোঁ।বাকী মেডিছিন দিছোঁ।
সেইদিনাৰ পৰা মই বেলেগ এজনী মানুহ হৈ পৰিছিলোঁ।সৰুকৈ দেখা ক'লা সেই অবয়বটো, ধুক ধুক কৰি থকা শব্দটো।বাৰ ঘৰলৈ ঘূৰি আহিও মই আকৌ এবাৰ বাথৰুমত গৈ বমি কৰিছিলোঁ।মায়ে ৰাজুদাক লগত লৈ বজাৰ কৰি আনিছিল।বাৰ সৰু ঘৰটো বস্তুৰে ভৰি পৰিছিল।দুটা ৰুমৰ ঘৰটোৰ এটা কোঠা মোক দিছিল।মই কলিকতালৈ ঘূৰি যাবৰ বাবে উৎপাত কৰিছিলোঁ।কিন্তু নোৱাৰিলোঁ।কোনেও নুশুনিলে মোৰ কথা। বায়ে বাৰে বাৰে নিজৰ শপত দি মোক ব্লেকমেইল কৰিলে।আৰু মই ৰৈ গৈছিলো।সেইদিনা ৰাতি মা মোৰ সৈতে শুইছিল।
:মাজু, মই কাইলৈ গৈ সব মেনেজ কৰি আহিম।তই চিন্তা কৰিব নালাগে।পৰীক্ষা দিবলৈ মই লৈ যাম তোক।আৰু ফাইনেল চেমিষ্টাৰৰ আগত তই ফ্ৰী হৈ যাবি।
:ফ্ৰী?
:তোৰ ডেলিভাৰী ডেটৰ পৰা প্ৰায় দুমাহ থাকিব পৰীক্ষালৈ।
:সব হিচাপ কৰিয়েই পেলালা তুমি?লাভ হৈছে নে?কিমান লাভ হৈছে?
:কি বকিছ এইবোৰ?
:I hate you. I just hate you.
:মাজু,মোৰ কথা শুন।
:নুশুনো, কাৰো কথা নুশুনো মই।কিয় শুনিম।মোৰ কথা শুনিছিলা নে কেতিয়াবা?এবাৰ গৈছিলা মোক চাবলৈ, ইমান বছৰত এটা ফোন কৰিছিলা?আজি বাৰ কাৰণে তুমি সব চম্ভালি লব পৰিছা,সব কৰিব পাৰা তুমি তাইৰ কাৰণে।মোৰ কাৰণে কিয় নোৱাৰা?
:নিজে মাক হ'লে বুজি পাবি।
:মাকবোৰ যদি তোমাৰ নিচিনা হয়, তেন্তে মই তেনেকুৱা মাক হোৱাৰ আগতেই মৰি যাম।
ঠাঁচ!!
সজোৰে মোৰ গালত মায়ে চৰ মাৰি দিছিল।বিচনাত বহি থকা মই কোনোমতে মূৰৰ শিতানৰ খুঁটা এটাত ধৰি ৰৈছিলোঁ।
:চুপ,একদম চুপ।
:নাথাকোঁ মই চুপ।কিমান মাৰিবা, মাৰা না আৰু মাৰা।
:কি কৰিম বুলি ভাবিছিলি তই মাজু?এনেকৈ ঘূৰি ফুৰিলিহেঁতেন ৰাস্তাই ঘাটে?আৰু চিনেমাত দেখুৱাৰ দৰে একদম আৰামত তোৰ এটা ধুনীয়া কেঁচুৱা হৈ গ'লহেঁতেন?ফিল্ম নহয় বুজিছ?ৰিয়েল লাইফ এইটো।তোক

প্ৰেগনেণ্ট কৰি যে গুচি গ'ল,সেইটোৱে কিবা খবৰ লৈছে?খৰছ দিব?বিয়া পাতিব তোক?
:কিয় পাতিব?মই হ'লেও কিয় পাতিম।তোমাৰ নিচিনা বিয়া পাতি নিজৰ লগতে লোকৰ লাইফ বৰবাদ কৰাৰ ইচ্ছা মোৰ নাই।মই মান Shallow নহয় যে প্ৰেগনেণ্ট বুলি কৈ কাৰোবাৰ ভৰিত পৰি মোক বিয়া পাতিবলৈ ক'ম।দৰকাৰ হ'লে আনৰ ঘৰত বাচন ধুই খাম, কিন্তু নিজৰ দমত চলিম।কাৰোবাৰ দয়া মোক নালাগে।তোমাৰো।
আমাৰ তৰ্ক শুনি সিটো ৰূমৰ পৰা দৌৰি আহিছিল বা।
:মা প্লিজ, এতিয়া অন্ততঃ এইবোৰ বাদ দিয়া।
মই আচৰিত হৈছিলোঁ।কাহানিও মাৰ সন্মুখত মাত এটা মাতি নোপোৱা বা আজি মোৰ ওচৰত থিয় দিছে।কিয়?
কাৰণ স্বাৰ্থ আছে।তাইৰ নিজৰ লাভ আছে ইয়াত।গাৰুটো সাৱটি শুই পৰিছিলোঁ।মা গোটেই ৰাতি ৰূমতে থকা প্লাষ্টিকৰ চকী এখনত বহিয়েই কটাই দিছিল।
*`
:অনন্যা,ডক্টৰে এনেকৈ কথা নাপাতে।মানে patient আহিব লাগিব।
অনিৰুদ্ধৰ হতাশ মুখ খন দেখি সকলো বুজিলোঁ।
:একোৱেই নকয় নেকি?
:বহুত ভিৰ আছে আজি।এনেকৈ কথা পাতিবলৈ সময় নাই তেওঁৰ।
:হিবাই বৰ আশা কৰি আছে।কি বুলি কম এতিয়া?
:Tell her the truth, we have tried right?
অনিৰুদ্ধক তাতে এৰি আকৌ এবাৰ ৰিছেপছনত থকা মানুহগৰাকীৰ ওচৰ পালোগৈ।বহুত জোৰ কৰাৰ পাছত তেওঁ Appointment দিলে।এহেজাৰ টকা উলিয়াই দিলোঁ।Neurology ৰ ডক্টৰ Dr মুৰলি কৃষ্ণৰ ৱাৰ্ডৰ সন্মুখত ৰৈ আছোঁ,কাষত অনিৰুদ্ধ।
:You can go inside.
ডক্টৰক ৰিপোৰ্ট খিনি দেখুৱাই পৰিস্থিতিটো বুজালো।কিন্তু সিমান একো লাভ নহ'ল।তেওঁ সঠিককৈ একো ক'ব নোৱাৰিলে।মাত্ৰ যিমান সোনকালে পাৰে লৈ আনি এডমিট কৰিবলৈ কৈ আমাক বিদায় দিলে।আৰু কথা দিলে তেওঁ যিমান পাৰে সহায় কৰিব।লগতে খৰছৰ ক্ষেত্ৰতো বেছি চিন্তা কৰিবলৈ মানা কৰিলে।ওলাই আহোঁতে অলপ সকাহ পালোঁ।লগে লগেই হিবাক ফোন কৰিলোঁ।
:So now?
:মানে?
:তোমাৰ কাম হৈ গ'ল।
:হমম।
:Then get rid of this!
মোৰ চিন্তাত থুপ খাই থকা চেলাউৰী ডাল চুই দি তেওঁ ক'লে।
দুয়ো ওলাই আহিলো,সময় তেতিয়া চাৰে এঘাৰ।
:কি খাবা কোৱা?

:কিবা এটা হ'লেই হ'ল?
:খিছিৰি খুৱাম, হ'ব?
তেওঁ যেনেকৈ কৈছিল, সঁচা বুলিয়েই ভাবি লৈছিলোঁ।
:খিছিৰি?
:তুমিতো যি দিলেও খাম বুলি কৈছা।সেইকাৰণে ভাবিছোঁ, ব'লা ঘৰলৈ ঘূৰি যাওঁ,মই খিছিৰি বনাই খুৱাম তোমাক।
:কাৰ ঘৰলৈ?
:মোৰ।
তেওঁ হঠাৎ কোৱা কথাটোত ৰঙা পৰি গ'লো।
:ধেমালি কৰিছোঁ।ইমান ভয় কিয় খাইছা?
:মই ভয় নাইকৰা।
:সঁচা?
তেওঁ গাড়ীখন হঠাৎ ব্ৰেক মাৰি দিলে।ছানগ্লাছযোৰ খুলি মোৰ চকুত চকু থৈ সোধা কথাটোত কঁপি উঠিলো।একো উত্তৰ দিব নোৱাৰি মাত্ৰ অঁকৰা লাগি চাই আছোঁ সেই প্ৰশ্নৰে ভৰা তিৰবিৰাই থকা চকু দুটালৈ।একেবাৰেই প্ৰস্তুত নহয় মই।তেনেকৈ সুধিলে আৰুৱেই একো ক'ব নোৱাৰোঁ মই।তেওঁ বুজি পালে
:এতিয়া ভয় লাগিছে?
:হাঁ ?
:Damn, don't look so cute with this big eyes!
মুখখন ঘূৰাই বাহিৰলৈ চালো।তেওঁৰ গাড়ী এইবাৰ আগতকৈ বেছি স্পীডত আগবাঢ়িল।সোনকালেই আমি বেংগালুৰুৰ ব্যস্ত ট্ৰেফিক পাৰ কৰি মুকলি ৰাস্তাত উঠিলোঁ।গাড়ীত বাজি থকা মৃদু সংগীত, বতাহে কঢ়িয়াই অনা অনিৰুদ্ধৰ চিনাকি সুবাস, আৰু অকণমান ভাললগাই চুই গৈছে মোক।ক'লৈ গৈছোঁ সুধিবলৈ মোৰ আজি একেবাৰেই মন যোৱা।লক্ষবিহীন যাত্ৰাৰো থাকে এক সুকীয়া মাদকতা।
বতাহৰ বাটেৰে গৈ ৰামধেনুৰ ৰং বুটলাৰ হেঁপাহ।লগত অনিৰুদ্ধ।
মুখখন ঢাকি ৰখা চুলিখিনি তেওঁ আঙুলিৰে আঁতৰাই দিলে,
:মোৰ disturb হৈছে ন।
হাঁহি উঠে তেওঁৰ সৰু সৰু ধেমালিবোৰত।গাড়ীখন গৈ এইবাৰ এটা ধুনীয়া ৰিজৰ্টৰ সন্মুখত ৰ'ল।ফুল আৰু সেউজীয়াৰ মাজৰ ইজিপ্তীয়ান
সভ্যতাৰ আৰ্হিত বনোৱা ঠাইকণ।সোমাই যাওঁতেই এক মায়াময় পৰিবেশত সুমাই পৰা যেন লাগে।বৰ বেছি ভিৰ নাই।আমাৰ বাবে আছুটীয়াকৈ ৰখা টেবুলখনলৈ আমাক আগবঢ়াই নিয়া হ'ল।বুজি পালো যে অনিৰুদ্ধই আগতেই সকলো ঠিক কৰি থৈছিল।মোৰ বাবে চকী এখন টানি তেওঁ সন্মুখত বহিল।
:I was just waiting for this day.
একো নক'লো।আজি তেওঁৰ বাবে বিশেষ দিন।মোৰ সান্নিধ্যই যদি তেওঁক সুখী কৰে, সেই সুখ দিবলৈ মই বেয়া নাপাওঁ।তেওঁৰ বাহিৰেনো মোক এনেকৈ কোনে বিচাৰে?
:অনন্যা।

:হমম।
:মোৰ গিফ্ট ক'ত?
মোৰ ওচৰত একো নাই তেওঁক দিব পৰাকৈ।আগতে জনাও নাছিলোঁ, আৰু ৰাতিপুৰা সময়েই নিমিলিল।
:ছ'ৰী,একো আনিব নোৱাৰিলোঁ মই।
তেওঁ মুখ খন sad smiley টোৰ দৰে কৰি দেখুৱালে।
:কি লাগিব?
:যি খোজো তাকে দিবা?
:দিব পৰা বস্তু হ'লে দিম।
তেওঁ নিজৰ বাওঁহাত খন মোলৈ আগবঢ়াই দিলে।
:I need you Ananya. এতিয়াও বুজি পোৱা নাই?
:অনিৰুদ্ধ, ইমানদিনে আপুনিওতো মোক বুজা নাই।
:মই?
:উম আপুনি।
:কি বুজা নাই মই?
:মোৰ বহুত দায়িত্ব আছে অনিৰুদ্ধ।মোৰ জীৱনটো ইমানতো সহজ নহয়।
:মই জানো।
:তেন্তে বুজা নাই কিয়?
:Enough Ananya. মই তোমাৰ পাকলগা জীৱনত আৰু বেছি প্ৰব্লেম দিবলৈ অহা নাই।মই মাত্ৰ বিচাৰো তুমি মোক তোমাৰ প্ৰব্লেমবোৰ খুলি কোৱা, আমি দুয়োটা মিলি কিবা এটা সমাধান উলিয়াবতো পাৰিম ন।
:Its not that simple Anirudh.
:Oh cut the crap Ananya. কি ইমান দুখ তোমাৰ ময়ো শুনো। I am just fed up now.সদায় সদায় একেটাই কথা।
তেওঁৰ মাতটো জোখতকৈ ডাঙৰ।ওচৰত বেলেগ টেবুল নাই যদিও অৰ্ডাৰ ল'বলৈ অহা ল'ৰাজন তেওঁৰ চিঞৰ শুনিয়েই আঁতৰি গুচি গ'ল।
:ইমান সৰু কথাতে আপোনাৰ ইমান খং উঠিছে, যেতিয়া সৰ সঁচা কথা গম পাব তেতিয়া কি কৰিব আপুনি?
সমান জোৰত ময়ো উত্তৰ দিলোঁ।খং কেৱল তেওঁৰহে আছে নেকি।মোৰো আছে।তেঁওতকৈ বহুত বেছি।বহুত বহুত বেছি।
:সঁচা কথা কোৱাৰ সাহস আছে তোমাৰ?যদি আছে ইমান দিনে কোৱা নাই কিয়?কিয় টানি আছা?
:শুনক তেন্তে,কলেজৰ লাষ্ট ইয়েৰৰ কোনোবা এটা পাৰ্টিত এদিন ইমানেই নিচা কৰিলো যে মই মোৰ ক্লাছমেটৰ লগতেই নিজৰ ভাৰ্জিনিটি লুজ কৰি প্ৰেগনেন্ট হৈ গ'লো।আৰু সেইয়া কিয় হ'ল কেনেকৈ হ'ল মোৰ পিছদিনা ৰাতিপুৱালৈকে মনতেই নাছিল।And now I have a child. এতিয়া কওক আপুনি মোক ভাল পায়।কওক না।Do you still need me?
খঙত নে দুখত ফোঁপাইছোঁ মই নিজেও নাজানো।ভাল লগা মুহূৰ্তবোৰ নিমিষতে বিষময় হৈ উঠিল।অনিৰুদ্ধৰ চকু কেইটা জুইৰ দৰে জ্বলিছে।ঘন ঘন উশাহৰ শব্দ।টেবুলত থকা পানী গিলাছ একে বাৰতে গিলি থ'লে

তেওঁ।
আৰু তাৰ পাছত অনিৰুদ্ধৰ চকু কেইটা জুইৰ দৰে জ্বলিছে।ঘন ঘন উশাহৰ শব্দ।টেবুলত থকা পানী গিলাছ একে বাৰতে গিলি থ'লে তেওঁ।
আৰু তাৰ পাছত...
উঠি আহিল নিজৰ ঠাইৰপৰা...
মোৰ ওচৰলৈ, আৰু ওচৰলৈ....
তেওঁৰ চকু দুটা তেতিয়াও মোৰ চকুত ৰৈ আছে, দীঘল পলক যেন জাপ খাবলৈ পাহৰি গৈছে..
ভয় লাগিছে প্ৰথমবাৰ, কি হ'ব ইয়াৰ পিছৰ মুহূৰ্তত...
ডিঙিটো শুকাই গৈছে মোৰ... কাণ দুখন গৰম, তেজবোৰ যেন গোট মাৰি বৰফ হৈ গৈছে..
বহাৰ পৰা নিজেই উঠিলোঁ.. সন্মুখত অনিৰুদ্ধ, একেবাৰেই ওচৰত..মই কিবা বুজি পোৱাৰ আগতেই, অনিৰূদ্ধই সজোৰে টানি নিলে মোক নিজৰ আৰু বেছি ওচৰলৈ।কঁকালৰ ভাজত তেওঁৰ সৰল দুহাতৰ স্পৰ্শ, চকুকেইটা ডাঙৰকৈ মেলি মাত্ৰ চাই ৰৈছোঁ, দুয়োখন হাত তেওঁৰ দুবাহুত থৈ যেনেতেনে ৰৈ আছোঁ..
:I fucking don't care..
অস্পষ্ট কথাকেইটাই মোৰ কলিজাত স্পৰ্শ কৰাৰ আগতেই অনিৰুদ্ধৰ দুটি ওঁঠৰ কোমল পৰশ মোৰ ওঁঠত লাগিল..
ধক!!!!!!
কি হৈছে এইয়া?
চকুকেইটা নিজে নিজে জাপ খাই আহিল।
তেজবোৰ গাললৈ আৰু ভালপোৱাবোৰ ওঁঠ যুৰিলৈ বৈ আহিল।
কোমল অথচ ইমান গভীৰ এই স্পৰ্শ।
উমি উমি একুৰা জুই জ্বলি উঠাৰ দৰে লাগিল, ঠিক যেন বৰফৰ নৈ এখনৰ কাষতেই জ্বলিছে!
চেঁচা বতাহৰ লগত অহা পোৱাৰ কোমল ৰ'দৰ দৰেই উমাল এই অনুভৱ।
মোক মোৰপৰা আঁতৰাই আনিব পৰাকৈ ভাললগা।
ৰৈ ৰৈ বৈছে উশাহৰ নৈ...
অনিৰুদ্ধৰ বুকৰ পৰা মোৰ বুকুলৈ...
পুৰুষৰ স্পৰ্শত প্ৰেমৰ উমান আজি প্ৰথম বাৰ পাইছোঁ মই..
ভাল লগাৰো এটা সীমা থকাৰ প্ৰয়োজন নেকি???

:I am sorry!
কাণৰ কাষত বিৰিবৰাই কোৱা অস্ফুট কথাবোৰ মোৰ বাবে একেবাৰেই নতুন।চকু মেলি চাবলৈ কিবা এটা লাজ লাগিছে মোৰ।তেওঁক লাহেকৈ ঠেলি দিলোঁ।কঁকালৰ পৰা হাতদুখন আঁতৰাই নিলে তেওঁ..
:Hey, you okay?
:Excuse me..
পিছলৈ এবাৰো ঘূৰি নোচোৱাকৈ মাত্ৰ তাৰপৰা পলাইছো মই।ৰাছৰূমৰ দৰ্জাখন খুলি সুমাই যোৱালৈকে মই

কেনেকৈ আহিলোঁ গমেই নাপালোঁ।লাইন কৈ থকা বেচিনবোৰৰ সন্মুখৰ দীঘল আইনাখনত নিজকে চালোঁ।কোনোবাই যেন গালে মুখে সেন্দুৰ এখিনিহে সানি দিছে।শেঁতা পৰা মুখ খনত ইমান ৰং কেতিয়াও দেখা নাছিলোঁ।
অনিৰুদ্ধক ভালপোৱাৰ ৰং নেকি এইবোৰ?
নতুন কৈ জী উঠাৰ ৰং নেকি এইবোৰ?
কিছুদেৰিৰ আগতে যি হৈ গ'ল,তাৰবাবে মই সাজু আছিলোঁ নে নাই নাজানো, হয়তো অনিৰুদ্ধও নাছিল। আবেগিক মুহুৰ্তৰ ভুল নে অপাৰ ভালপোৱাৰ বাঙ্ময় প্ৰকাশ মই নাজানো, নুবুজো।
একাজলি পানী ছটিয়াই দিলোঁ ৰঙা পৰি থকা মুখ খনত।সুখ দুখৰ এনেকুৱা মূহুৰ্তত মই এনেকুৱাই কৰোঁ।ৰৈ থাকিলোঁ তাতে, চাই থাকিলোঁ নিজকে...
কিন্তু কিমান দেৰি লুকাই থাকিম?
আকৌ এবাৰ অনিৰুদ্ধৰ লগত কেনেকৈ মুখামুখি হ'ম?

যিমান পাৰোঁ লাহে লাহে আহিছোঁ, আঁতৰৰ পৰা দেখিলো তেওঁ ৱেইটাৰ জনৰ লগত কথা পাতি আছে, মই ওচৰ পোৱাৰ লগে লগে
:কি অৰ্ডাৰ কৰিম ?
কেনেকৈ ইমান সহজ হৈ আছে তেওঁ?মই চোন পৰা নাই।
:Ananya,are you alright?
:হমম।
:কিবা এটা অৰ্ডাৰ কৰা।
:Anything is fine for me.
পেটলৈ একো নাযায় মোৰ এতিয়া।তেওঁ কি অৰ্ডাৰ দিলে সেইয়াও মোৰ কাণত সোমোৱা নাই।মূৰত একেটা কথাই ঘূৰি আছে এতিয়াও।কঁকালৰ ভাজত এতিয়াও লাগি আছে সেই স্পৰ্শ...
:I am really sorry...I just didnt know how to exress my love Ananaya..I just love you and nothing else matters for me. You understand it right?
:hmm
তাৰপাছত দুয়ো মনে মনেই থাকিলোঁ।অনিৰুদ্ধই বাৰে বাৰে কিবা ক'ব খুজিও ৰৈ গৈছে...
:মেম,আপকা ড্ৰিংক।
নীলা ৰঙৰ মকটেইলৰ গিলাছটো হাতত লৈ তললৈ মূৰ কৰি মুখত ষ্ট্ৰ ডাল লৈ ৰৈ আছোঁ।তেওঁ কি খাইছে নাখাইছে চোৱা নাই।অলপ পাছত খোৱা বস্তু আহিল।তেতিয়াও তেনেকৈয়ে থাকিলোঁ।
:নিজে খাবা নে খুৱাই দিম?
লাজ পাই প্লেটত কিবা অকণ লৈ চামুচ খন দি পিটিকি আছোঁ।
:ভালকৈ খোৱা, খানা নষ্ট কৰিলে বেয়া পাওঁ মই।
:হমম।
বাধ্য ছাত্ৰীৰ দৰে প্লেটৰ খোৱা খিনি শেষ কৰিছোঁ।তেওঁ মাজে মাজে ইটো সিটো কথা কৈছে যদিও একো শুনা

নাই মই।কেতিয়া ইয়াৰপৰা যাব পাৰোঁ তাকেই ভাবি আছোঁ।আৰু কেতিয়াও অনিৰুদ্ধৰ লগত ক'তো নাযাওঁ।কেতিয়াও নাযাওঁ।

:আমি যাব পৰোঁনে?

:এতিয়াই?অকণমান দেৰি তো বহা।ঠাইখন ভাল লগা নাই তোমাৰ?

:ভালেই।

:তেন্তে?

:

:Lets see the whole place.সেইফালে কি আছে চাই আহোঁ ব'লা।

:Anirudh please, I am not comfortbale.

:With me?

:Yeah!

:Okay fine, let's go.

তেওঁৰ খং অভিমান এইবোৰ চাবলৈ মোৰ ইচ্ছা নাই এতিয়া।মই মাত্ৰ ইয়াৰপৰা যাব পাৰিলেই হ'ল।গাড়ীত উঠিও তেওঁ এবাৰ মোৰ ফালে চালে,মুখ খন ঘূৰাই দিলো।বতৰটো অলপ ডাৱৰীয়া।বৰষুণ জাক অহাৰ আগতে ৰুমত সোমাই ল'ব পাৰিলেই হ'ল।অহাতকৈ দুগুণ স্পীডত গাড়ী চলাইছে অনিৰুদ্ধই।উচ্চস্বৰত ইংৰাজী গান বাজিছে।তেওঁ শুনা নাই সেয়া বুজিছোঁ।মাত্ৰ কোলাহল বিচাৰিছে।

অনিৰুদ্ধৰ আকৌ খং উঠিছে।

মৌনতা আৰু অভিমানৰ সৈতে যাত্ৰা কৰি ৰুমৰ ওচৰ পালোহি।তেওঁ গাড়ীখন ৰখাই একো নোকোৱাকৈ বহি আছে।দৰ্জাখন তেতিয়াও লকদ।

:কিবা ক'ব?

:মই নকওঁ,তুমি কোৱা।কিয় এনেকুৱা কৰিছা?

:কি কৰিলোঁ মই?

:Ananya, please make it clear today. Do you really understand me?Do you trust me?Have you ever thought of loving me?

:মই নাজানো।

:Oh cut the bloody crap Ananya!Enough is enough now. I am tired okay?

:I am tired too Anirudh. কেনেকৈ বিশ্বাস কৰোঁ মোক আপুনি ভাল পায় বুলি?কেনেকৈ ভাবি লওঁ পুৰুষেও ভাল পাব জানে বুলি?কেনেকৈ ভাবো মোৰ জীৱনত ভাল কিবা এটাও ঘটিব পাৰে বুলি।Its not that easy for me .

:সব তোমাৰ কাৰণেই কিয় impossible. অলপ তো নিজৰ shell টোৰ পৰা ওলাই আহিবলৈ চেষ্টা কৰা।

:আপোনাক কথা কৈ লাভ নাই।একো নুবুজে আপুনি?

:মই বুজাম আজি তোমাক ব"লা মোৰ লগত।

মোৰ উত্তৰলৈ অপেক্ষা নকৰি গাড়ী ঘূৰালে অনিৰুদ্ধই।কি হৈছে আজি আমাৰ নাজানো।থূপ খাই থকা খংবোৰ যেন সব আজিয়েই উজাৰি দিম দুয়োটাই।বিচাৰিলেও ঠিক কৰিব পৰা নাই একোকে।তাতে আজি

তেওঁৰ জন্মদিনৰ দিনা এনেকুৱা কৰাৰ ইচ্ছা মোৰ নাছিল ।কিন্তু হৈ গ'ল ।উপায় নাই।
গাড়ী যিমানেই আগবাঢ়িছে, আমাৰ খংবোৰ, অভিমানবোৰ সিমানেই বাঢ়িছে।

ডাঙৰ এপাৰ্টমেন্ট এটাৰ সন্মুখত গাড়ী খন ৰ'ল ।গাৰ্ড এজন আহি গেইট খুলি দিলে।
এইটো কাৰ ঘৰ?
গাড়ী বেচমেন্টৰ ফালে আগবাঢ়িল ।নিৰ্দিষ্ট জেগাত পাৰ্ক কৰি তেওঁ নিজে নামি আহি মোৰ ফালৰ দৰ্জা খুলি দিলে।
:Come with me?
:ক'লৈ আহিছোঁ আমি?
:Do you trust me?যদি বিশ্বাস নাই নালাগে যাব ভিতৰলৈ!থৈ আহিম তোমাক ।কিন্তু মোৰ কথা খিনি তুমি আজি শুনিবই লাগিব।
হাত এখন মোৰ ফালে আগবঢ়াই ৰৈ থকা মানুহজনক অস্বীকাৰ কৰিব নোৱাৰিলোঁ ।মন্ত্ৰমুগ্ধৰ দৰে খোজ লৈছোঁ তেওঁৰ সমানে ।লিফ্টত তেওঁ পোন্ধৰ নম্বৰ মহলৰ নম্বৰ টিপিলে ।তেতিয়াও কোৱা নাই ক'লৈ আহিছো ।লিফ্টৰ পৰা ওলাই কৰ্ণাৰৰ ফ্লেট এটালৈ তেওঁ আগবাঢ়িল ।বাহিৰত লিখা আছে
“S . Anirudh”.
তাৰমানে এইটো অনিৰুদ্ধৰ ঘৰ।
দৰ্জাত ওলমি থকা নেমপ্লেট খন দেখি বেছিয়েই ভয় লাগিছে মোৰ ।কিয় আনিছে মোক ইয়ালৈ?
দৰ্জাখন খুলি তেওঁ সুমাই গৈছে, মই তেতিয়াও বাহিৰত।
:Come!
দিওঁ নিদিওঁ কৈ দিয়া ভৰিটো তেওঁৰ চিঞৰ শুনি ৰৈ গ'ল।
:Right one please.
হিন্দী চিৰিয়েল চাই নেকি অনিৰুদ্ধই?
ইমান অন্ধবিশ্বাস।
বাওঁ ভৰিটো কোঁচাই আনিলো,তেওঁৰ মতেই হওক ।অযথা তৰ্ক কৰাৰ ইচ্ছা নাই।
নতুন কিবা এটা অনুভৱে চুই গ'ল।
:বহা।

ডাঙৰ হলটোৰ এটা কোণত থকা নীলা ৰঙৰ এল আকৃতিৰ চোফা খনলৈ আঙুলিয়াই অনিৰুদ্ধই কৈ উঠিল ।বগা ৰঙৰ কোঠাটোৰ প্ৰায়বোৰ বস্তুৰেই নীলা ।বহিলো ।সন্মুখৰ ৱাল খনত এটা প্ৰকাণ্ড টিভি ।বহা ঠাইৰ পৰা কীটছেন আৰু ডাইনিং এৰিয়াটো দেখি থাকি ।টেবুলত তেতিয়াও কালিৰ পাৰ্টিৰ কিছু স্মৃতি বিৰাজমান ।তেওঁ খৰখেদাকৈ বটলবোৰ আঁতৰাই নিলে ।ৰুমত কেইবাটাও ধুনীয়া ধুনীয়া indoor plant. চোফাৰ পিছফালৰ ৱালখনত বিশেষভাৱে সজাই থোৱা কিছুমান ফটো ফ্ৰেম ।চেন্টাৰ টেবুলখনত তেতিয়াও গিফ্ট

কেইটামান থৈ দিয়া আছে।খুলিও চোৱা নাই।চোফাৰ এটা কোণত দুটা ৰিম'ট।
ঘৰটোৰ ইফালে সিফালে চাই থাকোঁতেই হাতত পানীৰ বটল এটা লৈ তেওঁ আহিল।
:লোৱা।
বটলটোৰ পৰা আধা পানী একেবাৰতে খাই থ'লো।
:I hope you are comfortable now?
কথাটো তেওঁ মোক যেন কটাক্ষ কৰিবলৈকে কৈছে তেনেকুৱা লাগিল।উত্তৰ নিদিলো।
তেওঁ মোৰ পৰা অলপ আঁতৰি বহিল।আঙুলি কেইটা ফুটাই আছে, মাজে মাজে চুলিখিনি চুই আছে।যিমানদূৰ তেওঁক বুজিছোঁ বা জানিছোঁ, তেওঁ খুব অস্থিৰ হ'লেহে এনেকুৱা কৰে।
:আমি কিয় আহিছোঁ ইয়ালৈ?
:We need to talk Ananya! Don't you think so?
:Hmm..
:I am sorry for that..I was just angry and..
আকৌ মনত পেলাই দিয়াটো জৰুৰী আছিল নেকি?কাণ মূৰ আকৌ গৰম হৈ আহিছে।কিয় বাৰে বাৰে উলিয়াই আছে বাৰু সেইটো কথাকে।
:We came here to discuss that?
:No, Not at all.
:তেন্তে?
তেওঁ আকৌ মনে মনে ৰ'ল।কি হৈছে আজি তেওঁৰ, মোৰ?
এবুকু কথা লৈ দুয়ো বহি আছো, ইমান কাষত, আমাক আমনি কৰিবলৈও কোনো নাই।তথাপি পৰা নাই ক'ব।এনেকুৱা কিয় হয় মানুহৰ।
:মই বহুত বেছি Guilt লৈ জীয়াই আছোঁ অনন্যা।
অনিৰুদ্ধই মোৰ ফালে নোচোৱাকৈ কৈছে কথাবোৰ।মোৰ ফালে চাবলৈকো সাহস নাই কিয় তেওঁৰ? এনেকুৱা কি কাম কৰিছে তেওঁ জীৱনত।চকুকেইটা হাতেৰে টিপি আছে ।
:You can tell me Anirudh.
মই বুজোঁ।কিছুমান কথাই আমাক অহৰহ খেদি ফুৰে।অথচ আমি কাকোৰেই কৈ দিব নোৱাৰোঁ।বিচাৰিলেও বাট নাপাওঁ, শব্দ বিচাৰি নাপাওঁ।এনেকুৱা লাগে এই কথাবোৰে এদিন আমাক শেষ কৰি দিব।অনিৰুদ্ধই যদি মোক কথাবোৰ কৈ নিজৰ বুকুখন পাতল কৰিব বিচাৰিছে তেন্তে মই নিশ্চয় শুনিম।
তেওঁ নিজৰ ঠাইৰ পৰা উঠি আহিল।মোৰ কাষত চোফাত নবহি তলৰ কাৰ্পেটখনত বহিল।ফোনত এখন ফটো উলিয়াই মোক দেখুৱালে।এজনী প্ৰায় পঁচিছ বছৰমান বয়সৰ ছোৱালী।খুব ধুনীয়া।ডেনিম স্কাৰ্ট আৰু ৰঙা ৰঙৰ টপ পৰিহিত ছোৱালীজনীৰ চকুকেইটাই কিন্তু সাংঘাটিক ধৰণেৰে কৰুণ।ওঁঠৰ হাঁহিটো যেন বাৰে বাৰে বিফল হৈছে চকুৰ সেই বিষাদ ঢাকিবলৈ।মোবাইলটো নিজৰ হাতলৈ আনি ওচৰৰ পৰা চালো।ঠিক যেন মোৰ দৰেই এসাগৰ বিষাদ বুকুত বান্ধি তাইও জীয়াই আছে।কিন্তু তাইৰ মুখত তেতিয়াও হাঁহি এটা আছে।মৰমলগা ছোৱালী।চকুকেইটা একেবাৰেই অনিৰুদ্ধৰ নিচিনা।

:কোন হয়?
:ভন্টি।
:খুব মৰমলগা।ক'ত থাকে?
:নাজানো।
:মানে?
:She left us five years back.
কঁপি উঠিলো।
কি কয় অনিৰুদ্ধই!!!
ক'লৈ গুচি গ'ল?কিয় গুচি গ'ল??
তেওঁৰ কান্ধত হাত এখন থ'লো।আৰু যেন তেওঁ সেই সময়ৰ বাবে ৰৈহে আছিল...
কঁপি কঁপি উচুপি উঠিছে তেওঁ...
:অনিৰুদ্ধ, প্লিজ...
চোফাৰ পৰা নামি তেওঁৰ কাষতে বহিলো।একো কোৱা নাই তেওঁ, উচুপি আছে মাজে মাজে।বাওঁহাতেৰে ঢাকি ৰাখিছে মুখ খন।কি কৰিম বুজি পোৱা নাই।এনেকুৱা পৰিস্থিতি আজিলৈকে সন্মুখীন হোৱা নাই মই।মোৰ ওচৰত কোনেও নিজৰ দুখ উজাৰি কন্দা নাই।মই কাৰোৰে বাবে ইমান আপোন হৈ উঠা নাই।অনিৰুদ্ধক বুজাবলৈ সেইবাবে চাগে মোৰ ইমান অসুবিধা হৈছে।তেওঁলৈ পানীৰ বটলটো আগবঢ়াই দিলো।
:মই বহুত চেল্ফিছ আছিলো অনন্যা।বহুত বেছি।
:সকলো মানুহেই চেল্ফিছ হয়।আজিৰ পৃথিৱীত হ'বই লাগিব।
:No, not everyone.
:ভন্টীৰ কি হৈছিল? একচিডেন্ট?
:ওহোঁ।
:অসুখ?
:নহয়।
:তেন্তে?
:She committed suicide. Because of us.
ওঁঠত চেপি ৰখা কান্দোন আৰু চকুত উপচি থকা পানীৰ টোপালবোৰ লৈ অনিৰুদ্ধই কৈ উঠিল।ইমান অসহায় আৰু ভগ্নপ্ৰায় হৈ পৰিছে তেওঁ।কি কৰিম বুজি পোৱা নাই।অনিৰুদ্ধৰ দৰে ব্যক্তিৰ এনেকুৱা এটা ৰূপ মই এবাৰলৈও কল্পনা কৰা নাছিলো।
বতৰটো আজি অদ্ভুত ধৰণৰ, বাহিৰত এই তিনি বজাতে আন্ধাৰ নামিছে,ধুমুহা এজাক অহাৰ হে যেন আগজাননী।অনিৰুদ্ধৰ মনৰ ভিতৰতো চাগে একেই ধুমুহা।

:আপোনাৰ এতিয়া ক'বলৈ কষ্ট হৈছে যদি থাকক।আমি বেলেগ কথাও পাতিব পাৰোঁ।

:ভন্টি মোতকৈ মাত্ৰ দুটা বছৰ সৰু।আমি একেলগেই ডাঙৰ হৈছিলো।পাপাৰ লগতে আমি বেছিভাগ সময় আছিলো।মোৰ মাৰ চাকৰিত প্ৰায়ে ট্ৰেন্সফাৰ হৈ থাকে।যিকোনো এটা ঠাইত মাত্ৰ দুই তিনিবছৰ হে থাকে।পাপা আৰু আইতাৰ লগতে আমি আছিলো।মোৰ একো প্ৰব্লেম নাছিল।মা ছুটিত যেতিয়া ঘৰলৈ আহে আমি চাৰিটা সদায় ফুৰিবলৈ যাওঁ।ভন্টিৰ কিন্তু সদায় এইটো খং আছিল যে মা ঘৰত নাথাকে।She used to feel very lonely you know.

:কিছুমান মাক ঘৰত থাকিও ওচৰত নাথাকে।ঢুকি নোপোৱা দূৰত্বত ৰৈ যায় সদায়।

:মোৰ মা তেনেকুৱা নাছিল অনন্যা।মায়ে খুব মৰম কৰিছিল আমাক।কিন্তু মায়ে নিজৰ চাকৰি এৰি আমাৰ লগত থকাটো মা দেউতা বা আইতাই কেতিয়াও বিচৰা নাছিল।She is a brilliant lady. মায়ে নিজৰ সৱ দায়িত্ব ধুনীয়াকৈ পালন কৰিছিল।কিন্তু ভন্টীয়ে মাক সদায় নিজৰ ওচৰত বিচাৰিছিল।পিছলৈ তাই মা ঘৰলৈ আহিলেও কথা নপতা হৈছিল।

উপায় নাপায় মায়ে চাকৰি এৰি ঘৰতেই থকা আৰম্ভ কৰিছিল।কিন্তু তেতিয়ালৈ ভন্টি বহুত বেছি ইন্ট্ৰভাৰ্ট হৈ পৰিছিল।তাই কোনো কথা কেতিয়াও কাৰোৰে লগত শ্বেয়াৰ নকৰে।মোৰ লগতো বেছি কথা নাপাতে।অকল ৰূমতে সুমাই থাকি পেইণ্টিং কৰি থাকে।আমি বহুত চেষ্টা কৰিও তাইক সলনি কৰিব পৰা নাছিলো।দিনবোৰ তেনেকৈয়ে গৈ আছিল।মই দিল্লীত পঢ়িবলৈ যাওঁতে তাইকো লৈ যাব খুজিছিলো।কিন্তু এডমিশ্যন পায়ো তাই নগ'ল।ঘৰতে থাকিল।তাইৰ বন্ধু বুলি ক'বলৈও মাত্ৰ এজনীয়েই আছিল।তাৰ বাহিৰে কাৰো লগতে তাইৰ কোনো ধৰণৰ সম্পৰ্ক নাছিল।যিমানেই ডাঙৰ হৈ আহিছিল সিমানেই তাই আমাৰ পৰা আঁতৰি গৈ আছিল।

:আপুনি কেতিয়াও সোধা নাছিল তাইক?কিয় তাই তেনেকৈ থাকে বুলি?

:ওহোঁ।মই মোৰ কেৰিয়াৰ লৈয়ে বিজি আছিলোঁ অনন্য।BE কৰাৰ পাছতে মই MS কৰিবলৈ US গুচি গৈছিলো।ভন্টীয়ে তেতিয়া Product Designing কৰি আছিল।মই তাতে পঢ়াৰ পাছত জব জইন কৰিলো।ঘৰলৈ এবাৰহে আহিছিলোঁ।সেইবাৰ আহোঁতে ভন্টিক বহুত সলনি হোৱা দেখিছিলোঁ।মোৰ লগত তাই কথা পাতিছিল, আমি দুইটা একেলগে লেট নাইট ড্ৰাইভিংত গৈছিলোঁ, পাৰ্টি কৰিছিলোঁ।Everythjng was just perfect you know?

:তেন্তে সৱ ঠিকেই আছিল?

:She told me she is in love. I was happy for her. মই লগ কৰিব খুজিছিলোঁ কিন্তু তাই সেইবাৰ চিনাকি কৰাই নিদিলে।

:তাৰ পিছত?

:সেইবাৰ তাইক শেষবাৰৰ কাৰণে সাৰটি লৈছিলোঁ।মোক এয়াৰপোৰ্টত থবলৈ গৈ তাই কান্দিছিল, মোক বহুত জোৰেৰে হাগ কৰিছিল।It was very different you know.

:মিছ কৰিছিল চাগে আপোনাক বহুত।

:মই গুচি যোৱাৰ প্ৰায় তিনিমাহ মান পাছত পাপাই ফোন কৰি কৈছিল যে ভন্টীৰ কাৰণে ভাল ল'ৰা এটা পাইছে।বিয়াৰ কথা চলিছে।তাই তেতিয়া মাষ্টাৰছ শেষ কৰি কোম্পানী এটাত জইন কৰিছিলে।মই ইমান

জলদি বিয়াৰ কথা উলিয়াবলৈ পাপাক মানা কৰিছিলো।কিন্তু মা পাপা দুইজনেই মোক কৈছিল যে ভন্টীৰো ইচ্ছা আছে।মই ভন্টীৰ লগত কথা পাতোঁতে তায়ো কৈছিল যে তাই হেপ্পী।So I thought he must be the same guy she is in love with..but I was wrong Ananya...

ৰৈ গ'ল।
অনিৰুদ্ধই একোকে ক'ব পৰা নাই তাৰ পাছত।ময়ো সোধা নাই।বুজি পাওঁ মই, কিছুমান কথা কোৱা ইমান সহজ নহয়।

:She was in love with a girl Ananya..!! She was homosexual.
:So what?Love is love Anirudh!
:Exactly! But she couldnt feel this.
তাই যদি এবাৰ কলেহেঁতেন মোক।কিয় তাই মোৰ আগত ক'বলৈ ভয় কৰিলে।I am a terrible brother Ananya. মই নিজকে কেতিয়াও মাফ কৰিব নোৱাৰিম।মা পাপাই ইমান ডাঙৰ ভুল কৰি পেলালে। তাইক যদি এবাৰ সুধিলেহেঁতেন ,বুজিলেহেঁতেন।তাই ইমানেই ভয় কৰিলে যে পাপাই বিয়া ঠিক কৰোঁতেও একো নক'লে।পিছত যেতিয়া দিনবোৰ বিয়াৰ ওচৰ চাপিল তাই মৰি যোৱাই ভাল বুলি ভাবি ল'লে। আমি তাইক কিয় বুজি নাপালোঁ, কিয়!!!!

উত্তৰ দিবলৈ মোৰ ওচৰত একো নাই।অনিৰুদ্ধৰ ভনীয়েকৰ দৰে আমাৰ মাজতো বহু আছে,যি এইবোৰ কথা খুলি ক'ব নোৱাৰে।সমাজে হাঁহিব বুলি ভয় কৰে।এইটো যে এটা প্ৰাকৃতিক কথা,সাধাৰণ কথা সেইটো গ্ৰহণ কৰিব পৰাকৈ সমাজখন এতিয়াও উদাৰ হোৱা নাই।অনিৰুদ্ধৰ ভনীয়েকে কিয় তেনেকুৱা কৰিলে সেয়া বুজা মোৰ বাবে অসম্ভৱ।কিন্তু ভাৰতীয় সমাজত পৰিয়ালৰ লগত sexuality discuss কৰিব পৰা পৰিবেশ এতিয়াও আমি পোৱা নাই, দিব পৰা নাই।মানুহক দেখুৱাই পাৰফেক্ট ফেমিলি বনিবলৈ যাওঁতে আপোনবোৰকে হেৰুৱাই পেলাওঁ বহুবাৰ।তথাপি আক্ষেপ নাই।মানুহৰ বাহ বাহ বেছি জৰুৰী আমাৰ বাবে।

:আপুনি মাক সুধিছিল নে কেতিয়াবা?জানি বুজি বিয়া ঠিক কৰা নাছিলতো?
:সুধিছিলো।
:হমম।কি কৈছিল?
:মাৰ মতে পাপাই কিবা এটা জানিছিল।কিন্তু কোনোদিন মুখ খুলি কোৱা নাই।আমিও সুধিব নোৱাৰিলোঁ পাপাক।মই ঘূৰি আহি তাইক দেখাও নাপালো।তেতিয়ালৈকে পোষ্টমৰ্টেম হৈ গৈছিল।তাই মাত্ৰ মোৰ কাৰণে এটাই note লিখি গৈছিল..
This one..

ফোনত ফটো তুলি ৰখা এটা কাগজৰ টুকুৰা।গোট গোট আখৰেৰে লিখা আছে তাত...

“Bhaiya, please love people without any condition. Try to make this world a better place to live. You are my Hero Bhaiya. I always admired you, but couldn’t say anything ever. Now its too late. But still I wanna say, aap baaki logon se alag bano bhaiya.. ek ache insaan bano,I love you Ani Bhaiya ...Aapki Ankita”

চকুপানী ৰখাব মৱো পৰা নাই..
সাৱটি ধৰিলো অনিৰুদ্ধক, এইবাৰ তেওঁ হুকহুকাই কান্দিছে।
বাহিৰত তেতিয়া প্ৰচণ্ড ধুমুহা বৰষুণ।

অনিৰুদ্ধ!!!
মমৰ দৰে যেন গলি গলি শেষ হৈ যাব।জোৰকৈ খামুচি ধৰিছে মোক, বুকুত মূৰ থৈ সৰু ল’ৰাৰ দৰে কান্দিছে।কেনেকৈ সামৰি ৰাখিছিল তেওঁ ইমানখিনি দুখ!
কেনেকৈ হাঁহি আছিল আমাৰ আগত?
ঘন চুলিকোচাত হাত ফুৰাই দিওঁতে মৱো কঁপিছোঁ।
আপোন কাৰোবাক হেৰুৱাৰ দুখ মই নুবুজোঁ, কিন্ত নিজৰ আপোন বুলিবলৈ কোনো নথকা মানুহে দুখবোৰ বেছিকৈ বুজি পায়।মই তেওঁক আজি নাকান্দিব বুলিও নকওঁ।
কান্দি কান্দি যদি তেওঁ ভাগৰি পৰে, বিষাদবোৰো ভাগৰি পৰিব।মোৰো মন যায় এনেকৈ কান্দিবলৈ, কিন্ত মই নোৱাৰোঁ।যেতিয়াই বেছিকৈ দুখ লাগে,বিলাতী সুৰাৰ বটল খালী কৰি পেলাওঁ।লানি নিছিগাকৈ চিগাৰেট জ্বলাই থাকোঁ।কিন্তু চকুৰপৰা পানী নোলায়।মুখৰ পৰা গালি ওলাই, শেষ কৰি দিবলৈ মন যায় সকলো, ভাঙি পেলাবলৈ মন যায় চাৰিওফালৰ বস্তুবোৰ।
কিন্তু কান্দিব নোৱাৰোঁ।
অনিৰুদ্ধই পাৰিছে, মোৰ বুকুত সোমাই তেওঁ যদি শান্তিৰে কান্দিব পাৰিছে, তেন্তে মই এনেদৰেই সাৱটি ৰাখিব পাৰিম তেওঁক... হয়তো আজীৱন।
সময়বোৰ গৈ আছে.. বাহিৰত তেতিয়াও বৰষুণ।বেলকনিৰ সেউজীয়া গছবোৰত উফৰি অহা টোপালবোৰ জিলিকি আছে।
:Anirudh...
তেওঁ মোক এৰি দিলে, মুখ খন ৰঙা, চকুকেইটাও ৰঙা হৈ ফুলি আছে,চুলিখিনি খেলিমেলি... উফ, এইজন মানুহক ইমান বিধস্ত ৰূপত মই চাব নোৱাৰোঁ।বুকুখন মোচৰ খাই গৈছে।তেওঁৰ চকুৰপৰা বৈ অহা পানী দুটোপাল হাতেৰে মোহাৰি দিলোঁ।
:পানী খাব?

তেওঁ বটলটো হাত পাতি লৈছে।

:Feeling better?

:

মনে মনেই থাকিল তেওঁ।সন্মুখৰ বেলকনিটোৰ কোনোবা এজোপা গছতেই স্থিৰ হৈ আছে তেওঁৰ দৃষ্টি।বহুসময় তেনেকৈয়ে গ'ল।তেওঁক বুজাবলৈ গৈ নিজেই শব্দহীনতাত ভুগিছো।

:I will just come.

তেওঁ উঠি গৈ বাওঁফালৰ ৰুমটোৰ ভিতৰলৈ সোমাই গ'ল।বাথৰুমৰ টেপ খোলাৰ শব্দ শুনা পালোঁ।অলপ পাছত মুখ খন ধুই ওলাই আহিল।কান্দোনৰ চিন তেতিয়াও সুস্পষ্ট।মোৰ সন্মুখেদি গৈ বেলকনিত গৈ তেওঁ চিগাৰেট জ্বলালে।উঠি যাব খুজিও ৰৈ গ'লো।আমনি দিয়াৰ ইচ্ছা নহ'ল।

:তোমাক থৈ আহোঁ।বৰষুণ কমিছে।

আচৰিত হ'লো,মইতো এবাৰো কোৱা নাই মোৰ দেৰি হৈছে বা মই যাওঁগৈ বুলি।হঠাৎ কি হ'ল??

:অলপ দেৰি থাকিলে আপুনি বেয়া পাব নেকি?

এইবাৰ তেওঁৰ আচৰিত হোৱাৰ পাল।চিগাৰেট পেলাই মোৰ ওচৰলৈ আহিল।এইবাৰ সন্মুখত বহি মোৰ হাত এখন নিজৰ দুয়োখন হাতৰ মাজত লৈ ক'লে...

:Stay with me.. forever!

এনে হোৱাৰ তো কথা নাছিল?

ইমান সহজে মই তেওঁৰ ওচৰত ধৰা দিয়াৰ তো প্ৰথা নাছিল।!

:চাহ খাব পাৰি নেকি?

কথাটো সলাবলৈ বেলেগ আৰু একো কথা বিচাৰি নাপালোঁ।

:হমম।আনিছোঁ।

:যদি বেয়া নাপায় ময়ো বনাব পাৰোঁ।

:Sure.

অদ্ভুত এটি পৰিবেশ।মই কি কৰি আছো নিজেই বুজা নাই।কিন্তু অকলশৰীয়া কৰি তেওঁক এৰি যাবলৈ মোৰ আজি ইচ্ছা হোৱা নাই।যিমানকণ সময় পাৰো তেওঁৰ লগত থাকিব বিচাৰোঁ।আন্ধাৰ মুখ খন অকণমান পোহৰাই থৈ যাব বিচাৰোঁ।তেওঁৰ পিছে পিছে পাকঘৰৰ ফালে আগবাঢ়ি গ'লো।উডেন আৰু বগা ৰঙৰ কেবিনেট আৰু ওলমি থকা লাইটবোৰৰ সৈতে আধুনিক ডিজাইনৰ পাকঘৰটোত মই যেন অলপো ঘৰুৱা ভাৱ নেদেখিলো।সকলো বস্তুৱেই জোখতকৈ বেছি পাৰফেক্ট।

:আপুনি নিজে বনাই খাই?

:Me?No. কুক এজন আহে।

ইয়াত কুক পাবলৈ সহজ।পাকঘৰটো দেখি কোনোবা প্ৰফেচনেল মানুহে চম্ভালে বুলি ধৰিব পাৰি।তেওঁক বিচৰাৰ আগতেই চাহপাত আৰু গাখীৰ উলিয়াই দিলে।সৰু চছপেন এটাত দুকাপ গাখীৰ উতলিবলৈ দিলো।অনিৰুদ্ধ অলপ আঁতৰি থিয় হৈ আছে।ক'বলৈ বহুতেই আছে সেইয়া আমি দুয়ো জানো, কিন্তু কিছুমান সময়ত কথা নোকোৱাকৈ থাকিও ভাল লাগে।অচিনাকি মানুহবোৰ যেতিয়া হৃদয়েৰে অলপ কম অচিনাকি হয়, বুকুৰ ইফাল সিফাল জুমি চাব পৰাকৈ চুবুৰীয়া হয়, ভালপোৱা ,ভাললগা আটাইবোৰ অলপ হ'লেও বুজি

পোৱা যেন অনুভৱ হয়,তেতিয়া লৰি ঢাপৰি ফুৰা শব্দবোৰে বুকুৰ কোনোবা এটা কোণত জিৰণি লয়।
মৌনতাৰ হাজাৰটা ঢৌ অটল গহ্বৰত সামৰি ভালপোৱাৰ সাগৰ এখন বয়।
এইয়াতো জীৱন।
হৃদয়ৰ তাগিদাত ভৰপূৰ হোৱা নিঃস্ব কলিজাৰ অলপ নিজা সময়ৰ অপচয়।
কি জয়?পৰাজয়?
চাহৰ কাপ দুটা নিজেই নমাই আনিলো।
আদা দিয়া চাহৰ গোন্ধটো পাই তেওঁ ওচৰ চাপি আহিল।দুইটা কাপত চাহ বাকি এটা তেওঁলৈ আগবঢ়াই দিলো।
এইবাৰ বেলকনিটোৰ ফালে আগবাঢ়িলো দুয়ো।বৰষুণজাক পাতল হৈছে যদিও একেবাৰে এৰা নাই।বহিবলৈ চকী আছিল যদিও দুয়ো ৰেলিং খনৰ ওচৰত থিয় হৈ চাহ খাবলৈ ধৰিলোঁ।কাৰোৰে মুখত একো কথা নাই।অনিৰুদ্ধ তেতিয়াও সেমেকা ৰাতিৰ জোনটোৰ দৰেই নিস্তেজ।
নিজক সাজু কৰিছো,কিছু কথা মোৰো কবলগীয়া আছে...
:I could never tell him ...that he has a child
:Who?
:কলেজৰ sixth semester ৰ পৰীক্ষা তেতিয়া শেষ হৈছে।হোষ্টেলৰ সৰ ছোৱালী ঘৰলৈ গুচি গৈছিল।থাকি গৈছিলো মই আৰু এজনী হিমাচলৰ ছোৱালী।তাইৰো ঘৰ নাছিল যাবলৈ।কিয় সেইয়া মই সোধা নাছিলো।ৰূমটোত অকলে থাকি থাকি পাগলৰ দৰে হৈছিলোঁ মই।তাৰ মাজতে এদিন মোক লগ কৰিবলৈ সি আহিছিল।
:কোন সি?
:নাম জানিব নালাগে।সি বেয়া মানুহ নহয়।ভুল তাৰ নহয়।সি মোৰ ভাল বন্ধু আছিল।ক্লাছৰ ভাল ল'ৰা আছিল।মই অকলে আছোঁ বুলি জানি সি মোক লগ ধৰিবলৈ আহিছিল।তাৰ পাছত আমি দুইটা ওলাই গৈছিলোঁ একেলগে।পাৰ্টি কৰিছিলোঁ।মোৰ ওচৰত তেতিয়া পইচাৰ অভাৱ নাছিল।বহুত ড্ৰিংক কৰিছিলো।মই সাংঘাতিক অকলশৰীয়া আছিলো তেতিয়া।আৰু কাৰ কাৰণে নো ভাল ছোৱালী হৈ থাকিম।ঘৰ বুলি যাবলৈ একোৱেই নাছিল।মোৰ অৱস্থা দেখি সেইদিনা ৰাতি সি মোক হোষ্টেললৈ যাবলৈ নিদিলে।আমি তাৰ ঘৰলৈ গৈছিলোঁ।সি মনে মনে দুৱাৰ খুলি সোমাইছিল, পিছে পিছে মই।তাৰ মাক দেউতাকে গম নোপোৱাকৈ দুমহলীয়া ঘৰটোৰ ওপৰ মহলত ৰাতিটো পাৰ কৰিছিলোঁ।মই তাৰ আগত মোৰ সমস্ত দুখ উজাৰি দিছিলো।বহুত কথাই পাতিছিলো আমি।তাৰ পিছত কোনো এটা দুৰ্ব্বল মুহূৰ্তত আমি ভুল কৰি পেলাইছিলো।সেইটো বয়সত বেছি দূৰলৈ একো ভাবিবই পৰা নাছিলো।সেই এৰাতিৰ নিচা আৰু দুৰ্ব্বলতাই মোৰ জীৱনটো সলাই পেলালে।ৰাতিপুৱাই গুচি আহিছিলো।কোনেও নেদেখাকৈ।সি লাজ পাইছিল মোৰ আগত।বাৰে বাৰে ছৰী কৈছিল।কিন্তু ভুল তাৰ অকলে নাছিল।মোৰো আছিল।
:তাৰ পিছত..
:তাৰ পিছত মোৰ জীৱনলৈ থুপু আহিল।
:তুমি তাক একোৱেই নক'লা?
:ওহোঁ।

:কিয়?

:সি পঢ়া শুনা কৰি জীৱনত কিবা এটা কৰিব বিচাৰিছিল।আৰু আমাৰ মাজততো প্ৰেম নাছিল।মই নিজকে কাৰোবাৰ বোজা হ'বলৈ এৰি দিব নোৱাৰোঁ।মোৰ দায়িত্ব মই নিজেই ল'ব বিচাৰোঁ।

মই তাক কেতিয়াও এইবোৰ জানিবলৈ নিদিলো।

:এতিয়াও কথা পাতা তাৰ লগত?

অনিৰুদ্ধৰ কথাত অকণমান ঈৰ্ষাৰ ভাৱ।

:সি এতিয়া ক'ত আছে বা কি কৰি আছে সেয়া মই নাজানো।কিন্তু তাৰ ভাল হোৱাটো বিচাৰোঁ।সিমানেই।

:আজিলৈকে কাকোৱেই ভাল লগা নাই তোমাৰ?

:কিয়?

:এনেই।Just curiouse.

:I have feelings too.. for someone..

:কোন?

:

:এতিয়াও ভাল পোৱা?

:নাপাবলৈ বহুত চেষ্টা কৰিলো।

তেওঁৰ মুখ খন সেমেকি গ'ল..

একো কোৱা নাই।

:চাহ কাপ ভাল নালাগিল আপোনাৰ?

:ভাল লাগিল।Thank you.

:এতিয়া মই যাওঁ নে?

:ছটা বাজিছেহে,আৰু অকণমান দেৰি থাকিব নোৱাৰি নেকি?

:আপুনি ৰেষ্ট কৰক।

:আকৌ এনেকৈ লগ পাম জানো?

:

:অনন্যা..

:

ভিতৰলৈ সোমাই আহি বেগটো হাতত ল'লো।

তেওঁ পিছে পিছে সোমাই আহিল।

টেবুলৰ পৰা গাড়ীৰ চাবিটো লৈ ৰৈ আছে।যোৱাৰ ইচ্ছা নাই।

:কি হ'ল?

:Thank you for today.

:মোৰো ভাল লাগিল।

:কিয়..?

উত্তৰ নিদি আঁতৰি আহিব খোজোঁতেই তেওঁ মোৰ সোঁ হাতখন ধৰি টানি নিলে..

:Who is that someone?
চকুত চকু থৈ সোধা এটা পোনপটীয়া প্ৰশ্ন।
:He knows?
:Nope.
:Aah!
:Happy birthday Anirudh!

সন্ধিয়াটো আজি যেন বেছি ভাল লগা।
বৰষুণত ভিজা চহৰখনৰ এটা সুকীয়া গোন্ধ..আকাশত দেখি নোপোৱা সন্ধিয়াৰ হেঙুলীয়া বেলিটো যেন অনিৰুদ্ধৰ চকুৰ পৰা মোৰ বুকুলৈকে অহা যোৱা কৰি আছে.. তেওঁৰ ফালে চালেই চকু কেইটা সৰু কৰি নাইবা চেলাউৰী কোচাই বিশেষ ভংগীমাত আকৌ সোধে..
"কোন সেই বিশেষ জন"
মই উত্তৰ নিদিয়াকৈ বাহিৰলৈ চাই পঠিয়াও।
এনেকৈয়ে আহি ৰূমৰ ওচৰ পালেহি..
:I need an answer soon.
:ভাবি চাম।
আৰু অলপ খং উঠাবলৈকে কৈ দিলোঁ।
:অনন্যা,মোৰ কথাবোৰ আজি প্ৰথম কাৰোবাৰ আগত কৈছোঁ।তুমি বুজি পাবা বুলি ভাবোঁ।কিন্তু প্লিজ এইটো কথা যেন আমি আকৌ কেতিয়াও নাপাতো।মই মা পাপাৰ কাৰণে বহুত কথাই পাহৰি লাইফত আগবাঢ়িছো।মোৰ বাহিৰে তেওঁলোকৰ কোনো নাই।I try to keep them happy. আৰু সেইকাৰণেই নিজেও যিমান পাৰোঁ ভালকৈ থাকিবলৈ চেষ্টা কৰোঁ।
:মই বুজিছোঁ।
:Thank you.
নামি আহিলোঁ।তেওঁ আন দিনৰ দৰে আজি মোৰ সতে খোজকাঢ়িবলৈ গাড়ীৰ পৰা নামি নাহিল।হয়তো ভাগৰুৱা।ৰাস্তাটো পাৰ হৈ এবাৰ ঘূৰি চালো।তেওঁ ৰৈয়ে আছে।মই চোৱাৰ লগে লগে হাঁহি এটা মাৰি গাড়ী ঘূৰালে।বুকুত নতুন কিবা এটা সামৰি ময়ো আগবাঢ়িলোঁ।দিনটো আজি বিশেষ আছিল।

হিবালৈ ফোন কৰি ডক্টৰৰ লগত হোৱা কথাবোৰ পাতিলোঁ।গোটেইখিনি প্লেনিং কৰিব লগীয়া হৈছে।ভায়েকক আনি এডমিট কৰা, মাকৰ থকা ব্যৱস্থা,পইচা এই সকলোবোৰ।
তাই আৰু মাকে মিলি যেনেতেনে দুই লাখ টকা যোগাৰ কৰিছে।মোমায়েক এতিয়াও একেটা কথাতে লাগি

আছে।হিবাই বিয়াত সন্মতি দিলেই দৰা ঘৰৰ মানুহে খৰছ খিনি কৰিব।এইবাৰ তাইক গালি পাৰিলোঁ।মুখত যি ওলাই তাকে বকি দিছোঁ।বিয়াৰ পাছত যদি ভায়েক মৰি থাকে তেতিয়া কি কৰিব?অদ্ভুত কথা কিছুমান লৈ মানুহে মূৰ গৰম কৰি থাকিলে মই বেছিদেৰি সহ্য কৰি থাকিব নোৱাৰোঁ।তাই কান্দিছে।কিন্তু মোৰ বেয়া লগা নাই।খং এটা হে উঠি আহিছে।শেষত যেনিবা তাই বিয়াৰ বাবে মানা কৰি দিম বুলি মান্তি হ'ল।পইচাৰ দায়িত্ব ল'লোঁ যদিও কেনেকৈ মিলাম তেতিয়াও ভাবি পোৱা নাই।হিবাৰ ফোনটো কাটি ককালৈ ফোন কৰিলোঁ।তৰাই নি ককাক দিলেগৈ

:ভালে আছ নে গোসাঁনী?

:আছোঁ ককা, তোমাৰ ভালনে?

:মোৰ নো কি ভাল বেয়া,খবৰ লওঁতা নায়েই।তয়ো পাহৰিছ আজিকালি।

শেষলৈ ককাৰ মাতটো থুকাথুকি।দুখ এটা উজাই আহিল।মানুহজন অকলশৰীয়া।মোৰ পৰা অকণমান মৰম আশা কৰে তাকো মই দিব পৰা নাই।

:ককা, মোক এমাহ সময় দিয়া, মই সৱ ঠিক কৰি লৈ আনিমগৈ তোমাক।হ'ব নে?

:এনেই কৈছ,মোক নিলে তোৰ দিগদাৰী হে হ'ব।

:ককা,তোমাৰ বাহিৰে মোৰ কোন আছেনো?বেয়া পাইছা বুলি জানিছোঁ।কিন্তু মোৰো কিছুমান অসুবিধা আছে।পইচাৰো অলপ টনাটনি হৈছে।

এইবাৰ ককা জকজকাই উঠিল।

:মোৰ নাতি হৈ তেনেকৈ কেলেই আছ?কি কৰিম মই পইচা সোপা।মৰিলে লৈ যাম নেকি লগত।

:দেউতাৰ পইচা মোক নালাগে।

:তোৰ বাপেৰৰ বাপেক মই বুজিছ।এইবোৰ সৱ মই গঢ়া সম্পত্তি।কোনে কি কৰিব পাৰিব।

ককাৰ মাতটো ডাঙৰ হৈ গৈছে।ঘৰত আকৌ অশান্তি হোৱাটো মই নিবিচাৰোঁ।দেউতাই এইবাৰ নিৰ্বাচনত বহুত পইচা খৰছ কৰিছে বুলি ককাৰ পৰাই গম পাইছোঁ।দেউতাই নিজে কেতিয়াও নিৰ্বাচন নেখেলে।He is the king maker. আমাৰ ঠাইৰ বিধায়ক কোন হ'ব,বাগানৰ মজদূৰে কাক ভোট দিব, নিৰ্বাচনৰ আগে আগে কোনটো কথা বিয়পিলে ভোট কোনফালে যাব এইবোৰৰ আলোচনা আমাৰ ঘৰত হয়।আগতে ককাই পৰামৰ্শ দিছিল।ঠাইখনৰ উন্নয়নৰ কথা কৈছিল।এতিয়া দেউতাই দিয়ে।নিজৰ আৰু নিজৰ চামচা বিলাকৰ উন্নয়নৰ কথা পাতে।ককাৰ খং যে সেইবোৰ লৈয়ে উঠিছে সেইয়া বুজিছো।

:ককা,তুমি পইচা অলপ পঠাই দিব পাৰিবা?

:খুজিছ যে, এইবোৰ সৱ তোৰেই।কিমান লাগে?

হিবাৰ ভায়েকৰ কথা ককাক বিৰৰি ক'লো।দুখ পাইছে মানুহৰ জঘন্য মানসিকতাৰ কথা শুনি।

:মই কাইলৈকে যোগেশক লৈ বেংকলৈ যাম।মই থাকোঁতে তই একোকে চিন্তা নকৰিবি মাজনী।

:মই চিন্তা নকৰোঁ ককা।তুমিও নকৰিবা।এইটো মাহ তাত থাকা।ওচৰৰ মানুহখিনিক ভালকৈ লগ কৰি লোৱা।মই ঘৰ চাইছোঁ।সৱ মিলিলেই লৈ আনিমগৈ তোমাক।মোৰ লগতে থাকিবা সদায়।আমি আকৌ আগৰ নিচিনাকৈ থাকিম দেই।

:কেইটা দিননো জীয়াই থাকিম।সেইকাৰণেহে জোৰ দি কৈছোঁ তোক।আজিকালি খাবলৈও মন চন নোযোৱা হৈছে।

:কিয়?নাখালে কেনেকৈ হ'ব।
:এহ কিনো কৈ থাকিম আৰু। নতুন ৰান্ধনী আনিছে।বৰ তেল মছলা দিয়ে বুইছ।মোৰ হজম নহয় সেইবোৰ।
:বুজিছোঁ।তৰাক ফোনটো দিয়া।
:তই কাকো গালি নাপাৰিবি দেই।
:তুমি দিয়াচোন।
ফোনটো লৈ তৰাই মাত মতা নাই।
:তৰা নতুন ৰান্ধনীক কবি ককাই যেনেকৈ খাই তেনেকৈ বনাবলৈ।এই এমাহত ককাৰ কিবা যদি হয় মই কি কৰিম চাই ল'বি।আৰু এইটো কথা মই যেনেকৈ কৈছোঁ একদম তেনেকৈ গৈ মাৰ আগত কৈ দিবি।মই আকৌ ফোন কৰিম।

ফোনটো মই কাটি দিলো।এইবোৰ অশান্তিৰ অন্ত পেলাবই লাগিব।সোনকালেই ঘৰ এটালৈ shift কৰিব লাগিব।আজি অনিৰুদ্ধৰ কথাবোৰে এতিয়াও বুকুত খুন্দিয়াই আছে, ক'ব নোৱাৰা কথা কিছুমানে এনেকৈয়ে মানুহক শেষ কৰে।গুণা গঁথা হিচাপ নিকাছৰ মাজত কেতিয়াবা বহুতেই দেৰি হৈ যায়।জীৱনত এতিয়া বহুত বেছি একো নিবিচাৰোঁ মই।ককা আৰু থুপুৰ সৈতে এটা সুখী জীৱন।বিলাসী জীৱনৰ প্ৰতি মোহ নাই।শান্তি বিচাৰোঁ এতিয়া।অকল শান্তি।কেতিয়াবা সপোন দেখোঁ, এটা সৰু ঘৰ, বেলকনিত এখন আৰামী চকী, ককাই তাতে বহি চাহ খাব।মই ওচৰতে বহি চাই থাকিম।কোলাত থুপু থাকিব।সি ফুটা নুফুটাকৈ কথা ক'ব।কেতিয়াবা সেই সপোনটোত আৰু এজন মানুহে ভুমুকি মাৰে।হাঁহি হাঁহি আমাৰ কথাবোৰ শুনি থাকে।সেই মানুহজন আজিকালি মোৰ প্ৰতিটো কল্পনাতে থাকে।কৈ দিব খুজিও কৈ দিব পৰা নাই মই।ভয় লাগে মোৰ।ভাল লগা সকলোৰেই চোন মোক এৰি থৈ গুচি যায়।আইতাই এৰি যোৱাৰ দিনা মই কান্দিবও নাজানিছিলোঁ।ককাৰ পাছে পাছে ঘূৰি ফুৰিছিলোঁ।তাৰ পিছত বহুদিন আইতাৰ কপাহী চাদৰ এখন লগতে লৈ ফুৰিছিলোঁ।ককাই তৰা হৈ যোৱা বুলি কোৱাৰ বাবে অকাশলৈকে চাই থাকিছিলোঁ।ভগৱানক ভাল নোপোৱা হৈছিলো।ককাৰ সৈতে সন্ধিয়া গোঁসাই ঘৰত সোমাই মনতে ভগৱানৰ লগত কাজিয়াহে কৰিছিলোঁ।প্ৰসাদৰ গোটা আপেল থপিয়াই আনি খাইছিলো।সেই দিনবোৰ ইমানেই দুখৰ আছিল যে মোৰ মনৰ পৰা এতিয়াও আঁতৰাব পৰা নাই মই।সেইবাবেই চাগে ভয় খাওঁ মই, নতুনকৈ ভালপাবলৈ।কিন্তু অনিৰুদ্ধক ভাল নোপোৱাকৈ থকাতো যে এতিয়া প্ৰায় অসম্ভৱ হৈ পৰিছে মোৰ বাবে।

ভাত কেইটা খাই লেপটপটো খুলি আকৌ ঘৰ বিচৰাত লাগিলোঁ।1bhk ঘৰ এটা পছন্দ হৈছে।ভাড়া বাৰ হাজাৰ টকা।অফিচলৈ অলপ দূৰ হ'ব কিন্তু ঠাইখিনি অলপ শান্ত।ককাই ভাল পাব।স্ক্ৰীণত ঘৰ চাই চাই ওঁঠত লিপবাম লগাই থাকোঁতে মনত পৰিল অনিৰুদ্ধৰ সেই...
গোটেই তেজবোৰ যেন গাল দুখনলৈকে বৈ আহিছে...
একে সময়তে ফোনৰ স্ক্ৰীণত তেওঁৰ নম্বৰটো জিলিকি উঠিল।
:হেল্লো..
:কি কৰি আছা?
:ঘৰ চাই আছোঁ।ককা সোনকালে আহিব বিচাৰে।মোৰ ওচৰত এমাহ সময় আছে।

:দেৰি কৰি নাথাকিবা।লৈ আনাগৈ।
:ঘৰটো লৈ লওঁ।
:মই হেল্প কৰি দিওঁ?
:কাইলৈ চাই আহিমগৈ।দৰকাৰ হ'লে আপোনাক কম।
:You still don’t trust me na..
:বিশ্বাস নোহোৱাকৈ আপোনাৰ ঘৰত আপোনাৰ সৈতে ইমান সময় নাথাকিলোঁ হেতেন।
:মই জোৰ কৰি লৈ আহিছিলোঁ ন।
:অনন্যাক কোনেও জোৰ কৰি একো কৰাব নোৱাৰে।
:মই জানো।
:আপুনি কিবা খালে?
:নাই, মন যোৱা নাই।
:কিয়?
:চাহৰ টেষ্টটো গুচি যাব যে।
সেইটো আকৌ কেনেকুৱা কথা।অনিৰুদ্ধক বুজিবলৈ আৰু সময় লাগিব চাগে মোক।এনেকুৱা কথাবোৰৰ উত্তৰ মোৰ ওচৰত নাথাকে কেতিয়াও।
:মই শুই যাওঁ, ভাগৰ লাগিছে।
:Okay, Good night.
ফোনটো কাটি লৈ আকৌ ঘৰ বিচৰাত লাগিলোঁ।ইমান সোনকালে মই যে নুশুও সেইটো তেওঁ জানে।এইবাৰ মেছেজ কৰিলে।
“তোমাৰ shampoo, lipbalm সৱতে strawberry আছে ন?
I like it.”
কি????
ফোনটো লগে লগে অফ কৰি লাইট কেইটাও অফ কৰি মূৰে গায়ে কম্বল লৈ শুই থাকিলোঁ।
মই এসপ্তাহ মান ছুটি লোৱা ভাল নেকি!!

দেওবাৰৰ দিনাও সোনকালেই সাৰ পালোঁ।ৰাতিটো এবাৰো ফোনটো অন কৰা নাই।কিজানি অনিৰুদ্ধই ফোন কৰে।এতিয়াও নকৰোঁ।ৰূমতে অলপ কিবাকিবি excercise কৰি গা ধুলো।আজি আয়ুৰ লগত ঘৰ চাবলৈ যাম।সেইটোক উঠাবলৈ আছেই।কুম্ভকৰ্ণৰ নাতিয়েক সেইটো।ইমান কেনেকৈ শুব পাৰে নাজানো।ফোনটো ভয়ে ভয়ে অন কৰিলো।অনিৰুদ্ধৰ সেই মেছেজটোৰ পিছত ফোন বা মেছেজ একো নাই।
অলপ আচৰিত হ'লো।
ফোনটো বিচনাতে থৈ ব্ৰেকফাষ্ট কৰিবলৈ ওলাই গ'লো।
দেওবাৰে সদায় পুৰি আৰু আলুৰ চবজি থাকে।ভাল পাওঁ খাই।লগত একাপ চাহ।ইডলি দ'ছা খাই খাই

মাজতে এইটো ব্ৰেকফাষ্ট মোৰ ভাল লাগে।আচলতে ককাৰো প্ৰিয় এইটো।আইতাই হেনো সৰু সৰু আলুগুটি জিৰা আৰু জনী দি গৰু ঘিঁউত ভাজিছিল।লগত ফুলা ফুলা লুচী।ককাই কওঁতেও মুখ খন পোহৰ হৈ যায়।আইতা হেনো অন্নপূৰ্ণা আছিল।কোনো মানুহকে শুদা মুখে ঘূৰাই নপঠিয়াই।গাঁৱৰ মানুহে ভালকৈ এসাজ খাবলৈ সদায় আমাৰ ঘৰলৈকে আহিছিল।ককাই আইতাৰ হাতৰ জুতি বৰ ভাল পাইছিল।বিশেষকৈ লুচী আৰু আলুৰ ভাজিখন।ককা ইয়ালৈ আহিলে ময়ো বনাই খোৱাম।খাই বৈ আজৰি হৈ আয়ুলৈ ফোন কৰিলোঁ।

:কি হ'ল?হুবলে দে।

:হুবলে নহয়, শুবলৈ দে।নিদিওঁ যা।ঘৰ চাবলৈ যাম বুলি কৈছিলোঁ মনত নাই নেকি তোৰ?

:যা আকৌ নিজে মোৰ মাথাটো কেলে খাইছ?বয়ফ্ৰেণ্ডটোক মাত।

এইটোৰ বেছি বেছি কথা অলপ।আৰু বয়ফ্ৰেণ্ড কোন?

:কোন বয়ফ্ৰেণ্ড?

:মই যেনিবা নাজানোঁ হে।বুৰ্বক পাইছ?ফোন থ।

কাটিয়েই দিলে।তাৰমানে গপ লাগিছে।কিন্তু কিয় বা?বেগটো লৈ খোজকাঢ়িয়েই তাৰ ৰুমৰ ফালে খোজ ল'লোঁ।ওলাই মেলি আহোঁতে দহটা বাজিবৰ হ'লেই।ঘৰৰ মালিকক মই দহটাতে চাবলৈ আহিম বুলি কৈছিলো।কেইবাবাৰো ফোন কৰিলত সি নামি আহিল।ব্ৰাছ ও কৰা নাই।ঠেলি হেঁচি আকৌ ঘূৰাই পঠিয়ালোঁ।নোধোৱা গাটোত এসোপামান পাৰ্ফিউম মাৰি সি নামি আহিলে।দুয়োটা তাৰ বসন্তীত উঠি ঘৰ চাবলৈ ওলালোঁ।সি মোৰ লগত বেছি কথা নাইপতা।হিবাই তাক ডক্টৰৰ লগত হোৱা কথাবোৰ কৈছেই।মই ককাৰ লগত কথা পাতিলোঁ বুলি কোৱাত সি অকণমান গলিল।

:আয়ু, হিবাক সঁচাকৈ ভাল পাৱ তই?

:পাওঁ, কিন্তু তাই নাপায়।

:কেনেকে জানিলি?

:তহঁতৰ দিল তো চাফ নহয়।সব ছোৱালী একেই।

তাৰ মূৰটোত লাহেকৈ ঠেলা মাৰি দিলোঁ।এনেকৈ কথা ক'লে মোৰ বৰ খং উঠে।

:তাইক মোমায়েকে ক'লে বুলিয়েই বিয়া পাতিব নেকি?মোৰ আগত কান্দি দেখাইছিলে বৈদ্য গালি দিছোঁ।

:তাইৰ উপায় নাই অ'।কেলেনো গালি পাৰিলি?পইচাৰ টনাটনি, ভায়েকৰ এইটো অৱস্থাত কি কৰোঁ কি নকৰোঁ হৈছে তাই।

:বিয়া পাতিলে ভায়েক ভাল হৈ যাব নেকি?

:নহয়।মই কালি বুজাইছোঁ।তায়ো বুজিলে।ককাই পইচা অলপ দিব।এতিয়া সেইখিনিৰে চলি যাব লাগে।তাই পিছত অলপ অলপকৈ ঘূৰাই দিম বুলি কৈছে।সব ঠিক হৈ যাব।তই নিজেও অলপ দায়িত্ব ল'বলৈ শিক আৰু।প্ৰেম কৰিলেই নহয়তো।তাইক ভাল কিবা solution এটা দিব পাৰিলি জানো?

আয়ু মনে মনে থাকিল।তাৰ খংটো বেছি।ফতকৈ নাইকীয়াও হৈ যায় বাৰু।

:অনিৰুদ্ধই ভাল পাঠ দিছে তোক।ছোৱালী জনী ভাল হৈছ।মাল খাবলৈও এৰিছ ন।

অনিৰুদ্ধ আকৌ ক'ৰপৰা আহিল।

:কালি নাইখোৱা অকল।

:কি যে ঘৈণীয়েক এজনী পাব বেচেৰাই।
:মই যে কেতিয়াও বিয়া নাপাতো।
:ময়ো চাম ৰহ।
এইবাৰ দুয়োটাই হাঁহিলো।বহুদিনৰ মূৰত আমি দুটা এনেকৈ ওলাই আহিছোঁ।অনিৰুদ্ধক মই ভাল পাবলৈ হয়তো আৰম্ভ কৰিছোঁ, কিন্তু আয়ু মোৰ বাবে যেন মোৰ ঘৰ, য'ত মই 'মই' হৈ থাকিব পাৰোঁ।মুক্তমনেৰে হাঁহিব পাৰো, কান্দিব পাৰোঁ, মদ চিগাৰেটৰ নিচাৰ মাজতো নিৰাপদ অনুভৱ কৰোঁ।এইটো নাথাকিলে মোৰ কি হ'ব ময়ো নাজানো।আজিও মনত আছে সেই দিনটো ।থুপুৰ তেতিয়া তিনিমাহ।এৰি থৈ আহিবলৈ বাধ্য কৰোৱা হৈছিল মোক।মা বা আৰু ৰাজুদাদা সৱ মিলি কৰিছিল এই ষড়যন্ত্ৰ।
:মাজু, তই এনেকৈ ইয়াতে থাকিলে সি কেতিয়াও মোৰ লগেই নল'ব।মই তাক বহুত মৰমত ৰাখিম মাজু।তই যাব লাগিব।
ৰাতি ভাতৰ টেবুলত বায়ে এসাগৰ চকুৰপানী লৈ কৈছিল।ভাতে বুকুত খুন্দা মাৰি উশাহ ল'ব নোৱাৰা হৈছিলোঁ মই।সৱ বুজিছিলোঁ।আগদিনা মা কিয় আহিছিল তালৈ সেইয়াও বুজিছিলোঁ।মই দুদিনমান আগত কলিকতাৰ পৰা ফাইনেল পৰীক্ষা দি ঘূৰি গৈছোঁ মাত্ৰ।মা মোৰ লগতেই আছিল।আচৰিত ধৰণেৰে কলেজত কোনেও মোক একো প্ৰশ্ন কৰা নাছিল।মাত্ৰ তাৰ বাহিৰে।
মই নাইকিয়া হৈ যোৱা কথাটো তাৰ বাবে সাঁথৰ আছিল,আজিও সাঁথৰ হৈয়ে আছে।মাৰ লগত হোটেলত থাকি পৰীক্ষা দিছিলোঁ মই।সৱ দায়িত্ব মাৰ আছিল।কলেজৰ ক'ত কি কৰিব লাগে সৱ কৰিছিল।মই মাত্ৰ গৈ পৰীক্ষাত বহিছিলো।একো লিখিব পৰা নাছিলো।এটা ইয়েৰ যে মোৰ লষ্ট হৈছিল ময়ো বুজিছিলোঁ।সন্মুখত এসোপামান আন্ধাৰৰ বাহিৰে মই একোৱেই দেখা নাছিলো।তাৰ মাজতে বায়ে মোৰপৰা থুপুক কাঢ়ি নিয়াৰ কথাও কৈছিল।একো উত্তৰ নাছিল মোৰ ওচৰত।
সেইদিনাই মোৰ কাৰণে সৱ যেন মৰি গৈছিল।মায়ে যুক্তি দিছিল, বা আৰু ৰাজু দায়ে imotional blackmail কৰিছিল।থুপুক গোটেই ৰাতিটো বুকুতে সাৱটি ৰাখিছিলোঁ সেইদিনা।মই যে তাক মোৰ ওচৰত ৰাখিব নোৱাৰিম ভালকৈয়ে বুজিছিলোঁ।
আৰু সেইয়াই সঁচা হৈছিল।মই আকৌ কলিকতালৈ ঘূৰি আহিবলগীয়া হৈছিল।বায়ে কৈছিল মোৰ যেতিয়াই মন যায় মই থুপুৰ ওচৰলৈ যাব পাৰিম।যেন মোৰ একো অধিকাৰ নাই, তাইহে মোক দয়া কৰিছে।আঁতৰি আহিছিলোঁ।লক্ষ্য এটাই আছিল, এদিন নিজৰ ভৰিত থিয় হৈ ঘূৰাই আনিম থুপুক।মই ইমান মহান নহয় যে এনেকৈ কাৰোবাক দান কৰি দিম নিজৰ সন্তানক।দিলোহেঁতেন, যদিহে মানুহবোৰ সঁচাকৈ মোৰ আপোন হ'লহেঁতেন।পাগলৰ দৰে কান্দিছিলোঁ প্ৰত্যেক ৰাতি।বুকুৰ গাখীৰ উলিয়াই পেলাই দিছিলোঁ।বায়ে থুপুক ফৰ্মূলা খোৱাই ডাঙৰ কৰিছিল।প্ৰথম কেইদিনমান সদায় ফোন কৰিছিলোঁ।পিছলৈ বায়ে ফোন উঠোৱা বন্ধ কৰি দিলে।ৰাজু দাই বেয়া পায় হেনো।
মনত পৰিলে এতিয়াও ভিতৰি ভিতৰি জ্বলি উঠোঁ মই।
কলিকতাৰ নিসংগ দিনবোৰত এদিন নিজেই ফোন কৰিছিলোঁ আয়ুলৈ...
:তই ইমানদিনে এটাও ফোন কিয় কৰা নাছিলি?নম্বৰ কিয় সলাই দিলি?কি হ'ল?আৰু তোৰ ইয়েৰ লছ হৈছে যে?
সৱ খুলি কৈছিলোঁ।কিমান দেৰি কান্দিছিলোঁ নাজানো।বেংগালুৰুৰ পৰা আয়ু একসপ্তাহৰ পাছতে মোৰ ওচৰ

পাইছিলগৈ।আৰু সেই তেতিয়াৰপৰাই, সি মোৰ ওচৰতে আছে।তাৰ সাহসতে চাকৰি বিচাৰি ইয়ালৈ আহিছিলো।

:কি ভাবিছ জাপৰী?

:একো নাই।ককা আহিলে ভাল লাগিব ন।তই আমাৰ লগতে থাকিবি নহ'লে।

:নাথাকোঁ দেই।সদায় গা ধুব লাগিব।গাহৈ খাবও নোৱাৰিম।

:ৰাহু এটা তই।

:গাহৈ ইজ লভ বুজিছ।

কথা পাতি পাতি দুয়োটা আহি ঘৰটো পালোহি।অলপ পুৰণা হৈছে বিল্ডিংটো ।এপাৰ্টমেন্ট নহয়।ভাড়া দিবৰ বাবে বনোৱা তিনিমহলীয়া এটা ঘৰ।তাৰে একেবাৰে ওপৰ মহলৰ এটা ঘৰ খালী।ঠাইখন অলপ শান্ত।অলপ গছ গছনিও আছে।সন্মুখত এখন সৰু পাৰ্ক।ঘৰটো সৰু যদিও সুবিধাজনক।আয়ুৰো পছন্দ হ'ল।ফটো কেইখনমান মাৰি থলো।অনিৰুদ্ধলৈ পঠাই দিলো।কিয় পঠিয়ালোঁ ভাবি চোৱা নাই।মালিকৰ লগত কথা বতৰা পাতি ওলাই আহিলো।এক লাখ টকা জমাধন বিচাৰিছে।একসপ্তাহৰ পাছত দিম বুলি কৈ ওলাই আহিলো।

আগতে হোৱা চুক্তিমতে আয়ুক চিকেন বিৰিয়ানি খুৱালো।দুইটাৰে প্ৰিয় কেশৰী ভাত খালো।ককা আহিব বুলি ভাবিয়েই মনটো কিবা এটা ভাল লাগি আছে।হিবাই ফোন কৰি জনালে তাই মাক আৰু ভায়েকক লৈ দুদিন পাছত আহিব।লাহেকৈ মোৰো আপোন মানুহ বাঢ়িছে।

:অনিৰুদ্ধই তোৰ সৱ কথা জানে?

আয়ুৰ প্ৰশ্নটোত থতমত খালোঁ।

:জানে।

:সি খেলি থকা নাইতো?

:কিয় ভাবিছ তেনেকে?

:অলপ বেছি ভাল যেন নালাগেনে?মানে তোক লৈ অলপ অভাৱ যেন লাগে মোৰ।উল্টা পুলটা কৰিলে নাক ভাঙি দিম আকৌ মই।

:ময়ে ভাঙিম দে,তই লোড ল'ব নালাগে।

ঘূৰি আহিও আয়ুৰ কথাবোৰে আমনি কৰি থাকিল মোক।অনিৰুদ্ধই দুই তিনিবাৰ ফোন কৰিলে যদিও নুঠালোঁ।বিশ্বাসবোৰ বৰ ঠুনুকা ।কেতিয়া ভাঙি যায় আমিও নাজানো।

আৰু এটা উজাগৰী নিশা পাৰ কৰিলো।মনত প্ৰশ্ন বহুত।উত্তৰ নাই।

দোষ কাৰোৰে নাই।

আয়ুয়ে মৰম কৰে মোক, আৱৰি ৰাখিব খোজে.. কিন্তু অনিৰুদ্ধ???

নিজকে কিবা একুৰিয়ামত সুমাই থকা মাছটোৰ দৰে লাগিল।সাগৰলৈ যোৱাৰ সপোন ঠিকেই দেখিছোঁ, কিন্তু এই গ্লাছৰ ঘৰটোৰ পৰা ওলোৱাৰ পাছত কি হ'ব ময়ো নাজানো।

আকৌ ঘূৰি আহিবলৈ আইনাৰ বেৰবোৰ যে নাথাকিব।

বাৰে বাৰে আঁতৰি আহিছোঁ অনিৰুদ্ধৰ ওচৰৰ পৰা।অফিচৰ মানুহবোৰ অহাৰ পাছতহে আহি পাইছোহি।তেওঁ যেন মোৰ বাবেই ৰৈ আছিল।অহাৰ লগে লগে মিঠা হাঁহি এটাৰে গুড মৰ্নিং বুলি উইছ কৰিলে।উত্তৰ নিদিলোঁ।নিজৰ ঠাইত গৈ মনে মনে বহি থাকিলোঁ।তেওঁৰ কেইবাখনো মিটিং আছিল।ঘৰ যোৱা সময়লৈকে একো কথা পতাৰ সুযোগ নিদিলো।কিন্তু সাত বজাত সুৰেশ আহি কৈ গ'ল

:Ananya.

:Yes Suresh

:Work with Subhashini and finish the automation thing today. I know its late but at least keep something ready for tomorrow.

:Okay

নটা বজালৈকে অফিচত কেৱল মই অনিৰুদ্ধ আৰু সুভাষিণী।

পেৰগনেন্ট মানুহজনীকো এৰি দিয়া নাই মানে।ন বজাত তেওঁ যাবলৈ ৰেডি হ'ল।

:Subhashini, You go home, whatever is left I will finish it off. Ananya,come with me.

:Oh thank you Anirudh, you are a saviour.

:But..

:No more questions Ananya.I am already tired.

বেগটো লৈ তিনিওটা ওলাই আহিলো।অফিচৰ ফালৰপৰা সুভাষিণীক special cab দিয়া হৈছে।মই অনিৰুদ্ধক একো কোৱাৰ সুযোগ নিদি বাছ ষ্টপৰ ফালে খোজ ল'লোঁ।

:Dont try to act smart Ananya!

অনিৰুদ্ধৰ মাতটো আনদিনাতকৈ কঠোৰ।খং উঠি মুখৰ শিৰবোৰ টান হৈ ফুটি উঠিছে।

:Just stay here, I will get the car.

:মই নাযাওঁ আপোনাৰ লগত!

:কিয়?

:এনেই।

:Dont make a scene here.

উফ!

মই নাযাওঁ আপোনাৰ লগত!

:কিয়?

:এনেই।

:Don't make a scene here.

উফ!

ৰৈ থাকিলো।অলপ পাছত তেওঁ সেইখিনি পালেহি।গাড়ীৰ সন্মুখৰ দৰ্জাখন খুলি দিলে।উঠি বহিলো।ছিটবেল্ট লগাবলৈ লৈ বাৰে বাৰে পৰা নাই।কৰ'বাত লাগি ধৰিছে।তেওঁ অলপ হাউলি টানি আনিলে।

নিবিচাৰোঁ ইমান ওচৰত তেওঁক।এই বিশেষ সুগন্ধি আৰু আপোন যেন লগা অনুভৱটো মোৰ বাবে যদি নতুন বিপদৰ আগজাননী হয়।তেওঁ যেন জানি বুজি অলপ বেছি চাপি আহিছে মোৰ ওচৰলৈ।চকু কেইটা মোৰ চকুতেই ৰাখিছে।আজি কোমলতা নাই সেই চাৱনিত।এসোপামান খং আৰু অভিমান হে আছে।পাতল গুলপীয়া ৰঙৰ চাৰ্টটোৰ পৰা এখিনি গুলপীয়া মোৰ গালত ছিটিকি পৰিছেহি।লগত সেই বিশেষ ফৰাছী পাৰ্ফিউমৰ মিঠা সুগন্ধি।

মই আকৌ এবাৰ ভাগিব নোৱাৰোঁ।কোনে বুটলি আনি আকৌ গঢ়িব মোক।কিন্তু কিয় নাজানো বাৰে বাৰে বিফল হওঁ এই মানুহজনৰ ওচৰত।যিমান পাৰোঁ নিজকে তেওঁৰ পৰা আঁতৰাই আনি দৰ্জাখনত লাগি আছোহি।

ছিটবেল্টডাল লগাই তেওঁ গাড়ী আকৌ ষ্টাৰ্ট দিলে।ভিৰ বহুত এতিয়াও।বিশেষকৈ অফিচৰ ওচৰৰ ঠাইখিনিত গাড়ীখন আগেই বঢ়া নাই।তেওঁ মিউজিক চিষ্টেমত গান লগালে ।মুখেৰে একো মতা নাই।ময়ো মনে মনেই আছোঁ।

তেওঁৰ ফোনত কাৰোবাৰ ফোন আহিছে আৰু তেওঁ বাৰে বাৰে কাটি আছে।

:ফোন কিয় নাই উঠোৱা?

:None of your business.

ইমান খং?

মোকনো কিহে পাইছিল সুধিবলৈ!

ভিৰৰ পৰা ওলাই আহি গাড়ী মেইন ৰোডত উঠিল।তেওঁ এবাৰো মোৰ ফালে চোৱা নাই।মাত্ৰ সন্মুখলৈ চাই গাড়ী চলাইছে।যদি একো ক'বলগীয়া নায়েই তেন্তে ইমান জোৰ কৰি গাড়ীত উঠিবলৈ কৈছিল কিয় মই বুজি পোৱা নাই।এই মানুহজন যিমান সহজ বুলি মই ভাবিছিলোঁ সিমান সহজ একেবাৰেই নহয়।মিনিটত সলনি হয় তেওঁৰ মুড।আৰু খং মোৰ সৈতে একেই।

:Marry me!

:What?????

:বিয়া পাতা মোৰ লগত।

:পাগল হোৱা নাইতো আপুনি?

:কিয়?পাগল হ'বলৈ ৰৈ আছা তুমি?মই পাগল হৈছোঁ অনন্যা।কি কৰি আছা তুমি মোৰ লগত এবাৰ ভাবি চাইছা?কি ভুল মোৰ কোৱা?I fell in love with you and you are just punishing me with your arrogance every now and then. কিয়??

:মই জানি বুজি একো নকৰোঁ।
:কেতিয়া জানিবা?সৰু ছোৱালী হৈ আছা তুমি?আমি টিন এজাৰ নহয় অনন্যা।We are not each other's first love too right?
কেনেকৈ কওঁ মই অনিৰুদ্ধক, প্ৰেম মোৰ হোৱা নাই এতিয়ালৈকে।কেনেকৈ কওঁ প্ৰেমৰ প্ৰথম অনুভূতি জগাই তোলা মানুহজন অনিৰুদ্ধ।মই তেওঁৰ প্ৰথম প্ৰেম নহয়।সেই লৈ মোৰ কোনো আক্ষেপ নাই।মই তেওঁৰ শেষ প্ৰেম হোৱাৰ ইচ্ছাও পুহি ৰখা নাই।মাত্ৰ যিমান সময়ৰ বাবেই হওক, ভালপোৱা খিনি সঁচা হওক।মোকো কোনোবাই মোৰ দৰেই ভাল পাওক।জীৱনত তাতকৈ বেছি একো নালাগে।বুজা নুবুজাৰ দোমোজাত ময়ো ছটফটাই আছোঁ।কেতিয়াবা যদি বিশ্বাস আৰু ভালপোৱাৰে তেওঁক সাৰটি ল'ব খুজিছোঁ,কেতিয়াবা আকৌ নিজক পুনৰবাৰ হেৰুৱাই পেলোৱাৰ ভয়ত কুৰুকি কুৰুকি সোমাইছো নিজৰেই নিসংগ পৃথিৱীৰ আন্ধাৰ খিনিত।
:I am seriouse Ananya.
:Anirudh please!
:Yeah, sorry!
তেওঁ গাড়ীৰ স্পীড বঢ়াই দিলে।আহি একেবাৰে ৰুমৰ ওচৰত আহি গাড়ী ৰ'লহি।
:আজিৰপৰা আমনি নকৰোঁ তোমাক অনন্যা।আজিৰপৰা ইয়ালৈ মই আৰু চাগে কেতিয়াও নাহিম।নিজকে বহুত কষ্ট দিছোঁ।লগতে তোমাকো।
নামিবলৈ লৈও ৰৈ গ'লো।কি কয় অনিৰুদ্ধই?
:When I saw you for the first time.. I felt something strange. You carry the same pain as her. I couldnt save my sister but I just wanted to be with you..
তোমাক মাত্ৰ জানিব খুজিছিলো,কিন্তু যিমানেই জানিলো সিমানেই ভাল পাই গৈ থাকিলো।কেনেকৈ তুমি ইমান বেলেগ,ইমান স্থিৰ, ইমান স্বাভিমানী.. I respect you more than I love you Ananya.. কিন্তু তোমাক মই জোৰ কৰি একো কৰিব নিবিচাৰোঁ।বহুত চেষ্টা কৰিলোঁ, কিন্তু তুমি বুজিবলৈ চেষ্টাও কৰা নাই।তুমি সুখী হোৱা।মই আঁতৰি যাম।সোনকালেই হায়দৰাবাদ গৈ আছোঁ।
:কিয়?
:May be for my self respect.
কথাষাৰ যেন এপাত কাঁড় হে আছিল, বুকুভেদি পাৰ হৈ গ'ল।
অনিৰুদ্ধ ইমান বেছি ভাবুক কিয় আজি?কিয় ইমান ডাঙৰ সিদ্ধান্ত লৈ পেলাইছে তেওঁ!
:অনন্যা,তোমাক সন্মান কৰোঁ বহুত, কিন্তু মই নিজকো বহুত বেছি সন্মান কৰোঁ।তুমি নুবুজিবা।দুৰ্বল হৈছিলোঁ,নকৰিবলগীয়া কিবা এটাও কৰি দিলোঁ। কিন্তু বুজি পোৱা দেৰি হ'লেও সময় পাৰ হৈ যোৱা নাই।তোমাৰ ওচৰত মোৰ সকলো উজাৰি দিয়াৰ পাছতো তুমি সেইখিনিক সন্মান নকৰিলা।
You hurt me Ananya. You hurt my ego.Now please leave.Please..

শেষৰ কথা কেইটা তেওঁ অলপ জোৰ দি কোৱা যেন লাগিল।চকুকেইটা সেমেকা, অলপ ৰঙচুৱা।বুকুখন সাংঘাটিক বিষাইছে মোৰ।কিবা এটাই যেন হেঁচা মাৰি ধৰিছে।কিবা এটা ক'ব খুজিও মই একোকে ক'ব পৰা

নাই আজি।দৰ্জাখন খুলি নামি আহিলোঁ।তেওঁ চকুদুটা জপাই মূৰটো ছিটত পেলাই দিছে।
তেওঁ উচুপি উঠাৰ উমান পাই মোৰ খোজ কেইটা যেন আগ নবঢ়া হৈছে।নামি আহিও ৰাস্তাটো পাৰ হ'ব পৰা নাই।ঘূৰি চাইছোঁ বাৰে বাৰে, কিন্তু তেওঁ চোৱা নাই মোলৈ।একেভাগেই আছে।মৌনতাই গ্ৰাস কৰিছে এই নিজান ৰাতিৰ জোনাক খিনিক।

ৰাস্তাটো পাৰ হৈয়ো এবাৰ ঘূৰি চালো।তেওঁ গাড়ী ঘূৰাবলৈ লৈছে।মোলৈ চোৱা নাই কিয়?
কিয় ইমান জেদ?
ইমান খং?
ইমান অভিমান?
দহ বাজিবৰ হ'ল,কিন্তু মোৰ এনে লাগিছে আকৌ ৰাতিপুৱা হওক, দিনটো আকৌ আৰম্ভ হওক।মই অনিৰুদ্ধক উপেক্ষা নকৰাকৈ থাকিম, সলাই পেলাম সকলোবোৰ।তেওঁ গুচি গ'ল,এবাৰো ঘূৰি নাচালে মোলৈ।চকুপানীবোৰ আজি অবাধ্য, পাৰভাঙি বৈছে।দুয়োহাতেৰে মচি মচিও মই নাইপৰা ৰখাব।থুপুক এৰি আহোঁতে যিমান দুখ পাইছিলো,আজি অনিৰুদ্ধই এৰি যাওঁতেও একেই বিষ অনুভৱ হৈছে মোৰ।ৰাস্তাটো দেখা নাই মই।ঠেক গলিটোৰ ষ্ট্ৰীট লাইট এটা বেয়া হৈ আছে।আন্ধাৰ আৰু পোহৰৰ মাজত মই ৰৈ লৈ হেঁপাহ পলুৱাই কান্দিছোঁ আজি।কোনেও নেদেখাকৈ।কিয় ইমান অসহায় মই?কিয় ইমান জটিল মোৰ বাবে সকলোবোৰ।আকাশলৈ চাই আজি আইতাক একো কোৱাৰ প্ৰয়োজন হোৱা নাই।চাই আছোঁ মাথোঁ। ককালৈ মনত পৰিছে, থুপুলৈ মনত পৰিছে, কি হৈছে মোৰ।ইমান চকুপানী ক'ত সাঁচি ৰাখিছিলো মই নিজেই নাজানো।
বাইক এখন কাষেৰে পাৰ হৈ গৈছে, ঘূৰি ঘূৰি চাইছে মোক।
বেগটো বুকুত সাৱটি ৰাস্তাৰ কাষত বহি কান্দি থকা মোক দেখি পুতৌ হৈছে মানুহৰ।
ভ্ৰূক্ষেপ নাই মোৰ, এই বিষাদ যদি বৈ নাযায়, নতুন এটা শিল হৈ ৰৈ যায়, মই আৰু জীয়াই নাথাকিম। অনিৰুদ্ধক পোৱাৰ সপোনটো ভাঙোতে বুকুখন শব্দ কৰি উঠিছে, কঁপি কঁপি কান্দিছোঁ আজি মই, এই দুখৰ কেতিয়াবা অন্ত হ'বনে?
কিমান দেৰি পাৰ হ'ল নাজানো...
নিজকে চোঁচৰাই নিয়া দি নি গেইটৰ ওচৰ পালেগৈ, বাৰে বাৰে মোহাৰি পেলাইছোঁ বৈ অহা চকুপানীৰ ঢল।কোনোবাই মোৰ চকুপানী দেখাতো মই সহ্য কৰিব নোৱাৰিম কেতিয়াও।
গেইটখন খুলিবলৈ লৈ ৰৈ গ'লো।
এজাক চেঁচা বতাহে চুই গ'ল মোক।
লগত সেই চিনাকি সুগন্ধি।
ঘূৰি চালো।
অলপ আঁতৰত ৰৈ থকা মোৰ প্ৰিয় মানুহজন সঁচা নে?
সপোন দেখা নাইতো?
ভবাৰ সময় এতিয়া যে নাই!
হাতৰ বেগটো পৰি গ'ল।

কাষ চাপি গ'লো,কঁপি উঠা হাতেৰে চুই চালো এবাৰ তেওঁৰ হাতখন।
সঁচা!
জিলিমিল চকুৰে স্পষ্টকৈ দেখাও যে পোৱা নাই।
অনিৰুদ্ধ!
:Hold me please.. Anirudh..
:Aah..
আৰু একো কোৱাৰ প্ৰয়োজন নাছিল।
শব্দই কি কৰিব পাৰে এতিয়া, বুকুৱে বিচাৰে কেৱল বুকুৰ সান্নিধ্য, অলপ আদৰ..
চপাই নিলে তেওঁ মোক,সামৰি ল'লে বুকুৰ মাজত।
সজোৰে,সৰল দুবাহুত মম হৈ গলিছে মোৰ বৰফ হৈ থকা দুখবোৰ।
চুলিত ওঁঠৰ পৰশ, নাকান্দিবলৈ বাৰে বাৰে অনুৰোধ।
:I am sorry ..Anirudh.. please dont leave..
কথা কোৱাৰ শক্তি যে নাই...
:I will never do that..Shhhh

এইবাৰ যে মোৰ চকুত সুখৰ কান্দোন।
ভালপাব খোজো এই নিশাটোক, এই মানুহজনক।
আইতা আকৌ এবাৰ তিৰবিৰাই উঠিল।

:I am sorry ..Anirudh.. please dont leave..
কথা কোৱাৰ শক্তি যে নাই...
:I will never do that..Shhhh
আন্ধাৰবোৰ যেন লাহে লাহে আঁতৰি গৈছে বুকুৰপৰা।ইমান ধুনীয়া সময়ো থাকিব পাৰে বুলি মইতো জনাই নাছিলোঁ।প্ৰতিবাৰ মৰাৰ পৰা জী উঠাৰ সময়বোৰত এনে এটি মুহূৰ্তৰ সপোনেইতো দেখিছিলো।নীৰৱ, নিৰ্বাক, নিৰ্বিকাৰ সময় বোৰত ৰিণিকি ৰিণিকি বাজি থকা বাঁহীৰ সুৰ এটিৰ দৰেই এই ক্ষণৰ মধুৰতা।
:ভালপাওঁ আপোনাক... সঁচাকৈ!!!
ৰৈ গ'ল তেওঁ.. মূৰ তুলি চালো।বিশ্বাস হোৱা নাই।ধুনীয়া চকুকেইটা তৰাৰ দৰে তিৰবিৰাই আছে।পানীৰে উপচি থকা পলক যেন জপাই দিলেই সপোন ভাঙিব।
:Say it again.. please...
:ভালপাওঁ আপোনাক...

এইবাৰ দুগুণ আৱেগেৰে সাৱটি ল'লে তেওঁ মোক।উশাহ যেন ৰৈ যাব এতিয়া।প্ৰয়োজনেই বা কি উশাহৰ।জী উঠিছোঁ তেওঁৰ বুকুৰ স্পন্দনত।দুয়োৰে বাবে একেটি উশাহ।

:Ananya...

:Hmmmm

:nothing...

সময়বোৰ ৰৈ গৈছে দুয়োৰে বাবে।থুপ খাই থকা হাজাৰটা অনুভৱে সাৰ পাই উঠিছে।সেইবাবেই ক'বলগীয়া একোৱেই নাই।ভালপোৱা কৰা নাযায়, হৈ যায়।মোৰো হৈ গ'ল।

নিৰ্মোহ জীৱনৰ নতুন মোহ।

সৰাপাতৰ হালধীয়াত সেউজীয়াৰ বোল।

বুকুত জেতুকাবুলিয়া ৰঙৰ নতুন সাজোন।

মই ভালপাবলৈ শিকিছোঁ জীৱনক।

আমাৰ ধুনীয়া মুহূৰ্তৰ আৱেশ ভাঙি তেওঁৰ ফোনটো আকৌ বাজি উঠিল..

কাটি দিলে তেওঁ।মই যেন দিঠকলৈ এতিয়া হে ঘূৰি আহিছোঁ।

:মই যাওঁ।

:Yeah you should !Before I make another mistake.

তেওঁৰ কথাৰ অৰ্থ বুজি গালখন ৰঙা পৰিল,পৰি থকা বেগটো তুলি ললোঁ।তেওঁ কাষ চাপি আহিল।

:এনেকৈ নকান্দিবা আৰু প্লিজ।মই জানো বহুত কথাই আছে তোমাৰ মাজত।নালাগে ক'ব।তোমাৰ মন গ'লে কেতিয়াবা পিছতো শুনিম।কিন্তু কান্দি নাথাকিবা।ইমান ধুনীয়া চকুকেইটাক এনেকৈ কষ্ট দিয়ে নেকি মানুহে? দুহাতেৰে মোৰ মুখ খন তুলি ধৰি মোৰ দুচকুত আলফুলে আঁকি দিয়া চুমাত মই আকৌ এবাৰ হেৰাই গ'লো।জোখতকৈ অলপ দীঘলীয়া যেন লগা সেই চুমাৰ পৰশত প্ৰেমতকৈ বেছি মই বিশ্বাস, আশ্বাস আৰু প্ৰতিশ্ৰুতি বিচাৰি পাইছোঁ।

:যোৱা।It's too late now.

মন্ত্ৰমুগ্ধৰ দৰে তেওঁৰ কথামতেই আঁতৰি আহিলোঁ।ইচ্ছা নাছিল,কিন্তু আহিবতো লাগিবই।গেইট খুলি সুমাই আহি আকৌ এবাৰ ঘূৰি চালোঁ।ৰৈ আছে তেওঁ।দুহাত পকেটত সুমোৱাই মোৰ ফালে চাই থকা অনিৰুদ্ধক যেন মই আজি নতুনকৈ আকৌ এবাৰ ভালপাই পেলাইছোঁ।ইমান আদৰ সামৰি ৰখা মানুহজনক ইমান দিনে কষ্ট দিয়াৰ বাবে নিজকে গালি পাৰিলোঁ।ৰুমলৈ আহি নিজৰে চকুকেইটাকে চুই চালোঁ।

ইমান শান্তি ক'ত আছিল অতদিন???

বাথৰুমত সুমাই শ্বাৱাৰ খুলি বহি আছোঁ মাত্ৰ।কিমান কি যে ভাৱনাই আৱৰি ৰাখিছিল মোক।ধুই পেলাব খুজিছোঁ আজি মোৰ লেতেৰা অতীত।হেৰাই যাওক সেই বিষাদময় দিনৰ কোঙা অনুভৱ।চকু কেইটা সাংঘাতিক পুৰিছে।বাথৰুমৰ ডাঙৰ আইনাখনত আজি প্ৰথমবাৰ নিজকে চাইছোঁ।ককা আইতাৰ গোসাঁনী ছোৱালীজনী যেন মই আজি বিচাৰি ফুৰিছোঁ।জীৱনৰ বাৰম্বাৰ আঘাতত মৃতপ্ৰায় অনন্যাজনীক আজি অনিৰুদ্ধই জীয়াই তুলিব খুজিছে.. আকৌ এবাৰ।

ভাল পাব খুজিছে.. আকৌ এবাৰ।

ভাত খোৱাৰ সময়তে হিবাৰ ফোন।ভায়েকক লৈ তাই কাইলৈ পাবহি।আজি ককায়ে টকা অলপ পঠাইছিল।তাইক জনালো।মাকৰ থকাৰ ব্যৱস্থা হস্পিতেলৰ ওচৰতে চাৰ্ভিছ এপাৰ্টমেণ্ট এটাত কৰিব লাগিব।তাইক ৰাতিহে লগ পাম চাগে।চুটি ল'ব নোৱাৰোঁ এতিয়া।ঘৰলৈ যাব লাগিব যিহেতু।ককা ৰৈ আছে মোলৈ।হিবাৰ মাকে ফোনতে ধন্যবাদ জনাইছে।মনটো ভাল লাগিল।কিবা এটা যে কৰিব পাৰিছোঁ।অতদিনে একেবাৰেই অলাগতিয়াল যেনেই লাগি আছিল নিজকে।
শুবলৈ বুলি বিচনাত পৰোঁতেই ঘৰৰ পৰা ফোন।
:হেল্ল'
:মাজু.. ককাৰ লগত কথা পাত।
মাৰ গম্ভীৰ মাত।
:মাজনী, তোৰ কিবা হৈছে নেকি?মই আকৌ আজি সোনকালে শুইছিলোঁ।চিলমিল টোপনি বুইছ।তই হেনো ইমান কান্দিছ।মোক মাতিছ,শেৰালিক মাতিছ।মই উঠি আহিলো বিচনাৰ পৰা।কিবা হৈছে নেকি তোৰ?গা মূৰ বেয়া যদি ক চোন মোক।
বুকুৰ সম্পৰ্ক আমাৰ।ৰাস্তাৰ মাজত বহি কান্দি থকা সময়ত ককা আইতাকে যে মাতি আছিলো মই।
:অকণমান মন বেয়া আছিলে, এতিয়া ভাল ককা।তুমি এনেই চিন্তা কৰিছা।
:নাৰায়ণ কৱচ খন যে দিছিলো,পঢ়ি থাকচোন।ভাল লাগিব মনটো।
:হ'ব।
:তই কান্দিছিলি ন গোসাঁনী?
:ওহোঁ।
:তোক ঈশ্বৰে সুখ দিব মা।কান্দি নেথাকিবি।বৰ দুখ পাওঁ মই তই কান্দিলে।মই যাম নহয়.. তই নো অকলে অকলে...
এইবাৰ ককাৰ মাত নোলোৱা হৈছে।
:মাজু
মায়ে লৈছে ফোনটো।
:কি?
:তই ককাক নিবলৈ আহিবি?
:কিয়?নালাগে নেকি যাব?
:তোক কোনদিনা মানা কৰিছোঁ।নিজৰ জেদত নহাকৈ থাকিছিলি।এইখন তোৰ ঘৰ নহয় নেকি?
:Oh no. নহয় মোৰ ঘৰ সেইখন।কেতিয়াও নাছিল।
:পুৰণা কথাবোৰ কিমান আৰু..
:এৰা কথাবোৰ পুৰণা হৈছে.. মোক হাৰ্ট কৰিবলৈ নতুন কিবা প্লেন কৰা তুমি।মই ককাক লৈ আনিম।তোমাৰ চিন্তা আঁতৰ হ'ব।
:কেতিয়া আহিবি?
:এমাহ পাছত।ককাক পাৰিলে এইকেইদিন চাই দিবা।বহুত উপকাৰ হ'ব মোৰ ওপৰত।
:হমম।

ফোনটো কাটি ফ্লাইটৰ টিকেট কৰিলোঁ।সেইখন ঘৰলৈ যাম বুলি ভাবিও বুকুখন কঁপি উঠে।কিন্তু যাবই লাগিব।হয়তো শেষবাৰৰ কাৰণে যাম মই।আজি মাৰ লগত কথা পাতি এনে লাগিল মা যেন সলনি হৈছে।নিজৰ ভুল বুজি পাইছে।কিমান অন্যায় কৰিছে তেওঁ মোৰ লগত সেইয়া যেন অনুভৱ কৰিছে এতিয়া।সেইদিনাৰ কথা ভাবি হয়তো তেওঁ নিজেই নিজৰ ওচৰত লজ্জিত হয়।পঢ়া সামৰি মই তেতিয়া বেংগালুৰলৈ অহাৰ সিদ্ধান্ত লৈছিলোঁ।কলিকতা এৰি ইয়ালৈ অহাৰ আগতে এবাৰ থুপুক চাবলৈ বুলি বাৰ ঘৰলৈ গৈছিলো।বাধা দিয়া নাছিল কোনেও।আৰু তালৈ গৈ মই যি দেখিছিলোঁ সেইয়া ভাবি এতিয়াও খঙত কঁপি থাকোঁ মই...

বা আকৌ মাক হ'বলৈ ওলাইছে, কেনেকৈ সেইয়া মই নাজানো।চাৰিবছৰীয়া চিকিৎসা বিফল হোৱাৰ পাছত কেৱল থুপুৰ সান্নিধ্যই আনি দিয়া আনন্দৰ বাবেই সেইয়া সম্ভৱ হৈছিল।কিন্তু সেই ভাল খবৰে থুপুক এলাগী কৰি পেলালে।ৰাজু দা আৰু তেওঁৰ মাকে থুপুৰ প্ৰতি যি ব্যৱহাৰ দেখুৱাইছিল, সেইয়া দেখি চিঞৰি উঠিছিলোঁ মই।বাৰ শাহুৰেকে মোৰ সন্মুখতে থুপুক বিজতৰিয়া বুলিও কৈছিল।আজুৰি লৈ আনিব খুজিছিলোঁ মই তাক।বায়ে নিদিলে।মইহে বেছি বেয়াকৈ ভাবিছোঁ বুলি মোকেই দূষিলে।মাক ফোন কৰি কিমান কি কৈছিলোঁ মই নিজেও নাজানো।থুপুৰ যত্ন লোৱা মানুহ নাছিল সেইয়া বুজিছিলোঁ।বা জোখতকৈ বেছি সাৱধান হৈ বিচনাত পৰিয়েই দিন পাৰ কৰিছিল।ৰাজু দা বাপেক হোৱাৰ আনন্দত আত্মহাৰা।বাৰ শাহুৰেকে নিজৰ নাতিকহে মৰম কৰিব।থুপু পাপৰ ফল তেওঁৰ মতে।থুপুৰ মুখ খন দেখিয়েই মই বুজিছিলোঁ সকলোবোৰ।ফুলা ফুলা গালদুখন শুকান হৈ ফাটি গৈছে।ভৰি হাতৰ নখ কাটি দিয়া নাই।নখবোৰত ক'লা ক'লা লাগি আছে।মই নখ কাটি গা ধুৱাই দিয়াৰ পাছত সি মোৰ কোলাত শুই দিছিল সেইদিনা।কথা দি আহিছোঁ তাক, লৈ আনিম মই সেই অনাদৰৰ মাজৰপৰা।তেতিয়া নোৱাৰিলোঁ।নিজৰেই থকাৰ ঠিকনা নাছিল, চাকৰি নাছিল।এতিয়া মোক কোনেও ৰখাব নোৱাৰে।মাজত যি আহিব,শেষ কৰি দিম মই।সেইয়া মোৰ মা বা নাইবা আন কোনোবাই হওক। অনিৰুদ্ধও যদি আমাৰ মাজত আহে, মই পাহৰি যাম মই কেতিয়াবা তেওঁক ভাল পাইছিলোঁ বুলি।
সেইদিনা উলটি আহোঁতে মই মালৈ ফোন কৰি কৈছিলোঁ
"জন্মতেই মাৰি পেলাব পাৰিলেহেঁতেন মোক"।
মা সেইদিনা মনে মনে আছিল।

টিকেট কনফাৰ্ম কৰি লেপটপটো জপাই শুবলৈ আহিলো।অনিৰুদ্ধই ভিডিঅ' কল কৰিছে।কাটি দি voice কল কৰিলোঁ।

:শুইছিলা নেকি?

:নাই।

:চাব নোৱাৰিম এতিয়া তোমাক?

:জাধলী হৈ আছোঁ।

:মোৰ তেনেকৈয়ে ভাল লাগে।

:মোৰ নালাগে।

:লাজ কৰিছা?

:Nope.

:My God, I just love this word now.

ভীষণ ব্যস্ততাৰে পাৰ হৈছে দিনবোৰ।যোৱা বিশদিন ধৰি প্ৰায় প্ৰত্যেক দিনাই হিবাৰ সৈতে হস্পিতাললৈ যাবলগীয়া হৈছে।অফিচৰ পৰা ওলায়েই দুইজনী যাওঁ।ভিজিটিং আৱাৰ শেষ হ'বৰে হয়, যেনেতেনে পাওঁগৈ।ভায়েকৰ অৱস্থা যথেষ্ট ভাললৈ আহিছে এতিয়া।আৰু কিছুদিন পিছত হয়তো ৰিলিজ দিব।মাকক লগত লৈ আকৌ তেওঁ থকা ৰূমটোলৈ যাওঁ দুইজনী।মাকে অকলে মানুহজনীয়ে ইয়াত একো চিনি নাপায়।যাৱতীয় বস্তুখিনি আমি কিনি মেলি দি থৈ আহোঁ।কেতিয়াবা হিবা তাতে থাকে।মই অকলে ঘূৰি আহোঁ।এইকেইদিনত অনিৰুদ্ধক অফিচতে যি লগ পাইছোঁ।মাজৰ শনিবাৰ দেওবাৰত নতুন ঘৰটোৰ বাবে বস্তু অলপ কিনিলোঁ।এতিয়াও বহুত কাম বাকী আছে।ঘৰৰ মালিকে নতুনকৈ পেইণ্ট কৰাই দিছে।তাৰ পাছত বস্তুবোৰ ভৰাব পাৰিম।সেইদিনা আয়ুক লৈ বিচনা এখনো চাই আহিছো।ককাৰ কাৰণে অলপ ভাল বিচনা এখন ল'ম।মই তলতে শুম অলপ দিন।দুখন বিচনা কিনিবলৈ এতিয়া অলপ দিগদাৰ।লগতে ঘৰটো সিমানো ডাঙৰ নহয়।দিনটো অফিচৰ কাম,হিবাৰ লগত হস্পিতাললৈ অহা যোৱা, নতুন ঘৰৰ বস্তু যোগাৰ কৰা, পইচাৰ হিচাপ মিলোৱা এইবোৰৰ মাজত অনিৰুদ্ধক যেন মই পাহৰিয়েই পেলাইছোঁ।অফিচত সিমান সময় পোৱা নাযায়।তাতে তেওঁ প্ৰজেক্ট এৰি যোৱাৰ আগতে কৰি থৈ যাবলগীয়া বহুত কামেই আছে।মাজে মাজে মোৰ ওচৰলৈ আহি পাঁচমিনিট মান ওচৰতে বহি থাকে।কিবা এটা কথা আৰম্ভ কৰোঁতেই সুৰেশ আহি মাত লগায়েই।

"I hate this man, really!"

চকুকেইটা সৰু কৰি মুখ খন ফুলাই উঠি যায়।মই হাঁহি থাকোঁ।

আজিকালি আমাৰ বিষয়ে প্ৰায় সকলোৱেই গম পায়।কোনেও একো সুধিবলৈহে সাহস নকৰে।আমাৰ এই সম্পৰ্কটোক লৈ একেবাৰেই সুখী নহয় টানিয়া।আমাৰ বিষয়ে গম পোৱাৰ পাছৰপৰাই অনিৰুদ্ধৰ লগত একদম কম কথা পাতে।বিশেষ কাম নাথাকিলে আমাৰ দুইটাকে এভইড কৰাই দেখোঁ।সুভাষিণী সুখী ।আৰু মাত্ৰ এক সপ্তাহ পাছত মেটাৰ্নিটি লিভত যাব তেওঁ।মোক হেনো মিছ কৰিব।আজিকালি খুব কথা পাতে মোৰ লগত।ল'ৰা হ'লে কি কৰিব, ছোৱালী হ'লে কি কৰিব এই সকলোবোৰ।মোক কয় মই হেনো মাক হ'ম যেতিয়া তেতিয়াহে সেইটো অনুভৱ বুজি পাম।কেতিয়াবা অনিৰুদ্ধৰ সন্মুখতে কয়।তেওঁ বুজে মোৰ তেতিয়া কেনেকুৱা লাগে।চাই থাকে মোৰ ফালে।মই চালে হাঁহি এটা মাৰি দেখুৱাই।

অন্তৰেৰে বহু কথাই পতা হৈ যায়।

জীৱনে নতুন মূৰ লৈছে মোৰ।হঠাৎ যেন মোৰ জীয়াই থকাৰ নতুন হেঁপাহ জাগিছে।দিনটোৰ অন্তত অনিৰুদ্ধৰ লগত অকণমান সময় কথা পাতো।গোটেই ভাগৰবোৰ যেন নাইকিয়া হৈ যায়।কেতিয়াবা বেছি চিন্তা হ'লে তেওঁ

নিজেই বুজি পায়।কি হৈছে সুধে।যি পাৰে নিজৰ অভিজ্ঞতাৰে বুজাই দিয়ে।ভাড়ালৈ ঘৰ এটা লোৱা ইমান সহজ নহয়।বহুতখিনি কাম থাকে।Rental Agreement বনাওঁতে মোৰ চিনাকি হিচাপে তেওঁৰে নাম দিছিলোঁ।এতিয়া বস্তু কিনোতেও মোক একেবাৰে অত্যাৱশ্যকীয় খিনিহে কিনিবলৈ কয়।কিন্তু এটা কথাত আমাৰ প্ৰায় সদায় কাজিয়া হয়।আজিও হ'ব মই জানো।
ফোন কৰিবলৈহে ৰৈ আছে।

এইমাত্ৰ হিবাক মাকৰ ওচৰত থৈ আহিছোঁ।ন বাজিবৰ হ'ল।দেওবাৰ বুলি ট্ৰেফিক অলপ কম আছিল।হিবাই কাইলৈ তাৰপৰাই বাহিৰে বাহিৰে অফিচ কৰিব।কেবখনক পইচা দি ওপৰলৈ উঠি আহিলোঁ।মুখ হাত ধুই নিজেই অনিৰুদ্ধলৈ ফোন কৰিলোঁ।
:আহি পালা?
:হমম।
:ফ্ৰাইডে শ্বিফ্ট কৰিব পৰা হৈ আছে নে সৱ?
:হৈছে আৰু।
:লিভ এপৰুভ হ'ল নাই তোমাৰ?
:তিনিদিন হে দিছে।
:Thurseday, Friday and Monday right?
:হমম।
:মই গ'লে তোমাৰ কি প্ৰব্লেম হয়নো?
:কি কৰিব আপুনি তালৈ গৈ?আমাৰ ঘৰলৈ এনেও যাব নোৱাৰে।আৰু থাকিব ক'ত আপুনি?
:হোটেলত থাকিম।নাপায় নেকি তাত?
:নালাগে যাব ।এবাৰ ক'লো নহয়।
:ককাক লৈ তোমাৰ দিগদাৰ নহ'ব?
:নহয়।মই পাৰিম।
:তুমিতো সৱ অকলেই পাৰা।মোৰ প্ৰয়োজনেই নাই।
ফোনটো থৈ দিলে।
সেইফালে আকৌ মুখ ফুলিল।প্ৰেম চেম সেইকাৰণেই কৰা নাছিলোঁ।এইবোৰ বৰ কামোৰ পাওঁ মই।সৰু সৰু কথাতে কাজিয়া লগা,তাৰ পাছত সেইটোকে লৈ ইটোৱে সিটোক ঘণ্টা ঘণ্টা pamper কৰা।নোৱাৰি আৰু।অনিৰুদ্ধৰ জেদ এটাই তেওঁ ও মোৰ লগত আমাৰ ঘৰলৈ যাব।যিটো মই কেতিয়াও নিবিচাৰোঁ।মই কেনেকুৱা এখন ঘৰৰ পৰা আহিছোঁ সেইয়া তেওঁ নালাগে জানিব।মোৰ কাপোৰ কানি আৰু থকাৰ ধৰণৰ পৰা সকলোৱে মোক একেবাৰে সাধাৰণ এখন ঘৰৰ পৰা অহা বুলিয়েই জানে।নিম্ন মধ্যবিত্ত পৰিয়ালৰ বুলি কেইবাবাৰো মোৰ পইচা বচোৱা কথা কিছুমানত হাঁহিছেও মানুহে।টানিয়াৰ মতে মই পইচাৰ কাৰণেই অনিৰুদ্ধৰ লগত সম্পৰ্ক কৰিছোঁ।সেইদৰে আলোচনাও হৈছে।দামী গাড়ীত উঠিবলৈকে এই সম্পৰ্ক গঢ়া বুলিও কোৱা হৈছে।সুভাষিণীৰ পৰা গম পাওঁ।মই হাঁহি এটা মাৰি থৈ দিওঁ।যিবোৰ মানুহে মোৰ কাৰণে একো মেটাৰ নকৰে, সেই মানুহবোৰৰ কোনো কথাক মই আচলতে গুৰুত্ব নিদিওঁ।কিন্তু অনিৰুদ্ধই আমাৰ ঘৰখন দেখিলে

মোক বহুত প্ৰশ্নই কৰিব।যিটো মই নিবিচাৰোঁ।সেইটোকে তেওঁক বুজাব পৰা নাই।ইফালে ঘৰলৈ যোৱাৰ দিনটো যিমানেই ওচৰ পাইছেহি সিমানেই মোৰ মনটো যেন অস্থিৰ হৈ আহি আছে। ভয়, আশংকা, দুখ, খং, ক্ষোভ সকলোবোৰ জুমুৰি দি ধৰিছেহি মোক।ককাই বস্তু বাহানি টোপোলা বান্ধি ৰৈয়ে আছে।দেউতাই আপত্তি কৰিছিল।পিছত ককাৰ ওচৰত মান্তি হ'বলৈ বাধ্য হ'ল।দেউতাই মোলৈও ফোন কৰিছিল।নুঠালোঁ।দুৰ্বল হৈ যাওঁ বুলি ভয় লাগে মোৰ।বহুত কষ্ট কৰি এই অৱস্থা পাইছোহি।আকৌ হাৰি গ'লে শেষ হৈ যাম।

আকৌ আগৰ দৰেই সাৰে থাকিয়েই পাৰ হৈছে ৰাতিবোৰ।

অভিমান ভাঙিবলৈকে ভিডিঅ' কল কৰিলোঁ।বহুতদেৰি ৰিং হোৱাৰ পাছত তেওঁ ফোনটো উঠালে।মুখ খন ফুলা।বগা পাতল টি চাৰ্ট,ফুলা ফুলা চকু আৰু খেলিমেলি চুলিখিনি দেখি গম পাইছোঁ শুই আছিলে আজি দিনৰ দিনটো।ফুলি আছে চকু মুখ।

:আজি দিনটো শুলে?

:আৰু কি কৰিম, তোমাৰ টাইমেই নাই।ককা আহিলেতো আৰু কি হ'ব ঠিক নাই।

:হিবাই লগ ধৰিলে কাৰণেহে।

:তাইক কৈ দিলেই হ'ল অনিৰুদ্ধই মাতিছে বুলি।

:Oh please. I cant be so cheap.

:লগ কৰিব নোৱাৰোঁ, তোমাৰ লগত অসম যাবও নোৱাৰোঁ,যেতিয়াই তেতিয়াই ফোন কৰিবও নোৱাৰোঁ।সব তোমাৰ মতেই হয়।

কথাটো শুনি বেয়া লাগিল।অনিৰুদ্ধ অলপ যেন অসন্তুষ্ট।তেনেকুৱা লাগিল।সৱৰে কথা ভাবোঁতে তেওঁলৈ যেন পাহৰিয়েই গৈছোঁ।

:তেনেকুৱা নহয়।

:তেনেকুৱাই।ঘৰটো লৈছা,তাতো সব নিজেই কৰিবা।মই হেল্প কৰি দিলে কি হয়?আয়ুয়ে কৰিব পাৰে যদি মই কিয় নোৱাৰোঁ?

:আটাইতকৈ ডাঙৰ কামটো আপুনিয়েই কৰিব লাগিব।

তেওঁৰ সেমেকা মুখ খন পোহৰ হৈ উঠিল।

:কি কাম?

:ককাই কৈছে, নতুন ঘৰটোত পূজা এভাগ নকৰাকৈ নালাগে সোমাব।ভাবিছিলোঁ ককা অহাৰ পাছত কৰিম, কিন্ত নহব বোলে।শুকুৰবাৰে পূজা কৰিহে সোমাব পাৰিম বুলি কৈছে।এইবিলাক মই বিশ্বাস নকৰো কিন্তু ককাই কৰে।এতিয়া কেনেকৈ কি কৰোঁ ভাবি পোৱা নাই।

:I will take care of it. You don't worry.

:okay .

:But I have a condition.

:কি?

:You have to wear saree for the Puja.

:পূজা পাতিম কৈছোঁ,বিয়া পাতিম বুলি নাই কোৱা।
:পণ্ডিতজী পাওঁতেই পাতি লওঁ নেকি!I can’t bear this distance anymore.Don’t you feel the same?
:Nope.

বেগটো খুলি কৃতিকাৰ বিয়াত তাইৰ মাকে আহিবৰ সময়ত উপহাৰ দিয়া পেকেটতো উলিয়াই আনিলোঁ।পাতল গুলপীয়া ৰঙৰ শাৰীখনত সোণালী ৰঙৰ আঁচলটো জিলিকি আছে।পিন্ধিম বুলি কেতিয়াও ভৰা নাছিলোঁ।কিন্তু অনিৰুদ্ধক একেষাৰে মানা কৰিলেও মনে মনে মই তেওঁৰ কথাটো মানি লৈছিলোঁ।কিমান আৰু সৱ কথাতে না না কৰি থাকিম।কিন্তু মানি ল’লে বেছি চল পাই নাযায়তো!
ব্লাউজটো তলৰ দোকানখনত চিলাবলৈ দি অফিচলৈ বুলি বাহত উঠিলোঁ।আজি সোমবাৰ।মাজত মাত্র তিনিটা দিন।কামৰ শেষ নাই মোৰ।বৃহস্পতি বাৰে ছুটি লৈ ঘৰৰ বস্তুবোৰ সুমোৱাই ল’ব লাগিব।আয়ুয়ে সহায় কৰি দিব অলপ।হিবাই ও হাফ ডে ছুটি লৈছে।অনিৰুদ্ধই ছুটি নাপায়।শুক্রবাৰেও অফিচ কৰিব লাগিব।মুখ খন সেইকাৰণে আজিকালি ফুলিয়েই থাকে।

:গুড মর্ণিং অনন্যা।
সোমাই গৈয়ে আজি অমৃতৰ মুখা মুখি হ’লো।
:মর্ণিং অমৃত।
:তুমহে লিভ কিছলিয়ে ছাহিয়ে?
থতমত খালোঁ অলপ।মই ইতিমধ্যে সুৰেশৰ লগত কথা পাতিছোঁ, সৰকে মেইল কৰিছোঁ।তাৰ পিছত এনেকৈ সুধাৰ কি যুক্তি আছে।
:ঘৰ শ্বিফ্ট কৰনা হে।ইছিলিয়ে।
:হোষ্টেল ছে নিকাল দিয়া ক্যা?
কথাটো কোৱাৰ লগে লগেই অমৃত, টানিয়া,প্রশান্ত সৰেই জোৰেৰে হাঁহি দিলে।
সেইসময়তে অনিৰুদ্ধ আৰু সুভাষিণীও আহি সেইখিনত উপস্থিত হৈছিলহি।দুয়োৰে হাতত ধোঁৱা ওলাই থকা কফিৰ কাপ।মোৰ এনেকুৱা লাগিল যেন মোৰ মূৰৰ ভিতৰত জুই একুৰা হে জ্বলি উঠিল।
:Amrit,don’t try to be funny when you are miserbaly boring. It really sounds so unfunny and ridiculous.

মোৰ ব্যৱহাৰ হয়তো সকলোৰে বাবে অপ্রত্যাশিত আছিল।কাৰো একো মাত নাই।অমৃতৰ মুখ খন খঙত ৰঙা।সুভাষিণী আৰু অনিৰুদ্ধই ইজনে সিজনলৈ চাই মিচিকিয়াই আছে।কাষেৰে পাৰ হৈ আহোঁতে অনিৰুদ্ধই

অলপ আঁতৰি আহি কাণে কাণে কৈ গ'ল
:I am so proud of you my brave girl.
আৰু বেছি খং হে উঠি আহিল।টেলেকা কৈ চাই পঠিয়ালোঁ।তেওঁ হাঁহি মাৰি আঁতৰি গ'ল।কেফেটেৰিয়াত গৈ চাহ একাপ খাই হে মগজটো অলপ ঠাণ্ডা হ'ল।তাৰ পাছত গোটেই দিনটো কাণত হেডফোন লগায়েই পাৰ কৰিলোঁ।

ৰাতিপুৱা পাঁচ বজাত এলাৰ্ম বাজিল।আজি শুক্ৰবাৰ।নতুন ঘৰত প্ৰৱেশ কৰিম আজি।কালি ৰাতি প্ৰায় বাৰটা লৈকে মই, হিবা আৰু আয়ু ঘৰৰ বস্তু চিজিল কৰিলোঁ।মোৰ বস্তু পেকিং কৰাৰ পৰা কাইলৈ ঘৰলৈ লৈ যাবলগীয়া বেগটো লৈকে সকলো ঠিক কৰোঁতে ভাগৰি পৰিছোঁ যদিও ককাৰ সৈতে একেলগে থকাৰ সপোনটোৱে দুগুণ উৎসাহ লৈ কাম কৰিবলৈ শক্তি দিয়ে।ৰূমটো এৰি যাবলৈ বেয়াও লাগিছে।হিবাই কান্দিছে কালি।তাই মোক খুব মিছ কৰিব সেইটো মই জানো।কিন্তু উপায়ো যে নাই।মোৰ বস্তুবোৰ নতুন ঘৰলৈ লৈ যোৱা হ'ল বাবে কালি তাইৰ বিচনাতে দুইজনী শুলো।তাই এতিয়াও টোপনিত আছে।মই লাহেকৈ উঠি গৈ বাকী থকা বস্তুবোৰ সামৰি ল'লো।অনিৰুদ্ধই কোৱা মতে পণ্ডিতজন ন বজাত আহিবই।তাৰ আগতে সকলো যোগাৰ হ'ব লাগিব।আমি সাত বজাত তালৈ যাবই লাগিব।ইটো সিটো কৰি থাকোঁতে চাৰে ছয় বাজিলেই।হিবাক উঠাই দি গা ধুবলৈ সোমালোঁ।চুলিখিনিও ধুই লৈছোঁ।পূজাত বহিবলৈ ভাল নালাগে নহ'লে। হিবাই শাৰীখন ধুনীয়াকৈ জাপি পিন মাৰি থৈছে।
:অনন্যা, মেৰা পূজা মে' আনা সহি হ'গা ক্যা?তুম একবাৰ ফিৰ ..
:Oh shut up Hiba.
হিবাৰ প্ৰশ্ন কি মই জানো।মুছলমান হৈ হিন্দুৰ গৃহ প্ৰৱেশৰ পূজাত তাইৰ উপস্থিতিক যদি কোনোবাই কিবা কয় সেই লৈ তাইৰ ভয়।কিন্তু মোৰ বাহিৰে তাত কেৱল আয়ু আৰু অনিৰুদ্ধ থাকিব।তাই কালৈ ভয় কৰিছে মই বুজি পোৱা নাই।
সেইজনীক গা ধুবলৈ পঠিয়াই আকৌ আয়ুক উঠাবলৈ ফোন কৰিলোঁ।গা ধুবলৈ কিমান যে ৰিকুৱেষ্ট কৰিবলগীয়া হৈছে।অনিৰুদ্ধই বাৰু নিজেই ফোন কৰিলে।তেওঁৰ যিহেতু ছুটি নাই গতিকে তাৰপৰাই কাম কৰিব লাগিব।বুজি পাওঁ।

বস্তুখিনি সামৰি দুইজনী কেৱত বহিলো।আয়ু আৰু অনিৰুদ্ধ অলপ পিছত আহিব।শাৰীখন পিন্ধি বৰ সুবিধা পোৱা নাই যদিও আপত্তি কৰাৰ থল নাই।হিবাই ধুনীয়াকৈ জাপি মেলি পিন্ধাই দিছে।হাত দীঘল ব্লাউজটোৰ পিছফালটো কোৱাৰ পাছতো বেছিকৈয়ে কাটি দিলে।ভাল নাপাওঁ মই।চুলিখিনি সেইকাৰণে মেলি ৰাখিছোঁ।কাণত অনিৰুদ্ধই উপহাৰ দিয়া গুলপীয়া পাথৰ থকা সোণালী ৰঙৰ সৰু কানফুলি যোৰ।বুকুখন কিবা ধপধপাই আছে।
ঘৰটোত সোমায়েই হিবাই ঝাড়ু হাতত ল'লে।মই ককাৰ বিচনাখনত নতুন বিচনা চাদৰ এখন পাৰি দিলোঁ।সাৰি মচি চাফা হোৱাৰ পাছত পূজাৰ বাবে ঠাইডোখৰ ঠিক কৰিলোঁ।হলটোৰ চুক এটাত পূজা

হ’ব।তাতে ৱালত লগাই আলমিৰাৰ নিচিনাকৈ গোঁসাই ঘৰ বনাই থোৱা আছে।কালি কিনি অনা কৃষ্ণৰ ফটোখন তাতে থ’লো।ককাই ভাল পাব।অলপ পিছতে কলিংবেল বাজিল।হিবাই দুৱাৰ খুলি দিলে।দুহাতত পূজাৰ সামগ্ৰী লৈ অনিৰুদ্ধ।বগা ফুল শ্লীভ চাৰ্ট আৰু ব্লেক ফৰ্মেল পেণ্ট পিন্ধি একেবাৰে যেন কনফাৰেনেন্স এটেণ্ড কৰিবলৈহে আহিছে।মোক তেতিয়ালৈকে তেওঁ দেখাই নাই।

:Where is Ananya?

হিবাই চকুৰ ইঙ্গিতেৰে গোসাঁইঘৰৰ ফালে দেখুৱাই দিলে।তেওঁ হয়তো মোক সেইটো ৰূপত কল্পনা কৰা নাছিল।দেখি অলপ দেৰি থৰ লাগি চাইয়ে থাকিল।এটা ভৰি ভিতৰত এটা তেতিয়াও দৰ্জাৰ বাহিৰত।

:Come inside Anirudh.

হিবাই হাঁহি দিয়াত আমি দুয়োটাই ভীষণ লাজ পালোঁ।

তাৰ পাছত আৰু ৰ’বলৈ সময় নাই।আয়ু অহাৰ অলপ পাছতে পণ্ডিতজন আহিল।তেওঁ পূজাৰ যাৱতীয় সকলো সমগ্ৰী লৈয়ে আহিছিল।মোক মাত্ৰ নতুন পাকঘৰটোত পায়স বনাবলৈ ক’লে।ফলমূল অনিৰুদ্ধই লৈ আনিছিল।গোটেই ঘৰটো ধূপ ধুনাৰ সুগন্ধিৰে বিয়পি পৰিল।গোন্ধটো পাই মোৰ ককালৈ মনত পৰিল।হিবাই ভিডিঅ’ কৰি থৈছে।ককা আহিলে দেখুৱাব।আয়ুয়ে ধুতি এখন যোগাৰ কৰি পিন্ধি সমানে সমানে পূজাত লাগিছে।সি বোলে কছাৰী বামুণ আজি।হাঁহি উঠে তাৰ কাৰবাৰ বোৰ দেখি।অনিৰুদ্ধ আনটো ৰূমত কামত লাগিছে।মাজে মাজে আহি চাই যায়।বেচেৰাৰ কামত মন বহা নাই।মোক কিবা ক’ব খুজিও ইহঁতৰ সন্মুখত ক’ব পৰা নাই।পূজাৰ শেষত সেৱা কৰোঁতে তেওঁ মোৰ ওচৰতে থাকিল।ভালদৰে খুৱাই বোৱাই পণ্ডিতজীক বিদায় দিলোঁ।আমাৰ খোৱা বাহিৰৰ পৰা অৰ্ডাৰ কৰিলোঁ।পাকঘৰৰ বস্তুবোৰ ভালকৈ চিজিল হোৱাই নাই।নিৰামিষ আহাৰ দেখি আয়ুৰ দুখ।খাই বৈ তিনিওটাৰ অলপ সময় কথাৰ মহলা চলিল।এবাৰ অনিৰুদ্ধই কি কৰিছে বুলি চাবলৈ আনটো ৰূমলৈ গ’লো।তেওঁ ফোনত ব্যস্ত।

চকুৰে ওচৰলৈ মাতিলে।

তেওঁক ইমান কোৱাৰ পাছতো ককাৰ বিচনা খনত নবহিলে।পকাত বহি কাম কৰি আছে।মই ওচৰ চাপি যোৱাত কাষতে বহিবলৈ বুলি চকুৰে দেখালে।কিন্তু বহিবলৈ লওঁতেই আয়ুৰ চিঞৰ।গুচি আহিলো।তেওঁ আচলটোত খামুচি ধৰিলে।ঘূৰি চালোঁ।ফোনত তেতিয়াও সুৰেশক কিবা কৈ আছে।মোলৈ চাই চকুকেইটা সৰু কৈ সৰু ল’ৰাৰ দৰে মুখ খন ফুলাই দেখুৱালে।হাঁহি এটা মাৰি আঁতৰি আহিলোঁ।আয়ু আৰু হিবাৰ লগ লাগি পূজাৰ ঠাইখন ঠিক কৰি ঘৰটো সজালোঁ।হলটোত দুখন সৰু সৰু বেতৰ চকী ৰাখিছোঁ।কালি কিনি আনিছিলোঁ।OLX ত কম দামত পালোঁ।কোচন কেইখন নতুন।পাতল ক্ৰীম ৰঙত সেউজীয়া পাত পাত থকা পৰ্দা খিনি লগালো।হলটোৰ একেবাৰে শেষৰফালে দুখন মেট্ৰেছ একেলগ কৰি আকাশ নীলা খদৰৰ বিচনা চাদৰ আৰু সৰু সৰু গাৰুকেইটা সজালোঁ।সেইখন মোৰ বিচনা।ওপৰত ফেৰী লাইট লগাই হিবাই ঠাইখিনি উজলাই তুলিলে।কাষে কাষে দুটা সেউজীয়া পাতৰ গছ।কালি কেইবাটাও গছৰ পুলি আৰু ফুলৰ টাব কিনি আনিছিলোঁ।কেইটামান বেলকনিত ৰাখিছোঁ।লগতে এজোপা তুলসী।ককাই গোঁসাইক দিব পাৰিব।ককাক কিমান সুখত ৰাখিব পাৰোঁ নাজানো কিন্তু চেষ্টা কৰিছোঁ।

কামত লাগি থাকোঁতে কেতিয়া গধূলি হ’ল গমেই নাপালোঁ।সাত মান বজাত চাহ বনাই গোটেইকেইটাই খালোঁ।অনিৰুদ্ধৰ কাম তেতিয়াও শেষ হোৱা নাই। আয়ু আৰু হিবাৰ লগত ৰাতিৰ সাজৰ কথা পাতি

আছোঁ।বহুতদেৰি ভাবি ভাবি সৰৰে কাৰণে পিজ্জা অৰ্ডাৰ কৰিলোঁ।
হলটোত পকাত বহি আমাৰ পিজ্জা পাৰ্টি চলিল।কথাৰ মাজে মাজে অনিৰুদ্ধই আঁৰ চকুৰে মোলৈকে চাই থাকে।শাড়ীখন এতিয়াও সলোৱা নাই।ৰূমটোত তেওঁ কামেই কৰি আছে তেতিয়াৰে পৰা।
আয়ুয়ে স্পীকাৰ এটা গিফ্ট দিছে মোক।অসমীয়া গানৰ প্লেলিষ্ট খন বাজিয়েই আছে অথনিৰে পৰা।তাৰ প্ৰিয় গান মানে মোৰো প্ৰিয় হ'বই লাগিব।

দহ বাজি গ'ল।সকলো যাবলৈ ওলাল।আয়ুৰ লগতে হিবা যাবগৈ।মোৰ কাইলৈ ৰাতিপুৱা ছয় বজাতে ফ্লাইট থকাৰ বাবে তাই থাকিব নোৱাৰিলে।ভালকৈ থাকিবি,দিগদাৰ হ'লে ফোন কৰিবি আদি এসোপামান উপদেশ দি দুইটা গুচি গ'ল।লেপটপ সামৰি অনিৰুদ্ধই জোতা পিন্ধিবলৈ লৈছে।গোটেই দিনটো ইমান ওচৰতে থাকিও তেওঁক ভালকৈ লগেই নাপালোঁ।এতিয়া যোৱাৰ সময়ত মনটো সেমেকি উঠিল।যোৱাৰ আগতে তেওঁ গালখন চুই কৈ উঠিল
:ভালকৈ যাবা, মই ফোন কৰিম।
:Stay with me, please!
ভয় লাগিছে মোৰ।কাইলৈৰ কাৰণে।কি পৰিস্থিতি ৰৈ আছে মোৰ বাবে মই নাজানো।অকলে থাকিবলৈ মোৰ আজি সাহস হোৱা নাই।
তেওঁ খুব আচৰিত হোৱা যেন লাগিল।
:What?
:Stay with me.
:Are you sure?
:Damn sure!
খোলা দৰ্জাখন বন্ধ কৰি সোমাই আহিল অনিৰুদ্ধ।দুহাত মেলি ৰৈ থকা মানুহজনৰ বুকুত আকৌ এবাৰ সোমাই পৰিলোঁ মই।কিমান যে মিছ কৰিছিলোঁ এই সান্নিধ্য।
:Annaya!
:Hmmmm
:I missed you!
একো কোৱাৰ শক্তি তেতিয়া মোৰ নাই।অকণমান লাজ, অকণমান ভয়ে আৱৰি ধৰিলে।
আঁতৰি আহিলোঁ তেওঁৰ ওচৰৰ পৰা।
:আপুনি fresh হৈ লওক।ময়ো চেঞ্জ কৰি লওঁ।কীটছেনত অলপ কাম আছে।
তেওঁ একো নকৈ বাথৰুমৰ ফালে খোজ ল'লে।মোৰ আচলতে একো কাম নাই।কিন্তু অলপ অসহজ লাগিছে।যদিও নিজেই কৈছিলোঁ তেওঁক মোৰ সৈতে থাকিবলৈ,এতিয়াচোন নিজেই সহজ হ'ব পৰা নাই।পিজ্জাৰ পেকেট কেইটা ডাষ্টবিনত থৈ কাপকেইটা ধুই পেলালোঁ।পানীৰ বটলটোৰ পৰা পানী এগিলাচ উলিয়াই খালোঁ।
তেওঁ মুখ হাত ধুই ওলাই আহিল।টাৱেল এখন উলিয়াই দি ৰূমলৈ আহিলোঁ।শাড়ীখন সলাই কি পিন্ধিম বিচাৰি আছোঁ।

:অনন্যা!
:হাঁ?
তেওঁ দৰ্জাখনত আউজি মোৰ ফালে কিয় তেনেকৈ চাই আছে? বৈ থকা ঠাইতে কঁপি আছোঁ মই।তেওঁ আগবাঢ়ি আহি হাতখনত ধৰি লৈ গ'ল।বেলকনিৰ দৰ্জাখন খুলি দিলে ফিৰফিৰিয়া বতাহ এজাক সোমাই আহিল।ৰূমৰ লাইটটো অফ কৰি বেলকনিলৈ ওলাই আহিলোঁ।
:Relax!
কেনেকৈ ৰিলেক্স কৰোঁ মই।
:I can't.
মোৰ হাত এখন খামুচি আছে তেওঁ।তেওঁ মোক বহুত কিবাকিবি বুজাইছে, মোৰ যে শুনাৰ ধৈৰ্য্য নাই।ঘৰৰ পৰিৱেশ কি হ'ব পাৰে সেইয়া মই কেনেকৈ বুজাও।তেওঁ সদায় মোৰ লগত থাকিব, ককাৰ কাৰণে সকলো কৰিব বাৰে বাৰে এইকেইটা কথা কৈ আছে।
:কিয় ভয় কৰিছা ইমান?
:নাজানো।
তেওঁ মোৰ মুড ঠিক কৰিবলৈকে কৈ উঠিল..
:আইতাক দেখুৱাই নিদিয়া মোক?
:কেনেকৈ জানিলে আপুনি?
:কৃতিকাৰ বিয়াত আইতাক মিছ কৰি কান্দি থকা ছোৱালীজনীৰ প্ৰেমত পৰিছিলোঁ যে।কিমান কোমল অন্তৰ হ'লে এনেকুৱা কৰে মানুহে তাকে ভাবিছিলোঁ তেতিয়া।এতিয়া তো চিনাকি কৰাই দিয়া।ময়ো কথা পাতোঁ।
:সৌৱা।
তাৰ পিছত বহুসময় আমি আইতাৰ লগত কথা পাতিয়েই কটাই দিলোঁ।তেওঁ মোক লৈ আপত্তি কিছুমানো কৰিলে।মই বহুত জেদী, আঁতৰি আঁতৰি থাকোঁ, সময় নিদিওঁ আৰু ঢেৰ।
কথাবোৰ এটা সময়ত কমি আহিল।অনিৰুদ্ধই কাষ চপাই নিব খুজিলে মোক।
আঁতৰি আহিলোঁ।
:Please don't change this Saree.
:কিয়?
:I want to make love to you,in this. Only if you are okay.. I mean..
কি???
এনেকৈ কৈ দিব পাৰে নেকি মানুহে?
ইমান সহজকৈ?
তেওঁ স্থিৰ চকুৰে তেতিয়াও চাই আছে মোৰ ফালে।খোজকেইটা মোৰ ফালে কিয় আহি আছে।বেলকনিৰ লাইটতো কিয় নুমাই গৈছে?
আৰু..
মই কিবা উত্তৰ পোৱাৰ আগতেই এযোৰ ওঁঠ মোৰ সমগ্ৰ মুখ মণ্ডলত বিয়পি পৰিল।থৰথৰকৈ কঁপা মোৰ ভাগৰুৱা শৰীৰটো দুখন সৱল হাতে মেৰিয়াই ধৰিলে।আধা চুলি সামৰি ৰখা ক্লিপডাল তেওঁৰ হাতৰ মুঠিৰপৰা

তলৰ পকাত সৰি পৰিল।
:কিয় অহা নাছিলা মোৰ ওচৰলৈ?কিয় ইমান আঁতৰি থাকা?
ভাল নোপোৱা মোক?

কঁকালৰ উদং অংশত ৰৈ থকা হাতখন আৰু অলপ টান কৰি তেওঁ কৈ উঠিল।ছাঁ পোহৰৰ মাজত তৰা তৰা চকু দুটাৰ অভিমান খিনি ঠিকেই ধৰিব পাৰিছোঁ মই।কিন্তু কথা ক'ব পৰা যে মই হৈয়ে থকা নাই এতিয়া।ঘন ঘন উশাহৰ শব্দত মই আন শব্দৰ বাবে ঠাই বিচাৰি পোৱা নাই।
দুহাতেৰে মোৰ কঁপি থকা শৰীৰটো আলফুলে ডাঙি ভিতৰলৈ লৈ আহিল তেওঁ।তেওঁৰ চকুলৈ চাব পৰা নাই মই।ফেৰী লাইটবোৰৰ বাহিৰে ৰুমৰ আনবোৰ লাইট নুমোৱাই থোৱা আছে।
কাণৰ ফুলি এপাত পৰি আহিল,সিপাত খোলোতে তেওঁ ক'লে
:I want to live every moment of this beautiful night..
Please stop me now or never...
বাৰে বাৰে হাৰি যাওঁ এই চকুযোৰত।
গুচি যাওঁ নোযোৱা বাটেদি।
:I want it too..
কথাটো সম্পূৰ্ণ নহ'ল।
গুলপীয়া শাড়ীখন আঁতৰি গ'ল মোৰ শৰীৰৰ পৰা, এগালমান গুলপীয়া সিঁচি থৈ গ'ল মোৰ সমগ্ৰ দেহত।
দুটি মন কেতিয়াবাই এক হৈছিল, দুটি শৰীৰ আজি এক হ'ব..
অনিৰুদ্ধৰ ঘন চুলিত মোৰ হাত দুখনে নতুন ঠিকনা বিচাৰি পাইছে।

কাষৰ সৰু টেবুলখনত থকা লেপটপটোত তেতিয়াও বাজি আছে

উভতাই আনিলা..
জীয়াই তুলিলা..
মোক জীয়াই তুলিলা
এই ৰিক্ত বুকুতে বাসনা ঢালিলা..
মোৰ তেজে তেজে শিৰে শিৰে বোৱালা প্ৰেমৰ অলকানন্দা

যেদিন কানে কানে সব বলবো তোমাকে
বুকের মাঝে জাপটে জড়িয়ে ধরবো তোমাকে।

পথ চেয়ে রই, দেরি করোনা যতই
আর ভোলা যাবেনা জীবনে কখনোই,
তোমাকে, ও.. তোমাকে।

গভীৰ নিশাৰ নিৰ্জনতাত দুটি শৰীৰ ,দুটি মন, দুটি আত্মাৰ একান্ত সময়।অনিৰুদ্ধৰ দুহাতত মই যেন এটা কাঁচৰ পুতলা।ইমান আলফুল অথচ ইমান নিবিড় প্ৰতিটো স্পৰ্শ, প্ৰতিটো চুম্বনত হাজাৰটা প্ৰতিশ্ৰুতি।কেৱল উন্মাদনাৰ জোৱাৰ নহয়, নিৰাপত্তাৰ এখন চাদৰ হৈ মেৰিয়াই ধৰিছে মোৰ সমগ্ৰ সত্তা।এৰি দিছোঁ নিজক, আৰু যে উপায় মই বিচাৰিও পোৱা নাই।
মজিয়াত পৰি ৰোৱা মোৰ গুলপীয়া শাড়ীখন, তেওঁৰ বগা চাৰ্টটো আৰু মোৰ খেলিমেলি চুলিখিনি আজি অনুৰাগৰ অলেখটা মুহূৰ্তৰ সাক্ষী।
সময় আগবাঢ়িছে, সমানেই মৰমৰ উত্তাপ..
:What's this?
বুকুৰ সোঁমাজত থকা ঘাঁটুকুৰা চুই দিলে তেওঁ।জিকাৰ খাই উঠিল মোৰ সমগৰ শৰীৰ।সেই ভয়াৱহ ৰাতিৰ স্মৃতি তাতেই যে আজিও সাৰে আছে।কলিকতাৰ ঘিণ লগা ৰাতিটো।সিদ্ধাৰ্থই মোক বশ কৰিব নোৱাৰি বিয়েৰৰ বটলৰ ভঙা টুকুৰাৰে আঘাত কৰিছিল সেইখিনি ঠাইত।এবাৰলৈও কন্দা নাছিলোঁ মই।বিৰিঙি বিৰিঙি তেজ ওলোৱা ঠাইখিনিত অকনমানো অনুশোচনা বা অপৰাধবোধ নোহোৱাকৈ খুড়ীয়ে বেণ্ডেজ লগাই ঢাকি থৈছিল।
এক সপ্তাহ তেনেকৈয়ে ঢাকি ৰখা ঘাঁ ডোখৰ পিছত লাহে লাহে আৰু বেছি বাঢ়ি গৈছিল।ডক্টৰে ড্ৰেছিং কৰি চিলাই কৰি দিওঁতে এবাৰো সোধা নাছিল কেনেকৈ কি হ'ল বুলি।
সেই চিলাইৰ দাগটো এতিয়াও অকণমান ফুলি থাকে, পাহৰিব খোজা দিনবোৰ সোঁৱৰাই থাকে।
কিন্তু অনিৰুদ্ধই কিয়...
:প্লিজ কোৱা, কি দাগ এইটো?
:Someone tried to rape me.
এটি স্থিৰ মুহূৰ্ত।
উশাহৰপৰা উন্মাদনালৈকে সকলোকে শিল কৰিব পৰা এটা মুহূৰ্ত।মোৰ বুকুৰপৰা উঠি আহি তেওঁ মোৰ চকুত চকু থৈ চাই আছে মাথোঁ।ফেৰী লাইটৰ টিপ টিপ পোহৰত স্পষ্টকৈ দেখিছোঁ সেই ধুনীয়া চকুযুৰিৰ পানীখিনি।দুয়োখন হাতেৰে মোৰ মূৰৰ দুফালে ভেজা দি ৰৈ থকা মানুহটো কিমান কোমল অন্তৰৰ সেইয়া মই জানো।
:Who did this?
:
মোৰ চকুত চকু থৈ সোধা প্ৰশ্নটোৰ উত্তৰ মোৰ ওচৰত নাছিল..
এটোপাল লুণীয়া পানী তেওঁৰ চকুৰ পৰা সৰি মোৰ চকুত সোমাল..
:You need to heal first Ananya.. I can't do this..I should have waited.. I am so so sorry..
মোৰ কপালত চুমা এটা আঁকি তেওঁ আঁতৰি গ'ল..

আৰু একো কোৱাৰ সুযোগ তেওঁ মোক নিদিলে।মজিয়াত পৰি থকা চাৰ্টতো পিন্ধি হাতত বেগ লৈ ওলাই গুচি গ'ল।ঘড়ীত তেতিয়া এক বজাৰ সংকেত।
দৰ্জাখনত আঁৰি থোৱা তেওঁ উপহাৰ দিয়া wind chim টো তেতিয়াও বাজি আছে।উঠি বহিলো।নিজকে আকৌ এবাৰ সামৰিবই লাগিব।দৰ্জাখন বন্ধ কৰি বাথৰুমত সোমালোঁ।আইনাত এবাৰ নিজকে চালোঁ।খেলিমেলি চুলি, ৰঙা পৰি থকা গাল, মুখ, ডিঙি...
মোৰ শৰীৰৰপৰা ভাঁহি আহিছে অনিৰুদ্ধৰ ফৰাচী পাৰফিউমৰ সুগন্ধি।
আৰু বুকুৰ সেই দাগটো...
ধুনীয়া ৰাতিৰ বেয়া লগা দাগটো চাই থাকিব নোৱাৰিলোঁ ।শ্বাৱাৰৰ পানীত উটাই দিছোঁ প্ৰতিটো ভাললগা বেয়ালগা মুহূৰ্ত।আৰু মাত্ৰ তিনিঘণ্টাৰ পাছতেই ওলাই যাব লাগিব।আৰু বা কি ৰৈ আছে মোৰ বাবে।
কিমান দেৰি শ্বাৱাৰৰ তলত বহি থাকিলোঁ নিজেই নাজানো।
ঘৰটোৰ খেলেলিবোৰ সামৰি সকলো আগৰদৰেই ধুনীয়া কৰিলোঁ.. কিন্তু মনৰ খেলিমেলিবোৰ..!!!

এইবোৰৰ শেষ আছে জানো??

ডিব্ৰুগড়ৰ এয়াৰপোৰ্টত নামি বেগটো লৈ ওলাই আহোঁতে অসমৰ চিনাকি পৰিৱেশটো দেখি বুকুখন গধুৰ হৈ আহিলে।
নিজেৰেই ঠাইখন কেনেকৈ ইমান যে দূৰ হৈ পৰিল।ঘৰ এখন নাই বুলি ভাবিব লগীয়া হোৱাৰ পৰা সকলো সলনি হৈ যোৱাৰ দৰে হ'ল।ঘৰত মই আহিম বুলি জানে, কিন্তু সময়টো কোনেও নাজানে।গাড়ী এখন লওঁ বুলি ইখন সিখন সুধি থাকোঁতে ক'ৰবাৰ পৰা দৌৰি দৌৰি যোগেশ দা ওলাইছেহি।
:মাজনী,দে দে ,বেগটো দে।মই ৰৈ চাইয়ে আছিলোঁ অথনিৰে পৰা।
:কেনেকৈ জানিলে মই আহিছোঁ বুলি?
:তোৰ মায়েও জানে দেখোন।গাড়ীতে আছে ব'ল।
:মা আহিছে?
:আহিছে আকৌ।ব'ল ব'ল।
অলপ আঁতৰত ৰৈ থকা বগা ৰঙৰ Audi A6 খনৰ আগফালৰ ছিটটোত বহি থকা মানুহজনীক দেখি মোৰ ভাল বেয়া একো লগা নাই।আমাক দেখি তেওঁ নামি আহিল।একেই আছে।Dior sunglass,Rolex watch,Prada ৰ বেগ, ব্ৰেণ্ডৰ বাহিৰে বেলেগ একো চিনি নাপায় তেওঁ।মানুহে দেখিলেই যাতে তেওঁৰ অভিজাত্যৰ প্ৰমাণ পাব পাৰে তাৰ প্ৰতি সদায় সচেতন তেওঁ।চিনেমাৰ তাৰকাৰ দৰে ধুনীয়া চেহেৰাটো আছেই।কিন্তু চকুৰ পৰা ছানগ্লাছযোৰ খোলাৰ লগে লগে আজি মই বেলেগ এজনী মানুহহে দেখিলোঁ।ইমানবোৰ দামী বস্তুৰেও তেওঁৰ চকুৰ বিষাদ ঢাকিব পৰা নাই।
:কিবা দিগদাৰ হৈছিল নেকি?
:কিয় আহিছা?মই গাড়ী ভাড়া কৰিব পাৰিলোঁহেঁতেন।

:মোৰ এইফালে অলপ কাম আছিল।যোগেশ, বেগটো ৰাখি দে ডিকিত।
মোৰ ফটা জিনছ আৰু ঢিলা টপটো তেওঁৰ পছন্দ হোৱা নাই যে সেইয়া তেওঁৰ চাৱনিত বুজি পালোঁ।ভৰিৰ শ্লিপাৰযোৰ দেখি নাকটো কোঁচাই দিলে।
ভাল লাগে মোৰ তেওঁক এনেকৈ দেখি।
গাড়ী আগবাঢ়িল।আমাৰ মাজত কথা নাই।হেডফোন ডাল লগাই গান শুনি আছোঁ।অনিৰুদ্ধই এতিয়ালৈকে ফোন মেছেজ একো কৰা নাই।আশাও কৰা নাই মই।কালিৰ পাছত হয়তো...

বগা বাংলো অলপ সলনি হ'ল।আগফালে ডাঙৰ ল'নখনৰ চুকত অফিচ ৰুম এটা বনিলে।ফুলবোৰ কিন্তু একেই আছে।আৰু সৌৱা বাৰাণ্ডাৰ অৰামী চকী এখনত বহি গেইটৰ ফালে ডিঙি মেলি মেলি চাই বহি আছে ককা।ওচৰত তৰা।প্ৰকাণ্ড গেইটখন খোলাই ৰাখিছিল আগৰপৰাই।গাড়ীখন ভালকৈ ৰ'বলৈকে নিদিলোঁ।দৰ্জাখন খুলি দৌৰিলোঁ ককাৰ ওচৰলৈ।মোক দেখি চকীৰ পৰা উঠি অহা মানুহজনক জোৰেৰে সাৱটি ধৰিলোঁ।মোৰ গালে মুখে হাত ফুৰাই দিয়া মানুহজন আগতকৈ ক্ষীণালে।চন্দন আৰু সুগন্ধি তেলৰ 'ককা ককা' লগা গোন্ধটো উজাই লৈছোঁ উশাহত।কিমান যে মিছ কৰিছিলোঁ।
:মই যাম বুলি ওলাই আছিলোঁ, ইহঁতি বোলে নালাগে আপুনি।কিবা বজাৰ কৰিব লাগিব।ভালে ভালে পালিহি যে হ'ব দে।তই কি চাই আছ তৰা,তাইক পানী দুনী অকণ দে হি।
:ভালে আছ তৰা?
চলচলীয়া চকুৰে মোলৈ চাই থকা তৰা ওচৰ চাপি আহিল।
:কি খাবি মাজু?
:কি বনাইছ?
:আদা দিয়া চাহ বনাওঁ?
:বনা, মই গা ধুই লওঁ।
:শাক পালিনে যোগেশ?ছাগলী মাংস অকণো আনিব লাগিছিল।
:তাই ভালপোৱা সব আনিছোঁ।মাক জনী আছোঁ নহয়।
ককাৰ কথাটোৰ উত্তৰ মায়ে দিছে।ইমান মৰম মোলৈ?হঠাৎ এনেকুৱা হ'লে ভয় লাগে মোৰ।এইবাৰ বা কি স্বাৰ্থ লৈ এইবোৰ কৰিছে!
ঘৰটোৰ ভিতৰলৈ সোমাওঁতে ভৰিটো নচলাৰ দৰে হৈছিল।পাছে পাছে মা।যোগেশ দা বেগ লৈ মোৰ ৰুমৰ ফালে আগবাঢ়িল।ঘৰৰ ভিতৰত কিছুমান নতুন বস্তু।মোৰ ৰুমটো কিন্তু প্ৰায় একেই আছে।আনকি পঢ়া টেবুলখনো।পৰ্দাখিনিহে মাত্ৰ সলনি হৈছে।
বেগৰ পৰা কাপোৰকেইটা উলিয়াই গা ধুবলৈ সোমালো।বাথৰুমটো নতুন নতুন বস্তুৰে ভৰা।
:মাজনী, তই গা ধুই ল, মই ইয়াতে বহিছোঁ।
বাহিৰৰ পৰা ককাৰ মাত।এতিয়া মোৰ লগে লগে লাগি থাকিব যে মই জানো।গা ধুই ওলাই তৰাই বনোৱা চাহ ককাৰ সৈতে বহি খালোঁ।
:মাজু, পোলাও খাবি নে পলেইন ভাত?
তৰাই প্লেইন বুলি ফুটাব নোৱাৰে।

:কিবা হ'লেই হ'ল।
ককাৰ সৈতে কথা পাতি থাকোঁতে বাহাদুৰে ভাত খাবলৈ মাতিলে।টেবুলত প্ৰায়বোৰ মই ভালপোৱা বস্তু। মায়ে নিজেই সজাইছে টেবুলত।
এতিয়ালৈকে কিন্তু দেউতাৰ দেখা দেখি নাই।
মই এবাৰো সোধাও নাই।
:ই নাহে নেকি ভাত খাবলৈ?
:আজি মিটিং আছে,MLA আহিছে।
:ছোৱালীজনী ইমানদিনৰ মূৰত ঘৰলৈ আহিছে, সেইবোৰ খবৰ নাই। বৰাৰ নেগুৰত ঘূৰি ফুৰিবলৈ কি নাইকিয়া হৈছে তাৰ?
:ককা প্লিজ।মূৰ বিষাই মোৰ এইবোৰ শুনিলে।
মনে মনে থাকিল সৱ।মা লগতে খাবলৈ বহিল।মোক আচৰিত কৰি তৰাকো লগতে বহুৱালে।মাংসৰ বাতিটো মোলৈ নিজেই আগবঢ়াই দিলে মায়ে।
ককাই নিজে নিৰামিষ খাই যদিও আনে খোৱাত আপত্তি নকৰে।মায়ে মোৰ কাঁহীত বস্তু শেষ হ'বলৈ দিয়া নাই।
:মা, ভাত খোৱা।মই লৈ ল'ম।আৰু এইবিলাকৰ অভ্যাস নাই মোৰ।So please...

ভাত খাই ককাৰ ৰূমতে শুই থাকিলোঁ।ককাই ঢেৰ কথা কয় আজিকালি।হয়তো অতবছৰে বহু কথাই থুপ খাই আছিলে।দুটা ডাঙৰ ট্ৰলীত কাপোৰ কানি সামৰিয়েই ৰাখিছে।
:ককা, কিয় মোৰ লগত যাব খুজিছা সঁচাকৈ কোৱাচোন?তোমাৰ নিজে পতা ঘৰখন এৰি যাবলৈ মন গৈছে নে?
:এইখন ঘৰ নহয় মাজনী।মাত এষাৰ দিবলৈ মানুহ কেইটাৰ সময় নাথাকে।ৰান্ধনীয়ে ৰান্ধি দিয়ে খাওঁ, তৰাই পানী অকণ দিয়ে দৰব কেইটা গিলো।দিনবোৰ তেনেকৈ গৈছে।প্ৰত্যেক দিনেই মাৰ দেউতাৰৰ কাজিয়া।কমক চাৰি বাঢ়িছেহে।তোৰ লগত থাকিলে অন্ততঃ কথা এষাৰ পাতিব পাৰিম।
:কিন্তু মই অফিচ যোৱাৰ পাছত যে অকলশৰীয়া হ'বা?
:কিতাপ পঢ়িম, টিভি এটা লৈ ল'ম।থাকিম তেনেকৈয়ে।তোৰ শনি দেও দুদিন বন্ধ নহয় জানো?
:উম।
:সেই দুদিন থাকিবি আকৌ মোৰ লগত।সেইয়াই হ'ব।
:মোৰ ঘৰটো সৰু।
:মনটো ডাঙৰ তোৰ।

সন্ধিয়া সময়ত দেউতা ঘূৰি আহিল।লগত আৰু দুজনমান মানুহ।মোক দেখি অলপ সময় থৰ লাগিল।
:কেতিয়া পালিহি?
:দুপৰীয়া।
:থাকিবি কেইদিনমান?
:কাইলৈ দিনটো আছোঁ।

:মই আলহীক বিদায় দি কথা পাতিম।
:মোৰ একো পাতিবলগীয়া নাই আপোনাৰ লগত।

চাদৰ ওপৰত অকলে খোজকাঢ়ি থাকোঁতে অলেখ স্মৃতিয়ে আমনি কৰিছে।তলৰ পৰা ককাৰ প্ৰাৰ্থনাৰ মাত ভাঁহি আহিছে।বতাহ জাকত বিয়পি আছে বনৰীয়া ফুলৰ সুগন্ধি।দূৰৰ নামঘৰৰ ডবাৰ মাত।আয়ুহঁতৰ ঘৰটো দেখি থাকি ইয়াৰপৰা।একেই আছে।আগফালৰ লাইট তো জ্বলি আছে।বাৰাণ্ডাত খুড়ী আৰু কোনোবা বহি আছে।কাইলৈ এপাক যাব লাগিব।

বুকুৰ কোণত এসোপা অভিমান লৈ ৰাতিটো পাৰ কৰিলোঁ।অনিৰুদ্ধই ফোন মেছেজ একোৰেই নকৰিলে।ৰাতিপুৱাই উঠি আহি দেখোঁ আয়ুৰ মাক বাৰাণ্ডাত বহি আছে।ককাৰ চকীখনৰ কাষতে সৰু টুল এখন লৈ বহিছে।একেই আছে খুড়ী।বগা, অলপ শকত, থুপুকী।আয়ুৰ সৈতে মুখ খন একেই।সেন্দূৰৰ ফোঁটটো জোখতকৈ অলপ ডাঙৰ কৈ লয়।মুখত তামোল থাকেই।নামটোও ধুনীয়া, তগৰ।
:ভালনে খুড়ী।
:ইয়’,ইমান বেলেগ হ’লি দেখিবলৈ,কালিয়েই আহি যে সোমাই আছহি, আমাৰ ফালে পাক এটা মাৰিব নাপায় নে?
:কালি অকণ ভাগৰ লাগিলে।
:ই আই, তাইৰ ভাগৰ চোৱা।ওচৰলৈ আহচোন।
তামোলৰ মুখ খন গালত লগাই চুমা খোৱাৰ দৰে কৰে খুড়ীয়ে।আয়ৈ,ইয়’ই শব্দবোৰ থাকেই।
:আমাৰ এইটোক থৈ আহিলি কেলেই?দুইটা অহা হ’লে বেছি ভাল লাগিলেহেঁতেন ক’।
:সি আহিব কেইদিনমান পিছত, ছুটি নাইপোৱা।
আয়ুয়ে হিবাক অকলশৰীয়া কৰি এৰি থৈ আহিব নোৱাৰে।মই থাকিলেও বেলেগ কথা।ভায়েকৰ ৰিলিজ হৈ নোযোৱালৈকে সি আহিব নুখুজিলে।
:ভাত আমাৰ ঘৰতহে খাবি আজি ন।সৰ গোটাই থৈছো।ন-ছোৱালী কামত লাগিলেই।তই তাইক দেখাই নাই নহয়।

আয়ুৰ নবৌয়েক।বিয়াৰ কথা জানিছিলোঁ।আয়ুৰ ফোনত ফটো দেখিছোঁ যদিও লগ পোৱা নাই।
:ইমান ৰাতিপুৱাই ভাত?নটা বাজিছেহে খুড়ী।আৰু মই ব্ৰাছ কৰাই নাই।
:যা যা।সাউৎকৈ ওলাই আহ।গা আমাৰ ঘৰতে ধুবি।আগতে কিমান গা ধুৱাই দিওঁ মই দুয়োটাকে।ধূলি বালি লৈ খেলি থাক যে।মাৰে গালি পাৰে বুলি আকৌ।

খুড়ীক ককাৰ সৈতে কথা পাতিবলৈ দি ভিতৰলৈ আহি টেবুলত মাক ব্ৰেকফাষ্ট সজাই থকা দেখিলোঁ।
:মই আয়ুহঁতৰ ঘৰত ভাত খাম আজি।গা ধুই যামেই।মোলৈ সজাব নালাগে।
:ভাত তাত খাবি, ব্ৰেকফাষ্ট কৰি যা।খুড়ীয়েও খাব ইয়াতে।
মায়ে খুড়ীৰ সৈতে কেতিয়াও ভালকৈ কথা পতাও দেখা নাছিলোঁ।আজি কি হৈছে ধৰিব পৰা নাই।গা ধুই কাপোৰ কানি পিন্ধি ওলাই আহি দেখোঁ টেবুলত খুড়ী, ককা, মা একেলগে বহি চাহ খাই আছে।লগতে বহি খালোঁ।মায়ে গৰু ঘিঁউত লুচী ভাজিছে।মোৰ থালত দি থাকোঁতেই দেউতা আহিল।
:মাজু,কাইলৈ ফ্লাইট কেইটাত তোৰ?
:দুটাত।
:ইমান কম দিনৰ কাৰণে আহিলি যে?
:মোৰ বেছি যেনেই লাগিছে।
কথাবোৰ সিমানতে অন্ত পৰিল।চাহকাপ খাই খুড়ীৰ সৈতে ওলাই আহিলোঁ।

আয়ুহঁতৰ ঘৰখন আগতকৈ সলনি হ'ল।আগফালে নানা ৰঙী টাবত ধুনীয়া ধুনীয়া ফুল সজাই থোৱা আছে।গেইটখন নতুন।জুৰি বা বিয়া হৈ গ'ল।অপূৰ্ব দাদাৰ নতুন কইনা আহিল।অকণমানি মাইনা এটাও আছে।এবছৰ হোৱাই নাই।মই আৰু খুড়ী সোমাই যাওঁতেই অপূৰ্ব দাদা ওলাই আহিল..
:সেইজনী আমাৰ ছোৱালীজনী, কালিয়েই আহিলি বোলে।বহুত ডাঙৰ হৈ গলি অ'।আহ আহ।হে'ৰা, আহিলে দেই তোমাৰ আলহী।
ধুনীয়া হাঁহিমুখীয়া মানুহ এজনী ওলাই আহি বাৰাণ্ডাতে ৰ'লহি।কোলাত থুপুৰ নিচিনাই মৰমলগা অকণমানি এটা।সেইখন ঘৰ মোৰ কিমান যে আপোন।শৈশৱৰ সকলো ধুনীয়া স্মৃতি ইয়াতেইতো জীয়াইছিলোঁ।এইখন ঘৰৰ সৰ মানুহ মৰমীয়াল।মই আহিছোঁ বুলি গম পাই জুৰি বা বাছত উঠি অকলেই গুচি আহিছে।সৰ মিলি দুপৰীয়াৰ সাজ একেলগে খালোঁ।খুড়ীয়ে সৰু মাছ, কচু পিটিকা, মাটিমাহ ঔটেঙা আৰু যে কিমান কি কি ৰান্ধিছে।খোৱাৰ পিছতো আমাৰ কথাৰ অন্ত নাই।জুৰি বা, মই,খুড়ী আৰু নবৌ একেখন বিছনাতে পৰি পৰি সন্ধিয়া পৰলৈকে কথা পাতিলোঁ।আহিবৰ সময়ত খুড়ীয়ে নিজে বোৱা কাপোৰ এযোৰ দিলে।আকাশ নীলা ৰঙৰ কাপোৰ যোৰত বগা বগা ফুল বছা।
:শাহু বোৱাৰী দুইজনী মিলি বৈ উলিয়াইছোঁ।পিন্ধিবি আকৌ দেই কেতিয়াবা।
সকলোকে এৰি আহিবৰ সময়ত চকু সেমেকিল।আকৌ জানো এইখন ঠাইলৈ ঘূৰি আহিম কেতিয়াবা?কেতিয়াবা মন যায় ইয়াতেই থাকি যাওঁ।কিন্তু ঘৰ এখন নোহোৱাকৈ থাকিবওতো নোৱাৰোঁ।
ঘৰলৈ ঘূৰি আহোঁতে প্ৰায় সাত বাজি গ'ল।ঘৰত আলহী ধেৰ।ককা কাইলৈ বেংগালোৰ যাবগৈ বুলি গম পাই মাত লগাবলৈ আহিছে।সৱেই কিন্তু কেইদিনমানৰ কাৰণে ফুৰিবলৈ গৈছে বুলিহে জানে।একেবাৰে যোৱাৰ কথা হয়তো কাকো কোৱা হোৱা নাই।সৰকে মাত লগাই ৰূমলৈ আহিলোঁ।মায়ে মোৰ ৰূমৰ বস্তু কিছুমান সামৰি আছে।
:কি কৰি আছা ইয়াত?

:ইমান দেৰি কৰিলি যে।
:য'ত থাকি ভাল লাগে তাতে থাকিম ন।
:চাদৰ ওপৰলৈ আহ, কথা কেইটামান কম।শুনি লৈ যি ভাল দেখ কৰিবি।
কৈয়ে মা ওলাই গ'ল।চিৰিয়েদি ওপৰলৈ উঠি গৈছে।মই বহুতপৰ একে ঠাইতে ৰৈ থাকিলোঁ।যাওঁ নাযাওঁ কৈ আগবাঢ়িলোঁ।

চাদৰ ওপৰৰ ঝুলনা খনত মা বহি আছে।মনটো মৰা।মানুহজনী আগৰ দৰে হৈ থকা নাই।হঠাৎ যেন বুঢ়ী হৈ গৈছে।উজ্জ্বল ৰঙা ৰঙৰ চুৰিডাৰযোৰ যেন ব্যৰ্থ হৈছে তেওঁক উজ্বলাই তুলিবলৈ।
:বহ ইয়াতে।
:আছোঁ ইয়াতে, কোৱা কি ক'বা?
:আকৌ কেতিয়াও নাহ ইয়ালৈ?
:ভবা নাই।ককা আহোঁ বুলি ক'লে থৈ যাম কেতিয়াবা।
:মাজু,কথাবোৰ নতুনকৈ..
:মা প্লিজ, মোক খং উঠাই নল'বা।
:ঠিক আছে।
বহুত সময় দুয়ো মনে মনে ৰ'লো।
:তোক আমি মাজু বুলি কিয় মাতো ভাবি চাইছ?তোৰ পিছত থকা সৰুটো ক'লৈ গ'ল সুধি পাইছ?
মূৰৰ ওপৰত গোটেই আকাশখন খহি পৰাৰ দৰে লাগিল।এই প্ৰশ্ন মই কিয় কেতিয়াও সোধা নাছিলোঁ মাক।কিন্তু মইতো মায়ে দিয়া এটা নাম বুলিয়েই লৈ আহিছোঁ।বাক জান, বেবী এইবোৰ নামেৰে যেনেকৈ মাতে মোকো ঠিক তেনেকৈ মাজু বুলিয়েই মাতে বুলি ভাবি আহিছোঁ।আৰু মোতকৈ সৰু কাকোৱেই তো মই দেখা নাই কেতিয়াও।আৰু বায়ে এদিন সৰুতেই কৈছিল যে মায়ে ভাবি আছিল সৰু ভাইটি এটা আহিব সেইকাৰণে মোৰ নাম মাজু ৰাখিছিল।বছ,সেইয়াই বিশ্বাস কৰিও লৈছিলোঁ মই।
:মই যিমান চেষ্টা কৰিলেও কাকো ভাল পাব নোৱাৰোঁ মাজু।ইমান মহান মই আগতেও নাছিলো,এতিয়াও নহয়, আগলৈও হ'ব নিবিচাৰোঁ।এইখন ঘৰে মোক কেতিয়াও নুবুজিলে।কোনোদিন মাফ কৰিব নোৱাৰোঁ।
:ককা আইতাই তোমাক বহুত মৰম কৰিছে সদায়, তুমি নিজেই অসুখী মানুহ।আনক দোষ নিদিবা।
:মোক মৰম নালাগে।উনৈশ বছৰত জোৰ কৰি পুতেকে মোক বিয়া পাতিব খোজোঁতে কিয় বাধা নিদিলে?কিমান সপোন আছিলে মোৰ।একোৱেই কৰিবলৈ নাপালোঁ।তোৰ দেউতাৰে মোক পছন্দ কৰিলে,হৈ গ'ল বিয়া।কোনোদিনেই সেইটো মানুহক ভাল পাব নোৱাৰোঁ মই।এতিয়াও পৰা নাই।
:মোক কিয় কৈছা এইবোৰ কথা?
:তই মোৰ নিচিনা একেই।দুখ পাবি জীৱনত।ইমান জেদ ভাল নহয় মাজু।এতিয়া বুজিছোঁ মই।জেদ কৰি নিজৰেই জীৱনত অশান্তি কৰিলোঁ।দেউতা মদতে ডুবি থাকে আজিকালি।বৰ অকলশৰীয়া লাগে কেতিয়াবা।
:কৰ্মফল ভুগিছো বুলি ধৰি লোৱা।
:তোক মিছাতে কষ্ট দিলোঁ বহুত।ধৰি নেথাকিবি।
:বুজি যে পালা।

:বহুত মাৰিছিলোঁ তোক, কাৰণ খং উঠিছিল মোৰ তোৰ ওপৰত।তই মোৰ সৈতে একেবাৰেই একেই।একেই জেদ, একেই স্বাভিমান, একেই খং, একেই স্পষ্টবাদিতা।ডাঙৰ জনীক দেখি বুজিছিলোঁ, তাই টেঙৰ, পৰিস্থিতি বুজি কথাবোৰ সলাব জানে।তই বুৰ্বক, অভং।নিজৰ কথাতে লাগি থকা স্বভাৱটো এৰ।
ইমান বেপেৰুৱা নহ'বি মাজু।তোৰ এটা ল'ৰা আছে।কথাবোৰ এৰি নতুনকৈ লাইফটোত আগবাঢ়ি যা।
:আৰু কিবা ক'বা?কাম আছে মোৰ!
একো কোৱা নাই তেওঁ, আন্ধাৰলৈ চাই কি ভাবি আছে নাজানো।
আঁতৰি আহিবলৈ খোজোঁতেই
:মাজু, তই আমাৰ নিজৰ নহয়।
জানিছিলোঁ, ভাবিছিলোঁ বহুবাৰ।নিজৰ সন্তানক এনেকুৱা কৰিব নোৱাৰে মানুহে।মই মাৰ সন্তান নহয় বুলি ভাবিছিলোঁ বহুবাৰ।কিন্তু ককাৰ মৰম দেখি নিজকে সন্দেহ কৰিছিলোঁ।কি সঁচা কি মিছা বুজাৰ সামৰ্থ্য মোৰ নাছিল।
:নিজৰ নহয় মানে?আকাশৰ পৰা পৰিছিলোঁ মই?হাঁ?ইমানদিনে কোৱা নাছিলা কিয়?নতুন কিবা প্লেন তোমাৰ ৰাইট।কিয় মেনিপুলেট কৰিছা মোক এনেকৈ?কি লাগে তোমাক?
চিঞৰ শুনি মা উচুপি উঠিল।অতবছৰত আজি প্ৰথম মানুহজনীক মই কন্দা দেখিছোঁ।কঠোৰ মুখ খনত খং হে দেখিছো সদায়, দুখ এইয়াই প্ৰথম।

:মই ক'লেও তোৰ বিশ্বাস নহয় মই জানো।ককাক সুধি ল'বি এবাৰ।কিন্তু মাজু, মই চেষ্টা কৰিও তোক নিজৰ বুলি ভাবিব নোৱাৰিলোঁ কেতিয়াও, এতিয়াও পৰা নাই।বেয়া নাপাবি।মই এনেকুৱাই।

ককাৰ ওচৰলৈ দৌৰি যাওঁতে কেইবাবাৰো পৰি যাম যেন লাগিছিল।গোসাঁইঘৰৰ পৰা হাতত ধূপ এডাল লৈ অহা মানুহজনে জানো মোক মিছা কথা ক'ব পাৰিব?
:ককা...মায়ে কৈছে.. মই নিজৰ নহয়।সঁচা?
:মাধৱ, এইয়া কি কৰিলা??

ককাৰ ৰুমৰ খিৰিকীৰে আজি চেঁচা বতাহজাক বেছি জোৰেৰে বৈ আহিছে।লগত মোৰ বাবে নতুন বিষ।নতুন কাহিনী।

:তই দস্তুৰমত আমাৰ ছোৱালী।আমাৰ নিজৰ।।তোৰ মাৰে তোক মানি নলয় সেইটো বেলেগ কথা।
:কিন্তু কিয় মানি নলয় ককা, সেইটো কোৱা মোক?মই সৰু হৈ থকা নাই এতিয়া।বুজি পাওঁ বহুত কথা।প্লিজ কোৱা মোক।

মোৰ জীৱনটো মিছাৰেই আৰম্ভ, আশা কৰিছোঁ মিছাতেই যাতে শেষ নহওক।
মা হেনো এদিন এইখন ঘৰ এৰি গুচি গৈছিল।জীৱনত কোনোদিন ইয়ালৈ ঘূৰি নাহোঁ বুলি।লগত তিনি বছৰীয়া বা।ককা আইতাই হাজাৰ চেষ্টা কৰিও ঘূৰাই আনিব পৰা নাছিল মাক।দেউতাই হাত তুলিছিল মাৰ গাত।কোনোদিন মাকৰ ঘৰত কাৰো গালি এটাও শুনি নোপোৱা মায়ে সেইয়া সহিব নোৱাৰি গুচি গৈছিল। মামাৰ ঘৰখন সমানেই চহকী।এনে নাছিল যে মাৰ থাকিবলৈ জেগা নহ'ব।
:তোৰ বাপেৰে মোৰ গাত জ্বলা চিগাৰেট লগাই দিছিল।কন্দা নাছিলোঁ মই।দুই চৰ মাৰি ঘৰ এৰি গুচি গৈছিলোঁ।

কিন্তু মাৰ সেই সিদ্ধান্ত স্থায়ী নহ'ল।গুচি যোৱাৰ পিছতেই মায়ে গম পালে যে মাৰ পেটত দ্বিতীয় সন্তানে উশাহ লৈছে।সকলোৱে মাক বুজাই বঢ়াই সিদ্ধান্ত সলনি কৰিবলৈ জোৰ কৰিলে।সমাজৰ ভয়ত, মানুহে কি ক'ব, আগলৈ কি হ'ব ,কথা একেবোৰেই।
খবৰ পাই দেউতা ও মাৰ ওচৰত নতশিৰে থিয় হৈ ক্ষমা খুজিলেগৈ।ককা আইতাৰ বুজনি, দেউতাৰ কাকূতি মিনতি আৰু নিজৰ মাক দেউতাকৰ বুজনিত মা আকৌ এইখন ঘৰলৈ ঘূৰি আহিল।
দেউতাই ল'ৰা বিচাৰি পূজা আৰম্ভ কৰিলে।সম্পত্তিৰ উত্তৰাধিকাৰী লাগে তেওঁক।
কিন্তু...
সময়ত মাৰ দ্বিতীয় সন্তান জন্ম হ'ল,গৰ্ভতে প্ৰাণ হেৰুৱা এটা পুত্ৰ সন্তান।দেউতাক জনাইছিল ডক্টৰে।
সপোন ভাঙিলেও দেউতাৰ ব্যৱসায়ী মন ভঙা নাছিল।
মা, ককা, আইতা কোনেও নজনাকৈ দেউতাই ডক্টৰৰ সতে লগলাগি লিখিছিল মোৰ জীৱন কাহিনী।কেঁচুৱাৰ উশাহ লোৱাত কষ্ট হৈছে বুলি দুদিন কাকো নেদেখুৱালে মৃত ভাইটিক।
আৰু কোনেও নজনাকৈ কোনোবা কন্যা সন্তান বুলিয়েই হস্পিতালত এৰি থৈ যোৱা মোক লৈ আনি দেউতাই মাক দেখুৱাইছিল।
"ছোৱালী হৈছে"
সেই মিছাৰেই মোৰ এইখন ঘৰলৈ আগমন।মায়ে মৰম কৰিছিল মোক।ককা আইতাইও সাৰটি লৈছিল নিজৰ বুলি।
কিন্তু মাকে জানো চিনি নাপাব নিজৰ তেজক,দেউতাৰ মিছা বেছিদিন লুকাই নাথাকিল।সকলো গম পোৱাৰ পাছত মায়ে মোক তুলি ল'বও নোৱাৰিলে,পেলাই দিবও নোৱাৰিলে।দেউতাই নিজৰ হৈ যুক্তি দিলে, মাক হেৰুওৱাৰ ভয়তে হেনো তেওঁ তেনেকুৱা কৰিলে।কাৰণ কেৱল আহিবলগীয়া সন্তানৰ শপত দি ঘূৰাই অনা মানুহজনী যে আকৌ গুচি যাব পাৰে, সেইয়া তেওঁ ও জানিছিল।ককা আইতাই ভাগ্যৰ লিখন বুলি মানি মোকেই নিজৰ কৰি লৈছিল।
কিন্তু মায়ে নোৱাৰিলে।
এতিয়াও পৰা নাই।
মাৰ দ্বিতীয় সন্তানতকৈ দুদিন আগত মই এই পৃথিৱীলৈ আহিছিলো।মায়ে কেতিয়াও পাহৰিব খোজা নাছিল মাৰ লগত হোৱা সেই অন্যায়, সেই প্ৰতাৰণা।মোক দেখিলেই যাতে তেওঁ দেউতাৰ পৰতি থকা ক্ষোভ জগাই

তুলিব পাৰে, সেইবাবে মোৰ নাম ৰাখিলে
“মাজু'”
:মৰিলেও তো সি মোৰ ল'ৰা আছিল, ঘৰখনৰ সৰু।

কি শুনি আছোঁ মই।এই মাজৰাতি মোৰ ৰূমত নিজৰ কাহিনী কৈ থকা মানুহজনী মই আজিও বুজিব নোৱাৰিলোঁ।ককাই অথনি একো নক'লে মোক।খঙত গুচি আহি ৰূমতেই বন্ধ কৰি ৰাখিছিলোঁ নিজকে।তৰাই ভাত খাবলৈ মাতি মাতি নিব নোৱাৰিলে মোক।মা নিজেই আহিল।ওলাই নগ'লো।ককা আহি দুৱাৰমুখত ৰৈ ৰৈ ভাগৰি যোৱা দেখিহে ওলাই গৈছিলোঁ।দেউতাক দেখিও নেদেখাৰ দৰে তললৈ মূৰ কৰি ককাৰ ওচৰত বহি কিবা এটা গিলিলো।আকৌ আহি বহি আছিলোঁহি ৰূমত অকলে।মাজনিশা দুৱাৰখন টুকৰিয়াই মা বুলি ভাবি অহা মানুহজনীয়ে কেইবাবাৰো মাতিলত দুৱাৰ খুলি দিছিলোঁ।আৰু তাৰ পাছত...
বিচনাত এফালৰ পৰা নিজৰ অতীত মেলি বহি আছে এজনী অসহায় যেন লগা কঠোৰ মুখৰ মানুহ।ইমান দুখ, ইমান অপমান, ইমান প্ৰতাৰণা মনত পেলাইয়ো এটোপাল চকুপানী টোকা নাই কিয় এই মানুহজনীয়ে।
কিয় এবাৰো উচুপি উঠা নাই হেৰাই যোৱা সন্তানটোৰ কথা ভাবি?
কিয় কন্দা নাই আনৰ সন্তানক নিজৰ কৰিব নোৱাৰাৰ দুখত?
কিয় কন্দা নাই কেৱল মানুহৰ হেঁচাত অপ্ৰেমৰ সৈতে সহবাস কৰাৰ দুখত?
:মই সৰুকে বেয়া পাওঁ মাজু।তোৰ নিচিনাকৈ।মোৰ মা দেউতাই যদি মোক পঠিয়াই নিদি লগতে থাক বুলি ক'লেহেঁতেন।আজি জীৱনটো বেলেগ হ'লহেঁতেন।তাৰ পাছৰপৰাই বাদ দিলোঁ ঘৰলৈ যোৱা।কাৰোৰে সৈতে সম্পৰ্ক নাই মোৰ।কোনো নাই মোৰ।

কি উত্তৰ দিম মই।সৰ মানুহ বেচেৰী হ'ব নোৱাৰে, হ'ব নোখোজে।সেইবোৰ মানুহক মানুহে সহজে ভাল নাপায়।মায়ে নোৱাৰিলে কান্দিব, দুখ কৰিব।কঠোৰ হৈয়ে পাৰ কৰিলে জীৱনৰ দুঃসময়।এতিয়াও কন্দা নাই মানুহজনীয়ে।
:চিগাৰেট আছে নেকি?
থতমত খালোঁ।মায়ে smoke কৰে মাজে মাজে,সেইয়া মই জানো।কিন্তু মোক এনেকৈ খুজিছে যে!
:তই এইবোৰ এৰিবি, নিজৰে ধ্বংস হয়।কিন্তু মোক এটা লাগে।দেচোন আছে যদি।
উলিয়াই দিলোঁ।পাফ কেইটামান টানি খিড়িকীৰে পেলাই দিলে।
এইবাৰ মই ৰহি থকা চকী খনৰ ওচৰলৈ আহি তেওঁ মোৰ চুলিখিনি মোহাৰি দিলে
:মই বেলেগ মাজু।স্বাৰ্থপৰ বুলিও ভাবিব পাৰ।হয়তো হয়।
তোৰ আইতাৰ দৰে আদৰ্শ বোৱাৰী আদৰ্শ মাক মই নহয়।ভাল মানুহ আছিল তেখেত।কিন্তু পুত্ৰস্নেহত অন্ধ আছিল।ককাৰো একেই।কিন্তু মানুহজনে তোক মনে প্ৰাণে ভাল পায়।লৈ যা।সুখেৰে থাক গৈ।ইয়ালৈ নালাগে আহিব।একো বাকী নাই ইয়াত।

মোৰ বুকুত ধুমুহা নমাই ইমান প্ৰশান্ত হৈ আছে কেনেকৈ।
কি ভাবিম,কি কৰিম কি লৈ জীয়াই থাকিম।
একোৱেই চোন উত্তৰ নাই মোৰ ওচৰত।
:মই এতিয়া কি কৰিম?
যাব খোজা মানুহজনী ৰৈ গ'ল
:একো কৰিব নালাগে।মাত্ৰ এটা ভাবি সুখী হ, যে তোৰ লগত অন্যায় কৰা মানুহজনী তোৰ নাছিলেই কোনোদিন।পাতল লাগিব।মোক বেয়া পাবলৈ সহজ হ'ব।
:হমম।ঠিকেই কৈছা।তোমাৰ লগত যি হ'ল সেইয়া শুনি মোৰ দুখ লাগিছে।কিন্তু সেইবুলিয়েই মই তোমাৰ সকলো ভুল পাহৰি ভাল পাব নোৱাৰোঁ তোমাক।মা বুলি মাতিবও নোৱাৰিম।
:মা বুলি ভাবিব নালাগে, বন্ধু বুলিয়েই ভাবিবি।তোৰ সুখ দুখত থাকিম ।থুপুক আনি দিম মই।সি তোৰ।বহুত ভুল কৰিলোঁ, খঙত, জেদত ,দুখত।
:Thank you.
:মাজু,মোৰ দৰে জীৱনটো ধ্বংস নকৰিবি।বৰ কষ্ট হ'ব পিছত।নিজৰ ভাল লগাবোৰ লৈ আগবাঢ়ি যা।
:হমম।
:শুই থাক।মই ইয়াতে আছোঁ।কাইলৈ যাব লাগিব নহয়।
:ইয়াত শুবা তুমি?
:চকীতে বহিছোঁ, তই শুবলৈ চেষ্টা কৰ।
ঘড়ীটোলৈ চালোঁ ,আঢ়ৈ বাজিছে।মাৰ কথামতে গাৰুত মূৰ থৈ চকুদুটা জপাই দিলোঁ।মোৰ আজি দুখ লগা নাই কিয়?
মায়ে কোৱাৰ দৰে যেন অলপ সুখী হে হৈছোঁ এইয়া জানি যে যিবোৰ মানুহৰ মৰম বিচাৰি হাহাকাৰ কৰিছিলোঁ সেই মানুহবোৰ মোৰ নিজৰ নাছিল ।এইয়া কেনেকুৱা অনুভৱ মই নাজানো।মাৰ প্ৰতি মোৰ আক্ষেপ বোৰ হঠাতে নাইকিয়া হৈ নাযায়, কিন্তু আজি তেওঁলৈ মোৰ খং উঠা নাই।আঁৰ চকুৰে চালোঁ, ডিম লাইটতো জ্বলাই খিড়িকীৰ পৰ্দাবোৰ টানি দিছে।চকীখনত বহি এবাৰ মোৰ ফালে চাই এবাৰ ওপৰলৈ চাই চকুকেইটা হেঁচা মাৰি ধৰে।কান্দিবও নাজানে চাগে মোৰ দৰেই।
কিয় মই পৰা নাই তেওঁক সান্তনা দিব?
কিয় পৰা নাই সাৱটি ধৰিব?
এনে দূৰত্ব সদায় কিয় থাকে আমাৰ মাজত?

সময়বোৰ ঘড়ীৰ টিক টিক শব্দৰ সৈতে পল অনুপল কৈ হেৰাই গৈছে।মা তেনেকৈয়ে বহি আছে এতিয়াও।আঁতৰি যোৱা নাই।
:তোমাক এতিয়া কি বুলি মাতিব লাগিব মই?
মানুহজনী উঠি আহিল, মোৰ কাষতে বহিল।
:তোৰ যি মন যায়।
:মা বুলিয়েই মাতিম নেকি?এতিয়া আৰু বেলেগ কিবা..

:মাজু অ’
এইবাৰ মোক জোৰেৰে সাৱটি পাগলৰ দৰে কান্দিছে কঠোৰ মানুহজনীয়ে।কঁপি কঁপি বিৰিবিৰাইছে মোৰ গোপনে সাঁচি ৰখা কথাবোৰ।
আৰু এতিয়াও মই দুহাত মেলি ধৰিব পৰা নাই তেওঁক...
উফ কি এই বিষৰ নাম?

পাঁচ বজালৈকে উচুপি উচুপি কান্দি থকা মানুহজনী মোৰ কাষৰ খালি ঠাইখিনিত ক্ষন্তেক আগতে টোপনি গৈছে। লাহেকৈ উঠি গৈ বাথৰূমত চকু হাল ধুই আহিলোঁ।silent কৰি ৰখামোবাইলটো চাওঁতে দেখোঁ এটা আকাংক্ষিত মেছেজ।
অনিৰুদ্ধৰ।
“Please come back soon, I can’t take this pain anymore”
আৰু মই কাক কওঁ, মোৰো যে সহিব নোৱাৰাকৈ বিষ জমা হৈছে।

ৰাতিপোৱাটো আজি সেমেকা।
ককাৰ বাঁহীৰ মাতত সাৰ পাইছোঁ মই, কিয় বজাইছে ইমান কৰুণ সুৰ?
জানকী কানন এৰি যাবলৈ কষ্ট হৈছে ককাৰ।মই বুজিছোঁ।জীৱনৰ শেষৰ সময়ছোৱাত বিচ্ছেদ হৈছে নিজৰ ঘৰ খনৰ পৰা, পত্নীৰ পৰশ থকা প্ৰতিটো বস্তুৰ পৰা।
ঘড়ীটো চালো,সাত বাজি গৈছে।দহটাত ওলাই যাবই লাগিব।বস্তু বেছি নাই সমাৰিবলৈ।দুদিনৰ কাৰণে সৰু বেগ এটাতে সব ভৰাই আনিছিলোঁ।ককাৰ হে বস্তু বেছি।
পিন্ধি যাবলগীয়া টপ আৰু জিনছটো হাতত লৈ বাথৰুমত সোমালো।

ইমান বেয়াপোৱা ঘৰখনলৈ মোৰ আজি নতুন মোহ এটা কিয় জাগিছে মই বুজা নাই।অপৰিসীম ঘৃণা কঢ়িয়াই ফুৰা বুকুত অলপ যেন আদৰে উকমুকাইছে।মা বুলি ভাবি অহা মানুহজনীক বেয়া পাব খুজিও কালিৰপৰা মই একেবাৰেই বেয়া পাব পৰা নাই।আৰু এদিন যেন থাকি যাম তেওঁৰ কাষত,আৰু ক’ম ,তোমাৰ সকলো দুখ উজাৰি দিয়া, কৈ পেলোৱা বুকু গধুৰ কৰি থকা কথাবোৰ।

:মাজু, চাহ কাপ তলতে খাবিহি।
:আহি আছো।
তললৈ নামি আহি সেই মানুহজনীৰ সৈতে মই আকৌ মুখামুখি হ’লো।কান্দোনৰ চিন স্পষ্ট যদিও কঠোৰ মুখখন আকৌ দেখিছোঁ।তেওঁ দুখ নেদেখুৱাই।বিশেষকৈ দেউতাৰ সন্মুখত।সাত বজাতেই ঘৰখন হুলস্থূল

আজি।টেবুলত দেউতাক দেখি মই উভতি খোজ ল’লো।

:মাজু।এইখন লৈ যা।

:কি?

এখন চেক।একৰ পিছত কেইবাটাও শূণ্য।হিচাপ কৰাৰ ইচ্ছা নহ’ল।

:দৰকাৰ হ’ব।

:নহয়।

:দৰমহা কিমান পাৱ মই জানো, এতিয়া ককাক লৈ কেনেকৈ চলিবি?আৰু দেউতাৰ কাৰণে গাড়ী এখনো লাগিব।এইটো বয়সত বাছত ঘূৰাই নুফুৰিবি।

:হিচাপ লাগে?শুনক,বৰ্তমান দৰমহা মাত্ৰ চল্লিছ হেজাৰ পাওঁ।তাৰে প্ৰায় পোন্ধৰ হাজাৰ ঘৰ ভাড়া আৰু ইটো সিটো বিল দিওঁতে পাঁচ হেজাৰ মান যাব।বাকীখিনিৰে চলিব লাগিব।সাঁচিব নোৱাৰো এতিয়া।কিন্তু মনত ৰাখিব ককাই মোৰ লগত কেতিয়াও কষ্ট নাপায়।

:তই চলিব পৰিবি বুলি জানো ,কিন্তু হ’লেও...

::হ’লেও কি??

তাৰ পিছত দেউতাৰ ক’বলগীয়া একো নাথাকিল।লাহেকৈ উঠি গ’ল।ককাই গোটেই ঘৰতে ধূপ ধুনা ঘূৰাইছে।তৰা আৰু নতুন সহায়কাৰী মানুহজনীয়ে ঘৰ চফা কৰিছে।আগতে কেতিয়াও পাকঘৰত একো কাম নকৰা মায়ে কিবা ৰান্ধি আছে।সোমাই যাওঁ বুলিও ৰৈ গৈছোঁ।আইতা গুচি যোৱাৰ পিছত ৰান্ধিনিয়ে ৰন্ধাই খাইছোঁ,পাকঘৰটো ও আগৰ দৰে হৈ থকা নাই।সলনি হ’ল।

:ফ্ৰেছ হ’লি?

:উম।

:ৰাতিপুৱা কি খাবলৈ দিয়ে তাত?

:চাউথ ইণ্ডিয়ান ব্ৰেকফাষ্ট থাকে প্ৰায়ে, লগত চাহ।

:খালী পেটত গৰম পানী এগিলাচ খাবি, লগত পাৰিলে মৌ অকণ দি ল’বি।

:উম।

:বাহাদুৰৰ ঘৰৰ গাখীৰ খিনি ভাল, চাহ একাপ খাবি নেকি এতিয়া?ময়ো খোৱা নাই।

:মই বনাও নেকি?দুইজনীলৈকে বনাম।

কেক ফেটি থকা মানুহজনীৰ হাত খন ৰৈ গ’ল, ঘূৰি চালে।শোক এটা হয়তো উজাই আহিছে, মুখত কিন্তু কোনো অভিব্যক্তি নাই।

:তুমি অকণ বাহিৰলৈ যোৱা।

নতুন কুকজন মোৰ কাষেৰেই পাৰ হৈ গ’ল।

মোক বস্তুবোৰ দেখুৱাই দিলে তেওঁ।বাহাদুৰৰ ঘৰৰ গাখীৰবোৰ ডাঠ।অকণমান পানী মিহলাই দুকাপৰ জোখাৰে চছপেনটোত ঢালি দিলোঁ।

:তুমি জিমলৈ নোযোৱা আজিকালি?

:নাই,অলপ ঘৰতে খোজকাঢ়ি থাকোঁ, ওলাই যাবলৈ মন নাযায়।

:পাৰিলে Yoga কৰিবা।

:হমম।
:লোৱা।
চাহ কাপ লৈ তেওঁ চুমুক দি চালে।
:ক'ত শিকিলি, ভাল হৈছে।
:কলিকতাত।
:মাজু, ককাক লৈ তোৰ কষ্ট হ'ব।ৰন্ধা বঢ়া, অফিচৰ কাম সব কেনেকৈ কৰিবি?
:পাৰিম।আজি অতবছৰে কষ্টই কৰি আহিছো।এতিয়া অন্ততঃ মনৰ কষ্ট কমিব।
আঁতৰি আহিলোঁ, বেছি কথা পাতিলেই মই দুৰ্বল হৈ যাম।

মায়ে ৰন্ধা বস্তুৰে ভৰা টেবুলখনত একেলগে খাবলৈ দেউতাও বহিছে।মন কৰিছোঁ আগৰ সেই দম্ভ অহংকাৰ লাহে লাহে যেন ম্লান পৰিছে।ককাক মই সঁচাকৈয়ে লৈ যাম বুলি হয়তো দেউতাই ভবাই নাছিল।এতিয়া সেইয়া সঁচা হোৱা দেখি অলপ হলেও তেওঁ লাজ পাইছে।পোৱা উচিত।

কণ বিলাহী দিয়া মছুৰ দাইল, গাখীৰৰ সৰ দি ৰন্ধা ছাগলীৰ মাংস, জহা চাউলৰ পোলাও,ঘৰত বনোৱা পনীৰ আৰু নাৰিকলৰ গাখীৰ দি ৰন্ধা মাৰ স্পেচিয়েল ৰেছিপি, তৰাই বনোৱা চাটনি, পিটিকাৰে ৰাতিপুৱা চাৰে ন বজাতে খাবলৈ বহিছোঁ।ভোক লগা নাই।কিন্তু মায়ে যেন শেষবাৰৰ বাবে মোক খুৱাব খুজিছে।মানুহজনীক বহুবাৰ উপেক্ষা কৰিছোঁ, উফৰাই দিছোঁ তেওঁৰ অনুৰোধ, আদেশ, আব্দাৰ সকলোবোৰ।আজি কিন্তু পৰা নাই।সন্মুখত বহি ইটো সিটো যাচি থকা মানুহজনী ভীষণ কষ্টত আছে।মই বুজোঁ।আজি আৰু মই তেওঁক নতুনকৈ বিষ এটা দি থৈ নাযাওঁ।
:মাজু, গাড়ী এখন ময়ে..
:মনে মনে থাকা অধীৰ, বাপেকটো হৈ তাইক আজিও বুজি নাপালা।কি মানুহ হে তুমি।নিজৰ ভৰিত থিয় হৈ আজি তোমাৰ দেউতাকো চম্ভালিব পৰা ছোৱালীজনীৰ এই পইচা কেইটাৰ লোভ নাই বুলি কিয় বুজি পোৱা নাই তুমি?চোৱা এবাৰ তাইক।আমাতকৈ কিমান বেলেগ, কিমান স্থিৰ।বস্তুবাদী নহয় তাই।তোমাৰ মোৰ দৰে কাৰো সৈতে প্ৰতিযোগিতাত নমা নাই।নিজৰ মতেই জীয়াই আছে।থাকিবলৈ দিয়া।তাইক যি লাগে তাই নিজেই ল'ব,আৰু নোৱাৰাখিনি তাই নিবিচাৰেও।সৱ মানুহে ঢুকি নোপোৱা বস্তু আজুৰি নিচিঙে।

শেষৰ শাৰীটো যেন এপাত কাঁড় হে আছিল।দেউতাক ধৰাশায়ী কৰি পেলোৱা সেইপাত শৰ মায়ে যেন বহুদিনৰ পৰাই সাজু ৰাখিছিল।ককালৈ চালোঁ।তললৈ মূৰ কৰি ভাত খাইছে।নিৰ্লিপ্ততা বিৰাজমান।এইজন ককা দেউতাৰ ওচৰত কঠোৰ।কিন্তু সেইয়া কৰোঁতে ককাই বহুত দেৰি কৰিলে যেন লাগে কেতিয়াবা।দেউতা উঠি যাব খুজিলে
:মোৰ মনত কাৰো প্ৰতি একো নাই এতিয়া, মোক মাত্ৰ নিজৰ মতে থাকিব দিলেই ভাল পাম।

তেওঁ আঁতৰি গৈছে।অলপ পাছত গাড়ী ষ্টাৰ্ট দিয়াৰ শব্দ।
:গোসাঁনী, মোৰ কাগজপত্ৰ বোৰ ক'ত ল'ব লাগিব।

:কিহৰ কাগজ?
:কালি উইল খন কৰিলোঁ নহয়, তই ভাত খাবলৈ যাওঁতে।সেইবোৰ কাগজ লৈ যাব লাগিব।
:কি আছে তাত?
:তোক এতিয়া নকওঁ, পিছত গম পাবি।

দহ বজাত যোগেশ দায়ে গাড়ী ৰেডি কৰিলে, ককা কেতিয়াও মা বা দেউতাৰ গাড়ীত নুঠে।বহুতদিনৰ মূৰত ককাৰ কনটেছাৰ আহি চোতালত ৰ'লহি।সেইখন আজিকালি ঘৰত নাথাকে, দেউতাই কাৰোবাক বিক্ৰী কৰিব খোজাৰ বাবে সেইখন ককাই যোগেশ দাৰ ঘৰতহে থয়।ককাৰ দুয়োটা ট্ৰলী যোগেশ দাদায়ে ডিকিত ভৰালে। শেষৰবাৰৰ বাবে ৰূমটোত কিবা থাকি গৈছে নেকি চাই থাকোঁতে মা আহিল
:এইটো লৈ যা ।
:কি?এলবাম?
:তাত গৈ চাবি।এতিয়া ভৰাই ল।
মায়ে দিয়া পুৰণি এলবামটো বেগত ভৰাই ল'লো।
:কিবা এটা দিলে ল'বি নে?
:দিয়া।
মায়ে হয়তো সপোনতো ভবা নাছিল তেনে এটি উত্তৰ।এক মিনিট সময়ো ৰৈ নাথাকি নিজৰ ৰূমলৈ দৌৰি গ'ল।ঘূৰি আহোঁতে হাতত এটা পেকেট।
:এইটো তোৰ।
:কি আছে?খুলি চাওঁ নে?
:উমম।
এযোৰ ধুনীয়া মেখেলা চাদৰ।ৰঙা ৰঙৰ কাপুৰযোৰত গুনাৰ ফুল বাছি থোৱা আছে।
:এইবোৰ কিয় দিছা?ক'ত পিন্ধিম মই?
:তই যেতিয়া মনেৰে মিলা মানুহ বিচাৰি পাবি, এইযোৰ পিন্ধি ফটো এখন তুলি মোলৈ পঠাবি।ছোৱালীৰ বিয়া পতাৰ হেঁপাহ মোৰ নাই, কিন্তু এজনীকো কইনা সাজত নেদেখিম বুলি ভাবিলে কেতিয়াবা দুখ এটাই.....
:তুমিও সেইবোৰ ভাবা নে?
:বাদ দে সেইবোৰ।লৈ যা।মই নিজেই বোৱাইছোঁ শালত দি।ডিজাইনটো মোৰ।লৈ যাচোন, প্লিজ।
বেগত ভৰোৱা দেখি তেওঁৰ চকুৰপানী বৈ আহিল।মই বুজি পাওঁ।তেওঁ মোক থবলৈ নাযায়।ককাৰ সৈতে যাওঁ বুলি ক'বলৈ তেওঁক তেওঁৰ ইগ' য়ে বাধা দিছে।ইমান সোনকালে মানুহ সলনি হ'ব নোৱাৰে।তাতে ককাই মানা কৰি দিলে তেওঁৰ আত্মসন্মানত আঘাত লাগিব।মই বুজোঁ, জেদী মানুহবো আচলতে বহুত দুখ থাকে।
দুৱাৰমুখত ৰৈ আছে তেওঁ।ককা গৈ গাড়ীত বহিল।তৰাই জোৰ কৰি খোৱাবস্তু অলপ ককাৰ বেগতে ভৰাই দিছে।মাৰ খোজবোৰ নচলাৰ দৰে।মই গাড়ীৰ ফালে আগবাঢ়ি অহা দেখি তেওঁ কঁপিছে, হ'লেও ইমানবোৰ মানুহৰ আগত তেওঁ কান্দিব নোৱাৰে, মোক সাৱটি ধৰিবও নোৱাৰে মই জানো...
কিন্তু মই নোৱাৰিলোঁ..
উভতি গৈ দুহাতেৰে চপাই ললোঁ ৰৈ ৰৈ কঁপি থকা ধুনীয়া মানুহজনী..

মাবোৰৰ বোলে এটা সুকীয়া সুগন্ধি থাকে, মই নাজানো।আজি যেন বিচাৰি পাইছোঁ..
:মই তোক একোৱেই দিব নোৱাৰিলোঁ...
:তোমাৰ মন গ'লেই আহিবা মোৰ ওচৰলৈ।
:মোক বেয়া পায় নেথাকিবি মাজু...
:যাওঁ..

গাড়ীত উঠি আকৌ এবাৰ ঘূৰি চালো, দুৱাৰমুখত বহি দিছে মানুহজনী, বাহাদুৰে গেইট খুলি দিছে, ওলাই আহিছোঁ জানকী কাননৰ প্ৰকাণ্ড গেইটৰ সিপাৰে।পিছৰ ছিটত ফেঁকুৰি কন্দা ককাই বাৰে বাৰে বিৰবিৰাইছে..
:মই আকৌ আহিম শেৱালি.. থাকিবা ভালকৈ।মাধৱ, শকতি দিয়া।

যোগেশ দায়ে চকু কেইটা টিপিয়াই দিওঁতে টপটপকৈ পানী পৰিছে...মই বাৰু সকলোকে দুখ হে দিলোঁ নেকি?????

কলিকতাত দুঘণ্টা ৰৈ নিশা চাৰে আঠ বজাত হে বেংগালুৰু এয়াৰপোৰ্ট পালোহি।বেগ লৈ ওলাই মেলি আহোঁতে নটা বাজিলে।আয়ু আহিছে।ফোন অন কৰোঁতেই মেছেজ।কিয় আহিছে নাজানো।মই কেব লৈ গুচি যাব পাৰিলোঁহেনে।সি আহি কাম হে বঢ়াই দিলে । দুটাকৈ বেগ,লগতে ককাক লৈ আয়ুৰ location বিচাৰি বিচাৰি অৱশেষত পালোগৈ।সি দৌৰি আহিছে।আৰু তাৰ পিছে পিছে গম্ভীৰ খোজেৰে সেইয়া...
অনিৰুদ্ধ!
বুকুখন সশব্দে কঁপি উঠিল।
আয়ুয়ে ককাৰ ভৰি চুই সেৱা কৰিলে।ককাই তাৰ গালে মূৰে হাত ফুৰাই ঢেৰ কিবাকিবি সুধিছে।
:এওঁ কোন?
অনিৰুদ্ধই সামান্য হাউলি ককাৰ ভৰি কেইটা চুই দিলে।
কোন বুলি কম এতিয়া ককাক?
:মোৰ ফ্ৰেণ্ড ককা।
আয়ুয়ে উত্তৰ দিলে।বেগ এটা আয়ুক দিলোঁ।আনটো বেগ অনিৰুদ্ধই মোৰ হাতৰপৰা ল'ব খুজিছিল,এৰি নিদিলোঁ।ককা আৰু আয়ু অলপ আগবাঢ়িল।
:কিয় আহিছে?
:তোমাক চাবলৈ।
:Nonsense.
:I agree.
:
:বেগটো দিয়া নহ'লে তোমাকে ডাঙি লৈ যাম।And you know I can do that.

অনিৰুদ্ধই উত্তৰলৈ বাট নাচালে।বেগটো হাতৰপৰা লৈ গাড়ীখনৰ ফালে আগবাঢ়িল।সন্মুখৰ দৰ্জাখন খুলি ককাক বহিবলৈ দিলে।আয়ু আৰু মই পিছফালে বহিলো।ভাগৰ লাগিছে এতিয়া।আয়ুয়ে তেতিয়াও ককাৰ লগত কিবাকিবি পাতিয়েই আছে।অনিৰুদ্ধ মনে মনে আছে।মাজতে ককাই সুধিলে
:তুমিও অসমৰে নেকি?
:নহয় ককা, কিন্তু অসমীয়া জানো অলপ অলপ।
:কেনেকৈ?
তেওঁ অলপ হাউলি মোৰ ফালে চালে।
:কলেজত মোৰ ৰূমমেট অসমৰ আছিল।তেনেকৈয়ে অলপ শিকিছিলোঁ।এতিয়া আৰু বেছি শিকিছোঁ।
:ঘৰ ক'ত তোমাৰ?
:মধ্য প্ৰদেশ,ইণ্ড'ৰত।
তাৰ পাছত আকৌ ককা আৰু আয়ুৰ শেষ নোহোৱা কথা আৰম্ভ হৈ গ'ল।ককা আগতে আহিছে ইয়ালৈ।এবাৰ দুবাৰ নহয় বহুতবাৰ।Assam Tea Board ৰ ফালৰপৰা, আইতাক লৈ কন্যাকুমাৰীকে আদি কৰি গোটেই দক্ষিণ ভাৰত ভ্ৰমণ কৰোঁতে, আৰু এতিয়া মোৰ লগত।আয়ুৰ লগত আকৌ ফুৰিব ককা।তাকেই প্লেন কৰিছে। মই ফোনটো উলিয়াই মেছেজ এটা লিখি send কৰিব পৰা নাই।ৰৈ গৈছোঁ বাৰে বাৰে। কথাবোৰ আচলতে ইমান সহজো নহয় মোৰ বাবে।মানুহজনীয়ে চাগে এতিয়াও ৰূমৰ দুৱাৰ বন্ধ কৰি কান্দি আছে।নাইবা চাদৰ ওপৰত অকলে বহি উচুপি আছে।মানুহজনীৰ মাজত ইমান শূন্যতা আছে যে তেওঁ বস্তুবাদী হৈও সেইয়া ঢাকিব নোৱাৰে।চেষ্টা কৰিছিল বহুত।নতুন বেগ, নতুন কাপোৰ, নতুন ছেণ্ডেল এইবিলাকৰ মাজত নিজকে বিলাই দিছিল,কিন্তু নোৱাৰিলে, সকলোৱে আচলতে নোৱাৰে।

ফোনটো হাততে বাজিল।
মা!
:হেল্ল'!
:কেতিয়া পালিগৈ?
:নাইপোৱাহি এতিয়াও, গৈ আছোঁ।
মাত টো ভঙা।কিয় সেইয়া মই জানো।
:বহুত দেৰি হ'ল,এতিয়া গৈ আকৌ ভাত ৰান্ধিবলৈ সময় আছেনে?
:ককাক বাহিৰত খুৱাব নোৱাৰোঁ, বনাম কিবা এটা।
:শুনচোন।
:কোৱা।
:ককাই গৰম গাখীৰ অকণ আৰু কল দি ভাত খাই ভাল পায়।তেনেকৈয়ে দিবি আজি।তই কিবা এটা খাই

শুই থাকিবি।
:হ'ব।তুমি ভাত খালা?
:উম।
মই জানো, একো নাইখোৱা তেওঁ।নোৱাৰে খাব।বুকুত সোপা মাৰি ধৰা বেজাৰৰ বুজা লৈ ভাত গিলিব নোৱাৰে মানুহে।খুন্দা মাৰি ধৰে, উকালি আহে, উশাহ বন্ধ হৈ যায়।
মোৰ লগতো হয়।
:মাজু।
:হমম।
:আকৌ ফোন কৰিব পাৰিম নে তোক?
:হ'ব।মই কৰিম।
কাটি দিলোঁ, আৰু কথা পাতিব নোৱাৰোঁ।গাড়ীৰ গ্লাছ খুলি দিছোঁ।মোৰো যেন উশাহ বন্ধ হৈ যাব এতিয়া।অনিৰুদ্ধই মিৰ'ৰ খনত চাই আছে মোক।বুজি পাইছে কিবা এটা হৈছে, কিন্তু সুধিব পৰা নাই। আমাৰ প্ৰতিটো কথা বুজি পোৱা মানুহ কিছুমান থাকে, যি আঁতৰি থাকিও ভিতৰখন দেখি থাকে।

ঘৰ পাওঁতে দহটা বাজি গ'ল।আয়ুয়ে বেগবোৰ নমাইছে।ককাই ঠাইখন দেখি ভালেই পাইছে।বেগবোৰ নমাই হোৱাত অনিৰুদ্ধ তাৰপৰাই উভতি যাব খুজিলে।
:এনেকৈ নাযাবা ৰ'বা।চাহ একাপ খাই যোৱা।
অসমৰ মানুহ,শুদা মুখে কোনেও কাকো কেতিয়াও নপঠিয়াই।অনিৰুদ্ধই মোৰ ফালে চালে।ইফালে ঘৰত গাখীৰ নাই।শাক পাচলিও নাই।ককাই কৈয়ে দিলে যেতিয়া উপায় নাই।বিল্ডিঙৰ সন্মুখৰ গ্ৰচেৰী দোকানখন এতিয়াও খোলা আছে বুলিহে বাচিছো।
:আয়ু, শুনচোন।
তাক মাতি গাখীৰ,বিস্কুটৰ পেকেট আৰু মেগী আনিবলৈ দিলোঁ।লগতে ঘিঁউৰ বটল আৰু এতিয়াৰ কাৰণে হোৱাকৈ এক কেজি চাউল।বাকী সৰ মই অনলাইন অৰ্ডাৰ দিলে ৰাতিপুৱা পাই যাম।দোকানখনৰ আগফালে ফলমূল অলপো দেখিলোঁ।তাক কল দুটামানো আনিবলৈ দিলোঁ।
:পাঁচ শ দিছোঁ, বাকী কেইটা ঘূৰাই দিবি।
:ইমান চিকটি অ' এইজনী।
সেইটো ভোৰভোৰাই দোকানৰ ফালে আগবাঢ়িল।অনিৰুদ্ধই দুফালে দুটা বেগ লৈ ৰৈ আছে।মই মোৰ নিজৰ বেগ আৰু ককাৰ হাতত ধৰি চিৰিৰ ফালে আগবাঢ়িলোঁ।
দৰ্জাখন খুলি লাইটবোৰ জ্বলাই দিওঁতে দুদিন আগৰ নিশাটোৰ স্মৃতিয়ে আমাৰ দুয়োকে জোকাৰি গ'ল।অনিৰুদ্ধই মোলৈকে চাই আছে।
:কৃষ্ণ প্ৰভু।ভালে কুশলে যে পোৱাই দিলাহি।বৰ ধুনীয়া ঘৰ অ' গোসাঁনী।একদম জোখৰ ঘৰ।
বগা বাংলোৰ ড্ৰয়িং ৰুমটো মোৰ এই ঘৰটোতকৈ ডাঙৰ।তথাপিও ককাই যে মোৰ মনটো ভাল লগাবলৈকে তেনেকৈ কৈছে মই বুজি পাইছোঁ।
:তুমি বহা আকৌ।

বেতৰ সৰু চকী খন অনিৰুদ্ধৰ ফালে আগবঢ়াই দিলে নিজেই।
:মই পিছে গা ধুইহে পানী দুনী খাম দেই মাজনী।এইটো নেকি মোৰ ৰুম?
:এটাই বেডৰুম ককা।তোমাৰেই।মই ইয়াতকৈ বেছি একো কৰিব নোৱাৰিলোঁ।
:নাপাই তেনেকৈ ক'ব।এনেকুৱা এটা ঘৰৰ কাৰণেও কিমানে
কান্দি আছে।মই হাঁহেৰেও ৰাজী, মাহেৰেও ৰাজী মানুহ।বুইছ।দে দে, কাপোৰ কেইটা উলিয়াই দে।তৰাই মোৰ কপাহী কুৰ্তা পাইজামা বোৰ এইটোতে ভৰাইছে ,ওপৰতে আছে।
:মই মুখ হাত ধুই লওঁ, তুমি অকণমান বৈ দিয়া।
:হ'ব।মই তেতিয়ালৈকে আমাৰ অনিৰুদ্ধৰ লগতে কথা পাতিছোঁ।
মুখ হাত ধুই কাপোৰ কানি সলাই ওলাই আহিলোঁ।একেবাৰে ভাত খাই শোৱাৰ আগতহে মই গা ধুম।এতিয়া ধুই লাভ নাই।
ককাক কাপোৰ উলিয়াই গা ধোৱাৰ যোগাৰ কৰি দিলোঁ।
ককা বাথৰুমত সোমাল।আয়ু তেতিয়াও আহি পোৱাহি নাই।
মই ককাৰ বেগ দুটা দাঙি নি ৰুমত থলোঁগৈ।অনিৰুদ্ধই কিবা ক'ব খুজিও সুবিধা পোৱা নাই।
:I am sorry for that day..
:Okay.
:I mean it Ananya.
:I really don't care.
তেওঁ চকীৰ পৰা উঠি আহি মোৰ ওচৰত ৰ'লহি।আৰু একেসময়তে কলিং বেলৰ শব্দ।
:ঐ, মই আকৌ ৰুমত গৈ ভাত বনাব নাই, ময়ো ককাৰ লগতে খাম।
:গাখীৰ ভাত খাবি?
:নেখাং দেই।কেঁচুৱাইহে সেইবোৰ খায়।ৰহ অৰ্ডাৰ দিওঁ, আমাৰ দুটালৈ বিৰিয়ানি দিওঁ দেই।পইচাটো তই দিবি।
খং উঠিছে অনিৰুদ্ধৰ।অলপ জ্বলন দেখিছোঁ চকুৰে মুখে।
:নালাগে।মোৰ মন নাই আজি।তই খা।মই গাখীৰ ভাত খাম।
:ধেই এইজনী।যা চাহ বনা।
:She must be tired. I will make it.
:হেঁ!!?
আয়ুৰ মুখ খন মেল খাই গ'ল।অনিৰুদ্ধই গাখীৰৰ পেকেট লৈ পাকঘৰৰ ফালে খোজ ল'লে।পিছে পিছে মই।
:ককাই চেনি নাখায়।
:okay.
:কাপ ক'ত আছে?
কাপকেইটা কাষতে থৈ ওলাই আহিলোঁ।ককাই গা ধুই গোটেই ঘৰতে ধূপ লগাই দিছে।পলকতে সুগন্ধিৰে ভৰি পৰিল মোৰ ঘৰটো।আয়ু আৰু ককাৰ হাঁহিৰে মুখৰিত হ'ল।চাই আছোঁ মাথোঁ।এনেকুৱা দিন এটা

কল্পনাৰো অতীত আছিল মোৰ বাবে।ইমান সুখ একেলগে আহিছে আজি।অকলশৰীয়া ৰাতিবোৰ, বিষাদ বিষাদ দিনবোৰ যেন শেষ হোৱাৰ পথত।

:চাহ হৈ গ'ল।
অনিৰুদ্ধই ককা আৰু আয়ুক চাহ দিলে।
:তুমিহে বনালা নেকি?
:মইহে ক'লো বনাবলৈ।ময়োতো দোকানৰ বস্তু আনিছোঁ, কিবা এটা কাম দিব লাগে ন সৰুকে।
ককাৰ বেগৰ পৰা ঢেৰ খোৱা বস্তু ওলাইছে।তৰাই ভৰাই দিছিল যদিও বনাইছে মায়ে।ৰাতিপুৱা বনোৱা কেকটো, নাৰিকলৰ লাডু, গমৰ লাডু, মালপোৱা,নিমকি আৰু যে কত কি।
প্লেটত উলিয়াই দিওঁতে মানুহজনীৰ মুখ খন মনত পৰি চকুকেইটা সেমেকি উঠিল।
চাহ খোৱাৰ মাজে মাজে অনিৰুদ্ধই মোলৈ চাই বহুত কিবাকিবি ক'বলৈ চেষ্টা কৰিছিল।কিন্তু বুজিহে নাপালোঁ, বা চেষ্টাও নকৰিলোঁ।

:ককা মই আজি ইয়াতে থাকিম।দিগদাৰ হ'ব নেকি আপোনাৰ?
আয়ুয়ে এনেকুৱা কিবা এটা কৈ দিব বুলি ময়ো ভবা নাছিলো।অনিৰুদ্ধৰ খং বাঢ়িছে।মুখ খন কঠোৰ হৈ গৈছে।
:আয়ু আজি নালাগে প্লিজ।ভাগৰ লাগিছে।ককা অকলে শুৱক।তই শনিবাৰে থাকিবি হি।

:Okay I will leave now.
অনিৰুদ্ধ যাবলৈ উঠিল।
:আয়ু তই নাযাৱ নেকি?
:মই ভাত খাই যাম, ককাই অকলে ব'ৰ পাব ন
Bye Anirudh, I will take Rapido. You carry on.
বিষন্ন মন এটাৰে তেওঁ যাবলৈ ওলাল।
:ককা, মই তলৰপৰা আহিছোঁ।
:যা, আগবঢ়াই দে আলহীক, আকৌ আহিবা দেই।ভাত এসাজ খাবাহি।
:হ'ব।আহিছোঁ।
ওলাই আহিলোঁ।
ৰাস্তাটোৰ সিটো পাৰে থকা লে'কটোৰ পাৰলৈ দুয়ো খোজকাঢ়ি আগবাঢ়িলোঁ।
:Thanks for coming.
উত্তৰ নিদিলো।মোৰ ক'বলগীয়া খিনি মাত্ৰ মই ক'বলৈ আহিছোঁ।
:এয়াৰপোৰ্টলৈ কিয় আহিছিল?মই মাতিছিলোঁ নেকি?
:No, but...
:সিদিনা তেনেকৈ গুচি যোৱাৰ অৰ্থ কি আছিল?

:
:Say something or just get lost Anirudh.
:I panicked Ananya. তোমাৰ কাৰণে ইজি হ'ব পাৰে মোৰ কাৰণে নহয়।তুমি সেই ঘাঁ টুকুৰা সদায় দেখিছা মই নাই দেখা।মোৰ এনেকুৰা লাগিছিল যে তুমি চাগে ভাবিছা ময়ো তোমাৰ লগত তেনেকুৰাই কিবা কৰিম।ভয় খাইছিলোঁ মই,guilty ফিল কৰিছিলোঁ।এতিয়াও কৰোঁ।

কাষেৰে খোজকাঢ়ি পাৰ হৈ যোৱা মানুহবোৰে আমাকে চাই আছে।
তেওঁ নিজৰ ক'বলগীয়া বোৰ তেতিয়াও কৈয়ে আছে।
:Ananya, I really love you, but more than that I want you to be happy. With all these pain inside, you cant move on in life. You need to heal. I can wait forever. I just don't want to lose you.Trust me.

মনে মনে থাকিলোঁ।তেওঁৰ মনত সন্দেহ থকা হ'লে আজি হয়তো আকৌ মোৰ ওচৰলৈ ঘূৰি নাহিলহেঁতেন।তেওঁৰ প্ৰতি মোৰ মনত বিশ্বাস আছে,কিন্তু লগতে বহুত খং ও আছে।
:একো নোকোৱা?ঘৰত সব ঠিকে আছে।
:মায়ে ক'লে মই তেওঁৰ নিজৰ নহয়।
:মানে?

কওঁতে কষ্ট হ'ল,থুপাই থোৱা বিষবোৰ উথলি উঠিছে, মই স্থিৰ হৈ থাকিব পৰা নাই।
:I am not her blood, I was an abandoned child which they...
:Oh you poor girl!
চাৰিওফালৰ পৃথিৱীক আওকাণ কৰি মোক সামৰি ল'লে অনিৰুদ্ধই।

:But you are mine, always and forever .

এখন নতুন ৰুটিন লৈ দিনবোৰ পাৰ হৈছে মোৰ।ককাৰ সৈতে আজি পোন্ধৰ দিন পাৰ হ'ল।ৰাতিপুৱা চাৰে পাঁচ বজাত উঠিবই লাগে।ঘৰ সৰা মচা কৰিবলৈ মানুহ এগৰাকী ছয় বজাত আহে।তেওঁ সেইবোৰ কৰে মানে মই ৰাতিপুৱা আৰু দুপৰীয়াৰ খোৱা যোগাৰ কৰোঁ।ককাই উঠি অলপ তলতে খোজ কাঢ়ি আহেগৈ।মই কেতিয়াবা লগত যাব পাৰোঁ, কেতিয়াবা নোৱাৰোঁ।দুপৰীয়াৰ কাৰণে দাইল ভাত ভাজি বনাই হটকেছত ভৰাই থৈ যাওঁ।যোৱা সপ্তাহত ফ্ৰীজ এটা কিনি আনিলোঁ।একেবাৰে সৰু।ককাই ডাঙৰ এটা কিনিব খুজিছিল কিন্তু

ঘৰটো চাই সৰু এটাকে কিনিলোঁ।ফলমূল অলপ সৰহকৈ আনি থওঁ।টি ভি টো কিনোতেও ঢেৰ তৰ্ক বিতৰ্ক।ককাই আয়ুৰ সৈতে গৈ কিনি আনিলে।মোক লগত নিলে বৰ চিকতামি কৰোঁ বুলি ঘৰতে থৈ গ'ল।আনি ফিটিং কৰি আয়ুৰ সৈতে বাহুৰলীও চালে।কাটাপ্পা হেনো দেখিবলৈ দেউতাৰ লগৰ কোনোবা মানুহ এজনৰ নিচিনা।কেতিয়াবা এনেকুৱা লাগে,ককাই যেন বগা বাংলোত কৰিব নোৱাৰা কামবোৰ মন খুলি ইয়াত কৰিব বিচাৰে।সৰু বেলকনিটোৰ এটাকোণ বাছি লৈছে খেতি কৰিবলৈ।ধনীয়া, বিলাহী, পদিনা এইবোৰ।তুলসী এজোপাও ৰুইছে।ইতিমধ্যে দুজন নিজৰ বয়সৰ মানুহৰ লগত চিনাকিও হৈছে।ককাই ধুনীয়াকৈ হিন্দী ইংৰাজী ক'ব পাৰে।মই নিজৰ ফালৰপৰা ফোন এটা কিনি দিলোঁ।এদিনত এটাকৈ app বোৰ ব্যৱহাৰ কৰিবলৈ শিকাইছোঁ।লাহে লাহে পাৰিছেগৈ।ভাগৰি পৰিলেও ভাল পাইছোঁ এই ব্যস্ততা ।মই ঘূৰি অহা দেৰি হ'লে ককাই টিভিৰ সন্মুখতে বহি পাচলি কাটে।মানা কৰিলেও নুশুনে।কৰিবই।এতিয়া লাগি আছে তৰা নাইবা বাহদূৰক লৈ আনিব।ডাঙৰ ঘৰ এটা ল'ব।কাজিয়াও হয় মোৰ লগত।গপ পাতি মুখ খন ফুলাই থাকে।আকৌ ইউটিবত কিবা এটা হাঁহি উঠা ভিডিঅ' উলিয়াই ফুচুলাব লগীয়া হয়।চলি আছে এনেকৈ,ধুনীয়া ধুনীয়া অনুভৱ আৰু আদৰুৱা আৱেগেৰে ভৰপূৰ দিনবোৰ।

মই সুখী,ৰ'দে জানে সেই কথা।

মই সুখী ,বৰষুণেও শুনে সেই কথা।

কিন্তু...

এজন মানুহ অলপ অসুখী,কাৰণ মোৰ সময়বোৰ এখন কটকটীয়া ৰুটিনত বান্ধ খাই পৰিছে।তেওঁৰ বাবে যেন মই অলপো সময় উলিয়াব পৰা নাই।গধূলি মই সুৰেশক কৈ ছয় বজাত ওলাই আহোঁ।সাত বজাৰ মিটিং খন ঘৰৰপৰাই জইন কৰোঁ।এনেও মোৰ বিশেষ ক'বলগীয়া নাথাকে।সুভাষিণী যোৱাৰ পাছত তেওঁৰ কামবোৰ যদিও মই কৰোঁ অমৃতে সেইয়া মনিটৰ কৰে,code review কৰে আৰু কিবা সুধিবলগীয়া হ'লে মিটিঙত তেওঁৰেই সুধে।অনিৰুদ্ধৰ মাত্ৰ দহদিন সময় বাকী আছেগৈ,তাৰ পিছত তেওঁ বেলেগ এটা প্ৰজেক্ট জইন কৰিব।আমাৰ তলৰ ফ্ল'ৰটোতে থাকিব বুলি গম পালোঁ।কিন্তু প্ৰথম এমাহৰ ট্ৰেইনিং তেওঁ হায়দৰাবাদত ল'বগৈ লাগিব।কথাটো তেওঁ মোক শুনাই থাকে, সেইদিনা অলপ কাজিয়াৰ দৰেও হ'ল,কিন্তু মোৰ উপায় নাই।দিনৰ দিনটো অকলে থকা ককাক মই ৰাতি ন দহ বজালৈকে অকলে ৰাখিবলৈ ভাল নাপাওঁ।

ৰাতিও ককাই খুব কথা পাতে মোৰ লগত।সদায় শোৱা দেৰি হয়।ককাৰ পুৰণা দিনৰ কথা,আইতাৰ কথা,ককাৰ ব্যৱসায়ৰ উত্থান পতনৰ কথা, সৱ কয়।কেতিয়াবা মোক ককাৰ ওচৰতে শুবলৈ কয়। আৰু এইবোৰৰ মাজত মোৰ অনিৰুদ্ধৰ লগত কথা পতাই নহয়।

আজিও অফিচলৈ ওলাই ককাৰ খোৱাৰ যোগাৰ খিনি কৰি খৰধৰকৈ কাপোৰ কেইটা সলাই লওঁ বুলি লৈ দেখোঁ ককাই তলত কাৰোবাৰ লগত কথা পাতি আছে,বটল গ্ৰীণ কালাৰৰ টি ছাৰ্ট আৰু ব্লেক জিনছৰ সৈতে মানুহজন চিনি পাবলৈ মোৰ দিগদাৰ নহ'ল।কিন্তু এই অফিচৰ সময়ত অনিৰুদ্ধই ইয়াত কি কৰি আছে?আজি শুকুৰবাৰ।সেইবাবে চাগে কেজুৱেল পিন্ধি অফিচ আহিছে।কিন্তু ইমান বেছি কেজুৱেল?

আহ, আৰু ভাবি নাথাকোঁ।

পিন্ধিবলৈ কাপোৰ ঢেৰ এতিয়া মোৰ।সেইয়াও ককাৰ কাৰণেই হৈছে।ভালকৈ কাপোৰ কানি নিপিন্ধ বুলি

কিমান গালি দিলে।পুৰণা চোলা পিন্ধি যোৱা কাৰণে, মদৰুৱা ৰঙৰ কাপোৰ কিনাৰ কাৰণে,সৰ ক'লা ৰঙৰ কাপোৰ গোটোৱা বাবে।যোৱা দেওবাৰে কিনি অনা মেৰুণ কালাৰৰ টপটো আৰু ব্লু জিনছটোকে পিন্ধিলোঁ।এইটো ককাই পছন্দ কৰি কিনি দিয়া।মোৰো ভাল লাগে।জোতাযোৰ পিন্ধি বেগটো লৈ ওলাই আহিলোঁ।

:এওঁ বোলে এইফালে ক'ৰবাত থাকিলে কালি।লগৰ ল'ৰাৰ লগত।এতিয়া যাওঁতে মোক মাতষাৰ দি গৈছে।ভাল পালো দেই।

কিমান মিছলীয়া মানুহ অ'।

বুঢ়া মানুহজনক অজলা পাই ঠগিছে চা।
মোক দেখি চকুকেইটা টিপিয়াই হাঁহি দিলে।
:এইটো পিন্ধিলি, ধুনীয়া লাগিছে।মোৰ পছন্দ যে।
ককাই গালখন মোহাৰি দিলে।
:হাই অনন্যা।
:হাই।
:ককা,এইটো ছাবি, তুমি ভাত খোৱাৰ অলপ আগতে দৈ খিনি ফ্ৰীজৰ পৰা উলিয়াই ৰাখিবা।ঠাণ্ডা কে নাখাবা।
:হ'ব হ'ব।যা যা। অহ হেৰি নহয়, এওঁক দেওবাৰে ভাতকেইটা ইয়াতে খাবলৈ কৈছোঁ, তোৰ দিগদাৰ হ'ব নেকি?
অনিৰুদ্ধৰ মুখলৈ চালোঁ।
না কোৱাৰ ইচ্ছা নহ'ল।
ককা আঁতৰি গ'ল।দুয়ো আগবাঢ়িলোঁ, মই ইতিমধ্যে কেব বুক কৰিছিলোঁ।পাঁচ মিনিটত পাবহি।
:Whats this?
:what?
:ইমান ৰাতিপুৱাই ইয়াত কি কৰি আছে আপুনি?
:You are not going to office today.
: Tell me a better joke.
:I miss you Ananya.. can't you just understand that?
:মই ছুটি ল'ব নোৱাৰোঁ অনিৰুদ্ধ।আমি দুয়োটাই এনেকৈ ছুটি ল'লে সৱেই কি ভাবিব অফিচত।এনেই কম gossip হৈ আছে নেকি?
তেওঁ মনে মনে থাকিল।হয়তো বুজিও পালে।
:okay ,you go.
:আপুনি নাযায়?

:মই অলৰেডি ছুটি ল'লো।আজি এনেই থাকিম।মুভি চাম,গেম খেলিম।You carry on.
মোৰ উত্তৰলৈ অপেক্ষা নকৰি তেওঁ গাড়ী লৈ আগবাঢ়িল।মোক আৰু একো কোৱাৰ সুযোগেই নিদিলে। মুখ খন ফুলি থাকিব এতিয়া।

কাম অলপ বেছি আছিল আজি।লাঞ্চ কৰা নহ'ল।তিনিটা বজাতহে খাব পাৰিছোঁ।তেওঁলৈ মেছেজ কৰিলোঁ।seen কৰি থৈ দিলে।মনটো বেয়া লাগিল।ডেস্কলৈ আহিও মন নবহিল।পাঁচটা মান বজাত বেগটো লৈ ওলাই আহিলোঁ।টিমৰ সৱ বেডমিণ্টন খেলিবলৈ গৈছে।শুকুৰবাৰে কেতিয়াবা যায় এনেকৈ।ওচৰৰ indoor stadium খনত এঘণ্টা খেলি আহে।আজিও গৈছে।মই সদায় নিচিনাকৈ আজিও নাইযোৱা।সুৰেশক ঘৰৰ পৰা আকৌ connect কৰিম বুলি ওলাই গুচি আহিলোঁ।
বহুত ভাবি তেওঁলৈ ফোন কৰিলোঁ।
:কি হ'ল?
:ইমান খং?
:কাৰ?
:Anyway,wana come to my home for tea?
:No. You come here.
:What, no way.
:Okay.
:বেছি অলপ।:তুমি কম নে কি?
:উফ।
:উফ নহয়।Come here, say sorry, give me a hug.After that I will think about the invitation.
:Okay cool, keep daydreaming.

ফোনটো থৈ কেব বুক কৰিলোঁ, আৰু এবাৰো নভবাকৈ তেওঁৰ ঘৰৰ এড্ৰেচটো ড্ৰপ লকেচনত দি দিলোঁ।বুকুখন ধপধপাই উঠিল।ভয় নহয়, অলপ লাজ।এনেতো নহয় যে, প্ৰথমবাৰৰ বাবে আহিছোঁ তেওঁৰ ঘৰলৈ।কিয় ইমান নাৰ্ভাচ ফিল কৰিছোঁ নাজানো।আধা ঘণ্টাতকৈ বেছি সময় লাগিল।
তেওঁৰ ঘৰৰ সন্মুখত ৰৈ চিকিউৰিটিক গৈ তেওঁৰ ফ্লেট নম্বৰ কওঁতেই তেওঁ গম পালে।লগে লগেই ফোন বাজিল।
কাটি দিলোঁ।
ওপৰলৈ উঠি যাওঁতেও ফোন বাজিয়েই আছে।
আৰু লিফটখন খুলি প্ৰাণখোলা হাঁহিৰে সৈতে অনিৰুদ্ধকে থিয় হৈ থকা দেখিলোঁ।
:Happy now?

:Yeah.Very much.
:ভিতৰলৈ নাহা?
:ককা ৰৈ আছে, ট্ৰেফিক বেছি হ'লে দেৰি হৈ যাব।আপুনি লগ পাব খুজিছিল কাৰণে আহিলোঁ।
:মই আৰু কিবা এটা কৈছিলোঁ।
:মই নুশুনিলোঁ।
তেওঁ ভিতৰলৈ সোমাই গ'ল।মই দৰ্জা মুখতে ৰৈ আছোঁ।অলপ পিছত কোনোবাই টানি নিয়াৰ দৰে লাগিল। আৰু কিবা বুজি পোৱাৰ আগতেই তেওঁৰ ঘৰৰ মেইন দুৱাৰখনত মই নিজকে আউজি থকা পালোঁ।চকুৰ সন্মুখত অনিৰুদ্ধ।এইমাত্ৰ মাৰি অহা body mist ৰ সুগন্ধি উশাহত বিয়পি পৰিছে।
:I missed you so much.
:ককা ৰৈ আছে ... দেৰি হৈ যাব.. ইমান ট্ৰেফিক..
:You speak at wrong times..
ওঁঠ দুটা কেতিয়া তেওঁৰ ওঁঠত বন্দী হ'ল ধৰিবই নোৱাৰিলোঁ।
ৰৈ ৰৈ বৈ আহিল আবেগ অভিমান খং মিশ্ৰিত মৰমৰ নৈ।

:I missed you this much...!
:Hmm
ইয়াতকৈ বেছি কি ক'ব পাৰিম মই?

:Let's go..

ঘূৰি আহোঁতে মোৰ গালখন ৰঙা, তেওঁ মোক তলতে নমাই থৈ গুচি গ'ল।ককাই নিজে মাতিছে যেতিয়া এনেকৈ আহি আমনি নকৰে তেওঁ।
:মই মা পাপাক তোমাৰ কথা কৈছোঁ।
:কিয়?
:সদায় বিয়াৰ কথা কৈ থাকে কাৰণে।
:মোক নুসুধাকৈ?
:তুমি না ক'বা বুলি জানোৱেই যে।সেইকাৰণে কৈছোঁ মাক,এইটো জনমত নহ'বও পাৰে।
হাঁহি দিলোঁ।
ঠিকেই কৈছে।
মোৰ কথা খুব ভালকৈ জানে ।
দুগুণ ভালপোৱা বুকুত উপচাই আঁতৰি গ'ল তেওঁ।

:শুইছিলা নেকি?

:নাই, ককাৰ লগত কথা পাতি আছিলোঁ,এইমাত্ৰ নিজৰ বিচনালে আহিছোঁ, আপুনি শোৱা নাই?

:ওহোঁ।

:কিয়?

:Was reading something.

:কি পঢ়ি আছে?

:The Art of Thinking Clearly,its a good read.

:উম, পঢ়িছোঁ।

:তোমাক কেতিয়াও সোধা নাই,তোমাৰ প্ৰিয় কিতাপ?

:War and peace.

:And why?

:Its a celebration of life, in all Aspects.

:অনন্যা।

:হমম।

:মই তোমাৰ সৈতে থাকি বহুত কথা শিকিব বিচাৰোঁ, নতুন ঠাই ফুৰিব বিচাৰোঁ,তুমি ইটালী গৈছা নে?

:মই ভাৰতৰ বাহিৰৰ কোনো ঠাইলৈ যোৱা নাই।

:কিয়?

:এবাৰ মা দেউতা আৰু বা ইউৰোপ ফুৰিবলৈ গৈছিল, মোক নিয়া নাছিল।

:মই লৈ যাম।

:লৈ যাম?মই নিজে যাব নোৱাৰোঁ নেকি?

:খংটো নাকৰ আগতে থাকে।ঠিক আছে, তুমি নিজেই যাবা, লগত মোকো লৈ যাবা।হ'ব?

:অনিৰুদ্ধ, মই 'আমি' বুলি একোৱেই ভবা নাই এতিয়াও, মানে ভয় লাগিছে ভাবিবলৈ।মোৰ বহুত কৰিবলগীয়া আছে।ককা ইয়াত সহজ হ'লেই মই ভালকৈ চিন্তা কৰি থুপুক লৈ অনাৰ কথা ভাবিছোঁ।মই তাক বেছিদিন বাৰ ঘৰত থাকিবলৈ দিব নোৱাৰোঁ।সিহঁতৰ নিজৰ সন্তান আহিলে থুপুৰ কি অৱস্থা হ'ব মই নাজানো।মায়ে হেল্প কৰিম বুলি কৈছে।মোৰ ভয়ো লাগিছে, পাৰিম জানো মই দায়িত্ব ল'ব।আৰু অফিচৰ সময়খিনি তাক কোনে চাব।অহা বছৰ স্কুলত দিবও লাগিব,ইয়াৰ স্কুল বিলাকৰ ফিজ দেখি ভয় খাইছোঁ।আৰু বহুত চিন্তা।মানে...

:ইমানবোৰ চিন্তা একেলগে কৰিলে সমাধান কেতিয়াও নোলায়।এটা এটাকৈ প্লেন কৰা।মই আছোঁ ন।

:থুপুৰ দায়িত্ব আমাৰ নহয় অনিৰুদ্ধ, অকল মোৰ।

:মই তাৰ দেউতাক হ'ব বিচৰা নাই, হ'ব নোখোজোঁ।মই ইমান মহান মানুহ নহয় অনন্যা।কিন্তু মই মাত্ৰ তোমাক কথাবোৰ প্লেন কৰাত হেল্প কৰিব খুজিছোঁ।

:I know.

ফোনটো থৈ শুবলৈ চেষ্টা কৰিছোঁ।ইটো ৰুমত লাইট অফ কৰি ককা শুইছে।বহুত দেৰি বিছনাত পৰি থাকি উঠি আহিলোঁ,আৰু বান্ধি ৰখা মনটোক মুকলি কৰি বেগৰ পৰা উলিয়াই আনিলোঁ মায়ে দি পঠোৱা এলবামটো।

চাবলৈ সাহস নাছিল।

কিমান আৰু নতুন নতুন সত্য শুনিব এই কাণ দুখনে, কিমান আৰু বেয়ালগা সামৰিব এই বুকুখনে।

চোৱা নাছিলোঁ,আঁতৰাই ৰাখিছিলোঁ।কিন্তু এই মাজৰাতি তিনি বজাত মোৰ চাবলৈ মন গৈছে।

খুলি চাইছোঁ।

চাই গৈছোঁ ইখনৰ পাছত সিখন ফটো,কেইটামান পুৰণি বাতৰি কাকতৰ কাটি ৰখা টুকুৰা।মেগাজিন,পেপাৰৰ পৰা কাটি ৰখা এজন বিশেষ মানুহৰ ফটো।ভালকৈ চালোঁ,মই দেখিছোঁ মানুহজনক।টিভিত।গান গায়।কিন্তু মায়ে কিয় এনেকৈ ৰাখিছে ফটোবোৰ?তাৰ পিছৰ ফটোখন চাই মই ৰৈ গ'লো।চিনেমাৰ shooting চলি আছে যেন লাগিছে।ৰঙা ছিল্ক শাৰী পিন্ধি এজনী খুব ধুনীয়া ছোৱালী।

টেবুললাইটৰ একেবাৰে ওচৰলৈ নি ভালকৈ চালো ফটোখন।

মা।

ইমান ধুনীয়া।

লগত সেইসময়ৰ এজন জনপ্ৰিয় অভিনেতা।

মায়ে চিনেমা কৰিছিল?

কেতিয়াও কোনেও কোৱা নাই, ক'তো দেখাও নাই।

তাৰ পাছতো কেইবাখনো ফটো, পেপাৰৰ কাটি থোৱা টুকুৰা।মায়ে অভিনয় কৰি পোৱা বঁটা,পুৰস্কাৰৰ ফটো।কিছুমান ফটো অলপ বেয়া হৈছে।মন কৰিলোঁ, সব ফটোত মাৰ মুখত এটা উজ্জ্বল হাঁহি।মা যেন সময়তকৈ আগত আছিল।কাপোৰৰ পৰা চুলিৰ ষ্টাইল লৈকে।নিজকে যেন সাংঘাতিক ভাল পাইছিল মানুহজনীয়ে।

আৰু সেই মানুহজন।

তেওঁকো ভাল পাইছিল নেকি মায়ে?

কিয় সাঁচি ৰাখিছে ফটোবোৰ এনেকৈ।

শেষৰফালৰ ফটোবোৰত দেউতা আছে,মায়ে সেইবাবে নিজক কলমেৰে কাটি থৈছে।ঠিক যেন চাব নিবিচাৰে নিজক দেউতাৰ সৈতে।উৰাই ঘূৰাই একেখিনি ফটোকে চাই আছোঁ।শেষৰ ফটোখন মোৰ।ফটোখন উলিয়াই আনিলোঁ এলবামৰ মাজৰপৰা।হাঁহি আছোঁ মই।ফুটফুটীয়া ফ্ৰক, ভৰিত ছেণ্ডেল নাই।বাওঁহাতত বেলুন এটা।সোঁ হাতেৰে মুখটিপি হাঁহিছোঁ।

মই এনেকৈ হাঁহিবও পৰিছিলোঁ?

বিশ্বাস হোৱা নাই কিয়?

শৈশৱ কিয় শেষ হৈ যায়!

মনবোৰ কিয় মলিন হৈ যায়?

বেলুন আৰু পখিলাৰ মাজতেই কিয় শেষ হৈ নাযায় গোটেই জীৱন?!

সেমেকা চকুকেইটা পুৰিছে।

ফটোখনৰ মইজনীক মৰম কৰিবৰ মন গৈছে, কোলাত তুলি যেন উপচাই দিম তাই নোপোৱা মৰমেৰে।বুকুত হেঁচি ৰাখিম সদায়।
চুমাৰে উপচাই দিম টোপোলা টোপোলা গাল দুখন।
মই মোক মৰম কৰিব খোজোঁ, মৰমেৰে উপচাই ৰাখিব খোজোঁ।
ফটোখন ঘূৰাই চালোঁ।
পিছফালে কিবা এটা লিখা আছে।
“মোৰ একমাত্ৰ আশা”
মাৰ হাতৰ আখৰ।
আখৰ কেইটা যেন ফটোখনৰ পৰা উফৰি আহি চিধা বুকুতে খুন্দিয়াই থৈ গ'ল।
নোৱাৰিলোঁ চাই থাকিব।মাৰ পৰা মোৰ লৈকে নোকোৱা কথাৰ সাগৰ এখন আজীৱন বৈ আছে।মানুহজনীৰ লগত কিমান অন্যায় হৈছে হয়তো মই নাজানো।সন্তানৰ দোহাই দি জোৰ কৰি লগত ৰাখিলে, মৃত সন্তানক চাবলৈ নিদিলে, লোকে এৰি থৈ যোৱা কেঁচুৱা হাতত তুলি মৰম কৰিবলৈ দিলে।
উফ।
কেনেকৈ পাৰিব আঁকোৱালি ল'ব?
মানুহজনীৰ বুকুত কিমান জুই জ্বলি আছে তাৰ উমান আনে নাপায়।
কেতিয়াও নাপায়।
ফোনত মাৰ ডিপি খন চাই থাকিলোঁ মাত্ৰ।এই মানুহজনীৰ মাজত আজিকালি নিজকে দেখোঁ।
আৰু এটা ৰাতি.. উজাগৰী!

:মাজনী,উঠ আৰু পায়।
ককাৰ মাতত সাৰ পালোঁ।এঘাৰটা বাজিলে মই শুইয়ে আছোঁ।চকুকেইটা মোহাৰি চাওঁ, আয়ু আহি বহি আছে।আজি দেওবাৰ।
ককাই অনিৰুদ্ধকো ভাত খাবলৈ মাতিছিল।আৰু মই ফটোবোৰ চাই চাই শুইছোঁ ৰাতিপুৱা চাৰিটাত।
ফোনটো উলিয়াই অনিৰুদ্ধক ফোন কৰিলোঁ।
:আহি আছো ৰ'বা।ইমান মিছ কৰিছা?
:মই শুইয়ে নাই উঠা,আজি নালাগে আহিব।
:কিয়???মই ৰেডি হৈছিলোঁ।
:কি কিয়, একোৱেই নাইকৰা এতিয়ালৈকে, আজি নালাগে আহিব প্লিজ।
:মই সৰ লৈ যাম।হ'ব?
ফোনটো কাটি দিলোঁ।
গাৰুটো দলিয়াই দিলোঁ আয়ুৰ গা লৈ।
:উৰা, বৰ দন্দুৰী ছোৱালী অ' এইপাত।

:উঠাই দিব নোৱাৰিলি নেকি, পাগলটো।কি কৰিম এতিয়া।
:ৰাতি মনে মনে মালটো দিলি চাগে ন।
:চুপ,একদম চুপ।
:কি হৈছে তহঁতৰ।
ককাই মাজত আহি যুদ্ধখন ৰখালে।পাকঘৰত খিটিং খাটাং শব্দ শুনি আচৰিত হ'লো।উঠি চাওঁ হিবাই বাচন ধুই আছে।কিন্তু তাইতো মাকৰ ওচৰলৈ যায় শনিবাৰে দেওবাৰে।
আজি ইয়াত যে?

ককাই আয়ুক ফোন কৰি ক'লে মই যে মানুহ মাতি কুম্ভকৰ্ণৰ নিচিনাকৈ শুই আছোঁ।আৰু সি সেইকাৰণে আহোঁতে হিবাক লৈ আনিলে।ঘৰৰপৰা অহাৰ পাছত তাইক অফিচতে যি লগ পাইছোঁ।দুয়োজনী যেন নিজৰ নিজৰ সমস্যা লৈ বেছিয়েই ব্যস্ত হৈ পৰিছোঁ।আজি অন্ততঃ ভালকৈ লগ পাম।
তাইক পিছফালৰ পৰাই সাৱটি ধৰিলো।
:Thank you Hibu.

তাৰ পাছত দৌৰাদৌৰি।ঘৰটো চাফা কৰিলোঁ।দেওবাৰে মানুহগৰাকী নাহে।অনিৰুদ্ধক মেছেজ কৰি থৈছো যে মই নোকোৱালৈকে ঘৰৰ পৰা যেন নোলায়।ল'ৰালৰিকৈ গা ধুই আহিছোঁ।
ককাৰ মুখত আজি হাঁহি আঁতৰাই নাই।অকলে অকলে থাকি আমনি পাইছিল মানুহজনে, সেইকাৰণেই এইবোৰ যোগাৰ।কালিয়েই সব গোটাই থৈছে।অনিৰুদ্ধ আৰু ককা দুয়োজনেই নিৰামিষ খায়।
কিন্তু হ'লে কি হ'ব।
আয়ুৰ কাৰণেই মাংস বনাবই লাগিব। সৰু পাকঘৰটোত তিনিটা মানুহ সোমাই হুলস্থুল।গালি পাৰি পাৰি কেৰাহীৰ পৰা মাংস উলিয়াই খাই থকা আয়ুক খেদালোঁ।

কামৰ মাজতে বাৰে বাৰে ফোনটো বাজি আছে।অনিৰুদ্ধই হ'ব চাগে বুলি উঠোৱা নাই।এবাৰ দৌৰি আহি চালো।
বায়ে এই নম্বৰটোৰ পৰা ফোন কৰে।
:হেল্ল'।
:মায়ে এইবোৰ কি কৰিছে মাজু, কি ক'লি তই মাক?
:কি কৰিছে মায়ে?
:থুপুক নিবলৈ কিয় আহিছে, তাকো লগত উকীল লৈ।ৰাজুক ইমান অপমান কৰিছে।মা এনেকুৱা নাছিলে।তই ঘৰলৈ আহি কি লগাই থৈ গ'লি।কাকো শান্তিত থাকিবলৈ নিদিয় কিয় তই?
:বা, যি হৈছে ভালৰ কাৰণেই হৈছে।

ফোনটো কাটি দিলোঁ।বেয়া লগা নাই মোৰ কাৰো কাৰণে।ফুৰ্তি লাগিছে মোৰ।
বহুত ফুৰ্তি।

অনিৰুদ্ধলৈ ফোন কৰিলোঁ।

:Come soon, I want to celebrate life today!

ককাই তেতিয়া আয়ুক আলু পিটিকাত ধনীয়া কাটি দিবলৈ আইডিয়া দি আছে।

সুখবোৰ উপচি পৰিছে প্ৰথমবাৰৰ কাৰণে।থুপুক কাষতে পাম,চুই চাব পাৰিম,সাৱটি ৰাখিব পাৰিম।
ইয়াতকৈ বেছি কিবা জানো বিচাৰিছিলোঁ।
জীৱনত প্ৰথমবাৰৰ বাবে ইমানবোৰ ভাল লগা একেলগে।মন কৰিলোঁ,মই দুখতেই নহয়, সুখতো কথা ক'ব নোৱাৰোঁ।ককা আৰু আয়ুয়ে ইমান কথা কৈছে,মই একোৰেই শুনা নাই,ক'বও পৰা নাই।অলপ দেৰিৰ পাছত কলিং বেল বাজিল।আয়ুয়ে দৰ্জাখন খুলি দিলে।
একেবাৰে পাতল গুলপীয়া ৰঙৰ চাৰ্ট আৰু ব্লেক কালাৰৰ পেণ্ট পিন্ধি মুখত এমুকুৰা হাঁহি লৈ সোমাই আহিছে তেওঁ।
বুকুখন জুৰ পৰি যোৱা প্ৰশান্তিৰ এজাক বতাহ লৈ।
চাই ৰৈছোঁ মাথোঁ।মন গৈছিল, সাৱটি লৈ কৈ যাম মোৰ সুখৰ কথা, দি যাম মোৰ প্ৰাপ্তিৰ বতৰা।
তেওঁ ককাৰ ভৰি চুই সেৱা কৰিলে।এইটো তেওঁলোকৰ ফালে প্ৰচলিত নিয়ম।যেতিয়াই লগ পাই ডাঙৰক এনেকৈয়ে সন্মান দিয়ে ।
:মই অহাৰ দিনা ইমান সহায় কৰিলা, আজি এসাঁজ খুৱাইহে ভাল লাগিব মোৰ।
তেওঁ মোৰ ফালে ফলমূলৰ টোপোলা এটা আগবঢ়াই দিলে।ককাৰ কাৰণে।
আয়ুয়ে তাৰ পৰাই আপেল এটা উলিয়াই খাবলৈ লাগিল,ধোৱা মেলাৰ নিয়ম নাই।

আলপদেৰিৰ পাছত গোটেইবোৰ একেলগে খাবলৈ বহিলো।ককা আৰু মই খাব পৰা সৰু টেবুলখনত সবলৈকে নোজোৰে।ককাক ভালকৈ দি আমি হাতে হাতেই লৈছোঁ।অনিৰুদ্ধই নিৰামিষ খায়।ধনীয়া,নেমুটেঙা আৰু বিলাহী দিয়া মছুৰ দাইল,হিবাই বনোৱা ছাহি পনীৰ, আয়ু আৰু ককাই মিলি বনোৱা আলুৰ পিটিকা,দৈ দি বনোৱা পটলৰ তৰকাৰী,ভেন্দীৰ শুকান ভাজি আৰু তৰাই দি পঠোৱা আচাৰৰ সৈতে একেবাৰেই সাধাৰণ এসাঁজ ভাত।মই বেছি একো ৰান্ধিবও নাজানো।হিবাই মাংসও বনাব লগীয়া হৈছে, কিমান কৰিব তাই।swiggy কৰি গোলাব জামুন আৰু আইচক্ৰীম অৰ্ডাৰ কৰিলোঁ।বহু সিমানেই।
সৱকে খাবলৈ দি নিজেও বহিলো।
:Can I have a spoon, please?
:কি????
মই ককা আয়ু তিনিওটাই চিঞৰ মাৰিয়েই দিয়াৰ দৰে হ'ল।চামুচ দি আকৌ কোনে ভাত খায়!

:তই শেষ জাপৰী, ভাল হ’ল আৰু...
:চুপ,একদম চুপ।
হিবাই চামুচ এখন আনি অনিৰুদ্ধক দিলে।
আচলতে আমি হাতেৰে খোৰাটো হে তেওঁৰ কাৰণে ডাঙৰ কথা আছিল।
:এই হেৰি নহয় অনিৰুদ্ধ,ইয়াত ভাল চাই ফ্লেট এটা লওঁ বুলি ভাবিছোঁ, ক’ত কেনেকৈ কি কৰিব লাগিব।
ককাৰ কথাত মোৰ লগতে অনিৰুদ্ধ ও আচৰিত হ’ল।
:আপোনাক কিমান মান বাজেটৰ ভিতৰত লাগে?
:তেনেকুৰা কথা নাই,ঠাইখন ভাল আৰু অলপ সেউজীয়া পৰিবেশ হ’লেই হ’ব।
অনিৰুদ্ধই মোৰ ফালে চালে,অলপ সন্দেহ দেখিলো মই।
:নহয় মানে লোণৰ কাৰণে সুধিলোঁ, অনন্যাই কিমান পাব এতিয়া..
:তাই একো কৰিব নালাগে,মই কৰিম নহয়।
:ককা বহুত ধনী আছে, গোটেইটো cash দি পেলাই লৈ ল’ব ন ককা।
আয়ুয়ে টেপেচ কে মাত মাতিলে।
:আপুনি চাৰ্ভিছ কৰিছিল?
:নাই।মোৰ ব্যৱসায়।আমাৰ চাহৰ বাগান,ফেক্টৰী এইবিলাক আছে।আমাৰ বাগানৰ চাহৰ সোৱাদেই বেলেগ বুজিছা।
মোৰ পেটলৈ ভাত নোযোৱা হ’ল।অনিৰুদ্ধই খাবলৈ এৰি একেথৰে মোৰ ফালেই চাই আছে।মই বাৰে বাৰে তেওঁৰ চকুৰ পৰা চকু আঁতৰাই নিবলগীয়া হৈছে।
:তাৰমানে আপোনাৰ ডাঙৰ বিজিনেছ আছিল।
:আছিল নহয়,আছে।এতিয়া সৱ এইৰ নামত দি দিছোঁ।পিছত তাইয়ে চাব সকলোবোৰ।মনটো ভাল লাগিবলৈ চাকৰি কৰিছে, কৰক।

খাই থকা ভাত খিনি ডিঙিত সোপা মাৰি ধৰিলে।কি কয় ককাই।তাৰমানে ককাই সেইদিনা উইল কৰি সকলোবোৰ মোৰ নামত দি থৈছে।
:মোৰ ব্যৱসায়ৰ কামত বহুত ঘূৰিলো আগতে বুজিছা। লণ্ডনলৈ গৈছোঁ দুই তিনিবাৰ।মোৰ গাড়ীৰ চখ আছিল।কণ্টেছাৰ এখন এতিয়াও আছে মোৰ ঘৰত।ইহঁতবোৰে বেলেগ গাড়ী কিনিলে,মই কিন্তু সেইখনহে লৈ যাওঁ।
তাৰ পিছত ককা আৰু ৰোৱা নাই।আমাৰ ঘৰত ক’ত কি আছে,ককাই কেনেকৈ ব্যৱসায় আৰম্ভ কৰি কি কি কৰিলে,বাগানত কিমান মানুহে কাম কৰে,চাহ গছত কেতিয়া কলম দিয়ে, কেতিয়া দৰৱ দিয়ে,দৰৱ দিয়াৰ পাছত বৰষুণ দিলে কি হয় সকলো এফালৰ পৰা গাই গ’ল।অনিৰুদ্ধইও যিমান পাৰে সুধি সুধি আমাৰ ঘৰৰ বিষয়ে,মা দেউতাৰ বিষয়ে ককাৰ মুখৰ পৰা উলিয়াই ল’লে।
খোৰা শেষ কৰি আইচক্ৰীম দিওঁতে তেওঁ জানি বুজি মোৰ হাতখন কোনেও নেদেখাকৈ চেপি ধৰিলে
:You lied to me!

কৃতিকাৰ বিয়াৰ দিনাই আয়ুৰ পৰা কিছু কথা জানিছিল, কিন্তু ইমান খিনি নহয়।আৰু মই সেই সম্পত্তি, ব্যৱসায়ৰ পৰা সদায় আঁতৰি আছোঁ আৰু থাকিম বুলিয়েই ভাবি আছিল।ককাই সকলোবোৰ মোৰ নামত লিখি দিছে, এই কথা মই নিজেই জনা নাছিলো।তেওঁক নো কেনেকৈ ক'ম।

ভুল বুজিছে মোক অনিৰুদ্ধই।মিছা কথা তেওঁ বেয়া পায়।মুখলৈ চালে ই বুজি পায়।
খং আৰু অভিমানত কঠোৰ এখন মুখ।অনিৰুদ্ধই ভুল বুজিছে।ইটো সিটো কথা সৰেই কৈ আছে যদিও আমি দুয়োটা মনে মনে আছোঁ।মাজতে মই উঠি আহি পাকঘৰটো ঠিক কৰিলোঁ,বাচনবোৰ ধুলো।মনটো অস্থিৰ,তেওঁ সুধিলে কি উত্তৰ দিম মই।
বাহিৰত হিবা আৰু আয়ুৰ লগতে ককাই কথা পাতিবলৈ লাগিল।সৰৰে কথাৰ মাজতে হঠাৎ অনিৰুদ্ধই কৈ উঠিল
:ককা,ব'লক অলপ ফুৰি আহোঁ,ইয়াতে নন্দীহিলছ বুলি জেগা এটা আছে,খুব ধুনীয়া,বেছি দূৰ নহয়।
:তিনিটা বাজিলেই দেখোন,দেৰি হোৱা নাই জানো।
:একো দেৰি হোৱা নাই,মানুহ সন্ধিয়া সময়তে যায় তালৈ।ব'লক।আয়ুষ্মান,যাওঁ ব'লা।
ওলাই আহি ককাৰ ওচৰতে ৰৈছোহি।
মোক তেওঁ একো কোৱা নাই।মোৰফালে চোৱাও নাই।ককাক উলিয়াই নিম বুলি কোৱাত ভালেই পাইছো।মানুহজনে ইচ্ছাও কৰে খুউব।
:অ' মাজনী, ভাল চোলা এটা উলিয়াই দে,এওঁ ফুৰাবলৈ লৈ যাওঁ বুলি কৈছে।
ককাৰ কাৰণে কাপোৰ উলিয়াই দি নিজেও ভাল কুৰ্তী এটা উলিয়াই পিন্ধিলো।বটল গ্ৰীণ কুৰ্তী টোৰ লগত বগা প্লাজ' পেন্টটো ভাল দেখি।মুখত ক্ৰীম আৰু লিপবামটো লগালেই মোৰ প্ৰসাধন হৈ যায়।কাজল আগতেই লগাই ৰাখিছিলোঁ।
চুলিখিনি বিশেষ একো নকৰি মেলি ৰাখিলোঁ।
বতৰটো সেমেকা।গাড়ীৰ আগফালে ককা বহিল।
মই হিবা আৰু আয়ু পিছফালে।হিবা মাজতে বহিল।গোটেই বাটটো ককাই তেওঁক কিবাকিবি সুধি আহিছে, মোৰফালে চোৱা নাই এবাৰো।মই যেন নায়েই তাত।

নন্দীহিলছ ঠাইখন খুব ধুনীয়া।ওপৰলৈ উঠি আহোঁতে শ্বিলঙৰ ৰাস্তাবোৰলৈ মনত পৰে।সৰু পাহাৰ এটাৰ দৰে ঠাইখন।বেংগালুৰুৰ ব্যস্ততাৰ পৰা আঁতৰত প্ৰকৃতিৰ নিবিড় পৰিৱেশ, ঘন সেউজীয়া, ওলমি থকা শুকুলা মেঘৰ পাতল আস্বাদন।
মোহনীয়।
:বৰ ধুনীয়া ঠাইলৈ আনিছা হে।
তেওঁ ককাৰ হাতত ধৰি নমাত সহায় কৰিলে।আয়ু আৰু হিবা অলপ আগবাঢ়িল।
মই ককাৰ হাতত ধৰি গৈ আছোঁ।তেওঁ গাড়ীখন ভালকৈ পাৰ্ক কৰি অলপ পিছত আমাৰ লগ হ'লহি।নন্দীহিলছৰ সেউজীয়া দেখি ককাৰ হাঁহি ওলাই আহিল।খোজকাঢ়ি যিমান পাৰে সিমান চালে, অনিৰুদ্ধই আমাক এৰি আনফালে গুচি গ'ল।মন কৰিলোঁ,চিগাৰেট জ্বলাই শূন্যৰ ফালে চাই কিবা ভাবি

আছে।
ককাৰ ভাগৰ লগাত বেঞ্চ এখন পাই বহিলো, অলপ পিছত হাতত চাহ আৰু গোমধান লৈ আয়ুহঁত ওলালহি।
:অনিৰুদ্ধক মাতি দে আকৌ,চাহ একাপ খাওক।
:আয়ু ফোন কৰ চোন।
:মই কেলেই কৰিম,তই কৰ।
:সব ঠিক হে না অনন্যা?
হিবাই বুজিছে, তাই আহি মোৰ কাষতে ৰৈছে।ফোনটো উলিয়াই তেওঁলৈ ফোন কৰিলোঁ।
:ককাই মাতিছে আপোনাক।
:কিয়?
:নাজানো।
:তুমি আহিব নোৱাৰা কিয় ইয়ালৈ?কথা আছে মোৰ।
:নোৱাৰোঁ মই যাব।আহক ককা ৰৈ আছে।
:You just wait and watch.

অলপ পিছত তেওঁ আহিল।
:ক'ত হেৰাই গৈছিলা হে,ফুৰিবলৈ আনি এনেকৈ এৰি দিলে নহ'ব নহয়।চাহ খাওঁ আহা।আমাৰ আয়ুয়ে আনি দিছে।
:ককা অনন্যাই আপোনাক কিবা ক'ব।
:কি কথা,কিবা ক'বি মাজনী।
:আয়ুষ্মান,উধৰ ছ'ল'।
হিবাই ইংগিত দি আঁতৰাই লৈ গ'ল আয়ুক।মই একো ক'ব পৰা নাই।ককাই চাই আছে মোলৈ, মই অনিৰুদ্ধলৈ,তেওঁৰ চকুত একো নাই আজি।একেবাৰেই উকা।
:Ananya, please.
:ককা, মোৰ একো ক'বলগীয়া নাই।
তেওঁ নিজেই কৈ উঠিল
:অনন্যা আৰু মই...
:Stop it Anirudh.
:বুজিছোঁ মই, আৰু বুজাব নালাগে।
:মই অনন্যাক বিয়া পাতিব খোজোঁ ককা।এনেকৈ ক'ম বুলি ভবা নাছিলোঁ কিন্তু..
:তাই বিয়া নহয়,মই নিদিওঁ হ'বলৈ।মোৰ ঘৰ খন শেষ হৈ যাব।তাইৰ ওপৰত দায়িত্ব আছে বহুত।তুমি ভুল নুবুজিবা।
ককাৰ ফালে চাই আছোঁ মই...
এজন অচিনাকি মানুহ..
মোক ভাল নোপোৱা মানুহ..

মোৰ কথা নুবুজা মানুহ...
ইমান স্বাৰ্থপৰ, ইমান বেছি...
:Say something Ananya please.
:আমি ঘৰলৈ যাওঁ,থৈ আহক প্লিজ।

দূৰৰপৰা চাই থকা আয়ু আৰু হিবাক তাতে এৰি আগবাঢ়িছোঁ..
আগে আগে বাৰে বাৰে হাতৰ টান মুঠি এবাৰ খুলি এবাৰ বন্ধ কৰি অনিৰুদ্ধ।
মই তেতিয়াও এৰি দিয়া নাই ককাৰ হাতখন, মই যে নোৱাৰোঁ।এবাৰ ধৰা মানুহক দলিয়াই দিব পৰা নাই কেতিয়াও।
নিদিওঁ আজিও।
সম্পূৰ্ণ নীৰৱতা আৰু নোকোৱা কথাৰ ভৰত কোঙা বুকুৰ বোজা লৈ ঘূৰি আহিছোঁ আমি।

ৰাস্তাত আয়ু আৰু হিবাক নমাই থৈ আহিছোঁ মই ককা আৰু অনিৰুদ্ধ।
নামি যাওঁতে ককাই তেওঁক মাত লগোৱা নাই।তেওঁ কিন্তু নামি আহি একেদৰেই ককাৰ হাতত ধৰি নমাই দিছে।
গেইটখন খুলি সোমাই আহোঁতে হাহাকাৰ কৰি উঠিছে বুকুখনে, নভবা কথাবোৰ হৈ যায় কেতিয়াবা.....
ঘূৰি চাব পৰা নাই মই।

ক্লান্ত সময়
উন্মুক্ত বতাহ
ৰুগ্ন হৃদয়
ৰাঙলী আকাশ........

ভাগৰ লাগিছে মোৰ।ভীষণ ভাগৰ।যি ভাগৰে হাড়লৈকে বিষন্নতা সিঁচি দিব পাৰে ঠিক তেনেকুৱা এটা ভাগৰে হেঁচা মাৰি ধৰিছে।ককাই গা ধুই সন্ধিয়াৰ প্ৰাৰ্থনা কৰিছে।ধূপ আৰু ধুনাৰ গোন্ধ মোৰ সৰু ঘৰটোত বিয়পি পৰিছে।আজিৰ এই সুগন্ধিয়ে কিয় নাজানো মোৰ বাবে বগা বাংলোৰ দিনবোৰৰ দৰে বিষ এটাহে লৈ আনিছে।নিয়মমাফিক মই ককাৰ বাবে গাখীৰত অ'টচ সিজাইছোঁ।খাবলৈ দিওঁতে ককাই কিবা ক'ব খুজিছিল। আঁতৰি আহিলোঁ।বেলকনিত বহি চিগাৰেট জলাইছোঁ বহুতদিনৰ মূৰত।মগজুৰ সন্তুলন প্ৰায় হেৰাই গৈছে আজি।অনিৰুদ্ধৰ সেমেকা চকুযোৰ আৰু উদাস চেহেৰাটো বাৰে বাৰে মনত ভাহি উঠিছে।
চিগাৰেট টো দলিয়াই ককাৰ ওচৰলৈ আহিলোঁ।

বিছনাত ওপৰলৈ মূৰ কৰি পৰি আছে ককা,গভীৰ চিন্তাত মগ্ন।
:কিয় কৰিলা তেনেকুৱা?
:কি কৰিলোঁ?
:অনিৰুদ্ধক কোৱা কথাবোৰৰ অৰ্থ কি আছিল?
:মই যি কৰিছোঁ তোৰ ভালৰ কাৰণেই কৰিছোঁ,ঘৰখনৰ ভালৰ কাৰণে কৰিছোঁ।
:সম্পত্তি মোৰ নামত কৰিছা?কিয়?খুজিছিলোঁ মই?মই ঘূৰি যাম বুলি কেনেকৈ ভাবিলা?
:মই কষ্টৰে পতা ঘৰখন শেষ হোৱা চাই থাকিব নোৱাৰোঁ আৰু।তোৰ বাহিৰে মোৰ আছেনো কোন।আৰু এই ল'ৰাটোৱে কিজানি তোৰ সম্পত্তিৰ কথা জানিয়েই তোৰ লগত এইবোৰ নাটক কৰিছে।শুনিবলৈ বেয়া কিন্তু বিশ্বাস কৰিবলৈ অলপ টান যে..
:যে তেওঁৰ দৰে সুন্দৰ চেহেৰা আৰু সুন্দৰ ব্যক্তিত্বৰ মানুহে মোৰ দৰে এভাৰেজ লুকিং, একেবাৰে নিৰস ব্যক্তিত্বৰ ছোৱালী এজনীক ভালপোৱা সম্ভৱ হয় জানো।
:তই মোৰ চকুত পৃথিৱীৰ আটাইতকৈ ধুনীয়া ছোৱালীজনী।
:অনিৰুদ্ধই মোক ভাল পায় ককা।বিশ বছৰৰ পৰা হাই প্ৰেচাৰত ভোগা এজনী বেমাৰী ছোৱালীক ভাল পায়,মদ চিগাৰেট ভাং সকলো নিচা কৰি এই বেমাৰ চপাই লোৱা এজনী পাগলী ছোৱালীক ভাল পায়,খঙৰ ওপৰত কনট্ৰল নথকা,মানুহৰ লগত মিলিব নজনা, হাঁহিব নজনা,হুহুঁৰাব নজনা,নিগেটিভ মেনতালিটিৰ ছোৱালীক ভাল পায়।
মোৰ সম্পত্তিৰ কথা তেওঁ নাজানে, সোধা নাই কেতিয়াও।অনিৰুদ্ধই মোক কিয় ভাল পায় সেইয়া মোৰ বাবেও এটা ডাঙৰ প্ৰশ্ন আছিল ককা।কিন্তু তেওঁৰ ওপৰত এতিয়া মোৰ সন্দেহ নাই।
:যদি কথাবোৰ মিছা হয়?
:তেন্তে সেইয়া মোৰ ভাগ্য হ'ব ককা।আৰু ভাগ্যক কোনেও সলাব নোৱাৰে।তেওঁ নিজৰ ভনীয়েকক হেৰুৱাইছে।মোৰ আগত সেই কথা কওঁতে মই মিছা একো দেখা নাছিলোঁ।মানুহজন আনতকৈ বেলেগ।
ককা মনে মনে আছে।হয়তো মনতে অলপ বেয়াও পাইছে।কিন্তু ককাক ভাল লগাবলৈ গৈ তেওঁৰ লগত অন্যায় কৰিব নোৱাৰোঁ।।
নিজৰ লগতো নোৱাৰোঁ।

:তই এৰি থৈ গ'লে মই কাৰ লগত থাকিম?
আচল কথা সেইয়া হে আছিল।
ভয় খাইছে ককাই,আকৌ অকলশৰীয়া হোৱাৰ ভয়ত চৰম স্বাৰ্থপৰতা দেখুৱাই দিছে।মৰমেও কেতিয়াবা শিকলি হৈ বান্ধে মানুহক।মোকো যেন বান্ধি পেলাইছে আজি।ককাই কিয় ভাবিলে তেনেকৈ?
:এদিন তুমিওতো এৰি যাবাগৈ মোক?তেতিয়া মোৰ কি হ'ব?
ককা উঠি বহিল,মই ওচৰতে থিয় হৈ আছোঁ।
:কোৱা আকৌ,সদায় থাকিব পাৰিবা জানো তুমি মোৰ লগত?তাৰ পাছত মই কি কৰিম ককা?
:তোৰ... তোৰ ল'ৰা এটা নাই জানো?
ককাই জানে??????

থকা ঠাইখিনিতে শিল এটা হৈ ৰৈ গ'লো মই ।লৰচৰ কৰিব নোৱাৰা।ককাই কেনেকৈ জানিলে এইবোৰ কথা। আনফালে মুখ ঘূৰাই বহি আছে ।লাজ পাইছে হয়তো।এইবোৰ কথা আমাৰ সমাজত লাজ কৰিবলগীয়া কথা বুলি ঘোষণা কৰা আছে যিহেতু।

:কেনেকৈ জানিলা তুমি?

:ইমান ডাঙৰ ঘটনা মই নজনাটো সম্ভৱ জানো।তোৰ দেউতাৰ ঘৰৰ প্ৰতি উদাসীন।মই নহয়।সকলো বস্তুৰে খবৰ ৰাখোঁ।ডাঙৰ মাজনীৰ খবৰো পাই থাকোঁ।

:কোনে কয় তোমাক?মায়ে?

:কলেজৰ শেষৰ বছৰটো তই নষ্ট কৰিলি,গুৱাহাটীত থাকিলি, ইমানবোৰ কথা লুকাই নাথাকে।মাৰে নকয় মোক।কিন্তু মই জনাটো তাইয়ো বিচাৰে।সেইকাৰণে মোক আহি কৈ দিবহি বুলি জানিও যোগেশক লৈ যায় লগত।মই কিন্তু ভাল পোৱা নাছিলোঁ কথাবোৰ।খুব বেয়া পাইছিলোঁ।

:বুজিছোঁ।

:সংসাৰ এখন পাতিলে জীৱনত স্থিৰতা আহে।আৰু অস্থিৰ জীৱনলৈ আৰু এটা জীৱ আনি তই তাকো কষ্টহে দিলি।

:মাৰি পেলাবতো নোৱাৰোঁ।

:ভাগ্য বুজিছ।ঘৰখনৰ সকলোৰে ভাগ্য এইয়া।কৰ্মফল কিছুমানো আছে।

ককাই হুমুনিয়াহ কাঢ়িলে।

নিজে কি কৰিছিল নাজানো,কিন্তু দেউতাই বহুতো নকৰিবলগীয়া কাম যে কৰিছে সেইয়া সৱেই জানে।বাগানৰ মহৰীক বুদ্ধি কৰি লেবাৰৰ হতুৱাই মাৰি পেলোৱাৰ ষড়যন্ত্ৰও কৰিছিল এবাৰ।কথাবোৰ আগতীয়াকৈ ওলাই পৰিছিল।আৰু বা কিমান ঘটনা কোনেও নজনাকৈ ঘটি আছে।দেউতাৰ সমৰ্থন থকা পাৰ্টিৰ বিধায়ক জনৰ বিষয়ে কোনেও বেয়াকৈ লিখিব নোৱাৰে।কিয় নোৱাৰে সেইয়া মানুহে জানে।দেউতাৰ এই অন্যায়ৰ কৰ্মফল হয়তো আমি সৱেই ভুগিছো।

:ককা।

পকাত বহি ককাৰ হাত এখন খামুচি ধৰিলোঁ।

:তাৰ নামটো থুপু ।

:আঢ়ৈ বছৰ হ'ল ন।তাৰ সিটো নাম ময়ে দিয়া।যোগেশক কৈছিলোঁ,তোৰ মাৰক কৈ দিবলৈ।

:ইমান ধুনীয়া নাম তুমি দিছিলা?

:সি আমাৰ ঘৰখনলৈ ৰং আনি দিব।

:তাক লৈ আনিম ককা,সি তাত মৰম নাইপোৱা।

কথাবোৰ এফালৰপৰা খুলি কৈছোঁ ককাক।একান্তমনে শুনি আছে।একো উত্তৰ নাই।মাজে মাজে হুমুনিয়াহ কাঢ়ে।

:এইটো ঘৰত নালাগে,সি দিগদাৰী পাব।

মানুহজনক ভুল বুজিছিলোঁ,এতিয়া অপৰাধবোধে মোক হেঁচা মাৰি ধৰিছে।

:মই তোমাক এৰি নাযাওঁ নহয়।

:অনিৰুদ্ধই লৈ যাব তোক।

:নিনিয়ে।মই নাযাওঁ নহয়।তোমাৰ স'তে সদায় থাকিম।

:শেষৰ দিনকেইটা হাঁহি মাতি থাকিব খুজিছোঁ।শেৰালিয়ে এৰি থৈ গুচি গ'ল।লগত লৈ যোৱা হ'লেই ভাল আছিল।

:তুমি নাথাকিলে মোৰ কি হ'লহেঁতেন?এবাৰ ভাবি চাইছা।

:এতিয়া তো তোৰ মোক লৈ দিগদাৰ হ'ব।

:নহয়।মই তোমাক আৰু থুপুক লগত লৈ এখন ধুনীয়া সংসাৰ কৰিম ককা।তাতে অনিৰুদ্ধও থাকিব।তেওঁ মোৰ জীৱনৰ এটা অংশ হৈ থাকিব,গোটেই জীৱনটো নহয়।সম্পৰ্কবোৰ তেনেকুৱাই হ'ব লাগে ন ককা।মুকলিকৈ উশাহ লৈ থাকিব পাৰে তেতিয়া সৱেই।

ককাই মূৰত হাতখন থ'লে।এইখন হাত নাথাকিলে মায়োতো জীয়াই নাথাকিম।

:তেনেকুৱা ঘৰ এখন হ'ব ন আমাৰ।তুমি আশীৰ্বাদ দিলে হৈ যাব।

:তই হাঁহি থাকিলেই হ'ব,মোক আৰু একো নালাগে।

:মই তোমাৰ কষ্টবোৰ নষ্ট হ'বলৈ নিদিওঁ।চম্ভালি ৰাখিম।সঠিক সময় আহক।

:বৌটিৰ লগত তোৰ চেহেৰাটো মিলে,একেই আছিলে।চকু কেইটা তিৰবিৰাই থাকে।দূৰ্গাৰ দৰে।সৃষ্টি আৰু ধ্বংস একেলগে কৰিব পৰাকৈ শক্তিশালী।মাধৱৰ আশীৰ্বাদ সদায় থাকক তোৰ লগত।

:কিবা এটা খাবলৈ বনাওঁ,ভোক লগা নাই জানো।তুমি বহা।

:তালৈ ফোন এটা কৰি দিবি,বেয়া পাই থাকিব মিছাতে।মই পিছত কথা পাতিম।

:হ'ব।

ওলাই আহি মই অনিৰুদ্ধলৈ ফোন নকৰিলোঁ।বেলেগ এটা নম্বৰহে ডায়েল কৰিলোঁ।

:মা।

:কি হ'ল,ককাৰ গা বেয়া নেকি?

:ভালেই,তুমি ভালে আছা?

:গুৱাহাটীলৈ আহিছোঁ,কাম এটাত।

:থুপুৰ কাৰণে?

:হমম।

:ইয়ালৈ কেতিয়া আহিবা?

মা মনে মনে থাকিল।

:মা,ককাই সব জানে?

:জানে।জনাটো দৰকাৰ।

:তোমাৰ এলবামটো চালোঁ।

:ককাই যাতে নেদেখে।

:ভালকৈ থৈছো।কথা অলপ আছিল।

:পিছত পাতিম।ইয়াৰ কামটো হওক।কেইদিনমান সি মোৰ আৰু তৰাৰ লগতে থাকক।তাৰ পাছত মই লৈ

যাম।লিগেল কাম কিছুমান আছে।শৰ্মা আংকলে কৰি আছে।
:মা..
:কি?
:সোনকালে আহিবা।
মায়ে কাটি দিলে ফোনটো,তেওঁ কান্দিব নহ'লে।মই জানো।মানুহজনী যে মোৰেই অন্য এটি ৰূপ।

অনিৰুদ্ধৰ মেছেজটো স্ক্ৰীণত জিলিকি উঠিল।
খুলি চাই আচৰিত হ'লো।

শূন্যতাৰ সিপাৰে এখন আকাশ থাকে।
ওলমি থাকে তাত পপীয়া তৰাৰ জাক।
মই সিমানখিনিলৈকে গুচি গৈয়ো জীৱনলৈ উভটি আহিছোঁ ,আৰু অনিৰুদ্ধই মোক সোধে...
:এইয়াই শেষ?
:ওহোঁ,আৰম্ভণি ।
:মানে?
:লগ পালে কম।
তাৰ পাছত উত্তৰ নাই।মই ফোন থৈ ভাত ৰান্ধিবলৈ লাগিলোঁ।
ককাই আজি বহুতদিনৰ মূৰত মোৰপৰা বাঁহীটো খুজিছে।মিঠা সুৰ এটা বুকুৰ মাজেৰে বৈ গৈছে।ককাৰ পিৰিয় মগু দাইলত অলপ আদা কুটি গৰু ঘিউ দি দিছোঁ।এনেতে ফোনটো বাজি উঠিল।বাঁহীৰ মাতত শুনাই নাছিলোঁ।ছয়টা মিছদ কল।
:কি হ'ল
:তুমি লগ পালে কি কম কৈছিলা?
:সেইটো কাইলৈ লগ পাই ক'ম নহয়,এতিয়া নকওঁ।
:মই ৰৈ আছোঁ ইয়াত।
:ক'ত।
:গেইটৰ ওচৰত।পাৰ্কৰ ফালে।
:পাগল নে কি...
ফোনটো কাটি দৰ্জাখন লাহেকৈ খুলি ওলাই গ'লো।সঁচাকৈ ৰৈ আছে।যেনেকৈ আছিল তেনেকৈয়ে গুচি আহিল যেন পাওঁ।অথনিৰে কাপোৰ সলোৱাই নাই।চুলিবোৰ খেলিমেলি,চকুকেইটা ৰঙা,অকণমান ফুলি আছে।মৰম লাগি গ'ল দেখি।
:কোৱা এতিয়া।
:একো নাই অ'
:একো নাই যদি কিয় কৈছিলা।
গোটেইটো জাঙুৰ খাই উঠিল।উফ,ককা, জোঁৱাই, মা, থুপু এইবোৰ একেলগ হ'লে মই চোন পাগল হ'ম।

:ককাৰ চিন্তা হৈছিলে মই এৰি যাওঁ বুলি, এতিয়া বুজিলে।অলপ সময় দিয়ক,সৱ ঠিক হৈ যাব।আৰু অথনি তেনেকৈ ক'বলৈ কিহে পাইছিল।

:তুমি নিজেতো একোৱেই নোকোৱা।

:মই দৰকাৰী সময়ত দৰকাৰী কথা কওঁ।

:আৰু কি ক'লে ককাই, ইমান হাঁহি আছা যে।

:থুপুৰ কথা জানে ককাই,তাৰ নামটো তেওঁ নিজেই দিছিলে।

:থুপু টো?

:ওহোঁ, ভাল নামটো?

:কি?

:আবিৰ।

:মিনিং।

:ৰং, ফাকুৰ দৰে ৰঙীন কৰি দিব সি আমাৰ জীৱনবোৰ।

অনিৰুদ্ধই ধুনীয়া হাঁহি এটাৰে মোৰ গালত লাহেকৈ চুই দিলে, থুপুৰ দৰে গোল গোল চকুৰ পলক আকৌ এবাৰ চুই চালোঁ মই।

ৰাতিপুৱাৰেপৰা তেওঁক ভালকৈ এবাৰ দেখাও পোৱা নাই মই।আজি এইটো প্ৰজেক্টত তেওঁৰ শেষ দিন।গুচি যাব তেওঁ,যাব লাগিব।নিয়ম আছে যেতিয়া মানিবই লাগিব।জইন কৰোঁতে আমি সেইখিনি ৰুল পঢ়ি লৈছিলোঁ।এটা টিম লিড কৰোঁতে তেওঁ কেতিয়াও কাৰো প্ৰতি অন্যায় কৰিব নোৱাৰে।মোৰ দোষবোৰ তেওঁ যদি নেদেখা হৈ যায়, মোতকৈ যোগ্য কাৰোবাক যদি তেওঁ প্ৰাপ্যৰ পৰা বঞ্চিত কৰে।

বহু কথাই হ'ব পাৰে।

আৰু এনেকুৱা একো নহ'লেও প্ৰশ্ন কৰিবলৈ সুৰুঙা থাকিবই।মোৰ ভাল কামৰ প্ৰাপ্যকো অনিৰুদ্ধৰ সৈতে প্ৰেমৰ সম্পৰ্কৰ ফচল বুলিয়েই ধৰা হ'ব।

তেওঁ আঁতৰি যোৱাটো আমাৰ দুয়োৰে বাবেই ভাল সিদ্ধান্ত।মই যিহেতু অতি কমেও এবছৰএইটো প্ৰজেক্টত থাকিবই লাগিব,মই এৰি যাব নোৱাৰো।নহ'লে হয়তো মই নিজেই আঁতৰি গ'লোহেঁতেন।

অমৃত, প্ৰশান্ত, টানিয়া, সুৰেশ সকলো ব্যস্ত তেওঁৰ ফেয়াৰৱেলৰ ব্যৱস্থা কৰাত।সুভাষিণী ইতিমধ্যে গুচি গৈছে মেটাৰ্নিটি লিভত।কৃতিকা ঘূৰি আহিছে।তাইৰ সৈতে মই নতুন মডিউল এটাত কাম আৰম্ভ কৰিছোঁ।

:Ananya,you will miss him na?

:Nothing like that.

খুলি কোৱা ইমান সহজ নহয়।মিছ কৰিম?ওহোঁ নকৰোঁ।সদায় আহি তেওঁৰ ডেস্কৰ গছপুলিটোত পানী

দিম।নাইবা লৈ আনিম সেইটো মোৰ ওচৰলৈ।আৰু এমাহৰ পাছত তেওঁ আকৌ একেটা বিল্ডিঙলৈকে ঘূৰি আহিব।মন গ'লেই চাই আহিব পাৰিম চাগে।

কিন্তু...

এতিয়া আৰু মোৰ আশে পাশে বিয়পি নাথাকে তেওঁৰ সুগন্ধি, ঘূৰি চালেই নেদেখো কীবোৰ্ডত ধুমুহা গতিত চলা আঙুলিৰ কছৰৎ ।মিটিং বোৰত প্ৰত্যয় আৰু গভীৰ আত্মবিশ্বাসেৰে প্ৰতিটো কথাৰ সমাধান দিয়া তেওঁৰ কথাবোৰ।হাজাৰ কামৰ হেঁচা থাকিলেও মুখৰ মিচিকিয়া হাঁহিটোৰে সকলোৰে লগত কথা পাতি থকা মানুহজনক।

:Are you happy after marriage Kritika?

অপ্ৰত্যাশিত প্ৰশ্নটোত থতমত খালে কৃতিকাই।

অলপ পৰ মনে মনে থাকি উত্তৰ দিলে যদিও কৃতিকাৰ উত্তৰ পোনপটীয়া নাছিল।

বিয়াই তাইক দায়িত্বশীল কৰিছে,স্বামীৰ তাইৰ প্ৰতি মৰম আৰু দায়বদ্ধতা দেখি তাই দুগুণে প্ৰেমত পৰিছে।কিন্তু তাৰ মাজতো হেনো তাই পুৰণি দিনবোৰ,নিজৰ মাজৰ পুৰণি মানুহজনীক বিচাৰি ফুৰে কেতিয়াবা।তাইৰো কেতিয়াবা মন যায় বান্ধোন ছিঙি ওলাই আহিবলৈ।কিন্তু কিয়?প্ৰেম আছে,বিশ্বাস আছে, তাৰ পিছতো কিয়?

উত্তৰটো তাইৰ ওচৰত নাই,হয়তো কাৰো ওচৰত নাই।

স্বতন্ত্ৰতা!

সকলো মানুহৰে পৰম প্ৰাপ্তি কেৱল স্বতন্ত্ৰতা।সেই স্বতন্ত্ৰতা পালে মানুহে দুখ, শোক, ভোক, ৰোগ সকলোৰে সৈতে সহবাস কৰিব পাৰে।

:Come on guys, lets meet at the Cafeteria.

সুৰেশৰ মাত শুনি দুইজনী উঠি আহিলোঁ।হিবাহঁতৰ টিমৰ মানুহবোৰো আহিছে।এইবোৰ কামত টানিয়াই সদায় আগভাগ লয়।এক সপ্তাহৰ আগৰ পৰাই প্লেনিং।আৰু মই একেবাৰে শেষত থাকি ভাল পাওঁ।গিফ্ট কি কিনিব সেইয়া আলোচনাতো মই ভাগ লোৱা নাই।প্ৰায় পঁচিছ ত্ৰিশ জন মানুহ গোট খাইছে।কেইজনমানক চিনিও নাইপোৱা।আমাতকৈ বহুত চিনিয়ৰ যেন লাগিছে।ইফালে সিফালে চালো,নাই অনিৰুদ্ধৰ দেখা দেখি নাই।

:Here is my boy, come Ani.

সম্পূৰ্ণ ফৰ্মেল গেট আপত গম্ভীৰ খোজেৰে তেওঁ সোমাই আহিল।মই আৰু অলপ পিছুৱাই গৈ মানুহবোৰৰ একেবাৰে শেষৰ লাইনটোত ৰৈ আছোঁ।বগা ফৰ্মেল চাৰ্ট ,ব্লেক ফৰ্মেল পেণ্ট,ব্লেক ব্লেজাৰ, হয়তো আজিও কিবা প্ৰেজেন্টেচন আছিল।শেষৰ দিনাও?

এশটামান কাম একেলগে কৰি থাকে,কোনে জানে,Innovation Club ৰ কিবা থাকিবও পাৰে।

সুৰেশে আৰম্ভ কৰিলে,অনিৰুদ্ধ কেনেকৈ প্ৰজেক্টলৈ আহিল,কি কি কাম কৰিলে,যাবলৈ দিব লগীয়া হোৱাত তেওঁৰ কিমান বেয়া লাগিছে এই সকলোবোৰ।তাৰ পিছত অমৃত, টানিয়া, প্ৰশান্ত, ফোনত সুভাষিণী,টেষ্টিং টিমটোৰ লিড নবীন,Database Administator বিক্ৰান্ত সৰেই কিবা নহয় কিবা এযাৰ ক'লে।আনকি কৃতিকাও বাকী ৰোৱা নাই।এইবাৰ সুৰেশে মোক বিচাৰিলে।

শেষ।
যিটোলৈ ভয় খাই আছিলোঁ সেইয়াই হ'ল।
:Say a few words Ananya.
অনিৰুদ্ধৰ ফালে নাই চোৱা মই,চালেই একো ক'ব নোৱাৰিম।
:Good luck Anirudh, you will be missed!
:Thanks Ananya!
মাতটোহে শুনিলোঁ,তেওঁলৈ চোৱা নহ'ল।আকৌ আঁতৰি আহিলোঁ।তাৰ পাছত কেক কাটিলে, উপহাৰ ল'লে।বহুত দেৰিলৈকে চলিল ফেয়াৰৱেল পাৰ্টি।সৱৰে কাৰণে পিজ্জা আৰু কফিৰ ব্যৱস্থা হ'ল।খাবলৈ বহুতে মই হিবা আৰু কৃতিকা এখন টেবুলত বহিলো।তেওঁ সুৰেশ অমৃত আৰু আন দুজন মানুহ কিবা গভীৰ আলোচনাত ব্যস্ত।আঁৰ চকুৰে এবাৰ চালোঁ,এমাহলৈ দেখা নাপাম।বুকুখন গধুৰ হৈ আহিছে।
উঠি গৈ চাহ একাপ বিচাৰিলো, দাদাজনে আজিকালি মোৰ পছন্দ জানে।
:অদ্রক ৰালী না মেম?
:হাঁ।বিনা ছিনি কা ।
:ময়ো খাম।
ঘূৰি চালোঁ।তেওঁ ওচৰতে ৰৈ আছে।চকু কেইটা সৰু কৰি হাঁহি এটা মাৰিলে।
:দ' কাপ ভাইয়া।
: আপোনাৰ কাইলৈ ফ্লাইট কেইটাত?
:So you will miss me huh?
:Nope.
নিজৰ চাহকাপ লৈ আঁতৰি আহিলোঁ।কিন্তু পিছে পিছে আহি তেওঁ সৱৰে সন্মুখতে ব্লেজাৰ তো খুলি মোৰ হাতত দি ক'লে
:Keep it with you, I will be in another meeting now.
Dont leave before I come.

তাৰ পাছত আৰু মই তাত ৰৈ থকা নাই, পিজ্জা তাতে এৰি চাহৰ কাপটো হাতত লৈ উঠি গুচি আহিলোঁ, হাতত অনিৰুদ্ধৰ ব্লেজাৰটো।ফুৰফুৰীয়া সুগন্ধি এটা মোৰ সৈতে আহি থাকিল।

সাত বজাৰ মিটিং শেষ হ'ল,লাহেকৈ সৱ যাবলৈ ওলাইছে, তেওঁৰ তেতিয়াও দেখা দেখি নাই।ইফালে ককাই দুই তিনিবাৰ ফোন কৰিছে।চিন্তা কৰে আজিকালি।আঠ বাজি যোৱাৰ পাছত ৰৈ নাথাকিলোঁ, বেগটো সামৰি আহিবলৈ লওঁতেই তেওঁ ফোঁপাই জোপাই সেইখিনি পালেহি।
:ক'ত যোৱা?
:এইটো লওক।
ব্লেজাৰটো আগবঢ়াই দিলোঁ।তেওঁ নল'লে।ডেস্কৰপৰা সৰু গছপুলিটো আনি মোৰ তাত থ'লে।লকাৰটো আকৌ এবাৰ ভালকৈ চাই চাবিটো অমৃতক দিলে।মই সেইখিনতে ৰৈয়ে আছোঁ।

তেওঁ মেকবুকটো সামৰি সুৰেশক গতাই দিলে।সেইটো প্ৰজেক্টৰ ফালৰপৰা দিয়ে যিহেতু।সৰ কৰি মেলি আজৰি হৈ মোৰ ওচৰ পালেহি

:Let’s go.

:ক’লৈ?

:হায়দৰাবাদ। যাবা?

উত্তৰ নিদিলোঁ।অমৃত টানিয়া প্ৰশান্ত সৰকে বাই কওঁতে কিমান দেৰি যে লগাইছে।আৰু হাগ কৰাটো জৰুৰী নেকি?বিশেষকৈ টানিয়াক কিয় কৰিব লাগেনো।খং এটা টিঙিচকৈ উঠিয়েই আহিলে।চাই নাথাকোঁ বুলি ওলাই আহি লিফ্টলৈকীত ৰৈ আছোহি।

:You are coming to my home now.

:What???No way!

:ঠিক আছে,ময়ে আহিম তোমাৰ ঘৰলৈ।

:ককাক কি ক’ম?

তেওঁ একো নক’লে।লিফ্টত সোমাই মুখখন ফুলাই বেলেগ ফালেই চাই আছে।গাড়ীত বহিও একেই অৱস্থা। উপায় নাই।

ফোনটো উলিয়াই ককালৈ ফোন কৰিলোঁ।

:ককা, মোৰ অকণমান দেৰি হ’ব।আয়ু আহিব তোমাৰ ওচৰলৈ এতিয়া,তুমি ভাল পোৱা কাজু পোলাও আৰু পনীৰ লৈ যাব।হ’ব?

হাঁহি এটা ফুটি উঠিল তেওঁৰ মুখত।

:বহুত দেৰি নকৰিবি।অকলে আহিব পৰিবি জানো।

ককাক মিছা কথা কোৱাৰ ইচ্ছা নহ’ল।

:ককা,অনিৰুদ্ধ কাইলৈ যাবগৈ,তোমাক কৈছিলো যে।

:সি মোক মাত এষাৰ দি যাব নাপায় হ’বলা।

:তুমি বেয়া নোপোৱা যদি তেওঁক লৈ আহোঁ নে আমাৰ ঘৰলৈকে?

:উৰা.. ভালহে পাম,পিছে ভাত পানী?

:সেইয়া হ’ব বাৰু,শুনাচোন,তুমি ভাল চোলা এটা পিন্ধি থাকা, আমি আহি আছো।

মনতে ভাবি থকা কথাটো তেওঁক ক’লো।

:ভোক লগা নাই জানো?Dinner on me.

:তেওঁ জোৰেৰে গাড়ীখন ব্ৰেক মাৰি দিলে।

:What?

:Yes.কিন্তু ককাক লৈ আহোঁ আগতে।

তেওঁৰ তৰা তৰা চকু কেইটা তিৰবিৰাই উঠিল।বাওঁহাতেৰে মোৰ সোঁ হাত খন খামুচি ধৰিলে।মিউজিক চিষ্টেমত মৌপিয়াই তেতিয়া সাধুকথা কৈছে।

দূৰৈৰ পৰাই দেখিছোঁ ককা বাৰাণ্ডাত লাইট জ্বলাই বহি আছে।
:মই ককাক লৈ আহোঁ, আপুনি নাযায়?অলপ ফ্ৰেছ হৈ ল'ব পাৰিব।

তেওঁ মুখ হাত ধুই ককাৰ সৈতে বাৰাণ্ডাত বহিল।ময়ো কাপোৰ সলাই ল'লো।জিনছ আৰু টপ খুলি পাতল গুলপীয়া চুৰিডাৰযোৰ উলিয়াই পিন্ধিলোঁ।তেওঁৰ বাবে যেন আজি সকলো কৰিম।কাইলৈৰ পৰা যে বিচাৰিলেও নাপাওঁ কাষত।
মন যায় কেতিয়াবা,হয়।মোৰো মন যায়।
নিজক ধুনীয়াকৈ সজাই তুলিবলৈ,অনিৰুদ্ধৰ সৈতে ধুনীয়া সময় পাৰ কৰিবলৈ।খুলি ক'বলৈ হে দিগদাৰ হয়।

:মই ৰেডি।যাওঁ ব'লা ককা।
:মাজনী,তহঁত যা।মই নাযাওঁ আজি।
:কিয়????????
আমি দুয়ো একে সময়তে চিঞৰি উঠিলোঁ।ককাক লগত লৈ যাবলৈকে আমি আহিছিলোঁ।কিন্তু এতিয়া নাযাওঁ বুলি কিয় ক'লে বুজি নাইপোৱা।
:এইবোৰ সময় আমিও পাৰ কৰি আহিছো,একো নহয় যা।অনিৰুদ্ধ,সোনকালে থৈ যাবাহি তাইক।বেছি দেৰি নালাগে কৰিব।
:তোমাৰ খোৱা ? মই চোন একো নাৰান্ধিলোঁ।
:আয়ুক মাতিছোঁ ফোন কৰি,লৈ আনিব সি।
বুজি পালো,ককায়ে আমাক অকলে সময় কটাবলৈ দিব বিচাৰিছে।সেইবাবে যাবলৈ ওলোৱা নাই।তেওঁ দুই তিনিবাৰ আকৌ কৈ চালে।ককা নাযায়।উপায় নাপায় আয়ুক ময়ো ফোন কৰি মাতি ওলাই আহিলোঁ।আমি গাড়ীত উঠোতে সি আহি পালেহিয়েই।
এইটো নহ'লে যে মোৰ কি হ'ব।
:অ'ই,মই নহালৈকে থাকিবি দেই।
:মই আজি ইনেও ইয়াতে থাকিম।
:ইনেও নহয়, এনেয়েও।
:যা না বুঢ়ী,ডেটত যা।জ্ঞান দি নেথাক।

আগবাঢ়িলোঁ।জোনাকে ধোৱা তৰাফুলা ৰাতিটো যেন আমাৰ বাবেই ইমান বেছি ধুনীয়া আজি।
:ক'ত যাবা?
:আপোনাৰ ভাল লগা ৰেষ্টুৰেণ্টলৈ।

Bye The Blue ৰেষ্টুৰেণ্টত এখন টেবুল লৈ আমি বহিলো।একান্তই আমাৰ সময়খিনি বুকু জুৰ পৰি যোৱাকৈ নিজৰ কৰি ল'বৰ মন গৈছে মোৰ।তেওঁ বহুত কিবা কিবি কৈ আছে,মই শুনা নাই।চাই আছোঁ।কথাৰ মাজে মাজে সৰু ডাঙৰ হৈ থকা ধুনীয়া চকুযোৰ, হাঁহি দিলে গালত পৰা টোলটো, মাজে মাজে চুলি খিনি চুই থকাৰ

অভ্যাস টো, আৰমানিৰ চিনাকি গোন্ধটো।
সকলোবোৰ হেৰুৱাম কাইলৈৰ পৰা।
ভাল পোৱা মানুহজনক আঁতৰাই পঠিয়াই মানুহ কেনেকৈ জীয়াই থাকে বাৰু?

:খোৱা আকৌ।ককাই জলদি drop কৰিব কৈছে ন।
:হমম।
বহু কথাই পাতিলোঁ,তেওঁৰ নতুন প্লেন,মোক দিয়া হাজাৰটা উপদেশ, দৈনিক ৰাতিপুৱা গধূলি ফোন কৰাৰ তাগিদা, অমৃতৰ সৈতে তৰ্ক নকৰিবলৈ সকীয়নী,শ্বেয়াৰ মাৰ্কেটত ইনভেষ্ট কৰিবলৈ আকৌ এটা reminder... আৰু যেন শুনিম এই কথাবোৰ, এই মাতষাৰ।
খোৱা হ'ল,কিন্তু যাবলৈ যে ইচ্ছা হোৱা নাই।সময়বোৰ যেন বেছি খৰকৈ আগবাঢ়িছে আজি।
দহ বাজিবৰ হ'লেই।
:যাওঁ নেকি?ককাই চিন্তা কৰিব।
:No.
:কিয়?
:I want you by my side Ananya.Is it possible?
উত্তৰ নাছিল।মোক যে এতিয়া সময়ৰ প্ৰয়োজন।ককা,থুপুৰ লগতে মাজে মাজে মাৰ বাবেও চিন্তা হয়।কিন্তু এই মানুহজনক উপেক্ষা কৰোঁ কেনেকৈ?
:আগৰ কথা নাজানো,আজি আৰু অলপ সময় আপোনাৰ লগত ময়ো থাকিব বিচাৰোঁ।
মোৰ কথা শেষ হোৱাৰ আগতেই তেওঁ কৈ উঠিল
:Come with me.
:ক'লৈ?
একো নুবুজিলোঁ।তেওঁ অলপ খোৱাবস্তু পেক কৰাই লৈছে।
কিন্তু কাৰ বাবে?

আকৌ এবাৰ আমি আহিছোঁ সেইখিনি ঠাইলৈ,য'ৰপৰা আৰম্ভ হৈছিল সকলোবোৰ।আজিও আছে তাত মোক আশীৰ্বাদ দিয়া কিন্নৰসকল।ঠাইখিনি অলপ চফা হ'ল।ভিৰ নাই।দুই এজন মানুহ আহি আমাৰ সন্মুখতে তেওঁলোকৰ সৈতে কথা পাতিছে।গাড়ীখন অলপ দূৰত ৰাখি আমি আগবাঢ়িলোঁ।অনিৰুদ্ধই খোৱা বস্তুবোৰৰ লগতে পকেটৰ পৰা পইচা অলপ উলিয়াই দিলে।তেওঁ যে নাথাকিব সেইয়াও ক'লে।
:শাদি হো গয়া ?
:হ' জায়েগী।
তেওঁ মোলৈ চাই চাই উত্তৰ দিলে।
:
আকৌ এবাৰ এসোপামান আশীৰ্বাদ শিৰ পাতি লৈ গাড়ীত বহিলো।
লাহে লাহে গাড়ীখন আগবাঢ়িল।

:ইয়াৰপৰাই আৰম্ভ হৈছিল ন?
:উম।
:Lets make it more mamorable.
হঠাৎ ৰখাই দিলে।কিন্তু কিয়?

গ্লাছ কেইখন উঠি আহিল।মোৰ ছিট বেল্টডাল খুলি দিলে তেওঁ।কাণৰ কাষৰ চুলি খিনি আঁতৰাই দিলে।ইমান ওচৰত কিয় অনিৰুদ্ধ?
উশাহটো একেবাৰেই ৰৈ গ'ল।
:I want my farewell gift.
তাৰ পাছত বহুপৰ মই চকু মেলিব পৰা নাই।মাত্ৰ অনিৰুদ্ধৰ ঘন ঘন উশাহবোৰ নিজৰ মাজত সামৰি লৈছোঁ। আৰু তাৰ পাছত?
সামৰি ল'লে বুকুৰ মাজত..
:I will miss you like hell...love you so much...

কাইলৈ বোৰ অহাটো জৰুৰী নেকি?

আঁতৰি যোৱাৰ পাছতো তেওঁ মোৰ মাজত সিঁচি গ'ল নিজক ভালপোৱাৰ হাজাৰটা অজুহাত।ব্যস্ত ৰুটিনৰ মাজত সম্পূৰ্ণ এক ঘণ্টা সময় তেওঁৰ বাবে উলিয়াই ৰাখোঁ।যিমানেই দেৰি নহওঁক কথা নপতাকৈ নোশোৱে তেওঁ।তালৈ গৈ প্ৰথম দুদিনমান গা বেয়া হ'ল।জ্বৰ,চৰ্দি।পানী সলনি হ'লে হয়েই।সেইকেইদিন অলপ বেছিয়েই ফোন,মেছেজ।মই নাথাকোঁতে কি কৰিছিল নাজানো।ইফালে ককা আৰু আয়ু নতুন ঘৰ বিচৰা মিছনত নামিছে।যিটো কাম মই নোহোৱাকৈ কৰিব নোৱাৰে মই ভালকৈয়ে জানো।আৰু চিনেমাত দেখুৱাৰ নিচিনাকৈ যেন একেদিনাই ঘৰটো কিনি পেলাব পাৰিব।কিমান দীঘলীয়া পৰিক্ৰমা সেইয়া মই জানো।তাৰোপৰি বুক কৰাৰ পিছত সোমাব পৰা হোৱালৈ প্ৰায় দুবছৰ লাগিবই।আজিও অফিচৰ পৰা অহাৰ পাছতে ককাই আৰম্ভ কৰিলে
: 3BHK এটা লাগিবই বুইছ।আয়ুয়ে কৈছে এক কোটি মানত ভাল বিল্ডাৰৰ ফ্লেট পাই যাম।
:উম।
:সি দেওবাৰে ওলাই থাকিবলৈ কৈছে,যাবিনে তই?
:যোৱা তোমালোকে চাই আহা।
:সেয়া, আকৌ তোৰ গপ লাগিলেই।
:গপ নাইলগা ককা।তুমি যে আয়ুৰ কথা ইমান চিৰিয়াছ কৈ লৈছা মই সেইয়া দেখিহে আচৰিত হৈছোঁ।সি কি

জানে কোৱাচোন?নিজৰ ৰূমৰ ৰেন্ট এগ্ৰিমেণ্ট খন পঢ়ি চাইছেনে নাই ঠিক নাই।আৰু কি ভাবিছা তুমি?পইচা খিনি টোপোলা বান্ধি লৈ যাবা আৰু ঘৰটো দি দিব?লোণ ল'ব লাগিব।আৰু মোৰ ইনকাম চাই মই কেইটকা লোণ পাম জনা আছে।সেইকাৰণে এইবোৰ চিন্তা এতিয়া মই কৰাই নাই।ল'ম ঘৰ এটা কেতিয়াবা।যিটো মই নিজৰ উপাৰ্জনৰ পইচাৰে ঢুকি পাম,তেনেকুৱা এটা ঘৰ।

:মই দিলে মানে তই সেইটো ঘৰত নাথাক?

:চোৱা,পইচা আছে যদি ভালকৈ ৰাখা, থুপুৰ ভৱিষ্যতৰ কাৰণে ৰাখা।এতিয়া মই যি কৰি আছো, যেনেকৈ কৰি আছো মোক কৰিবলৈ দিয়া ককা।প্লিজ।

:আৰু ই আহিলে ক'ত থাকিব?

:ই মানে?

:মাৰে জানো লৈ যাবহি খোজা নাই তাক।

:তুমি গম পোৱা?

:সেইকাৰণেই তো ইমান খৰধৰ কৰিছোঁ।

:ইয়াতে থাকিব।মানুহ এনেকৈয়ে থাকে।থুপু মোৰ ল'ৰা।তাক মই বগা বাংলোৰ বাহিৰৰ পৃথিৱীখন দেখুৱাব খুজিম।সি প্ৰত্যেকটো বস্তুৰ মূল্য বুজা তো বিচাৰিম।ইয়াতে থাকিব সি।মোৰ লগত পকাত শুব।আমি যি খাওঁ তাকে খাব।বহুত ভাবিলোঁ মই,তাৰ কাৰণে 'বিশেষ' কিবা এটা কৰিম বুলি,কিন্তু নকৰোঁ।সি জানক, তাৰ মাকজনী নিজেই 'বিশেষ' মানুহ নহয়।মাত্ৰ অভিজাত পৰিয়াল এটাই বুটলি আনি আশ্ৰয় দিয়া মানুহ এজনীহে।

:তোক মই কেতিয়াবা তেনেকুৱা ব্যৱহাৰ কৰিছোঁ জানো?

:নাইকৰা।কেতিয়াও নাইকৰা।কিন্তু সঁচাটো সঁচাই ন ককা!

তুমি বেয়াকৈ নাভাবিবা।সময় সলনি হৈছে ককা।থুপুৰ ভালৰ বাবেই মই এনেকৈ ভাবিছোঁ।সি নাজানক তাৰ মাকৰ নামত কিমান সম্পত্তি আছে,তাৰ ককা আজুককাৰ কিমান প্ৰতিপত্তি আছে।সি কষ্ট কৰিবলৈ শিকিব লাগিব।মই শিকাম তাক।

আৰু কি জানা ককা,কষ্ট কৰি ঘটা এটকাৰ মূল্য আনে দিয়া হাজাৰ টকাতকৈ বেছি।মই সেইয়া বুজোঁ।

:তোৰ চিন্তাবোৰ আমাতকৈ বেলেগ।ভালেই ভাবিছ চাগে।

ককা আঁতৰি গ'ল।ভাতকেইট খাই মই লেপটপ খুলি বহিলো।কাম অলপ এতিয়াও বাকী আছে।অনিৰুদ্ধ গুচি যোৱাৰ পাছত অমৃত বেছি ব্যস্ত হৈ পৰিল।আৰু দিনটোত মোলৈ নতুন কাম আহিয়েই থাকে।অমৃতে মাত্ৰ গাইড কৰে কি কৰিব লাগিব।শেষ কৰাৰ দায়িত্ব মোৰ।তাৰবাবে পঢ়িবও লগীয়া হৈছে।ককাই আজিকালি hotstar এপটোত মহাভাৰত চায়।ভাত খাই একমিনিটো নৰয়।চিধাই টিভিৰ সন্মুখত।বিছনাত ভালকৈ আউজি চাব পৰাকৈ ৱালত ফিট কৰি দিছিলোঁ টিভিটো।এতিয়া তাত দিন ৰাতি ৰামায়ণ,চিয়া কে ৰাম,মহাদেৱ চলি থাকে।মাজে মাজে নিউজ।কামৰ মাজতে মাৰ ফোন আহিল।এবাৰ ৰিং হওঁতেই উঠালোঁ

:মা

:কি কৰিছ?

:অফিচৰ কাম।তুমি গুৱাহাটীৰ পৰা গ'লা নেকি?

:নাই যোৱা, ইয়াতে আছোঁ।
:থুপুক কেতিয়া আনিবা?মই আহোঁ নেকি গুৱাহাটীলৈ?ককাকো লৈ যাম।
:নালাগে মিছামিছি ।
মায়ে খঙত ক'লে।মনে মনে থাকিলোঁ।
:মাজু।
:হমম।চাবলৈ মন গৈছে নেকি তাক?
:ওঁ।
মাতটো ওলোৱা নাই মোৰ।আনৰ দৰে সহজতে মই কান্দিবও নোৱাৰোঁ।হয়তো মায়ে বুজি পায়।
:তোৰ ঘৰৰ এড্ৰেছটো দি থ মেছেজত।
ফোনটো থৈ মালৈ মেছেজ কৰিলোঁ।থুপু আহিব।ইয়াতকৈ ভাল লগা আৰু কি হ'ব পাৰে মোৰ বাবে।সময়বোৰ এনেকৈ সলনি হ'ব বুলি মই জানো ভাবিছিলোঁ।কিমান যাতনাৰ ৰাতি মই মৰি যোৱাৰ সিদ্ধান্ত লৈছিলোঁ।থুপুক এৰি আহি প্ৰায় ছমাহলৈকে মইতো কেৱল উশাহ হে লৈছিলোঁ।কিমান বিষ বুকুত কঢ়িয়াইছিলোঁ।আৰু যেতিয়া বুকুৰ অমৃত চেপি উলিয়াই পেলাই দিছিলোঁ...
নোৱাৰোঁ ভাবিব !
লাহে লাহে নিচা লাগিছিল মোৰ আগতকৈ বেছি নিচা।অভ্যাস এটা গঢ় লৈছিল।দুখৰ সৈতে সহবাসৰ দুখ।আঙুলিৰ ফাঁকেৰে সৰকি যোৱা সুখৰ সময়ৰ স্মৃতিত জীয়াই থকাৰ অভ্যাস।এতিয়া ভাবোঁ, মই যদি তেতিয়া মৰি থাকিলেহেঁতেন, ধুনীয়া দিনবোৰ নেদেখাকৈয়ে গুচি গ'লোহেঁতেন...
দুখৰ পৰা পলাই যোৱাতকৈ, মোকাবিলা কৰা উচিত নহয়নে?
মোৰ লগত যি যি ঘটিছিল,তাৰ পাছতো জীয়াই থাকি মই জীৱনৰ প্ৰত্যহ্বানক উভতি ধৰিছিলোঁ।
হয়,তাৰবাবে ডুবিছিলোঁ অনামী নিচাত,নিজকে উৰুৱাই দিছিলোঁ চিগাৰেটৰ নিচাত ।
কিন্তু সেই সকলো নিচাতকৈ অধিক ৰাগী জীৱনৰ,জীয়াই থকাৰ, ভালপোৱাৰ..থুপুৰ!
মোৰ উশাহত গজা এটি নাম...থুপু!
ককাই ৰং দিয়া এটি প্ৰাণ... আবিৰ !
মায়ে বাৰু তাক কি বুলি মাতে???

ককা শুই পৰিছে।অনিৰুদ্ধই এতিয়াও ফোন কৰা নাই।ময়েই ভিডিঅ' কল কৰিলোঁ।নুঠালে।কি বা হ'ল?হয়তো কামত ব্যস্ত।গান এটা লগাই আকৌ কামত লাগিলোঁ।পাপনৰ "তোমাৰ কথা ভাবিলেই জানা" গানটো প্ৰায়ে শুনো আজিকালি।মেটেলিকাৰ Whiskey In The Jar শুনি ভালপোৱা মই আজিকালি হুলস্থূল বেয়া পাওঁ।শান্ত সংগীতৰ প্ৰেমত পৰিছোঁ।
ওহোঁ..মই অনিৰুদ্ধৰ প্ৰেমত পৰিছো।
স্ক্ৰীণত তেওঁৰ ভিডিঅ' কল।প্ৰায় চাৰিদিন পাছত আজি দেখিম।এইকেইদিন ৰূম ঠিক হোৱা নাই বুলি ভিডিঅ' নকৰে।ইমান লাজ কিহৰ কাৰণে নাজানো।
ক'লা ভেষ্ট পিন্ধি, ডাঢ়িয়ে গোফে গোটেইটো 'গলি কা গুণ্ডা'।
:এইটো কি ৰূপ?

:ট্ৰেজেদি হৈছে যে।দহদিন হৈ গ'ল,দেখা নাই তোমাক।
হাঁহি উঠি আহিল।
:বেয়া লাগিছে নেকি?
:বহুত বেছি।আৰু এইবোৰ কি হাইস্কুলৰ কাপোল বোৰৰ নিচিনা দিন হিচাপ কৰি আছে।আমি বুঢ়া হ'লো এতিয়া।
:No Way!মই যে নাই হোৱা দেই।তুমিহে নিজকে বুঢ়ী বনাই লৈছা।
:কথা এটা কওঁ নে?
:কোৱা আকৌ।
:I miss you, really!
:এইটো উইক এণ্ডত কি কৰি আছা?গুচি আহা না প্লিজ।
:এনেই যা তা কৈ থাকে কিয়?কেনেকৈ যাম মই?আৰু ককাক কি ক'ম?
:প্ৰব্লেমৰ ভাণ্ডাৰ সদায় ভৰ্তি হৈয়েই থাকে ন তোমাৰ।
তাৰ পাছতো বহুতো কথা আমাৰ।কওঁ কওঁ বুলিও ক'ব নোৱাৰিলোঁ তেওঁক মাৰ লগত কথা পতাৰ কথা।থুপুক লৈ অনাৰ কথা।কেতিয়াবা কিছুমান কথা মোৰ ডিঙিত আহি লাগি ধৰে।ছটফটাই থাকোঁ কিন্তু কৈ দিব নোৱাৰোঁ।আজিও নোৱাৰিলোঁ।কিজানি অনিৰুদ্ধই বুজি নাপায়, কিজানি মোৰ দৰে তেওঁ আনন্দত জঁপিয়াই নুঠে।
ভয়,আশাহত হোৱাৰ ভয়!

ককাক লৈ ওচৰৰ মন্দিৰলৈ যাম আজি।বহুতদিনৰ পৰা কৈ আছে যদিও সময় সুবিধা মিলাই নাই।শুই উঠিয়েই ককা ওলাই মেলি ৰেডি।মানুহগৰাকীয়ে ঘৰ সাৰি মচি গৈছে।ককাই ধূপ চাকি জলাইছে।বিছনাখন ঠিক ঠাক কৰি বাথৰূমত সোমালো।শ্বেম্পুটো হাতত লৈ গোন্ধটো উজাই লৈছোঁ।ষ্ট্ৰবেৰী আৰু মিণ্টৰ তেওঁ ভালপোৱা গোন্ধটো।বগা কুৰ্তীটো পিন্ধি চুলিখিনি তেনেকৈয়ে মেলি লৈ ককাৰ সৈতে ওলাই আহিলোঁ।খোজকাঢ়ি প্ৰায় এক কিলোমিটাৰ হ'ব।ৰাতিপুৱাৰ পূজা হৈ আছে।ককাই মন্দিৰৰ সন্মুখৰ দোকানখনৰ পৰা পূজাৰ সামগ্ৰী কিনি ভিতৰলৈ সোমাল।মই বাহিৰতে ৰ'লো।ভগৱানৰ লগত বৰ ভাল সম্পৰ্ক নহয় মোৰ।কেতিয়াবা বাধ্যত পৰি মূৰ দোৱাওঁ।আজিও একেই।ককাই ভিতৰত মানুহবোৰৰ সৈতে আৰতিত ভাগ লৈছে।
মই চিৰিৰ ওচৰতে বহি আছোঁ।
এনেতে মাৰ ফোন।
:আমি ফ্লাইটত উঠিছোঁ।তৰাও আছে লগত।তোৰ সেইখিনি পাওঁতে কেইটা বাজে নাজানো।
কি শুনিছোঁ এইয়া????
:মা... হেল্ল'..
নাই,বন্ধ হৈ গ'ল।

ফোনটো থৈ মন্দিৰৰ ভিতৰলৈ দৌৰ মাৰিলো।আঁঠুকাঢ়ি কি বিৰবিৰাইছোঁ নাজানো।থৰথৰকৈ কঁপা মোক আচৰিত হৈ চাইছে সৰেই।ককাই কিবা এটা বুজিছে।আৰতিৰ থালৰ ওপৰেৰে পূজাৰীজনে হাত ফুৰাই মোৰ ফালে আশীৰ্বাদ এখিনি দি দিছে।সন্মুখৰ মহাদেৱৰ মূৰ্ত্তিটোৰ চকুহালত মই যেন আজি প্ৰথমবাৰ ভগৱানৰ অস্তিত্বক দেখিলো।

:কি হ'ল মাজনী?

ককাক যেনেতেনে কথাকেইটা কৈছোঁ।কি কৰোঁ কি নকৰোঁ লাগিছে।কিমান যে কাম আছে মোৰ।পূজা শেষ হোৱালৈ নৰ'লো।ককাক টানি আজুৰি অট' এখনত উঠাই ঘৰ পালোহি।থুপু এনেকৈ সুমাবহি নোৱাৰে।তলৰ ফুলৰ দোকানৰ পৰা ফুল কিনি আনিলোঁ।ঘৰৰ মুখ্য দুৱাৰত নাৰ্জী ফুলৰ দুডাল মালা লগালো।আয়ুক বেলুন আনিবলৈ দিলোঁ।গোটেই ঘৰতে বেলুন লগাম আজি।আৰু কি কি কৰিম?

মোৰ উশাহ বোৰ ছুটি ছুটি হৈ গৈছে।ককাও মোৰ সমানে সমানে কামত লাগিছে।

তাৰ মাজতে অনিৰুদ্ধই বাৰে বাৰে ফোন কৰি আছে, উঠাবলৈ সময় নাই।

:উফ কি হ'ল নো?

:ফোন কিয় উঠোৱা নাই?

:প্লিজ,মই এতিয়া কথা নাপাতোঁ।বহুত কাম আছে।

:আজি শনিবাৰে ইমান কি কাম?

তেওঁ ফোন কাটি আকৌ ভিডিঅ' কল কৰিলে।আচৰিত হৈছোঁ আকৌ এইবাৰ।তেওঁচোন নিজৰ ঘৰত।মানে বেংগালুৰুৰ ঘৰত।

টোপনি খতিৰ চিন স্পষ্ট মুখত।চ'ফাখনতে আউজি পৰি আছে।

:কালি ৰাতি গুচি আহিলোঁ ড্ৰাইভ কৰি,মিছ কৰিছিলোঁ তোমাক।চাবলৈ আহিম এতিয়া।

মাথাটো ঘূৰাই গ'ল।সব একেলগে কিয় হয় মোৰ লগত!

:Noooooo.

:What?

উপায় নাছিল।সৰ খুলি ক'লো তেওঁক।মনে মনে শুনি থাকিল তেওঁ।একো নক'লে।

:মই তোমাৰ আৰু থুপুৰ মাজত নোসোমাও কেতিয়াও।It's a special day for you. I am so happy for you Ananya..

ওহোঁ।

কৰ'বাত তেওঁ সম্পূৰ্ণ সুখী নহয়।কিন্তু মই এতিয়া সেইবোৰ ভাবিব নোৱাৰোঁ।দহ বাজিলেই।কেব বুক কৰি এয়াৰপোৰ্ট পাবলৈ এঘণ্টাৰ ওপৰত লাগিব।বেলুন আৰু চকলেট এসোপা লৈ আয়ু পালেহি।তাক আৰু ককাক ঘৰৰ দায়িত্ব দি মই কেবত উঠিলোঁ।মাৰ ফোন অফ।একো নাই মই বাহিৰত ৰৈ থাকিম।যিমান দেৰিয়েই ৰ'ব নালাগক মই ৰ'ম।

মন্দিৰলৈ ওলাই যোৱা ভাগেই ঘৰত পিন্ধা ছেণ্ডেলযোৰ পিন্ধিয়েই ওলাই আহিলো।কেবখন ইমান লাহে লাহে কিয় চলাইছে নাজানো।বাৰে বাৰে মাৰ ফোন লগাই আছোঁ।নাই এতিয়াও পোৱাহি নাই।বুকুৰ ভিতৰত কি চলিছে মই নিজেও বুজি পোৱা নাই।

এইবাৰ মাৰ নম্বৰ এৰি তেওঁলৈ ফোন কৰিলোঁ।

:ভয় লাগিছে মোৰ।
:কিয়?
:নাজানো।
:মই আহোঁ?
:প্লিজ,নালাগে।Its too overwhelming for me.
:ক'ত আছা?
:এয়াৰপোৰ্ট গৈ আছোঁ।
:কল কৰিবা কিবা দিগদাৰ হ'লে।
ফোনটো কাটি দিলোঁ।মই আচলতে এতিয়া কি কৰিব লাগে মই নিজেই বুজি নাইপোৱা।
এঘণ্টাতকৈ বেছি সময় মই এয়াৰপোৰ্টৰ বাহিৰত ৰৈ আছোঁ।পেটৰ শব্দ শুনিহে মনত পৰিল মই যে ৰাতিপুৱাৰপৰা একোৱেই নাইখোৱা।খাবলৈ ললেই যদি থুপু আহি পায়হি।নাই নালাগে।পিছত খাম।তাৰ লগতে খাম।ঘড়ীটো চাই আছোঁ।এক বাজি চল্লিছ মিনিটত মাৰ ফোন আহিল।
:পালোহি, বেগ লৈ আছোঁ।
আৰু তাৰ পাছত।মই চকু টিপিয়াবলৈও ভয় কৰিছোঁ।এটা এটা পল এটা এটা বছৰ যেন লাগিছে।প্ৰায় বিশ মিনিটমানৰ পাছত এয়াৰপোৰ্টৰ এক্সিত গেইটখনেদি ওলাই আহিছে মা, তৰা আৰু মোৰ থুপু।
আঁঠু কেইটাই মোৰ ভৰ লৈ থাকিব নোৱাৰা হৈছে, হঠাৎ যেন গাৰ ওজন বহুতখিনি বাঢ়ি গৈছে মোৰ।
হাতখন আঁঠুত দি ৰৈ আছোঁ।চকু পানীবোৰ আজি নিজৰ ইচ্ছাত পাৰ ভাঙি বৈ আহিছে।
মায়ে দেখিলে মোক।
মোৰ ফালে আগবাঢ়ি আহোঁতে থুপুৱে তৰাৰ লগতে কিবা পাতি আছে।
বগা চোলাটো, নীলা সৰু হাফপেন্টটো,ফুলা ফুলা গাল দুখন,ডাঙৰ ডাঙৰ চকুকেইটা, কেঁকুৰা চুলিকোছা...

মোৰ পৰা একেবাৰেই ওচৰত।

তৰাই কোলাৰ পৰা তাক নমাই দিলে.. মই হাত দুখন মেলি ৰৈ আছোঁ..
নাই সি নাহে..
সি মোক চিনি নাইপোৱা..
অলপ সময় মোলৈ চাই থাকি বাওঁহাতৰ আধাখোৱা পিমপমটো মোলৈ আগবঢ়াই কৈছে...
:এইটো টেনা হৈ গ'ল,তুমি খোৱা..
মৰ্টনৰ আঠা লগা গালখন, হাতখন মই চুমাৰে উপচাই দিলোঁ
চপাই কোঁচাই সামৰি ল'লো মোৰ উশাহৰ টোপোলাটো..
উদাস বুকুত আজি আবিৰৰ ৰং ।

তাক বুকুতে সাৱটি ওলাই আহিবলৈ লওঁতেই অলপ দূৰত থকা কফিৰ দোকানত বহি থকা মানুহজন চকুত পৰিল।
আমালৈ চাই থকা,দূৰৈৰপৰাই মৰম দিয়া, ভাগৰুৱা মুখত প্ৰশান্তিৰ এটা হাঁহি লৈ সেইয়া অনিৰুদ্ধ!

চকুৰে চকুৰেই বহুখিনি কথা কোৱা হৈ গৈছিল।তেওঁ কাষ চাপি নাহিল।মাৰ আগত মোক অসহজ নকৰিলে।
:তুমি মাই-ই হয়?
থুপুৰে মোক শেষবাৰৰ বাবে দেখোঁতে ফুটা নুফুটা মাতেৰে মাই বুলি মাতিবলৈ শিকাইছিল বায়ে।তাৰ চাগে মনত আছে।
:কেৱ পাম নে ইয়াতে?
মায়ে কথাটো সলাবলৈ চেষ্টা কৰিলে।থুপুৰ মুখখন ভালকৈ চাইছোঁ।কিবা এটা যেন এতিয়াই ফুটি উঠিছে তাৰ মুখত।কোনে কয় সৰু ল'ৰা ছোৱালীয়ে কথা বুজি নাপায় বুলি?
বুজে।সকলো বুজে সিহঁতে।মৰমৰ স্পৰ্শ,আদৰৰ মাত,অৱহেলাৰ ভাত..সকলো বুজে সিহঁতে।বাৰ শাহুৰেকৰ লগত সি কেনেকৈ আছিল ইমানদিনে সেইয়া ভাৱি আকৌ এবাৰ কঁপি উঠিলোঁ মই।বেছি জোৰেৰে সাৱটি ধৰিলোঁ তাক।
মোক আচৰিত কৰি সি ও মোক মেৰিয়াই ধৰিলে।কান্ধতে মূৰটো পেলাই দিলে।
OLA Zone ত গৈ কেৱত উঠিলোঁ।তিনিটা বেগ।তাৰে আটাইতকৈ ডাঙৰটো বেগ থুপুৰ।মায়ে সকলো নতুনকৈ কিনি আনিছে।
:তৰা,তই আগত বহ।
মোক আচৰিত কৰি মা মোৰ সৈতে পিছত বহিল।থুপু মোৰ কোলাত।গাড়ীৰ খিৰিকীৰে বাহিৰলৈ চাই চাই আহিছে সি।মায়ে ছানগ্লাচযোৰ খুলি ঘূৰি বহিল।মানুহজনী যেন বহু ৰাতি শোৱা নাই।চকুৰ গুৰিত ক'লা ক'লা দাগ পৰিছে।নিমজ বগা ধুনীয়া মুখ খন ক্লান্ত।এডাল দুডাল চুলি পকিছে।ছুটিকৈ কটা চুলিখিনি প্ৰায়ে চুই চুই ঠিক কৰি থাকে মায়ে।
:মাজু,তই ভালকৈ কথাবোৰ ভাবি ল।ইয়াৰ ভৱিষ্যতৰ কথা আছে।জানৰ ঘৰত সি বেলেগ নাপালেও মাক বুলি ভবা মানুহজনীক অনবৰতে পাইছিল।ৰাজুৰ মাকে আহি যি কৰিলে সেইবোৰ বেলেগ কথা।এতিয়া সিহঁতৰ নিজৰ সন্তান হ'ব।থাকক সুখেৰে।একো নকওঁ বেলেগে।কিন্তু ই বহুত কিবাকিবি দেখিছে এতিয়াই।মোৰ লগত অহাৰ পাছতো দুদিন কান্দিলে খুব।কিবাকিবি কৈ ফুচুলাই ৰাখিছোঁ।তই পাৰিলে অলপদিন ছুটি লৈ ইয়াৰ লগতে থাক।তৰা ইয়াতে কিছুদিন থাকিব।ককা আছেই।মই পৰহিলৈ ৰিটাৰ্ন হ'ম।
:ইমান সোনকালে যোৱাগৈ?
:কি কৰিম থাকি ইয়াত।এনেও দেউতাই মোক বৰ এটা..
:বুজিছোঁ, ককাৰ কথা কৈছা।

:হোটেল পাই যাম ন তোৰ ঘৰৰ ওচৰতে।
:মই বুক কৰি দিম, আছে ।
মা নাথাকে মোৰ ঘৰত।জেগা নাথাকিলেও কিবা এটা ব্যৱস্থা কৰিলোঁহেঁতেন।কিন্তু মা তেনেকৈ নোৱাৰে থাকিব সেইটো মই জানো।জোৰ কৰাৰ ইচ্ছাও নাই মোৰ।মানুহজনীৰ সৈতে খুলি কথা পতাৰে নো কিমান দিন হৈছে মোৰ।আব্দাৰ কৰিব পৰা হোৱালৈ এতিয়াও বহুদিন বাকী আছে।

:এইটোৱেই মোৰ বিল্ডিং,সৌৱা ককা বহিয়েই আছে বাৰাণ্ডাত।নামা।

ভাইয়া ইধৰ হি ৰ'ক দিজিয়েগা।অনলাইন পে কৰ দিয়া মেইনে।

তৰা আৰু মা নামিল।

মায়ে নামি ইফালে সিফালে চালে।আয়ু তললৈ নামি আহিছে।ককা অহা নাই।মাৰ সৈতে ইমান সহজ নহয়, নোৱাৰে হ'ব।কথাবোৰ আনে নুবুজিলেও অন্ততঃ মই বুজি পাওঁ এতিয়া।
:থুপু,এইটো আয়ু মামা।
:ই ইয়াতে থাকে নেকি?
মাৰ কথাৰ সুৰ একেই আছে।আয়ুক এতিয়াও ভালকৈ মাত এষাৰ দিব নোৱাৰে।মোৰ কোলাৰ পৰা থুপুক লৈ আয়ু আগবাঢ়িল।সি বৰ এটা গুৰুত্ব নিদিলে মাৰ কথাটোত।
:মা,আয়ুক তেনেকৈ নক'বা।সি নথকা হ'লে চাগে ময়ো নাথাকিলোঁহেঁতেন।মাত এষাৰ দিবলৈ তাৰ বাহিৰে কোনোৱেই নাছিল ন এটা টাইমত।বাদ দিয়া সেইবোৰ,ভিতৰলৈ ব'লা।

ঘৰটোত সোমাই মাৰ মুখত অসন্তুষ্টি স্পষ্টকৈ দেখিলোঁ।আয়ু আৰু থুপুৰ মাজত ভাল বন্ধুত্বই হ'ল।এনেও আয়ুৰ আচৰণ থুপুতকৈ বেলেগতো একো নহয়।ককা এতিয়াও বেলকনিতে বহি আছে।তৰাই বেগকেইটা মই কোৱাৰ দৰে ভিতৰৰ ৰুমত থবলৈ গৈছে।মাক প্লাষ্টিকৰ চকীখন দি বহিবলৈ দিলোঁ।মোৰ বিছনাত আয়ু আৰু থুপুৰ খেল আৰম্ভ হ'লেই।মায়ে হাতৰ বেগটো সৰু টেবুলখনত থ'লে।মই মুখ হাত ধুই ককাক মাতিলোঁ।নাই নাহে।তাতে বহি আছে।খং এটা উঠি আহিল
:আপোনাৰ থুপুক চাবলৈও মন যোৱা নাইনে?নালাগে আহিব বহি থাকক ইয়াতে।
বাৰাণ্ডাতে ককাক এৰি ঘূৰিবলৈ লওঁতেই দেখোঁ মা আহি ৰৈ আছেহি।
:গা কেনেকুৱা আপোনাৰ?কিবা দিগদাৰি পাইছে নেকি?
মই মাজতে ৰৈ এবাৰ ককালৈ এবাৰ মালৈ চাই আছোঁ।
:দিগদাৰি তেনেকৈ নাই।এই অফিচলৈ গ'লে অলপ আমনি পাওঁ।এতিয়া গোঁসাইকণ আহিলে যেতিয়া সেইয়া চিন্তাও আতঁৰিলে।এই তৰা থাকক নেকি ইয়াতে।সুবিধা হ'ব।
:ঘৰটো বৰ সৰু।ইমানবোৰ মানুহ কেনেকৈ থাকিব তাকে ভাবিছোঁ।
:সেইটোকে এইজনীক কৈ কৈ মই বুজাব পৰা নাই।তুমিয়েই কৈ থৈ যোৱা কিবা এটা।

বাপৰে, ইমান কথা আছিল যদি গপ পাতি আছিলে কেলেই?এতিয়া মোৰ বদনাম গাবলৈকে হ’লেও যে দুইজনৰ মাজত সন্ধি হ’ল সেইয়াই বহুত মোৰ বাবে।মা আৰু ককাক তাতে এৰি ভিতৰলৈ আহিলোঁ।
:মাজু,চাহ মই বনাই দিওঁ দে।ক’ত কি আছে দেখুৱাই দে।
:থুপু..কি খাবা তুমি?
:উৰা,তই বুলি কৈছ যে।
:মেগী মাম।
:মেগী মাম নহয় নহয়,এতিয়া গাখীৰ আৰু বিস্কুট খোৱা তাৰ পাছত আমি আচল মাম খাম দেই।

তৰাৰ লগত লাগি ভাত বনালোঁ।তাই মাজে মাজে মোক বগা বাংলোৰ কথা কিছুমান কৈ আছে।আজিকালি মা দেউতাৰ মাজত কথা বতৰা একেবাৰেই বন্ধ হেনো।দেউতা প্ৰায়ে ঘৰলৈ দেৰিকৈ আহি ৰাতিপুৱাই ওলাই যায়।ফেক্টৰীতে থাকে।নাইবা মাৰ্ঘেৰিটাৰ ঘৰটোত অকলে থাকেগৈ।মা একেবাৰেই অকলশৰীয়া।আজিকালি আগৰ দৰে কিটি পাৰ্টি, ক্লাৱৰ পাৰ্টিবোৰলৈ নাযায়।ঘৰতেই সোমাই থাকি ভাল পায়।গছ আৰু ফুলৰ সৈতেই ব্যস্ত হৈ থাকে।কেতিয়াবা খুব কান্দে।দৰ্জা বন্ধ কৰি সোমাই থাকে।নিজৰ গালতে নিজে চৰিয়াই, চুলিবোৰ আজুৰি আজুৰি কান্দে।বিধ্বস্ত অৱস্থাত কেইবাদিনো তৰাই আনি বিছনাত শুৱাইছেহি।সুধিলেও একো নকয়।

খালি চাহৰ কাপকেইটা লৈ মা সোমাই আহিল।আমি দুজনী মনে মনে থাকিলোঁ।
:মাজু।
মায়ে তৰাক বাহিৰলৈ পঠিয়াই দিলে।নিজেই আদা নহৰু গুচাবলৈ লাগিল।আয়ুয়ে মাংস আনি থৈছে।তাকে বনাবলৈ লৈছোঁ।
:কোৱা।
:হোটেল খন চাই দিবি।
:ইয়াতে থাকা আজি,অলপ দিগদাৰ হ’ব।আয়ুয়ে আৰু এখন তুলি আনি দিব।তৰাৰ কাৰণে লাগিবই যিহেতু।মই আৰু থুপু ককাৰ লগত শুই যাম।তুমি বিছনাত,আই মিন..যদি দিগদাৰ নহয়..
:নালাগে দে..
:okay

কথা বঢ়াই নাথাকিলোঁ।ককা,থুপু,তৰা আৰু আয়ুক খাবলৈ দি মায়ে ময়ে পিছত খালোঁ।ককাৰ লগত খেলি খেলি থুপু শুই গৈছে।আয়ু নিজৰ ৰূমলৈ গ’ল।তৰা মোৰ বিছনাত টোপনিত লালকাল।বেচেৰী ভাগৰি আছিলে।মায়ে ময়ে পাকঘৰ সামৰি বাৰাণ্ডাত বহিলো।
:মা,এলবামটো চালোঁ।
:হমম।
:মানুহজন এতিয়াও আছে?
:নাথাকি ক’লৈ যাব?
:কথা পাতা এতিয়াও?

মায়ে আনফালে মুখ ঘূৰালে।এইবোৰ কথা মই সুধিব লাগে নে নালাগে মই নাজানো।কিন্তু তৰাৰ মুখত কথাবোৰ শুনি মই ৰৈ থাকিব নোৱাৰিলোঁ।মা দেউতাই কি মাৰাত্মক ভুল কৰিলে সেয়া বুজিছোঁ এতিয়া।প্ৰেম,বিশ্বাস, শ্ৰদ্ধা আনকি অকণমান দায়িত্ববোধ নথকা এটা সম্পৰ্কৰ মৃতদেহ কঢ়িয়াই কঢ়িয়াই অতবছৰ পাৰ কৰি দিলে।কিয় কৰিলে নাজানো।হয়তো সমাজৰ ভয়ত,সম্ভ্ৰান্ত পৰিয়ালৰ নাম ইজ্জত শেষ হোৱাৰ ভয়ত।কিয় কৰে মানুহবোৰে এনেকুৱা।যদি তেতিয়াই দুয়ো আঁতৰি যোৱাৰ সিদ্ধান্ত ল'লহেঁতেন,এতিয়ালৈ দুয়ো দুটা সুখী জীৱন বিচাৰি পালেহেঁতেন।সমাজে কেতিয়ানো কথা নকয়?এতিয়া জানো কোৱা নাই।এতিয়া জানো মা দেউতাক পুতৌ কৰি নাহাঁহে,বদনাম নকৰে!

ভুল কৰিলে।বহুত ডাঙৰ ভুল।মা,দেউতা,ককা আইতা সৰেই ভুল কৰিলে।যাৰ ফল আমি সৰেই ভুগিলোঁ।

:তেওঁ ইয়াতে থাকে।নিজৰ জীয়েকৰ লগত।

:ইয়াত?ইয়াত ক'ত?

:নাজানো।এদিন ফেচবুকত দেখিছিলোঁ।

:You follow him?

:No.

:তেন্তে?

:বাদ দে সেইবোৰ।

:নিদিওঁ বাদ,কেনেকৈ জানিলা ইয়াত থাকে বুলি?

:তেওঁৰ পত্নীক সৰেই চিনি পায়।ভাল গায়িকা আছিল আমাৰ সময়ৰ।পাব্লিক ফিগাৰ।ফটোবোৰ দেখোঁ কেতিয়াবা।তাতে তেওঁ থাকে।

মাৰ মুখত কোনো অভিব্যক্তি নাই।থাকিবই বা কি?ঘূৰি চাব অতীতলৈ?

নে অন্ধকাৰ বৰ্তমান আৰু ভৱিষ্যতৰ মাজত দুলি থাকিব অহৰহ।দেৰি হৈ গ'ল,বহুত দেৰি।

মায়ে আগবঢ়াই দিয়া ফোনটোত তেওঁৰ ফটোখন দেখিলো।একেই বিষাদ,একেই অসহায় চকুযোৰ।পত্নী,জী, জোঁৱাই সকলোৰে মাজতো মানুহজন যেন অলপ হ'লেও অকলশৰীয়া।

পঞ্চাশ বছৰীয়া মানুহৰ প্ৰেমক সমাজে কি বুলি কয়?

চৰিত্ৰৰ দোষ?যৌন তাড়না?বাৰ্ধক্যজনিত মানসিক ৰোগ?

কোনোবাই বুজেনে কথাবোৰ?ভাবি চাইনে নিজকে সেই ঠাইত ৰাখি?

:এবাৰ লগ পোৱাৰ ইচ্ছা নহয়নে?

:হয়,এবাৰেই লগ পোৱাৰ ইচ্ছা হয়।তেওঁ ভুল বুজিয়েই থাকিলে মোক।দেউতাৰ অগাধ সম্পত্তি দেখি তেওঁক এৰি আহিলোঁ বুলিয়েই ভাবি থাকিল।কথাবোৰ নোকোৱাকৈ মৰিলে মোৰ আত্মাই কেতিয়াও শান্তি নাপাব।

:হুমম

তাৰ পাছত আৰু বহুপৰ আমাৰ কথা নোলাল।মা হোটেললৈ যাবলৈ ওলাল।আমাৰ ঘৰৰপৰা দুই কিলোমিটাৰ মান দূৰত থকা হোটেলখনতে ৰুম এটা বুক কৰিলোঁ।কাইলৈ দিনত মা আকৌ এবাৰ আহিব। ককাৰ ওচৰৰ পৰাশুই থকা ভাগেৰেই থুপুক উঠাই আনিলোঁ।

:তাক কিয় উঠাই আনিলি?

:ব'লা, তোমাক হোটেলত নমাই মই ইয়াক লৈ এফালে যাব লাগিব?

:ক'লৈ?
:এতিয়া নালাগে জানিব।মই তোমাৰ দৰে দেৰি কৰিব বিচৰা নাই কিছুমান কথাত।
:অনিৰুদ্ধ,নামটো ককাই কৈছে।
:লগ কৰিবা তুমি?কাইলৈ?
:পাৰি।

মাক হোটেলৰ সন্মুখত নমাই দিলোঁ।বুকিং কনফাৰ্ম হোৱা মেছেজটো মাৰ নম্বৰত ফৰৱাৰ্ড কৰি মই থুপুক লৈ একেখন কেবতে আগবাঢ়িলোঁ।আধা বাটত তেওঁলৈ ফোন কৰিলোঁ।
:কি কৰিছে?
:অকণমান টোপনি আহিছিল।
:কিবা খালে?
:পিজ্জা অৰ্ডাৰ কৰিছিলোঁ।তুমি কি কৰিছা?সৰ ঠিকে আছেনে?
:আহি আছোঁ, আমি দুইটা।
:মোৰ ইয়ালৈ?what?I mean you crazy woman. আগতে কিয় নোকোৱা?
আৰু কিবাকিবি বকি আছিলে।ফোনটো কাটি দিলোঁ।

কেবৰ পৰা নামোতেই থুপুয়ে সাৰ পালে।কান্দিব বুলি ভয় খাই আছিলোঁ যদিও তেনেকুৱা একো নহ'ল।অকণ অকণ টোপনিৰ ভাৰ তাৰ চকুত আছেই।কান্ধতে মূৰটো পেলাই থৈছে।
:থুপু,আমি এতিয়া আৰু এটা নতুন ঘৰলৈ যাম দেই।
কলিংবেল বজাৰ আগতেই দৰ্জা খোল খালে।বুজি পালো কিয় ইমান বকিছিলে মোক।এইমাত্ৰ চাগে দৌৰা দৌৰি কৈ গা ধুই আহিছে।চুলিৰপৰা পানী পৰিয়েই আছে।পাইজামা আৰু ঢিলা বগা টি চাৰ্ট টোৰ ওপৰত টাৱেল আছেই।দৰ্জাখন এহাতে ধৰি তেওঁ ৰৈ আছে।
হয়তো কি কৰিব ভাবি পোৱা নাই।
নিজৰ প্ৰেমিকাৰ সন্তানক দেখি কি কৰে মানুহে?
সঁচাই মৰমত উথলি উঠে নে?
অলপ হ'লেও খং উঠেনে?
:ইয়াতে ৰৈ থাকিম?
:অহ ছৰী।আহা।Hey buddy, what's up?
সহজ হ'বলৈ বহুত যত্ন কৰিছে তেওঁ।
:থোমা(তোমাৰ)যে নাকু নাকু হ'ব।
তিতা চুলিৰ অনিৰুদ্ধৰ চৰ্দি হোৱাটোক লৈ মোৰ লগতে থুপুৰো চিন্তা হ'ল।
তেওঁ নোকোৱাকৈয়ে দুয়োটাকে আঁকোৱালি ধৰিলে।
:I missed you Ananya.

তেওঁৰ চুলিৰপৰা এটোপাল পানী টুপকৈ মোৰ গালতে পৰিল।বডী ৱাছৰ সতেজ সুগন্ধি বিয়পি পৰিল মোৰ ভিতৰলৈকে।
বহুত বেছি দিনো হোৱা নাই তথাপিও যেন এটা যুগৰ মূৰত মই আকৌ লগ পাইছোঁ তেওঁক।তেওঁৰ পিঠিত থকা মোৰ হাতখন আৰু অলপ টানকৈ ধৰিলোঁ মই।
:I missed you to Anirudh.
হঠাৎ মোৰ হাতখনৰ ওপৰত কোমল স্পৰ্শ এটা অনুভৱ কৰিলোঁ।নিজৰ সৰু হাতখনেৰে থুপুৱেও আঁকোৱালি ল'ব জানিছে অনিৰুদ্ধক।
অলপ পাছত আৰু এটোপাল পানী পৰিল।চেঁচা নাছিল,চকুপানীৰ কুহুমীয়া পৰশ।
মূৰ তুলি চালো, তেওঁৰ ধুনীয়া চকু দুটা উপচি আছে।মই কিবা কোৱাৰ আগতেই
:থুমি কেনে কানিছা?
:Am not crying buddy.Come!
ভিতৰলৈ সোমাই গ'লো।

:বহা।মই আহি আছো ৰ'বা।
অনিৰুদ্ধই আমাক এৰি তেওঁৰ শোৱাৰুমলৈ গ'ল।চোফাত গৈ দৌৰি উঠিল থুপু।যেন আগতেও আহিছে সি ইয়ালৈ।অলপো কাৰোলৈ ভয় নাই তাৰ।চেণ্টাৰ টেবুলত তেতিয়াও পিজ্জাৰ পেকেট আছেই।কাষতে এটা ডায়েট ক'কৰ কেন।থুপুৱে পোনেই সেইটোকে ধৰিলেগৈ।হাতৰ পৰা টানি আনিলো।মই সেইটো ডাষ্টবিনত পেলাই পাকঘৰৰ পৰা আহোঁ মানে কোন টলকত গৈ সি অনিৰুদ্ধৰ ৰুম পালোগৈ গমেই নাপালোঁ।মই আগতেও এবাৰ এইটো ঘৰলৈ আহিছোঁ যদিও হলটোৰ দুয়োফালে থকা ৰুম দুটালৈ সোমোৱা নাছিলোঁ।কীটছেন, বেলকনি আৰু হলটোৰ বাহিৰে একো দেখা নাই।এতিয়া থুপুৱে বা কি কৰি দিছেগৈ ভিতৰত গৈ।যাওঁ নাযাওঁ কৈ ৰুমটোৰ দুৱাৰমুখতে ৰ'লো।ডাঙৰ বিচনা খনত বেগৰপৰা ওলোৱা কাপোৰ,দুখন কিতাপ,অন হৈ থকা লেপটপটো তেতিয়াও খেলিমেলি হৈ পৰি আছে ।বিছনাৰ কাষত এখন ষ্টাডি টেবুল আৰু এখন হুইলিং শ্বেয়াৰ।ৱালত কিছুমান motivational quote ব্লেক এণ্ড হোৱাইটত ফ্ৰেম কৰা আছে।এটা ডাঙৰ ফ্ল'ৰ লেম্প।ৰুমটোৰ শেষত এখন সৰু বেলকনি। ৰুমৰ আনটো কোণত থকা ডাঙৰ মিৰ'ৰ খনৰ সন্মুখত সেইয়া অনিৰুদ্ধ আৰু থুপু।অনিৰুদ্ধৰ গাত এতিয়া টি চাৰ্টটো নাই।নিয়মিত ব্যায়ামৰ প্ৰতিফলন তেওঁৰ সুগঠিত উদং শৰীৰত দেখা যায়।টাৱেল খন লৈ চুলি টুকি থকা অনিৰুদ্ধক থুপুৱে বাৰে বাৰে কিবা কৈ আছে।কিন্তু কি লাগে তাক?
অলপ পিছত দেখিলোঁ হেয়াৰ ড্ৰায়াৰটো লৈ দুইটা ব্যস্ত।অনিৰুদ্ধই থুপুৰ ফালে সেইটো পোনাই দিলে সি খিলখিলাই হাঁহে।বহুতদেৰি চাই থাকিলোঁ মই।এইয়া সঁচা নে সপোন?
ইমান ভাললগা দিঠকত সম্ভৱনে?
ইমান ধুনীয়া মুহূৰ্ত সঁচাকৈ থাকেনে?
:মাইই কো কই দিয়া ,ফু কই দিয়া।

থুপুৰে মোক দেখি চিঞৰি উঠিল।দৌৰি আহি মোৰ ওচৰ পালেহি।
সাংঘাতিক লাজ পালোঁ।কিন্তু অনিৰুদ্ধই একোৰেই যেন হোৱা নাই ভাৱত মোলৈ চাই আছে।
:Come dear Mumma.
বুকুখন ধক কৈ উঠিল।
থুপুৰে এতিয়াও মোক ‘মা’ বুলি মতা নাই।কিন্তু অনিৰুদ্ধই ধেমালিৰ সুৰতে কোৱা কথাটোৱে মোক জোকাৰি দিলে আকৌ এবাৰ।মোৰ হাতত ধৰি টানি টানি নি থুপুৰে অনিৰুদ্ধৰ ওচৰ পোৱালে গৈ।
:ফু দিয়া ,ফু দিয়া।
:দিওঁনে?
এবাৰ থুপুৰ চকুলৈ আৰু এবাৰ অনিৰুদ্ধৰ চকুলৈ চালোঁ।একেই দুষ্টামি, একেই সৰলতা।তিৰবিৰাই আছে।চুলিৰ ক্লিপডাল তেওঁ নিজেই খুলি দিলে।এজাক গৰম বতাহে কোবাই গ’ল।চকু কেইটা জপাই দিলোঁ।থুপুৰ খিলখিল হাঁহি কাণত পৰিল।মোৰ চুলিবোৰ উৰা দেখি সি ফুৰ্তি পাইছে।
:মোক মোক।
:চকুটো বন্ধ কৰিব লাগিব,তেতিয়া হে দিম।
জোৰকৈ চকুৰ পতা বন্ধ কৰি মোৰ কলিজাটো ৰৈ আছে।অনিৰুদ্ধই এইবাৰ আকৌ তাৰ চুলিত বতাহ লগাই দিলে।সি চকু বন্ধ কৰিয়েই আছে।মই মাত্ৰ হাঁহি হাঁহি চাই আছোঁ।
:Alright.
হঠাৎ অনিৰুদ্ধই টানি নিলে মোক এহাতেৰে।একো ধৰিবই নোৱাৰিলোঁ মই।
:লেট মি মেক ইট কুইক।
:আহ..
গালত টপকৈ চুমা এটা খাই এৰি দিলে। মই বুৰ্বকৰ দৰে চায়েই থাকিলোঁ।সেইকাৰণে হে মানে থুপুক চকু মেলিবলৈ দিয়া নাছিল।কম টেঙৰ নহয়।মোৰ অঁকৰা অজলা সৰু ল’ৰাটোক ঠগিবলৈ বেয়াও লগা নাই।
থুপুক কোলাত তুলি ওলাই আহিলোঁ।তেওঁ অলপ পিছত পাতল হালধীয়া ৰঙৰ চোলা এটা পিন্ধি ওলাই আহিল।থুপুৰে এইবাৰ ডাঙৰ টিভিত কাৰ্টুন চাব।তেওঁ কিবা এটা লগাই দিলে।মন কৰিলোঁ সি একান্ত মনেৰে চাই থাকে বস্তুবোৰ।যেন সি নিজেই তাৰ মাজত আছে।চকু কেইটা জপাবলৈকো পাহৰি যায়।

অনিৰুদ্ধই চকুৰে ইংগিত দি মোক বেলকনিলৈ মাতি নিলে।হয়তো কিবা ক’ব খুজিছে।
:ইয়াতে বহি থাকিবা দেই, একো নুচুবা।
ওলাই আহি বাৰাণ্ডাত ৰ’লো।বেলি লহিয়াইছে।আকাশখন হেঙুলীয়া।অলপ পিছতে সন্ধ্যা নামিব।বেলকনিৰ কিছুমান টাব শুকাই গৈছে।দুই এজোপা গছহে বাচি আছে এতিয়াও।
:ভালকৈ চাই লওঁ তোমাক।বহুতদিন দেখা নাই।
:বেছিদিন নাই হোৱা নেকি ন।
:ইমান আনৰোমাণ্টিক কিয় মানে, হা?
হাঁহি দিলোঁ তেওঁৰ কথাত।মোৰ আঙুলি কেইটা নিজৰ আঙুলিৰ মাজত সুমোৱাই ৰাখিছে তেওঁ।
:ব’লা মোৰ লগত, পোৱালিকো লৈ যাওঁ।সি মোৰ লগত মিলি গৈছে।

:ইমান অধৈৰ্য্য কিয় মানে?
মনে মনে থাকিল তেওঁ।

:অনন্যা।
:হমম।
:কি ভাবিছা?ইয়াৰ পিছত?
:মানে?
:আমাৰ কথা।
:নাই ভৰা এতিয়াও।
:I have to tell you something.
:কি?
:ভুল নুবুজিবা। মোৰ মা পাপাই মানি লৈছে তোমাক, কিন্তু আইতাই নামানে সেইটো মই জানো।আৰু মই তেওঁক এইটো বয়সত হাৰ্ট কৰিব নিবিচাৰোঁ।মাৰ লগত মই তোমাৰ কথা শ্বেয়াৰ কৰিছোঁ,মায়েও পাপাক জনাইছে।ইমান সহজ নাছিল। তথাপিও মোৰ কাৰণে তেওঁলোকে মানি লৈছে কিন্তু আইতাক এতিয়াও জনোৱা নাই আমি...
বুকুৰ ধপধপনি বাঢ়ি আহিছে, এইমাত্ৰই যেন অনিৰুদ্ধই মোক ক'ব আমাৰ সম্পৰ্ক ইয়াতেই শেষ।নাইবা কৈ দিব আঁতৰি যোৱা তুমি অনন্যা।কি কৰিম তেতিয়া মই।কান্দিম?নিজকে আকৌ এবাৰ আন্ধাৰত পুতি থ'ম নে থুপুক লৈ আগবাঢ়ি যাম।মূৰটো ঘূৰাই যোৱা যেন লাগিছে মোৰ।
:You have to understand Ananya.
কি বুজিব লাগে মই?
যে মোৰ দৰে ছোৱালীৰ প্ৰেম কৰাৰ হে অনুমতি থাকে,সমাজৰ আগত মোৰ ডাঙি সেই প্ৰেম স্বীকাৰ কৰাৰ অনুমতি নাথাকে।কি বুজিম মই,যে বিয়াৰ আগৰ এনিশাৰ ভুল মই গোটেই জীৱন ভুগিব লাগিবই!
:বুজিছোঁ।
কোনোমতে শব্দটো ওলাইছে।
:মই মাত্ৰ আইতাৰ আগত থুপু মোৰ সন্তান বুলি ক'ব খুজিছোঁ।প্লিজ প্লিজ বুজি পোৱা।মই কাকো হাৰ্ট কৰিব নোৱাৰোঁ।মোৰ বাহিৰে তেওঁলোকৰ আন কোনো নাই অনন্যা।আইতাই মোক যদি বেয়া পায় মই কেতিয়াও সুখী হ'ব নোৱাৰিম।খং নকৰিবা।কিন্তু ইয়াৰ বাহিৰে বেলেগ একো উপায় নাই মোৰ।মই কাকো হেৰুৱাব নোখোজোঁ আকৌ।
:আপোনাৰ মা দেউতাই সঁচা কথাবোৰ জানে?
:জানে ।
:থুপুৰ কথা?
:হমম।
তেওঁ আনফালে মুখ ঘূৰালে।
:মোৰ চকুত চকু থৈ কওক অনিৰুদ্ধ।

:জানে,আগতে নাজানিছিল।এতিয়া জানে।মানি লোৱা নাছিল দেউতাই।মায়ে মাত্ৰ কৈছিল এটা সন্তান হেৰুৱালো,থকাটোক আঁতৰাব নোৱাৰোঁ।মোক লৈ, মোৰ বিয়া লৈ কিবাকিবি সপোনতো আছিলেই।থাকেই।টিপিকেল মিডল ক্লাছ ইণ্ডিয়ান মেন্টালিটি।সলাব নোৱাৰোঁ, নোখোজোঁ।মানুহবোৰ সৰ ভালকৈ থাকক,হেপ্পী থাকক।ময়ো তাকেই বিচাৰোঁ।ভাল পাওঁ মই সৱকে।

:ময়ো বুজোঁ অনিৰুদ্ধ।মই মোৰ বিশ বছৰীয়া মানসিকতা সলাবলৈকে সাজু নাছিলোঁ।আপোনাৰ আইতাৰ অত বছৰৰ অভিজ্ঞতাৰে গঢ় লৈ উঠা চিন্তাধাৰা সলনি হ'বলৈ বহুত সময় লাগিব।আমি জোৰ নকৰোঁ।কিন্তু মিছা কথা কৈ সম্পৰ্ক গঢ়িব নোৱাৰোঁ।মোক প্লিজ অলপ সময় দিয়ক।এতিয়াই একো ক'ব নোৱাৰিম মই।আই এম ৰিয়েলি ছ'ৰী।

:I know you,take your time.

:আমি গৈ থাকোঁ নেকি,ককাই চিন্তা কৰিব।যাওঁ ব'লা থুপু।

:না, না...

থুপু নাযায়।দৌৰি গৈ অনিৰুদ্ধৰ বিছনাত গৈ জোতাৰে সৈতে উঠি শুইয়ে দিলে।ইয়াতে থাকিব আজি।কি কৰোঁ ভাবিয়েই নাইপোৱা।ঘৰৰ টিভিত কাৰ্টুন আছে বুলি কৈয়ো নিব পৰা নাই।অনিৰুদ্ধই তাক কোলাত তুলি ল'লে।সি ডিঙিতে টেপা মাৰি ধৰি আছে।এৰি নিদিয়ে।

শেষত বহুত বুজনিৰ অন্তত আহিবলৈ মান্তি হ'ল।চৰ্ত এটাই তাক এগাল খোপা(এগাল এসোপা) পিম্পম কিনি দিব লাগিব।

তিনিওটা ওলাই আহি ৰাস্তাত চাহ একাপ খালোঁ।অনিৰুদ্ধৰ খালি ঘৰটোত চাহপাত চেনিও নাছিল।সেইবাবে বাহিৰতে খাবলৈ জোৰ কৰিলে।থুপুক কিবা কিবি কিনি দিলোঁ।দোকানখনৰ পৰা ওলাই আহিব লওঁতেই অনিৰুদ্ধই চিনাকি মানুহ এজন লগ পাই কথা পাতিবলৈ ল'লে।মানুহজন মোৰ ইমান দেখা দেখা লাগিছে কিয়?বাৰে বাৰে চাইছোঁ।কোন হ'ব পাৰে।

মনত পৰিল,দিনত মায়ে দেখুৱাই থকা ফটোখনত এই মানুহজন আছিল।মায়ে লগ পাব খোজা সেই বিশেষ মানুহজনৰ জোঁৱাই।

কি কৰোঁ এতিয়া মই?

:Let's go.

:কোন আছিল,আপুনি কেনেকৈ চিনি পায়?

:তুমি দেখা নাই নেকি?আমাৰ অফিচতে কৰে ন।মোৰ ফেয়াৰৱেলত আহিছিল নহয়।Oh I see. তুমি আকৌ মই ব্লেজাৰটো দিয়া কাৰণে লাজ পাই গুচি আহিছিলা নহয়।

:ক'ত থাকে?

:এইখিনিতে ক'ৰবাত।কিন্তু কিয় লাগে?

:নাই একো নাই।

গাড়ীত বহিও মোৰ মনটো উছপিচাই থাকিল।মই কি কৰা উচিত।ভগৱানে এইয়া কি সংকেত দিছে?এইয়া কেনেধৰণৰ সংযোগ?এইখন চাহৰ দোকানতে কিয় ৰৈছিলোঁ আজি আমি?

অনিৰুদ্ধ আৰু থুপুৰ কথাবোৰ মোৰ কাণত সোমোৱা নাই।বাৰে বাৰে মাৰ কথাই মনলৈ আহি আছে।
:ইয়াতে ৰখাই দিয়ক।
:ইয়াত কিয়?
:মা আছে ইয়াতে,মই পিছত যাম কেব লৈ।Thank You.
:আৰে শুনাচোন.. মই ৰৈ আছোঁ নহ'লে..
থুপুক লৈ দৌৰি গৈ মই হোটেলৰ ভিতৰ সোমালোঁ।অনিৰুদ্ধৰ ফালে ঘূৰি চোৱাৰ সময়ো এতিয়া মোৰ ওচৰত নাই।
এতিয়া আৰু কোনো কথাতে মই দেৰি কৰিব নোৱাৰোঁ।
মাৰ ৰূমৰ দুৱাৰত জোৰ জোৰকৈ নক কৰিলোঁ মই।বহুতদেৰিৰ পিছত খুলি দিলে।শুই আছিল চাগে।চকু কেইটা ফুলি আছে।
:তুমি এবাৰ তেওঁক লগ কৰি লোৱা,প্লিজ।

:তুমি এবাৰ তেওঁক লগ কৰি লোৱা,প্লিজ।
মা আচৰিত হ'ল।
:কাক?
:অথনি যে ফটো..মানে এলবামত যে
:চুপ,একদম চুপ।এইবোৰ ধেমালি বুলি ভাবিছ নেকি মাজু।তোৰ এই যি মন যায় যেতিয়াই মন যায় কৈ দিয়া, কৰি দিয়া স্বভাৱটো এৰ।
:নেৰোঁ, কিয় এৰিম।তুমি জানো নিজৰ জেদ এৰিছা?সলাব পৰিছা নিজকে?দেউতাক ভাল পাব পাৰিছা?ভাল বোৱাৰী, ভাল মা, ভাল পত্নী হোৱাৰ অভিনয় কৰিব পাৰিছা?নাই পৰা।সৰেই নোৱাৰে।অন্ততঃ তোমাৰ মোৰ দৰে মানুহে কেতিয়াও নোৱাৰে।
মা অলপ পৰ থৰ লাগি ৰ'ল।থুপু মোৰ কোলাৰ পৰা নামি দৌৰি গৈ হোটেল ৰূমৰ ইণ্টাৰকমটো টিপিবলৈ লাগিল।বিছনাৰ এটা কোণত বহি পৰিল।সন্মুখৰ দুজন বহিব পৰা চোফাখনত মই।মায়ে মোবাইলটো উলিয়াই কিবা খুঁচৰি আছে।একো নাইকোৱা।মোৰ ফোনত অনিৰুদ্ধৰ মেছেজ,"অলপ আগতে ৰৈ আছোঁ'।
মায়ে একো নোকোৱা দেখি ময়ে মাক ক'লো।সেই মানুহজনৰ জোঁৱায়েক যে আমাৰ অফিচতে কাম কৰে।মই কিবা কৰি অফিচৰ ইণ্টাৰনেল চাইটৰ পৰা ফোন নম্বৰ পাই যাম।
:ফোন কৰি কি বুলি ক'বি?
এইবাৰ মোৰ ওচৰত একো উত্তৰ নাই।সেইয়া মইতো ভবাই নাই, কি বুলি কম?ঠিকেই কৈছে মায়ে।কিছুমান কথাৰ কেৱল মাজৰখিনি হে আমি জানো,আৰম্ভণি আৰু শেষ ক'ত হ'ব কেনেকৈ হ'ব সেইয়া আমি নাজানো। আনকি আমি ভাবিবও নোৱাৰোঁ, আঁত হেৰায় বাৰে বাৰে।

:নালাগে মাজু,থাকক এইবোৰ কথা।মোক আৰু বেছি দুখ হে দিব চাগে এইবোৰে।ভয় লাগে।আচলতে মই নিজে কি ক'ব খুজিছোঁ সেইটোহে মই জানো।কি শুনিব বিচাৰিছোঁ সেইটো নাজানো।যদি তেওঁ কয়,তেওঁ এতিয়া খুব সুখী পত্নীৰ সৈতে।তেতিয়া মই ঈৰ্ষাত জ্বলিম।কাহানিও সুখী নোহোৱা নিজৰ সংসাৰ খন তেওঁৰ লগত তুলনা কৰিম।আকৌ যদি তেওঁ কয় তেওঁ খুব অসুখী।তেতিয়া মই অপৰাধবোধত মৰিম।কি কৰিলোঁ,কিয় কৰিলোঁ সেইখিনি আকৌ ভাবি ভাবি জ্বলিম।দুফালৰপৰাই মোৰ সুখ নহয় মাজু।মই খোলাত জীয়াই ভাল পোৱা মানুহ।এনেকৈয়ে থাকোঁ দে।উদাৰ মন এটা ক'ৰপৰা বিচাৰি আনিম এতিয়া?ভাল মানুহ হৈ সকলোকে মাফ কৰি মহান কেনেকৈ হ'ম এই আদবয়সত!কথাবোৰ ক'বৰ ইচ্ছা আছে,কিন্তু একো শুনিবৰ ইচ্ছা নাই মোৰ।তোৰ দেউতাৰ লগত মিলি সংসাৰ কৰিবলৈ মই চেষ্টা নকৰা নহয়।কৰিছিলোঁ।কিন্তু মানুহটো নিজেই অসুখী।ভিতৰি খালি।একো নাই।বাহিৰটো ৰংচঙীয়া কৰি থয় ধুনীয়াকৈ।ময়োতো তেনেকুৱাই হৈ গৈ আছিলোঁ,যেতিয়ালৈকে এটা এটাকৈ বস্তুবোৰ হেৰাই যোৱা নাছিল,তেতিয়ালৈকে ময়ো একেই আছিলোঁ।তোৰ লগতো জানো কম অন্যায় কৰিলোঁ মই?সেইকাৰণে এতিয়া ভূগিব দে মোক।এনেকৈয়ে থাকিব দে।নিজৰ দুখৰ বোজা আনক জাপি নিদিওঁ আৰু এতিয়া।থাকক নিজৰ লগতে।

:আশান্তিত থাকি ভাল পোৱা?অভ্যাস কৰি লৈছা?

:সুখৰ লগত,দুখৰ লগত মানুহে অভ্যাস এটা গঢ়ি লয়েই।

:হমম।

:গধূলি হ'ল।যা ককাই চিন্তা কৰিব।কাইলৈ দেওবাৰ নহয়,মলবোৰত ভিৰ বেছি হয় নেকি?

:সন্ধিয়া সময়ত হয়,দুপৰীয়া গ'লে ভিৰ নোপোৱা।কি কিনা নো?

:তই এইবোৰ কাপোৰ পিন্ধি ঘূৰি ফুৰ।ময়েই দেখি বেয়া পাইছোঁ।ওলাবি মোৰ লগত।

:এইটোনো কি বেয়া,কটন হয়,ভালেইটো।

:তই নালাগে দে লগত যাব।ময়েই আনিম,মিডিয়াম ৰাইট?

:হমম।

থুপুয়ে এইবাৰ আহি মাৰ ওচৰ পালেহি,কিবা এটা ক'বলৈ চেষ্টা কৰিছে।ভালকৈ বুজা নাই যদিও অনিৰুদ্ধৰ কথাই যে কৈছে বুজি পাইছোঁ।মায়েও কিবা এটা বুজিলে।

:কিবা ক'বি মাজু?

:তেনেকুৱা একো নাই।মানে..

:ককাই কৈছিল,অনিৰুদ্ধ নামটো?

ইফালে দেখিবই নোৱাৰে,কিন্তু সেইকন সময়তে মোৰ গোটেই কাহিনী শুনাই দিলে ককাই।এতিয়া আৰু লুকুৱাই লাভ নাই।

:হয়।

:সব জানে সি?তোৰ কথা,থুপুৰ কথা,আমাৰ ঘৰখনৰ কথা?

:জানে।

:অসমীয়া ল'ৰা এটা বিচাৰি নাপালি?হিন্দী ক'ব লাগিব এতিয়া সৱেই।

মায়ে হাঁহি দিলে।হাঁহিলে মাক ইমান ধুনীয়া লাগে।মানুহ ইমান ধুনীয়া হ'ব পাৰে নে?আজিৰ এই হাঁহিটো যেন সদায় কাৰণে সাঁচি থৈ দিম।

:মইতো তোৰ মা নহয়,বন্ধু হে।কৈ দে কি আছে।গোসাঁইটো তুমি আইচক্ৰীম খাবা?
মায়ে তাক গোসাঁইটো বুলি মাতে।বুকুখন ভৰি গ'ল মায়ে তাৰ কাৰণে আইচক্ৰীম অৰ্ডাৰ দি তাক ব্যস্ত ৰাখিলে।মই যিমান পাৰোঁ আমাৰ মাজৰ কথাবোৰ অলপো লুকঢাক নৰখাকৈ কৈ গৈছোঁ।শুনি আছে একান্ত মনে।একো নাইকোৱা।মায়ে বুজিছে নে বাৰু আমাৰ কথাবোৰ?
হঠাৎ মোক আচৰিত কৰি মায়ে এটা অদ্ভুত কথা সুধি পেলালে
:আয়ুয়ে দুখ নাই পোৱা?
:আয়ু???আই মিন সি আকৌ কেলেই দুখ পাব?
:সি তোক ভাল পাওঁ বুলি নাইকোৱা আজিলৈকে?আচৰিত।
ইয়াত আচৰিত কি আছে?
:ধেৎ কি কোৱা মা।সি মোক যে ভাল নাপায় আৰু।তাৰ এতিয়ালৈকে ধেৰ গাৰ্লফ্ৰেণ্ড হ'ল জানা।এতিয়া তো সি মোৰ আগৰ ৰূমমেট জনীৰ প্ৰেমত বলিয়া।কি সাংঘাতিক মৰমলগা ছোৱালী মা।কিন্তু লগ হে নাপাবা।তাই ঘৰলৈ গৈছে।আয়ুয়ে তাইক ভাল পায়।মই জানো নহয়।
:হয় নেকি?তোৰ আগত কি কয় তাইৰ কথা?তাইৰ লগত কি কথা পাতে, ক'লৈ ফুৰিবলৈ যায়,কি খায় সেইবোৰ কয় নে?
নকয়।নাইকোৱা কেতিয়াও?কিন্তু কিয় নকয়!!!!!!
:মাজু,তোৰো কেতিয়াও ভাল লগা নাছিল তাক?
:তাকতো মই বহুত ভাল পাওঁ মা।কিন্তু সেইয়া প্ৰেম নহয়।কেতিয়াও নাছিল।থুপুৰ কাৰণে মোৰ যেনেকুৱা মৰম,ঠিক তেনেকুৱাই।সেইটো এটা পাগল।মস্ত অঁকৰা।একো নাজানে দুনীয়াৰ কথা।
:ঠিকেই আছে তেন্তে।তই যা এতিয়া।দেৰি হৈছে।
:সিটো কথাৰ উত্তৰ নিদিলা যে?
:কোনটো কথা?
:অনিৰুদ্ধই দিয়া প্ৰস্তাৱটো?কি কৰোঁ মই?মিছা কথা কৈ জানো ইমান ডাঙৰ ডিছিচন লোৱা উচিত?আইতাকে যদি পিছত গম পায়?
:প্ৰেক্টিকেল হ মাজু।বৰ বেছি আদৰ্শ,সত্যৰ দোহাই দি নিজৰ মুৰটো নাখাবি।বয়সস্থ মানুহ এইবোৰ কথা নুবুজে।শান্তিত মৰিবও নোৱাৰিব।যি মিছা কথাই মানুহক অপকাৰ নকৰে,সেইয়া কোৱাত আপত্তি ক'ত?
:তাৰমানে মই মিছা কম?
:ভাবি ল নিজেই,মইনো কি ক'ম।নিজৰ জীৱনেই সুস্থিৰ নহয়,উপদেশ দিওঁ কেনেকৈ?
:হমম।যাওঁ দিয়া।কাইলৈ আহিবা এপাক।
:সন্ধ্যা আহিম, দিনত কাম আছে।
:ঠিক আছে।
থুপুয়ে আধা খাই আইচক্ৰীম খিনি গ্লাছৰ বাতিটোতে থৈ দিছে।যাবলৈ ওলাওঁতে লৈ যাব সেইটো।তাৰ নতুন ফ্ৰেণ্ড মানে অনিৰুদ্ধলৈ।মাক বুজাইছে গাড়ীত বৈ আছে, সি সেইখিনি নি দি দিব।নহ'লে বেয়া পাব হেনো তাক।মায়ে মোলৈ চাই হাঁহিছে।
তাক বুজাই বঢ়াই লৈ আনিলোঁ।হাততে অকণ তথাপিও লৈহে এৰিলে।গোটেইখন গলি শেষ হৈছে।দুয়োখন

হাত ইখনৰ ওপৰত সিখন দি গলি যোৱা আইচক্ৰীম কণ লৈ আহি আছে ।কোঁচত নুঠে।কেনেবাকৈ পৰি যায় বুলি।উপায় নাপায় অনিৰুদ্ধক ফোন কৰি মাতি দিছোঁ ওচৰলৈ।
হোটেলৰ পৰা ওলায়েই অনিৰুদ্ধক দেখি যিটোহে দৌৰ দিলে, গোটেইখিনি মাটিত পৰি থাকিলে।মনটো তাৰ সেমেকি গ'ল।সেইখিনিতে ৰৈ লৈ মোৰ ফালে চাই আছে ।
বেচেৰাটো!

অনিৰুদ্ধই বুজি পোৱা নাছিল।মই কোৱাত তাৰ হাতত লাগি থকাকণ হাতেৰে চুচি খাই দিলে।আৰু মোৰ থুপু তাতেই সুখী।
নিজেও নিজৰ হাতখন চেলেকি চালে।আৰু তাৰ পিছত হাতখন চোলাটোত মোহাৰি থৈ দিলে।
তাৰ মানুহৰ প্ৰতি মৰম আছে, আত্মীয়তা আছে।ভগাই খাব লাগে বুলিও জানে।

ঘূৰি অহা বাটত অনিৰুদ্ধই মাথোঁ সেইটো কথাই কৈ থাকিল,যে থুপু আৰু তেওঁৰ বণ্ডিং হৈছেই, এতিয়া আৰু একো চিন্তা নাই।
আৰু মোৰ মনত এটা নতুন চিন্তা।
মায়ে আয়ুৰ কথা তেনেকৈ কিয় ক'লে?????

দেওবাৰৰ সন্ধিয়াবোৰ এতিয়া আগৰদৰে নহয়।ককাই তলৰপৰা নিজে চিংৰা কিনি আনিছে।তৰাই থুপুৰ কাৰণে খোৱাৰ যোগাৰ কৰিছে।আয়ুয়ে মোবাইলত পাবজি খেলিছে আৰু থুপু তাৰ কাষতে বহি সেইয়া চোৱাত ব্যস্ত।কিন্তু আয়ুক মই আজি ফোন কৰাও নাই, মতাও নাই।নিজেই আহিছে ।দুপৰিয়াতে অহা।আগতে এইবোৰ মই কেতিয়াও ভৰা নাছিলোঁ।কিন্তু কালি মাৰ লগত কথা পতাৰ পাছত মূৰত কিবা কিবি কথা কিছুমান পাক খাই ঘূৰি আছে।
মা আহি দেখিলে আকৌ বা কি কয়?
:আয়ু।
:কি?
:হিবা কেতিয়া আহিব?
:নাজানো,আজিকালি ফোন নুঠায় মোৰ।
:কি?তই মোক নাই কোৱা যে?তহঁতৰ কাজিয়া হ'ল?
:তোক কেলেই?মই তোক সুধো নেকি অনিৰুদ্ধৰ কথা।
মনে মনে থাকিলোঁ।এনেকুৱা উত্তৰেই পাওঁ মই সদায় তাৰ পৰা।পোনকৈ একো নকয়েই।আজিও বেলেগ নহয়।হাতত গৰম চিংৰা আৰু জেলেপী লৈ ককা সোমালহি।মুখ হাত ধুই ধূপ ধুনা লগালে।তেনেকুৱা সময়তে হাতত বেগ এসোপা লৈ মা আহি সোমালহি।গোটেইবোৰ পেকেট মোলৈ দি এটা সৰু পেকেট এটা আয়ুক দিলে।

মইহে নালাগে সৰেই আচৰিত হৈছোঁ।
সি পেকেট খুলি পাৰ্ফিউমৰ বটল এটা উলিয়াই আনিলে।
:এইটো মোক দিছে?
:উম।
:ঐ এইটো কি লিখিছে?চেনেল?
:শ্যেনেল।চেনেল নহয় গৰু।
:ফটা লেবেল মাৰিছ?তহঁতি যিটো চ'ন পাপৰি বুলি খাৱ,আমি সেইটোকে ঘোঁৰা গোবৰ বুলি খোৱা মানুহ।এইবোৰ নাম নুফুটিবই ন মুখত।বাহ, মজা গোন্ধাইছে,এইটো লগালে আৰাম ছে পোন্ধৰদিন চলি যাব গা নোধোৱাকে।
:য়াক,ছি আয়ু।
তাৰ পাছত গোটেইকেইটা বহি চিংৰা আৰু জেলেপীৰ সৈতে চাহ খালোঁ।মায়ে গ্ৰীণ টি খালে।পেকেটবোৰৰ মাজৰ পৰা ককাৰ কাৰণে এযোৰ খুব কোমল জোতাও ওলাল।মৰ্নিং ৱাকত যাওঁতে পিন্ধিবলৈ আনিছে।নিজে কেতিয়াও নিদিয়ে।মৱে দিলোঁ ককাক।আগ্ৰহেৰে পিন্ধি মাক দেখুৱালে।কথাবোৰ এনেকৈয়ে সহজ হৈ থাকক সদায়।
:মোনে কি আনিছা?
মায়ে হেণ্ডবেগৰ পৰা উলিয়াই তাক চকলেট এটা দিলে।সি সেইটো অকণ অকণ টুকুৰা কৰি ভগাই খাইছে। মা যাবলৈ ওলাল।এনেকুৱাতে ফোন বাজিল।ফোনটো ধৰি মাৰ মুখৰ ৰং বাৰে বাৰে সলনি হৈছে।
:কি হৈছে?
ককাৰ মুখত চিন্তাৰ ৰেশ।
মায়ে ফোনটো ককালৈ আগবঢ়াই দিলে।
:কি হৈছে বাহাদুৰ?এতিয়া সি ক'ত?
নিচাৰ জালত গাড়ী চলাই এক্সিডেন্ট হৈছে দেউতাৰ।নিজে বেছি দুখ পোৱা নাই যদিও ৰাস্তাৰে খোজকাঢ়ি যোৱা মানুহ এজনক বেয়াকৈ খুন্দিয়ালে।এতিয়া ঘৰত বাগানৰ মানুহৰ উৎপাত।দেউতা হস্পিতালত।ঘৰত অকল বাহাদুৰ।ভয়তে মালৈ ফোন কৰিছে।
:ককা মোক দিয়া ফোনটো।
মা আৰু ককা আচৰিত হ'ল।ফোনটো লৈ বাহাদুৰক ক'লো বাহিৰত থকা মানুহখিনিৰ এজনক দিবলৈ।
:আমাৰ ঘৰটো ভাঙিলে আপোনালোকৰ মানুহজন ভাল হৈ যাব নেকি?ডিব্ৰুগড়লৈ লৈ যাওক।খৰছ আমি দিম।লগতে পৰিয়ালক বেলেগ সহায় লাগিলেও কৰিম।আৰু দোষী মোৰ দেউতা হে।ঘৰটো মোৰ ককাৰ।সেইটো প্লিজ নাভাঙিব।
মানুহজনে গালি শপনিৰে থকা-সৰকা কৰিছে,শুনি আছোঁ ধৈৰ্যৰে।এসময়ত শান্ত হ'ল।আঘাত পোৱা মানুহজনৰ সকলো দায়িত্ব ল'লো।
:মা,কাইলৈ তুমি গৈ মানুহঘৰলৈ যাবা।পইছা দিয়াৰ লগতে সদায় খবৰ ৰাখিবা।মেণ্টেল চাপোৰ্ট দি থাকিবা।আৰু খেয়াল ৰাখিবা যাতে এইটো মেটাৰত কোনোবা থাৰ্ড পাৰচন সোমাই লৈ বেলেগ ৰূপ নিদিয়ে।মানুহখিনি অলপ বেছি ইমছ'নেল।

:কৈছিলোঁ নে বোৱাৰী, আমাৰ এই পাৰিব।মই ভুল সিদ্ধান্ত নাই লোৱা বুজিছা।
হুমুনিয়াহ এটা কাঢ়ি মা ওলাই গ'ল।মানুহজনীৰ চিন্তাবোৰৰ অন্ত পেলাব পাৰিম নে মই???
:দাদাক কৈছোঁ,সি গৈছে মানুহ ঘৰলৈ।তোক ফোন কৰিব ৰাতি।মই যাওঁ।মোৰ লগতে ব'লক খুড়ী।মই নমাই থৈ আহিম।

একেলগে দুইটা ওলাই গৈছে।
মানুহবোৰ কাষ চাপিছে লাহে লাহে।

:ছাল থকা ডিম দিয়া,এইয়া না না।
ৰাতিপুৱাই ঘৰত এইয়া লৈ হুলস্থূল।আমি কোনেও বুজা নাই ছাল থকা ডিম কি বস্তু।অমলেট বনাই দিলোঁ,সেইটো নহয়।বইল কৰি দিলোঁ, সেইটো ও নহয়।মুঠতে থুপুৱে আজি ছাল থকা ডিম হে খাব।বেলেগ কাম একো নাই পৰা কৰিব।
সুৰেশক ফোন কৰি আজি ঘৰৰ পৰাই কাম কৰিম বুলি কৈছোঁ।ৰাতিপুৱাই মাৰ ফ্লাইট আছিল।অনিৰুদ্ধও কালি ৰাতিয়েই গাড়ী লৈ হায়দৰাবাদলৈ ৰাওনা হ'ল।যোৱাৰ আগে আগে মাত্ৰ পাঁচ মিনিটৰ বাবে হে দেখা হ'লো।তেওঁ ফোন কৰিছিল..
:এবাৰ চাই যাওঁ,নামি আহা।
:আহিছোঁ।
:তাকো লৈ আহা।
অনিৰুদ্ধই থুপুকো চাই যাব খুজিছে।এদিনতে গঢ়ি উঠা সম্পৰ্ক নহয় এইয়া।তেওঁ যিদিনা মোক গ্ৰহণ কৰিছিল,সেইদিনাই মোৰ সন্তানকো আঁকোৱালি লৈছিল।মাত্ৰ কায়িক ভাৱে সেইয়া হোৱা নাছিল।এতিয়া হৈছে।একেই উজ্বল দুচকুৰে যেতিয়া দুয়ো দুয়োকে হাঁহি হাঁহি চাই আছিল,দীঘল দীঘল পলক যেতিয়া জাপ খোৱা নাছিল,থুপুৱে কণমানি হাতখন অনিৰুদ্ধৰ পিঠিত থৈ সাৱটি লৈছিল,অদৃশ্য বান্ধোন এটা আৰু বেছি শক্তিশালী হৈ পৰিছিল।আকৌ সোনকালেই আমাক লগ কৰিবলৈ আহিম বুলি প্ৰতিশ্ৰুতি দি যাবলৈ ওলাইছিল অনিৰুদ্ধ।
:মই যাওঁ।
:উম
:উম!!ৰিয়েলি???আৰু একো নাই ক'বলৈ?
:কি ক'ম আৰু?
:মিছ ইউ টাইপৰ কিবা এটাকে কৈ দিয়া ,মিছাকৈ হ'লেও।
:You'r so filmy.

:And you like that right?

:Nope.

থুপুৰ দুগালত দুটি চুমা সানি অনিৰুদ্ধ গুচি গৈছিল।নেদেখা হোৱালৈকে বাই বাই দি থকা থুপুৰ মনটো হঠাৎ সেমেকি যোৱা দেখিছিলোঁ মই।হ'বই।মোৰেই তো সন্তান।অনিৰুদ্ধক যোৱাৰ সময়ত ঘৰৰ কথাবোৰ নক'লো।দেউতাৰ খবৰ তেওঁ মোক কেতিয়াও সোধাও নাই,ময়ো কোৱা নাই।তেওঁ অলপকৈ হ'লেও কথাবোৰ জানে।মোৰ আৰু দেউতাৰ সম্পৰ্ক সহজ নহয় বুলিও বুজে।সেইবাবেই চাগে দেউতাৰ কথা নুলিয়াই কেতিয়াও।

ৰাতিটো থুপুক সাৰটি চিন্তাতে পাৰ কৰিলোঁ।ককাও শুব পৰা নাই।বাৰে বাৰে উঠি উঠি পানী খাইছে,প্ৰাৰ্থনা কৰিছে।ককাৰ অৱস্থা দেখি নিজকে দোষী দোষী যেন অনুভৱ হৈছিল মোৰ।মানুহজনে খং অভিমানত যদিও গুচি আহিলে,মনটো তাতেই থৈ আহিলে।বগা বাংলোৰ বিপদৰ সময়ত আঁতৰি থাকি ককা শান্তিৰে থাকিব নোৱাৰে।ৰাতিপুৱা সাত বজাতে ফোন কৰিছে চিনাকি মানুহলৈ।আমাৰ ঘৰলৈ পঠিয়াইছে।বাহাদুৰ এতিয়াও ভয়তে আছে।মানুহবোৰ যদি আকৌ আহে!

মই গেইটত তলা লগাই থ'বলৈ কৈছোঁ।যোগেশ দা দেউতাৰ লগত হস্পিতালত।

:বৰ বেয়া কথা হ'ল মাজু।

:ককা চিন্তা নকৰিবা,মই আছোঁ নহয়।

নিজেও ভয় খাইছোঁ মনে মনে।মা গৈ খবৰ নিদিয়ালৈকে মনটো শান্তি নালাগিব।মাৰ ফোন অফ।আৰু দুঘণ্টা লাগিব ডিব্ৰুগড় পাবলৈ।ইফালে আজি থুপুৰো আমনি।বেলেগ একো নাখায়।তাক ছাল থকা কণী লাগিবই।থেনথেনাই আছে।মাক সুধিবও নোৱাৰোঁ, তৰাইও বুজা নাই।উপায় নাপায় বা লৈ ফোন কৰিলোঁ।প্ৰথম কেইবাৰ ৰিং হৈ হৈ বন্ধ হ'ল।পিছত উঠালে।

:কি লাগে তোক এতিয়া?

:শুনচোন।

:কি শুনিম,তাক লৈ গৈ কি শান্তি পালি?মই কিমান মৰমত ৰাখিছিলোঁ তাক।এবাৰ মোৰ কথা ভাবি চালি?মা তো সদায় স্বাৰ্থপৰ আছিলেই।অকল নিজৰটো চিনি পায় মানুহজনীয়ে।এতিয়া দেখিছে যে ককা তোৰ লগত,সম্পত্তি তই পাবি,সেইকাৰণে তোৰ লগত ভাল হৈছে।ইমান লুভীয়া মানুহ মই..

:চুপ,একদম চুপ।

মাৰ বিষয়ে তাই কোৱা কথাবোৰ মোৰ সহ্য নাইহোৱা।অথচ মই নিজেই এসময়ত এইবোৰ মাক কৈছিলোঁ,ইয়াতকৈও বেয়াকৈ কৈছিলোঁ।কিন্তু এতিয়া নোৱাৰোঁ।ক'বও নোৱাৰোঁ, শুনিবও নোৱাৰোঁ।

:এতিয়া তো মা তোৰ কাৰণে ভাল হ'বই ন।

:বা,তোৰ লগত তৰ্ক কৰাৰ সময় মোৰ নাই।আৰু তোৰ কি দুখ লাগিছে হাঁ ?ইমছ'ন আছে জানো তোৰ?কথাই কথাই কান্দি থাকিলেই ইমছনেল হোৱা নুবুজাই বা।কেতিয়াবা আনৰ কথা ভাবি পাইছ?আনৰ কাৰণে কিবা এটা কৰি পাইছ?মোৰ কাৰণে এদিন মাত মাতিছিলি?মোৰ কথা বাদ দে।মায়ে কৈছে তোৰ শাহুৰে তেওঁৰ চছমাযোৰ ভঙাৰ কাৰণেই থুপুৰ মুখত জলকীয়া সানি দিছিলে,বৰষুণত তিয়াই থৈছিলে?কি কৰিছিলি তেতিয়া তই?বুঢ়ীক যদি পাওঁ নহয় মুখ চুখ ভাঙি দিম মই কৈ দিছোঁ।বয়স চাবলৈ নাই।যিমানেই বুঢ়ী হৈছে, পাগল হৈ গৈ আছে।থুপুৱে বহুত সহিলে মাক পুতেকৰ পৰা।মায়ে সৱ কৈছে মোক।তই চাগে সিহঁতৰ মন ভাল লগাই

মনে মনে আছিলি ন।নে কান্দিছিলি?তাৰ বাহিৰে কি কৰিব পাৰ নো তই?সেইকাৰণে এতিয়া মোৰ আগত ইমছনেল হৈ নেদেখুৱাবি।এনেও মোৰ ওপৰত এইবোৰে কাম নকৰে তই জানই।
বা মনে মনে থাকিল।ক'বলৈ তাইৰ একো নাই তায়ো জানে। বিশেষকৈ মোক কৈ লাভ নাই বুলিও জানে।ফোনটো কাটি দিলে।আচল কথাটো সোধা নহ'লেই।মালৈ মেছেজ এটা দি থৈছো।অলপ পাছতে মাৰ ফোন আহিল।
:কি হ'ল?
:পালাগৈ নেকি?
:কলকাতাত ৰৈ আছোঁ।
মাৰ পৰা গম পালোঁ থুপুৰে বিচৰা ছাল থকা ডিম কি।বইল কৰা কণীটো আকৌ তেলত হালধি নিমখ দি ৰঙাকৈ ভাজি দিব লাগে।তাৰে ছাল খন সি চিকুটি চিকুটি খাব।মায়ে কৈছে
:মজা পাবি এতিয়া ৰহ।
দুইজনীয়ে হাঁহিছোঁ তাৰ পিছত।দুখৰ মাজতো আমাৰ মুখত হাঁহি আনি দিবলৈকে তো আহিছে সি আমাৰ মাজলৈ।ফোন থৈ তাৰ ফৰমাইছ পূৰ কৰিছোঁ।পকাতে বহি সেইকেইটা অকণ অকণ কে চিকুটি চিকুটি খাই আছে।মাজতে অকণমান মোক দিয়ে, অকণমান তৰাক।
এইবোৰৰ মাজতে দিনটোৰ আধা সময় গ'ল।মা গৈ চিধাই হস্পিতাল পালেগৈ।দেউতাই ভৰিত দুখ পাইছে।তাৰ পাছত মা সেই মানুহঘৰলৈ গ'ল।দুখীয়া মানুহ।উপাৰ্জন কৰি ঘৰখন চলোৱা মূল মানুহজন চিৰিয়াছ হৈ পৰি আছে হস্পিতালত।ঘৈণীয়েক আৰু তিনিটা সৰু সৰু ল'ৰা ছোৱালী।মা আৰু যোগেশ দা সোমাই যোৱাৰ লগে লগে আকৌ হুলস্থূল হ'ল।কোনোবা ইউনিয়ন লিডাৰ আছিলেই হেনো তাত।মায়ে তাৰপৰাই ফোন কৰিলে।
:তুমি কোৱা যে মানুহজন ভালকৈ সুস্থ নোহোৱালৈকে তুমি সকলো খৰছ দি থাকিবা, এতিয়া এমাহ মানৰ ৰেচন আনি দিয়া।সৱৰে সন্মুখত।মা,আকৌ কৈছোঁ,থাৰ্ড পাৰ্টী সোমালে বহুত দিগদাৰ হ'ব।তুমি কোৱা, মানুহজন ভাল হ'লে,আমাৰ ঘৰতে কামত ৰাখিবা।আৰু কাজিয়া কৰিবলৈ অহা সেইজন নো কোন?কিমান সংগঠন আছে অ' আমাৰ সেইকণ জেগাতে।
:কিবা এটা নাম কৈছিল,আজিলৈকে শুনাই নাই।বজাৰ অলপ যোগেশক আনি দিবলৈ কওঁ ন।
:কোৱা।মানুহজনৰ লগত মেডিকেলত কোন আছে?
:সিহঁতৰে কোনোবা মানুহ আছে।
:তুমি কাইলৈ তালৈ যাবা।বিলবোৰ হে পে কৰিবা।ডিৰেক্টলি পইচা দি নিদিবা কাকো।ভাল ট্ৰিটমেণ্ট পাইছে নাই চাবা।
:হমম,দেউতাৰ কথা একো সোধা নাই তই?
:I dont care, you know that.
:তেন্তে এইবোৰ কিয় কৰি আছ?
:ককাই দায়িত্ব দিছে,পালন কৰিছোঁ।

দায়িত্ব আৰু কৰ্তব্যৰ পৰা পলাই ফুৰিলোঁ বহুদিন।এতিয়া নোৱাৰোঁ।মোৰ ওপৰত বহুকেইটা মানুহৰ ভৱিষ্যত নিৰ্ভৰ কৰে।ককাই গঢ়া ঘৰখন,তাৰ সমূহ কৰ্মচাৰী, বাগান, ফেক্টৰীৰ মানুহবোৰ সকলোৰে কথা মই ভাবিব লাগিব।এতিয়াই যদিও মই সমস্ত দায়িত্ব লোৱা নাই,তথাপিও দেউতাৰ অনুপস্থিতিত পৰাখিনি কৰিছোঁ। মোৰ বাবে আনৰ কষ্ট হ'লে মই অলপ দিগদাৰি পাওঁ।
কিয়?
ভবা নাই কেতিয়াও!

এটা সপ্তাহ পাৰ হ'ল।অফিচৰ কাম বাঢ়িছে।একেবাৰেই খালি খালি লাগে আজিকালি অফিচত।বাৰে বাৰে চাওঁ তেওঁৰ ডেস্কৰ ফালে।এই যেন আহি মাতিব।হিবাও ঘৰলৈ গৈ ঘূৰি অহা নাই।ফোন কৰিলেও প্ৰায়ে not reachable পাওঁ।মেছেজ দিলে দুদিন তিনিদিনৰ মূৰত ৰিপ্লাই কৰে।কি হৈছে একো বুজি পোৱা নাই।আজিও তাই অহা নাই এতিয়ালৈকে।এঘাৰটা বজালৈকে নাই অহা যেতিয়া আৰু নাহে চাগে।পানীৰ বটলটো লৈ উঠি কেফেটেৰিয়াৰ ফালে খোজ লওঁতেই দেখোঁ হিবা বহা ঠাইখিনিত কোনোবা বহি আছে।বোৰ্খা পিন্ধি থকা মানুহজনীৰ মুখ খন উলিয়াই থৈছে যদিও সিফালে চাই আছে।ওচৰ চাপি গ'লো।
কাণত চকচকীয়া সোণৰ ডাঙৰ কানফুলি,আগতকৈ ডাঙৰ নাকফুলি এটা পিন্ধি সেইজনী হিবা।ইমান বেলেগ কিয় লাগিছে তাইক?
আৰু তাই আগতে তো বোৰ্খা পিন্ধা নাছিল।মূৰত এখন হিজাব হে পিন্ধিছিল।আৰু তাই মোৰ ওচৰলৈ কিয় অহা নাই এবাৰো?
:হিবা!
:হাঁ। অনন্যা,কেইছি হ'?
:য়ে ত' মুঝে পুছনা চাহিয়ে না।
তাই মোৰ সৈতে উঠি আহিল।মোক হাতখনত ধৰি ৱাছৰূমৰ ফালে টানি লৈ গ'ল।
আৰু তাৰ পাছত যিখিনি কথা ক'লে।শুনি মোৰ বিশ্বাস কৰিবলৈকো দিগদাৰ হ'ল।
হিবাই নিকাহ কৰি ঘূৰি আহিছে!!!!
নিকাহ!!!
দুবাৰ সুধিছো, কিজানি মই ভুলেই শুনিছোঁ।কিয় কৰিলে তাই এনেকুৱা??মই যিমান পাৰোঁ সহায় কৰিছিলোঁ তাইক।তাৰ পাছতো এইয়া কিয় কৰিলে তাই?
তাইৰ সহজ উত্তৰ।মাক আৰু ভায়েকৰ কাৰণে।ভায়েকৰ লগত ঘটি যোৱা ঘটনাটো আকৌ ঘটিব পাৰে।পুলিচ কেচ উঠাই ল'বলৈ হেঁচা। সিহঁত ঘূৰি যোৱালৈ ঘৰটোৰ অৱস্থা নাইকিয়া হ'ল।আচলতে পিছলৈ সিহঁত ব্যক্তিগত আক্ৰমণৰ হে বলি হ'ল।নিজৰ চুবুৰীয়া মানুহেই বিধৱা মাকৰ চৰিত্ৰ লৈও কাহিনী ৰচিলে।তেনেস্থলত হিবাই কোনোপধ্যেই মাক আৰু এতিয়াও ভালকৈ খোজ কাঢ়িব নোৱাৰা ভায়েকক অকলে এৰি আহিব নোৱাৰে।সময়ৰ ওচৰত হাৰ মানি তাই এই সিদ্ধান্ত লৈ পেলালে।এতিয়া মাক আৰু ভায়েকে হিবাৰ নতুন ঘৰখনত আশ্ৰয় লৈ আছে।কথাবোৰ যেন মই একো বুজিবও পৰা নাই।

:আয়ুষ্মান ছে কভি প্যাৰ নেহী কিয়া থা না তুমনে?কিতনি চেল্ফিছ হ’ তুম!
: প্যাৰ ত’ মেৰী আম্মী ভি মুঝছে কৰতী হে,ভাই ভি কৰতা হে,ওনকা ক্যা?মৰনে কে লিয়ে ছ’ড় দো?আয়ু ত’ খোদ কা responsibility নেহী লে পাতা হে, মেৰী অ’ৰ মেৰী ফেমিলি কি ক্যা খয়াল ৰখেগা ৱ’?মুঝে আয়ু ছে প্যাৰ থা অনন্যা,উম্মিদ কভি ভি নেহী।
আয়ু দায়িত্বশীল নহয়।সেইয়া ময়ো জানো।কিন্তু সেইবুলি হিবাই এনে কৰিব নালাগিছিল।কি বুজাম এতিয়া মই তাক!কিন্তু সি এইবোৰ জানেনে?যদি জানে মোক কিয় নক’লে?
:হিবা,আয়ু ক’ পতা হে য়ে সৱ?
:হা,সৱ পতা হে,পেহলে দিন ছে ।
:হমম।
সৱ জানে সি।তথাপি একো নক’লে মোক।ইমান ওচৰত থাকিও মই তাৰ আৰু হিবাৰ মনৰ কথাবোৰ যেন কাহানিও বুজিয়েই নাপালোঁ।হিবাৰ নিৰ্লিপ্ততাত কোনো অনুশোচনা নাই।যেন যি কৰিলে সেইয়া পূৰ্ব নিৰ্ধাৰিত আছিল।তাই মোৰ সকলো পইচা ঘূৰাই দিয়াৰ কথাও ক’লে।তাইৰ স্বামীৰ ডাঙৰ ব্যৱসায় আছে।কিছুদিন পিছত তাইও ঘূৰি তালৈকে গুচি যাব ।
:তুম খুচ হ’?
:নেহী,খুচ ত’ নেহী,পৰ দুখী ভি নেহী হুঁ। আম্মী খুচ হে’,ভাই ভি খুচ হে’।উনকে ঘৰৱালে বহুত অচ্ছে ল’গ হে।
:অচ্ছা হে’।খুচ ৰ’হ’।
:অনন্যা,তুম মেৰী দ’স্ত ৰহ’গী না?ইন সৱ কে ৱজহ ছে মে তুমহে খ’না নেহী চাহতি।I always loved you as my good friend, trust me.
:But you frogot to inform me about all these right?
:You don’t understand my situation.
:I will try.
:Thanks.

দিনটো মই ক’তো মন বহাব পৰা নাই।আয়ুক মেছেজ কৰিলেও ৰিপ্লাই নিদিয়ে।ফোন নুঠাই।সাত বজাৰ মিটিং শেষ কৰি ওলাই আহিছোঁ।ককাই দুই তিনিবাৰ ফোন কৰি আছে।অফিচৰ কেবখনত উঠি মালৈ ফোন কৰিলোঁ।
:মাজু,অনিৰুদ্ধৰ নম্বৰ দেচোন।
:কিয়?
:কথা আছে।
একো নুসুধিলো তাৰ পাছত।নম্বৰটো পঠাই দিলোঁ।ঘৰ আহি পাওঁতে আয়ু বহি আছে।সি অফিচৰ পৰা বাহিৰে বাহিৰেই আহিছে।থুপুৰ লগত খেলি আছে।একো যেন হোৱাই নাই তাৰ লগত।
বেগটো থৈ তাক বাহিৰলৈ মাতি আনিলোঁ।সি সৱ জানে আগৰেপৰাই।
:হিবাই নিকাহ কৰি আহিছে,তই জানিও মোক একো নক’লি!কিয়?
:এইটো এনেও এদিন হলেইহেঁতেন ন।অলপ বেছি সোনকালে হৈ গ’ল।সিমানেই।

:ইমান ইজি তোৰ কাৰণে?টাইম পাছ কৰি আছিলি?
:তই কি ভাবি আছিলি?হিবাই ঘৰত কাজিয়া কৰি মোৰ লগত বিয়া পাতিব?অসমলৈ যাব?সৰ তোৰ নিচিনা নহয় ন।
:মোৰ নিচিনা মানে?
:আমি কিছুমান কথা ভয় কৰোঁ।তই নকৰ।হিবাক ভাল লাগিছিলে মোৰ।কিন্তু আমাৰচোন একো এটা কথাই নিমিলে।আৰু প্লিজ,মই এতিয়াই ইমান সোপা reaponsibility ল'ব নোৱাৰোঁ।
:এতিয়া নালাগে তই কেতিয়াও নোৱাৰ।কেঁচুৱা হৈ আছ নেকি?একো কথা গাত নালাগে তোৰ।খোৱা শোৱা লেকছাৰ মৰা।বছ।হৈ গ'ল।কেতিয়াবা চিৰিয়াছ হৈ পাইছ নে?কেৰিয়াৰৰ চিন্তা নাই,ঘৰৰ চিন্তা নাই,নিজৰ চিন্তা নাই,হেলথ চাচোন নিজৰ।গাহৰি নিচিনাকৈ বাঢ়ি গৈ আছ।চুগাৰ প্ৰেচাৰ সৰ পাব তোৰ গাত।
কেলেই তাক ইমান বকিছোঁ ময়ো নাজানো।সি একো নোকোৱাকৈ মনে মনে শুনি আছে।
:কিবা এটা ক এতিয়া।
:আজিকালি তই মোক লৈ লাজ পাৱ ন অনিৰুদ্ধৰ আগত।
:অনিৰুদ্ধ ক'ৰপৰা আহিলে আকৌ?
:সৰ বুজিছোঁ মই।হ'ব দে।আজিৰপৰা নাহোঁ ইয়ালৈ।

দপদপাই ওলাই গুচি গ'ল।
কথাবোৰ ভালকৈ ক'ব নোৱাৰোঁ কিয় মই???

কথাটো শেষ কৰিবলৈও নিদিলে মোক আয়ুয়ে।গুচিয়েই গ'ল।মই যেন বুজিবলৈকো সময় নাপালোঁ।তাৰ পিছে পিছে 'পেটু মামা' বুলি চিঞৰি চিঞৰি গৈ থকা থুপুলৈ চাবলৈকো তাৰ সময়েই নহ'ল।নিজেই শিকাইছিল থুপুক, পেটুৰা মামা বুলি মাতিবলৈ।নুফুটি সেইটো 'পেটু মামা' হৈছিলে।আজি তাৰ ইমান কিহৰ খং যে এনেকৈ গুচি গ'ল!
ককাও আচৰিত হ'ল।তালৈকে মোলৈকে চাহ বনাই লৈ অনা তৰাও একে ঠাইতে ৰ'ল।
পিছে উষ্টাডি মাৰি গুচি গ'লে কি হ'ব,ফোনটো বিছনাতে পেলাই থৈ গ'ল।সেইয়াহে তাৰ মগজ।অলপ পাছত আকৌ আহিবই।টাৱেলখন লৈ বাথৰুমত সোমালোঁ।সাংঘাটিক ভাগৰ লাগিছে আজি।কথাবোৰ যেন মোৰ কাৰণে বেছি গধুৰ হৈছে হঠাতে।হিবাৰ মুখখন বাৰে বাৰে ভাঁহি আছে মনত।
ইমান নিৰ্লিপ্ততা কেতিয়া আহে মানুহৰ মাজলৈ?
সুখ-দুখৰ প্ৰতি কিহে কৰে ইমান বেছি উদাসীন?
কিহৰ তাড়নাত মানুহে সামৰি থয় উন্মাদনা অথবা একাত্মতা!
চকচকীয়া সোণৰ গহনা এটা যথেষ্ট হয় নে বিষাদৰঙী চোলাৰে ঢাকি ৰখা মানুহ এজনীক উজ্বলাই তুলিবলৈ!

কিয় কৰিলে তাই এনেকুৱা সেইয়া মোৰ বাবে বুজি পোৱা টান,কিন্তু...
বাহিৰত আয়ুৰ মাত,ফোন নিবলৈ আহিছে।বাথৰৰটো পিন্ধিয়েই ওলাই আহিলোঁ।
:এক মিনিট ৰ।
:কি হ'ল?
:ভাত খাই যা, মাংস আছে।
:ভোক নাই মোৰ।
তাৰ চকুকেইটা পানী পানী।কান্দিছিলে।কিন্তু কান্দিবলৈ কি হ'ল?মইতো তাক প্ৰায়েই এনেকৈ কৈ থাকোঁ।আজি এনেকুৱা কি হৈ গ'ল?
একো নক'লো আৰু,কোৱাৰ ইচ্ছা নাই।
:কিবা লাগিলি হ'বলা আকৌ?
ককাই বুজি পাইছে।
কিনো কওঁ?ভীষণ দুৰ্বল লাগিছে নিজকে।যেন মই লাহে লাহে হেৰুৱাই গৈ আছোঁ মোৰ দুখৰ সময়ত মোক সামৰি ৰখা মানুহবোৰক।হিবাই নিকাহ কৰাৰ আগতেও মোক একো নক'লে,আয়ুয়ে কি ক'ব খুজিছে মই বুজা নাই,মা,ককা,থুপু,অনিৰুদ্ধ সকলোৱে আৱৰি থাকিলেও মই আয়ুৰ অনুপস্থিতি সহিব নোৱাৰোঁ।সেইয়া প্ৰেম নহয়,সেইয়া মৰম।যদি কাইলৈ অনিৰুদ্ধয়ে সেইয়া নুবুজে মই স-সন্মানেৰে আঁতৰাই পঠিয়াম তেওঁক।আয়ুৰ প্ৰতি মোৰ ভালপোৱা থুপুৰ দৰে পৱিত্ৰ, নিষ্পাপ।
আয়ুক মই বন্ধ কোঠাত বিচৰা নাই কেতিয়াও,ভিৰৰ মাজত হাতখন খামুচি আগবাঢ়িবলৈ হে বিচাৰিছিলো।সেইয়াটো ভুল হ'ব নোৱাৰে।
পাৰে জানো?

ভাত খাই ককা বিছনাত পৰিছে,তৰা আৰু মোৰ বিচনা দুখন লগ লগাই পাৰোঁ।থুপু গোটেইখন বাগৰি ফুৰে।আজিও শোৱাৰ আগতে উৎপাত।বহুত যত্ন কৰি তৰাই শুৱাইছে অলপ আগতে।ফোনটো লৈ বেলকনিত বহিলো।চাৰে এঘাৰ বাজিল।অনিৰুদ্ধলৈ ফোন কৰিলোঁ।তেওঁ মোৰ মাতত বুজি পালে মই ভালে নাই..
:কি হ'ল?
:হিবাই বিয়া পাতিলে।
:কেতিয়া?
অনিৰুদ্ধ যেন অলপো আচৰিত হোৱা নাই।মোৰ বাহিৰে কাৰো কাৰণেই এইটো যেন ডাঙৰ কথাই নহয়।
:You are not shocked?
:not at all.
:কিয়?
:হিবাৰ দৰে ছোৱালী বহুত দেখিছোঁ মই।শেষত এনেকুৱাই কৰে।
:তাৰমানে তাই আয়ুৰ লগত টাইম পাছ কৰি আছিল?
:সেইটো কোৱা নাই মই।তাইৰ মনত হয়তো সঁচাকৈ আয়ুষ্মানৰ কাৰণে ভালপোৱা আছিল,কিন্তু হিবাই সদায় প্ৰথমতে পৰিয়াল আৰু আশে পাশে থকা মানুহৰ কথা ভাবিব।মই জানো সেইটো।হঠাৎ মানুহ সলনি নহয়

অনন্যা।সৰুৰেপৰাই তাই তেনেকৈ ডাঙৰ হৈছে চাগে,দেখি আহিছে এনেকুৱা কথাবোৰ।তোমাৰ ফ্ৰেণ্ডক পাই চাগে অকণমান মুকলিকৈ ফুৰিলে,কথা পাতিলে।তাত আপত্তি ক'ত?কিন্তু সেই অকণমান সময়ৰ কাৰণে তাই গোটেই সমাজখনৰ বিৰুদ্ধে যাব নিবিচাৰিবও পাৰে,বা বিচাৰিলেও নোৱাৰিব পাৰে ন?আৰু ভায়েকৰ এনেকুৱা হোৱাৰ পাছত তাই অলপ ভয় খালে।

:ভয় খালে মানুহে বিয়া পাতে?She is just 23 you know? আৰু কেইবছৰমান পিছতো বিয়া পাতিব পাৰিলে হয়।আয়ুৰ কাৰণে অকণমান ৰ'ব পৰিলে হয়..

: আয়ুষ্মান ইমান চিৰিয়াছ আছিল জানো?

:মানে?

:সঁচাকৈ একো নাজানা তুমি?

:কি?

:তোমাক লৈ সি খুব পজেচিভ ।কিবা এটা তো আছে তাৰ মনত..

অনিৰুদ্ধৰ সুৰত অভিমান,ঈৰ্ষা, ভালপোৱা সকলোবোৰ মিশ্ৰিত।কিয় কৈছে বুজিছোঁ যদিও ক'লো..

:সৰেই কি পৃথিৱীত মোকেই ভাল পায় নেকি?হিবাৰ লগত মোৰ তুলনাও নহয়।ইমান ধুনীয়া ছোৱালী, ইমান ভাল,ইমান অমায়িক।আয়ুয়ে তাইক ভাল পাইছিল।মই কিয় মাজত আহিম বাৰু?

:People don't get attracted to you Ananya,they get attached to you.You have that aura. Nobody would like to lose you.

তোমাৰ লগত থাকিলে নিজকে সাহসী যেন লাগে,পৰিপূৰ্ণ যেন লাগে।তোমাৰ চেহেৰা লৈ চাবলগীয়া একো বাকী নাথাকেগৈ।আৰু নিজেহে ভাবা বেয়া বুলি,কৃতিকাৰ বিয়াত যেতিয়া সেই ড্ৰেচটো পিন্ধিছিলা,উফফ!!!!!

মনে মনে থাকিলোঁ।আয়ুৰ কথাবোৰ যেন এতিয়াহে বুজিছোঁ মই।মই তাৰ বাবে এটা অভ্যাস।সুখে দুখে তাৰ আশে পাশে থকা ৰ'দ বৰষুণৰ ছাতি।হিবাৰ লগত তাৰ যিয়েই নাথাকক,তাতোকৈ বেছি তাৰ দুখ লাগিছে মই আঁতৰি যোৱাটোক লৈহে।অনিৰুদ্ধই কথাবোৰ ইমান ধুনীয়াকৈ কেনেকৈ বুজি পায়।আৰু বহুত কথাই কৈ আছে তেওঁ,শুনি আছোঁ।সোনকালেই লগ পোৱাৰ কথা কৈ ফোন থ'লে তেওঁ।

কাইলৈ আয়ুৰ লগত মুকলিকৈ কথা হ'ম।

অফিচৰ ব্যস্ততাৰ মাজতো মাজে মাজে আয়ুক মেছেজ কৰি আছো।একেলগে লাঞ্চ কৰিবলৈ মাতিলো সি নাহিলে,মেছজৰ ৰিপ্লাই নাই।কামৰ বোজা দুগুণ এতিয়া।অমৃত যদিও কামত চোকা তথাপিও অনিৰুদ্ধৰ দৰে মেনেজ কৰিব নোৱাৰে।জোখতকৈ বেছি প্ৰমিজ কৰে ক্লায়েন্টক।ফলত আমি দুগুণ বেছি কাম কৰিবলগীয়া হয়।আজিও মোৰ ওপৰত কাম এসোপা জাপি নিজে গুচি গ'ল।চাৰে আঠ বাজি গ'ল,এতিয়াও অফিচতে আছোঁ।অৱশ্যে টানিয়া,প্ৰশান্ত আৰু দুজনমান এতিয়াও আছে।কৃতিকা সোনকালে যায়গৈ।

চাহ কেইবাকাপো খালোঁ যদিও মূৰটো বিষাইছে।আৰু নোৱাৰি।বেগটো সামৰি যাবলৈ উঠিলোঁ।

চিনাকি সুগন্ধি এটাই বুকুখন কঁপাই থৈ গ'ল।এইয়া কেনেকৈ সম্ভৱ????
ঘূৰি চালোঁ, অমৃতৰ সৈতে হাঁহি হাঁহি সোমাই আহিছে অনিৰুদ্ধ।
বগা চাৰ্ট আৰু ব্লু জিনছৰ সৈতে চিনাকি হাঁহিটোৰে মোৰ ওচৰলৈ আহি থকা মানুহজন সঁচা নে বাৰু???
সকলোৰে লগত হাঁহি মাতি কথা পাতি শেষতহে মোৰ ওচৰলৈ আহিল
:Let’s go.
পিছে পিছে মন্ত্ৰমুগ্ধৰ দৰে খোজ ল'লো।লিফ্টখন আহি পাওঁতেই তাৰপৰা আয়ু ওলাই আহিল।ময়েইতো কৈ আছিলোঁ একেলগে যাম বুলি।সি তাৰমানে ৰৈ আছিল,কিন্তু ৰিপ্লাই কিয় কৰা নাছিল?
:Hi Ayusman.
:Hello Anirudh.
আয়ুয়ে সেমেকা মুখ এখন লৈ অনিৰুদ্ধৰ হাতত হাত মিলাই মোৰ ফালে চালে।
:অনন্যা,হিবা আছে নে গ'ল?
সি এনেই সুধিছে ,মই জানো।
:আছে,যাবলৈ ৰেডি হৈছে।ন বজাৰ কেবত যাব।
:Okay thanks.
আয়ু আঁতৰি গ'ল।অপৰাধবোধে হেঁচা মাৰি ধৰিলে মোক।

গাড়ীত বহি অনিৰুদ্ধই হাতদুখন টানি নিলে মোৰ।
:কালি খালা এইকেইটা?ৰঙা কৰি পেলালে মানে..
ৰঙা পৰি থকা সৰু নখকেইটা তেওঁ লাহেকৈ নিজৰ ওঁঠত লগাই দিলে।
কামুৰি কামুৰি নখৰ অৱস্থা নাই।চিন্তা বেছি হ'লেই যে নখ খাওঁ তেওঁ জানে।টান মাৰি আঁতৰাই আনিলোঁ।
:এনেকৈ গুচি আহিল যে?
:তোমাৰ কাৰণে?
:মোৰ কাৰণে?

মায়ে ফোন কৰিছিল তেওঁলৈ।মাৰ বিশ্বাস নাই কাৰো ওপৰতে।অনিৰুদ্ধৰ ওপৰতো নাই ।সেইবাবে মায়ে তেওঁৰ ঘৰৰ মানুহক লগ কৰাৰ কথা ক'লে।মোক লগ কৰাই দিবলৈ ক'লে।অনিৰুদ্ধই কিছুমান কথা যে লুকুৱাই ৰাখিছে সেইয়া বুজিলোঁ ভালকৈ।মায়ে হঠাৎ এনেকুৱা কিয় কৰিলে সেইটোহে নুবুজিলোঁ।
:অনন্যা,তুমি ঘৰলৈ যোৱা।
কি কয় অনিৰুদ্ধই?
বুকুখন ধক কৈ উঠিল।
:ঘৰলৈ?কিয়?
:তোমাৰ মা বহুত কষ্টত আছে।I know that. You should be by her side.
একো বুজি পোৱা নাই মই।অনিৰুদ্ধই কি ক'ব খুজিছে?মায়ে প্ৰথমদিনাই অনিৰুদ্ধক সকলো কথা কৈ নিদিয়ে মই খুব ভালকৈ জানো।মই বাৰে বাৰে সুধি থকাৰ পিছতো অনিৰুদ্ধই একোকে নকয়।একান্তমনে গাড়ী চলাই

আছে।মোক কিয় ঘৰলৈ যাবলৈ কৈছে সেইয়াও খুলি নকয়।অশান্তি পাই গৈছোঁ।অলপদূৰ আহি তেওঁ নিজেই ক’লে।

:ইমান ডাঙৰ ঘৰটোত অকলে অকলে আছে মানুহগৰাকী।মই কল কৰোঁতে তোমাৰ ৰূমটো দেখুৱাইছে, ইমান ডাঙৰ ঘৰ,কোনোৱেই নাই।আগতে তৰা আছিল, তাইও ইয়ালৈ গুচি আহিল বুলি ক’লে।তোমাৰ দেউতা কিবা কামত বাহিৰত আছে বুলি ক’লে।

বাহিৰত?

তিনিদিন আগতে হস্পিতালৰ অহা মানুহটো ক’ৰ বাহিৰত আছে?মায়ে নিশ্চয় কিবা লুকুৱাইছে।সুধিবই লাগিব।কথা পাতি পাতি ঘৰ পালেহি।

:কাইলৈ আহিম, ককাৰ লগতো কথা পাতিম।আজি কাম আছে অলপ।

:কেতিয়া ঘূৰিব?

:আৰু নাযাওঁ।I finished my knowledge transfer and mendatory trainings before time. All credit goes to you.

শুনি কিমান সুখী হ’লো বুজাব নোৱাৰো, ছিটবেল্টডাল খুলি সাৱটি ধৰিলোঁ তেওঁক।বতাহত হালি পৰিব খোজা গছ এজোপাই যেন আশ্ৰয় পালে।

খুলি ক’ব নোৱাৰিলোঁ কেতিয়াও.. আপোনাক মিছ কৰিছা,মনত পৰি থাকে,ঘূৰি আহক।এইবোৰ শব্দ ওলাই নাহে মোৰ মুখৰপৰা।একোৱেই নোৱাৰোঁ ক’ব।কিন্তু অনিৰুদ্ধই সকলো বুজে।

:আজি কি হ’ল?Always I have to initiate everything right..

লাজ পাই আঁতৰি আহিলোঁ..

:অনন্যা।

:হমম।মাৰ লগত কথা পাতিবা।I know you are not ready for marriage now, we can discuss it later..

:মোৰ কথা বাদ দিছোঁ,আপুনি ৰেডি?

: অকল মা পাপা আৰু তোমাৰ ঘৰৰ মানুহক দেখুৱাই হে এইবিলাক কৰিম।বিয়াৰ দৰকাৰ আছে জানো আমাক?তোমাৰ ইমান responsibility নথকা হ’লে মই তোমাক কেতিয়াও মোৰ পৰা দূৰত থাকিবলৈ নিদিলোঁহেঁতেন।

:হ’ব হ’ব।ইমান বেছি ফিল্মি কিয় মানে!

:এবাৰ লগত থাকিলে গম পাবা।

চকুটো টিপিয়াই হাঁহি দিলে,সৱ বুজি পালো।বেগটো লৈ নামি আহিলোঁ।নেদেখা হোৱালৈকে চাইয়ে আছে অনিৰুদ্ধই।

সদায় এনেকৈয়ে ৰৈ থাকিবনে বাৰু মোৰ বাবে!!!

দৰ্জা খোলাৰ লগে লগে থুপু দৌৰি আহি কোলাত উঠিলে হি।মুখৰ চাৰিওফালে ভাত লাগি আছে।ৰঙা গেঞ্জী আৰু ডায়েপাৰ পিন্ধি ঘূৰি ফুৰিছে, পেণ্ট নাই।হাতত নেমু এটা।

:ককা ধুম কই কই দিঠে।
মানে ককাই এছাট দিলে।ভাত লগা মুখেৰে মোক মেৰিয়াই ধৰোঁতে গোটেই চুলিত ভাত লাগিছে।আজিকালি এইবোৰ ভাল লগা হৈছে।সি এতিয়া বহুত দেৰি কোঁচৰ পৰা নানামে।ককাৰ দৰৱ পেলাই এছাট খালে,এতিয়া মোৰ আগত অকণমান বেজাৰ কৰিবই,আলপদেৰি ডিঙিতে ওলমি থাকিব।বৰ কোমল ইহঁতৰ অন্তৰবোৰ।আমাৰো হোৱা হ'লে।মোৰ চাগে অন্তৰ বুলি একো বাকীয়েই নাই এতিয়া।

:ককা,দেউতাৰ লগত কথা পাতিছিল নেকি?
:মাৰে হে কালি কৰিছিল।দেউতাৰ ঠিকেই আছে বুলিলে দেখোন।
থুপুক তেনেকৈয়ে লৈ মালৈ ফোন কৰিলোঁ।দেউতা হস্পিতালৰ পৰা বাহিৰে বাহিৰে মাৰ্ঘেৰিটাৰ ঘৰলৈ হে গ'ল।বগা বাংলোৰ ফালে নাচালেই।মায়ে কোৱাৰ পাছতো নগ'ল।কিয় দেউতাই আজিকালি অকলে থাকি ভাল,এই অসুখীয়া অৱস্থাতো মূল ঘৰখনলৈ যাবলৈ ইচ্ছা নকৰিলে।

আচৰিত!

:ককাক তুমি গালি দিয়া ক'।

কোঁচত তেতিয়াও থুপুৰ গোচৰ শেষ হোৱাই নাই।আকৌ এবাৰ নিজকে এসাগৰ পানীত ওপঙি ফুৰা কাগজৰ নাও খনৰ দৰেই লাগিছে।কোন দিশে যাওঁ মই।ইমানবোৰ খেলিমেলি সামৰিম কেতিয়া মই?নে এনেকৈয়ে সকলো এৰি কেৱল নিজৰ কথা ভাবি আগবাঢ়িম।
:থুপু,ভিতৰলৈ যা।
বেলকনিৰ দৰ্জাখন জপাই ফুলৰ টাবত লুকুৱাই ৰখা চিগাৰেটৰ পেকেটটো উলিয়াই আনিলোঁ।পাফ কেইটামান একেলগে টানি উৰুৱাই দিলোঁ ধোঁৱাৰ কুণ্ডলী।মোৰ জীৱনটোৰ দৰেই উৰি ফুৰিছে ধোঁৱা বোৰ।যেনি তেনি।

গেইটত বসন্তী ৰখাই আয়ু সোমাই আহিছে।

ক'ৰবাত কিবা এটা খেলিমেলি হ'ল।আউল লাগিল।এনেকুৱাইতো হয়।সকলোবোৰ সামৰি এটা টোপোলা বান্ধি মই কান্ধত তুলি আগবাঢ়িব খুজিছিলোঁ,এতিয়া লাগিছে এপদ দুপদ বস্তু তাৰে মাজৰপৰা সৰি পৰিছে।আয়ু আহিলে,থুপুক চকলেট এটা দিলে একোলা লৈ মৰম কৰিলে,ককাক পুৰণা হিন্দী চিনেমাৰ কলেক্সন দিলেহি,আৰু মোৰ কাৰণে এক প্লেট চিকেন ম'ম' তৰাৰ হাতত দি থৈ গুচি গ'ল।না সি মোৰ ফালে চালে,না মাত এষাৰ দিলে।
ময়ো একো ক'ব নোৱাৰিলোঁ, সি সুবিধাই নিদিলে।খুব যেন ব্যস্ত হৈ পৰিল মোৰ বাবে অনবৰতে ফ্ৰী থকা ল'ৰাটো।
মই চাগে প্ৰথমবাৰ অৱহেলিত হৈ দুখ পাইছোঁ।কাৰো উপেক্ষাক বুকুত সুমাবলৈ নিদিয়া মই আয়ুৰ আচৰণত দুখ পাইছোঁ।বুকুখন খুন্দা মাৰি ধৰিছে।চকু কেইটা পুৰিছে।অথচ আগবাঢ়ি গৈ একো ক'ব নোৱাৰোঁ

মই।এনেকৈয়ে আঁতৰি যায় মানুহবোৰ মোৰপৰা।মনে মনে কান্দিলেও খুলি নকওঁ কাহানিও।শেষ হোৱালৈকে মই অপেক্ষা কৰোঁ, কিন্তু কেতিয়াও নিজৰফালৰ পৰা একো চেষ্টা নকৰোঁ।বাথৰুমত সোমাই চকুৰে মুখে পানী মাৰিছো।থুপুৰে কি কৈছে,ককাই কি কৈছে মোৰ একো শুনিবলৈ মন যোৱা নাই।

আইনাত মুখ খন চালোঁ।নাকৰ বাওঁ ফালৰ ফুটাটোৰেদি লাহে লাহে বৈ আহিছে ৰঙা ৰঙা তেজ।কিছুদিন এনে হোৱা নাছিল।মই নিয়মীয়াকৈ ব্লাড প্ৰেচাৰৰ দৰৱ খাই আছিলোঁ।আজি আকৌ কিয় হৈছে?টাৱেলখনেৰে নাকটো হেঁচি বাথৰুমতে সোমাই আছোঁ বহুতদেৰি।আৰু কোনেও নুশুনাকৈ মই মাত্ৰ কান্দিছোঁ।মোৰ কিয় আজি ইমান দুখ লাগিছে সেইয়া মই নিজেই নাজানোঁ।কিন্তু ভীষণ অকলশৰীয়া লাগিছে।

এসময়ত চকুপানীৰ সোঁত আৰু তেজৰ সোঁত ৰ'ল।কিন্তু মই ৰৈ থাকিব নোৱাৰোঁ।কাকো একো নোকোৱাকৈ ওলাই আহিলোঁ।অট' এখনত উঠি চিধাই আয়ুৰ ওচৰ পালোহি।তলৰপৰা ফোন কৰি আছো সি নামি নাহে।উঠি গৈ কলিংবেল টিপিলোঁ।মুখত এসোপামান বিৰক্তি লৈ নিবিড়ে দৰ্জা খুলি দিলে।

:আয়ুষ্মান নাই,ওলাই গৈছে।

:আজি চুপতি নহয় প্লিজ।আয়ু,আয়ু..

যিমান জোৰেৰে পাৰোঁ সিমান জোৰেৰে চিঞৰিছো।শেষত সি উপায় নাপায় ওলাই আহিল।নিবিড় সোমাই গ'ল।

:তই অলপ পাগল নে কি?এনেকে কেলেই চিঞৰি আছিলি?

:তোৰ এতিয়াও doubt আছে নেকি মই পাগল হয় নে নহয় বুলি?ব'ল এতিয়া।

:ক'লৈ?নাযাওঁ মই ক'তো।

:চোঁচৰাই লৈ যাম পেটুৰা।বহুত বেছি মূৰৰ ওপৰত উঠিছ।এনেই মোৰ মগজে কাম নাইকৰা।ইয়াতে কোবাই দিম কৈ দিছোঁ।

খঙতে ফোঁপাইছোঁ মই।সঁচাকৈ মন গৈছিল আয়ুৰ মুখতে এক ঘোচা মাৰি যেন!মই এটা কথা নিশ্চিত যে অনিৰুদ্ধই যদি মোৰ লগত এনেকুৱা কৰে মই কেতিয়াও তেওঁৰ পৰা উত্তৰ বিচাৰি নাযাওঁ।অকলেই কান্দিম,অকলেই শেষ হৈ যাম,কিন্তু তেওঁক বিচাৰি মই কেতিয়াও নাযাম।

কিন্তু আয়ুৰ লগত সেইয়া নহয়,হ'বলৈ দিব নোৱাৰোঁ।

:চাবি দে,তই পিছত বহ।

সি চাবিটো আগবঢ়াই দিলে।পেটুৰা পিছত বহিলে আগত বহিবলৈ জেগাই নাথাকে।তেনেকৈয়ে বহি চলাই আহিছোঁ।

আমি প্ৰায়ে আগতে খোৱা নৰ্থ ইণ্ডিয়ান কুইজিনৰ ৰেষ্টুৰেণ্টখনত দুইটা বহিলো।কাষতে সৰু বাৰ এখন।সি বিয়েৰ এটা আনিলে নিজৰ কাৰণে।বিল কিন্তু মই দিব লাগিব।পাৰে মানে এসোপামান অৰ্ডাৰ দিছে।খাবলৈ নেৰে যিমানেই যি হওক।কিন্তু একো কথা কোৱা নাই সি।আনদিনা মই মনে মনে থাকোঁ,তাৰ খোৱা আৰু কথা সমানেই চলে।

:আয়ু,তই মোক ভাল পাৱ নেকি?

মুখত ভৰাবলৈ লোৱা চিকেন মলাই কবাবৰ টুকুৰাটো সি আকৌ প্লেটখনত থৈ দিলে।

:মোৰ মাথাত 'পাগল' লিখা আছে নেকি?অনিৰুদ্ধ চেৰা বুলি মই নহয়তো।

:বাৰে বাৰে অনিৰুদ্ধক কিয় টানি থাকনো?যিটো সুধিছো সেইটো ক।
মই চিধা চিধিকৈ সোধা প্ৰশ্নটোৰ সি বেঁকা উত্তৰ দিলে।তাৰপাছত বিয়েৰৰ গোটেই বটলটো শেষ কৰিলোঁ।
:অঁ। ভাল পাওঁ তোক মই।অনিৰুদ্ধক এৰি দে।পাৰিবি?
কোনোবাই চাগে সেই বটলটো মোৰ মূৰত ভাঙি দিয়া হ'লেও ইমান জোৰেৰে দুখ নাপালোঁ হেঁতেন।
কি কয় আয়ুয়ে?
এইয়া সঁচা হ'ব নোৱাৰে।কেতিয়াও নোৱাৰে!
:তই ধেমালি কৰিছ হয় নাই?এনেই কৈছ ন?
সি মনে মনে থাকিল।তাৰ পাছত খৰ খৰকৈ বিৰিয়ানি খোৱাত লাগিল।মোৰ পেটলৈ একো যোৱা নাই।
:অনিৰুদ্ধ আহি তোক বহুত বেলেগ কৰি দিলে বে।একদম তাৰ নিচিনা,টিপটপ।তোক আজিকালি অলপো আগৰ নিচিনা নালাগে মোৰ।
আয়ুৰ সুৰত আক্ষেপ, অভিমান, খং,বিৰক্তি.. আৰু বহুত কিবাকিবি!
:সি লাহে লাহে তোক তাৰ নিচিনা কৰি গৈ আছে।তই আগৰ জাপৰী হৈ থকা নাই।আগৰ নিচিনা বিন্দাচ হৈ থকা নাই।কাপোৰ পাৰফেক্ট,চুলি পাৰফেক্ট, কথা পাৰফেক্ট।সব একদম বেলেগ।মই একেই থাকিলোঁ ন।তই মোক এৰি বহুত দূৰ গুচি গ'লি।কিমান দিন হ'ল কচোন আমি এনেকৈ লগ পোৱা,একেলগে মাল খোৱা,যা-তা কথা পতা।
:কিন্তু মোৰ এতিয়া দায়িত্ব বাঢ়িছে আয়ু।থুপু,ককা..
:আৰু অনিৰুদ্ধ, হয় নাই?
:তোৰ প্ৰব্লেমটো ক'ত?
:প্ৰব্লেমটো ইয়াত যে তই মোক এবাৰো একোৰেই সোধা নাই।মই কি ইমান বুৰ্বক?
:ঘৰ চাবলৈ তোৰ লগতে গৈছোঁ ন।
:ঘৰ লোৱাৰ আইডিয়া কাৰ আছিলে?
একো নক'লো।
:তই অনিৰুদ্ধৰ লগত ফিউছাৰ ভাবিয়েই ল'লি।মোক এবাৰো একো নজনালিয়েই..
:তোৰ কি প্লেন আছিল তেন্তে, কচোন শুনো।
:মই একো প্লেন নকৰোঁ।ভাবিছিলোঁ তই ইয়াত আছ,আমি একেলগে অলপ দিন থাকিম,অলপ ফুৰিম,খাম.. বছ।মই তাতকৈ বেছি একো নাভাবোঁ।মোৰ একো ফিউছাৰ প্লেন নাই।
:সেইটোৱেই তোৰ প্ৰব্লেম..
:কিয়?কোনোবা মানুহৰ এসোপামান দায়িত্ব লৈ জীয়াই থাকিবলৈ মন নাযাবও পাৰে ন।মোৰ নাযায়।নাপাতোঁ মই বিয়া,নিকিনো মই ঘৰ, গাড়ী,মাটি সম্পত্তি।এনেকৈ থাকিম।সৰৰে একেটাই প্ৰব্লেম।মই responsible নহয়।অঁ নহয়।এতিয়া কি মৰি যাম মই?কাক দিগদাৰি দিছোঁ ক?নিজৰ মতে আছোঁ ন!
অঁ মই বেছি দূৰলৈ ভাবিব নোৱাৰোঁ, মোৰ মাথা নাই,কিন্তু দিল ছাফ হয় মনত ৰাখিবি।হিবা গুচি গ'ল,একেটাই ডাইলগ,মই irresponsible ।তাইক ভাল পাইছিলোঁ,সেইবুলি তাইৰ ভায়েক,মাক সৰৰ দায়িত্ব নোৱাৰোঁ ল'ব।নলওঁ।মই এনেকুৱাই যা।ভাবিছিলোঁ তই বুজিবি,কাৰণ তোক যেতিয়া সৰেই এৰি দিছিলে, ৰাস্তাত 'ভটকী' আছিলি,তেতিয়া মই আছিলোঁ তোৰ লগত।তই মদ খালেও,ভাং খালেও, তই বেলেগৰ লগত ৰাতি পাৰ

কৰিলেও মই তোক লৈ লাজ পোৱা নাছিলোঁ ।তই মোৰ ‘জাপৰি গোসাঁনী’ হৈয়ে আছিলি।মই তোক কেতিয়াও সলনি হ’বলৈ কোৱা নাছিলোঁ।কিন্তু তই বহুত সলনি হৈ গ’লি ৰে,বহুত..!এতিয়া মোক লৈ লাজ পোৱাও হ’লি।

উশাহ নোলোৱাকৈ কৈ গৈছে সি,মনত কিমান যে ক্ষোভ আছিল।অলপ পাতলীয়া নিচা লাগিছে।সৰু সৰু চকুকেইটা অকণমান ৰঙচুৱা।বগা থোপোকা মুখ খন তেজৰঙা।বকি বকি গোটেইটো ফোঁপাই গৈছে গৈ।একো উত্তৰ নিদিয়াকৈ আজি মই তাৰ কথা শুনি আছোঁ।কৈ দিয়ক।কৈ দিলেই শান্তি পাব সি।

:তোক মই কেতিয়াবা বেয়াকৈ কৈছোঁ ক?হাঁ?কিবা বেয়া কৰিছোঁ তোৰ লগত?

:ওহোঁ।

:তই মোৰ দিলত আছ জান, ইয়াত আছ,ইয়াত।

সি আঙুলিৰে বুকুৰ বাওঁফালে হেঁচুকি দেখুৱালে।

:মই তোক বহুত ভাল পাওঁ, বহুত বেছি।কিন্তু তেনেকৈ নহয় যেনেকৈ তই ভাবিছ।তোৰ লগত থাকি ভাল লাগে ৰে,বহু সিমানেই।তোক বিয়া পাতিম,তোক লগত ৰাখিম তেনেকৈ কেতিয়াও নাইভবা মই।তোক ল’ৰা টাইপতে ভাল লাগে মোৰ।কিন্তু অনিৰুদ্ধ আহি তোক ছোৱালী বনাই দিছে।এনেকুৱা পিটিব মন যায় ন মোৰ তাক..

তাৰ শেষৰ গোটেই কেইটা কথা মিছা।সি মোৰ চকুলৈ চোৱা নাই।বিশ বছৰতকৈ বেছি হ’ল তাক জনাৰ,বুজাৰ..আৰু সি ভাৱে তাৰ মিছা কথাবোৰ মই নুবুজিম।

বুজিছোঁ,কিন্তু সি কেতিয়াও নাজানক মই কি বুজিছোঁ,মই কিমান গভীৰলৈকে শিপাইছোঁ তাৰ বুকুত...

মই তাক কেতিয়াও দিব নোৱাৰোঁ পুতৌৰ পৰা জন্মা ভালপোৱা,সি ডিজাৰ্ভ নকৰে..

সি সঁচা ভালপোৱা পাব, যি তাক,কেৱল তাক প্ৰাণভৰি ভাল পাব..তাৰ পেটুৱা পেট,লেতেৰা চোলাকেইটা আৰু শিশুৰ দৰে কোমল মনটো.. এই সকলোবোৰ ভাল পাব..

যি তাৰ সৈতে বিচাৰিব জীৱনৰ সমস্ত সুখ, স্পৰ্শৰ আদৰ,কামনা কৰিব তাক মনে প্ৰাণে..

আৰু তেতিয়ালৈকে মই তাক থুপুৰ সৈতে একেই মৰমেৰে বান্ধি ৰাখিম।সি ও থাকিব মোৰ বুকুত.. আজীৱন.. মোৰ ‘অঁকৰা কছাৰী’ তো হৈ..

:তই বুজিছ ন ,মই কি কৈছোঁ,তোক হেনেকে ভাল নাপাওঁ মই!

:হেনেকে নহয়,তেনেকৈ।

:বিদ্যা ব’ম কামোৰ বে তই!

:তই এতিয়াও বেয়া পায় থকা নাই ন মোক?পালেও পা আৰু একো কৰিব নোৱাৰোঁ মই।

:বিলটো দি দে,হৈ যাব।

আঠশ বিশ টকাৰ বিল পে’ কৰি তাক আকৌ পিছত বহুৱাই ওলাই আহিলোঁ।সি এতিয়া অনৰ্গল কথা কৈছে,মিছা কৈ ধৰা পৰাৰ ভয়ত সি পতিয়ন নিয়াবলৈ এনেকুৱাই কৰে।অলপ দূৰ আহি সি মোৰ পিঠিত মূৰটো পেলাই দিলে।ফিৰফিৰীয়া বতাহ এজাক বৈ আছে।তাৰ ঘৰৰ ওচৰ পাওঁতে এঘাৰ বাজিবৰ হ’ল।

:নাম,মই এইখন লৈ যাওঁ,কাইলৈ দি যাম অফিচ যাওঁতে।

সি নামিলে।

:শুন না।

:কি?

:একো নাই,যা।
:আয়ু,ৰ।
কিয় নাজানো,তাক চপাই ল'লো।এই আলিংগনত আমাৰ আজীৱন বন্ধুত্বৰ হাজাৰটা প্রতিশ্রুতি আছিল,লগতে আছিল মোৰ এটি ক্ষমা প্রার্থনা..
বিৰবিৰাইছোঁ মনতে..
"মাফ কৰি দে আয়ু,তোৰ মিছা কথাটো মই সঁচা নকৰোঁ কেতিয়াও,তই বন্ধু হৈয়ে থাক,মই স্বাৰ্থপৰ হৈছোঁ যদি মোক মাফ কৰি দে,ভাল পাওঁ তোক,বহুত মৰম কৰোঁ তোক।"

তাৰ্লৈ ঘূৰি নোচোৱাকৈ গুচি আহিলোঁ, মনটো একে সময়তে পাতল লাগিছে,গধুৰ লাগিছে..
এনেকৈয়েতো চলি থাকে জীৱন!
দুখৰ চন্দুকত যেতিয়া জাপি যাওঁ ইটোৰ পিছত সিটো দুখ,তাৰ মাজতো অকণমান খালি ঠাই ৰাখি যাওঁ সুখৰ বাবে, কিজানিবা বাট ভুল কৰি হ'লেও মোৰ জীৱনলৈ আহেই..
আজিও গৈছিলোঁ তেনেকৈয়ে..
খালি ঠাইখিনি কিন্তু পূৰণ নহ'ল..কাৰণ তাত সুখ থ'ম নে দুখ..মই বুজিয়েই নাপালোঁ।

একো যেন হোৱাই নাছিল আমাৰ মাজত,ঠিক তেনেকুৱা এটা ভাৱত আয়ুয়ে আকৌ অহা যোৱা আৰম্ভ কৰিলে মোৰ ঘৰলৈ।সব কথাই পাতে,মাত্র অনিৰুদ্ধৰ বিষয়ে কিবা ওলালে তাৰ একো উত্তৰ নাথাকে।এতিয়া যে তাৰ প্রতিটো কথা মই ভালকৈয়ে বুজি পাওঁ সি হয়তো নাজানে।

অফিচৰ কাম সামৰি ওলাই আহিছোঁ।অনিৰুদ্ধৰ আজিকালি এই সময়ত কেইবাখনো মিটিং থাকে।ঘূৰি অহা প্রায় একসপ্তাহ হৈ গ'ল যদিও এদিনো মোক থ'বলৈ যাব পৰা নাই।আজিও ওলাই আহি অফিচৰ কেবৰ বাবে ৰৈ আছোঁ।এনেতে দৌৰি দৌৰি অনিৰুদ্ধ আহিল।ফোঁপাই জোপাই অৱস্থা নাই।
:কি হ'ল?
:ঘৰ কেতিয়া যাবা?
:এতিয়া যোৱাৰ প্লেন কৰা নাই ন।আৰু মই গ'লে সবকে লৈ যাব লাগিব।
:আৰে দুদিনৰ কাৰণে যোৱা, ইয়াত মই আছোঁ নহয়।চম্ভালি ল'ম।
:হয় নেকি?থুপুক আজি "চুলি চুলি মটম" লাগে,কি হয়?
:নাজানো।কিন্তু তুমি নথকাকে সি ইমান দিন আছিলেতো।পাহৰিলা?
কথাটোৱে অলপ আঘাত কৰিলে মোক।উত্তৰ নিদিলোঁ।থুপু আগতে যাৰেই লগত নাথাকক,এতিয়া সি মোৰ অভ্যাস,মোৰ উশাহ।
:You are too much. Come.
টেগ ডাল খুলি পকেটত ভৰাই তেওঁ প্রায় মোক হাতত ধৰি টানিয়েই লৈ গ'ল।এই খংটো আজি বহুত দিনৰ

মূৰত দেখিলো।মই যেন এৰি দিলেই পলাই যাম,তেনেকৈ ধৰি আছে।
:দুখ পাইছোঁ।
:ময়ো পাইছোঁ।

নিজেই টানি আনি মোৰ ছিটবেল্টডাল লগালে।খঙৰ মাজতে হাঁহিও উঠিছে।থুপুৰ খং উঠিলেও এনেকৈয়ে খৰ খৰকৈ যি টি কৰি থাকে।কালি বাতি এটাত পিয়াঁজ এটা লৈ খেলি আছিলে,সেইটো গৈ ককাৰ চাহৰ কাপত ভৰাই দিলেগৈ।অলপ খং কৰিলোঁ।সি ও সমানে খং কৰি নিজৰ ডায়েপাৰ পেকেটটো লৈ এবাৰ ইফালে এবাৰ সিফালে ঘূৰি ফুৰিছে.. হাঁহি উঠি গ'ল।
:You think it's funny?
:Nope.
:মুখ কেনেকৈ বন্ধ কৰে দেখুৱাই দিওঁ নেকি?

একেবাৰতে মুখৰ হাঁহি বন্ধ কৰিলোঁ।বেংগালুৰুৰ ট্ৰেফিক ফালি গাড়ী আগবাঢ়িল।বাৰে বাৰে বাজিছে অনিৰুদ্ধৰ ফোন।হয়তো জৰুৰী মিটিঙৰ সময়।বাওঁহাতেৰে ফোনটো অফ কৰি পিছৰ ছিটলৈ দলিয়াই দিলে।ইমান শান্ত মানুহৰো ইমান খং উঠে নে!
:থুপুৰ খং উঠিলেও এনেকৈয়ে বস্তু দলিয়াই।
:Difference এটাই, তাৰ খং উঠিলে তুমি মৰম কৰা মোৰ খং উঠিলে ignore কৰা।

কিয় জানো সোঁহাত খন তুলি অনিৰুদ্ধৰ গালত মই লাহেকৈ চুই দিলোঁ।মৰম অকণমান তেওঁৰ ভাগতো পৰে।আছে,তেওঁৰ বাবেও সাঁচি থোৱা আছে।

সময়ত সকলোৰে বুজিব,বুজাই দিবই লাগিব!

গোটেই ৰাতি থুপু শোৱা নাই,নাকেৰে পানী বৈ আছে,গাটো অকণ গৰম।কোলাত লৈ লৈ তিনি বাজি গ'ল।বিছনাত শুৱাই দিলেই সি কান্দি দিয়ে,নাকটো চাগে বন্ধ হৈ হৈ যায়।কোলাত লৈ লৈ মুখেৰে যি টি গাই আছোঁ,এবাৰ মাজতে তৰাই জোৰকৈ হাঁহিও দিছে।এইবোৰ গান শুনিলে সি বোলে আৰু বেছি কান্দিবহে।কি কৰিম ভাবিয়েই নাই পোৱা।নিজৰেই ভাগৰ লাগিছে।
ইফালে কাইলৈ অফিচত মোৰ এটা জৰুৰী কাম শেষ কৰিব লাগে।ছুটি ল'বও নোৱাৰোঁ।কিয় বা হঠাৎ তাৰ গা বেয়া হ'ল তাকে ভাবি আছোঁ।
বতৰটো আজি তিনিদিন ধৰি বৰষুণ।তাতে ই বাৰে বাৰে ফ্ৰীজ খুলি বস্তু চুই থাকে।লক কৰি থ'লে ফ্ৰীজটোৰ ওচৰতে বহিয়েই থাকে।
ককাই গালি পাৰি কালি দুয়োটাকে ককাৰ বিছনাত শুৱলৈ দিছে।নিজে এইটো ৰূমতে তলত শুইছে।ক'তনো

শোৱা হ'ল আৰু,যিকণ সময় বিছনাত পৰিছিলোঁ,তাক চাই থাকোঁতেই গ'ল।সি এখন হাতেৰে মোৰ ডিঙিত ধৰি ধৰি শুই থাকিল।অকণমান লৰচৰ কৰিলেও সাৰ পায় যায় বুলিও ভয় লাগে।তেনেকৈয়ে ৰাতি পুৱালে।এতিয়া সাত বাজিছে।থুপু অলপ আগতহে টোপনি গৈছে।ককা আৰু তৰা উঠি খোজ কাঢ়িবলৈ গ'লেই।উঠি আহি চিধাই গা ধুলো,চাহ একাপ বনাই খাই লওঁ বুলি লওঁতেই মায়ে ফোন কৰিলে..

:ভাল পাইছে নাই সি গাটো?

:শুইছে এতিয়া।গাটো অকণ গৰম,নাকটো বন্ধ।ডক্টৰক দেখুৱাই আনো নেকি ভাবিছোঁ।

:নহৰু তেল অকণ মালিচ কৰি দেচোন,ডক্টৰক মই সুধি কৈ আছোঁ ৰহ।তোৰ অফিচ নাই জানো।নালাগে আজি নিব।বেছি গা বেয়া হ'লে লৈ যাবি বাৰু।

গৰম পানী দিবি দেই তাক।

:মা,তাত সব ঠিকেই আছেতো?

:আছে, কিয়?

মায়ে এবাৰলৈও মোক নকয় যে তেওঁ অনিৰুদ্ধৰ লগত কথা পাতিছিল।কি লুকুৱাই ৰাখিছে নাজানো।কিন্তু কিবা এটা যে ঘটিছে মই নিশ্চিত।আজিকালি অনিৰুদ্ধয়ো অলপ মোৰ পৰা আঁতৰি ফুৰে,যদিও ফোন কৰে,কথা পাতে,আগৰ দৰে নহয়।আনকি ভিডিঅ' কল কৰাও বন্ধ কৰি থৈছে।থুপুক চাবলৈকো মন নাযায় নে তেওঁৰ?

কথাবোৰ খোলাখুলিকৈ নপতালৈকে মই শান্তি নাপাওঁ।তেওঁ এইবিষয়ে সুধিলেও একোকে নকয়।মাত্ৰ এটা কথাতে লাগি আছে মই কেতিয়া ঘৰলৈ যাম।আনকি তেওঁ সৰৰে টিকেট কাটি দিম বুলিও কয়।অহা সপ্তাহত সোমবাৰৰ দিনটো বন্ধ পৰিছে।তেওঁৰ মতে শুক্ৰবাৰে চুটি লৈ চাৰিদিন মিলাই যাবই লাগে।

কথাবোৰ জটিলৰ পৰা আৰু বেছি জটিল হৈ হৈ যেন গৈয়ে আছে।

আজিকালি মগজটো খালি হ'বলৈকে নাপায়।এইবোৰ চিন্তাতে থাকোঁ অনবৰতে।টিফিনত ৰুটি আৰু ভাজি অকণ ভৰাই অফিচলৈ ওলাইছোঁ।ইচ্ছা তিলমানো নাই যাবলৈ,কিন্তু উপায় যে নাই।

:তৰা, তই পৰিবিনে ইয়াক চাব?মই অফিচ যাবই লাগিব আজি।সোনকালেই ঘূৰি আহিম।

হাত দুখন মুঠি মাৰি শুই আছে সি,তাৰ গাল দুখন মানুহটোৰ মুখ খনতকৈ ডাঙৰ।শুই থাকিলে এফালে ওলমি যায়।গাৰ পাতল কাপোৰখন গুৰিয়াই পেলালে কেতিয়াবাই।কপালতে চুমা এটা খাই কাপোৰখন আকৌ দি দিলোঁ।কেনেকৈ এৰি থৈ যায় বাৰু মাকবোৰে সন্তানক?মোক যেতিয়া এৰি থৈ গুচি গৈছিল..মই বাৰু এনেকৈয়ে টোপনিত আছিলোঁ নে???

কিহৰ তাড়নাত পৰি এনেকুৱা কৰিছিল মোৰ লগত?

মাক হোৱাৰো যে অলেখটা প্ৰত্যাহ্বান!

দায়িত্ব,কৰ্তব্য, মমতাৰ লগতে নিজকে সদায় নিজৰ পৰা আঁতৰাই ৰখাৰ প্ৰয়োজনীয়তা।

কিন্তু বুজিবই বা কোনে??

:মই আছোঁ,চিন্তা নকৰিবি।

ককা তাৰ ওচৰতে বহি থাকিব আজি মই জানো।কিবাকিবি শ্লোক মাতি থাকিব।মই আঁতৰি আহিব খোজোঁতেই সি সাৰ পালে..

:মা!

কি শুনিছোঁ মই???

আজি প্ৰথমবাৰ তাৰ মুখত এইটো শব্দ শুনিছোঁ।তাক যিহেতু মাহী বুলি মাতিবলৈকে শিকোৱা হৈছিল সিও মোক মাইই বুলিয়েই মাতিছিল।কিন্তু আজি???

এই শব্দটোত কি এনে শক্তি আছে???

মই যেন শিল হৈ পৰিলোঁ ক্ষণিকৰ বাবে, চেঁচা পৰি গৈছে গাতো।চকুৰ পৰা অবাধ্য চকুপানীবোৰ পাৰ ভাঙি বৈ আহিছে।

:থুপু....!

:কোথত।(কুচত)

বিছনাত থিয় হৈ সি হাত দুখন মেলি দিলে।

কোলাত উঠিয়েই সি মূৰটো কান্ধত পেলাই আকৌ শুই দিলে।টোপনিৰ জাল আছেই।ককাই মই নেদেখাকৈ চকুপানী মচিছে।

:আজি নগ'লে নহয়নে?

:নহ'ব।

মই তাক তৰাৰ কোলাত দি থৈ আহোঁতে সি কান্দিছিল,কিন্তু মোৰ উপায় নাই।কাম এটা কৰিম বুলি কোৱাৰ পাছত নোৱাৰোঁ বুলি ক'বলৈ বেয়া পাওঁ।তাতে অমৃতৰ খং এটা থাকেই মোৰ ওপৰত।সুবিধা দিলেই উজাৰি দিব সৰ।কামটো সোনকালে শেষ কৰি গতাই দি গুচি আহিম।

মই সোমাই যাওঁতে অনিৰুদ্ধ আৰু অমৃত কফি লৈ ওলাই আহিছে।কিয় জানো মোৰ কাকো মাতিবলৈ ইচ্ছা নহ'ল।কাষেৰেই পাৰ হৈ গুচি আহিলোঁ।হাঁহি এটা মাৰি অলপ আগবাঢ়ি অহা অনিৰুদ্ধ আচৰিত হৈ চাই থাকিল।

মোৰ সেইবোৰ লৈ মূৰ ঘমাবৰ ইচ্ছা নাই।

যেনেতেনে কাম সামৰি ঘূৰি যাব পৰিলেই হয়।

বাৰে বাৰে ফোন কৰিছোঁ তৰাক,থুপুৰ খবৰ যেন মিনিটৰ বাবেও মই নজনাকৈ থাকিব নোৱাৰিম।তাৰ মাজতে অনিৰুদ্ধৰ ফোন মেছেজ আহি আছে।জানি বুজি উত্তৰ দিয়া নাই।চাৰি বজাৰ আগে আগে কামটো হ'ল।code খিনি কমিট(commit) কৰি অমৃতক গা বেয়া লাগিছে বুলি কৈ ওলাই আহিলোঁ।

তেতিয়াও ফোন বাজিয়েই আছে মোৰ।দৰ্জাখন খুলি দিওঁতেই সন্মুখত দাঁত মুখ কৰচি অনিৰুদ্ধ।কপালৰ শিৰলৈকে জিলিকি আছে খঙত।

:ফোন কিয় উঠোৱা নাই?

:এনেই।

খং অভিমান একো নাই মোৰ কথাৰ সুৰত।তেওঁ নাজানে যে ignore কৰাত মোৰ ওপৰত তেওঁ কেতিয়াও হ'বই নোৱাৰে।মই সুধি থকা কথাকেইটাৰ উত্তৰ নিদিয়ালৈকে ময়ো এনেকৈয়ে কথা ক'ম।

:ক'ত যোৱা এতিয়াই?
:ঘৰলৈ।

আৰু একো কথা নহ'ল আমাৰ মাজত।কেৱত উঠি ঘৰ পালেহি।মোৰ মস্ত ডাঙৰ টি-চাৰ্ট এটা পিন্ধি পকাত বহি আছে থুপু।এইটো নিজে টানি টানি উলিয়াই আনে পিন্ধিবলৈ।বাতি এটাতে মেগী অকণমান লৈ এডাল এডালকে খাই আছে।দৰ্জাখন খুলি মই সুমাই যোৱাৰ লগে লগে সেইবোৰ তাতে পেলাই দৌৰি আহোঁতে সেইটোৰে সৈতে পৰিলে লুটি খাই।ভাগ্য ভাল তলত পাৰি থোৱা বিছনাখনত মূৰটো দি পৰিল।আকৌ কান্দোন আৰম্ভ।এইবাৰ বন্ধ হোৱাৰ নামেই নাই।বহুতদেৰি ফুচুলাই কি লাগিব সুধোতে তাক এতিয়া ডাঙৰ কাৰ্টুন চাবলৈ যাবলৈ লাগে।আগতেও এদিন এই কথাটো কৈছে সি,তাৰমানে তাক অনিৰুদ্ধৰ ঘৰলৈ যাবলৈ লাগে।প্ৰায়ে মোক হেয়াৰ ড্ৰায়াৰৰ কথা কয়।মই দিলে নহ'ব,তেওঁৰ নিচিনা হ'ব লাগিব।
:ফু ফু ব'লা না..
পিছৰখিনি কওঁতে কান্দি দিয়ে।ক'লৈ লৈ যাওঁ মই।
:অকণমান লৈ যাচোন উলিয়াই,তাৰ মনটো ভাল লাগিব।
বহুত ভাবি অনিৰুদ্ধলৈ ফোন কৰিলোঁ।ভাবিলোঁ তেওঁ যদি সোনকালে ওলাব পাৰে ককা আৰু থুপুক লৈ যাম।তৰাই লাজ কৰে,নাযায়।জোৰ নকৰোঁ।টিভি চাই অকলে থাকিব বোলে তাই।থাকক।
:কি হ'ল?
:থুপু আপোনাৰ ওচৰলৈ যায়।ভাবিছোঁ ককাক লগত লৈ আহোঁ অকণমান সময়ৰ পাছত।আপুনি কেতিয়া গৈ পাব?দিগদাৰ হ'ব নেকি?

ভাবিছিলোঁ একেবাৰে জঁপিয়াই উঠিব অনিৰুদ্ধ,সুখী হ'ব।নাই,তেনেকুৱা একোৱেই নাই।
:Oh.. actually..
:প্ৰব্লেম হ'ব?
:I have many calls today, can't skip. Sorry Ananya.
কাটি দিলোঁ ফোনটো।ভীষণ লাজ পালোঁ মই।নিজৰ ওপৰতে খং উঠিছে।কিয় যে কৈছিলোঁ যাম বুলি।থুপু আৰু ককাক লৈ যাম বুলি কোৱাৰ পাছতো তেওঁ এনেকুৱা কিয় কৰিলে?ইমান ডাঙৰ কি ঘটিলে আমাৰ মাজত যে তেওঁৰ ব্যৱহাৰ ইমান সলনি হ'ল!
মই ঘৰলৈ নোযোৱাৰ বাবেই ইমান খং নে অনিৰুদ্ধই আৰু অভিনয় কৰিব নোৱাৰা হৈ আহিছে?সকলো কি মিছা আছিল আমাৰ মাজত?আয়ুয়ে কোৱা কথাবোৰ সঁচা হ'বলৈ গৈ আছে নেকি?নে হঠাৎ ইমানবোৰ দায়িত্ব ল'ব লাগিব বুলি তেওঁ ভয় খাইছে?মইতো কেতিয়াও কোৱা নাই মোক আঁকোৱালি লোৱা বুলি?
:সি চাগে ব্যস্ত অ'।
:Busy my foot.
থুপুক কোলাত লৈ অকলেই ওলাই আহিলোঁ।যাবলৈ কি ঠাইৰ অভাৱ,ওচৰৰ পাৰ্ক খনত অকণমান দেৰি খেলিয়েই তাৰ হাঁহি ওলাই গ'ল।

চলি যাব,অনিৰুদ্ধ নহ'লেও মোৰ জীৱন চলি যাব!
কিন্তু কিয় কথাবোৰ এনেকুৱা হ'ল,সেইয়া জানিবলৈ মই ঘৰলৈ যাব লাগিব।

সলনি হোৱা সময়ৰ সৈতে সহবাস বহুদিনৰ।
তৰংগৰ দৰে আহে কিছুমান মানুহ,কিছুমান সময়,কোবাই থৈ যায়,কেতিয়াবা উটুৱাই নিয়ে অলপদূৰ, কিন্তু কিয় নাজানো মোক ভাঙিব কোনেও নোৱাৰে।এতিয়াটো মোৰ সৈতে ইমানবোৰ মানুহ।অনিৰুদ্ধৰ ব্যৱহাৰে আঘাত কৰিছে হয়,কিন্তু কন্দুৱাব যে এতিয়াও পৰা নাই।

নিয়মমাফিক সীমিত কথা বতৰাৰ বাহিৰে অনিৰুদ্ধক মই আন কোনো কথা কোৱা বা শুনাৰ সুযোগেই নাই দিয়া এইকেইদিন।তেওঁ কেইবাবাৰো মাফ খুজিলে,ককাৰ লগতো কথা পাতিলে যে তেওঁ সঁচাই খুব ব্যস্ত আছিল সেইদিনা।থুপুক ফোনটো দিবলৈ কয়,মই নিদিওঁ।দুদিন তলত আহি ৰৈ থাকিল,ওলাই নাইযোৱা। কাইলৈ শুকুৰবাৰ।ৰাতিপুৱাৰ ফ্লাইটত ঘৰলৈ যাম।মাৰ অলপ অসুবিধাও হৈছে মই জানো।যদিও মোক খুলি একো নকয়,কিন্তু দেউতাই সম্পূৰ্ণৰূপে ত্যাগ কৰা বগা বাংলোৰ সমস্ত দায়িত্ব ল'বলৈ তেওঁৰ দিগদাৰ হৈছে মই বুজি পাইছোঁ।দেউতাৰ লগত হোৱা ঘটনাটোৰ পিছত ককাৰো যাওঁ যাওঁ লাগিয়েই আছে মই জানো।সিদ্ধান্ত হ'ল মই চাৰিদিনৰ কাৰণে যাম।ককা চাগে অলপদিন থাকিব।আমাৰ লগত আয়ুও যাব।দীঘলীয়া বন্ধ যিহেতু।তৰাই সৰ পেকিং কৰি মেলি আজৰি।মায়ে তাইক ফোন কৰি কৰি সৰ দেখুৱাই আছে।থুপুৰ কাৰণে কি কি ল'ব লাগিব সেইয়াও বুজাইছে ।মোৰো মনটো ভাল লাগিছে।যিহেতু দেউতা নাই ঘৰখনত,শান্তিৰে সৰেই একেলগে মিলি অলপ সময় পাৰ কৰি আহিব পাৰি।

:ইয়াক কৈছ নে ঘৰলৈ যাবি বুলি?
:নাইকোৱা।
:সি তলত ৰৈ আছে দেখোন।
এই ৰাতি চাৰে দহ বজাত!ফোনটো চালো মিছড কল বহুত।তললৈ নামি গ'লো।
অফিচৰ পৰা তেওঁ এতিয়াও ঘৰলৈ যোৱা নাই,সম্পূৰ্ণ ফৰ্মেল ড্ৰেচতে আছে এতিয়াও।মোক দেখি হুপি থকা চিগাৰেটটো পেলাই অকণমান আগবাঢ়ি আহিল।
:ঘৰ যাবা কাইলৈ?
:কেনেকৈ গম পালে?
:Amrit told me.
:okay.
অনিৰুদ্ধৰ চকুকেইটা পোহৰ পোহৰ।কি খেলি আছে মোৰ অজানিতে।ইমান ধুনীয়া চকু আচলতে বিশ্বাসৰ যোগ্য হ'বই নোৱাৰে।কত যে খেলা, কত যে অভিনয়!
মোৰহে বুজি পাওঁতে দেৰি হৈ গ'ল!

:ডিঙিত কি হ'ল?
থুপুৰ নখকেইটা অলপ দীঘল হৈছে, বেছি মৰমত টেপা মাৰি ধৰোঁতে মই দুখ পালো।ৰঙা পৰি আছে ঠাইকণ।
:থুপুৰ নখ লাগিল।
তেওঁ দুখোজ আগুৱাই আহিল,মই দুখোজ পিছুৱাই গ'লো।
:মায়ে বেলেগ কিবা বুলি নাভাবিলেই হ'ল।
টপকৈ গালত চুমা এটা খাই আঁতৰি গ'ল অনিৰুদ্ধ।
মুখ আৰু চকু ডাঙৰকৈ মেলি চাই থাকিলোঁ মাত্ৰ।
গালখন চাবোন দি ধুই দিম এতিয়া।
Damn!

এয়াৰপোৰ্টৰ পৰা ককাক নিবলৈ যোগেশ দা ৰৈ আছিলেহি।ককাৰ নিজৰ গাড়ীত।মা নাই অহা।কিয় নাহিল বুলি সোধা নহ'ল।ককাই এফালৰ পৰা সৱ খবৰ লৈছে।মানুহজন যে একেবাৰে নোৰাৰাত হে মোৰ ওচৰত আছিলগৈ মই ভালকৈয়ে বুজিলোঁ।থুপু আয়ুৰ লগত ব্যস্ত।বগা বাংলোলৈ সি আজি প্ৰথম সোমাব।ফ্লাইটত ইটোৰ কোলাৰ পৰা সিটো কোলালৈ বগাই ফুৰিছে।এয়াৰ হোষ্টেজ এগৰাকীয়েও খুজি একোলা লৈ চাইছে।ফেলেক ফেলেক হাঁহি হাঁহি গৈছে একেবাৰে।মাজতে তৰাৰ লগত এখুন্দা কাজিয়াও লাগিলে।এতিয়া আয়ুৰ লগত মোবাইলত গেম খেলাত ব্যস্ত।
:মাজু,তই একেবাৰে গুচি আহিব পৰা হ'লে ভাল আছিল।ককা ইয়াত নাথাকিলে সৱ শেষ হ'ব।সৱ ইয়াতে থকা কিবা এটা কৰচোন।
কম কথা কোৱা যোগেশ দাৰ কথাবোৰ আজি ইমান বেলেগ নিচিনা লাগিছে।ককাই বাহিৰলৈ চাই আহিছে।তৰাই মোৰ হাতখন চেপা মাৰি ধৰিলে।ঘৰলৈ গৈ কি দেখিম মই নাজানো।যিমানেই ওচৰ চাপিছোঁ সিমানেই বুকু খন ধপধপাই আহিছে মোৰ।
প্ৰকাণ্ড লোহাৰ গেইটৰ মুখত গাড়ী ৰ'ল।
:মই এইডোখৰ খোজকাঢ়ি যাম।
:ভাতকেইটা খাই যা।
:মায়ে গাহৈ বনাই ৰৈ আছে।গধূলি আহিম এপাক।
:ময়ো দাম থোমা নগত(ময়ো যাম তোমাৰ লগত)
থুপু খালি ভৰিৰে নামি গ'লেই।আকৌ টানি আজুৰি উভতাই আনিছোঁ।
পৰিৰেশটো আজি ইমান বেছি নিজান।তৰা আৰু যোগেশ দাই গাড়ীৰ পৰা বেগ নমাইছে ।অলপ দেৰিৰ পিছত মা ওলাই আহিল।মানুহজনীৰ মুখ খন ক'লা পৰা, দুটামান দাগ।তেজ মৰা যেন লাগিছে।বুজিবলৈ বাকী নাই

যে কোনোবাই মাৰিছে।থুপুৱে মাক চিনি পাইছে।মোৰ হাত এৰি দৌৰি গৈ মাৰ ওচৰ পালেগৈ
:ক'ত কুকাই(লুকাই) গৈছিলা থুমি?
সি ভাৱে মায়ে তাক মোৰ ওচৰত থৈ লুকাই আছে এতিয়াও।মায়ে তাক কোঁচত তুলি এসোপামান চুমাৰে উপচাই পেলালে।ককা আৰু মা যেন এতিয়াও কিবা সহজেই নহয়।একো কোৱা নাই ইজনে সিজনক।তৰাই গৈ ককাৰ হাৱাই ছেণ্ডেলযোৰ উলিয়াই আনিলে।হাতত চৰবত লৈ বাহাদুৰ ওলাই আহিছে।ককা বাৰাণ্ডাতে বহিব অলপ সময় এতিয়া।যোগেশ দাৰ লগত আলোচনা কৰিব।মই মাক ভিতৰলৈ প্ৰায় টানি অনা দি আনিলোঁ।
:থুপু,তৰাই মাম দিব যোৱা, তৰা ইয়াক মোৰ ৰূমলৈ লৈ যা।
:নাই না, নাই না।
:থুপু!মাৰ খোৱা আগত যা বুলি কৈছোঁ নহয়।
মুখ খন ফুলাই তৰাৰ হাতত ধৰি সি ওপৰলৈ উঠি গ'ল।
:কি হ'ল এইবোৰ?কোনে কৰিলে?
:আহি পাইছহি হে, ৰচোন অলপ সময়।ভাত খাই ল।বাহাদুৰ,দেউতাৰ কাৰণে পানী টুকি ভাত বনাব লাগিব।আমাৰ কাৰণে কুকাৰটো উঠাই দে।
মোৰ প্ৰশ্নটো সম্পূৰ্ণৰূপে উপেক্ষা কৰি মা পাকঘৰলৈ গুচি গ'ল।কিন্তু কিমান দেৰি থাকিব এনেকৈ?মন কৰিলোঁ ডাইনিং এৰিয়াত থকা ডাঙৰ একুৰীয়ামটো এতিয়া নাই।কোনে ভাঙিলে?বহুকেইটা প্ৰশ্ন।
ৰূমলৈ গৈ গা ধুই কাপোৰ সলাই ল'লো।থুপুৰ খং পুৰাই উঠি আছে।তৰাই তাক ক্ৰীম সানি আছে।মোলৈ চকু কেইটা টেলেকা কৰি এবাৰ চালে।
:মাক পিটি দিয়া থোন।
তৰাই আকৌ মোক মৰাৰ নিচিনা এক্টিং কৰিলত হে অকণমান শান্তি।হাজাৰ দুখৰ মাজতো জোনাকৰ দৰে তাৰ সৰু সৰু কথাবোৰ আমাৰ মাজত উমলি থাকে।ভাত খোৱা টেবুলতো সৱ তাক লৈয়ে ব্যস্ত হৈ পৰিল।মায়ে তাক নিজেই ভাত খুৱাই দিলে।খোৱাত তাৰ সিমান আপত্তি নাথাকে কেতিয়াও।ছাল থকা কণী এটা,বাটাৰ অকণ আৰু আলু এটা দিলেই হ'ল।মায়ে ঢেৰ কিবাকিবি ৰান্ধি থৈছিলে আমালৈ।ককাই ভাত খাই থাকোঁতে মোক ক'লে
:মই কেইদিনমান থাকিব লাগিব ইয়াতে।মোৰ টিকটটো cancel কৰি দিবি।তৰা যাব বাৰু লগত।
ওলোটাই একো নুসুধিলোঁ।উত্তৰ সকলো মাৰ ওচৰত আছে।আৰু কেনেকৈ সেই উত্তৰ উলিয়াব লাগে মই জানো।

থুপুক মাজতে লৈ মা আৰু মই দুপৰীয়া জিৰাইছোঁ।মায়ে যি টি কথা কৈছে কিন্তু দেউতাৰ কথা এবাৰলৈকো নাইকোৱা।ময়ে সুধিলো
:দেউতা একেবাৰে নাহে ইয়ালৈ?
:সেইদিনা আহিছিলে।
:একুৰীয়ামটো ভাঙি থৈ গ'ল?
:সি কৈ দিলে তোক?বৰ লাজ পালোঁ জাননে।নাক কাণ কাটি শেষ কৰি দিলে।

মাৰ চকুত অলপো চকুপানী নাই।মুখ খন ইমান কঠোৰ ।আৰু সি
মানে কাৰ কথা কৈছে মায়ে?
:কি হৈছিল ভালকৈ কোৱা মোক।সি বাৰু কৈছেই মোক সৰ।
মিছা কথা কোৱাত পাকৈত হৈ গৈছোঁ আজিকালি।মিছাতে লুকাই আছে সঁচাৰ কাষ চপাৰ বাট।
মায়ে কৈ গ'ল।মোৰ পৰা ফোন নম্বৰ লৈ মায়ে অনিৰুদ্ধৰ লগত কথা পাতিছিল।সিয়েই প্ৰস্তাৱ দিলে ভিডিঅ' কল কৰাৰ।তেওঁলোকৰ বাবে প্ৰথম লগ পাওঁতে প্ৰণাম কৰাৰ প্ৰথা বৰ প্ৰয়োজনীয়।সেই উদ্দেশ্যেই কৈছিল।মায়ে তেওঁক মোৰ ৰুমৰ পৰা আৰম্ভ কৰি সৰ দেখুৱাই আছিল।অকস্মাত দেউতা ওলালহি।নিচাত আছিল।হস্পিতালৰপৰা ওলায়েই মদ খাইছে।প্ৰচণ্ড খঙত আছিল দেউতা।কাৰণ হঠাৎ তেওঁৰ প্ৰয়োজনীয়তা কাৰোৰে ওচৰত নাইকিয়া হৈ গ'ল।ককাই উইল খন কৰোঁতেও তেওঁক একো নুসুধিলে,একো নজনালে।মায়েও সকলো কাম অকলেই কৰিব পাৰিলে।দেউতাৰ মেইল ইগ' যেন নিমিষতে চাৰখাৰ কৰি পেলালোঁ আমি সৱেই মিলি।হস্পিতেলত পৰি থাকোঁতে মায়ে সকলো চম্ভালি লোৱাটো যেন মাৰ ভুলহে হৈছিল।তাতেই লাগিল জগৰটো।আহি মাক অকলে থকা দেখি আৰু চল পালে।তাতে ভিডিঅ' কলত সিটো মূৰত কোনোবা ডেকা ল'ৰা।নিচাত ডুবি থকা অল্পমতি মানুহৰ মতিভ্ৰম হ'বলৈ ইয়াতকৈ বেছি আৰু কি লাগে।উৎপাত কৰি বস্তু অলপ ভাঙিলে, মাক গালি-গালাজ কৰিলে..
মা ৰৈ গ'ল..
:তোমাকো মাৰিলে?
:নাই মৰা,ৰখাবলৈ যাওঁতে নিজেহে দুখ পালোঁ।
:ভিডিঅ' কল কাটি নিদিলা কিয়?
মগজে অলপ দেৰি কামেই নকৰিলে, ফোনটো সৰি পৰিলে দৌৰি ৰখাবলৈ যাওঁতে।সি তেতিয়ালৈ দেখিলেই দেউতাৰৰ ৰূপটো।পিছত কেতিয়া সি ফোন কাটিলে নাজানো।
কথাবোৰৰ গাঁঠিবোৰ এটা এটাকৈ খোল খাইছে।লাজ পোৱা নাই মই।আনৰ অসভ্যালিৰ কাৰণে মই লাজ নাপাওঁ।আৰু সেইজন মানুহৰ লগত সম্পৰ্কও নাছিল মোৰ কাহানিও।মোক জন্মৰ দুদিন পিছতেই যি মানুহে নিজৰ স্বাৰ্থৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে,সেইজনক লৈ কি আশা কৰিম।
আজি মোৰ খং উঠাও নাই।দেউতালৈ পুতৌ জন্মিছে।মনে মনে ফুৰ্টি লাগিছে।মানুহজন অকলশৰীয়া হৈছে,ভিতৰি ভিতৰি ভাগিছে।কৰ্মফল ভুগিছে।
:মা,অনিৰুদ্ধই তাৰ পাছত কথা পাতিছে তোমাৰ সৈতে?
:সদায় কৰে ফোন এটা।খবৰ লয়।
:কি কয়?
:সৰ কথা জানিলেই যেতিয়া..
:কি কথা?
মা এইবাৰ উঠি বহিল।মোৰ ফালে সন্দেহৰ চকুৰে চালে।মই যে একো নাজানোঁ সেইয়া মানিবলৈ মাৰ টান হৈছে।
:একো কোৱা নাই সি তোক?
:ওহোঁ।মাত্ৰ ঘৰলৈ যোৱা ঘৰলৈ যোৱাকে মাথাটো খাই দিছিলে।

মায়ে অনিৰুদ্ধক অনুৰোধ কৰিছিল,মোক যেন ঘৰখনৰ পৰা আঁতৰাই নিনিয়ে।মোৰ অবিহনে এইখন ঘৰ ধ্বংস হৈ যাব।মায়ে তেওঁক বুজাইছিল।অনিৰুদ্ধৰ সলনি হোৱা ব্যৱহাৰৰ আচল কাৰণটো এতিয়াহে বুজিলোঁ।ইমানবোৰ ঘটনা মোৰ অজানিতে ঘটি গ'ল।

ককা থকা হ'লে হয়তো ইমানবোৰ নঘটিলহেঁতেন।ঘৰ বুলিবলৈ ইয়াত আগৰপৰাই একো নাছিল,তথাপি যেন ককাই আৱৰি ৰাখিছিল সকলোকে।এতিয়া সেই বটবৃক্ষক মই উঘালি আন ঠাইত ৰুবলৈ চেষ্টা কৰিছোঁ, আৰু মোৰ অজানিতে ভিতৰি ভিতৰি শুকাই মৰহি গৈছে ছায়া দিয়া সেউজীয়া গছজোপা।

মালৈ চালোঁ,থুপুক বুকুত সুমুৱাই মৰম কৰি থকা মানুহজনী কিমান অসুখী!

থুপুৱে টোপনিতে বাগৰ সলাই এইবাৰ মাক ধৰিছেগৈ।মায়ে তাৰ কেঁকুৰা চুলিখিনি মোহাৰি দিলে।

মা যদি মতা মানুহ হ'লহেঁতেন, তেন্তে ভাঙিলে হেঁতেন নে এনেকৈ নিজে গঢ়ি লোৱা বস্তু কিছুমান?

দেউতাতকৈ মাৰ দুখ,শোক,খং,বিৰক্তি বহুত বেছি,কিন্তু মেইল ইগ' যে নাই,সেইবাবে নিজকে শাস্তি দি দি পাৰ কৰিছে দিনবোৰ।

কেতিয়াবা লাগে,দুয়োজন সমানেই দায়ী,কেতিয়াবা লাগে মাৰ লগত অন্যায় হৈছে,কেতিয়াবা ভাবোঁ ককাৰ লগতো অন্যায় হৈছে..

আৰু এতিয়া জানিতে বা অজানিতে মায়ে অনিৰুদ্ধৰ লগতো অন্যায় কৰিছে..

:তুমি তেনেকৈ কওঁতে অনিৰুদ্ধই কি ক'লে?মানি লৈছে?

:তোৰ নিচিনাই জেদী,অভং।কৈছে তই যি সিদ্ধান্ত ল'বি সেইটো হে হ'ব।আমিবোৰ মাজত সোমালে নহ'ব।তোৰ লগত থাকি থাকিয়েই হ'ল চাগে তেনেকুৱা।

মায়ে কথাটো পাতল কৰিবলৈ ক'লে।আঁতৰি যাম বুলি ভয়,একেটা ভয় ককাৰো আছিল।

:মাজু,অনিৰুদ্ধই থুপুক মৰম কৰিব নে?তহঁতৰ নিজৰ সন্তান হ'লে থুপু যদি আকৌ আলৈ-আথানি হয়!ভয় লাগে কেতিয়াবা।

মাৰ ভয় বেলেগ,মায়ে থুপুৰ কথা ভাবিছে,ময়ো ভাবো,ভয় খাওঁ কেতিয়াবা।কিন্তু অনিৰুদ্ধক ওচৰত পালে নিমিষতে সেই সন্দেহ নোহোৱা হৈ যায়।কথাবোৰ কমকৈ ভাবিবলৈ লৈছোঁ আজিকালি, যিমানেই ভাবিম সিমানেই কষ্ট পাম।মাৰ সন্দেহ যদি সঁচা হয়?একো নাই,আঁতৰি আহিম নিজেই।থুপুৰ লগত আৰু কোনোধৰণৰ অন্যায় মই সহ্য নকৰোঁ কোনোদিন।

কিন্তু সকলোবোৰ পিছত,তাৰ আগতে কিছুমান কথা ক্লিয়েৰ কৰিব লাগিব।

অধীৰ গোস্বামীৰ লগত,মোৰ so called 'দেউতা'ৰ লগত।

বগা বাংলোত আজি চাগে বহুদিনৰ মূৰত সন্ধিয়া শংখ, ঘণ্টা বাজিছে।ককাই আনদিনাতকৈ বেছি ডাঙৰকৈ মন্ত্ৰ উচ্চাৰণ কৰিছে।ঘোষা পাঠ কৰোঁতে শেষৰ ফালে মাতটো কন্দনামুৱা।সকলো বুজিছোঁ।

যোগেশ দাৰ কান্ধত উঠি থুপুৱে গোটেই ঘৰটো ঘূৰি ফুৰিছে।পাকঘৰৰ পৰা ঘিঁউত লুচী ভজাৰ গোন্ধ।

:মাজু,চাহ কাপ তই বনাচোন।

মায়ে চিঞৰিলে।মানুহজনীয়ে একসপ্তাহ ভালকৈ একো খোৱা নাই।বাহাদুৰে তৰাক সকলো কৈছে,আৰু তৰাই মনে মনে আহি মোক কৈ গ'ল।আজি চাহ একাপ বনাই খুৱাবই লাগিব।

এনেতে বিছনাত ফোনটো বাজিল।

অনিৰুদ্ধৰ ভিডিঅ' কল।

উঠালোঁ।

অফিচৰ পিছফালে থকা smoking zone টোৰ পৰাই কৰিছে।

:ঘৰ পাই পাহৰি থাকিলা ন মোক।

:আগতেই পাহৰিলোঁ।কোন হয় আপুনি?

:ইমান গুণ্ডী কিয়?

:ইমান ফিল্মী কিয়?

:মইতো এনেকুৱাই।

:ময়ো এনেকুৱাই।

:Copy কৰিছা মোক?

:Nope!

:তাক দেখুৱাই দিয়া এবাৰ।

থুপু তেতিয়া আইতাকৰ হাতৰ পৰা লুচী খোৱাত ব্যস্ত।ডাইনিং খনৰ ওপৰত বহি আছে।হাতত ককাৰ গোসাঁইঘৰৰ টিলিঙাটো। কান্ধত গামোছা এখনো লৈছে।

ফোনটো তাৰ ফালে পোনাই দেখুৱালো।

সি অলপ দেৰি চালে..

:Hey buddy..

এখন হাতত টিলিঙা আৰু আনখন হাত মুঠি মাৰি সি কৈছে

:থোমাক ধুম ধুম পিটিম,অনিমুন।

মুখত লুচী আছেই,ভালকৈ ক'বও পৰা নাই,তথাপি দম দেখুৱাবলৈ এৰা নাই।

এইবাৰ মা, মই, অনিৰুদ্ধ সৱেই একেলগে হাঁহিলো।

সপোন দেখা চকুবোৰক জোৰ কৰি খুলি ৰাখে সমাজে...

আপোন মানুহবোৰে..

কেতিয়াবা জানিতে.. কেতিয়াবা অজানিতে..

মায়ে দুপৰীয়া সোধা প্ৰশ্নটোৰ লগতে আৰু বহু প্ৰশ্নই এতিয়া মোক খেদি ফুৰে।

থুপুক অনিৰুদ্ধই মৰম কৰিবনে?

মই নাথাকিলে বগা বাংলো থাকিব নে?
জানকী কাননত হাঁহি ফুলিব নে?
ককাৰ শেষৰ সময়খিনি বিনা কষ্টৰে পাৰ হ'বনে?
'আশাপূৰ্ণা' নাম লৈ সকলো অপূৰ্ণ আশা বুকুত সামৰি মা বাৰু জীয়াই থাকিব পাৰিবনে?

থুপু আজি মাৰ লগত শুইছে,নিজৰ ৰূমৰ খিড়িকী খুলি মই আকৌ এবাৰ ডুবিছো চিন্তাৰ পাৰাপাৰহীন সাগৰত।এইয়াইতো মোৰ জীৱনৰ সত্য।যেতিয়াই লাগে সকলো ঠিক হৈছে,সময়ে আনি এনেকৈয়ে থৈ যায় অনিশ্চয়তাৰ এখন বিশাল সমূদ্ৰত।
কি ঘটা নাই,কি দেখা নাই মই এই জীৱনত!!!

ৰূমটো চালো। প্ৰতিটো বস্তু মায়ে ভালকৈ ৰাখিছে।আগতে কেতিয়াও মোৰ কাষলৈ নহা মানুহজনী এতিয়া মোৰ স্মৃতিবোৰ লৈও জীয়াই থাকিব পৰা হ'ল।সময়ে মানুহক কেনেকৈ সলাই পেলাব পাৰে!আচৰিত হওঁ কেতিয়াবা।কেতিয়াও কোনেও নিবিচৰা মোক এতিয়া ইমানবোৰ মানুহে কাষত বিচাৰে,মোৰ সৈতে থাকিব বিচাৰে..
কোনেও এবাৰো সোধা নাই মোক..তই পৰিবিনে ইমানবোৰ দায়িত্ব ল'ব?বা তোৰ ইচ্ছা আছেনে ইমানবোৰ দায়িত্ব কান্ধ পাতি লোৱাৰ?
কিন্তু কাকনো দূষিম মই?
তেওঁলোকৰ ওপৰতো যে আন একো উপায় নাই।
শেষ হোৱা চিগাৰেটটো খিড়িকীৰে পেলাই দি বিছনাত থকা ফোনটো চালো ,বাৰ বাজি পোন্ধৰ মিনিট গ'ল।কেইবাটাও মিছড কল অনিৰুদ্ধৰ।মেছেজ কেইটামানো আছে।ফোন কৰিলোঁ।

:বিজি আছোঁ,কাইলৈ কথা পাতিম।
অনিৰুদ্ধৰ গহীন মাত।
:ঠিক আছে।
:হোৱাট?আই মিন আৰ ইউ ইভেন ৰিয়েল অনন্যা??খং উঠিছে মোৰ,আৰু তুমি কৈছা ঠিক আছে!!
এতিয়াহে বুজিলোঁ, তাৰমানে তেওঁ অভিমান কৰিছে।
:I am really sorry. অলপ কাম আছিল।
তেওঁ হয়তো বুজি পালে।
:ই শুলে?
:মাৰ বিছনাত খেলি খেলি তাতে টোপনি গ'ল।উঠাই নানিলোঁ আৰু।
:তুমিও শুই যাব লাগিছিল।
:টোপনি অহা নাই।
:কিবা ক'বা?
:ওহোঁ।

:Hey, are you alright?Tell me,please.
কিয় নাজানো মোৰ সামৰি ৰখা সমস্ত খং দুখ পাৰ ভাঙি বৈ আহিল।ফোনটো দুহাতেৰে চেপি ধৰি কান্দিছোঁ মাথোঁ।মোৰ আজি কান্দিবলৈ মন গৈছে।মোৰ আজি শিল হৈ থাকিবলৈ একেবাৰেই মন যোৱা নাই।মোৰ দুৰ্বল হ'বলৈ মন গৈছে,স্বাৰ্থপৰ হৈ তেওঁৰ ওচৰলৈ গুচি যাবলৈও মন গৈছে।
মোৰ সঁচাকৈয়ে হেৰাই যাবলৈ মন গৈছে,কোনেও বিচাৰি নোপোৱা ঠাই এডোখৰলৈ।
:Hey... shhh.. don't do this please!
মোৰ কান্দোন উচুপনিলৈ সলনি হোৱালৈকে তেওঁ মনে মনেই থাকিল।
:কিয় মোৰ লগত.. ভা.. ভালকৈ কথা পতা নাছিলে.. কিয় মোক আৰু থুপুক আহিব নালাগে বুলি কৈছিলে.. কিয় মায়ে কি ক'লে মোক কোৱা নাছিলে..
এফালৰ পৰা বকি গৈছোঁ, কথাবোৰ মাজে মাজে ভাঙি গৈছে,উচুপনি হৈছে,কান্দোন হৈছে.. কিন্তু কাৰো পৰা উত্তৰ নিবিচৰা মই অনিৰুদ্ধৰ পৰা এইবোৰৰ উত্তৰ বিচাৰিছোঁ।
:সেইকাৰণে থুপুৰে পিটিম কৈছে মোক?
তেওঁ যিমান পাৰে সিমান মৰমত সুধিছে।
:ময়ো পিটিম।
:শুনা, মই নিজেই বহুত shocked আছিলোঁ।তোমাৰ মায়ে যিমান লাজ পাইছে,সিমানেই ময়োতো পাইছোঁ।সেইকাৰণেই কৈ আছিলোঁ তোমাক ঘৰলৈ যোৱা বুলি।
:এতিয়া যে মই আৰু বেছি কনফিউজদ হৈ গৈছোঁ,কি কৰিম এতিয়া মই?
:Hey, listen.. jaan please.. stop crying first..
জান??
প্ৰথমবাৰ অনিৰুদ্ধই মোক তেনেকুৱা কিবা নামেৰে মাতিছে।ইমান মৰমেৰে আজিলৈকে কোনেও মোক কথা কোৱা নাই।সেইবাবেই চাগে বাৰে বাৰে হাৰি যাওঁ মই তেওঁৰ ওচৰত।বিশ্বাস অবিশ্বাসৰ হাজাৰটা প্ৰশ্নক নেওচি আঁকোৱালি লওঁ তেওঁৰ ভালপোৱাবোৰ।
:সময় বেয়া,ভাল হৈ যাব।আৰু এনেকুৱা কিয় কৰিছা যেন কাইলৈ পৃথিৱী ধ্বংস হৈ যাব।তুমি আজিয়েই সৱ ডিছিশ্যন ল'বই লাগিব।দেউতাক লগ পালা?
:নাই পোৱা।
:Talk to him.
:What?Have you just lost it Anirudh?
:অনন্যা।মই এইবিলাকৰ মাজত সোমাব নুখুজোঁ।সেইকাৰণে তোমাক কথা পাতিব কৈছোঁ।ক্লিয়েৰ কৰা সৱ।তেওঁৰ নিশ্চয় কিবা ক'বলগীয়া আছে।
:So?
:কথা পাতি লোৱা প্লিজ।I won't tolerate anyone coming between you and me, I am so f**g clear about it. Not even your dad.তোমাৰ বাহিৰে কোনেও এইটো সিদ্ধান্ত ল'ব নোৱাৰিব মই কৈ দিছোঁ।মই তালৈ গৈ যদি সেইদিনাৰ নিচিনা কিবা দেখোঁ...
:আপুনি ইয়ালৈ কিয় আহিব?

অনিৰুদ্ধই কি কৈ আছে একো বুজা নাই মই!কথাৰ মাজতে সুধি পেলালোঁ।
:অনন্যা,মই যদি আৰু দেৰি কৰোঁ, তুমি যে মোক এৰি গুচি যাবা মই জানো।তোমাৰ ঘৰৰ মানুহে তোমাক কেতিয়াও নকয় অনন্যা তই নিজৰ কাৰণে ভাৰ, নিজৰ কাৰণে জীয়াই থাক।কোৱাৰ বাবে বেয়া নাপাবা,কিন্তু এইয়াই সঁচা।
:আপুনি আমাৰ ঘৰলৈ আহিব?
:Yes, of course!
:কেতিয়া?
:পৰহিলৈ।
:আৰু কোন আহিব?
:অকলে আহিলে নহ'ব?
:প্লিজ নাহিব ইয়ালৈ,ঘৰত এনেই ইমান খেলিমেলি..
:অনন্যা,তোমাৰ ঘৰৰ খেলিমেলি শেষ হোৱালৈ ৰ'লে মই বুঢ়া হ'ম।এতিয়া শোৱা,কাইলৈ তুমি দেউতাৰ লগত কথা পাতিবা।See you soon my would be wifey!Love you.

টেনশ্যনৰ ওপৰত আৰু অলপ টেনশ্যন জাপি দি শুই থাকিল অনিৰুদ্ধ।
ফোনটো থৈ দৌৰি গৈ মাৰ ৰূম পালোগৈ।মা শোৱা নাই এতিয়াও।বিছনাৰ কাষৰ টেবুলখনত থকা সৰু লাইটটো জ্বলাই কিতাপ এখন পঢ়ি আছে।ওচৰ চাপি দেখোঁ অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাস জলছবি খন তেওঁৰ হাতত।
:কি হ'ল মাজু,শোৱা নাই কেলেই তই?
:অনিৰুদ্ধ আহিব ইয়ালৈ।
:জানো,পৰহিলৈ নহয় জানো।ককাক ক'লো।
:মোক কেতিয়া ক'ম বুলি ভাবি আছিলা তোমালোকে?
:সি তোক নাইকোৱা?
:এইমাত্ৰ কৈছে।
:তহঁতি দুইটা কেলেই এনেকুৱা বাৰু।
কি অদ্ভুত প্ৰাণী এটাৰ প্ৰেমত পৰিলোঁ মই ভগৱান!

যোগেশ দাৰ লগত ৰাতিপুৱাই ওলাই আহিছোঁ মাৰ্ঘেৰিটাৰ দেউতাৰ ঘৰখনলৈ বুলি।ককাক কওঁতে মানা কৰিছিল,মাৰ মুখত কোনো অভিব্যক্তি নাছিল।থুপু শুইয়ে আছে।বৰষুণৰ বতৰ।এতিয়াও চিপচিপ কৈ দিয়েই আছে।যোগেশ দাই পুৰণা হিন্দী গান শুনি ভাল পায়।মিউজিক চিষ্টেমত বাজি আছে লতা মংগেশকাৰৰ গান
"অজীৱ ডাস্টা হে য়ে
কহা চুৰু কহা খতম"

:যোগেশ দা,আমাৰ ঘৰত থকা কিমান বছৰ হ'ল আপোনাৰ?
:চল্লিছ বছৰ হৈ গ'ল,মোৰ বাবাৰ লগত এদিন আহিছিলোঁ, তোৰ ককাই ৰখাই থ'লে।মোৰ বাবা মা দুইটাই পাত তুলিছিলে ককাৰ বাগানটোত।
:দেউতাই মই নাথাকোঁতে আৰু কি কি কৰিলে?
:বহুত বেয়া কথা হৈ আছে মাজু,ঘৰখন কি আছিলে মাই থাকোঁতে।একদম মন্দিৰ নিচিনা লাগিছিল।এতিয়া ভাল নালাগে একদম।
যোগেশ দাই আইতাক মাই বুলি মাতিছিল।দুখ কৰে এতিয়া সেই দিনবোৰ ভাৰি ভাৰি।

:মই ভিতৰত নাযাওঁ,তই যা।

ঘৰ নে মন্দিৰ ধৰিবই নোৱাৰি।চোতালৰ সন্মুখত প্ৰকাণ্ড এটা মন্দিৰৰ দৰে ঘৰ নিৰ্মাণ কৰা আছে। পিছফালৰ মানুহ থকা ঘৰটো ঢাক খাই গৈছে ।তলৰ মহলটো মাত্ৰ সম্পূৰ্ণ হৈছে ঘৰটোৰ।ওপৰত আৰু দুটা মহল বনাই আছে।ধুনীয়া ফুলনি এখনো পাতিছে।ঘৰটো বহুত আগতেই দেউতাই বনোৱা আৰম্ভ কৰিছিল।কেয়াৰ টেকাৰ হিচাপে এজন বিহাৰী সম্প্ৰদায়ৰ মানুহ আছিল।লগত তেওঁৰ পত্নী আৰু দুটা সন্তান ।এতিয়া থাকে নে নাই নাজানো।
:তোৰ দেউতা বহুত ধাৰ্মিক বনি গৈছে এইকেইদিনত।
:ফটকে কি হ'ল?পাপ ধুইছে নে ইলেকচন খেলিব?
:নিৰ্দলীয় খেলিব অহাবাৰ।
:উৰা,বিৰাট ভাল দেখোন MLA ৰ লগত।
:জিকিবলৈ নহয় অ',ভোট ভাঙিবলৈ হে।মই সৰ গম পাই থাকোঁ।যা এতিয়া কথা পাতি আহ।

দেউতাক ফোন কৰিয়েই আহিছোঁ।গাড়ীৰ দৰ্জা খুলি নামি গ'লো।হাতত পূজাৰথাল লৈ ধুতি পৰিহিত দেউতাক দেখি অলপ আচৰিত হৈছোঁ।এইটো ৰূপ আগতে নাই দেখা।

:আহ, অকলে আহিলি?
ৰাও, লেভেল অৰ এক্টিং মানিব লগীয়া।
ভিতৰলৈ সোমাই গৈ কাঠৰ ধুনীয়া চ'ফা খনত বহিলো।সুগন্ধি ধূপ আৰু চন্দনৰ গোন্ধ নাকত লাগিল।পূজাৰ থালখন ভিতৰত থ'বলৈ গৈ অলপ পাছত কাপোৰ সলাই দেউতা ওলাই আহিল।ভৰিটো অলপ দুপিয়াই দুপিয়াই খোজ কাঢ়িছে এতিয়াও।
:কেতিয়া আহিলি?
:কালি।
:থাকিবি কেইদিনমান?
:মঙলবাৰে ৰাতিপুৱা ফ্লাইট আছে।
:কাম ঠিকেই চলিছে?

:মই কথা কিছুমান পাতিবলৈ আহিছোঁ।
: কি কথা?
:সমস্যাটো ক'ত আপোনাৰ?নিজেও শান্তিত নাথাকে, আনকো থাকিবলৈ নিদিয়ে কিয়?সেইদিনা কি উৎপাত কৰি দেখুৱালে সব গম পালোঁ মই। নেক্সট টাইম এইবোৰ সহ্য নকৰিম কৈ দিছোঁ।
ফোঁপাই গৈছোঁ কথাকেইটা কওঁতে।
:তই এইবোৰৰ মাজত কিয় সোমাইছ?
:অহ ৰিয়েলি?মই সোমাব নালাগে?আপোনালোকৰ এই অহংকাৰ আৰু জেদৰ কাৰণে মোৰ লাইফ বৰবাদ হৈ গ'ল এতিয়া মই সোমাব নালাগে?কোনে মোক বিকাশৰ লগত এৰি দিছিল দেউতা?কোনে ইমানৰ পাছতো মোকেই দুষিছিল?আৰে সেইবোৰ বাদ দিয়ক না,আপুনিতো মোক আনিছিলেই নিজৰ স্বাৰ্থৰ কাৰণে।কিমান ফাঁকি দিব আৰু?এতিয়াতো অলপ সলনি হওক।কিবা এটা ভাল হৈছে লাইফত হ'বলৈ দিয়ক।প্লিজ।আপুনি পাৰে যদি আমাৰ পৰা,বগা বাংলোৰ পৰা আঁতৰি থাকিব।
:ভুল বুজিছ তই,মাৰে তোৰ ব্ৰেইন ৱাছ কৰিছে, সব সেই মানুহজনীৰ দোষত হৈছে।শেষ কৰি দিছে সব।
:আৰু আপোনাৰ কোনো দোষেই নাই?

এনেতে জুনুক জুনুক পায়েল বজাই ৰঙা শাড়ী পিন্ধি হাতত চাহৰ ট্ৰে লৈ মানুহ এগৰাকী ওলাই আহিল।দেউতাই মোক মনে মনে থাকিবলৈ ইংগিত দিলে।

:এওঁ ইয়াতে ৰান্ধনী হিচাপে আছে।মানুহজনে মোৰ গাড়ী চলায়।
:মইতো সোধা নাই আপোনাক এওঁ কোন বুলি।কৈফিয়ৎ কিয় দিছে?

:এওঁ ইয়াতে ৰান্ধনী হিচাপে আছে।মানুহজনে মোৰ গাড়ী চলায়।
:মইতো সোধা নাই আপোনাক এওঁ কোন বুলি।কৈফিয়ৎ কিয় দিছে?
মানুহজনী অলপ আঁতৰি থিয় হৈ আছে।বয়সত মোতকৈ সৰু হ'ব।উৰণিৰে আধা মুখ ঢকা।ক্ষীণ মানুহজনীৰ হাতত মেহেন্দি, ভৰিত আল্টা। ডাঙৰ এযোৰ পায়েল,হাতত এসোপামান কাঁচৰ খাৰু।
:আপনি ছাৰৰ ছোৱালী আছে?
:হুমম।
:ছাৰ আমাৰ একদম ভগৱান আছে, বহুত মৰম কৰিছে মোক আৰ মোৰ আদমী টোক।ছাৰৰ নিচিনা মানুহ এৰি দিছে ছাৰৰ সাথীয়ে।কি মাইকী আছে ভগৱান জানে।
মানুহজনীৰ সাহস দেখি আচৰিত হ'লো।চিধাই মাৰ কথা ক'ব পৰাকৈ তাই নিজকে কি বুলি ভাবিছে?
:ঔকাত সমঝতি হ'?নেহী ত' মে' সমঝাতি হু।

:ভিতৰলৈ যা ।
দেউতাৰ কথাত মানুহজনীয়ে মোক সম্পূৰ্ণৰূপে উপেক্ষা কৰি ভিতৰলৈ গ'ল।মই নাজানো কোন তাই,কি সম্পৰ্কত ইয়াত থাকে, এইবোৰ লৈ মগজ নষ্ট কৰাৰ ইচ্ছা, সময়, শক্তি একোৱেই নাই মোৰ এতিয়া।আৰু দেউতা বুলি মাতি অহা মানুহজন নো মোৰ হয় কোন!
:কি কাৰণত আহিছিলি ইয়ালৈ ক এতিয়া।
:ইমানদিনে চলি অহা কথাবোৰ সলনি হ'ব লাগিব।মই মোৰ জীৱনৰ আহিবলগীয়া দিনবোৰ ভাল কৰিব বিচাৰো।মা আৰু ককাৰ লগত পাতিছোঁ ইতিমধ্যে।আপোনাৰ ওচৰত দুটাই option আছে।হয় আপুনি ঘৰলৈ ঘূৰি আহক, মাক মাফ খোজক,ককাক মাফ খোজক, আৰু সৰ শান্তিৰে থাকক।ময়ো সেইটোৱেই বিচাৰোঁ।

আধা খোৱা চাহৰ কাপটো টেবুলখনত থৈ দেউতাই ক'লে
:আৰু দ্বিতীয়টো?
টিঙিচকৈ খংটো উঠি আহিল।তাৰমানে ঘৰত শান্তি হোৱাটো তেওঁ নিবিচাৰে।গোটেই জীৱনটো যদি এনেকৈয়ে থাকিব বিচাৰিছে, থাকক।
:দ্বিতীয়টো হৈছে, আপুনি ককা মা আৰু মোৰ পৰা একেবাৰেই আঁতৰি থাকিব লাগিব।আপোনাক যি লাগে দি দিম মই।
:তই দিবি?
অদ্ভুত ধৰণেৰে হাঁহিলে দেউতা নামৰ মানুহজনে।
:হাঁহিবলৈ কি হ'ল?
:বুঢ়াই লিখি দিলেই সৰ তোৰ হৈ নাযায়।বহুত ভিতৰুৱা কথা আছে।তই সেইবোৰ কেতিয়াও বুজিব নোৱাৰিবি।আৰু তই থাকিবি বেংগালুৰুত।ইয়াত কি কৰিব লাগে মই কৰিম।
:যদি মই ঘূৰি আহোঁ?
:তেতিয়া মোৰো এটা চৰ্ত শুনি ল।
:কি?
:তই সম্পত্তিৰ উত্তৰাধিকাৰী হ'বি,তাত মোৰ আপত্তি নাই,কিন্তু তোৰ লগতে আন কোনোবাই ভোগ কৰিবহি,তাত মোৰ আপত্তি আছে।
:মানে?
:মানে মই নমৰালৈকে মই চাম,তাৰ পিছতহে তই?যদিহে তই বিয়া বাৰু নকৰাই ইয়াতে থাকিম বুলি ভাবিছ তেতিয়াহে পাবি।নহ'লে একো নিদিওঁ মই কাকো।
দেউতাই এইবাৰ আচল স্বৰূপ উদঙাই দেখুৱালে।
:মই সম্পত্তিৰ লোভত মানে অকলে থাকিম গোটেই জীৱনটো?
:মই তহঁত মাৰ জীয়েৰৰ সৰ কাহিনী জানো অ'। ৰাজুৱে সৰ কৈছে।কথা হ'ল ভাগ সৱেই পাব লাগিব।
:মই নিদিওঁ বুলিতো কোৱা নাই।
:এতিয়াহে কৈছ।পিছত বা কি হয়?আৰু বিয়া বাৰু কৰিলে তো তই সিটো মানুহৰ কথামতেই চলিব লাগিব।গতিকে সেইবোৰ হ'বলৈ মই দিব নোৱাৰোঁ।শুন,তোৰ ভালৰ কাৰণে কৈছোঁ,এনেও আমিবোৰ তোৰ

নিজৰ নহয়,মই তুলি ননাহেতেঁন তোক কাউৰী কুকুৰে খালেহেঁতেন, গতিকে যিমান পাইছ তাকে লৈ আঁতৰি যা।চাকৰি এটা আছে,ল'ৰা এটাও আছে, যিটো কাৰণে নাক-কাণ কটা গ'লেই আমাৰ।হ'লেও বাৰু মাফ কৰিছোঁ সেইবোৰ।বুঢ়াই কোৰা কাৰণে উইল কৰিবলৈ দিলোঁ।কেইদিন নো থাকিব।মৰাৰ পাছত তোৰ এই দপদপনি নৰজিব বুজিলি।গতিকে ভাবি-চিন্তি সিদ্ধান্ত ল।

আঙঠাৰ দৰে উফৰি অহা শব্দবোৰ গোটে গোটে গিলি থৈছো মই।
অভ্যাস আছে।আচলতে যি মানুহক মই ভাল নাপাওঁ,যি মোৰ হৃদয়ৰ কাষ কোনোদিনেই চাপিব নোৱাৰিলে, সেইবোৰ মানুহৰ কোনোটো শব্দই মোক চুব নোৱাৰে।সেইয়া ভালেই হওক বা বেয়াই হওক।দেউতাৰ শব্দ বোৰেও একো কৰিব পৰা নাই।বহাৰ পৰা উঠিলোঁ।
:ময়ো চাওঁ কিমান তললৈকে নামিব পাৰে আপুনি।পুলিচ,আদালত এইবোৰলৈ ভয় নকৰোঁ বুলি আপুনি জানেই।আৰু ককাহে চিধা মানুহ, মই নহয়।মনত ৰাখিব,আপুনি মোৰ লগত যি কৰিব,তাৰ দুগুণ উভতাই পাব সেইয়া ভালেই হওক বা বেয়াই হওক।আহিছোঁ।
আৰু এটা কথা,মই সম্পত্তিৰ ভাগ যি যেনেকৈ পায়,সেইখিনি দিম।তাতকৈ বেছি কাঢ়ি নিবলৈ যদি হাত মেলে, আপুনি, বা,ৰাজু যিয়েই নাহক, হাত কাটি দিম কৈ দিলোঁ।আচলতে কি জানে,মোক বুটলি আনি আপুনি বহুত ডাঙৰ ভুল কৰিলে।

ওলাই আহিলো।যোগেশ দা ৰৈ আছিল।গেইটৰ সন্মুখত লগ পাইছোঁ আটাইতকৈ বেছি ঘিণ কৰা মুখখন।
:আৰে তুমি।
দেউতাৰ ওপৰত উঠি থকা খংটো আছিলেই, এতিয়া মূৰত একুৰা জুই ভমককৈ জ্বলি উঠিল।
সমস্ত জোৰেৰে ঘোচা মাৰি পঠিয়ালোঁ সেই মানুহটোৰ মুখত।যোগেশ দা দৌৰি আহি ধৰিছেহি মোক।আৰু দেউতাই বিকাশক।
:তই পাগল নে কি মাজু।
:আই এম ছৰী অনন্যা।মই খুড়াকো মাফ খুজিছোঁ।আমি একেলগে কাম কৰিব লাগিব।বহুত কথা আছে... ওঁঠৰ বিৰিঙি অহা তেজ মচি মচি সি ক'লে।
:তোক মই কি কৰিম চাই থাক চাল্লা কুকুৰ।সৰু আছিলোঁ তেতিয়া, বাচি গ'লি।এতিয়া নেৰোঁ তোক।challenge কৰিছোঁ, পুলিচত নিদিওঁ, নিজেই মাৰিম তোক মই..
আৰু কি বকিছোঁ মই নিজেই নাজানো।
যোগেশ দাই টানি টানি নিছে মোক।
:মাজু, এইবোৰ বাদ দে ব'ল,ঘৰলৈ যাওঁ।ব'ল ইয়াৰ পৰা।
খঙত ,দুখত ফোঁপাইছোঁ মই।যোগেশ দাই গাড়ীত থকা পানীৰ বটলটো আগবঢ়াই দিলে।গাড়ী ঘূৰাই আহি আছো,যোগেশ দাই গান বজোৰা নাই।
:মাজু,তই সলনি হ'ব লাগিব।বিকাশৰ নিচিনা মানুহৰ লগত এনেকৈ লাগি নল'বি।
:আপুনি কি বুজিব মোৰ মনত কি আছে।কাটি পেলাম তাক মই।
:নোৱাৰ তেনেকুৱা কৰিব।যিটো পৰিবি সেইটো কৰ।তোৰ ককাই সদায় বুদ্ধিৰে যুঁজিছিল শত্ৰুৰ সৈতে।

:মানে?
:য'ত মাৰিলে মানুহ নিজেই মৰি যাব,তেনেকুৰা কিবা কৰাৰ কথা ভাবিবি।তাৰ মানুহজনীয়ে নাজানে সি কেনেকুৰা।কেঁচুৱাৰ বাপেক হ'ব সি অলপদিন পাছত।তই পিছৰখিনি ভাৱ।
:সিহঁতক অপকাৰ নকৰোঁ মই।
:আঁতৰাই পঠিয়াব পৰিবি তো?
:বুজিলোঁ।
:গৰম গৰম পাৰঠা খুৱাম তোক ব'ল।তই কি কৰিবি, কেতিয়া কৰিবি, কেনেকৈ কৰিবি ককাক বা মোক সুধি কৰিবি।মনত ৰাখিবি আমি থকালৈকে তোৰ বাপেৰে একো কৰিব নোৱাৰে।

যোগেশ দা ককাৰ কিয় ইমান বিশ্বাসী এতিয়া গম পালোঁ।মই ভবাৰ দৰে কেৱল তেওঁ ককাৰ ড্ৰাইভাৰ নহয়।তাতোকৈ বহুত বেছি।প্ৰায় ছয় ফুট উচ্চতাৰ পাহুৱাল মানুহজন ককাৰ সাহস,সাৰথি।

ঘৰলৈ সোমাই আহি যি দেখিলো, মোৰ সমস্ত খং ৰাগ যেন উৰি গুচি গ'ল।চোতালত সেই আগৰ ছবিখন।একেই পানীৰ পাইপ লৈ ককা।ওচৰত থিয় হৈ আছে আয়ু।আৰু পানী পাই হাঁহি হাঁহি খেলি আছে থুপু।অকণমানি পেণ্টটো তিতি শেষ।আৰু বেলেগ কাপোৰ নাই তাৰ গাত।অকণমানি পেটটো আগলৈ ওলাই আছে।বাৰাণ্ডাত মা আৰু তৰা।
মই গাড়ীৰ পৰা নামি যোৱাৰ লগে লগে সি দৌৰি আহিলে
:গাগা কইম ব'লা।
:মই কৰিলোঁ নহয়।
:আকৌ,আকৌ।
উপায় নাই,জিনছ টপ সকলো তিয়াই তাৰ লগত মই আকৌ চোতালত গা ধুলোঁ।অকল ময়েই নে?সৱ অকণ অকণ তিতিব লগীয়া হ'ল।
ককাই ঠিকেই ৰাখিছিল তাৰ নাম,আবিৰ।যিমানেই দুখৰ ক'লা ডাৱৰে ছানি নধৰক কিয়,সি ৰামধেনুৰ সাতোটা ৰং লৈ উজ্বলাই তুলে আমাক।
দেউতাৰ কথাবোৰ ভিতৰতে হেঁচুকি ৰাখি মই সকলোৰে সৈতে হাঁহি মাতি ভাত খালোঁ।আয়ুৰ মাকে বনাই পঠোৱা কচুৰ জলাখন মোৰ লগতে মায়েও খালে।মায়ে আয়ুৰ বাতিত মাংস অকণ বেছিকৈ দিয়া দেখি সি মোলৈ চাই চকু কেইটা ডাঙৰ কৰি দেখুৱাইছে।আৰু সৱৰে মাজত থুপু বহি লৈ একেটা কথাকে চিঞৰি আছে
:পেটু মামা ঘৰলৈ যাম,তাত ঠাগলী আথে।

আয়ু যাবৰ সময়ত মোক আচৰিত কৰি মায়ে কৈ উঠিল
:আয়ু, শুন চোন,মাক কাইলৈ মাতিছোঁ বুলি ক'বিচোন।মই বাৰু ফোন এটা কৰিম।আলহী আহিব।
:কোন আলহী খুড়ী?
:অনিৰুদ্ধ।

থুপুক কোলাত লৈ হাঁহি থকা আয়ু সেমেকা মুখ এখন লৈ ঘৰলৈ গুচি গ'ল।

থাকক,তাৰ কথাবোৰ মই নভৰাকৈয়ে থাকক।দেউতাৰ ব্যৱহাৰ, সেই পায়েল পিন্ধা মানুহজনী,বিকাশৰ কুটিল চেহেৰাটো এইবোৰ জানো যথেষ্ট নহয় মোক ভিতৰি শেষ কৰিবলৈ।

ৰাতি ভাত খাই উঠি ককাই মোক নিজৰ ৰুমলৈ মাতি নিলে।লগত মা।
বহুত দেৰিলৈকে আমাৰ মাজত একো কথা নাই।আৰম্ভ মায়ে কৰিলে
:মাজু,ককা আৰু মই সদায় তোৰ ভাল চিন্তাই কৰি আহিছো।আমাক ভুল নুবুজিবি।অনিৰুদ্ধ আহিব খুজিছে,আহক।কিন্তু বিয়াৰ কথা,বিয়াৰ পিছত কি হ'ব সেইবোৰ কথা আমি ভালকৈ পাতি ল'ব লাগিব।
:বুজিছোঁ।
আচলতে মই একো নাইবুজা।বুজিবৰ ইচ্ছাও নাইকৰা।
:ই কি ক'লে?
ককাই সুধিলে।দেউতাৰ লগত আজিকালি মাত বোল বন্ধ।
:একো নাই।
মিছা মাতিলোঁ।মানুহজনক আৰু কষ্ট দিয়াৰ ইচ্ছা নহ'ল।
:আহিবলৈ কৈছ নেকি কাইলৈ?
:নাহে,কিবা কাম আছে।
:হ'ব বাৰু আমি আছোঁ নহয়।
:ককা,অনিৰুদ্ধক মানা কৰিব লাগে যদি কোৱা।কৈ দিওঁ।
:তোৰ কি ইচ্ছা?
:নাজানো।
:আহিবলৈ দে মাজু,কথাবোৰ যিমানেই পিছুৱাই থাকিবি,সিমানেই গধুৰ হৈ গৈ থাকিব।
মায়ে মোৰ হাতখনত ধৰি কৈ উঠিলে।
:শেৱালি থকা হ'লে আজি...
ককাৰ চকু কেইটা সেমেকা।আইতাৰ ফটোখনত হাত খন বুলাই দিছে।
:ছোৱালীজনীক আশীৰ্বাদ কৰিবা।ঘৰখনত বহুত দিনৰ মূৰত আনন্দৰ দিন এটা আহিছে।যা গোসাঁনী,শুব লাগে আমি সৰ।কাইলৈ কাম ঢেৰ।

ককাৰ ৰুমৰ পৰা ওলাই আহি নিজৰ ৰুমলৈ বুলি বাট ল'লো।মায়ে পিছফালৰ পৰা মাত দিলে
:মাজু।
:হুমম।
ওচৰ চাপি আহি মোৰ চুলিখিনি মোহাৰি কপালত চুমা এটা খাই মানুহজনী আঁতৰি গ'ল।
উফ।
এই মানুহজনীয়ে কেনেকৈনো ভাল পাব পাৰিব দেউতাৰ দৰে মানুহ এজনক!

শোৱাৰ আগত অনিৰুদ্ধৰ লগত কথা পতাটো অভ্যাস।আজিও পাতিছোঁ।কিন্তু তেওঁক জনোৱা নাই মোৰ লগত কি কৰিলে দেউতাই।

:দেউতাৰ লগত কথা পাতিলা?

:উম।

:all good?

:Yeah!

:See, I told you. তুমি সৱ ঠিক কৰি দিব পাৰিবা।

:হমম।

:I will reach your place around 2 pm.হোটেল পাই যাম ন ৰাতিৰ কাৰণে?

:মই বুক কৰি থ'ম।

:Hey, I can hug you in front of them right?

:Nope.

:Haye!

সতেজ ফুল,নতুন পৰ্দা,মা,ককা,বাহাদুৰ,তৰা,যোগেশ দাৰ ব্যস্ততা দেখি নিজেই আচৰিত হৈছোঁ।অকল এটা মানুহক লৈ ইমান কিহৰ আয়োজন।মই শুই উঠোঁতেই ন বাজিল।থুপু কালিও মাৰ লগত শুলে।এতিয়া উঠি গা-পা ধুই সি আজৰি।সৱৰে লগতে সিও ব্যস্ত।তৰাই কুচনবোৰ পাৰে, সি তললৈ পেলাই পেলাই দিয়ে।

:কি কৰিছা নো তুমি?

মোক দেখি দৌৰি আহি কোলাত উঠিলে।

:আদি আলই আইব।

:কোন আহিব?

:অনিমুন।

মায়ে মানে তাকো বুজাই থৈছে।পাকঘৰত চাহ একাপ খাওঁ বুলি গৈ মাৰ গালি খালোঁ।

:তই কি ছোৱালী বাৰু,ইমান দেৰিলৈকে শুই আছ।গা ধু।আৰু এই হাফপেন্ট খোল যা।চুলিখিনি চা চোন।মোৰ বাথৰুমত গা ধু যা।চুলিত সনা যি পাৱ সানি ঠিক কৰ মুঠতে।আকৌ ব্লাউজ বা হয় নে নহয়।তৰা, তৰা কাপোৰ ইস্ত্ৰি কৰিলি?

:oh wait wait. মা অনিৰুদ্ধই মোক এনেকৈ বহুত বাৰ দেখিছে।আৰু মই মেখেলা চাদৰ কিয় পিন্ধিম আকৌ তাৰ লগত।পাইজামা পিন্ধিয়েই ওলাম।

:শাহুৰেৰ আহি আছে লগত।

:What the..?

দৌৰি গৈ ফোন চালো।মেছেজ কৰি থৈছে মাক আহিছে বুলি।কালি কিয় নক'লে!

সৰৱে আগত সহজ হৈ আছোঁ যদিও ভিতৰি মই কি অনুভৱ কৰিছো মই কাকো বুজাব পৰা নাই।দেউতাৰ কথাবোৰ এতিয়াও মগজত ঘূৰিয়েই আছে।আৰু.. অনিৰুদ্ধৰ মাক কিয় আহিছে.. তেওঁ যদি মোক ভাল নাপায়, থুপুক মৰম নকৰে..

মায়ে হাতত তুলি দিয়া আকাশ নীলাত বগা ফুল বচা বোৱা মেখেলা চাদৰযোৰ লৈ আইনাৰ সন্মুখত ৰৈ থৰ থৰ কৈ কপিছোঁ মই।মোৰ কাৰণে তেওঁ নিজেই পছন্দ কৰি উলিয়াইছে এইযোৰ কাপোৰ।ব্লাউজটো মোৰ জোখত অকণ চিলাই দিছে।চুলিখিনি নিজেই আচুৰি দিছে।
:এনেকুৱা সময় সদায় নাহে মাজু,সামৰি ল,সাঁচি থ।
:কি হ'ব যদি..
:একো নহয়.. তই পৰিবি.. মই জানো।
সজোৰে সাৱটি ধৰিলো মাক।
মা বোৰৰ মাজত কি থাকে মই নাজানো, চুই চালেই যে আঁতৰি যায় সকলো ভয়, সকলো চিন্তা।
এই গোটেই সময় খিনিত মোক একমিনিটৰ বাবেও এৰি দিয়া নাই থুপুৱে।মই বুজিছোঁ তাৰ মনৰ কথা।মোৰ দৰেই সি ও চাগে ভয় খাইছে।মই মাক সাৱটি ধৰোঁতে,সি মোক ধৰিয়েই আছিল।

:বাইদেউ,আলহী আহি পালে।
মা দৌৰি ওলাই গ'ল।ক'লা সৰু ফোঁটটো কপালত লৈ মায়ে থৈ যোৱা সোণৰ গোটা খাৰু দুপাত পিন্ধি লৈছোঁ মই।মায়ে বিচৰাৰ দৰেই হওক সকলো।মানুহজনীৰ ইচ্ছা এবাৰতো পুৰা হওক।

থুপুৰ হাতত ধৰি নামি আহিছোঁ।
প্ৰতিটো খোজত কপিছে দুভৰি, বাঢ়িছে উশাহ,বুকুৰ ধক ধক।
অনিৰুদ্ধৰ মাত কাণত পৰিছে।
কিন্তু আজি মোৰ ইমান লাজ কিয় লাগিছে..
যেন প্ৰথম বাৰৰ বাবে লগ পাম তেওঁক।
:ব'লা আকৌ আমি আলই থাম।
বহুপৰ ৰৈ থকা মোক টানি নিলে থুপুৱে।পৰ্দা উঠাই, থুপুক কোঁচত তুলি ওলাই আহিছোঁ।নেভি ব্লু কালাৰৰ চাৰ্ট,ব্লেক ফৰ্মেল পেণ্ট আৰু ব্লেক ব্লেজাৰ পিন্ধি অহা অনিৰুদ্ধক দেখি আজি কিয় জানো ইমান বেলেগ বেলেগ লাগিছে।
ওচৰত বহি আছে তেওঁৰ মাক।একেই সুগঢ়ী মুখ।চকুযোৰ হাঁহি থকা।পাটৰ শাড়ীখন মিলি গৈছে মানুহগৰাকীৰ লগত।একেবাৰেই কম অলংকাৰ পিন্ধিছে।প্ৰসাধন বিহীন মুখ খনত কোমলতা আৰু সৰলতা বিৰাজমান।
খোজবোৰ আগবঢ়া নাই।থুপু হাত এৰি দৌৰ মাৰিলে।এককোবেই মাৰ ওচৰ পালেগৈ।
সৰেই একেলগে মোৰ ফালে ঘূৰি চালে।
আৰু কোৱাৰ দৰেই সৰকে আচৰিত কৰি অনিৰুদ্ধ আগবাঢ়ি আহিল।একদম যেন সাধাৰণ কথা,ঠিক তেনেকৈ

মোক লাহেকৈ হাগ কৰি ক'লে..
:Missed you Ananya .

:সৱেই চাই আছে।
:So?
অনিৰুদ্ধক অকণমান ঠেলি আগবাঢ়ি আহিলোঁ।তেওঁৰ মাক ইতিমধ্যে নিজৰ বহা ঠাইৰ পৰা উঠি অকণমান আগবাঢ়ি আহিছিল।মই জানো তেওঁলোকৰ বাবে সৰুৱে ডাঙৰৰ ভৰি চুই আশীৰ্বাদ লোৱাটো খুবেই জৰুৰী, কিন্তু মই যে জীৱনত কাৰোৱে ভৰি চুই পোৱা নাই।প্ৰথমবাৰ যিগৰাকী মানুহৰ ভৰি চুই সেৱা কৰিবলৈ আগবাঢ়িছোঁ, তেওঁৰ প্ৰতি মোৰ মনত সন্মান আছে,আদৰ আছে।যি মাকে নিজৰ একমাত্ৰ পুত্ৰৰ বাবে মোৰ দৰে এজনী 'বদনামী' ছোৱালীক তাইৰ অবৈধ সন্তানৰ সৈতে আদৰি ল'ব পাৰে,সেইগৰাকী নাৰীৰ ভৰি চোৱাত আপত্তি ক'ত?
সামান্য হাউলি তেওঁৰ ভৰি চুবলৈ লওঁতেই তেওঁ দুহাতেৰে তুলি ধৰিলে।
:আৰে, নেহী বেটা,ইধৰ আও'।
গালখন চুই সাৱটি ধৰিলে তেওঁ মোক।অনিৰুদ্ধৰ দৰে মানুহগৰাকীৰ বুকুৰ উত্তাপত নিৰাপত্তা আছিল,আশীৰ্বাদ আছিল।মোৰ গালখন মোহাৰি দিয়া হাতখন ইমান কোমল।
:আহাচোন, মোৰ ওচৰত বহা।
ড্ৰয়িং ৰুমৰ ডাঙৰ চোফা খনত মাক আৰু অনিৰুদ্ধৰ মাজত বহিলো।মাকে ডাঙৰ পেকেট এটা নিজৰ কাষত থৈ দিছে।সন্মুখৰ এজন বহিব পৰা চোফা খনত ককা।কাষৰ দুজন বহিব পৰা খনত মা আৰু থুপু।সি আজি একদম ডাঙৰ মানুহৰ নিচিনাকৈ বহি আছে।অনিৰুদ্ধই দিয়া ডাঙৰ চকলেটৰ পেকেটটো হাততে লৈ আছে,খুলি দিবলৈ উৎপাত কৰা নাই।

তৰাই সকলোৰে বাবে ঘৰতে বনোৱা ফলৰ চৰবত আনিলে।
:এই আমাৰ তৰা,মোৰ লগত বহুত দিনৰ পৰাই আছে,অনন্যাক সৰুৰেপৰাই পাইছে।
অনিৰুদ্ধ আৰু মাকে তৰাক যি সন্মান আৰু গুৰুত্ব দি কথাবোৰ সুধিলে,সেইয়া আমাৰ বাবে আচৰিত কথাই আছিল।কাৰণ আমাৰ ঘৰলৈ এতিয়ালৈকে অহা অভিজাত মানুহবোৰে তৰা,বাহাদুৰ,যোগেশদাক 'তই' বুলি সম্বোধন কৰি যেনেকুৱা ব্যৱহাৰ কৰে সেয়া দেখি দেখি আমি অভ্যস্ত।মানুহগৰাকীয়ে যেতিয়া চৰবতৰ গিলাচ এটা তৰাকো ল'বলৈ ক'লে,তাইৰ চকুকেইটা ভৰি আহিল।

এনেতে থুপু আহি মোৰ কাণে কাণে কিবা এটা ক'লেহি
:মোকো দিবানে মিঠা মিঠা মানি?
চৰবত লাগে তাকে।এনেই হোৱা হ'লে নিজেই টানি ল'লেহেঁতেন, এতিয়া লাজ কৰিছে।
:তোমাৰ লগত চিনাকি হোৱাই নাই,আহাচোন মাইনা।
:থুমি কোন হয়?
:মোৰ নিচিনাই আইতা,যোৱা আকৌ।
মাৰ কথা শুনি সি অনিৰুদ্ধৰ মাকৰ ওচৰলৈ গ'ল।মানুহগৰাকীয়ে কোঁচত তুলি লৈছে তাক।ইটো সিটো সুধিছে।অনিৰুদ্ধই ককা আৰু মাৰ লগত কথা পাতি আছে।অলপ দেৰি কথা পতাৰ পাছত সৰেই একেলগে চাহ খালোঁ।অনিৰুদ্ধই মোক চকুৰে ইংগিত দি বাহিৰলৈ মাতিলে, মাকৰ চকুত ধৰা পৰি গ'ল।
:তোমালোক দুয়োটাই কিবা পাতিব খুজিছা নেকি?যোৱা।
:যদি আপুনি বেয়া নাপায়, মই আপোনাৰ লগতহে অকলে কথা পাতিব খোজোঁ।
:মোৰ লগত?অ'কে চিউৰ।
অনিৰুদ্ধৰ মাকে মোৰ পিছে পিছে খোজ ল'লে।চোতালৰ এটা কোণত থকা জোলনা খনৰ ওচৰলৈ আহিলোঁ দুয়োগৰাকী।এনেকুৱাতে দেখোঁ একদম দৌৰি ঢাপৰি আয়ুৰ মাক ওলাইছেহি।
:ই মো ভাগৰ দেৰিয়েই হ'ল অ ।বেয়া নাপাবি।তোক আজি ইমান ধুনীয়া লাগিছে।এনেকৈ থাকিবিচোন।কিনো মৰা মুৰা কাপোৰ এসোপা পিন্ধ।অ',এইয়া হ'বলা শাহু?

:জী নমস্তে।
:নমস্কাৰ নমস্কাৰ।

আয়ুৰ মাকে ভঙা ভঙা হিন্দীতে ইটো সিটো সুধিবলৈ চেষ্টা কৰিছে।অনিৰুদ্ধৰ মাকে বুজি নাপালে মোৰ ফালে চায়,মই বুজি নাপালে মোৰ ফালে চায়, মই আকৌ বুজাই দিওঁ।
অলপ দেৰি কথা পাতি খুড়ী ভিতৰলৈ গ'ল।
ডাঙৰ লোহাৰ জোলনাত দুয়োজনী বহিলো।ফুলনিৰ ধুনীয়া ফুলবোৰ দেখি তেখেতে খুব প্ৰশংসা কৰিলে।

তেখেতৰ অসুবিধা নহওক বুলি হিন্দীতেই কথাবোৰ পাতিলোঁ।
:আন্টি,আপুনি মোৰ বিষয়ে,আবিৰৰ বিষয়ে সৰ জানেনে?
:অনিয়ে বহুখিনি কথাই মোক কৈছে, তোমাৰ যদি নিজৰ ফালৰপৰা কিবা ক'বলগীয়া আছে,কৈ দিয়া।
:অনিৰুদ্ধই কি কৈছে,কিমান কৈছে মই নাজানোঁ।সকলো কথা তেওঁক কোৱাও নাই মই।কিন্তু আপোনাক ক'ম।আৰু তাৰপিছত আপুনি যি সিদ্ধান্ত লয় মই মানি ল'ম।সঁচা কৈছোঁ,অলপো বেয়া নাপাওঁ মই।
:কোৱাচোন বাৰু আগতে।
একো লুকুৱাই নাৰাখোঁ আজি মই।মিছাৰে আৰম্ভ হোৱা সম্পৰ্কবোৰে আমাৰ গোটেই ঘৰখনকে শেষ কৰি পেলালে।একেটা ভুল মই কেতিয়াও নকৰোঁ।অনিৰুদ্ধক বহুত বেছি ভাল পাওঁ,তেওঁৰ লগত কেতিয়াও একো বেয়া হ'বলৈ দিব নোৱাৰোঁ।

এফালৰ পৰা কৈ গৈছোঁ সকলো কথা,মা-দেউতাৰ বিষয়ে,বিকাশৰ বিষয়ে , সিদ্ধাৰ্থৰ বিষয়ে ,থুপুৰ জন্মৰ কাহিনী ,একো বাকী ৰখা নাই,একো ফাঁকি দিয়া নাই।তেখেতে একান্তমনে শুনি আছে ,একো কোৱা নাই।
:মই অনিৰুদ্ধৰ কাৰণে উপযোগী নহয়।কিন্তু এইটো সঁচা যে থুপুৰ পিছতেই যাক বহুত বেছি ভাল পাওঁ,মৰম কৰোঁ তেওঁ অনিৰুদ্ধ।

মানুহগৰাকীয়ে সামান্য হাঁহি মোৰ বৈ অহা চকুপানী খিনি মচি দিলে।

:তুমি যি কৰিলা, থুপুক যে জন্ম দিলা ,সেইয়া ভাল কাম বুলি ভাবা নে?
:ওহোঁ নাভাবোঁ।সেইয়া ভুল আছিল।যাৰ কাৰণে আমি সৰেই ভুগিলোঁ।থুপুৰেও কষ্ট পালে।মই কেতিয়াও নকওঁ,মই নাজানি ভুল কৰিলোঁ,বা মোক কোনোবাই ঠগি এই কাম কৰিলে।মই সমস্ত দোষ মোৰেই বুলি ভাবোঁ।
:অনন্যা,মই যেতিয়া চাকৰিৰ তাগিদাত ইহঁতক এৰি যাব লগীয়া হয়,তেতিয়া যোৱাৰ সময়ত অংকিতাই সৰুতে খুব কান্দে।মই এসোপামান বস্তু কিনি দি তাইৰ কান্দোন বন্ধ কৰি গুচি যাওঁ।লাহে লাহে তাই ডাঙৰ হ'ল,মোৰ লগত কথা পতা কমাই দিলে।দেউতাকৰ পৰাও আঁতৰি ফুৰে। অনি যেতিয়া বাহিৰত পঢ়িবলৈ গুচি গ'ল,তাই একেবাৰেই ভাগি পৰিল।তাতে আইতাকে তাইৰ বিষয়ে নাজানি সদায় তাইক বিয়াৰ কথা ক'বলৈ ধৰিলে।তাইৰ চিন্তা দুগুণে বাঢ়িল।আইতাকে তাইৰ কাৰণে মনে মনে গহনা বনাইছোঁ বুলিও ক'লে।ভাবাচোন,তাইৰ চাগে কিমান বেছি ভয় হৈছিল এইবোৰ শুনি শুনি।এতিয়া ভাবোঁ, যদি মই তেতিয়া তাইৰ ওচৰত থাকিলোহেঁতেন,বন্ধুৰ দৰে কথা পাতিলোঁহেঁতেন,তাই মোক কথাবোৰ ক'ব পাৰিলেহেঁতেন।অনিৰুদ্ধৰ দেউতাকৰ ভাই ভনী বা তেওঁলোকৰ পৰিয়ালৰ মানুহ ইমান অহা যোৱা কৰি থাকে,কোনেও নুবুজিলে তাইৰ কথা।আনকি তাই মৰাৰ পাছত তাইৰ পেহীয়েকে মোক কৈছিল,এনেকুৱা সন্তান মৰি গ'লেই ভাল।সন্মান নষ্ট নহয়।তাই জীয়াই থাকোতে তাইক গালে মুখে চুমা খাই মৰম কৰা তাইৰ মৰমৰ পেহীয়েকে তেনেকৈ ক'ব পাৰিলে।আৰু সেইবোৰ মানুহৰ মাজতে তাইক এৰি মই ঘূৰি ফুৰিছিলোঁ।ভুল সৰেই কৰে অনন্যা।ময়ো কৰিছো,তুমিও কৰিছা।
:অংকিতাৰ দৰে ময়ো কেইবাবাৰো মৰিব খুজিছিলোঁ,নোৱাৰিলোঁ।
:অনন্যা,পৃথিৱীৰ সকলো মানুহেই ভাবে,তেওঁৰ দুখবোৰ আটাইতকৈ ডাঙৰ, আটাইতকৈ বেছি। আচৰিত নহয়নে?মানুহ নিজে কিমান সুখী হ'ব,কিমান দুখী হ'ব সেইয়াও আনৰ লগত তুলনা কৰি চাব পাৰে।মই মোৰ সন্তানক হেৰুৱাইছোঁ, তাৰ পিছতো কিন্তু হাঁহিটো ৰাখিছোঁ লগত,মই ভালপোৱা,মোক ভালপোৱা আনবোৰ মানুহৰ কাৰণে..কেতিয়াবা ছোৱালীজনীলৈ মনত পেলাই কান্দো,কেতিয়াবা অনিৰ মুখলৈ চাই হাঁহো। সুখ, দুখ এইবোৰ একো একোটা অভ্যাস,বেছিদিন যিটো আমাৰ লগত থাকে,তাকে লৈ আমি জীয়াই থাকিবলৈ শিকি লওঁ।

অলপপৰ আমি দুয়ো মনে মনে থাকিলোঁ।তাৰ পাছত তেখেতে ক'লে
:মই তোমাৰ পৰা একো নিবিচাৰোঁ।মাত্ৰ অনিক সুখী কৰি ৰাখিবা।সি আগৰপৰাই বৰ আৱেগিক।সৰকে সুখী কৰিবলৈ সি মৰি যাব পাৰে।মই জানো তোমাৰ ওপৰত বহুত দায়িত্ব,থুপু আছে,ঘৰ খনৰ দায়িত্ব আছে।মই

বুজোঁ।ই মোক কৈছে সকলোবোৰ।আৰু কৈছে তুমি নিজে যিটো ভাল বুলি ভাৱা সেইটোহে কৰা।আনে তোমাক জোৰ কৰিব নোৱাৰে।মই নকৰোঁ।মাত্ৰ কেতিয়াবা আহিবা ঘৰখনলৈ, দুদিন থাকিবা, অনিৰুদ্ধৰ আইতাকৰ বৰ ইচ্ছা তোমাক লগ পোৱাৰ।মই আৰু অনিৰুদ্ধৰ দেউতাক কেতিয়াও তোমালোকৰ মাজত নোসোমাও।আমাৰ ল'ৰাটো ভালকৈ থাকক,আৰু একো নালাগে।

মানুহগৰাকীৰ হতাশা মই স্পষ্টকৈ দেখিছোঁ।
:তেনেকৈ কিয় কৈছে?মই অনিৰুদ্ধক কেতিয়াও আপোনাৰ পৰা আঁতৰাই নানো।আৰু মই অলপ জেদী হয়,কিন্তু স্বাৰ্থপৰ নহয়।মই মোৰ দায়িত্ব বুজি ল'ম।আপুনি শিকাই দিব ন?আৰু মই যেতিয়াই পাৰোঁ আপোনালোকৰ ওচৰলৈ আহিম।তাত গৈ মই আপুনি বা ঘৰখনে বেয়া পোৱা একো নকৰোঁ, চিন্তা নকৰিব।
:সঁচা?
তেওঁৰ মুখ খন পোহৰ, হাঁহি দিলে চকুকেইটা অনিৰুদ্ধৰ দৰে তিৰবিৰাই থাকে।
:সঁচা।
এনেতে হাতত মোবাইলটো লৈ কাৰোবাৰ লগত কথা পাতি পাতি অনিৰুদ্ধ ওলাই আহিল।
:Meet my would be!
সিফালৰ মানুহজন তেওঁৰ দেউতাক যেন অনুমান হ'ল।
:হেল্ল' অনন্যা,ছ'ৰী বে'টা,মে' আ নেহী পায়া।

:নমস্তে, কেইছে হে' আপ?

:বহুত বঢ়িয়া, ল' ডাডী ছে বাত কৰ'।
প্ৰায় আশী মান বয়সৰ মানুহগৰাকীৰ কথাবোৰ বৰ স্পষ্ট নহয়।মোক যে খুব আশীৰ্বাদ দি কিবাকিবি কৈছে বুজিলোঁ।দেউতাকে এইবাৰ অনিৰুদ্ধক কৈছে
:তোৰ পছন্দ বেয়া নহয়,হ'লেও মোৰ পছন্দৰ লগত ফেৰ মাৰিব নাই পৰা।চা নিজেই চা,কি ধুনীয়া মোৰ ৱাইফ।

তাৰ পাছত দুইজনে হাঁহিছে,যেন কলেজৰ বন্ধুৰেহে কথা পাতিছে।মাক-দেউতাকৰ লগত সন্তানৰ ইমান সহজ সম্পৰ্ক মই আগতে দেখাই যে নাই কোনোদিন।মাক-দেউতাক আৰু অনিৰুদ্ধই হাঁহি হাঁহি কথা পাতি আছে।মাজে মাজে মোক জোকাই ইটো সিটো কৈছে।খুব অসহজ লাগিছে মোৰ,পাৰিম নে ময়ো এনেকৈ মিলি যাব।পিছলৈ ঘূৰি চালোঁ।বাৰাণ্ডাতে বৈ মায়ে মোলৈ চাই আছে।মোৰ অৱস্থাটো বুজি পাইছে মায়ে।মই চোৱাৰ লগে লগে তেওঁৰো চকু চলচলীয়া হ'ল।উজ্জল হালধীয়া কাপোৰযোৰ যেন ব্যৰ্থ হৈছে মানুহজনীৰ উদাস চেহেৰাটোক তুলি ধৰিবলৈ।

:আপোনালোক ভিতৰলৈ ব'লক।কিবা এটা খাই ল'ব।

মায়ে মতাৰ লগে লগে অনিৰুদ্ধৰ মাক উঠি গ'ল।ময়ো পিছে পিছে যাবলৈ লওঁতেই চাদৰৰ আচলটো ক'ৰবাত লাগি ধৰিল।আৰু কিবা বুজাৰ আগতেই একে টানে গৈ তেওঁৰ বুকুত মোৰ পিঠিটো জোৰেৰে খুন্দা মাৰিলেগৈ।
মোৰ এটা ভৰি তেওঁৰ জোতাৰ ওপৰত, চুলিত অনুভৱ কৰিছো তেওঁৰ ঘন ঘন উশাহ.. চেপা মাতেৰে কৈ উঠিল..
:বেছি হৈছে অলপ?
:পাগল নে কি?সৰেই দেখিব।
:দেখক।I don’t care.
:এৰি দিয়ক।
:No way.
:Please!
:Why are you ignoring me like this?
:এনেই।
:So you wana play huh, cool. Game on baby,game on.
কৈয়ে তেওঁ ভিতৰলৈ গুচি গ'ল।এৰি থৈ গ'ল চিনাকি সুবাস, বুকুৰ ধক ধক আৰু ৰঙা পৰা দুগাল।

:খোৱাৰ আগতে অকণমান নিয়ম কৰি লওঁ?
:হ'ব হ'ব।কি কি লাগিব কওক চোন?
:পূজাৰ থাল খন হ'লেই হ'ব।এতিয়াতো আৰু সৱ নিয়ম নোৱাৰোঁ কৰিব।
মানুহগৰাকীয়ে হাতত অনা সৰু বেগটোৰ পৰা সৰু সৰু দুটা জুৱেলাৰী বাকচ উলিয়াই ডাঙৰ পেকেটটোৰ সৈতে টেবুলত থ'লে।
আমাৰ ফালৰপৰা কিবা যোগাৰ আছে জানো??
হাতত পূজাৰ থাল লৈ মা,এটা ডাঙৰ গিফ্ট পেক কৰা পেকেটলৈ তৰা ভিতৰৰ পৰা আহিল।
:দুয়োটা বহা একেলগে।
যেনেকৈ কৈছে তেনেকৈয়ে কৰি গৈছোঁ।
:তুমিও আহা মাইনা।
আমালৈ লাজ লাজকৈ চাই ককাৰ চকীখনত ধৰি বৈ থকা থুপুক অনিৰুদ্ধৰ মাকে আনি আমাৰ মাজত বহুৱাই দিলে।পকেটৰ পৰা ৰুমাল এখন উলিয়াই অনিৰুদ্ধই নিজৰ মূৰত ল'লে।
:মূৰটো ঢাকি ল'বা নেকি অনন্যা।এইয়া আমাৰ নিয়ম যে।
:Sure.
তেওঁলোকৰ নিয়মবোৰ নাজানোঁ,যেনেকৈ কৈছে কৰিছোঁ।
:মোকো কই দিয়া।

আমি দুটাই মূৰটো ঢাকি লোৱা কাৰণে তাকো দিব লাগে।মূৰৰ ওপৰেদি পাৰ কৰি লোৱা চাদৰখনৰ আঁচলটো তাৰ মূৰত দি দিছোঁ।

তেওঁৰ মাকে আমাৰ দুয়োটাকে কপালত পূজাৰ থালৰ পৰা চন্দন আৰু সেন্দূৰ মিহলাই লৈ ফোঁট দিলে,চাউল কেইটামান ছটিয়াই দিলে।

থুপুৱে সৰু সৰু হাত দুখনেৰে মুখ ঢাকি খুক খুকাই হাঁহিছে।

পেকেটটো খুলি এখন জৰীৰ কাম কৰা ৰঙা শাড়ী আগবঢ়াই দিলে তেওঁৰ মাকে।

:এইডাল পিন্ধাই দিওঁ হাতখন দিয়া।

সৰু সৰু ডায়মণ্ড খটোৱা এপাত মিহি ব্ৰেছলেট।

তাৰ পাছত মূৰত ধৰি আশীৰ্বাদ দিলে।

:মোকো কৰি দিয়া।

যি কৰিছে সৰ তাৰ লগতো কৰিব লাগিব।এইবাৰ তেখেতে আনটো সৰু বাকচ খুলি এডাল মিহি সৰু চেইন উলিয়াই আনি থুপুৰ ডিঙিত পিন্ধাই দিলে।অকণমানি লকেটটোত লিখা আছে " AABIR"।

:Welcome to my family buddy .

অনিৰুদ্ধই তাৰ মূৰত চুমা এটা খাই ক'লে।অবাধ্য চকুপানী বোৰ বৈ আহিছে,মোৰ,মাৰ,ককাৰ চকুৰপৰা।

:এতিয়া আপুনি আশীৰ্বাদ দিয়ক।

:দেউতা,আপুনিয়ে কৰক।মই আছোঁ।

মাৰ কথাষাৰৰ বাবেই যেন ৰৈ আছিল ককা।উঠি আহি আমাৰ দুইটাৰে মূৰত দুয়োখন হাত দি আশীৰ্বাদ দিলে।অনিৰুদ্ধই ককাৰ ভৰি চুলে, লগতে জীৱনত প্ৰথমবাৰৰ কাৰণে ময়ো।

আৰু আমাকে দেখি থুপুৱেও।

মায়ে আনি থোৱা উপহাৰৰ পেকেটটো তেওঁলৈ আগবঢ়াই দিলে ককাই।

:এইয়া মোৰ ফালৰপৰা।

মায়ে তেওঁৰ হাতত তুলি দিছে এটা দামী ঘড়ী।কেতিয়া আনিলে মই গমেই নাপাওঁ।এইটো ইয়াত কিনা নহয় মই জানো।আগৰপৰাই আনি থোৱা হ'ব লাগিব।

:মোক, মোক।

মায়ে তালৈ একো অনা নাছিল।

:মই পিছত আনি দিম হ'বনে ।

:হ'ব।

তাৰ জেদ নাথাকে,বিচৰাটো নাপালেও মৰমত বুজাই দিলে বুজে।

খোৱাৰ টেবুলত বিভিন্ন ধৰণৰ ব্যঞ্জন সজাই দিছে মায়ে।তেওঁলোকে নিৰামিষ খায়, আৰু যিহেতু সময় আবেলি চাৰি বাজিবৰ হ'ল,গতিকে ভাত নাখায়।মায়ে ৰেচিপি চাই চাই ঘৰতে বনাইছে মধ্য প্ৰদেশৰ সবাতোকৈ জনপ্ৰিয় খাদ্য প'হা আৰু জেলেপী।লগত পায়স,লুচী, মখানাৰ গ্ৰেভি,মলাই পনীৰ,গোলাব জামুন, ফিৰনি আৰু যে কত কি!

:থোমা লগত ময়ো থাম ?

ইমানদেৰি অলপ লাজ লাজকে মাৰ লগে লগে লাগি ফুৰা থুপু আহি অনিৰুদ্ধৰ ওচৰ পালেহি।মায়ে তাক আজি ডাঙৰ ল’ৰাৰ নিচিনাকৈ জিনছ পেণ্ট এটা আৰু বগা চোলা পিন্ধাই দিছিল,চৰবত পেলাই তাৰ ঠাইত এতিয়া বগা গেঞ্জী আৰু অকণমানি নীলা পেণ্ট এটা হে আছে।চুলিখিনি তিতা।নিজে গৈ মনে মনে শ্বাৱাৰ খুলি তিয়াই আহিলেগৈ।

এতিয়া মাৰ গালি খাই বেলেগ পাৰ্টনাৰ বিচাৰিছে।অনিৰুদ্ধৰ লগ লাগিছে।

:আমি একেলগে খাম,হ’ব।

পনীৰ খাই বেয়া পোৱা থুপুৱে অনিৰুদ্ধই নিজ হাতেৰে খুৱাই দিওঁতে অলপো আপত্তি নকৰাকৈ পনীৰ খাইছে,আৰু সেই দৃশ্য চাই আমি সকলো পাহৰি গৈছোঁ।

:হেৰি নহয়,তোমালোক ইয়াত থাকিবলৈ অসুবিধা পাবা নেকি?হোটেল মিছাতে কিয় ল’ব লাগে।

ককাৰ কথা শেষ হ’বলৈকে নাপালে

:ইয়’,কি মানুহ হয় আপোনালোক,বিদেশৰ পৰা আহিছে মানুহকেইটা ইমান দুখে কষ্টৰে,হোটেলত কেলেই থাকিব আকৌ।অতখন ঘৰ কেলেই সাজিলে।হয় আই।জেগা নাই যদি আমা ঘৰলৈকে লৈ যাম পায়।

আয়ুৰ মাকে মাক প্ৰায় ধমকিৰ সুৰতে ক’লে মাক।মায়ে এইবোৰ একো নাজানে।কাহানিও কাৰো ঘৰৰ কোনো অনুষ্ঠানলৈ নাযায়,ছোৱালী চাবলৈ অহা মানুহক কি ক’ব,কেনেকৈ ৰাখিব সেইবোৰ জানিলেহে।

:হয়,ময়ো কম বুলি ভাবি আছিলোঁ,আপোনালোক আমাৰ ইয়াতে থাকিব পাৰিব ৰাতিটো।যদি বেয়া নাপায়..

:Yeah sure.I am fine with it.

অনিৰুদ্ধই মোলৈ চাই চকুটো টিপিয়াই দিলে।তেওঁৰ মাকেও থাকিবলৈ মান্তি হ’ল।

:বেগকেইটা লৈ আনিব লাগিব তেতিয়াহ’লে।মোৰ একো আপত্তি নাই।কথা পাতিবলৈ সময়ো পাম ন আপোনাৰ লগত।

দুই বিয়নীৰ ইতিমধ্যে বন্ধুত্ব হৈ গৈছে।

তেওঁলোক এয়াৰপোৰ্টৰ পৰা বাহিৰে বাহিৰে আমাৰ ঘৰৰপৰা প্ৰায় দহ কিলোমিটাৰ আঁতৰৰ মই ঠিক কৰি দিয়া হোটেলখনত চেক-ইন কৰি ফ্ৰেছ হৈ আমাৰ ইয়ালৈ আহিছিল।এতিয়া ভাবিছোঁ,ময়োতো হোটেল বুক কৰাৰ আগতে মাক সুধি ইয়াতে থকাৰ কথা ক’ব পাৰিলোঁহেঁতেন।

কিয় ইমান অদ্ভুত মই!!!

:থুমি ইয়াত থাকিবা আদি?

:yes buddy.

:মোৰ লগত খুবা (শুবা)?মই monkey সাধু জানো।তোমাক ক’ম।তুমি মোক তেতিয়া কিন্তা দয়(kinder joy) আনি দিবা।এগাল খোপা(এগাল এসোপা) দিবা দেই।

আটাইতকৈ বেছি ফুৰ্তি তাৰেই লাগিছে।

থুপুৰ কথা শুনি সৱেই হাঁহিলে।

অনিৰুদ্ধ হাত ধোৱাৰ চলেৰে উঠি আহিল।অলপ আঁতৰত ৰৈ থকা মোৰ কাষেৰে পাৰ হৈ যাওঁতে কাণে কাণে কৈ থৈ গ’ল

:আজি ৰাতি থুপুৰ মাকক সাধু ক'ব নালাগে?
মায়ে হাতত তুলি দিয়া বঁটাটো কথমপি নপৰাকৈ ধৰি ৰাখিলো।

:হেৰি নহয় ,আলহীক এপাক আমাৰ ফালে ফুৰাবলৈ নিব।মই যাওঁ।আজি আকৌ মাখনী বাইদেউৰ ঘৰতো সকাম আছিলে।এপাক মাৰি যাওঁ সাউতকে।

আলহীৰ লগতে অকণমান কিবা এটা খাই খুড়ী যাবলৈ ওলাল।
:খুড়ী, আয়ুক মই মাতিছোঁ বুলি ক'ব। অনিৰুদ্ধক সি চিনি পায়,কিয় নাহিলে লগ কৰিবলৈ?
:সি নাই নহয়?
:ক'লৈ গ'ল?
:ৰাতিপুৱাই ককায়েকৰ গাড়ী লৈ ডিব্ৰুগড় পালেগৈ।লগৰ ল'ৰাই মাতিছে বোলে।তইনো নাজান নে তোৰ পেটুৱা টো ক'লৈ গ'ল।

কোনেও মতা নাই তাক।ভালকৈ জানো মই সি কিয় গুচি গৈছে তেনেকৈ।যাওক।সি যদি এইবোৰ চাব বিচৰা নাই,তেন্তে নালাগে চাব।

:সৰেই অকণ জিৰাই লোৱা ভাল নেকি?ময়ো অকণ বিছনাত পৰোঁগৈ দেই।
ককা নিজৰ ৰুমলৈ গ'ল।অনিৰুদ্ধ যেন ককা আঁতৰি যোৱালৈহে বৈ আছিল। হাতখন টাৱেলেৰে মচি মচি আহি মোৰ ওচৰত থিয় হ'ল।
:We forgot one ritual, right maa?
:কি?
:মইতো আশীৰ্বাদ দিয়াই নাই অনন্যাক।
:সেৱা কৰিব লাগিব মই?
:Of course.
অনিৰুদ্ধই মাকৰ ফাললৈ চাই চকু টিপিয়াই দিয়া দেখিলোঁ।বুজিছোঁ, ধেমালি কৰিছে।কিন্তু কিয় জানো ,মই সদায় উপেক্ষা কৰা,কেতিয়াবা কেতিয়াবা সন্দেহ কৰা মানুহজনৰ ভৰি চুবলৈ মোৰ সঁচাকৈ মন গ'ল।
হাতৰ বঁটাটো তৰাৰ হাতত দি সম্পূৰ্ণ শ্ৰদ্ধা আৰু ভক্তিৰে তেওঁৰ ভৰি চুই মূৰত লগালো।সকলো আচৰিত।কাৰো সন্মুখত মূৰ তল কৰিব নোখোজা মই যে অনিৰুদ্ধৰ ভৰি চুই সেৱা কৰিব পাৰিম সেইয়া হয়তো সপোনৰো অগোচৰ আছিল।
দুবাহুত ধৰি তুলি ধৰিলে তেওঁ মোক।বুজি পালে যে মই তেওঁৰ ধেমালি বুজিও এই কাম কৰিছোঁ।

:য়ে ক্যা কৰ দিয়া তুমনে অনন্যা!
বেছি আৱেগিক হ'লে তেওঁৰ মুখত নিজৰ ভাষা ওলায়।
:অপনা আশীৰ্বাদ বনায়ে ৰখনা কানহা জী।
অনিৰুদ্ধৰ মাকে দুই হাত যোৰ কৰি ওপৰলৈ চাই প্ৰাৰ্থনা কৰিলে।
:মোকো আশীৰ্বাদ দিয়া।
হঠাৎ অনিৰুদ্ধই মোৰ ভৰি চুবলৈ হাউলি দিলে।
:য়েছ য়েছ, আশীৰ্বাদ দিয়া অনন্যা,ইয়াৰ খংটো কমিবলৈ।
:কি কৰিছে, ধেৎ।
:মোকো এনেকুৰা কই দিয়া আকৌ।
মাৰ ওচৰৰ পৰা দৌৰি আহি আমাৰ ওচৰ পালেহি থুপু।হয়তো,তাক এৰি আমি এইবোৰ কৰিলে কেনেকৈ হ'ব।এইবাৰ মই আৰু অনিৰুদ্ধ দুয়ো মিলি একেলগে আমাৰ থুপু গোঁসাইৰ আশীৰ্বাদ ল'লো।ক'ত নো শিকিলে নাজানো,মূৰত হাত থৈ কৈছে
:পুত অতি বব।
একো বুজি নাপালোঁ।তৰাই জোৰে জোৰে হাঁহি কৈছে, ককাৰ লগত টিভিত ৰামায়ণ মহাভাৰত চাই চাই শিকিছে। ক'ব খুজিছিলে 'পুত্ৰৱতী ভবঃ'।গোটেইবোৰে হাঁহিবলৈ ধৰিলোঁ।সি ও লগতে হাঁহিছে।
:কিন্তু মোক যে পুত্ৰী লাগে।আশীৰ্বাদ টো থুপুক change কৰি দিব কোৱা না।
কাণে কাণে কথাটো কৈ আঁতৰি গ'ল অনিৰুদ্ধ।

:মা,তুমি ৰেষ্ট কৰা,মই বেগ কেইটা হোটেলৰ পৰা লৈ আনো।
:ৰ'বা ,যোগেশ যাব তোমাৰ লগত।মই গাড়ী উলিয়াবলৈ কওঁ।
:মা, মই যাম।যোগেশ দা নালাগে।
অথনিৰে পৰা কথা পাতিবলৈ সুযোগ বিচাৰি থকা অনিৰুদ্ধৰ চকু ডাঙৰ হৈ গ'ল।
:মাজু,ককাৰ গাড়ীখন নিনিবি তই।ইমানদিনে চলোৱা নাই।মোৰ খন লৈ যা।অনিৰুদ্ধ তুমি চলাবা।আমাৰ এইৰ হাত এতিয়াও পোন নহয়।
:হ'ব আণ্টি।
:মোকো নিবা অনিমুন?
:Of course buddy.
:থুপু,তুমি এতিয়া অকণমান ঘুমু কৰা,ৰাতিকে আমি অনিমুনক ফুৰাবলৈ নিম।হ'ব?
ময়ো বিচাৰোঁ অলপ একান্ত সময় তেওঁৰ সৈতে।কেতিয়াও মুখ খুলি কোৱা নাই।কিন্তু আজি কৈছোঁ।

বগা বাংলোৰ পৰা গাড়ী ওলাই মেইন ৰোডত উঠিল।মিউজিক চিষ্টেমত শুনি আহিছোঁ মোৰ প্ৰিয় গান

"ऐ री सखी मोरे पिया घर आए
भाग लगे इस आँगन को

बल-बल जाऊँ मैं अपने पिया के, चरन लगायो निर्धन को।
मैं तो खड़ी थी आस लगाए, मेंहदी कजरा माँग सजाए।”

অনিৰুদ্ধই নিজৰ বাওঁহাতেৰে খামুচি ধৰি আছে মোৰ সোঁহাতখন।
:Thanks for coming with me.

হোটেল গ্ৰীণ ভেলীৰ সন্মুখত আমাৰ গাড়ী ৰ'ল।ৰিচেপচনৰ পৰা চাবি লৈ অনিৰুদ্ধ আৰু মই তৃতীয় মহলালৈ উঠি গ'লো।দৰ্জাখন খুলি সোমাই গৈ বেগটো লৈ ওলাই আহিল অনিৰুদ্ধ।মই বাহিৰতে ৰৈ আছোঁ।
:I think I have lost my i-pad.
:হোৱাট?ভালকৈ চালে জানো?আকৌ এবাৰ চাওঁ ৰ'ব।
ৰুমটোলৈ সোমাই গ'লো।আৰু পিছে পিছে তেওঁ সোমাই দৰ্জাখন বন্ধ কৰি দিলে।আৰু তাৰ পিছৰ মুহূৰ্তত মই দৰ্জাখন আৰু অনিৰুদ্ধৰ মাজত সোমাই পৰিলোঁ।
মোৰ দুয়ো খন হাত তেঁওৰ হাতৰ মুঠিত।
:I told you, Game on!
নাই, মই জোৰ কৰি ওলাই যাব খোজা নাই এই বান্ধোনৰ পৰা।এতিয়া যে মোৰ মন নাযায় আঁতৰি যাবলৈ।মোৰো যে ভাল লাগে এই মধুৰ মুহূৰ্ত বোৰ।
:আৰু যদি হাৰ মই মানি লওঁ?
:Are you sure?
:Hmmm.
আৰু একো কোৱা নহ'ল।হাতৰ বান্ধোন মুকলি কৰি দুহাতেৰে সাৱটি ল'লে তেওঁ মোক।মোৰ কপালত মূৰ থৈ কৈ উঠিল
:মই নিজেই নাজানো মই কিমান সুখী আজি।
:অনিৰুদ্ধ, মই কিবা ক'ব খুজিছোঁ।
:কোৱা।
:I want to say sorry.
:For?
:For everything. আপোনাক সন্দেহ কৰাৰ কাৰণে, আপোনাক মোৰ জীৱনৰ আনবোৰ পুৰুষৰ সৈতে তুলনা কৰাৰ বাবে,আপোনাক ভাল পাওঁ বুলি ক'ব খুজিও ক'ব নোৱাৰাৰ বাবে,আপুনি থুপুক নিজৰ বুলি আঁকোৱালি নলয় বুলি ভৱাৰ বাবে,আপোনাৰ মনটোক চিনি পাবলৈ ইমান সময় লোৱাৰ বাবে.. আৰু বহুত কাৰণৰ বাবে.. আই এম ছৰী।
:ইমান বেয়া পাইছিলা মোক?
:নিজক ভাল পোৱা নাছিলোঁ,সেইবাবেই চাগে মোৰ দৰে ছোৱালীকো কোনোবাই ইমান ভাল পাব পাৰিব,সন্মান দিব পাৰিব,সেইয়া মানি ল'বলৈ মোৰ কষ্ট হৈছিল।আৰু মই এতিয়াও নিজক আপোনাৰ বাবে যোগ্য বুলি নাভাবোঁ।কিন্তু আজি যেতিয়া আপোনাৰ মায়ে থুপুক নিজৰ কৰি লৈছিল, মই বুজিছিলোঁ ইমানদিনে কিমান

ভুল বুজি আছিলোঁ মই আপোনাক।
:এতিয়া মই কিবা কওঁনে?
:হমম।
:মই সপোন দেখি থকা নাইতো অনন্যা?তুমি নাজানা কিমান বিচাৰিছিলোঁ এনেকুৱা এটা দিন,য'ত পৰিয়ালৰ সৰৰ আগতে ক'ব পাৰিম,তুমি মোৰ বুলি।ফাইনেলি তুমি মোৰ হ'বা। I can't be more happier. Is it really true?Pinch me please.
ধুনীয়া চকু কেইটাত অকণমান পানী উপচি পৰিছে।দীঘল দীঘল পলক জাপ খাই গৈছে ..

দুহাতেৰে তুলি ধৰিলোঁ কোমল মুখ খন, ওঁঠত গুঁজি দিলোঁ মোৰ ওঁঠ, কপিছিলোঁ, কিন্তু তাৰ বাহিৰে যে মোৰ একো উপায় নাছিল তেওঁক বুজোৱাৰ..
যি হৈ আছে,সেইয়া সপোন নহয় অনিৰুদ্ধ।
যি হ'বলৈ গৈ আছে,সেইয়াও মিছা নহয় অনিৰুদ্ধ।
আত্মাৰ মিলনক জানো কোনোবাই ৰুধিব পাৰিব!

মোৰ সমগ্ৰ সত্তা জুৰি আপুনি বিয়পি আছে,আপোনাৰ মাজতেই মই উজুটি খাওঁ,আৰু আপোনাৰ মাজতেই দুগুণ শক্তিৰে পুনৰ থিয় হওঁ।

শব্দবোৰে জিৰণি লৈছে এতিয়া।

নীলা চাদৰৰ আচলত বুটা বাচিছে প্ৰতিটো নীৰৱ মুহূৰ্তই..
:Anirudh..
:Hmmm
:We should leave.
অনিৰুদ্ধই বুজি পালে মোৰ কথা।এৰি দিলে মোৰ কঁপি থকা দেহাটো।চুলিখিনি,চাদৰ খন ঠিক কৰি ওলাই আহিলোঁ ৰূমটোৰ পৰা।

অনিৰুদ্ধই চেক আউটৰ কাৰণে ৰিছেপচনত কথা পাতিবলৈ গ'ল।ওচৰতে থকা চোফাখনতে বহি মই অপেক্ষা কৰিছোঁ।তেনেকুৱাতে দেখিলোঁ বিকাশ আৰু এজন মানুহ সোমাই আহিছে।লগত দুজনী পোন্ধৰ ষোল্ল বছৰ মান বয়সৰ ছোৱালী।একেবাৰেই সাধাৰণ কাপোৰ পিন্ধা ছোৱালী দুজনীক সাংঘাটিক নিচাত থকা যেন লাগিল।নিজে প্ৰায় সকলো নিচা কৰি পাইছোঁ,মানুহ দেখিলে বুজোঁ কোন কিমান নিচাত আছে।মই ফোনত কথা পতাৰ দৰে কৰি মুখ খন লুকুৱাই ৰাখিলোঁ।ছোৱালী দুজনীক লৈ বিকাশ ভিতৰলৈ সোমাই গ'ল।লগত অহা মানুহজন ৰিছেপচনত কথা পতাত লাগিল।
ভাগ্য ভাল,অনিৰুদ্ধই নেদেখিলে ।
বুজিবলৈ বাকী নাথাকিল কিয় অনা হৈছে সেই সৰু ছোৱালী দুজনীক।চৰিত্ৰ সলনি হোৱা নাই বিকাশৰ।ইফালে

ঘৰত গৰ্ভৱতী পত্নী।
ইয়াক আজি মই সাৰি যাবলৈ নিদিওঁ।
কিন্তু মই কিবা কৰাৰ আগতে যোগেশ দাক সুধি ল'বই লাগিব।ফোন কৰিলোঁ ।
যি দেখিলোঁ তাৰ সম্পূৰ্ণ বৰ্ণনা দিলোঁ যোগেশ দাক।
:তই তাৰ পৰা ওলা আগতে।
:যোগেশ দা,কিবা এটা কৰিবই লাগিব।ছোৱালী দুজনী বচোৱাৰ লগতে মই বিকাশক সৱৰ আগতে 'নংগা' কৰি দিম।
:তই আজি এইবোৰত নালাগিবি মাজু।অনিৰুদ্ধক লৈ ওলাই আহ সোনকালে।
:নিউজত আহিব লাগিব যোগেশ দা।মোক ৰিপোৰ্টাৰৰ নম্বৰ দিয়ক প্লিজ।
:মই মেনেজ কৰিম।তই একো নকৰিবি।আহি আছো ৰ।
বেছিকৈ জোৰ দি ধৰাত স্থানীয় দুজন সাংবাদিকৰ নম্বৰ যোগেশ দাই দিলে।ফোন কৰি হোটেললৈ আহিবলৈ ক'লো।ব্ৰেকিং নিউজ পাব ।প্ৰাক্তন বিধায়কৰ পুত্ৰ।তাতে এইবাৰ ইলেকচনত হাৰি দল সলনি কৰি বাপেকৰো অৱস্থা ভাল নহয়।এতিয়া পুতেকে ড্ৰাগছ খোৱাই নাবালিকা ছোৱালীক হোটেলৰ ৰুমলৈ আনিছে।এইটো কথা পোহৰলৈ আনিবই লাগিব।ফোন কৰাৰ লগে লগে সাংবাদিক দুজন আহিম বুলি ক'লে।পুলিচৰ ওপৰত মোৰ ভৰসা নাই।গতিকে ফোন নকৰিলোঁ।

অনিৰুদ্ধ মোৰ ফালে অহা দেখি একো যেন হোৱা নাই তেনেকুৱা ব্যৱহাৰ কৰিলোঁ।
:They returned 50%.Its okay. যাওঁ ব'লা।
:এতিয়াই?
:What?
:মানে ঘৰত গ'লে আমি কথা পাতিবলৈ সুবিধাই নাপাওঁ।কাষতে এখন সৰু কফি চ'প আছে।তাতে বহিব পাৰিম অলপ সময়।
:Sure.

কেনেকৈ কওঁ মই অনিৰুদ্ধক।মই কিহৰ কাৰণে ৰ'ব খুজিছোঁ। ওলাই আহি ওচৰৰ মুকলি চাহ কফিৰ দোকান খনতে বহিলো।বাৰে বাৰে চাইছোঁ কেতিয়া নিউজ চেনেলৰ মানুহ আহিব।
ছোৱালী দুজনীৰ কাৰণেও চিন্তা হৈছে।কিন্তু মই অকলে একো কৰিব নোৱাৰোঁ।যি কৰো বুদ্ধিৰে কৰিব লাগিব। কিছু সময়ৰ পাছত হুলস্থূল শুনিবলৈ পালোঁ।মিডিয়াৰ লগতে পুলিচৰ গাড়ীও আহিল।হয়তো যোগেশ দায়ে খবৰ দিলে।ককাৰ গাড়ী লৈ যোগেশ দা আৰু আমাৰ চাহ পাত কঢ়িওৱা এখন 407 ট্ৰাকত প্ৰায় পোন্ধৰ বিশ জন মান বাগানৰ কৰ্মচাৰী প্ৰায় একেসময়তে আহি পালে।।হুলস্থূল কৰিবলৈকে লৈ আনিছে যোগেশ দাই।হওক, আজি তামাচা হওক।মই চাম।
:কি হৈছে তাত?
:নাজানো নহয়,চাই আহোঁ নেকি?
হোটেলৰ ভিতৰৰপৰা অৰ্ধ-উলংগ অৱস্থাত উলিয়াই আনিছে বিকাশক,ছোৱালী দুজনীৰ মুখ দুপাত্তাৰে ঢকা

আছে।মানুহে মোবাইলত ৰেকৰ্ড কৰিছে সকলো দৃশ্য।
পুলিচে নিউজ চেনেলৰ কেমেৰাৰ সন্মুখত ডাঙি ধৰিছে বগা বগা পাউদাৰৰ পেকেট।
“দুইজনী ছোৱালী নাবালিকা।তেওঁলোকক ড্ৰাগছ খোৱাই জোৰ কৰি শাৰীৰিক সম্পৰ্ক স্থাপন কৰিবলৈ চেষ্টা কৰা হৈছিল।আমি সময়ত উপস্থিত হৈ ছোৱালী দুজনীক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছোঁ।”
উফ।
বুকুখন পাতল লাগি গৈছে।

:কি হৈছে অনন্যা?
:আই থিংক কম বয়সৰ ছোৱালীক ড্ৰাগছ দি ইলিগেল কাম কৰিবলৈ ফৰ্চ কৰোঁতে ধৰা পৰিছে।

নামটো তেওঁক নক'লো তেওঁক।অনিৰুদ্ধৰ বিকাশৰ লগত বন্ধুত্ব সিদিনাই শেষ হৈছিল যেতিয়া তেওঁ কথাবোৰ জানি মোৰ ওচৰলৈ দৌৰি আহিছিল।এতিয়া আকৌ মনত পেলাই দিব মই খোজা নাই।
মানুহৰ ভিৰত ভালকৈ দেখা নাপালে অনিৰুদ্ধই।নালাগে দেখিব।
কিন্তু মোক বন্ধ কোঠাত উলংগ কৰি তৃপ্তি লোৱা বিকাশক আজি সমাজৰ সন্মুখত উলংগ কৰি চৰম তৃপ্তি লভিছোঁ মই।
সময়ে শিকাইছে মোক,কোনো সাৰি নাযায়।কৰ্মফল ভুগিব লাগিবই।
সেইদিনা মই কান্দিছিলোঁ, আজি বিকাশৰ গোটেই ঘৰখনে কান্দিব।
সমাজত থু থু হ'ব।
হওক,ক্ষমা কৰি দিব পৰাকৈ মহান মই নাছিলোঁ কোনোদিনে।প্ৰতিশোধৰ জুই দপদপাই জ্বলি আছিল বুকুত।
শান্তি পাইছোঁ আজি।

:ইয়াৰপৰা যোৱাই ভাল হ'ব।I am sorry you had to see all this.
:Yeah, lets go home.

গাড়ীত বহি গুণগুণাই আছোঁ মোৰ প্ৰিয় গান।ইমানবোৰ ভাল লগা একেলগে।আজিৰ দিনটো মোৰ জীৱনৰ আটাইতকৈ সুখৰ দিন,শান্তিৰ দিন।লাহে লাহে আন্ধাৰ নামি আহিছে।দূৰণিৰ নামঘৰত ডবা শংখ বাজিছে।
গাড়ীখন ৰখাই দিলে অনিৰুদ্ধই।
:কি হ'ল?
:পোৱালিক এগাল খোপা কিণ্ডাৰ জয় লাগে নহয়।
তেওঁ পাহৰা নাই।ওচৰৰ দোকানখনলৈ গৈ কিনি আনিলে।লগতে আৰু এটা পেকেট।
:এইটো কি?
:মোৰ মায়ে মেহেন্দি লগাই খুব ভাল পায়, কালি সময় নাপালে কাৰণে মন বেয়া।আজি লগাব পাৰিব।তুমিও লগতে বহি লগালে আৰু ভাল পাব।
:মই মেহেন্দি লগালে আমাৰ থুপুকো লগাই দিব লাগিব।

প্ৰতিপদৰ জোনটোৱে একাজলি জোনাক ছটিয়াই হাঁহি দিছে আমাৰ লগতে।
বুকুত মোৰ নতুন জীৱনৰ আবাহনী সংগীত।

(আগলৈ)

অচ্যুতম কেশৱম কৃষ্ণ দামোদৰম
ৰাম নাৰায়ণম, জানকী বল্লভৱম

ধূপ ধুনাৰ সুগন্ধিৰ লগতে মোৰ ভাল লগা প্ৰাৰ্থনাটোৰ সুৰ বিয়পি পৰিছে বগা বাংলোৰ ভিতৰে বাহিৰে। গাড়ীৰ পৰা নামি দেখোঁ,বাৰাণ্ডাত আয়ু অকলে বহি আছে।আমাৰ গাড়ীখন সোমাই অহা দেখি সি চাই থকা ফোনটো পকেটত থৈ থিয় হ'ল।

:Hello Anirudh.

:Hey Ayushman.

:তই ক'ত আছিলি দিনটো?

:ডিব্ৰুগড়ত কাম এটা আছিল।

সি অচিনাকি মানুহৰ দৰে মোক এবাৰ ভৰিৰ পৰা মূৰলৈকে চালে।

:তই অকলে বহি আছ যে,কোনো নাই নেকি ঘৰত।মা,থুপু...

:খুড়ী আলহী লৈ আমাৰ ঘৰৰ ফালেই গৈছে।মই ৰাস্তাত দেখি আহিছো।ককা মোৰ লগতে কথা পাতি আছিলে।অলপ আগতে প্ৰাৰ্থনা কৰিবলৈ উঠি গৈছে।

:চাহ খালি?

:উম খালোঁ,মই যাওঁ।অনিৰুদ্ধক লগ কৰিবলৈ আহিলোঁ।

আয়ু ইমান বেছি ফৰ্মেল কেতিয়াও নাছিল।ভিতৰলৈ সোমাই গৈ তৰাক সুধোতে ক'লে আয়ুয়ে চাহ নাখাওঁ বুলি ক'লে।

:আয়ু,আয়ু।

অলপ বেছিয়েই চিঞৰি মাতিলোঁ।

অনিৰুদ্ধক বাৰাণ্ডাতে এৰি সি ভিতৰলৈ আহিল।

:চাহ কেলেই নাখাৰ?

:খাই আহিছোঁ।

:এনেইতো আমাৰ ঘৰলৈ আহিলে তই চাহ খাই নাহ।আজি কি হ'ল?

সি ইফালে চাইছে।মোৰ চকুলৈ নাই চোৱা।

:অনন্যা,বেগটো ক'ত ৰাখোঁ।And I will take a bath now, where is the room?

:তৰাই দেখুৱাই দিব ৰ'ব।

তৰাই অনিৰুদ্ধক আলহী ৰূম দেখুৱাবলৈ লৈ গ'ল।ওপৰৰ মোৰ ৰূমৰ কাষতে থকা বাৰ ৰূমটোতে অনিৰুদ্ধ আৰু মাকৰ থকাৰ ব্যৱস্থা কৰা হৈছে।

:মই যাওঁ দে,তই ঘূৰিবি নাই কাইলৈ?
:কি ঘূৰিবি নাই?ফ্লাইট কি মোৰ মৰ্জিত চলিব নেকি?টিকেট আছে যেতিয়া যাম।
:লগ পাম দে।
:ৰ।এক মিনিট।
টিফিন এটাত তাৰ কাৰণে মই আগতীয়াকৈ আঁতৰাই ৰখা ফিৰনি, পায়স,মায়ে বনোৱা চুজিৰ জেলেপী কেইটামান আৰু লগত খাবলৈ অকণমান ৰাবৰি ভৰাই দিলোঁ।
:এইটো লৈ যা।
:কি আছে?
:পায়স,ড্ৰাই ফ্ৰুইটছ দিয়াৰ আগতে তোলৈ থৈ দিছিলোঁ বেলেগ কৈ।নাহিবি বুলিতো নাই ভৰা।এতিয়া ঘৰত অকলে খাই থাকিবি।জেলেপীৰ লগত খাবলৈ ৰাবৰি দিছোঁ,ধুনীয়াকৈ উলিয়াই সজাই খাবি।ইয়াত খোৱা হ'লে চাহ একাপো দিলোঁহেঁতেন।তোৰ আকৌ আজি মেজাজ বেলেগ যে।
ভিতৰি মোৰো খং এটা উঠিছে, খং নে অভিমান মই ঠিক নাজানো।আয়ুক মই কিমান মৰম কৰোঁ,ভাল পাওঁ সেইয়া জনাৰ পাছতো সি কেনেকৈ মোৰ সুখৰ সময়ত এনেকৈ আঁতৰি থাকিব পাৰিলে মই নাজানো।ইমান দিনৰ বন্ধুত্বৰ কোনো যেন মূল্যই নাই, সি কেৱল তাৰ একপক্ষীয় প্ৰেমৰ কথা ভাবিছে।ভাৰক।মোৰ সৈতে বিনা স্বাৰ্থত কোন নো আছে এতিয়ালৈকে।আৰু আয়ুৰ স্বাৰ্থপৰতা তো প্ৰেমৰ অন্য নাম,কিন্তু সেই নাম মই গ্ৰহণ কৰিবলৈ বিচৰা নাই।
বাৰাণ্ডালৈকে তাক আগবঢ়াই দিলোঁ।

যাবলৈ ওলাই আয়ু আকৌ ঘূৰি আহিল।
:Congratulation.
নিয়ম মাফিক সি এটা 'ফ্ৰেণ্ডলী হাগ' কৰিলে, ইচ্ছা যে নাই ধৰিব পাৰিলো।
:তই অনিৰুদ্ধৰ নিচিনা গোন্ধাইছ।
হোটেলৰ বন্ধ কোঠাৰ সেই নিবিড় মুহূৰ্তৰ সাক্ষী হৈ অনিৰুদ্ধৰ ফৰাচী পাৰ্ফিউমৰ সুগন্ধি মোৰ গাত এতিয়াও বিয়পি আছে।অনিৰুদ্ধৰ আলিংগনত মোৰ উশাহবোৰো তেওঁৰ সৈতে মিলি যায়,সুগন্ধি মিলাটো স্বাভাৱিক। আয়ুয়ে আকৌ এবাৰ মনত পেলাই দিলে সেই মধুৰ সময়বোৰ..
কিন্তু যেতিয়া মই আয়ুৰ চকুলৈ চালোঁ..
তাৰ চকুত দেখা সেই বিষাদৰ আন্ধাৰে মোক গিলিব খুজিলে,চকু আঁতৰাই আনিলোঁ।
কথাটো সি ক'ব লাগে নাই তাকো নাজানে!ইমান অঁকৰা হৈ আছে কিয় ল'ৰাটো।এনেকুৰাতো নহয় যে সি নিজে প্ৰেম কৰা নাই,এনেকুৰা মুহূৰ্ত তাৰ জীৱনত অহা নাই।হিবাৰ আগতেও তাৰ গাৰ্লফ্ৰেণ্ড আছিল,যাক লৈ অ'ত ত'ত ফুৰিবলৈও গৈছে,কিন্তু মোৰ ওচৰত ইমান বুৰ্বক হৈ থাকে কিয়!

:আয়ু,বহুত দিনৰ মূৰত অকণমান সুখী হৈছোঁ,জীৱনটো কিবা এটা ভাল লাগিছে।তই এনেকুৱা কৰিলে মোৰ কেনেকুৰা লাগিব ভাবি চাইছ?এনি ৰে,আজিৰ বাতৰিটো চাবি।মোৰ বাবে আৰু এটা ভাললগা কাৰণ আছে আজিৰ দিনটোত।কাইলৈ ফ্লাইটত কথা পাতিম।যা এতিয়া।টিফিনটো কাইলৈ লৈ আনিবি।

ভাগৰ লাগিছে।একেটা দিনতে ইমানবোৰ ঘটনা ঘটি গ'ল।মই যেন নিজকে স্থিৰ কৰিবলৈকো আহৰি পোৱা নাই।মেখেলা চাদৰযোৰো সলাব লাগে।চুলিখিনি মুঠি মাৰি খোপা এটা বান্ধি ল'লো।

:তৰা, মই কাপোৰ সলাই আহোঁ,চাহ একাপ খাম দেই একেলগে।মই বনাম।ফ্ৰীজৰ পৰা গাখীৰ খিনি উলিয়াই থ না।

ৰুমত সোমাই দৰ্জাখন হুক বন্ধ কৰি চাদৰখনৰ পিনটো খুলিছোহে, এনেতে মোৰ কোঠাৰ লগত সংলগ্ন বাথৰুমটোৰ দৰ্জা খুলি ওলাই আহিছে অনিৰুদ্ধ।অ'লিভ গ্ৰীণ লুজ ট্ৰাউজাৰ আৰু বগা টি-চাৰ্ট পিন্ধি চুলি টুকি টুকি মোৰ ফালে আহি আছে।

:What the !

:Haww, bad words.

:আপুনি ইয়াত কি কৰিছে?

:এতিয়ালৈকে তো একো নাইকৰা।

কঁকালত এহাতেৰে মেৰিয়াই টানি নিলে মোক।চাদৰৰ আচল তেতিয়া পকাত অসহায় হৈ পৰি আছে।

:But I want to do so many things..you have no idea..

চেঁচা আঙুলিৰে কঁকালৰ কমৰবান্ধৰ মিহি মিহি পাথৰ কেইটা চুই দিলে তেওঁ..

দুৱাৰত সৰু সৰু টোকৰ।

:মা, মা।

মই শেষ।দুৱাৰত থুপু,লগত চাগে মা ও আছে।কি ভাবিব সৱেই এতিয়া।অনিৰুদ্ধক ঠেলা মাৰি আঁতৰাই চাদৰখন সামৰি দৰ্জাখন সামান্য খুলি চালোঁ।মা আৰু থুপু।

:মা,মই কাপোৰ সলাই আছোঁ।

:অনিৰুদ্ধ ক'ত গ'ল?

:চাদৰ ওপৰলৈ।চিগাৰেট খাব হৈছে চাগে।ইমান এৰিব কৈছোঁ এৰা নাই।

:তই নিজে এৰিবি আগতে।উপদেশতকৈ আৰ্হি ভাল।

ৰুমত এইবোৰ কৰি আছে বুলি কোৱাত কৈ চিগাৰেট খাই আছে বুলি কোৱাই ভাল।মা আঁতৰি যোৱাৰ লগে লগে তলত কোনোবা আছে নেকি চাই অনিৰুদ্ধক উলিয়াই পঠিয়ালোঁ।যোৱাৰ আগতেও ডিঙিত তিতা দাড়ি সোপা লগাই ৰঙা পেলাই থৈ গৈছে।

এইবোৰৰ পৰা মানে শান্তি নাই মোৰ।

মায়ে বোৱা কাপোৰেৰে চিলোৱা মেৰুণ ৰঙৰ কুৰ্তী এটা বগা প্লাজ' এটাৰ সৈতে পিন্ধি ওলাই আহিলোঁ।মা আৰু অনিৰুদ্ধৰ মাক তেতিয়া ডাইনিং টেবুলত বহি কথা পাতি আছে।কিণ্ডাৰ জয় এটা হাতত লৈ থুপু ঘূৰি ফুৰিছে।

:মাজু,তই চাহ বনাবি বোলে, আমি বহি আছো খাবলৈ।খায় হে কাপোৰ কানি সলাম।

:ক'ত গৈছিলা তোমালোক?
:এনেই আমাৰ ঠাইখন দেখুৱালো অকণমান, আয়ুৰ ঘৰটো সোমালোঁ।

মা আজি চাগে কিমান বছৰৰ মূৰত ওলাই গৈছে।লগ এটা পাইছে, মনবোৰ মুকলি হৈছে।মানুহজনী আচলতে বেয়া নাছিল,অহংকাৰীও নাছিল।কিন্তু পৰিস্থিতিয়ে বাধ্য কৰিছিল কিছুমান কাম কৰিবলৈ।লগতে মোৰ দৰেই জেদী মানুহজনীয়ে মনৰ বিৰুদ্ধে একো কাম কৰিবও যে পৰা নাছিল।

সকলোকে চাহ দিলোঁ।অনিৰুদ্ধৰ লগত মাত-বোল বন্ধ।কম লাজত পেলোৱা নাই মোক।
চাহ খাই থাকোঁতে তেওঁ নিজেই উলিয়ালে
:মাক মেহেন্দি আঁকি নিদিয়া?
মেহেন্দিৰ কথা শুনি মানুহগৰাকী সৰু ছোৱালীৰ দৰে জঁপিয়াই উঠিলে।
:মে' ত' বিনা মেহেন্দি লগায়ে আনা ভি নেই চাহতি থি।

প্ৰতিটো সৰু ডাঙৰ উৎসৱত তেওঁলোকে মেহেন্দি লগায়।পৱিত্ৰ বুলি মানে।লগতে এটি বিশ্বাস ,ৰং ডাঠ হ'লে স্বামীয়ে মৰম কৰে।হাঁহি উঠিল।ইমান সৰল মনৰ মানুহ।মাৰ ফালে চালোঁ।ক'ৰবাত এনেকুৱা এটা মন এইজনী মানুহৰো আছিল নিশ্চয়।এতিয়া হেৰাই থাকিল।অনিৰুদ্ধই নিজৰ মাকক হয়তো আমাৰ দেউতাৰ বিষয়ে কিছু কথা আগতেই কৈ থৈছে,তেওঁ এবাৰেই যি সুধিলে,তাৰ পাছত আৰু দেউতাৰ বিষয়ে একো কথা নাই সোধা।এতিয়াও কথাটো কৈ তেখেতে অলপ লাজ পোৱাৰ দৰে হে লাগিল।
:আমাৰ তৰাই জানে লগাব,আপোনাক লগাই দিব বাৰু।
:আৰে, আগতে মই মোৰ 'বহু' ক লগাই ল'ব লাগিব।কিমান মৰম আছে চাব লাগিব নহয়।

এনেতে মোবাইলটোত টিং কৈ মেছেজ এটা আহিল
"Pyaar to hum bht karte hain, par koyi jataane ka mauka hi nehi deta "
গৰম চাহকাপ আৰু মোৰ গাল দুখন এতিয়া সমানেই গৰম ।

:গোসাঁনী,অকণমান মোৰ কোঠালৈ আহ চোন,অনিৰুদ্ধ তুমিও আহা।

চাহখোৱা টেবুলৰ পৰা দুয়োটা ককাৰ পিছে পিছে খোজ ল'লো।
ককাই বিছনাত ফাইল কিছুমান খুলি থৈছে।লগত এটা কেলকুলেটৰ।কলম,পেঞ্চিল, কিছুমান চিঠি।কিয় উলিয়াইছে এইবোৰ!
:তই বিছনাতে বহ,এওঁক চকী এখন আনি দে।
কাঠৰ চকী এখন নিজেই আনি অনিৰুদ্ধ বহিল।
:মাৰকো মাতিলোঁ হেঁতেন, পিছে এতিয়া থাকক,এওঁৰ মাকে আমনি পাব।কথাবোৰ পাতি লওঁ,মই বা আৰু কিমান দিন বাচি থাকোঁ।

:কি কথাবোৰ কৈ থাকা ককা?
ককা বিছনাত বহিছে,মই পকাতে বহি ককাৰ ভৰি কেইটা পিটিকি আছোঁ।
ককাই ফাইল এটা খুলি অনিৰুদ্ধক ক'লে
:আগতে ভাবিছিলোঁ,এইক সৱ দি মই মৰিব পাৰিম শান্তিৰে।কিন্তু এতিয়া লাগিছে এইবোৰ তাইৰ গলগ্ৰহহে হ'ব।তোমালোকৰ সংসাৰত অশান্তি হ'ব।নিজৰ পো হ'লেও ক'ম,সি সম্পত্তি নাপালে এইক মাৰি পেলাবলৈও সংকোচ নকৰিব।আজিৰ কথাবোৰ এওঁ জানে নাই নাজানো,মোক যোগেশে ক'লে।মই বিক্ৰী কৰি দিম সৱ।সি কি কৰে চাওঁ চোন ।

অনিৰুদ্ধই মাত্ৰ আচৰিত হৈ মোৰফালে এবাৰ আৰু ককাৰ ফালে এবাৰ চালে।
:ককা,এইবোৰ এতিয়া থাকক নেকি?
:নালাগে থাকিব,কাইলৈ এওঁ যাবগৈ,তয়ো যাবিগৈ।মই নাযাওঁ, মই এইবোৰ লেঠা মাৰিবই লাগিব।ই মানুহজনীক শান্তিৰে থাকিবলৈ নিদিব নহ'লে।অধীৰৰ নামত থকা খিনি সি লওক।নামচাইৰ বাগান,ডিগবৈৰ মাটি-ঘৰ আৰু মোৰ এই ঘৰটো তোক দিম মই।অনিৰুদ্ধ আৰু তোৰ হ'ব সৱ।

:ককা,প্লিজ,মই অনন্যাক বহুত বেছি ভাল পাওঁ,কিন্তু মই এইবোৰ কথাত একেবাৰেই সোমাব বিচৰা নাই।
অনিৰুদ্ধই কি ক'ব খুজিছে মই বুজিছোঁ।তেওঁ নিজৰ দেউতাকৰ পইচা ল'বলৈ টান পোৱা মানুহ।সম্পূৰ্ণ নিজৰ সামৰ্থৰে যি পাৰে সেয়াহে কৰে।মোৰ বা মোৰ ঘৰৰ মানুহৰ সম্পত্তি তেওঁ কেতিয়াও নলয় সেইয়া মই জানো।
:ককা,কি ক'ব খুজিছা,খোলা খুলি কৈ কোৱা।
ককাই ভাবিছে কিবা এটা আৰু কৈ আছে কিবা এটা,সকলো বুজিছোঁ মই।
:বাকীবোৰ যি হয় হওক।তই এই ঘৰটো ৰাখিব পৰিবিনে?এইখন বৰ কষ্টৰে সজা ঘৰ।বৰ মৰমৰ ঘৰ।ইয়াত ব্যভিচাৰ হ'লে মই মৰিও শান্তিও নাপাম।আইতাৰক সিপুৰীত কি উত্তৰ দিমগৈ।তই ঘৰটো ৰাখিবিনে ভালকে?মানুহক আশ্ৰয় দিবি ইয়াতে।কষ্টত থকা বুঢ়া বুঢ়ী মানুহ,নিথৰুৱা ল'ৰা-ছোৱালী,জীৱ জন্তু যাকে দিয় দিবি,মাত্ৰ অধীৰক নিদিবি।পৰিবিনে ক?

কিমান দুখত এজন বৃদ্ধ পিতৃয়ে এনেকৈ ক'ব পাৰে?
দেউতা ককাৰ নিজৰ তেজ,মই কোনোবা নিষ্ঠুৰ পিতৃ মাতৃয়ে পেলাই থৈ যোৱা সন্তান!
কি খেলা এই পৃথিৱীৰ!
কিমান অসহায় মানুহবোৰ!
মই কিবা কোৱাৰ আগতেই অনিৰুদ্ধ নিজৰ ঠাইৰ পৰা উঠি আহিল
:ককা,অনন্যাই যি বিচাৰে, যেনেকৈ বিচাৰে তেনেকৈয়ে কৰিব সকলো।মই কেতিয়াও তাইক বান্ধি নাৰাখোঁ।তাই যদি ইয়াত থাকিব বিচাৰে, থাকিব পাৰিব।কিন্তু মই নোৱাৰিম।ক্ষমা কৰিব মোক।মোৰ ওপৰত মোৰ নিজৰ ঘৰখনৰো দায়িত্ব আছে।ময়ো মা-দেউতাৰ একমাত্ৰ সন্তান।
ইমান স্পষ্ট, ইমান স্থিৰ কেনেকৈ হ'ব পাৰে মানুহ!
কোনো মিছা প্ৰতিশ্ৰুতিৰে তেওঁ আমাক বান্ধিব খোজা নাই।ককাক মিছা আশা দিব খোজা নাই।আকৌ এবাৰ

তেওঁৰ প্ৰতি মৰম আৰু শ্ৰদ্ধাৰে উপচি পৰিল মোৰ বুকু।
:ককা,তুমি বেয়া পোৱা একো হ'বলৈ মই নিদিওঁ,ইমান চিন্তা নকৰিবা।
:নাই অ',আজিকালি সপোনত শেৱালিয়ে মাতি থাকে,কোন দিনা বা লৈ যায়।
:কিনো কৈ থাকা ..
ককাৰ ভৰি দুটা খামুচি উচুপি উঠিলোঁ।অনিৰুদ্ধ আঁতৰি গ'ল।এইকণ সময় ককা আৰু মোৰ।
:ল'ৰাটো বুজন।তই কান্দিব লগীয়া নহয়।মই যোগেশক কৈছোঁ,সি তোৰ লগত সদায় থাকিব।কিন্তু তই ইয়ালৈ একেবাৰে ঘূৰি নাহিবি।পাৰিলে মাৰকো লৈ হে যাবি মই মৰাৰ পিছত।ইয়াত তোক সি অশান্তি কৰিব।অনিৰুদ্ধকো নেৰিব।

ভয় কৰিছে ককাই।স্বাভাৱিক।কিমান কি যে দেখিলে এই জীৱনটোত।

হাতত কিণ্ডাৰ জয় লৈ থুপু ওলালহি।ককাক অকণমান নিদিয়াকৈ সি নাখায়।
:কিয় আহিলা?
:অনিমুন আইব কৈথে।
আমাৰ মুখত হাঁহি আনিবলৈ অনিৰুদ্ধই থুপুক পঠিয়াই দিছে।সি ককাক হাতত ধৰি টানি টানি লৈ গৈছে।
:ইয়াৰ কথা ভাবিব্ৰ হ'ল,এনেকৈ ইঠাই সিঠাই কৰি থকাটো তাৰ মানসিক স্বাস্থ্যৰ কাৰণে বেয়া হৈছে।লাহেকে স্কুলত দিবৰ হ'ব।তই সোনকালে সিদ্ধান্ত বোৰ ল'ব লাগিব।
ককাৰ কথা শুনি শুনি পিছে পিছে ময়ো গৈছোঁ।
তৰা আৰু বাহাদুৰে ড্ৰয়িং ৰুমৰ মজিয়াত মেট্ৰেছ পৰিছে,গাৰু দিছে।
:কি কৰিছ এইবোৰ তৰা?
:এতিয়া সৰেই বহি কথা পাতিব বোলে।তাতে তোক মেহেন্দি লগাই দিব শাহুৰে।তেখেতেই ক'লে এনেকৈ কৰিবলৈ।আমাকো একেলগে বহিবলৈ কৈছে।
অলপ পাছত মাৰ সৈতে তেখেত নামি আহিল।
:মেহেন্দি লগানে কে লিয়ে ৰেডি হ' ?
হাঁহি এটা মাৰি সমৰ্থন জনালোঁ।
পাতল হালধীয়া চুৰিডাৰ এযোৰ পিন্ধি অহা মানুহগৰাকীক অনিৰুদ্ধৰ বায়েক যেন হে লাগিছে।
ঘৰখনত এনেকুৱা পৰিৱেশ আজিয়েই প্ৰথম।বাহাদুৰে মাজে মাজে ইটো সিটো খাবলৈ আনি আছে।আমি সৰ তলত বহিছোঁ।ককা চোফাত বহিছে।অনিৰুদ্ধ আৰু মাকে মাজে মাজে হাঁহি উঠা কথা কৈ আছে।
:আনটি,আপুনি আগতে গান গাইছিল ন,আজি স্পেচিয়েল ৰিকুৱেষ্ট ,কিবা এটা গাই শুনাওক।
মায়ে মোৰ ফালে চালে,ময়ে কৈছোঁ বুলি গম পালে।সৰেই জোৰ দিয়াত মায়ে খুব আৱেগ ঢালি গালে
"তুঝ ছে নাৰাজ নেহী জিন্দগী, হেইৰান হুঁ মেইন, হেইৰান হুঁ মেইন"
কাৰো মুখত মাত নাই,ইমান শুৱলা মাত।গানটোৰ শেষলৈকে আমি সৰেই যেন উশাহ সলাবলৈকো পাহৰি পেলাইছোঁ।
অনিৰুদ্ধ আৰু মাকে পৰশংসাৰে উপচাই পেলাইছে।

:নাম লিখিব লাগিব নহয়?অনি লিখিম নে অনিৰুদ্ধ?
:মো নাম লিকিবা।
এতিয়া যে সকলোতে ভাগ হ'ব মৰমবোৰ।থুপু আহি যেনেতেনে আমাৰ মাজত সোমাল হি।
:But I have to find my name in the Mehendi right maa?
:বে'টা,সুহাগ ৰাত নেহী হে আজ।
মা আৰু মোৰ চকু ডাঙৰ হৈ গ'ল।ভাগ্য ভাল ককা দূৰত আছে।তৰাই মিচিকিয়াই হাঁহি দিছে।ইমান সহজ নে কথাবোৰ কৈ দিয়াটো।
:আন্টি,আপুনি A লিখক।দুয়োৰে নামৰ প্ৰথমটো আখৰ।

কাৰোবাৰ ফোন অহাত অনিৰুদ্ধ উঠি গ'ল।তৰাই তেওঁৰ মাকৰ বাওঁ হাতত মেহেন্দি লগাই দিলে।আৰু আমি সৰেই জোৰ কৰি মাৰ হাততো আঁকিলোঁ।থুপুৰ হাতত তৰাই লিখিছে 'অনন্যা-অনিৰুদ্ধ'।
আঁকি শেষ নহ'লেই, হাতখন নিজৰ চোলাত মোহাৰি পেলালে।

বাহাদুৰ আৰু নতুন ৰান্ধনীয়ে সম্পূৰ্ণ অসমীয়া নিৰামিষ খাদ্যৰে টেবুল সঁজালে।মোৰ মেহেন্দি আঁতৰাবলৈ নিদিলে অনিৰুদ্ধই।
:ভাত কেনেকৈ খাম?
:মায়ে খুৱাই দিব।
আৰু এইয়া,এতিয়া মায়ে মোক ভাত খুৱাই আছে।এবাৰ থুপুক, এবাৰ মোক।ফলতময়ো বাটাৰ ,কণী ভাত খাইছোঁ।বাকী সৰেই খোৱা পনীৰ, ডালি,পিটিকা,চাটনী একো খাবলৈ পোৱা নাই।ৰং নাহে বুলিয়েই এইবোৰ কৰাই আছে মোক।

ৰাতিপুৱা ন বজাত অনিৰুদ্ধ আৰু মাকৰ ফ্লাইট।ঘৰৰ পৰা ছয় বজাতেই ওলাই যাব লাগিব।কলিকতাৰপৰা মাকে বেলেগ ফ্লাইট ল'ব লাগিব।মায়ে সোনকালে শোৱাৰ কাৰণে লৰালৰি কৰিছে।আলহী ৰূমটোত দুখন বিচনা।শুদ্ধ বগা বিচনা চাদৰ,গাৰুৰ কভাৰ, সুগন্ধি কেণ্ডেল লগাই একদম মাৰ দৰেই পাৰফেক্ট কৰি থৈছে।যেন অকণমান ক'ৰবাত খুঁত থাকিলেই নম্বৰ কাট খাই যাব।আৰু ধুনীয়াকৈ পাৰি থোৱা বিছনাত আগে ভাগে গৈ শুই আছে থুপু।যিমান মাতিলেও নাহে।অনিৰুদ্ধই সাধুৰ নামত যি টি কৈ আছে, নাই সি শোৱাৰ নামেই নলয়।ককা আহি আলহীক মাত লগাই শুবলৈ গ'ল,মই মেহেন্দি সোপা তেনেকৈ লৈ অনিৰুদ্ধৰ মাকৰ সৈতে আনখন বিছনাত বহি কথা পাতি আছো।
:এতিয়া ধুই শুই থাকা যোৱা,ৰং আহিল আৰু।
ৰূমটোৰ পৰা ওলাই নিজৰ ৰূমলৈ আহিলোঁ।শুকাই যোৱা মেহেন্দি বোৰ কাগজ এখন পাৰি ঘঁহি ঘঁহি আঁতৰাই দিছোঁ।ডাঠ ৰং এটা জিলিকি উঠিছে।ধুই আহি চালোঁ,লাজ এটাই চুই গ'ল।
:মাজু,ইয়াক লৈ আন,আলহী শুব লাগে নহয়।আকৌ কাইলৈ চাৰি মান বজাত উঠিবই লাগিব।এঘাৰ বাজিলে এতিয়া।ময়ো যাওঁ শুবলৈ।তই এলাৰ্ম দি থ'বি, আজিৰ নিচিনা নকৰিবি।

হাত খন মচি ৰুমটোৰ পৰা ওলাবলৈ লওঁতেই ফোনত মেছেজ..
:Come to the terrace after half an hour. We need to talk.

অদ্ভুত এই মানুহজন।
কি ভাৱে, কি কৰে একো বুজি নাপাওঁ।
বাথৰুমত গৈ মুখ হাত কেইটা ভালকৈ ধুই শুবৰ কাৰণে ৰেডি হ'লো।আধা ঘন্টা পাৰ হৈ গ'ল।ফোন,মেছেজ একো নাই।থুপু এতিয়াও তেওঁৰ লগতে আছে।
“Come, get one quilt also “
গৰম দিন যদিও বতৰটো সেমেকা বাবে অলপ অলপ ঠাণ্ডা লাগিছে,তাতে চাদৰ ওপৰত বতাহ বেছি।কিন্তু আমি তাত কিমান দেৰি থাকিম নো?ব্লেংকেট কিয় নিবলৈ কৈছে?
থুপুৰ এখন সৰু পাতল বগা ব্লেংকেট আছে।সম্পূৰ্ণ ফাৰৰ ,মায়ে স্পেচিয়েলি তাৰ কাৰণে অৰ্ডাৰ কৰি অনাইছিল।সেইখনকে লৈ ৰুমৰ পৰা ওলালোঁ।মাহতৰ পৰা লুকুৱাই মই আগতেও বহুত কাম কৰিছোঁ,কিন্তু আজি কিয় জানো,অলপ লাজ লাগিছে মোৰ।যোৱাৰ আগতে আকৌ এবাৰ আইনাত নিজকে চাই লৈছোঁ।যেন অনিৰুদ্ধক প্ৰথম বাৰৰ বাবেহে লগ কৰিবলৈ গৈছোঁ।

চাঁদৰ ওপৰৰ লোহাৰ দৰ্জাখন যিমান পাৰোঁ সিমান সাৱধানে খুলিলোঁ।
আৰু সৌৱা, অলপ দূৰৈত আকাশৰ ফালে চাই থিয় হৈ আছে মোৰ প্ৰিয় পুৰুষ।
নয়নভৰি চাই ৰৈছোঁ মোৰ উশাহত বৈ থকা দুটি নাম।
থুপুৰ অনিমুনক।
মোৰ অনিৰুদ্ধক।
মাজৰাতি প্ৰেমিকাক এনেকৈ অকলে মাতি আনি তেওঁ নিজৰ কামনা পূৰাব বিচৰা নাই।প্ৰেয়সীৰ অবৈধ সন্তানক কোলাত লৈ তৰা দেখুৱাই থকা মানুহজনক সাৱটি ল'বৰ মন গ'ল আকৌ এবাৰ।
কিমান বিশাল মনৰ মানুহে এনেকুৱা কৰিব পাৰে?
মই বাৰু পাৰিলোঁ হেঁতেন নে?

হাতৰ কম্বলখন জোলনা খনতে থ'লো।
লাহে লাহে খোজবোৰ দি তেওঁৰ পিছফালে ৰ'লো।পিঠিত লাহেকৈ হাতখন থ'লো।

তেওঁ ঘূৰি চালে,মোক দেখি দুইখন হাত মেলি থুপু মোৰ কোলালৈ আহিল।
:ইমান দেৰি কিয় শোৱা নাই তুমি জান ?

:থুমি কিয় নাইলা, অনিমুন সাধু কৈথিলে।
:সঁচা?কি সাধু কৈছিলে?
:পৰী সাধু,তাতে মো নিথিনা এটা থুপু মাইনা আথিলে।
:ইমান ধুনু সাধু শুনিও নুশুলা তুমি?
মূৰটো জোকাৰি সি হাতেৰে মুখ খন ঢাকি দুষ্টালিৰ হাঁহি মাৰিলে।
:Shall we sit there?
:হমম ।
চাঁদৰ ওপৰৰ মুকলি ঠাইকণত বিচনা চাদৰ খন পাৰি তিনিওটা বহিলো।থুপু কুছি মুচি মোৰ কোঁচত সোমাই আছে।
:Show me.
তেওঁ মোৰ হাতৰ মেহেন্দিৰ ৰং চাব বিচাৰিলে।হাত দুখন আগবঢ়াই দিলোঁ।তেওঁ দুহাতেৰে তুলি ধৰি নাকৰ ওচৰলৈ নি মেহেন্দিৰ সুগন্ধি উজাই ল'লে।
:I love this smell.
:মোকো দিয়া।
থুপুৱেও একদম অনিৰুদ্ধৰ নিচিনাকৈ মোৰ সোঁহাত খন গোন্ধি চালে।
:ইয়াক যে লৈ আনিলে,এতিয়া আমি কি কথা পাতিম সব চাই থাকি শুনি থাকি মাৰ আগত কৈ দিবগৈ।
:নাই না, অনিমুন পমিজ কৈছে।
:Its a secret ,right buddy?
দুয়োটাই নিজৰ নিজৰ হাতৰ মুঠি দুটা যুঁজাই বিশেষ ভংগীমাত মেনলি টক কৰিলে।
ইস এনে চিক্ৰেট কি বুজি পায় সি।প্ৰমিজ কৰিছে আকৌ দেই।
অনিৰুদ্ধই আকৌ মোৰ বাওঁ হাতখন নিজৰ হাতৰ মাজত খামুচি ধৰিলে..
:অনন্যা,আমি একেলগে থাকিব নোৱাৰোঁ নে,আই মিন,এইবিলাক ফৰ্মেলিটি জৰুৰী নেকি?
:মোৰ কাৰণে নহয়।কিন্তু মাৰ কাৰণে,ককাৰ কাৰণে,আপোনাৰ মা-দেউতাৰ কাৰণে তো হয়?ৰাইট?
:Hmm.So, what's your plan?
অনিৰুদ্ধৰ প্ৰশ্নবোৰ সদায় পোনপটীয়া হয়।তেওঁ চালে-বেৰে কোবাই কথা নকয়,ক'ব নাজানে।তেওঁ কি বিচাৰে ,সেইয়া স্পষ্টকৈ জনাই দিয়ে।
লাহে লাহে আমাৰ কথাবোৰ বুজি নোপোৱা হোৱাত থুপুৰ টোপনি আহিছে,সি ঘূৰি লৈ মোৰ বুকুত মূৰটো পেলাই দিলে।চুলি কেইডাল অকণমান মোহাৰি দিলেই টোপনি যাব।যিমান পাৰোঁ লাহে লাহে আমি কথা পাতিছোঁ।
:প্লেন মানে?
:মোৰ লগত থাকিবা?নে ইয়াত থাকিবা?
:Things are not that easy Anirudh.
দেউতাৰ লগত হোৱা প্ৰতিটো কথাই অনিৰুদ্ধক খুলি ক'লো।তেওঁ জনাটো দৰকাৰ।কাইলৈ যদি দেউতা আহি ইয়াত কিবা নকৰিবলগীয়া কাম কৰি দিয়েহি,তাৰ বাবে মা,ককা আৰু মোৰ লগতে অনিৰুদ্ধও সাজু হৈ থাকিব

লাগিব।তেওঁ একান্ত মনে শুনি আছে।
:এইবোৰ কাৰণতে আপোনাৰ পৰা আঁতৰি আছিলোঁ,মই কেতিয়াও বিয়া পাতিম,সংসাৰ কৰিম এইবোৰ ভৰা নাছিলোঁ।মোৰ লগত থাকিলে আপুনিও বহুত সমস্যাৰ সন্মুখীন হ'ব।
:তাৰমানে কাৰোবাক ভাল পোৱাৰ আগতে গোটেই জনম কুণ্ডলী খুঁচৰি চাব লাগিব?
:খং টো নাকৰ আগতে কিয় থাকে মানে?
:Because you are talking rubbish Ananya!
অনিৰুদ্ধৰ চিঞৰ শুনি নিতাল মাৰি থকা থুপু ঠেন ঠেনাই উঠিল।আকৌ তাক গালে মুখে মৰম কৰি শুৱাবলৈ যত্ন কৰিলোঁ।

:টোপনি ভাঙি দিলে তাৰ বৰ খং উঠে।
:মোৰো তো খং উঠিছে।

হয় তো,তেওঁৰো তো খং উঠিছে।থুপুক কৰাৰ দৰেই বাওঁহাতেৰে তেওঁৰ চুলিকেইডালত আঙুলি বুলাই দিলোঁ।চকু কেইটা জপাই দিলে তেওঁ।
হাতখন টানি নি ওঁঠত লগালে।
:I can't see you in pain Ananya. প্লিজ এইবোৰ এৰি মোৰ ওচৰলৈ গুচি আহা।মা আৰু ককাকো লৈ আহা।মোৰ একো ক'বলগীয়া নাই।কিন্তু আহা।
:সৰকে বিয়া পাতিব?
:থুপু আৰু তোমাক বিয়া পাতিম,বাকী বিলাক দহেজত আহিব।
:So mean..
মোৰ কোলাত তেতিয়া গভীৰ টোপনিত থুপু।আৰু বহু কথাই কৈ গ'ল অনিৰুদ্ধই।নিশা গভীৰ হৈ আহি আছে।ডাৱৰে ঢকা অকাশখনত ক'ৰবাত এটা দুটা তৰাহে অকলে অকলে তিৰবিৰাই আছে।জোনটোৱে ডাৱৰত লুকা-ভাকু খেলিছে।মনৰ মাজত হেঁচি ৰখা মোৰ অতীতৰ নোকোৱা কথাবোৰো কৈ দিছোঁ মন খুলি।কাৰণ এই মানুহজনৰ ওচৰত যে এতিয়া আৰু একো লুকুৱাই ৰখাৰ ইচ্ছা মোৰ নাই।নিৰ্ভয়ে উজাৰি দিব পাৰোঁ নিজক।মোৰ সন্মুখৰ পৰা উঠি আহি তেওঁ মোৰ কাষত বহিছেহি।কান্ধতে মূৰটো পেলাই শুনি আছে কথাবোৰ।পাৰ হৈ গৈছে এটি এটি পল,বুকুত বান্ধি আমাৰ তিনিওৰে একান্ত সময়ৰ মিঠা মিঠা কাহিনী।

এই নিশাটো যদি এটি শব্দ হ'লহেঁতেন,নাম থ'লোহেঁতেন 'ভালপোৱা'।

মই সুখৰ চকুলোৰে দুগাল তিয়াইছোঁ ,আৰু অনিৰুদ্ধই মোৰ চুলিত মুখ গুঁজি বিৰবিৰাইছে ভালপোৱাৰ পুৰাতন প্ৰাৰ্থনা।
মই আজিৰ দিনটোৰ বাবেই জীয়াই আছিলোঁ।
বাওঁহাতেৰে থুপুক আৰু সোঁহাতেৰে অনিৰুদ্ধক সাৱটি ৰাখিছোঁ, মোৰ একেবাৰেই ওচৰত।

“আমাক এনেকৈয়ে ৰাখিবা,মাধৱ”
ককাৰ মাধৱ,আইতাৰ মাধৱ, থাপনাত নীৰৱে বহি কৰ্মফলৰ হিচাপ লৈ সুখ দুখ ভগাই থকা মাধৱ।

থুপুৰ বুট খোৱা ‘নমো’।
যি ৰূপতে নাথাকা তুমি ভগৱান,আজি মই তোমাক মানি লৈছোঁ।

:ইয়াৰ ঠাণ্ডা লাগিব।যাওঁ নেকি?
অনিৰুদ্ধৰ মাতত বাস্তৱলৈ ঘূৰি আহিলোঁ।থুপুক আনি বিছনাত শুৱাই দিলোঁ।
টোপোলা গাল দুখন আৰু অকণ ফুলাই শুই থকা থুপুৰ কপালত হাত ফুৰাই অনিৰুদ্ধই ক’লে
:He is the cutest baby I have ever met.
:মোৰ ল’ৰা যে।
:Oh attitude huh!
হাতখনত ধৰি দৰ্জাৰ বাহিৰলৈ টানি লৈ গ’ল।মুখত হাত দি হেঁচি ধৰিলে।তেওঁৰ হাতঘড়ীৰ চেইনডালত দুখ পাই গৈছোঁ।গোটেই ঘৰটোত অকল আমি দুটা সাৰে আছোঁ, তলৰ ডাইনিং এৰিয়াত জ্বলি থকা কম পোহৰৰ বাল্বটোৰ পোহৰকণ আমাৰ ওচৰ পোৱাহি নাই।
:So let’s make another cute baby, what say?
হাতখন মুখৰ পৰা আঁতৰাই দিয়াই নাই,মই কি কৈছোঁ কি ডাল বুজি পাব।
মই কিবা ক’বলৈ ছটফটাই থকা দেখি হাতখন আঁতৰাই দিলে।ফোঁপাই গৈছোঁ।

মই কিবা কোৱাৰ আগতেই মোক দুহাতেৰে তুলি আনিলে তেওঁ।
:You know what, in our family ,we carry our brides to the bed,in this way!
থুপুৰ কাষত মোক শুৱাই পাতল কাপোৰ খন গাত দি দিলে তেওঁ।
:We had a long day, now sleep.
:আৰু দুঘণ্টা পিছত উঠিবই লাগিব।
:নালাগে, শুই থাকিবা।মই মাক কৈ দিম।
:মই ভাবিছিলোঁ,কাইলৈ ৰাতিপুৱা আপোনাৰ ‘বুলেটপ্ৰুফ কফি’ মই বনাই দিম।

তেওঁ ৰাতিপুৱা শুই উঠি ব্লেক কফিত এচামুছ ঘিঁউ,এচামুছ নাৰিকলৰ গাখীৰ দি খায়।মই জানো তৰাই নোৱাৰে বনাব,তাইক এদিন কওঁতে “বুলেটপ্ৰুফ জেকেট হে থাকে” বুলি ইমান হাঁহিছিল।এতিয়া অনিৰুদ্ধই উঠিব নালাগে বুলি কৈছে যেতিয়া উঠি গ’লেও সৱৰে আগতে গালি পাৰিব।
:এদিনৰ কাৰণে লাল চাহ খাম।হ’ব?
অকণমান মুখ খন ফুলাই দেখুৱালো।তেওঁ হাঁহি দিলে।
:আপুনি নুশুৱে?
:ওহোঁ।

তেওঁ উঠি গৈ চকীখনত বহিল।আমি শোৱা চাই থাকিব।কি আচৰিত মানুহ মই নুবুজো।মই কথা ক'বলৈ মুখ মেলিলেই গালি ,চকু মেলিলেও গালি।থুপুক চপাই আনি চকু মুদি শুই থাকিলোঁ।সকলোবোৰ চোন মই মোৰ মতেই কৰোঁ, আজি এবাৰ সকলোবোৰ তেওঁৰ মতেই হওক।

একেবাৰে সৰু সৰু কৈ মাত এটা কাণত পৰিছে,তেওঁ হয়তো গান শুনিছে

"आज इबादत रूबरू हो गयी
जो मांगी थी, जो मांगी थी
उस दुआ से गुफ्तगू हो गयी
मेरे मौला, मेरे मौला
तेरा शुक्रिया"

:মাজু,মাজু, কি ছোৱালী তই।মানুহ গৈ ঘৰ পালেগৈ তোৰ শুই উঠিবৰ হোৱাই নাই।

মাৰ চিঞৰত খকমকৈ উঠিলোঁ।মোবাইলটো চাইছোঁ, চাৰে আঠ বাজিল।তাৰমানে অনিৰুদ্ধৰ ফ্লাইট গৈ কলিকতা পালেগৈ।
:Shit, shit, shit.
:তোক মই এলাৰ্ম দিবলৈ কৈছিলোঁ নে নাই।
:অনিৰুদ্ধই হে..তুমি কিয় উঠাই নিদিলা?
:মাক পুতেক দুয়োটাই নালাগে নালাগে ক'লে।আৰু ইয়াত আহি তোৰ শাহুৰে থুপুক মৰম কৰিছে, তোক মৰম কৰিছে,নাই তাইৰ সাৰ সুৰ নাই।একদম লালকাল টোপনি।
:এয়াৰপোৰ্টলৈ অকল যোগেশ দা গ'ল?
:কেলেই অকলে যাব,মই আৰু ককা গৈ ধুনীয়াকৈ আগবঢ়াই থৈ আহিছোঁ।উঠ এতিয়া,নিজৰ ফ্লাইট খনো মিছ কৰিবি এনেকৈ হ'লে।
মোৰ কাপোৰ, লেপটপ ,ছাৰ্জাৰ সামৰি সামৰি মুখেৰে ভোৰভোৰাই আছে।সেইবোৰ আগতে মই নিজেই কৰোঁ,নাইবা তৰাই কৰে,আজি মায়ে কৰিছে।

:আজি মোৰ যাবলৈ অলপো মন যোৱা নাই ।
খৰ খৰকৈ কাম কৰি থকা মাৰ হাত খন ৰৈ গ'ল।
:টিকেট কেইটা কেঞ্চেল কৰি দে।
:মা,এটা টিকেট নহয়,মোৰ, তৰাৰ,থুপুৰ।ককা তো আগতেই নাযাওঁ বুলি কৈছে বাৰু।সেইটোৰ পইচা গ'লেই।আৰু মোৰ অফিচ খুলিব ন কাইলৈ।

মাৰ মুখ খন সেমেকি গ'ল।
পিছফালৰ পৰা গৈ ওচৰতে ৰ'লো,আন মাক-জীয়েকৰ দৰে যেতিয়াই মন যায় তেতিয়াই সাৰটি ধৰিব পৰা সম্পৰ্ক এটা এতিয়াও আমাৰ হোৱা নাই।
:তুমি ককাক লৈ আহিবা আকৌ সোনকালে।
:উম।যাব লাগিব।
:মেহেন্দি চোৱা,কিমান ডাঠ হ'ল।
কালিতকৈ বেছি কাঢ়া ৰং টো মাক দেখুৱালো।মোৰ হাতখন চাওঁতে মাৰ বাওঁহাতৰ একেবাৰেই ৰং নধৰা মেহেন্দি খিনি চকুত পৰিল।
:মই এইবোৰ আগতেও নলওঁ, কালি লগে লগে ধুই পেলালোঁ।
:তুমি ৰেড নেইলপলিছ লগালেই ভাল লাগে ন।
আজিকালি আমি দুজনীয়ে কথা ক'ব জানো।শিকিছোঁ।জীৱনে শিকাইছে।

ঘৰৰপৰা ওলাই আহোঁতে আজি ককাই বেছিকৈ কান্দিলে,কিয় বা ইমান বেছি দুখ লাগিল!
থুপুক এৰিয়েই দিব খোজা নাছিল।কিন্তু মই তাক তাত থৈ আহিব নোৱাৰোঁ।মোৰ অনুপস্থিতিত মায়ে তাক ভালকৈ ৰাখিব মই জানো,কিন্তু বহুদিন মই তাৰ পৰা আঁতৰি থাকিলোঁ, এতিয়া চোন একেবাৰেই মন নাযায়।মায়ে মন ভৰাই বস্তু বান্ধি দি পঠাইছে।লগতে নতুন কাপোৰ।মাৰ যেন লৰালৰি হৈছে,মোৰ পৰা কাঢ়ি লোৱা মোৰ শৈশৱৰ সকলো সুখ,মৰম,আদৰ মোক উভতাই দিবলৈ।অপৰাধবোধে এতিয়াও খেদি ফুৰিছে মানুহজনীক।মোক লৈ ইমান বেছি ব্যস্ত,ইমান বেছি সচেতন।
আহিবলৈ ওলাওঁতে,
:এই ফটা জিনছটো আৰু স্নিকাৰযোৰ হাতৰ মেহেন্দি বেলেগ মিলিছে কিন্ত।কি অদ্ভুত ষ্টাইল জানো তোৰ।

মোহ, নতুন মোহে আমাৰ সৱকে বিচাৰি পালে,মাৰ মোলৈ মোহ,ককাৰ ঘৰখনলৈ মোহ,অনিৰুদ্ধৰ মোলৈ,মোৰ তেওঁলৈ.. আৰু আয়ুৰ..!

ফ্লাইটৰ খিড়িকীৰ ফালৰ ছিটটোত আয়ু বহিছে,মাজত থুপু,এইফালে মই।আনফালৰ খিড়িকী কাষৰ ছিটটোত তৰা বহিছে,তাই বাহিৰলৈ চাই ভাল পায়।আয়ুয়ে যিমান পাৰে মোৰ লগত কথা নপতাকৈ থাকিবলৈ চেষ্টা কৰিছে।ময়েই আৰম্ভ কৰিলোঁ।

:মই ৰিজাইন দিম।
:কেলেই?
:ককাই ঘূৰি আহিবলৈ কৈছে।
: তাৰপিছত?গোটেই লাইফটো বাপেৰৰ লগত কাজিয়া লাগি থাকিবি।মায়ে ঠিকেই কয়,সম্পত্তিয়ে ঘৰখন খালে তহঁতৰ।
বকিলে কছাৰীয়ে একো নাচায়,সৰ বকি যায়।

:তেনেহ'লে ক আকৌ কি কৰিব লাগে।
:অনিৰুদ্ধক সুধিবি।
:তই মানে মোক এনেকেই টানা মাৰিবি ন সদায়,আমাৰ ফ্ৰেণ্ডশ্বিপ শেষ কৰি দিলি আৰু।
সি কি বুজিলে নাজানো,মনে মনে থাকিল।
:মোৰ অলপ খেলিমেলি লাগি আছে।ঘূৰি গৈ অলপ চিৰিয়াছলি কাম কৰিব লাগিব।
:আৰু M.S ৰ কাৰণে পঢ়া কথা যে আছিল,সেইয়া ধোঁৱা চাঙত?
:নিজে বিয়া পাতিবি আৰু মই পঢ়িব লাগে?
:লাগে।মোৰ লগত সৱ কথা মিলাই নাথাকিবি।
:বিয়াৰ পাছত যদি অনিৰুদ্ধই তোক মোৰ লগত কথা পাতিবলৈ নিদিয়ে।
:মইতো পাতিমেই,কিন্তু তই যে গাৰ্লফ্ৰেণ্ড পালেই মোক পাহৰি যাৱ।
অভিমানবোৰ লাহে লাহে গলিছে,আয়ুয়ে আগৰ দৰে কথা পাতিছে।ধুনীয়া এয়াৰ হোষ্টেজ গৰাকীক বাৰে বাৰে পানী খুজি চিনাকি হৈ এতিয়া সেইটো গৈ বাথৰুমৰ ওচৰত ৰৈ কথা পাতি আছে।থুপুৰ ছিটতে টোপনি গৈছে,বাহিৰত লাহে লাহে আন্ধাৰ নামিছে।
বেংগালুৰুত নামিবলৈ আৰু বেছি সময় নাই।এয়াৰপোৰ্টত ৰৈ থাকিব অনিৰুদ্ধ।

ককা নথকা ঘৰটোত সোমাবলৈ চোন ভালেই নালাগিব।

নীৰৱ নিতাল মোৰ বুকুৰ হেঁপাহবোৰে এতিয়া আপোন সুৰত গান গায়..
সাঁচি থোৱা আকুলতাই আৱেগৰ বৰষুণত তিতি বুৰি ভালপোৱাৰ বাঁহী বায়
আৰু মই..?
অতীত সামৰি নতুন দিনৰ নতুন ঠিকনা লিখি বাৰে বাৰে আকৌ মোহাৰি পেলাওঁ..
কিজানিবা ভাল দিনবোৰ আকৌ হেৰাই যায়...!

ককা নথকা দিনবোৰত অনিৰুদ্ধই আৱৰি ৰাখিছে আমাক।থুপুৰ সামান্য পানীলগা জ্বৰ এটা তো তেওঁ ৰৈ থাকেহি, কিজানিবা ডক্টৰৰ ওচৰলৈ লৈ যাব লগীয়া হয়।দেওবাৰৰ দিনটোত এবাৰ আহে।তৰাই অসুবিধা পায় বুলি বেছিকৈ নাহে।সকলোৰে বাবে ভৰা মানুহজনৰ কথা আজিকালি মই ভাবোঁ।তেওঁৰ বাবে কিবা এটা ৰান্ধি থওঁ, তেওঁৰ শোৱা খোৱাৰ খবৰ ৰাখিবৰ চেষ্টা কৰোঁ।ভাল লাগিছে এই নতুন জীৱন।
আয়ুৰ আহ-যাহ আগৰ দৰেই আছে।সলনি কৰা নাই মই,নাইবা সি নিজেই।থুপুৰ 'পেটু মামা' আৰু 'অনিমুন'ই তাক সমানেই ভাল পায়।আৰু এই মৰম একেবাৰেই নিষ্পাপ,নিঃস্বাৰ্থ।সি ও যে দুয়োকে একেদৰেই মৰম কৰে,ভাল পায়।

অদৃশ্য বান্ধোনবোৰ এইবাবেই ধুনীয়া।তেজৰ সম্পৰকৰ দোহাই দি দি মানুহক জুৰুলা কৰিব নোৱাৰে কোনেও ।

:ত আ বউত বমমাছ আথে।
ৰাতিপুৱাৰ পৰা থুপু আৰু তৰাৰ যুদ্ধ চলি আছে।তাইক শান্তিৰে ৰুটি কেইখন বনাবলৈ দিয়া নাই সি।আটাৰ লাডু বোৰ আনি আনি মাছ বনাইছে,চৰাই বনাইছে, এটাত আকৌ চকু এটা দি অনিমুনকো বনাইছে।মোক বনাবাকৈ কওঁতে কৈছে
:নাই না।
:কিয়?মোক কিয় নবনোৱা থুপু।
:থুলি দে ইমান আথে।
চুলি দিবলৈ দিগদাৰ কাৰণে মোক বনাবলৈ অসুবিধা।মই অফিচৰ কাৰণে ৰেডি হ'বলৈ আঁতৰি আহোঁতেই যুদ্ধ এখন লাগিলে।এতিয়া মোৰ পিছফালে ৰৈ মুখ খন ফুলাই ৰৈ আছে।গালত,মুখত,চুলিত,পিন্ধি থকা ৰঙা গেঞ্জিটোত গোটেই আটা লাগি আছে।মুখৰ ভিতৰতো আটা অকণ চুবাই আছে যেন লাগিছে।ফুলিয়েই থাকে যে,ধৰিবই নোৱাৰি।
মই যোৱাৰ আগতে অকণমান কোঁচত উঠিবলৈ এনেও সি এইবোৰ কৰে,তাতে তৰাই এছাট লগালেও।
:তৰা বদমাছ হৈছে নে জান।
:থুমি বেলেগ তৰা এডনী অন নাইন ত দি দিবা।
(তুমি বেলেগ এজনী তৰা অনলাইন অৰ্ডাৰ দি দিবা)
:অনলাইন অৰ্ডাৰ দি দিম ন,এজনী হ'লেই হ'বনে?
:মা এডনী ও দিবা।
তাৰ শেষৰটো কথা শুনি চুলি ফণীয়াই থকা মোৰ হাতখন ৰৈ গ'ল।তাক সুধোতে সি ফুটা নুফুটা মাতেৰে ক'লে,মই অফিচলৈ যোৱাৰ পিছত তাৰ লগত থাকিবলৈ তাক বেলেগ মা এজনীও লাগে।অনলাইনত মোৰ নিচিনা মা এজনী আনি দিব লাগে।তাৰ মনৰ ভিতৰত মোক লৈ থকা অভিমানখিনি যেন মই আজিহে বুজি পাইছোঁ।গোটেই দিনটো মোক লগ নাপায়, অফিচৰ পৰা আহিও প্ৰায়েই মই আকৌ লেপটপটো খুলি বহি যাওঁ।সি সৰু হৈ থাকিলেও নিজৰ পাবলগীয়া মৰম খিনি যে সি পোৱা সেইয়া বুজি পায়।
:I am sorry.
আঁঠু কাঢ়ি তাৰ ফালে চাই হাত দুখন মেলি দিলোঁ।সি আহি দুহাতেৰে মোৰ ডিঙিত মেৰিয়াই ধৰিলেহি।হাতত লৈ থকা আটাৰ লাডু বোৰ চুলিত লাগিছে,লাগক।এইকণ যে আমাৰ সময়।
তাক লৈ লৈ থিয়ৈ থিয়ৈ তৰাই বাঢ়ি দিয়া ভাতকেইটা খাই ওলাই আহিলোঁ।থুপুৱে আজি বেছিকৈ কান্দিছে,সোনকালে ঘূৰি আহিব লাগিব।

অফিচলৈ সোমাই দেখোঁ আন দিনাতকৈ বেছি গহীন হৈ আছে পৰিৱেশটো।অমৃত,টানিয়া আৰু নতুনকৈ জইন কৰা ল'ৰাজন সুৰেশৰ ডেস্কৰ ওচৰত ৰৈ কিবা আলোচনা কৰি আছে।মই সোমাই যোৱাৰ লগে লগে মোৰ ফালে চালে।অলপ পাছত অমৃত আহি মিটিং ৰুম এটালৈ মাতি লৈ গ'ল।তাত আগৰ পৰাই আমাৰ টেষ্টিং

টিমৰ গোটেইখিনি মানুহ আছিল।তাৰে মাজত দেখোঁ হিবাৰ চকুকেইটা অলপ চলচলীয়া।গালি খাইছে যেন লাগিছে।

:We got a major issue in UAT(User Acceptance Test) phase. Ananya,it's in the module you and Subhashini have worked on, and Hiba was the tester. Could you guys please explain how did you guys miss this thing in development and testing phase?

সুৰেশৰ প্ৰশ্ন কৰাৰ সুৰটো আন দিনাতকৈ কঠোৰ।মই এতিয়ালৈকে মেইল খুলি চোৱাই নাই।কি issue এতিয়াও নাজানো।কালি কেৱল ইণ্ডিয়ান টিমটোৰ কাৰণে হে বন্ধ আছিল।US ৰ টিমটোৱে কাম কৰিছিল।আৰু তাতেই কিবা প্ৰব্লেম ওলাল।যিমান পাৰোঁ নম্ৰ সুৰত সুৰেশক ক'লো
:I will look into it Suresh, I take the sole responsibility.
:Yes pelase fix it today itself and deploy it in UAT as well. Hiba, keep the data ready for testing.
কৈয়ে সুৰেশ ওলাই গ'ল।হিবাক তাইৰ টিমৰ মেনেজাৰে মোৰ লগত কাম কৰিবলৈ ক'লে।ইমান দেৰি মনে মনে থকা অমৃতে হঠাৎ অলপ ডাঙৰ মাতত কৈ উঠিল
:These people are spoiling everything. One went on ML, other having marriage plan. Tester is also in newly married phase or whatever you call. Cool, now we all need to suffer.

আগতেও বহুত কিবাকিবি ইচ্ছু আহিছে।কিন্তু অনিৰুদ্ধই কেতিয়াও কাকো পাৰ্চনেলী একো কোৱা নাই।আৰু মেটাৰ্নিটি লিভত যোৱাটো এগৰাকী মহিলা কৰ্মচাৰীৰ অধিকাৰ।তাৰ কাৰণে সম্পূৰ্ণ দৰমহা দি অফিচৰ পৰা ছমাহ সময় ছুটি দিয়া হয়।তাৰ পাছতো কিন্তু মানুহে ইয়াত কথা শুনাই থাকে।আৰু কোনো পুৰুষ কৰ্মচাৰীৰ যদি বিয়া হয়,তেন্তে কাৰো একো প্ৰব্লেম নাথাকে।টিফিন বনাবলৈ মানুহ পালে বুলি ফুৰ্টি হে কৰে।কিন্তু এগৰাকী মহিলা লাগে যিমানেই কৰ্মঠ নহওঁক, যিমানেই টেলেন্টেড নহওঁক,বিয়া হোৱাৰ লগে লগে যেন কেৰিয়াৰ শেষ।ধৰিয়েই লয় সৱেই,এতিয়া কেৱল সংসাৰৰ দায়িত্ব হে ল'ব পাৰিব।ইমান বেছি দুমুখীয়া চৰিত্ৰ মোৰ সহ্য নহয়।এফালে artificial intelligence ত কাম কৰি নিজকে সাংঘাটিক up-to-date বুলি ভাৱি লয়,কিন্তু মনবোৰ এতিয়াও মোগলৰ দিনতে ৰৈ আছে।
অমৃত আৰু টানিয়াই আকৌ সুভাষিণীক উদ্দেশ্যে কৰি কিবা এটা ইতিকিং সূচক মন্তব্য কৰিলে।

:Amrit, you cannot say like this, Subhashini worked so hard even when she was not keeping well.
টেষ্টিং টিমৰ মানুহখিনি ওলাই গ'ল।মিটিং ৰূমত তেতিয়া কেৱল মই টানিয়া আৰু অমৃত।হিবাকোমই ৰখাই থ'লো।

:তুমকৌ ক্যা প্ৰব্লেম হে অনন্যা?শ্যাদী কৰকে বচ্চা হি চম্ভালনা হে ত' সুভাষিণী কৌ ইতনা জ্যাদা ৰেচপঞ্চিবিলটি লেনা হি নেহী ছাহিয়ে থা না।

:তুমনে না ত' শাদী কি হে, না হি তুমহাৰা ক'ই বচ্ছা হে, পৰ তুম নে আজ তক ক্যা ওখাৰা হে? Could you please explain?

হিবাই হাতত ধৰি টানি উলিয়াই আনিলে মোক।মোৰ ভীষণ খং উঠে এনেকুৱা hypocracy দেখিলে।অনবৰতে নিজকে empowerd woman বুলি জাহিৰ কৰি ফুৰিব কিন্তু কেতিয়াও নিজৰ বাহিৰে আনৰ ঠাইত ৰাখি একো কথা নাভাৱে।আনহে নালাগে কেতিয়াবা পিৰিয়দৰ পেইন সহিব নোৱাৰি কোনোবা ছোৱালী সোনকালে ঘৰলৈ যাব খুজিলে এওঁলোকৰ হে বেছি গছিপ ওলায়।

নিজৰ ঠাইত বহিও বকিয়ে থাকিলোঁ।এবাৰ উঠিলে খংটো কেতিয়াও নকমে।তাতে মেইল কেইটা খুলি খংটো দুগুণ বাঢ়িছে।

:মেহেন্দি লগায়া তুমনে?
হিবাই মোৰ হাতৰ মেহেন্দি খিনি চাই সুধিলে।অনিৰুদ্ধ আৰু মোৰ মাজত হোৱা কথাবোৰ কোনেও নাজানে।মইতো এনেও কৈ নুফুৰোঁ,অনিৰুদ্ধকো মানা কৰি থোৱা আছে যাতে কোনো ছোচিয়েল মিডিয়াত এইবোৰ ফটো পোষ্ট নকৰে।মই ভাল নাপাওঁ।মোৰ জীৱনৰ বিশেষ মুহূৰ্তবোৰ মই একান্তই ব্যক্তিগত কৰি ৰাখিব বিচাৰোঁ।কিন্তু হিবাক ক'ব লাগিব।তাইক আজি অফিচৰ পৰা মোৰ লগতে ঘূৰি গৈ আমাৰ ঘৰত থকাৰ প্ৰস্তাৱ দিলোঁ।মান্তি ও হ'ল।

কাম শেষ কৰোঁতে কৰোঁতে ন বাজি গ'ল।তৰাই বাৰে বাৰে ফোন কৰিছে।থুপুৰ কান্দোন আৰম্ভ হ'ল।আজি সোনকালে ঘূৰি যাম বুলি তাক কথা দি আহিছিলোঁ।নিজকে অপৰাধী যেন লাগিল।অনিৰুদ্ধই শেষত গালি পাৰিলে।কাম ঘৰৰ পৰাও হ'ব পাৰিব বুলি।কিন্তু অমৃতে এৰি দিয়া নাই আমাক।দুয়োজন বন্ধু,দুয়ো এটা এটা টিমৰ লিড।কিন্তু সম্পূৰ্ণ বিপৰীত চৰিত্ৰৰ।

কেবত উঠি দুইজনী ঘৰ পালোহি।অফিচত হোৱা কথাবোৰে মোক ভিতৰি অশান্তি দি আছে।এনেকুৱা বহুতৰ লগতেই হয়।কিন্তু মোৰ আত্ম সন্মান জোখতকৈ বেছি।অমৃতৰ সৈতে বেছিদিন কাম কৰা মোৰ বাবে সম্ভৱ নহ'ব যেন লাগিছে।

থুপুৰে হিবাক আগতেও লগ পাইছে যদিও প্ৰতি বাৰেই লাজ কৰে।এতিয়া মোৰ কোঁচত সোমাই তাইক চাই হে আছে,একো কোৱা নাই।
:ইধৰ আয়ু না লাড্ডু।মেৰা গ'লো ম'লো।
হিবাই তেনেকৈ কয় কাৰণে তাৰ আৰু বেছি লাজ লাগে।মোক কাণে কাণে কৈছে "মো নামটো তুপু বুলি বা

দনীক কৈ দিয়া”।তাক লাড্ডু বুলি ক’লেও লাজ।তৰাই বনাই থোৱা কণীৰ দম আৰু ভাত খাই তৰা আৰু থুপুক ককাৰ বিছনাত শুৱলৈ দি মই আৰু হিবা বাৰাণ্ডাত বহিলো।বোৰ্খা খুলি তাইয়ো এতিয়া মোৰ নাইট চুইট এযোৰ পিন্ধিছে।দুয়োজনীৰ বাবে যেন আমাৰ আগৰ সময়বোৰ হে ঘূৰি আহিছে।

হিবাই কৈ গৈছে তাইৰ কথাবোৰ।হঠাৎ সলনি হোৱা জীৱনটোত তাই এতিয়াও খাপ খাব পৰা নাই।বাৰে বাৰে উজুটি খাইছে।
:তুমহাৰা পতি অচ্ছে হে না?
:ৱ’ ত’ ফৰিষ্টা হে’।
হাঁহি দিলোঁ।
:ইছিলিয়ে তুমছে forcefully শ্যাদী কিয়া না।
হিবা যেন অকণমান আহত হ’ল।পিছত ভাবিলোঁ, মই তেনেকৈ ক’ব নালাগিছিল।

কথাবোৰ আমি ভবাৰ দৰে নহয়।আমাতকৈ বহুত বেছি ৰক্ষণশীল সিহঁতৰ সমাজখন।একমাত্ৰ হিবাৰ দেউতাক হে অলপ উদাৰ মনৰ আছিল।তেওঁ ছোৱালীকো ল’ৰাৰ দৰেই পঢ়াই চাকৰি কৰিবলৈ দিছিল।কিন্তু সিহঁতৰ পৰিয়ালৰ বা ওচৰ চুবুৰীয়া মানুহ তেনেকুৱা নহয়।আনকি হিবাৰ স্বামীয়েও নিজৰ দেউতাকৰ সিদ্ধান্তৰ বিপৰীতে যাব নোৱাৰিলে।তাতে তেওঁৰ নিজা কোনো উপাৰ্জন নাই।বাপেকৰ ডাঙৰ কাপোৰৰ দোকান এখন চলায়। হায়াৰ চেকেণ্ডাৰী পাছ কৰি আৰু পঢ়া শুনাও নকৰিলে।গতিকে দেউতাকৰ মতেই সকলো কৰিবলৈ বাধ্য।হিবাৰ সৈতে বিয়াও পাতিছে দেউতাকৰ কথামতেই

:He didnt even touch me you know?

হিবাই আঁতৰাই ৰাখিছে নিজৰ স্বামীক।দুয়োৰে মাজত প্ৰেম নাই,যৌনতা জোৰ কৰি জাপি দিয়া হৈছিল যদিও সিহঁতে মানি লোৱা নাই।মানুহজনে তাইক জোৰ কৰা নাই।শুনি ভাল লাগিল।কিন্তু মনে নিবিচৰা মানুহ এজনৰ লগত বিয়া হৈ কেনেকৈ থাকিব তাই।গোটেই জীৱন পাৰ কৰা সম্ভৱ হ’বনে।
তাইক সুধোতে তাই ক’লে
:দোষ্টি ত’ হ’ গয়ী হে’,ধীৰে ধীৰে প্যাৰ ভি হ’ জায়েগা।

আশাত বন্দী জীৱন।
কাইলৈটো আজিতকৈ ধুনীয়া হোৱাত আশা।
চকুপানীবোৰ হাঁহি হোৱাৰ আশা।
জীৱনটো আমি ভবাৰ দৰেই সজাই তোলাৰ আশা।

লাইটটো নুমোৱাই থোৱাৰ বাবে হিবাই কান্দিছে যদিও মই দেখা নাই।চিগাৰেট এটা উলিয়াই পাফ কেইটামান টানি লৈছোঁ।

মোক আচৰিত কৰি হিবাই হাত খন আগবঢ়াই দিলে
:WTF! No Hiba, you never did all these right?
:প্লিজ, এক বাৰ।
দিওঁ নিদিওঁ কৈ আগবঢ়াই দিয়া চিগাৰেট টো তাই হাতত লৈ ৰৈ আছে।
কঁপি আছে কোমল বগা হাতখন।
নোৱাৰিলে তাই।আল্লাহৰ ওচৰত গুনাহ কৰিব নোৱাৰে তাই।লাগিলে হাজাৰ দুখ চিন্তাই হেঁচি ৰাখক,তাইৰ ধৰ্ম তাইৰ বাবে সদায় ওপৰত।

:মোৰ কেতিয়াবা তোৰ দৰে হ'বলৈ মন যায় অনন্যা।মুক্ত।যি মন যায় তাকেই কৰিব পৰাকৈ সাহসী।কোনো বান্ধোনে বান্ধি ৰাখিব নোৱাৰাকৈ 'আজাদ'।খং উঠিলে মাৰি দিব পৰাকৈ পাগল,বেপৰুৱা।আজি আব্বু আঁতৰি নগৈ আমাৰ সৈতেই থকা হ'লে মোৰ লগত কেতিয়াও এনেকুৱা নহয়।মামাই মোৰ লগত 'দগা' কৰিছে।মোৰ কিমান মন আছিলে,নিজে এটা ঘৰ বনাম,মাক উপহাৰ দিম,ভাইটিক পঢ়াম আৰু সব দায়িত্ব শেষ হ'লে মোৰ পছন্দৰ মানুহৰ লগত নিকাহ কৰিম।কিন্তু মামাই কি কৰি দিলে চা।মা আৰু ভাইটিক আঁতৰাই পুৰণা ঘৰটো লৈ ল'লে।কোনো আপোন নহয় এই দুনীয়াত।সব বেইমান,'খোদগৰজ'।
তই সদায় এনেকৈ অকলে থাকিবি অনন্যা।একদম বিন্দাচ।

হিবাই নিজৰ ভাষাত কোৱা কথাবোৰৰ এটা এটা শব্দই।চুই গৈছে মোক।

একেটা নামৰে এটি বান্ধোন,ভাল লগা এটা নাম 'দেউতা'।নাইবা আব্বু।
আচলতে সকলো মানুহৰ বাবে এই নামটো, এই সম্বন্ধটো নহয়।সৱেই ইয়াৰ সন্মান নাজানে।
:Hiba, our relationship is officilal now.
কথাবোৰ তাইক ক'লো ।মোক শুভকামনাৰে উপচাই পেলালে তাই।অনিৰুদ্ধৰ প্ৰতি তাইৰ মনতো সন্মান আছে, বিশ্বাস আছে।কিন্তু মই এটি বান্ধোনত বান্ধ খোৱা কথাটো তাইৰ বাবেও যেন সহজ নহয়।

:তুম নিভা সক'গী?
:ক'ছিচ ত' কৰ চকতি হু না।
:মোবাৰক হ'।

কথাৰ মাজতে ফোনটো বাজিল।অনিৰুদ্ধই ফোন কৰিছে।বাৰ বাজিবৰ হ'ল।
:শোৱা নাই?
:ওহোঁ।তুমি কিয় নাই শোৱা?
:হিবাৰ লগত কথা পাতি আছোঁ।
:এইটো দেওবাৰে প্লিজ আমি destination ফাইনেল কৰিম।পাপা মা আহি আছে ইয়ালৈ।তুমি বেলেগ একো প্লেন নকৰিবা।দুয়োটা দিন আমাৰ কিন্তু।তুমি অলপো চিৰিয়াছ নহয়।

:অনিৰুদ্ধ, আমি ইয়াৰে মন্দিৰত নিয়মটো কৰিলেই নহয় জানো?
:So you are still not sure about the marriage?
:মই তেনেকৈ তো কোৱা নাই।কিন্তু destination wedding কিয়?
:পাইজামা পিন্ধি মন্দিৰত সেৱা কৰি আয়ুক মাতি মাংস ভাত খোৱাই থৈ দিবলৈ মন ন তোমাৰ।
:উফ, সেইটোনো কেতিয়া কৈছোঁ।
:মোৰ কইনা ৰঙা লেহেংগা পিন্ধি পুৰা 'চজ ধ্বজ কে' আহিব লাগিব।I will do everything for it.
:কিনো একেটা কথাকে সদায় সদায় কৈ থাকে।
ফোনটো কাটি দিলোঁ।আমাৰ এইখন কাজিয়া ঘৰৰ পৰা অহাৰ পৰাই চলি আছে।অনিৰুদ্ধই পাৰিলে আজিয়েই বিয়া পাতিব।কাৰণ মোৰ ফেমিলি ড্ৰামা বুলে একতা কাপুৰৰ চিৰিয়লৰ নিচিনা।গতিকে কি হৈ যায় ঠিক নাই।
আজি মোৰ হিবাৰ সন্মুখত একেখন কাজিয়া কৰিবলৈ মন নগ'ল।

হিবা আৰু মই তলতে শোৱাৰ ব্যৱস্থা কৰিছোঁ।শোৱাৰ আগতে এবাৰ থুপুক চাবলৈ গ'লো।এতিয়াও শোৱা নাই এইটো।মই যোৱাৰ লগে লগে জোৰ কৰি চকু কেইটা টিপি আছে
:ঐ ল'ৰা,শোৱা নাই কেলেই?
:ফিডত দে আথে,এঠিকুট দিবা?
(ফ্ৰীজত যে আছে,এচিকুট দিবা)
তাৰ আইচক্ৰীম খোৱাৰ ধান্দা।তৰাই আনি দিয়া নাই কাৰণে সি শুৱাই নাই।মই অহাঁলৈ বৈ আছে।
:পিটন লাগে,একদম নিদিওঁ এতিয়া।
থুপু তৰাৰ গাৰ ওপৰেৰে পাৰ হৈ আহি ডিঙিত ওলমি দিলেহি।আৰু একে সময়তে অনিৰুদ্ধৰো ভিডিঅ' কল এই ৰাতি চাৰে বাৰ বজাত।
:দুইটা মিলি পাগল কৰি পেলাইছ মোক।
ভোৰভোৰাই ফোনটো উঠালোঁ।মই একো ক'বলৈ নাপালোৱেই
:অনিমুন,মায়ে মোক ধুম কই থে।
:ঢকা লাগে ল'ৰা,মিছা কথা ক'বলৈ কোনে শিকাইছে?
:তাক লৈ নামি আহা।
:মোক পগলা কুকুৰে কামুৰিছে?
:মই ওপৰলৈ গুচি আহিম নহ'লে কৈ দিছোঁ।
:চিকিউৰিটি এনেই আছে?
:পাঁচশ টকা দি দিলেই মানি যাব।
:হিবা আছে ঘৰত।
:থাকক।
যেনেকৈ আছিলোঁ তেনেকৈ নামি আহিলোঁ,হিবাক কৈ থৈ আহিছোঁ।লগতে দাঁত উলিয়াই হাঁহি হাঁহি থুপুও আহিছে।

:কিহে পাইছে এই ৰাতিখন?মোক ইয়াৰপৰা উলিয়াই দিব আৰু।
:সেইকাৰণে তো কৈ আছোঁ, মোৰ লগত থাকা, এইবোৰ প্ৰব্লেম নহয় ন তেতিয়া।
:থুমি কেলে আতি আহিথা?ভূত আইব।
(তুমি কেলেই ৰাতি আহিছা?ভূত আহিব)
তাৰ বাপেকটো নিজেই এটা ভূত।সি বেটাই গমেই পোৱা নাই।
:ইমান ওচৰত থাকিও এনেকৈ কিয় থাকিব লাগে কোৱা?Do you have any valid reason?I don’t have Ananya!We love each other, our families have approved our relationship, we both are old enough to take decisions ,then why all these drama?
:কি কৰিব লাগে মই?
:তুমি আৰু থুপু মোৰ লগত থাকা, সদায়।
:ককাই যেতিয়াই ক’ব তেতিয়াই হ’ব।তাৰ আগতে মই একো কৰিব নোখোজোঁ।
:okay!তেতিয়ালৈকে মোৰ যেতিয়াই মন যাব মই এনেকৈ আহি থাকিম।আৰু তুমি মানা কৰিব নোৱাৰিবা।Mind it.
অনিৰুদ্ধৰ মাতটো ডাঙৰ।
:মাক কেনে গালি দিথা?
হাতৰ আঙুলি দেখুৱাই থুপুৱে দম দিছে অনিৰুদ্ধক।
দুয়োটাৰে হাঁহি উঠি গ’ল।অনিৰুদ্ধই মোৰ কোলাৰ পৰা নিজৰ কোলালৈ নি গালত চুমা খাই sorry ক’লত হে শান্তি প্ৰতিষ্ঠা হ’ল।
নিজৰ জেদ পুৰা কৰি অনিৰুদ্ধ গুচি গ’ল।মোক আৰু থুপুক একেলগে চোৱাৰ জেদ,মোৰ খং উঠাই ৰং চোৱাৰ জেদ,গুড নাইট কিছ দি মোক ৰঙা পেলাই থৈ যোৱাৰ জেদ।

অনিৰুদ্ধক বিদায় দি ৰুমত সোমালোঁ।থুপুৰো জেদ আজি বেছি হৈছে।এতিয়া কান্দিবলৈ ধৰিছে।তৰা আৰু হিবা টোপনি গৈছে।মই তাক এতিয়াও কোলাত লৈ বাৰাণ্ডাত বহি আছো।আইচক্ৰীম ও নাখায় এতিয়া।মাত্ৰ কোঁচত লৈ থাকিব লাগে।

ঠিক দুই বাজি দহ মিনিট, ফোনটো সশব্দে বাজি উঠিছে
:হেল্ল’
:মাজু,ককাই কেনেকুৰা খন কৰিছে, উশাহ পোৱা নাই বুলে, কি কৰোঁ মই..
কোঁচত তেতিয়াও উচুপি উচুপি কান্দি আছে থুপুৱে, ফোনৰ ইফালে মা।

মই সন্মুখত ধোঁৱাৰ বাহিৰে একো দেখা নাই।

:মাজু,মাজু.....

সৰ শেষ হ’বলৈ ধৰিছে যেন..মূৰটো ঘূৰাইছে মোৰ।

“মই যেতিয়াই অকণমান হাঁহিলো
সময়ে ওঁঠত বিষ ঢালি দিলে..
যেতিয়া অকণমান মুকলি উশাহ ল’লো
বিধাতাই বুকুত শিল পুতি থ’লে..
মই যিমানেই জীৱনৰ ওচৰ চাপিলোঁ
জীৱনে আঁতৰি যোৱাৰ সুৰুঙা বিচাৰিলে”

সময়!
বিধাতা!
নে কৰ্মা।

:মাজু,ককাই তোক চাওঁ চাওঁ কৰিছে,গুচি আহ সোনকালে।আমি হস্পিতাল যাবলৈ ওলাইছোঁ।
মায়ে কথাটো কৈ ফোনটো কাটি দিলে।
সকলো যেন নিস্তব্ধ।
ঘন এন্ধাৰৰ নীৰৰতা ফালি মাজে মাজে কেৱল থুপুৰ উচুপনিৰ শব্দ।
কি কৰোঁ মই এতিয়া?
ভৰি হাত বোৰ যেন নাইকিয়া হৈ গৈছে, ডিঙিটো শুকাই গৈছে।
ককাই পাতি থৈ যোৱা থাপনা খনত এই পুৱতি নিশা মই চাকি জ্বলাই বহি আছো।
একো বিচৰা নাই,একো প্ৰাৰ্থনা নাই।
উপায়হীন মানুহৰ ওচৰত যে অনুৰোধ কৰাৰ শক্তি কণো নাথাকে।
কোলাত তেতিয়াও উচুপি আছে থুপুৱে, মোৰ কিন্তু চকুপানী ওলোৱা নাই।
নাকৰ এটা ফুটায়েদি বৈ আহিছে তেজৰ সোঁত।
বুকুৰ বাওঁফালে তীব্ৰ বিষ।
সন্মুখত থকা জনে সকলো বুজিছে।
“মাধৱ”।

মাত্ৰ ৰাতিপুৱালৈ বাট চাইছোঁ, উচুপি উচুপি কোলাতে শুই থাকিল থুপু।তাক তেনেকৈ সাবটিয়ে পাৰ কৰিছোঁ এটা এটা মিনিট।ঘড়ীটোলৈ চাইছোঁ বাৰে বাৰে,সময়বোৰ যেন বেছি লেহেমীয়া গতিত আগবাঢ়িছে আজি।হিবা

আৰু তৰা টোপনিত।কাক কি কওঁ মই এতিয়া।ইমান ৰাতি অনিৰুদ্ধক ফোন কৰিবলৈ লৈও ৰৈ গৈছোঁ। মা আৰু যোগেশ দা ককাক লৈ ডিব্রুগড় পাইছেগৈ,ৰাস্তাত দুবাৰ বমি কৰিছে ককাই।উশাহ ৰৈ ৰৈ গৈছে।যিমানেই সময় পাৰ হৈছে,মোৰ চিন্তা সিমানেই বাঢ়িছে।
ফোনটো আকৌ বাজিল।চাৰি বাজিবলৈ পোন্ধৰ মিনিট বাকী।
:I am sorry Ananya, but are you alright?
মোৰ বুকুৰ ধুমুহাজাকৰ উমান তেওঁ আঁতৰত থাকিও পালে।বুকুত থকা মানুহ অনিৰুদ্ধ,মোৰ কলিজাৰ কান্দোন তেওঁ নুশুনিলে কোনে শুনিব।
কথাবোৰ কওঁতে মই লাগি লাগি ধৰিছোঁ।
:ককাৰ কিবা হ'লে ময়ো মৰি থাকিম অনিৰুদ্ধ।
:Shhh, hey, don't say like that..
:কি কৰোঁ মই?
:গুচি যোৱা ঘৰলৈ।মই টিকেট চাইছোঁ।
:অফিচত কি ক'ম?
:তুমিতো লিভ তেনেকৈ লোৱাই নাই,আৰু এইটো emergency situation. সৰ ঠিক হৈ যাব।দুদিন ছুটী লোৱা।তোমাক ওচৰত পালে ককা ভাল হৈ যাব।
:মোৰ বহুত ভয় লাগিছে।
:কিয় ভয় কৰিছা?ভগৱান আছে নহয়।
কিয় নাজানো, প্ৰতিটো কথা গভীৰ আত্মবিশ্বাস আৰু প্ৰত্যয়ৰে কোৱা অনিৰুদ্ধৰ কথাত আজি যে মই পতিয়ন যাব পৰা নাই।বিশ্বাস কৰিব পৰা নাই মই।

শংকা আৰু অনিশ্চয়তাৰ মাজত পাৰ হ'ল ৰাতিটো।সাত বজাতেই ফোন কৰিলোঁ সুৰেশক।ছুটীৰ কাৰণে।তেওঁ কথাটো অমৃতলৈ ঠেলি দিলে।আৰু মই ভৱাৰ দৰেই অমৃত জকজকাই উঠিল।কালি ইমান ডাঙৰ এটা ইচ্ছু অহাৰ পাছত আজি মই কেতিয়াও ছুটী ল'ব নোৱাৰো, কাম কৰিবই লাগিব।অমৃতৰ ভাষাত মই মোৰ ভুল আনৰ ওপৰত জাপি পলাব খুজিছোঁ।ভুল অমৃতৰ নহয়।কাৰণ ফাঁকি দিয়া মানুহ বহুত আছে।ঘৰৰ মানুহ মাৰিছে বুলিও মিছাকৈ কৈ ফুৰিবলৈ যায় মানুহ।
কিন্তু মই মিছা কোৱা নাই, মোৰ অৱস্থাটো মই কেনেকৈ বুজাম এতিয়া।
ছুটি নাই,ডিব্রুগড়লৈকে তিনিটা টিকটো একেলগে নাই পোৱা।
কাইলৈৰ বাবে হে যেনেতেনে তিনিটা টিকট একেলগে পাইছোঁ।

ফোনতেই খবৰ লৈ আছোঁ।ককাক আই চি ইউত ৰখা হৈছে,অক্সিজেন দি থকা হৈছে।মা আৰু যোগেশ দা বাহিৰতে বহি আছে।প্ৰতি মিনিটৰ খবৰ মই লৈ আছোঁ।
:দেউতাক খবৰ দিলা?
:দিলোঁ,আহি আছে।
:মই আজি টিকট নাপালোঁ।কাইলৈৰ কাৰণে হে আছে।তাকো তিনিখন কনেকটিং ফ্লাইট।

:থুপুৰ বৰ কষ্ট হ'ব।তাক বৰ ঘূৰাই ফুৰাব লগীয়া হৈছে।এইবাৰ থৈ যাবি তাক।
:চাওঁ চোন।

হিবাক কথাবোৰ ক'লো।তৰাই কন্দা কটা লগাইছে ।থুপু এতিয়াও শুইয়ে আছে।দুয়োজনী মোৰ ঘৰৰ পৰাই অফিচলৈ আহিলোঁ।গতানুগতিক ভাৱেই কামবোৰ কৰি গৈছোঁ ।মই এনে এখন পৃথিৱীত কাম কৰি আছো য'ত ইম'চনেল হোৱা মানেই unprofessional টেগ লগাই লোৱা।কাৰণ অসমত মোৰ ককাৰ বেমাৰৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কোনোবা ক্লায়েন্টৰ অসুবিধা হ'ব নালাগিব।তেওঁতো নাজানে মোৰ লগত কি ঘটিছে।কথাবোৰ প্ৰেক্টিকেলি লোৱা সকলে সফল হ'ব পাৰে,মোৰ দৰে অস্থিৰ মানুহৰ প্ৰব্লেম বেছি হয়।অমৃতক আকৌ এবাৰ ক'লো ,তেওঁৰ উত্তৰ এটাই কেৱল কাইলৈৰ দিনটো ছুটি লৈ মই যাব পাৰিম।তাৰ পাছত ঘৰৰ পৰা হ'লেও কাম কৰিবই লাগিব।মানি ল'লো।আৰু মনে মনে সিদ্ধান্ত ল'লো,ইয়াত আৰু মই বেছিদিন নাথাকোঁ।মই নিমখ ভাত খাব পাৰিম কিন্তু নিজৰ ইচ্ছাৰ বিপৰীতে কাম কৰিব নোৱাৰিম।আৰু মোৰ unprofessionalism ৰ কাৰণে মোৰ গোটেই টিমটোৰ সদায় বিপদ হোৱাটোও মই নিবিচাৰোঁ।

কাইলৈৰ দিনটো কাম নকৰোঁ বাবে অমৃতৰ নিৰ্দেশ অনুসৰি মোৰ নামত থকা UserStory টোৰ বাকী থকা কামখিনি আগবঢ়াই থ'বলৈ চেষ্টা কৰিলোঁ।মাজে মাজে ফোন বাজিয়েই আছে ।বাৰে বাৰে কাটি আছোঁ। আৰু যিমান বাৰেই মাৰ, তৰাৰ বা যোগেশ দাৰ ফোন কাটিছোঁ,সিমান বাৰেই মনটোক আৰু দৃঢ় কৰিছোঁ,resignation সোনকালেই দিব লাগিব।

চাৰে দহ বজালৈকে মোক বহাই থৈছে অমৃতে,নিজেও কাম কৰি আছে।আমাৰ টিমৰ সকলো মানুহ ঘৰলৈ গ'ল।কাম শেষ কৰি অমৃতৰ ওচৰত code review কৰাই ওলাই আহিলো।লিফ্ট লবীত ৰৈ আছে অনিৰুদ্ধ।একো কোৱা নাই।গাড়ীত বহালৈকে আমাৰ মাজত কোনো ধৰণৰ কথা নাই।
:অমৃতে বহুৱাই থৈছিল?
:Hmm.
:গা বেয়া লাগিছে?
:নাই।
:খাই লোৱা।
Subway Wrap টো মোৰ ফালে আগবঢ়াই দিলে তেওঁ।পেটৰ ভোক পাহৰিয়েই আছিলোঁ।
:টিকট কেইটাৰ প্ৰিন্ট আউট উলিয়ালা?
:উম।
:কিবা ক'বা?
:I will resign and opt for buy out.
অনিৰুদ্ধ মনে মনে ৰ'ল।এই সময়ত মোৰ মগজে বেছি ভাবিব পৰা নাই বুলি তেওঁ জানে।
ঘৰৰ ওচৰত নামি বেগটো লৈ নামিবলৈ ল'লো।তেওঁ বাওঁ হাতখনত ধৰি ৰখাই থ'লে।
:Come here.

চপাই নি মূৰত হাত ফুৰাই কৈ উঠিল
:সব ঠিক হৈ যাব।মই আছোঁ।
সামৰি ৰখা চকুপানীবোৰ ওলাই অহাৰ আগতেই লৰালৰিকৈ নামি আহিলোঁ।কালিৰ পৰা এবাৰলৈও মই কন্দা নাই।এটোপাল চকুপানীও সৰা নাই।
অত্যাধিক সকলো বস্তুৰেই মোক শিল কৰি পেলায়,সেইয়া সুখেই হওক বা দুখেই হওক।

এয়াৰপোৰ্টৰ পৰা বাহিৰে বাহিৰে ককাৰ ওচৰ পালোগৈ।নিশা আঠ বাজিছে তেতিয়া।ভিজিটিং আৱাৰ পাৰ হৈ গ'ল বাবে মোক চাবলৈ দিয়া নহ'ল।ককা এতিয়াও ICU ত।
Anticoagulants দিয়া হৈছে।অক্সিজেন চাপোৰ্ট ও মাজে মাজে দিবলগীয়া হৈছে।প্ৰাইভেট নাৰ্ছিং হোম খনৰ ছিনিয়ৰ ডক্টৰজন ককাৰ পুৰণি চিনাকি।তেওঁ সকলো ধৰণৰ চেষ্টা কৰিছে ককাক সুস্থ কৰিবলৈ।

ICU ত থকা ৰোগী সকলৰ এটেণ্ডেণ্ট সকল বহি থকা ঠাইখিনিত শাৰী শাৰী কৈ চকী পাৰি থোৱা আছে।তাতে বহি আছে মা আৰু দেউতা।তেওঁলোকৰ মাজত চাৰিখন মান চকীৰ ব্যৱধান।মোক দেখি মা উঠি আহিল।দেউতা ফোনত ব্যস্ত।
:পালিহি, যোগেশ সময়ত পালেগৈ নে?
:উম।
:ঘৰলৈ যা, কাইলৈ আহি চাই যাবিহি ককাক।
:তুমি যোৱা।থুপুৰ গাড়ীতে টোপনি গ'ল।তৰাৰ লগত গাড়ীতে আছে।মই আজি ইয়াত থাকিম।
:মাজু,ইমান কষ্ট নকৰিবি।তোৰো গা বেয়া হ'ব।
:প্লিজ মা।তৰ্ক কৰাৰ একদম ইচ্ছা নাই।কালি তুমি থাকিলা ন?
:মই আৰু অধীৰ ইয়াতে বহি থাকিলো।যোগেশ গাড়ীত।কেবিন এটাও খালি নাই।

আচৰিত হোৱা নাই মই,মানুহ এজন যেতিয়া মৰিব বুলি আমি জানো,তেতিয়াহে আমাৰ অভিযোগ,অভিমান, খং, জেদ সকলো নাইকিয়া হয়।দেউতাই ইমানকণ মৰম,আদৰ,যত্ন যদি আগৰপৰাই দেখুৱালেহেঁতেন!

:তোমালোক যোৱা,থুপুক কিবা এটা জোৰ কৰি হ'লেও খুৱাই দিবা।
মোৰ লগত যে আৰু যুক্তি তৰ্ক কৰি লাভ নাই সেয়া মায়ে জানে।কেণ্টিন, ৱাছৰুম ক'ত কি আছে কৈ মা গুচি গ'ল।যাওঁতে কৈ থৈ গ'ল
:অধীৰৰ লগত তৰ্ক নকৰিবি,বৰ ডাঙৰ ঘটনা হৈছে।তোক পিছত ভালকৈ ক'ম।

মা গুচি যোৱাৰ পিছত মা বহা ঠাইখিনিতে গৈ বহিলো।
:পালিহি।

:হমম।
:মাৰে ভালকৈ চোৱা-চিতা কৰা হ'লে আজি এনেকুৱা নহয়।

টিঙিচকৈ উঠা খংটো দমাই ৰাখিছোঁ।
:আপুনি নিজে কি কৰিলে?ভাৰি চাইছে?
আনফালে মুখ ঘূৰালে দেউতাই।লাজ পাইছে,পোৱা উচিত।
আমাৰ ওচৰত বহি থকা মানুহজন আঁতৰি যোৱাৰ লগে লগেই দেউতা উঠি আহি মোৰ কাষৰ চকী খনত বহিল।
অনিৰুদ্ধৰ লগত কথা পাতো বুলি উলিয়াই লোৱা ফোনটো সামৰি থ'লো।
:ভুল দুয়োটাৰে আছে,কিন্তু তই মোকেই ভুল বুজি থাকিলি সদায়।
:এতিয়া আমি ককাৰ কথা ভাবিব লাগে নেকি!
:খবৰটো পায়ে লগে লগেই আহিছোঁ মই।তই কি বুজিবি মোৰ কি টেনশ্যন।
সুধাৰ ইচ্ছা নাছিল যদিও সুধিলোঁ।
:কিবা হ'ল নেকি?
দেউতাৰ অতি বিশ্বাসী সেই ধুনীয়া অনা-অসমীয়া মানুহজনী আৰু তাইৰ গিৰিয়েক মিলি দেউতাৰ লকাৰ ভাঙি যি য'ত পাৰে লৈ উধাও হৈছে।আজি এসপ্তাহৰ আগৰ কথা।দেউতাৰ খোৱাত কিবা নিচা যুক্ত বস্তু মিলাই দিছিল।দুপৰীয়ালৈকে শুইয়ে থাকিল দেউতা।আৰু সাৰ পায় উঠে মানে একোৱেই বাকী নাই।ইমানেই টেঙৰ মানুহ যে ট্ৰেক কৰিব পাৰে বুলি পুৰণি ফোন ঘৰতেই পেলাই থৈ গৈছে।এতিয়ালৈকে পুলিচে একো শুংসূত্ৰ বিচাৰি উলিয়াব পৰা নাই।কথাবোৰ কওঁতে দেউতাৰ মুখৰ ৰং বাৰে বাৰে সলনি হৈছে।
:পাপৰ ধন আছিল,গুচি গ'ল।দুখ নকৰিব।
:বৰ বিশ্বাস কৰিছিলোঁ মই,ইমান বদমাছ বুলি ভবা নাছিলো।
:তেনেকুৱা কিছুমান মানুহ পইচাৰ লোভত আপোনাৰ আগে পাছে সদায় ঘূৰি থাকে।আৰু আপুনি ভাৱে আপোনাক ভাল পায়,সমীহ কৰে।তোষামোদ কি চিনি নাপায়?ইমান ফোঁপোলা নে আপোনাৰ ভিতৰখন।সেইদিনা সেই মানুহজনীৰ সন্মুখত মোক কি ব্যৱহাৰ কৰিছিল আপুনি?আৰু বিকাশৰ লগত সম্পৰ্ক ৰাখিবলৈ আপোনাৰ অলপো বেয়া নালাগিছিল?মোৰ লগত কি কৰিছিল সি আপুনি পাহৰি থাকিল?
:মই বহুত কথাত বান্ধ খাই আছোঁ।
:জানো।এটাই মুখ খুলিলে আনটো ফচিব কাৰণে আপোনালোকৰ এই মিলা প্ৰীতি।এতিয়া সেইটো জেইলত।কি কৰিব আপুনি?
দেউতাই ভীষণ লাজ পাইছে।হস্পিতালৰ বাহিৰত এইবোৰ কথা পতা উচিত নহয়,কিন্তু কি কৰোঁ মই।মগজটো যে একেবাৰেই নাই চলা।

:ককাক ইমান বেমাৰী কৰি পেলালে,চিন্তাতে মানুহজন..

খঙত নে দুখত নাজানো মই এতিয়াহে কান্দিছোঁ।পিন্ধি অহা চার্ট টোৰ হাতখন তিতি গৈছে।
:কেলেই কান্দিছ?
:কি কৰিম আৰু,অকণমান তো শান্তি লাগে মোক।সৰুৰেপৰাই সদায় অকল আপোনালোকৰ কাজিয়া দেখিলোঁ, ককাৰ বাহিৰে কাৰো এযাৰ ভাল মাত নাপালোঁ।মোৰ কি মন নাযায় বেলেগ ছোৱালীৰ নিচিনা জীৱন এটা জীয়াবলৈ?এতিয়াও খুলি হাঁহিব নোৱাৰোঁ, কাৰো লগত মিলিব নোৱাৰোঁ, মানুহক বিশ্বাস কৰিব নোৱাৰো, ভালকৈ থাকিব নাজানো, অলপ টেনশ্যন হ'লেই নিচা বিচাৰি ফুৰোঁ, ব্লাড প্ৰেচাৰ কিমান জানে?এতিয়াও মেডিচিন খাই আছোঁ।কিন্তু ককাৰ মাত এযাৰ পালে এই সকলোবোৰ পাহৰি থাকোঁ।কৈ দিছোঁ মই,যদি ককাৰ কিবা এটা হয় মই কিন্তু কাকো নেৰোঁ...

:একো নহয় দেউতাৰ।আৰু তই কথাবোৰ বেছিকৈ ভাৱ সৰুৰেপৰাই।
:সেইটো ও মোৰেই ভুল ন।

উঠি আহিলোঁ সেইখিনিৰ পৰা।হস্পিতাল খনৰ বাহিৰৰ ঘুমটি দোকান খনৰ পৰা চিগাৰেট কিনিলোঁ।সৰেই নেদেখা বস্তু চোৰাদি মোলৈ চাইছে।ইটোৰ পিছত সিটোকৈ দুটা চিগাৰেট শেষ কৰিলো।

আকৌ ভিতৰলৈ আহোঁতে দেখোঁ ডক্টৰে দেউতাৰ লগত কিবা পাতি আছে।
:He is better now.
বুকুখনৰ পৰা যেন শিল এটাহে আঁতৰি গৈছে।
:কিন্তু তেখেতৰ কণ্ডিছন একেবাৰে ভাল নহয়।আপোনালোকে কি কৰে সোনকালে মোক জনাব।আৰু এটা কথা খুব কৈছে,গোসাঁনী বুলি কিবা এটা কৈ আছিল।মোৰ বুজাত অসুবিধা হ'ল।
:মই.. মই..
:তুমি কেতিয়া পালাহি?
:অলপ আগতে।
:তোমাৰ কথা সদায় কয় খুড়াই।
:এবাৰ চাবলৈ দিব নেকি?প্লিজ।
কাৰো আগতে হাত যোৰ কৰি নোপোৱা মোৰ হাত দুখন আপুনি আপুনি যোৰ খাই গ'ল।
:ইমান দূৰৰ পৰা আহিছা, আহা বাৰু, মোৰ লগতে ব'লা।

ৱাৰ্ডটোত আৰু বেলেগ ৰোগী আছে।একেবাৰে মূৰৰ বিচনা খনত ককা।নাৰ্ছ গৰাকীয়ে অলপ আঁতৰি মোক বাট এৰি দিলে।

:ককা।
মাত নাই,ওচৰৰ মনিটৰ টোত শব্দ কিছুমান হৈ আছে মাত্ৰ।হাতত চেলাইন লাগি আছে।
:খুড়া।

খুব কষ্টৰে চকু দুটা মেলিছে ককাই।
কথাবোৰ অস্পষ্ট।
:মই একেবাৰেই গুচি আহিলোঁ,তোমাৰ লগতে থাকিম।সোনকালে ভাল হোৱা।
:তেখেতে আৰাম কৰক।কাইলৈ লগ কৰি ল'বা।
ককাৰ হাতত চুমা এটা খাই ওলাই আহিলোঁ।ICU ৱাৰ্ডৰ বাহিৰৰ পৰা চাই আছে দেউতাই।ককাৰ সন্মুখত থিয় হ'ব পৰা সাহস কণ নাই।দেউতাৰ চকুত অপৰাধবোধ,অনুশোচনা সুস্পষ্ট।
নুসুধাকৈয়ে ক'লো

:শুইছে অকণমান।Pulse ঠিকেই আছে।
:কিবা এটা খাই লওঁ আহ।
বিশেষ একো আপত্তি নকৰাকৈ দেউতাৰ পাছে পাছে গৈ কেণ্টিনত গৈ ভাত খালোঁ।
আজিও কেবিন খালি নাই,ইয়াতেই বহি ৰাতি পাৰ কৰিব লাগিব।
:হোটেল আছে ওচৰত, ৰুম এটা লৈ দিওঁ নেকি?
ঘনে ঘনে সলনি হোৱা এই মানুহজনৰ প্ৰতি মোৰ মনত কি ভাৱ থাকিব লাগে মই নিজেই নাজানো।
:নালাগে, মই ইয়াতেই থাকিম। ফোন এটা কৰি আহোঁ।

অলপ আঁতৰি আহি আছুতীয়া ঠাই অকণমান চাই মালৈ ফোন কৰিলোঁ।ঘৰ গৈ পাইছেগৈ।থুপুৰ টোপনি।ককাক চাবলৈ পালোঁ বুলি জনালোঁ।
:কিবা খালি?
:উম।
:অধীৰে?
:একেলগেই খালোঁ।

ইমান জটিল পৰতিটো মন,প্ৰতিটো সম্পৰ্ক আমাৰ।কিন্তু আজিৰ এই ঘৰৰ মূল মানুহজন হেৰাই যোৱাৰ ভয় কিন্তু সকলোৰে অনুভৱ কৰিছে।
এই অস্থিৰ সময়খিনিত মোক এজন মানুহেহে সকাহ দিব পাৰে।

:ককাক দেখিলা?
:মই আৰু ঘূৰি নাযাওঁ,ককাৰ লগতে থাকিম।
:ঠিক আছে,মই জোৰ নকৰোঁ।
:আপুনিও গুচি আহিব।
হাঁহি দিলে তেওঁ।
:মই ভাবিছিলোঁ,মোৰ লগত নাথাকি সদায় ককাৰ লগতেই থকাৰ কথা কৈছা।ককাক মোতকৈ বেছি ভাল পোৱা ন?

:সমানেই আপোনাকো ভাল পাওঁ।মই ভালপোৱা সৱ মানুহ ভালে থাকক।আৰু মোক একো নালাগে।
:অকলে আছা এতিয়া?
:দেউতা আছে।
:কথা পাতিবা ভালকৈ।
:উম।
:Life is too short Ananya..try to understand people from their perspective. Listen to your dad, he must have something to tell.. okay?
:okay.
:That's my good girl, I wish I could be there with you!
:I am missing you too..
:মই জানো।দেউতাৰ লগত কথা পাতা যোৱা।আৰু শুনা,ককাক মোৰ কথা ক'বা।আৰু পাৰিলে কথা পতাই দিবা।
:হমম।

ফোনটো থৈ দেউতাৰ ওচৰত বহিলো।বহুত কথাই আছে,বহুত প্ৰশ্ন আছে,বহুত অভিযোগ আছে।কিন্তু এইয়া উচিত সময় জানো হয়?
মোৰ বাবে এতিয়া ককাৰ সুস্বাস্থ্যৰ বাহিৰে আন একোৱেই যে প্ৰয়োজনীয় নহয়।

:মই মাৰ্ঘেৰিটাৰ ঘৰটো বিক্ৰী কৰিয়েই দিম।ঘৰৰ মানুহ ঘৰত থকা ভাল।দেউতাক এতিয়া অকলে এৰিব নোৱাৰি।

বিশ্বাস কৰা যায় নে বাৰে বাৰে বিশ্বাস ভঙা মানুহক?দেউতাই যেন মোক পতিয়ন নিয়াবলৈ চেষ্টা কৰিছে।প্ৰতিটো কথা নিজৰ ধৰণেৰে সজাই ধুনীয়াকৈ মোৰ আগত ৰাখিছে,আবিশ্বাসৰ থল ৰখা নাই।

কিন্তু ময়ো যে ইমান সহজ হৈ থকা নাই এতিয়া।

:আপুনি ঘূৰি আহিব বুলি জানি ভাল পালো।কিন্তু মই ইয়াৰ পিছত সদায় ককাৰ লগত থাকিম।ককাৰ য'তেই ইচ্ছা তাতেই থাকিম।
:মইতো তোক আঁতৰাই পঠিয়াম বুলি কোৱা নাই।
:আমি কেতিয়াবাই আঁতৰ হ'লো , আপুনি গমেই নাপায় নেকি?

মই কোন?
সেইয়া যেন নতুনকৈ জুকিয়াই চাবলৈ ভগৱানে মোক এইখিনি সময় দিছে।
এফালে জীৱন মৰণৰ যুঁজত মোৰ ভগৱান জন।যি মোক জীয়াই ৰাখিলে অতদিনে।যিদিনা মই নিজকে শেষ কৰি দিবলৈ ওলাইছিলো,সেইদিনা কেৱল এইজন মানুহৰ বাবেই মই আকৌ এবাৰ জীয়াই থকাৰ কথা ভাবিছিলোঁ।

কাষত বহি থকা মানুহজনলৈও চালোঁ।ভালকৈ চোৱাই যে নাছিলোঁ কেতিয়াও।পঞ্চাশৰ অধিক বয়সতো নিজকে বাৰ্ধক্যৰ চাপৰ পৰা আঁতৰাই ৰাখিবলৈ আপ্ৰাণ চেষ্টা।ফ্ৰেন্স কাট দাড়িবোৰৰ এডাল দুডালত ৰূপালী ৰং ধৰিছে।চুলিত নিয়মিত ৰং সানি ক'লা কৰি ৰাখে।দুয়োখন হাতত আঙুলিতকৈ বেছি আঙুঠি,বিভিন্ন ৰঙী পাথৰ।প্ৰত্যেকটো কামৰ আগতে তেওঁৰ বিশ্বাসী এজন জ্যোতিষীৰ পৰা লোৱা আঙুঠিবোৰ এটা এটাকৈ পিন্ধোতে এতিয়া পিন্ধিবলৈ আঙুলিয়েই নাইকিয়া হৈছেগৈ।মানুহজন ভিতৰি সাংঘাটিক অকলশৰীয়া, মই জানো।কিন্তু তাৰ বাবে তেওঁ নিজেই যে দায়ী।
মানুহজনক মই ভাল নাপাওঁ, কিন্তু বেয়াও নাপাওঁ।
এনেকুৱা বহু মানুহ আমাৰ জীৱনত থাকে।
আমি ভাল-বেয়া একো পাব নোৱাৰাকৈ পৃথক হৈ থাকে আমাৰ পৰা।যাৰ উপস্থিতি বা অনুপস্থিতিয়ে আমাৰ জীৱনত একো প্ৰভাৱ পেলাব নোৱাৰে।কেতিয়াও নোৱাৰে।

চকীখনত মূৰটো পেলাই টোপনি যাবলৈ চেষ্টা কৰা মানুহজন কেতিয়াবা বাৰু ভাল মানুহ আছিলনে?????কোনোবা খিনিত হয়তো আমি দুয়ো দুয়োৰে লগত অন্যায় কৰিছোঁ।
তেওঁৰ কিবা ক'বলগীয়া আছে নে?
মায়ে মোক কোৱা কাহিনীটোতকৈ দেউতাৰ কাহিনীটো যদি বেলেগ হয়!
হ'বও তো পাৰে!
আকৌ ভাবিছোঁ,দেউতাই ব্যৱসায়ৰ নামত সাধাৰণ মানুহৰ লগত কৰা অন্যায় বোৰ!
ষড়যন্ত্ৰ বোৰ!
স্বাৰ্থপৰতা বোৰ!
সেইবোৰ দেখাত বা বুজাত তো মোৰ ভুল হোৱা নাই।

আজি তিনিদিন সময় আমি এনেকৈয়ে পাৰ কৰিছোঁ।সুধিবলগীয়া জৰুৰী কথা কেইটাৰ বাহিৰে দেউতা আৰু মোৰ মাজত আৰু বেলেগ কথা নহয়।মই দিনটো ইয়াতে চুক এটা বিচাৰি লেপটপ খুলি বহি থাকোঁ।জৰুৰী মিটিং কেইখন গাড়ীৰ ভিতৰত বহি জইন কৰোঁ।মা দিনত এবাৰ আহে।মন কৰোঁ মা আৰু দেউতাৰ মাজত সৌজন্যতামূলক ভাৱেও একো কথা নহয়।ডক্টৰে একেখিনি কথাকে দুয়োকে বেলেগকৈ বুজাই দিয়ে।

ককাৰ হাৰ্টত কেইবাটাও ব্লক।আগতে angioplasty কৰা ঠাইতো ষ্টেণ্টকেইটাৰ দুয়োফালে ব্লক ধৰা পৰিছে।এতিয়া মাত্ৰ এটাই উপায়।অপেন হাৰ্ট ছাৰ্জাৰী।কিন্তু ককাৰ ব্লাড চুগাৰ আৰু হাই ব্লাড প্ৰেচাৰৰ বাবে

সেইয়াও সহজ নহ’ব।তাৰোপৰি আশীৰ ঊৰ্ধৰ মানুহ এজনৰ বাবে এইয়া কিমান ফলপ্ৰসূ হ’ব তাক লৈ ডক্টৰো নিশ্চিত হ’ব পৰা নাই।সাধাৰণতে এই বয়সৰ মানুহৰ মৰ্টেল ৰেট বেছি, গতিকে ডক্টৰে সিদ্ধান্ত আমাৰ হাতলৈ এৰিলে।

আৰু তাকেই আলোচনা কৰিবলৈ কেণ্টিনৰ এখন টেবুলত মা,দেউতা আৰু মই একেলগে বহিব লগা হৈছে।

:বাহিৰত ছাৰ্জাৰী হৈ যাব,লৈ যাওঁ ।
দেউতাই বেছি দূৰলৈ ভাৰিব নোৱাৰে,সেইয়া আমি জানো।
:ডক্টৰে নিজেই চিউৰ নহয়,দেউতাৰ শৰীৰে এইটো ছাৰ্জাৰী ল’ব নোৱাৰে।থকা দিনকেইটা ভালকৈ থাকক।দৰৰ খিনি সময়ত দি যত্ন ল’লেই হ’ল।
:জানি বুজি মৰিবলৈ ঠেলি দিম নেকি?তুমিতো ভালেই পাবা দেউতা মৰিলে।
মা দেউতাৰ সচৰাচৰ দেখি অহা তৰ্ক আৰম্ভ হৈ গ’ল।
:দেউতা, প্লিজ।এইখিনি সময়ত অন্ততঃ আমাক শান্তি দিয়ক।ককাৰ গোটেই প্ৰফাইলবোৰ চাই ডক্টৰে যি কৈছে সেইটো আমি মানিবই লাগিব।হিম’ গ্লবিনো বহুত কম।ইমান এটা দুৰ্বল শৰীৰত এইটো ছাৰ্জাৰী সম্ভৱ নহয়।গতিকে ককা যিমান দিন থাকে, ভালকৈ থাকক।কষ্ট নোপোৱাকৈ থাকক।গোটেই জীৱনটো ককাক একোৰেই দিব নোৱাৰিলোঁ আমি।দুখ আৰু হতাশাৰ বাহিৰে একোৰেই নাপালে মানুহজনে।এতিয়া অন্ততঃ অকণমান শান্তি দিয়া।মই ৰিকুৱেষ্ট কৰিছোঁ দেউতা।প্লিজ আৰু অশান্তি নিদিব।সহ্য কৰিব নোৱাৰে ককাই।

মা-দেউতাৰ মুখত অনুশোচনাৰ চিন সুস্পষ্ট।

:সময় এতিয়াও আছে দেউতা,ককাক যে অলপ দিনৰ বাবে হ’লেও আমি ঘূৰাই পাইছোঁ,ভগৱানক তাৰবাবে ধন্যবাদ দিয়ক।আৰু যদি আপোনাৰ ব্যৱসায়ী মনটোৱে ইয়াত একো লাভ দেখা নাই,তেন্তে মই আজি আপোনাক প্ৰমিজ কৰিছোঁ ককাৰ শেষৰ দিনকেইটা শান্তিত থাকিবলৈ দিয়ক, বিনিময়ত আপোনাক মই মোৰ নামত থকা সকলো খিনি দি দিম।একো নালাগে মোক।

উঠি গুচি আহিলোঁ তাৰপৰা ।
যদি অলপো বিবেক আছে,দুয়োয়ে নিজৰ মাজৰ প্ৰব্লেমবোৰ আঁতৰাই বুঢ়া মানুহজনৰ কথা ভাৱক।কথা পাতক বুলিয়েই দুয়োকে একেলগে এৰি আঁতৰি আহিলোঁ।

আৰু ঠিক আধা ঘণ্টাৰ পাছত দুয়ো একেলগে মোক ক’লে

:দেউতাক ঘৰতে ৰাখি যত্ন লোৱা ভাল হ’ব।তই ঠিকেই কৈছ।

সম্পূৰ্ণ এটা সপ্তাহ হস্পিতালত কটাই ককাক লৈ আমি ঘৰলৈ ঘূৰি আহিলোঁ।ভীষণ দুৰ্বল মানুহজন।বিচনাতেই সকলো ব্যৱস্থা।ডায়েপাৰ লগাই থ'ব লগীয়া হৈছে।সকলো সময়তে কেৱল মোকেই ওচৰত বিচাৰি থাকে।আন কাকো নিবিচাৰে।খুৱাই দিয়া,গা-ধুৱাই দিয়া,ডায়েপাৰ সলাই দিয়া সকলোবোৰ মই কৰিব লাগে।কৰিছোঁ,নিজকে ধন্য মানিছোঁ ককাৰ বাবে এইখিনি কৰিবলৈ পায়।মাত্ৰ এইকেইটা দিনতে মোৰ থুপু ও যেন বহুত ডাঙৰ হ'ল।অলপো আমনি নকৰে।ককাৰ ওচৰতে বহি থাকে।

"থুমি দুখু পালা?মই মঅম কই দিঠু"

ককাৰ চুলি আঁচোৰি দিয়ে,মূৰ পিটিকি দিয়ে।কণমানি থোপোকা হাত দুখনেৰে মূৰ মালিচ কৰিও দিয়ে।নিজৰ ভাগৰ কাজু এটা,কিছমিছ এটা দিয়ে।গান গাইয়ো শুনায়।

তৰাই শিকোৱা গান

"দিলেলে দিলেলে"

সুৰ টানোতে চকু মুদি দিয়ে একদম।

সলনি হৈছে কথাবোৰ।

ঘৰৰ নিয়মবোৰ।

দেউতা ঘৰলৈ উভতি আহিছে।কিন্তু মাৰ সৈতে একেটা ৰূমতে থকা নাই।আলহী কোঠাত থাকে।একো নাই, যি যেনেকৈ সুখী,তেনেকৈয়ে থাকক।ককাই কিন্তু দেউতাৰ লগত একেবাৰেই কথা পতা দেখা নাই।মাত্ৰ কিবা এটা সুধিলে এটা শব্দত উত্তৰ হে দিয়ে।

আচলতে সকলোকে সময়ৰ প্ৰয়োজন হৈছে।

চিনেমাৰ দৰে তো আৰু একেদিনাই মানুহৰ পৰিৱৰ্তন হৈ নাযায়, হ'ব নোৱাৰে।

আৰু এই গোটেইবোৰৰ মাজতে মোক মানসিক ভাৱে জুৰুলা কৰিবলৈ সকলো ধৰণৰ চেষ্টা কৰিলে অমৃতে।হস্পিতালৰ পৰা ৰাতি ৰাতি কাম কৰিও মই তেওঁক সন্তুষ্ট কৰিব নোৱাৰিলোঁ।অৱশ্যে মই বেলেগৰ নিচিনাকৈ অমৃতৰ মন ভাল লগাবলৈ চেষ্টাও নকৰিলোঁ।এই সময়ত মোৰ priority কেৱল ককা।আন একো নহয়।আৰু মোৰ এই ব্যৱহাৰত ক্ষুণ্ণ হৈ অমৃতে এটা দীঘল মেইল গোটেই টিমৰ মানুহক এড্ৰেচ কৰি লিখিলে।যাৰ ফলত মই ল'ম বুলি ভাবি থকা সিদ্ধান্তটো সময়তকৈ আগতেই ল'ব লগীয়া হৈছে।

বহুত চিন্তাৰ অন্তত,মই সেই বুটামটো টিপিছিলোঁ।

"Separate From Infotech"

ইয়াত ৰিজাইন দিবলৈ মস্ত দীঘল এপ্লিকেচন লিখিব নালাগে।অফিচৰ ইন্টাৰনেল চাইটত গৈ এই বুটাম টিপি দিলেই প্ৰচেছ ষ্টাৰ্ট হৈ যায়।সকলো concerned ব্যক্তিলৈ মেইল যায়।সকলো আচৰিত হ'ল।মোক immediate অফিচলৈ যাবলৈ কোৱা হ'ল।

মোৰ এই সিদ্ধান্তত আটাইতকৈ অসন্তুষ্ট মানুহজন হ'ল অনিৰুদ্ধ।যোৱা তিনিদিন ধৰি আমাৰ মাত-বোল প্ৰায় বন্ধ।মই বুজাবলৈ চেষ্টা কৰিও হাৰি গ'লো।তেওঁৰ মতে মই আৱেগৰ বশৱৰ্তী হৈ সিদ্ধান্ত লৈছোঁ।তেওঁ তেনেকৈ

ভৰাটো স্বাভাৱিক।কিন্তু মই জানো যে সম্পূৰ্ণ সুস্থ মগজুৰে মই এই সিদ্ধান্ত লৈছোঁ।বৰ্তমান সময়খিনিত এইয়াই সঠিক সিদ্ধান্ত।মই আৰু থুপুৰ বাবে এইখিনি সময় ককাৰ লগত থকাটো খুবেই প্ৰয়োজন।কাইলৈ দহ বজাত মই অফিচত ৰিপোৰ্ট কৰিবই লাগিব।সেইবাবে থুপুক মাৰ ওচৰতে ৰাখি মই অকলেই ফ্লাইট লৈ বেংগালুৰু যাবলৈ ওলাইছোঁ।
ককাক মাত লগাওঁতে কৈছে

:সোনকালে গুচি আহিবি,তই নাথাকিলে মোক কোনে চাব।

চাব, সৰেই চাব, কিন্তু ককাই মই ওচৰত থকাটো বিচাৰে।থুপুক এৰি থাকিবলৈ ভয় কৰে।সেইবাবে মই চাকৰি ৰিজাইন দিয়া সিদ্ধান্তটোত ককা সুখী।

ফ্লাইটত উঠাৰ আগে আগে আকৌ এবাৰ অনিৰুদ্ধলৈ ফোন কৰিলোঁ।তিনিবাৰ মান ৰিং হৈ হৈ বন্ধ হৈ গ'ল।চাৰি নম্বৰ বাৰত উঠালে

:কি হ'ল?
:আহি আছো।
:কেইটাত পাবাহি?
:সাত পঞ্চলিছত লেণ্ডিং।
:Okay.

বেংগালুৰুত বৰষুণ।পিঠিত বেগটো লৈ কেব এখন লওঁ বুলি আগবাঢ়িলোঁ।অনিৰুদ্ধই ফোন এটাও নাই কৰা।মোৰ মেছজেৰ ৰিপ্লাই ও নাই দিয়া।
OLA Zone টোত গৈ ৰৈ আছোঁ।বৰষুণৰ বাবে কেবৰ অলপ অসুবিধা।
হঠাৎ কোনোবাই পিছফালৰ পৰা মোৰ বাওঁহাতখনত ধৰি টানি নিলে।অন্যমনস্ক হৈ থকা বাবে উফৰি যোৱাদি গ'লো।সন্মুখত এখন কঠোৰ মুখ আৰু এযোৰ খঙাল চকু লৈ অনিৰুদ্ধ।
বগা চাৰ্টটো তিতি গাত লিপিট খাই ধৰিছে।টান মাংশপেশীবোৰ স্পষ্টকৈ দেখা পোৱা গৈছে।ওপৰৰ দুটা বুটাম খোলা।অফিচৰ পৰা অহা নাই যে নিশ্চিত।মোক টানি নিয়া হাতখন এতিয়াও সজোৰে ধৰি ৰাখিছে।
ইমান দিনৰ মূৰত দেখিও অলপো মৰম নাই।অনিৰুদ্ধ এনেকুৱাই।সকলো extreme।মৰম,খং, অভিমান, জেদ সকলোবোৰ।
:দুখ পাইছোঁ।
:ময়ো পাইছোঁ।

হাতখনত ধৰিয়েই লৈ গ'ল মোক।বৰষুণক উপেক্ষা কৰি অনিৰুদ্ধ আগবাঢ়িছে।এটা শব্দও উচ্চাৰণ কৰা নাই।মোৰ ফালে চোৱা নাই এবাৰো।হাতখন কিন্তু এৰি দিয়া নাই।চকু কেইটা অলপ ৰঙা।

গাড়ীৰ সন্মুখৰ দৰ্জা খুলি মোক প্ৰায় বহুৱাই দিয়া দি দিলে।
বৰষুণজাক আৰু বেছি জোৰেৰে আহিছে।
তেওঁ আহি ড্ৰাইভিং ছিটত বহিল।
:ইমান বৰষুণ,ট্ৰেফিক বহুত হ'ব।
:So?You want to talk about the bloody traffic huh?
কঁপি গ'লো।অনিৰুদ্ধই গাৰ জোৰেৰে ষ্টিয়েৰিং ডালত হাতখন মাৰি পঠিয়াইছে।
:আপুনি যে একো কোৱা নাই সেইকাৰণে.
:You should shut up too..
:Yeah.. but..

আৰু কিবা কোৱাৰ আগতেই এযোৰ চেঁচা ওঁঠ মোৰ ওঁঠত সজোৰে গুজি দিয়া হ'ল।অভিমান আৰু আক্ষেপত কঠোৰ হোৱা এযোৰ ওঁঠ।
আন দিনাতকৈ পৃঠক এই চুম্বন,মৰমৰ উমাল পৰশতকৈ যেন অভিমানৰ কোমল আঘাত বেছি!

অনিৰুদ্ধৰ তিতা চুলিত মোৰ হাতখন হেৰাই গ'ল।আৰু মোৰ মৰমৰ সামান্য স্পৰ্শত মমৰ দৰে গলিল তেওঁ।

:Be mine please...Ananya!

বৰষুণৰ পানীৰ মাজতে তেওঁৰ চকুৰ পৰা বৈ আহিল এটোপাল কুহুমীয়া পানী।

মোৰ প্ৰিয়তম পুৰুষ অনিৰুদ্ধ,ইমান আৱেগিক,ইমান আকলুৱা !
:I am sorry Anirudh, I am really sorry.

Viraham Pongeley,
Hrudhayam Oogele,
Adharam Anchuley,
Mádhuram Koreley

(Kadalalle-Dear Comrade)

FM ত তেতিয়া “ডিয়েৰ কমৰেড” চিনেমা খনৰ kadalalle গানটো বাজি আছে।
মোৰ সোঁহাতখন নিজৰ বাওঁ হাতেৰে খামুচি থাকিয়েই গাড়ীৰ গিয়েৰ সলাইছে অনিৰুদ্ধই।তেওঁৰ ম্লান পৰি যোৱা বিমৰ্ষ চেহেৰাটো দেখি মোৰ বুকুখনে কান্দি উঠিছে।
কেৱল ময়েই নে?অকাশ খনেও চোন আজি তেওঁৰ বাবে কান্দিছে।মুষলধাৰে আহিছে বৰষুণজাক।গাড়ীৰ ৱাইপাৰেও বাট দেখুৱাব নোৱাৰি হাৰ মানিছে।বাহিৰখন ভালকৈ নেদেখা হৈ আহিছে।ৰাস্তাত লাহেকৈ পানী জমা হ'বলৈ আৰম্ভ কৰিছে।হে প্ৰভু, ঘৰত সোমাই ল'ব পৰিলেই হ'ল।

অলপদূৰ অহাৰ পাছতেই আয়ুৰ ফোন আহিল।যোৱাৰ দিনা তাক ভালকৈ একো নজনালো বুলি এতিয়াও বেয়া পাই আছে।সদায় ফোন কৰি ককাৰ খবৰ লয়।দিনত দুই তিনিবাৰ ভিডিঅ' কল কৰে।মই বেংগালুৰু এৰাৰ দুখত দুখী হোৱা আন এজন মানুহ।কিন্তু তাৰ খং বা অভিমান নাই।কাৰণ সি মোৰ ঘৰৰ ভিতৰুৱা সকলো কথাই জানে।সি দেউতাকো ভালকৈ চিনে।
:হেল্ল'।
:কেব পালি নাই?
:অনিৰুদ্ধ আহিলে।ঘৰলৈ গৈ আছোঁ এতিয়া।
:ঠিক আছে।মই ফচি গ'লো অফিচত।ওলাব নোৱাৰিম।কাইলৈ ৰাতিপুৱা আহিম।বিচনাখন আজিয়েই OLX ত দি দিবি।ফ্ৰীজ আৰু টিভি মই ৰাখিম,পইচা তো দি দিম তোক।
আয়ুয়ে কথা উলিয়াই আছে,আৰু আনফালে আমাৰ কথা শুনি অনিৰুদ্ধৰ খং দুগুণে বাঢ়িছে।
চকুত পৰিছে কঠোৰ মুখখনত স্পষ্টকৈ দেখা পোৱা পৰতিডাল শিৰা-উপশিৰা।দাঁত কেইটা যে জোৰেৰে কামুৰি আছে ধৰিব পাৰি।
:আয়ু,মই ৰাখিছোঁ এতিয়া। কাইলৈ কথা পাতিম।

গোটেই ৰাস্তাটো এটাও শব্দ নক'লে অনিৰুদ্ধই।বৰষুণ ফালি তীব্ৰগতিৰে চলিছে ব্লেক SUV খন।
অনিৰুদ্ধক এতিয়া আৰু বুজিবলৈ বাকী নাই মোৰ।থুপুৰ দৰেই মৰম আকলুৱা,অকণমান জেদী,ভীষণ এক্সপ্ৰেচিভ।এতিয়া মই কিবা কোৱা মানেই খংটো আৰু বঢ়াই দিয়া।

ঘৰৰ সন্মুখত গাড়ীখন ৰাখি তেওঁ আনফালে মুখ ঘূৰালে।
:ভিতৰলৈ নাহে?
:No.
মুখখন হাতেৰে ধৰি মোৰ ফালে ঘূৰাই দিলোঁ।
:প্লিজ।
:তুমি যোৱা।
:ঠিক আছে।জোৰ নকৰোঁ।বাই।
বেছিকৈ তিতাৰ আগতেই দৌৰি গৈ বিল্ডিঙৰ ভিতৰ সোমালো।তেওঁ নাহিল।কিন্তু গুচিও যোৱা নাই।ওপৰলৈ উঠি আহিও গাড়ীখন দেখি আছোঁ।

অকলে ঘৰটোলৈ সোমাই যাওঁতে বুকুখন গধুৰ হৈ আহিল।যোৱাৰ আগতে তৰাই ঘৰটো ধুনীয়াকৈ চফা কৰি ভাগে ভাগে বস্তুবোৰ সামৰি সাৰি মচি থৈ গৈছিল।হ'লেও বন্ধ হৈ থকা বাবে অলপ সেমেকা গোন্ধ এটা পালোঁ।বেগটো থৈয়েই দৰ্জা খিড়িকীবোৰ খুলি ঝাড়ু ডাল হাতত ল'লো।লেভেণ্ডাৰ ৰুম ফ্ৰেছনাৰটো একেবাৰে খালি কৰি পেলালোঁ।

সৰহকৈ ধূপ অলপ চাৰিওফালে লগাই দিলোঁ।

দৰ্জাখন বন্ধ কৰোঁ বুলি আহোঁতেই দেখোঁ মুখ খন থুপুৰ নিচিনাকৈ ফুলাই সন্মুখত অনিৰুদ্ধ ৰৈ আছে।

:আহক।

জোতাযোৰ খুলি ভিতৰলৈ আহিল।প্লাষ্টিকৰ চকী খনত বহি পকালৈ চাই আছে।গোটেই মানুহটো তিতি শেষ।ভিতৰৰ পৰা টাৱেল এখন আনি হাতত দিলোঁ।

:আপুনি মচি লওক।মই fresh হৈ আহোঁ।

মই চুলিত শ্বেম্পু কৰি,গা ধুই কাপোৰ কানি সলাই ওলাই আহিলোঁ,তেওঁ কিন্তু একভাগেই বহি আছে।

মই দিয়া টাৱেলখনো কাষৰ চকীখনত থৈ হে দিলে।

খং?

অভিমান?

ওহোঁ,মৰম।

সন্মুখত আহি ৰ'লো।নাই, নাচায় মোৰ ফালে।টাৱেলখন লৈ তেওঁৰ তিতা চুলিখিনি মচিবলৈ লাগিলোঁ।

জেদ মোৰো আছে, মৰম যে তাতোকৈ বেছি আছে।

খং কমিল।

দুহাতেৰে মোৰ কঁকালত মেৰিয়াই মুখ খন মোৰ বুকুত গুজি দিলে তেওঁ।

:Ani..

:Hmmm

উফ!

কেনেকৈ কওঁ,এই এটি মুহূৰ্তৰ বাবেই যে জীয়াই থাকোঁ মই।

এই একেটি উশাহৰ বাবে বুকুৰ শিলবোৰ ভাঙি পেলাব পাৰোঁ মই!

মৰা মানুহক জীয়াই তুলিব পৰাকৈ সমৃদ্ধ মোৰ প্ৰিয় পুৰুষ!

জীৱনত যদি এবাৰলৈ মই নিজকে ভাল পাইছোঁ,সেইয়া কেৱল এই এজন মানুহৰ বাবেই।

অনিৰুদ্ধৰ তিতা চোলাটো লাগি মোৰ কুৰ্তীটো ও তিতি গৈছে।

:ছাৰ্টটো বহুত তিতিলে,চৰ্দি লাগিব।

:লাগক।

নাই অলপ দেৰীলৈ এৰি নিদিয়ে।এনেকৈয়ে ধৰি ৰাখিব।

তিনিজন পুৰুষ, বয়স ভিন্ন,চিন্তা ভিন্ন,কিন্তু কোনোবাখিনিত যেন একেই কোমলতা।মৰমৰ বাবে একভাগেই হাহাকাৰ কৰি উঠে।অকণমান মৰমতে জী উঠে,নাপালেই অভিমানী হৈ উঠে।

থুপু,ককা,অনিৰুদ্ধ।
দুহাতেৰে তেওঁৰ মুখনি তুলি ধৰিলোঁ।
বাৰে বাৰে মোক ভালপাবলৈ শিকোৱা চকুযোৰ,পানীত তিতা দীঘল দীঘল পলক,অবিন্যস্ত চুলি,আনদিনাতকৈ অলপ বেছি দীঘল হোৱা ঘন দাড়ি খিনি,মাত্র সেই ধুনীয়া হাঁহিটো হে নাই।

বুকুত কিবা এটাই হানি গ'ল।
হাঁহিটো মোৰ বাবেই যদি একেবাৰেই নাইকিয়া হৈ যায়।
হাতখন ফুৰাই দিলোঁ তেওঁৰ গালত।চকু কেইটা জপাই দিলে অনিৰুদ্ধই।

:আপোনাৰ চৰ্দি লাগিব।মই গৰম পানী কৰি আনো।চাওঁ।

চাৰ্টৰ বাকীকেইটা বুটাম মই নিজেই খুলি দিলোঁ।হাত দুখন মেলি দিলে।তাৰমানে গা টো ময়েই মচি দিব লাগিব।দিলোঁ।
:এইটো মই ইটো ৰুমত অলপ ফেনৰ তলত দি দিওঁ।
আঁতৰি আহোঁতেই তেওঁ একে লেঠাৰিয়ে কেইবাটাও হাঁচি মৰা শুনিলোঁ।কিমান দেৰি চাগে বৰষুণত ঘূৰি আছিল ঠিকনা নাই।

পাতল কম্বল খন নি গাত দি দিলোঁ।

সৰু চৰিয়া এটাত গৰম পানীত নিমখ অকণমান দি তেওঁৰ ওচৰলৈ আনিলোঁ।
:ভৰি কেইটা ডুবাই দিয়ক।
:I am fine, you don't have to do all these.
কথাটো শেষ নহ'ল।আৰু কেইটামান হাঁচি একেলগে আহিল।
ভৰি দুটা নিজেই টানি আনি পানীত ডুবাই দিলোঁ।
:এনেকৈ থৈ দিয়ক অলপ দেৰি।মই চাহ আনো।
:নালাগে।
:মোক লাগে,বহুত মূৰ বিষাইছে।

কাপ দুটা ধুই আমূল তাজাৰ নতুন পেকেট এটা কাটি ল'লো।আদা দিয়া চাহ অকণমান খাবলৈ মন গৈছে।চাহখিনি উতলিবলৈ দি ৰৈ আছোঁ।
ভগৰে হেঁচা মাৰি ধৰিছে,মূৰটো লাহে লাহে বিষাবলৈ আৰম্ভ কৰিছে।ভোকো লাগিছে।কিবা এটা অৰ্ডাৰ কৰিলেও এই বৰষুণত কিমান দেৰি লাগিব ঠিক নাই।চাউল কেইটামান সিজাই ঘিঁউ আৰু চেনি দি খাই শুই থাকিম।
অহ!

কথাবোৰ ভাবি থাকোঁতে পাহৰি গৈছোঁ যে মোৰ সৈতে আৰু এজন মানুহ আছে।
তেওঁ বাৰু নিজেই ক'বনে মই আজি তোমাৰ লগত থাকিম বুলি?
নে মই ক'ব লাগিব আপুনি নাযাব বুলি?
অসহজ লাগিছে চোন মোৰ।
মোৰ ভৱনাত যতি পৰিল।
পিছফালৰ পৰা মেৰিয়াই ধৰি মোক কম্বলৰ ভিতৰত সুমুৱাই লৈছে অনিৰুদ্ধই।
তেওঁৰ উদং বুকুত মোৰ চুলিখিনি সিঁচৰিত হৈ পৰিল।
:I was rude, sorry.
:খং কমিলে?
:ওহোঁ।ইমান ভালপোৱা মোক,ইমান কেয়াৰ কৰা,তথাপিও এৰি যোৱাৰ কথা ভাৱিব পাৰা কেনেকৈ?
:মোক ভুল বুজিছে আপুনি।
:বুজাই দিয়া তেন্তে।
কাণত ওঁঠ লগাই কৈ উঠিল তেওঁ।
চাহ খিনি উফন্দি অহা দেখি আঁতৰি আহিলোঁ।তেওঁ গৈ মাটিত পাৰি থোৱা বিচনা খনত বহিল।চাহৰ কাপটো আগবঢ়াই দি ময়ো কাষতে বহিলো।
:এতিয়া থুপু থকা হ'লে ক'লেহেঁতেন তোমাৰ নাকু নাকু হৈছে।
:সি মিছ কৰে আপোনাক,সুধি থাকে মোক।
:তুমিতো একেবাৰেই আঁতৰাই নিব খুজিছা এতিয়া?বেয়া লগা নাই মোলৈ?

অনিৰুদ্ধই আঘাত কৰিবলৈকে কৈছে তেনেকৈ, মই জানো।কিন্তু কিয় জানো শোক এটাই খুন্দা মাৰি ধৰিলে।মোৰ এনেকুৱাই হয়।আনৰ হাজাৰটা কটু কথা মই হাঁহি মুখেৰেই সহিব পাৰোঁ, কিন্তু মই ভাল পোৱা মানুহে অকণমান দুখ দিলেও মই কান্দি পেলাওঁ।আগতে সেই ক্ষমতা কেৱল ককাৰ আছিল,এতিয়া অনিৰুদ্ধৰো আছে।

:আপুনি সঁচাকৈ তেনেকৈ ভাবিছে?মই ককাৰ এইটো অৱস্থাত এৰি আপোনাৰ ওচৰলৈ গুচি আহিব লাগিছিল?
:মইতো তেনেকৈ কোৱা নাই।কিন্তু তুমি সৱ সিদ্ধান্ত ইমান জলদি কিয় লৈ পেলালা।জব ৰিজাইন দিয়াৰ পাছত মোক কৈছা।ঘৰত তো আৰু মানুহ আছে ককাক চাবলৈ।নাৰ্ছ এগৰাকী ৰাখিব পাৰিলেহেঁতেন আমি।তুমি আৰু অলপ দিন ছুটি ল'ব পাৰিলাহেঁতেন।এবাৰ তো ভালকৈ আলোচনা কৰি চাব পাৰিলাহেঁতেন।

:হস্পিতালত থকা দিনকেইটাত মই যোল্ল ঘণ্টা কাম কৰিছোঁ।তাৰ পাছতো কিন্তু অমৃতে এইটো মেইল পঠিয়াই দিছিল।

মোবাইলটোত তেওঁক মেইল খুলি দেখুৱালো।
:অনিৰুদ্ধই, মই জানো মই একেবাৰে শুদ্ধ সিদ্ধান্ত লোৱা নাই।কিন্তু ইমান মানসিক অশান্তি লৈ মই থাকিব

নোৱাৰোঁ।বহুতেই এনেকৈ চাকৰি কৰি আছে,হয়তো এক দুই বছৰৰ পিছত সব ঠিক হৈ যাব।কিন্তু এই সময়খিনি মই ককাক দিব খুজিছোঁ,অফিচৰ ইণ্টাৰনেল পলিটিক্সত নহয়।অমৃত মোৰ বাবে কোনো নহয়।নাজানো মোৰ লগত কিয় ইমান প্ৰব্লেম হৈছে তেওঁৰ।কিন্তু এইবোৰত লাগি মই সময় নষ্ট কৰিব নোৱাৰোঁ।আৰু মোৰ নিজৰ ওপৰত ইমানটো বিশ্বাস আছে যে মই অলপ কষ্ট কৰিলে ইয়াতকৈ ভাল জব পাই যাম।তাৰ কাৰণে মই নিজৰ আত্মসন্মান ত্যাগ নকৰিলেও হ'ব।

:মোক কোৱা নাছিলা কিয়?

:অমৃত আপোনাৰ পুৰণি বন্ধু।মোৰ লগত তেওঁ যিয়েই নকৰক, তাৰ বাবে আপোনালোকৰ মাজৰ সম্পৰ্ক বেয়া নকৰিব।মই সেইটো বিচৰা নাই।

চাহৰ কাপকেইটা লৈ উঠি আহিলোঁ।অনিৰুদ্ধ ভাবুক হৈ পৰিল।

:You think about everyone,except 'us'!

এইবাৰ তেওঁৰ সন্মুখত বহিলো।

:I want to be your partner Anirudh, not a liability.

মোৰ সমস্যাবোৰ আপোনাৰ ওপৰত জাপি দিয়াৰ ইচ্ছা একেবাৰেই নাই মোৰ।মই এতিয়াও নিজকে আপোনাৰ যোগ্য বুলি নাভাবোঁ।আপুনি বহুত ভাল মানুহ।মই আপোনাক ডিজাৰ্ভ কৰোঁ নে নাই তাকো নাজানো।কিন্তু মই সদায় আপুনি সুখত,শান্তিত থকাটো বিচাৰোঁ।মোৰ পৰিয়ালৰ মানুহবোৰ ইমান সহজ নহয়।আপুনি বুজিবলৈ সময় লাগিব।দেউতা যেনেকৈ ঘূৰি আহিছে মোৰ এতিয়াও বিশ্বাস কৰিবলৈ টান হৈছে।সেই মানুহজনে কৰিব নোৱাৰা কাম একো নাই।ককাৰ অসুখৰ সুযোগ লৈ যদি কিবা অঘটন ঘটাই দিয়ে মই অলপো আচৰিত নহওঁ।আপোনাক কেতিয়াও এইবিলাকৰ মাজলৈ টানিব বিচৰা নাই মই।নালাগে আপুনি সোমাব।মই ভালপাওঁ আপোনাক,বহুত বেছি।মই যেনেকৈ থুপুক এইবোৰৰ পৰা আঁতৰাই ৰখাৰ কথা চিন্তা কৰোঁ ঠিক তেনেকৈ আপোনাকো আঁতৰাই ৰাখিব বিচাৰোঁ।

:But I want to help you Ananya!

:I know.

মোক যেতিয়াই সহায়ৰ দৰকাৰ হ'ব,মই আপোনাক নিশ্চয় ক'ম।কিন্তু এতিয়া নহয়।এতিয়া আপুনি মোক কৰিব পৰা সহায় এটাই আছে।

:কি?

:মোক অলপ সময় লাগে।

অনিৰুদ্ধ মনে মনে ৰ'ল।

তেওঁৰ হাত দুখন খামুচি ধৰিলোঁ।

:মই আপোনাৰ পৰা আঁতৰি যোৱাৰ কথা ভাবিবও নোৱাৰোঁ অনিৰুদ্ধ।মাত্ৰ মই সেই ঘৰখন এৰি অহাৰ আগতে মোৰ কৰিবলগীয়া খিনি কৰি আহিব খুজিছোঁ।

:I can wait forever.. but promise me you will come back..

:Anirudh.. can I hug you please?

উত্তৰলৈ বাট নাচাই সজোৰে সাৱটি ধৰিলোঁ মই।
তেওঁৰ গাৰ পৰা খহি পৰিছে কম্বল খন।
তেওঁৰ উদং বুকুত মুখ গুজি মোৰ বহু কথাই কৈ পেলালোঁ।
কিমান সময় যে তেনেকৈয়ে পাৰ হৈ গ'ল।

:Hey, don't cry like this, please!

অনিৰুদ্ধই চকুপানী মোহাৰি গালত হাত ফুৰাই দিলে।

:I want to show you something Anirudh ,may I ?
:Sure.

মই যি কৰিবলৈ গৈ আছোঁ তাৰ বাবে মোক সাহস লাগে,কিন্তু এই সময়ত যে ইয়াৰ প্ৰয়োজনো আছে।
আনটো ৰূমলৈ আহি কুৰ্তিটো খুলি পেলালোঁ,ৰৈ ৰৈ বৈছে উশাহৰ নৈ।মই যি কৰিবলৈ গৈ আছোঁ,তাৰ পাছত অনিৰুদ্ধৰ অভিব্যক্তি কি হ'ব মই নাজানোঁ।
তেওঁৰ সেমেকা চোলাটো হাতত তুলি লৈ আকৌ এবাৰ শুঙি চালোঁ।ক'লা প্লাজ'টোৰ ওপৰত পিন্ধি লৈছোঁ সেইটো।
খোলা ৰাখিছোঁ ওপৰৰ দুটা বুটাম।
আৰু তাৰ পাছত...
ৱাৰ্ডৰ'বটোৰ লগত সংলগ্ন আইনাখনত নিজকে চাই চাই ৰৈ আছোঁ।
গাৰ সমস্ত তেজ আহি মোৰ গালতেই আহি জমা হৈছে হি।

:কি কৰি আছা তুমি?
উচপ খাই উঠিলোঁ।আৰু মই ঘূৰি দিয়াৰ লগে লগেই তেওঁ বুজি উঠিল মই কি দেখুৱাব খুজিছিলোঁ।

হয়।
বুকুৰ সেই দাগটো,যি মোৰ অতীতৰ অন্ধকাৰবোৰ কঢ়িয়াই ফুৰিছিল, সেই দাগটোৰ ওপৰত মই এটা নাম লিখি পেলাইছিলোঁ।অনিৰুদ্ধৰ বাগদত্তা হৈ যেতিয়া ঘৰৰ পৰা ঘূৰি আহিছিলোঁ, বেংগালুৰুলৈ আহি প্ৰথম কাম এইটোৱেই কৰিছিলোঁ।কাৰণ মই সকলো পাহৰি অনিৰুদ্ধৰ সৈতে এটি নতুন জীৱন আৰম্ভ কৰাৰ সপোন দেখিছিলোঁ।এই দাগটোৰ স্থান সেই নতুন জীৱনত নাই,সেইবাবেই তাৰ ওপৰত খোদিত কৰিছিলোঁ মোক নতুন জীৱন দিয়া মানুহজনৰ নাম।
"Anirudh"
আৰু তেতিয়াৰপৰাই সেই ঠাইকণ মোৰ প্ৰিয় হৈ পৰিছিল,মই চুই চাব পৰা হৈছিলোঁ।আৰু যেতিয়াই চুইছিলোঁ,চকুপানীৰ সলনি হাঁহি এটা বিৰিঙি উঠিছিল।

ভাৱছিলোঁ, আমাৰ জীৱনৰ আটাইতকৈ ধুনীয়া ৰাতিটোত তেওঁ দেখিব নিজৰ নাম,সুখী হ'ব।
কিন্তু এতিয়া যে তেওঁ জনাৰ দৰকাৰ,মই কেতিয়াও তেওঁক পাহৰি যাব বিচৰা নাই,কোনোদিন আঁতৰি যোৱাৰ কথা ভবা নাই।
চিৰদিনৰ বাবে বুকুৰ মাজত সাঁচি ৰাখিব খোজা মানুহজন তেওঁৰ বাহিৰে আন কোনো নহয়,হ'বই নোৱাৰে।
মোৰ প্ৰথম,একমাত্ৰ আৰু শেষ ভালপোৱা অনিৰুদ্ধ!

সন্মুখত শব্দহীন অনিৰুদ্ধ, অপলক নেত্ৰে চাই ৰৈছে নিজৰেই নতুন ঠিকনা।
মোৰ বুকুৰ সোঁমাজত, জিলিকি আছে, “Anirudh”।
:মই যে কথাবোৰ ভালকৈ ক'ব নাজানো,সেইকাৰণে লিখি পেলালোঁ।আপুনি...
:Crazy woman...
:আৰু গালি নুশুনো।
কুছি মুচি সোমাই পৰিলোঁ তেওঁৰ বহল বুকুত।কান্দি কান্দি হাঁহিবৰ সময় এইয়া।
আমাৰ সময়,একান্তই আমাৰ।
বিৰহৰ সুৰ পাহৰি প্ৰেমৰ ৰাগত উতলা মোৰ বুকুৰ চিফুং ।
:Can I touch it?
:উম।
:বহুত বিষাইছিল চাগে ন।
তেওঁৰ আঙুলিৰ কোমল পৰশত কঁপি উঠিলোঁ।
:ওহোঁ।
:কিয় কৰিলা?
:মোৰ মন গৈছিল।
:বহুত দিগদাৰি দিছোঁ ন মই।
:থুপুতকৈ অকণমান বেছি।

গলি গলি শেষ হৈ গ'ল সকলো অভিমান।
মনৰ আকাশত ভালপোৱাৰ ৰামধেনু,দুগালত অবিৰৰ ৰং।
অনিৰুদ্ধই চুমাৰে উপচাই পেলাইছে মোৰ সমগ্ৰ মুখমণ্ডল।কিন্তু আজিৰ এই প্ৰেমৰ প্ৰকাশত নাই কোনো আদিম বাসনা।
এইয়া কেৱল আদৰৰ বিমূৰ্ত প্ৰকাশ।

:Ananya!
:Hmmmm.
:Look at me.
অনিৰুদ্ধৰ দুচকলৈ চালোঁ।

:I think I should leave. Everything must be so overwhelming for you. I am sorry for being so intimidating.I mean look at you!

এৰা,একেলেঠাৰিয়ে হোৱা টোপনি ক্ষতি, খোৱাৰ খেলিমেলি মোৰ শৰীৰত স্পষ্টকৈ দেখা পোৱা গৈছে।চকুৰ তলত ক'লা দাগ।তাতেই আজিৰ দিনটোৰ ভগৰে আৰু দুৰ্বল কৰি তুলিছে।

:You can stay if you wish!
:তুমি কিয় কৈছা মই জানো।মোক ভালপোৱাৰ প্ৰমাণ নালাগে অনন্যা।

এৰা,ভালপোৱাত প্ৰমাণ নালাগে।আজি যদি মই অনিৰুদ্ধৰ ওচৰত নিজকে সমৰ্পন কৰিব খুজিছো,সেইয়া হয়তো একমাত্ৰ তেওঁক হেৰুৱাই পেলোৱাৰ ভয়ত।মনত ইমানবোৰ ধুমুহা লৈময়োতো নোৱাৰিম সম্পূৰ্ণৰূপে তেওঁৰ হ'ব।

: I can't take advantage of your fragile state Ananya,but If I stay here I can't control my emotions as well. I must leave.

একো উত্তৰ নাছিল মোৰ ওচৰত।অনিৰুদ্ধই সকলোবোৰ কৈ দিয়াৰ আগতেই বুজে।আৰু নিজৰ মনৰ কথাবোৰ কোনো পৰ্দা নথকাকৈ কৈ দিবও পাৰে।

:ভোক লাগিছে?
:উম।বহুত।
:মই লৈ আনিছোঁ কিবা এটা।খাই শুই থাকিবা।
:আৰু আপুনি?
:মোৰ ডিনাৰ বনাই থোৱা আছে ঘৰত।
:অকলে খাব নালাগে, ইয়াত খাব লাগিব।
:ঠিক আছে।চাৰ্টটো দিবা নে মই এনেকৈয়ে যাম।
:Haww! মোৰ বাহিৰে এনেকৈ আৰু কোনেও চাব নোৱাৰিব কৈ দিছোঁ।
:Don't make this face, I will eat you up someday.

কুৰ্তিটো লৈ বাথৰুমলৈ দৌৰিলোঁ।

অলপ পিছত মই ভাল পোৱা পিজ্জা আৰু choco lava কেক লৈ অনিৰুদ্ধ আহিল।খোৱা শেষ কৰি তেওঁ যাবলৈ ওলাল।
:You have done enough damage to your health.শুই যাবা সোনকালে, মই ৰাতিপুৱা লৈ যামহি।

বৰষুণৰ পিছৰ আকাশখন মোৰ মনটোৰ দৰেই ফৰকাল।
খাবলৈ বহি থুপুলৈ ভিডিঅ’ কল কৰিলোঁ।সি ককাক চামুছেৰে পানী খুৱাই আছে।
:মো বউত কাম আথে, তা তা।
:অকণমান কথা পাতা সোন।
:মোক দে নিনিলা,থুমি বেয়া।
কেঞা আঙুলিটো দেখুৱাই কট্টি কৰি দেখুৱালে।
বাপেক পুতেক দুইটাৰে attitude একেই।

মোৰ বাবে জীৱনটো এতিয়া আলো-ছায়াৰ ছয়াময়া এখন ছবি।
নিজেই ধৰিব নোৱাৰি, মনিব নোৱাৰি।
শূণ্য বুকুত বৈ থাকে প্ৰেম,মমতাৰ নৈ, কোমল হৈ যাওঁ সময়ৰ লগত।শিল কঠিন মানুহজনীক পাহৰি পেলাওঁ।

কিন্তু সময়ে মোক কৈ থাকে বাৰে বাৰে “সলনি নহ’বি অনন্যা,জীয়াই থাকিবলৈ কষ্ট হ’ব”।

শুবলৈ লোৱাৰ অলপ পাছতে ফোন বাজিল, অনিৰুদ্ধৰ মাকৰ ফোন।যদিও হস্পিতালত থাকোঁতে প্ৰায় প্ৰতিদিনেই তেওঁৰ মাক-দেউতাকে ককাৰ খবৰ লৈ আছিল,আজি তিনি চাৰিদিন ধৰি এবাৰো ফোন কৰা নাই।এই বাৰ বজাত কিয় বা ফোন কৰিছে?

: নমস্তে আন্টি।
:মাফ কৰ দ’ বেটা ৰ’...

সঁচা কথা এটা লুকুৱাই ৰখা টান।যি ভয় কৰিছিলোঁ সেইয়াই হ’ল।অনিৰুদ্ধৰ আইতাকৰ সন্মুখত ধৰা পৰিল আমাৰ ফাঁকিবোৰ।থুপু যে অনিৰুদ্ধৰ সন্তান নহয় সেইয়া তেখেতে জানিব পাৰিছে।আমাৰ বিষয়ে অনিৰুদ্ধৰ মাক-দেউতাকৰ লগত আলোচনা কৰি থাকোঁতে ভুলবশত কথাটো ওলাই পৰিল।আৰু তাৰ পাছত সকলো খুলি ক’বলগীয়া হ’ল।যাৰ ফলত মোৰ সেইখন ঘৰত প্ৰৱেশ কৰাৰ বাটবোৰ বন্ধ কৰি দিয়া হ’ল।

:কি কৈছে আইতাই?
:তেওঁ জীয়াই থকালৈকে তুমি এইখন ঘৰত সোমাব নোৱাৰিবা।তোমাৰ মুখ চাব নোখোজে তেওঁ।
:হমম।

আকৌ মোক বাৰে বাৰে ক্ষমা খুজিলে মানুহগৰাকীয়ে।
:অনিৰুদ্ধই জানে নে?
:জানে,তাক আজি ৰাতিপুৱাই কৈছোঁ।বৰ খং কৰিছে।মোৰ লগত কথাই নাই পতা।তুমি বুজাবা প্লিজ।
:ঠিক আছে।আৰু মই আপোনাক বেয়া পোৱা নাই।এইটো কথা এদিন নহয় এদিন তেখেতে জানিলেইহেতেঁন।আপুনি মনটো বেয়া নকৰিব।সঁচা কথা ক'বলৈ হ'লে মই ফাঁকি দি সেইখন ঘৰত সুমাবলৈ বিচৰাও নাছিলোঁ।আৰু আইতাৰ খং উঠাটো স্বাভাৱিক।তেখেত নিজৰ জেগাত শুদ্ধ ।মই আপোনালোকক বেয়া পোৱা নাই আণ্টি।

নিজকে যেতিয়া অনিৰুদ্ধৰ আইতাকৰ ঠাইত ৰাখি চালোঁ,মানুহগৰাকীক মই বেয়া পাব নোৱাৰিলোঁ।মোৰ এই সাতাইশ বছৰীয়া জীৱনত যি বিচাৰধাৰা আৰু মানসিকতা মই গঢ়ি তুলিছোঁ, সেইয়া সলনি কৰিবলৈকে চোন মোৰ কষ্ট হয়।তেনেস্থলত তেখেতৰ আশী বছৰীয়া জীৱনৰ অভিজ্ঞতাৰে গঢ় লোৱা বিচাৰধাৰা হঠাতে সলনি কৰেই বা কেনেকৈ?সেইয়া শুদ্ধ নে অশুদ্ধ সেইয়া পিছৰ কথা।
সকলো কথা কেৱল মোৰ আৰু অনিৰুদ্ধৰ দৃষ্টিৰে চোৱাতো জানো উচিত হৈছে!

:মই এতিয়া বুজিছোঁ,অনিয়ে কিয় ইমান ভাল পায় তোমাক।মই আৰু পাপা তোমালোকৰ সৈতে সদায় আছোঁ ।আমি তোমাক নিজৰ হেৰাই যোৱা ছোৱালীজনী বুলিয়েই মানি লৈছোঁ।কিন্তু মাক জোৰ কৰি আমি এইবোৰ কথা মনাব নোৱাৰোঁ।তেখেত অলপ খঙাল।বুজি পাইছা ন?
:বুজিছোঁ আণ্টি।
:মোক মা বুলি মাতিবলৈ বেয়া পোৱা?
অলপপৰ ঠৰ লাগিলোঁ।কথাবোৰ তেনেকৈ ভবাই যে নাছিলোঁ।আৰু মোৰ বাবে গোটেই কথাবোৰ কিমান বেছি নতুন আৰু অনাকাংক্ষিত সেইটো বুজাও কেনেকৈ?
:আণ্টি,মই এতিয়াও নাজানো মোৰ আচল মা কোন।যিগৰাকীক মা বুলি এতিয়া মাতি আছোঁ তেওঁৰ লগত সম্পৰ্কটো ভাল হওঁতেই জীৱনৰ ভালেখিনি সময় গুচি গ'ল।সেইবাবে মোৰ বাবে কথাবোৰ ইমান সহজ নহয়।আপোনাক মই যিদিনাই অন্তৰেৰে মা বুলি গ্ৰহণ কৰিম,নিশ্চয় মা বুলিয়েই মাতিম।কিন্তু কিছুমান বস্তু কেৱল কৰিব লাগে কাৰণেই মই কৰিব নোৱাৰোঁ।

:মই বুজি পাইছোঁ।অনিৰুদ্ধই এনেই নকয়, তুমি আনতকৈ বেলেগ।তুমি যিমানেই নিজকে কঠোৰ বুলি নাভাবা কিয়,তুমি আচলতে খুব কোমল মনৰ ছোৱালী।সদায় এনেকৈয়ে থাকিবা 'চ'না বেটা'।আৰু সেই দিনটোৰ বাবে ৰৈ থাকিম,যিদিনা তুমি মোক মা বুলি মাতিবা। ।অনিৰ লগত কথা পাতি মোক জনাবা দেই

:হ'ব।

ফোনটো লৈ ৰৈ থাকিলোঁ বহু পৰ।এইবাবেই যে সপোন দেখিবলৈ ভয় কৰোঁ মই।দেখা নাছিলোঁ কেতিয়াও।অনিৰুদ্ধৰ ঘৰৰ দুৱাৰ বন্ধ মোৰ বাবে।হ'ব।মানি লৈছোঁ।অনিৰুদ্ধৰ বুকুৰ দুৱাৰ তো খোলা আছে সদায়।আৰু ঘৰ সেইখনেই,য'ত আমি ভালপোৱা মানুহবোৰ থাকে।

তেওঁলৈ ফোন নকৰিলোঁ।মানুহক খং কৰিবলৈ, দুখ কৰিবলৈ, অভিমান কৰিবলৈকো যে অকণমান নিজা সময় লাগে।মই জানো তেওঁ নিজেই মোক এই কথাটো ক'ব।নোকোৱাকৈ থাকিব নোৱাৰে।
শোৱাৰ সময়ত থুপুৰ ফটোখন চাই চুমা এটা খাই শুই যাওঁ, আজি সেইকণ মৰমৰ ভাগ অভিমান কৰি থকা অনিৰুদ্ধৰ ফটোখনকো দিয়া হ'ল।

অফিচত সম্পূৰ্ণ এটা সপ্তাহ লাগিল সকলো ফৰ্মেলিটি শেষ কৰি কামৰ দায়িত্ব সম্পূৰ্ণৰূপে এৰিবৰ বাবে।যিহেতু মই 'Buy Out' ৰ সুবিধা লৈছিলোঁ, সেইবাবে সম্পূৰ্ণ তিনিমাহৰ নটিছ পিৰিয়দ ছাৰ্ভ কৰিব লগীয়া নহ'ল।কিন্তু তাৰ বিনিয়মত এটা নিৰ্দিষ্ট পৰিমাণৰ টকা দিব লগীয়া হ'ল।সুৰেশ আৰু অমৃতে পৰথমদিনাই মোক মাতি খুব ভালকৈ কথা পাতি বুজাবলৈ চেষ্টা কৰিছিল যাতে মই মোৰ সিদ্ধান্ত সলাই পেলাওঁ।তেওঁলোকে ভাবি লৈছিল যে মই কেৱল অমৃতৰ সেই মেইলটোৰ বাবেই চাকৰি এৰিছোঁ।শুনি হাঁহি উঠিছিল।কিমান কি সহিছোঁ মই, এইটো তাৰ তুলনাত তেনেই সাধাৰণ কথা।ককাৰ অসুখৰ বাবে হে যে মই এইটো সিদ্ধান্ত লৈছোঁ বুজাই ক'লো।

যদিও আশা কৰা নাছিলোঁ গোটেই টিম একেলগ হৈ মোৰ বাবে কেক এটা কাটি ফেয়াৰৱেল পাতিলে।আনকি ভিডিও কল কৰি সুভাষিণীও যোগ হ'ল।কোলাত অকণমানি কেঁচুৱাটো লৈ মোৰ বিষয়ে দুআষাৰ ক'লে।নাজানো কিয়, কাৰোৰে প্ৰতি মনত কোনো অভিযোগ নৰখাকৈ বিদায় ল'লো।টানিয়া আহিও ধুনীয়াকৈ কথা পাতিলে।আগতে যদি কিবা বেয়া ব্যৱহাৰ কৰিছিল তাৰ বাবে ক্ষমা খুজিলে।ময়ো মনৰ সকলো তিক্ততা আঁতৰাই ৰাখিলো।কাৰণ মোৰ বাবে এই মানুহবোৰ আকৌ অচিনাকি হৈ পৰিব।

কৃতিকা আৰু হিবা মোৰ লগে লগেই থাকিল গোটেই দিনটো।ডেস্কৰ বস্তুবোৰ খালি কৰোঁতে মনটো বেয়া লাগিছিল।হাজাৰ স্মৃতি আছে এই ঠাইখিনিত, অনিৰুদ্ধৰ সৈতে কিমান যে কথা, খুঁত খাত লাগিলোঁ এইখিনি ঠাইত।এটা এটাকৈ সৰবোৰ মনত পৰিল।সকলোৰে পৰা হাঁহিমুখেৰে বিদায় ল'লো।আহিবৰ সময়ত সুৰেশ আহি ক'লে
:Anytime you want to join us, please feel free to contact me, okay?
:Sure Suresh!
:You are a very hard working woman, very rare to find. But you definitely need to work on your personality, you cant be so brutally blunt. Just an advice.

অমৃতে হাঁহি হাঁহি কোৱা কথাষাৰ মিছাও নহয় মই জানো।মই এই কৰ্মক্ষেত্ৰৰ বাবে টেকনিকেলি ফিট হ'লেও প্ৰফেচনেলি এতিয়াও হোৱা নাই।সেই কথা মই মানি লৈছোঁ।কিন্তু এই লৈ আক্ষেপ নাই।সকলোবোৰ অভিজ্ঞতা সামৰি ৰাখিম।হাতত টানিয়াই তুলি দিয়া গিফ্টৰ টোপোলাটো তুলি মিশ্ৰিত অনুভৱ লৈ অফিচৰ শেষৰ দিনটো সামৰি ঘৰলৈ উভতিলোঁ।লগত হিবা।তাই আজি মোৰ লগতেই থাকিব।অলপ পিছত আয়ুকো মাতিছোঁ।অনিৰুদ্ধ নাহে,আজিৰ নিশাটো বন্ধুৰ নামত।মই মাতোঁতে ক'লে
:কাইলৈ আবেলি হে ফ্লাইট, দিনটো মোৰ লগত থাকিবা, লাঞ্চ একেলগে কৰিম।

ঘৰটো সম্পূৰ্ণ খালি, টিভি আৰু ফ্ৰীজ আয়ুৰ ৰুমত,সি আকৌ মোক পইচা দিয়ে সেইকেইটাৰ কাৰণে।গালি খাই মনে মনে থাকিল।পাকঘৰৰ সৰু সুৰা বস্তুবোৰ সহায়কাৰী মহিলা গৰাকীক দি দিলোঁ।ককাৰ ডাঙৰ বিচনাখন বিক্ৰী কৰি দিলোঁ।

মাটিত পাৰি থোৱা মোৰ সৰু মেট্ৰেছ খন আৰু এখন নিৰ্দিষ্ট বিচনা চাদৰ অনিৰুদ্ধই কাকোৱেই দিবলৈ নিদিলে।সেইখন তেওঁৰ।কাৰণ এটি বিশেষ নিশাৰ সাক্ষী সেইয়া।মোক কৈছিল
:আধৰুৱা হৈও ধুনীয়া আছিল সেই নিশাটো।মোৰ বাবে সদায় বিশেষ।
নিদিলোঁ কাকো।কাইলৈ যোৱাৰ আগতে ভালকৈ সামৰি অনিৰুদ্ধৰ হাতত গতাই দিব লাগিব।

গেছটো হিবাই নিব,তাই নিজাকৈ ৰুম এটা লোৱাৰ কথা ভাবিছে।স্বামীয়ে লগ কৰিবলৈ আহিব বিচাৰে।কথাটো কওঁতে গোটেইজনী লগতে ৰঙা চিঙা পৰিছে।মানুহজনে খুব মৰম কৰে তাইক।তাইৰ খুব ভাল বন্ধু হৈ পৰিছে।ভায়েকৰ যত্ন লয়,মাকৰ প্ৰতিটো প্ৰয়োজনৰ সময়ত নিজ পুত্ৰ দৰে কাষত থাকে।

আয়ু আৰু তাই আজি দুয়োটা একেলগে আহিব খোজা নাছিল।মই জোৰ কৰাত মান্তি হ'ল।দুয়োটাকে এসাজ নিজ হাতেৰে ৰান্ধি খুৱালোঁ।খুব কথা পাতিলোঁ।পুৰণা কথাবোৰ পাতোঁতে দুয়োটা লাহে লাহে সহজ হ'ল।আয়ুক দুইজনীয়ে খুব জ্ঞান দিলোঁ।দুয়োটাৰে মাজৰ অসহজ বোধ নাইকিয়া হ'ল।
ককা আৰু থুপুৰ লগত ভিডিঅ' কল কৰি সৰেই কথা পাতিলোঁ।
:পেটু মামা, থুমি মোলে আও এটা নঙা মানু (ৰঙা মানুহ) দিবা?
আইৰণ মেনৰ পুতলা এটা লাগে তাক, আগতে দিয়াটো নিজেই গা ধুৱাই ধুৱাই অৱস্থা নাইকিয়া কৰিলে।
হিবাক আজি বিয়া পাতিম বুলিয়েই কৈ দিলে।ইমানেই ধুনীয়া দেখে সি।
ককাৰ স্বাস্থ্য আজি যথেষ্ট ভাল দেখিছোঁ।থুপুৰ লগত থাকিলে এনেও মানুহৰ মনবোৰ ভাল হৈ থাকে।আৰু মন ভাল মানেই শৰীৰৰ আধা বেমাৰ ভাল হৈ যায়।ককাই কথাৰ মাজতে মোক ক'লে

:ইহঁতক কিবা ভাল উপহাৰ এটা দিবি।মোৰ ফালৰপৰা।
:হ'ব ককা।
:অনিৰুদ্ধই সদায় ফোন কৰি আছে, আজি মোলৈ কিবা এটা দিছে নহয়।মাৰে ক'ব ৰ।

অনিৰুদ্ধই ককাৰ বাবে এটা সম্পূৰ্ণ health kit পঠিয়াই দিছে আজি।থুপুৰ কাৰণেও learning kit এটা।সেইবোৰ মোক কিন্তু কেতিয়াও নকয়।মৰম লাগে এইবোৰ কথাতে।

মই ৰন্ধা ছাগলী মাংস, হিবাই ৰন্ধা পোলাও আৰু চিকেন ড্ৰাই ফ্ৰাই খাই তিনিওটা মাটিতে পৰি আছোঁ।কথাৰ যে শেষেই নহয়।

মাজ ৰাতি আয়ু গুচি গ'ল।হিবা মোৰ লগত থাকিল।

:হিবু, মুঝে এক হেল্প ছাহিয়ে।

মনৰ মাজত পুহি ৰখা এটা ইচ্ছা তাইৰ আগত ব্যক্ত কৰিলোঁ।
:তুম চিউৰ হ' অনন্যা।
:হা।

মোৰ ফ্লাইট আচলতে কাইলৈ নাই, পৰহিলৈ আছে।দেওবাৰ সেইদিনা।কেৱল অনিৰুদ্ধক হে কাইলৈ বুলি কোৱা হৈছে।তেওঁৰ বাবেই বিশেষ কিবা এটা ভৱা হৈছে।ঠিক তেওঁৰ বাবেও নহয়,'আমাৰ বাবে'।

যাৰ বাবে মোক হিবাৰ সহায় লাগিবই।

পিছদিনা দুইজনী ওলাই গৈ দৰকাৰী বস্তুবোৰ কিনিলোঁ।অনিৰুদ্ধক মিছা কথা ক'বলগীয়া হৈছে বাৰে বাৰে।ফ্লাইট delay হ'ল,হিবাৰ গা বেয়া কাৰণে তাইৰ ৰূমলৈ আহিছোঁ ইত্যাদি ইত্যাদি।চাৰি মান বজাত তেওঁৰ খং তুংগত উঠিল।
:মই তোমাৰ ঘৰৰ সন্মুখত আছোঁ।ক'ত আছা তুমি?
:মই এয়াৰপোৰ্ট পালোহি, ইমান খেলিমেলি আজি ফ্লাইটৰ।সেইকাৰণে আপোনাক ফোন কৰিবলৈ সময়েই নহ'ল।
আৰু একো কোৱাৰ সুযোগ নিদি ফোন কাটি দিলে তেওঁ।

ঠিক আঠ মান বজাত আমাৰ কামবোৰ শেষ হ'ল।হিবা নিজৰ ৰূমলৈ গুচি গ'ল।অনিৰুদ্ধই মোৰ ফোন নুঠায় এতিয়া মই জানো।
সেইবাবে এটা দীঘলীয়া মেছেজ লিখিবলগীয়া হ'ল।

“সপোন এটা ময়ো দেখিছিলোঁ অনিৰুদ্ধ!
ৰৈ আছোঁ, একেখিনি ঠাইতে....আধৰুৱা স্মৃতি লৈ ঘূৰি যোৱাৰ ইচ্ছা যে মোৰ নাই।এই চহৰখনে মোক জীয়াই তুলিলে, অসম্পূৰ্ণ কৈ একোৱেই এৰি যাব নোখোজোঁ ।

আৰু এটা অনুৰোধ.. মই আপোনাক ঠিক তেনেদৰেই চাব বিচাৰোঁ, যিদিনা প্ৰথম বাৰৰ বাবে দেখিছিলোঁ। Please come soon”

মেছেজ চিন হোৱাৰ পিছমুহূৰ্ততে ফোন বাজিল।
:What is this?Are you mad?
:ৰৈ আছোঁ।সোনকালে আহিব প্লিজ।বাই।
:নাযাওঁ মই।
:মই গৈ লৈ আহিম।

ফোনটো কাটি দিলে।

বহুসময় অপেক্ষা কৰিলোঁ।হয়তো খং কম নাই।

চাৰে দহ বজাত কলিং বেল বাজিল।
মোৰ অনুৰোধ ৰক্ষা কৰি সেই একেযোৰ চুইট পিন্ধি আহিছে তেওঁ।মাত্ৰ চকুত সোণালী ফ্ৰেমৰ চছমাযোৰৰ ঠাইত ব্লু কালাৰৰ লেন্স।
সাগৰ গভীৰ চকু কেইটা এতিয়া সাগৰৰ দৰেই নীলা।

ঘৰটোলৈ সোমাই আহি ডাঙৰ হৈ গ'ল তেওঁৰ ধুনীয়া চকুহাল।

:You did all this?
:Hiba also helped.I needed some “we” time.

ফেৰী লাইটৰ টিপ টিপ পোহৰ, বিছনাৰ কাষৰ সৰু গ্লাছৰ বাউলটোত থকা ফ্ল'টিং কেণ্ডেল কেইডাল, অ'ত ত'ত সিচৰতি হৈ থকা গোলাপৰ পাহি বোৰ,পকাত লগাই থোৱা ডাঙৰ ডাঙৰ চেণ্টেড কেণ্ডেল কেইডালৰ সুগন্ধি আৰু মোৰ লেপটপত বাজি থকা অনিৰুদ্ধৰ এটা প্ৰিয় গীত।অৰিজিত সিঙৰ কণ্ঠত বাজি আছে

“আজ জানে কি জিদ না কৰ' “

:মিছা কথা কোৱাৰ বাবে ছৰী।

:I want to see you properly.

আন দিনাতকৈ সৰুকৈ ওলাইছে অনিৰুদ্ধৰ মাতটো।বেছি পোহৰৰ লাইট টো নিজেই অন কৰি দিলে তেওঁ। সন্মুখত লাজৰ আৱৰণ আৰু মায়ে দিয়া ৰঙা কাপোৰযোৰেৰে ঢাকি থোৱা মোৰ নতুন ৰূপটো দেখি আকৌ

এবাৰ আচৰিত হ'ল তেওঁ।অনিৰুদ্ধই ভালপোৱাৰ দৰেই খোলা চুলি,সামান্য কাজল আৰু ষ্ট্ৰ'বেৰী লিপবামৰ সামান্য আভাস।দুহাতত হিবাই আঁকি দিয়া মেহেন্দিৰ উজ্জ্বল ৰং।অনিৰুদ্ধই ভাল পোৱা সুগন্ধি।
সোণালী ৰঙৰ মিহি পায়েলযোৰ আৰু ককালত সৰু সৰু পাথৰৰ কমৰবান্ধডালৰ বাহিৰে মোৰ শৰীৰত আন একো গহনা নাই।
সিদিনা হিবাৰ বাবে উপহাৰ কিনিবলৈ যাওঁতে তেওঁ বাৰে বাৰে কৈ থকা বাবে কিনি পেলাইছিলো এই দুপদ গহনা।তেওঁৰ কইনা হওঁতে পিন্ধিবলৈ বুলি।

:Ananya!
:Hmm.
:Pinch me please!

তেওঁৰ সন্মুখত আঁঠু কাঢ়ি বহিলো।পিছফালে লুকুৱাই ৰখা গোলাপফুল পাহ তেওঁৰ সন্মুখত দাঙি ধৰি সুধিলো..

:Mr Anirudh, will you please marry me?

হাঁহি হাঁহি কান্দিছে অনিৰুদ্ধই।হাতখন মুঠি মাৰি মুখত লগাই ঘন ঘন উশাহ লৈছে।
একো ক'ব নোৱাৰে এতিয়া, মই জানো।মোৰ সৈতে পকাতে আঁঠু কাঢ়ি তেওঁ ও বহিল।চকুৰ জিলমিল পানীবোৰ মোহাৰি দিলোঁ।

:অনিৰুদ্ধ,কাইলৈ কি হ'ব মই নাজানো, জানিব নিবিচাৰোঁ।এইখন চহৰ এৰি যাবলৈ কষ্ট হৈছে মোৰ।কাৰণ এইখন চহৰে এজনী আন্ধাৰ ভালপোৱা ছোৱালীক পোহৰমুখী কৰি তুলিলে।ভাল পাবলৈ শিকালে।মোক মোৰ জীৱনৰ প্ৰথম ভালপোৱা দিলে..

থুপুৱে মোৰ সাধুবোৰ শুনাৰ দৰেই একান্তমনে শুনি আছে অনিৰুদ্ধই।

:Today is the day, I want to live like your wife Anirudh!
I dont want to care about tomorrow anymore!
বহুত ভাবিলোঁ, বহুত সহিলোঁ।আজিৰ এটা দিন মই থুপুৰ মাক, মাৰ জীয়েক বা ককাৰ নাতি হৈ জিয়াব বিচৰা নাই।
অনন্যা হৈ জিয়াবৰ খুজিছোঁ আজিৰ নিশাটো।

অনিৰুদ্ধই জানে, মই আজিলৈকে কোনো কথাতে সমাজৰ স্বীকৃতি বিচৰা নাই।আমাৰ মিলনকো কোনো স্বাক্ষৰিত কাগজ বা হোমৰ জুইৰ অনুমতিৰ দৰকাৰ নাই।

দুটি আত্মাৰ মিলন কেতিয়াবাই হৈছে, অনন্যা আৰু অনিৰুদ্ধ কেতিয়াবাই এক হৈ গৈছে।আজি মাথোঁ সেইয়া উপলব্ধি কৰাৰ হে আকাংক্ষা।

অনিৰুদ্ধ থিয় হ'ল,লগে লগে মই।বুকুৰ উশাহ ঘন।

:I am sorry if..
:Shhh

দীঘলীয়া সময়ৰ বাবে মোক চুপ কৰি ৰাখিলে এযোৰ ওঁঠে ।সৰল দুবাহুত লৰচৰ কৰিব নোৱাৰাকৈ স্থিৰ কৰি ৰখা হ'ল।অনিৰুদ্ধৰ ব্লেজাৰ, ৰেষ্ট ক'ট,টাই এপদ এপদকৈ আঁতৰাই গৈছে তেওঁ।মমবোৰৰ দৰেই গলিছে প্ৰতিটো উশাহ, প্ৰতিটো স্পৰ্শত প্ৰাণ পাই উঠা অস্ফুট শব্দবোৰ।

দুহাতেৰে তুলি নি শুৱাই দিলে মাটিত সজাই থোৱা বিচনাখনত।

ৰঙা চাদৰ একাষৰীয়া কৰি মোৰ বুকুত স্থায়ী ঠিকনা বিচাৰি লোৱা তেওঁৰ নামৰ আখৰ কেইটাত সমস্ত অধিকাৰেৰে ওঁঠ গুজি দিলে অনিৰুদ্ধই।শিয়ঁৰি উঠিলোঁ।জুনুককৈ বাজি উঠিল ভৰিৰ পায়েল।মোৰ শৰীৰৰ সমানেই কঁপিছে নাভিত জিলিকি থকা কমৰবান্ধ।
হাতেৰে খামুচি ধৰিলোঁ পাতল গুলপীয়া বিচনা চাদৰ খন।
ভ্ৰূক্ষেপ নাই অনিৰুদ্ধৰ।
আজিৰ নিশাটোৰ লগত যেন এক আঘোষিত প্ৰতিযোগিতাত নামিছে তেওঁ।ঘড়ীৰ কাটাৰ লগত এপল দুপলকৈ টুটি অহা ৰাতিটোক চেৰ পেলাবলৈ তেওঁ যেন আজি বদ্ধপৰিকৰ!
নিশা যিমানেই গভীৰ হৈছে,গভীৰতৰ হৈছে প্ৰতিটো স্পৰ্শ।
দীঘলীয়া বিচ্ছেদৰ পূৰ্বে চলিছে প্ৰাপ্তিৰ এক নতুন আখৰা।
নাই কোনো ব্যৱধান, নাই কোনো আধৰুৱা আৱেগ।
আজি যেন সকলো সম্পূৰ্ণ,মই, অনিৰুদ্ধ, আমাৰ অভিমানত আধৰুৱা হৈ ৰোৱা হাজাৰটা ভালপোৱাৰ মিঠা মিঠা মুহূৰ্ত।
মোৰ দেহৰ প্ৰতিটো কোণত প্ৰথমবাৰৰ বাবে ভালপোৱাৰ মিঠা পৰশ।
ড্ৰাগছৰ নিচাত অনুভৱ কৰিব নোৱাৰা সকলো অনুভৱ আজি মই সামৰিব পাৰিছোঁ।
প্ৰথম বাৰৰ বাবে জী উঠিছোঁ পুৰুষৰ স্পৰ্শত।
নিচা মোৰ আজিও লাগিছে, অনিৰুদ্ধৰ নিচা, ভালপোৱাৰ নিচা।

বাৰে বাৰে কাণত ওঁঠ গুঁজি অনিৰুদ্ধই সোঁৰৱাইছে মোক

:I love you Ananya!
:হমম।
:Say you won’t leave me again.. say it!
অনিৰুদ্ধৰ নীলা চকুকেইটা মমৰ পোহৰত আৰু বেছি সুগভীৰ হৈ ধৰা দিছে।কপালত বিৰিঙি আছে ঘামৰ কণিকা।
উফ!
কিয় অনিৰুদ্ধই নুবুজে, কথা কোৱাৰ শক্তি যে হেৰুৱাই পেলাইছোঁ মই।
সকলোবোৰ চোন খেলিমেলি,ৰঙা বুটা বচা কাপোৰযোৰ, মোৰ চুলিখিনি,দুচকুৰ কাজল, ওঁঠৰ বোল...
:I won’t..

অনিৰুদ্ধই সম্পূৰ্ণ কৰি তুলিলে এটি সন্তানৰ মাতৃ হৈয়ো ভালপোৱাৰ স্পৰ্শ নোপোৱা এগৰাকী নাৰীক।

অজানিতে মোৰ চকুৰ পৰা দুটোপাল পানী বৈ আহিছে।দুচকুত চুমা আঁকি চুলিত হাত ফুৰাই দিছে অনিৰুদ্ধই।

:Are you alright?

লাজ এটাই আৱৰি ধৰিলে।
:Hmm.
:Sleep now, it’s almost morning!

তেওঁ বুকুৰ মাজত সুমুৱাই চুলিত আঙুলি বুলাই দিলে।টোপনি আহিল।

সাৰ পাইছোঁ যদিও চকু কেইটা মেলিবৰ মন যোৱা নাই।খেপিয়াই চাওঁ অনিৰুদ্ধ মোৰ কাষত নাই।জোৰ কৰি চকু মেলি দেখোঁ, ককাই পাতি যোৱা থাপনা খনৰ সন্মুখত ধূপ জ্বলাই চকু মুদি বহি আছে তেওঁ।নয়নভৰি চাইছোঁ প্ৰাৰ্থনাৰ দৰেই নিৰ্মল মোৰ প্ৰিয়তম পুৰুষক।যেন কোনো চিত্ৰকৰে অঁকা ছবিহে,যাক সাঁচি ৰাখিব পাৰি বুকুৰ দেৱালত।

:সাৰ পালা?
:উম।
তেওঁ গা ধুই কাপোৰ কানি পিন্ধি ৰেডি।কেৱল সেয়াই নহয়, মোৰ কাপোৰযোৰ, তেওঁৰ ব্লেজাৰটো, টাই ডাল, ৰেইন্তকোট সকলোবোৰ ধুনীয়াকৈ জাপি চকীখনত থৈ দিছে।
বগা চাৰ্ট আৰু নেভি ব্লু ফৰ্মেল পেণ্টটোৰ লগত তিতা খেলিমেলি চুলিখিনিহে একেবাৰেই মিলা নাই।

:আপুনি কেতিয়াবাই উঠিলে?
:এঘণ্টা মানৰ আগত। Had to buy this.
টুথব্ৰাছ কিনিবলৈ যাব লগীয়া হ'ল বেচেৰা।
:ফ্লাইট দুই বজাত ৰাইট?
:হম।
:ৰেডি হোৱা সোনকালে, জৰুৰী কাম এটা আছে।
:আজি???
:Yes!Now go get ready.
মোৰ অসহজ পৰিস্থিতি তেওঁ বুজি পালে। পাতল চাদৰখনেৰে যিমান পাৰোঁ ঢাকি ৰাখিছোঁ নিজক।
:মই গাড়ীখন চাই আহোঁ।
দৰ্জাখন জপাই তেওঁ ওলাই গ'ল।বাথৰুমত সোমাই বহুত সময় আইনাত নিজকেই চাই থাকিলোঁ।
এজনী নতুন 'অনন্যা',অনিৰুদ্ধৰ 'অনন্যা'।
তন্দ্ৰালস দুচকুত উজাগৰী নিশাৰ মিঠা মিঠা আৱেশ, গাল দুখন ৰঙা।
স্বাৱাৰটো খুলি চকু কেইটা জপাই দিলোঁ।

অনিৰুদ্ধৰ কথামতেই বগা চুৰিডাৰ পিন্ধি ৰঙা দুপাত্তা এখন লৈ ওলাই আহিছোঁ।মোৰ ঘৰৰপৰা অলপ আঁতৰত থকা ডাঙৰ শিৱ বাবাৰ মন্দিৰটোত তেওঁ গাড়ী ৰখালে।মোৰ হাতত ধৰি মন্দিৰৰ ভিতৰলৈ লৈ গ'ল।
:জৰুৰী কামটো যে কৈছিলোঁ।
ভগৱানত অগাধ বিশ্বাস তেওঁৰ।এতিয়া যে মোৰো জন্মিছে।
আৰতিৰ থাল খনত হাত ফুৰাই মোৰ মুখত লগাই দিলে।
চন্দন আৰু সেন্দূৰ মিহলি ফোঁট এটা আঁকি দিলে কপালত।
সেৱা কৰা সময়তো মোৰ হাত খন এৰি নিদিলে তেওঁ।

:Now you are officially mine.

ভগৱানৰ সন্মুখত আন এজন ভগৱানে মোক আকৌ জীয়াই তুলিলে।

নিজ পিতৃ মাতৃৰ পৰিচয় নজনা, এসময়ত কেৱল নিচাৰ মাজতেই ডুবি থকা, এটা অবৈধ সন্তানৰ মাতৃৰ শিৰত আঙুলিত ৰৈ থকা অৱশিষ্ট সেন্দূৰ খিনি সানি দিলে অনিৰুদ্ধই।

ইয়াতকৈ বেছি ভালপোৱা মানুহে সহিব পাৰেনে?
কোনেও নেদেখাকৈ পণ্ডিতজীৰ লগত কথা পাতি থকা অনিৰুদ্ধৰ ভৰিত হাত থৈ ময়ো ভগৱানক কিবা এটা বিচাৰিলোঁ।

চহৰখন এৰিবলৈ মোৰ কষ্ট হৈছিল।বহুত বেছি কষ্ট হৈছিল।অনিৰুদ্ধ, আয়ু আৰু হিবাক মই বুকুত বান্ধি লগতে লৈ আহিছিলোঁ।

“মিছ কৰিম বহুত,সোনকালে ঘূৰি আহিবা প্লিজ”
“তুম ৱাপছ জৰুৰ আনা অনন্যা”
“ভালেই হৈছে তই যাৱগৈ, কামোৰ হৈ গৈছিলি অলপ”

তিনিওটাৰে সেমেকা মুখ কেইখন এয়াৰপোৰ্টৰ বাহিৰত এৰি মই গুচি আহিছিলোঁ।গোটেই বাটটো পুৰণি স্মৃতিবোৰ সুঁৱৰি আহোঁতে কেতিয়া অসম পালোহি গমেই নাপালোঁ।যোগেশ দা ৰৈয়ে আছিল।ঘৰ পাওঁতে ন বাজিবৰ হ’ল।
আজি ঘৰৰ বাৰাণ্ডাত কোনো বহি থকা নাই।একেবাৰেই শান্ত পৰিৱেশ।থুপুৰো দেখা দেখি নাই।ভিতৰলৈ সোমাই যাওঁতে ককাৰ
ৰুমত তাক দেখিলো।দৌৰি আহিল মোক দেখি।

:থুমি কেনে কুকাই গৈথিলা।মই কানিছিলো।

কপালত এটা মস্ত টেমুনা।পৰিলে চাগে ক’ৰবাত।

:এয়া কি হ’ল থুপু?

সি ফেঁকুৰি ফেঁকুৰি কান্দিবলৈ লাগিল।কেতিয়াও সি এনেকৈ কন্দা নাই।মূৰটো মোৰ কান্ধতে পেলাই দিছে। মাৰ তেতিয়ালৈ দেখাদেখি নাই।বেগবোৰ তৰাক আনিবলৈ কৈ ককাৰ ওচৰলৈ গ’লো।
:পালিহি গোসাঁনী, যা যা হাত ভৰি ধুই কিবা এটা খাই ল।
:মা নাই নেকি?
:আছে, ৰুমতে আছে নেকি চাগে।জিৰাইছে অকণমান।
ককাই ফাঁকি দিছে মোক।এইটো সময়ত মা কেতিয়াও বিছনাত নপৰে।
:মোক দে ধুম কই দিঠিলে?
:কোনে?
সি নকয়।তাক কোলাত লৈ মাৰ ওচৰ পালোগৈ।অসময়ত মা কেতিয়াও নুশুৱে।দুবাৰ মান মতাৰ পিছত মায়ে উঠি চালে।চকু কেইটা ৰঙা হৈ ফুলি আছে।

:এইবাৰ কি কৰিলে?
:তই আহিছ হে ৰ চোন।
:থুপুক কোনে মাৰিলে?
হাতৰ মুঠি টান হৈ আহিছে মোৰ।যেন সন্মুখত যাকে পাম তাকেই মাৰি দিম মই এতিয়া।
:ককাৰ লগত কালি ৰাতি আকৌ লাগিছে।বেমাৰী মানুহজনকো এৰা নাই ।থুপু তাতে খেলি আছিলে।তই ফোন কৰাৰ অলপ পাছতে।মই পাকঘৰত ইহঁতক ইটো সিটো চাই দিছোঁ।শুনি আছোঁ বাপেৰৰ অসভ্যলি বোৰ।সম্পত্তি লাগে,ঘৰটো লাগে, ককাই যোগেশক কিবা দি থৈছে বোলে সেই লৈও কাজিয়া।থুপুৰ চিঞৰ শুনি দৌৰি গৈছোঁ।সি বেচেৰাই কিনো বুজে,তৰাই আঁতৰাই নিয়া পাছতো দৌৰি দৌৰি ককাৰ ওচৰ পায়গৈ।মানুহটোৱে জানি কৰিলে নে নেজানি কৰিলে গম নাপাওঁ, কিন্তু ইয়াক যিটো শব্দ কৈ গালি পাৰিলে, মই নোৱাৰিলোঁ সহিব।ককাৰ সন্মুখতে এক চৰ লগাই দিলো।মোক পাপে চুলেও চুব।মোক মাৰিবলৈ খেদি আহিছিল।থুপুৱে ভয় খাই কান্দোতে তাকো যিটো ঠেলা মাৰিলে, বেচেৰা চকী খনত মূৰটো দি পৰিল গৈ।

:কি কৈছিল ইয়াক?
:নালাগে শুনিব তই।থুপু তুমি তৰা জেঠাই ওচৰলৈ যোৱা সোন।
:নাই না, নাই না।
থুপুৱে আৰু অলপ জোৰেৰে মোক সাৰটি ধৰিলে।মই জানো দেউতাই কি কৈছিল।সকলো বুজি পাওঁ।'জহৰা' শব্দটো আগতেও শুনিছোঁ তেওঁৰ মুখত।তেতিয়া মোৰ বাবে ওলাইছিল, এতিয়া থুপুৰ বাবে।
:ফোন কৰা, এতিয়াই মাতা ইয়ালৈ।
:মাজু শুনচোন।
ৰ'বলৈ সময় মোৰ ওচৰত নাই।একেবাৰেই শান্ত ভাৱে ফোন কৰিলোঁ অধীৰ গোস্বামীলৈ।একো যেন হোৱাই নাই তেনেকৈ কথা পাতিলে।ঘৰলৈ মাতিলোঁ।ক'ত আছে সুধিবৰ প্ৰয়োজন বোধ নকৰিলোঁ।আধা ঘন্টা মানৰ পিছত ওলালহি।লগত এজন অচিনাকি মানুহ।থুপুৰ কাৰণে এসোপামান খেলা বস্তু, চকলেট লৈ আহিছে।
:কালি কি হ'ল মই গম পালোঁ।
:সৱ মাৰৰ কাৰণে হৈছে।
:আপোনাৰ গাত এতিয়াও একো দোষ নাই ন?
:মই নিয়মিত দৰৱ খাই থকা মানুহ।মোৰ চিকিৎসা চলি আছে।মেণ্টেল ট্ৰিটমেণ্ট চলি থকা মানুহৰ লগত কেনেকুৱা ব্যৱহাৰ কৰিব লাগে সেইকন জ্ঞান নাই।

দেউতাৰ এই স্বভাৱটো আমি সৱেই জানো।যিমানেই ডাঙৰ পাপ নকৰক, শেষত ভিক্তিম দেউতা নিজেই হয়।আনকি কাৰোবাক যদি দেউতাই মৰিও পেলাই, দোষ মৰা জনৰ গাতে জাপি দিব ধুনীয়াকৈ।এইবাৰ নিজকে মানসিক ৰোগী বুলি ক'লে।তেখেতৰ হেনো split personality disorder আছে।লগত অহাজন ডক্টৰ।হয়ভৰ দিছে দেউতাৰ কথাত।
:দুখ লাগিল জানি।চিকিৎসা কৰাই থাকক, ভাল পাব।এতিয়া আচল কথালৈ আহোঁ, আজিৰ পৰা এইখন ঘৰত হয় মই থাকিম, নহয় আপুনি।

:বেমাৰৰ সময়ত এতিয়া মোক তহঁত সৱেই মিলি অকলশৰীয়া কৰিবলৈ ষড়যন্ত্ৰ কৰিছ।
ককা ওলাই আহিছে ড্ৰয়িং ৰূমলৈ।মানুহজনক কষ্ট নিদিওঁ বুলিয়েই যিমান পাৰোঁ ধৈৰ্য্য ধৰি আছোঁ।কিন্তু লাহে লাহে নোৱাৰা হৈ আহিছোঁ মই।
:ককা,সিদ্ধান্ত তোমাৰ।কিন্তু এখেত ইয়াত থাকিলে, থুপুক লৈ মই যামগৈ।মোৰ কোনো আপত্তি নাই যোৱাত ।আপুনি যি ভাল দেখে কৰক।
হঠাৎ ভীষণ ভাৱে স্বাৰ্থপৰ হ'বলৈ ইচ্ছা হ'ল মোৰ।কেৱল থুপুৰ কথা ভাবিবৰ মন গ'ল।তাক জহৰা বুলি কোৱা মানুহটোক শেষ কৰি দিবলৈ মন গ'ল।
:মোক এই শেষৰ দিনকেইটা শান্তি লাগে মাত্ৰ।ভাবিছিলোঁ আটাইকেইটা মানুহ একেলগে থাকিব পাৰিলে ভালেই হয়।কিন্তু এতিয়াচোন..
ককাৰ শেষৰফালে মাতটো লাগি ধৰিছে।চকু কেইটাত পানী।
মোৰ কিন্তু অলপো দুখ লগা নাই।কাৰোৰে কাৰণেই চকুপানী বোৱাবলৈ ইচ্ছা যোৱা নাই।
দেউতাই তেতিয়াও চালে বেৰে কোবাই কথা কৈয়ে আছে ।
:মা, তুমি কিবা ক'বা?
:মাজু,মই স্বাৰ্থপৰ মানুহ,বেয়া মানুহ,তেনেকৈয়ে থাকিবলৈ দে।হঠাৎ তোৰ দেউতাৰৰ সকলো ইচ্ছাকৃত ভুল মাফ কৰি মই মহান হ'ব নোখোজোঁ।ইচ্ছা আৰু সময় এটাও নাই।নিৰ্দিষ্ট দূৰত্বত থাকি ভাল পাম।আৰু তেনেকৈয়ে সুখীও হ'ম।
তোৰ আৰু ককাৰ সুখৰ বাবে মানুহটোক এইখন ঘৰত আজীৱন সহ্য কৰিম।কথা দিছোঁ।কিন্তু আঁকোৱালি নলওঁ, কেতিয়াও নলওঁ।দৰকাৰ হ'লে নাৰ্ছ হিচাপে এজন ৰোগীৰ শুশ্ৰূষা কৰিম।পত্নী হ'ব কিন্তু নোৱাৰোঁ।

সিদ্ধান্ত শেষত ময়েই ল'লো।লোৱাটো জৰুৰী আছিল।
:আপোনালোক এতিয়া যাওক, উকিলৰ লগত আহিব পিছৰবাৰ।

কাকো একো কোৱাৰ সুযোগ নিদি ৰূমত সোমালোঁ।নিজকে চম্ভালিব পৰা হৈছোঁ এতিয়া।কিন্তু থুপুৰ লগত কোনোবাই বেয়া কৰাটো মই কেতিয়াই সহ্য কৰিব নোৱাৰোঁ।আজীৱন নোৱাৰিম চাগে।

থুপুক বুকুতে বান্ধি ৰাখিলো।অনিৰুদ্ধক ফোন কৰি সমস্ত কথা খুলি ক'লো।
:He is definitely sick, be careful.
:Hmm.
:সঁচা হ'বও পাৰে।
:হ'ব পাৰে।যদি সঁচাকৈয়ে মানসিকভাৱে অসুস্থ তেন্তে মোৰ সমবেদনা আছে।বাকী খিনি ডক্টৰে কৰিব।মই একো নকৰোঁ সেইটো সঁচা।মই ইমান 'ভাল' মানুহ নহয়, হ'বৰ মন নাই।
পইচাৰ হিচাপ, মানুহক মেনিপুলেট কৰা কামবোৰ দেখোন ঠিকেই কৰে, তেতিয়া মেণ্টেল প্ৰব্লেম টো ক'লৈ যায়?
:তোমাৰ বহুত খং উঠি আছে, শুই যোৱা এতিয়া।

:অনিৰুদ্ধ।
:কোৰা।
:মই কিবা এটা ভাবিছোঁ, আপোনাক জনাম।

এসপ্তাহ লাগিল সকলো কাম কৰোঁতে।কিন্তু সিদ্ধান্ত ময়েই ল'লো।ককাৰ লগত আলোচনা কৰি দেউতাৰ লগতে বা আৰু ৰাজু দাদা কো ফোন কৰি মাতিলো।
অকণমানি কেঁচুৰা এৰি বা নাহিল।ৰাজু দা আৰু দেউতা একেলগেই বগা বাংলোৰ ভিতৰত প্ৰৱেশ কৰিলে।
ককাৰ বিশাল সম্পত্তিৰ ভাগ হ'ল।
২৫% শতাংশ দেউতাৰ নামত।
২৫% মাৰ নামত।
২৫% বাৰ নামত।
২৫% যোগেশ দাৰ নামত।
ককাৰ ইচ্ছামতে বগা বাংলো মাৰ নামত থাকিল।
দেউতাৰ অলেখ আপত্তি, নুশুনিলো।
ৰাজু দা সুখী।বায়েও ফোন কৰি ভালকৈ কথা পাতিব পৰা হ'ল।কাৰণ নামচাইত এশ বিঘা মাটিৰ বাগানৰ মালিক হ'ল তাই।পুৰণি সকলো কথা পাহৰাই দিব পৰা সুখ তাইৰ বাবে।

:নিজৰ কাৰণে একো নাৰাখিলি?
মায়ে সুধিলে।ককাই এইটো কথাত বেয়া পায় মোৰ লগত কথা পতা প্ৰায় বন্ধই কৰি দিছে।বুজিছোঁ বেয়া পাইছে মোক।
:ককা,বেয়া পাইছা?
:তই আমাতকৈ বেলেগ।বুজি পাওঁ এতিয়া।বেয়া পোৰা নাই।যোগেশক যে তাৰ ভাগটো দিলি, বৰ সুখ পালোঁ।মাৰৰ ভাগৰ খিনি তহঁত দুইজনীয়ে মিলি ভালকৈ চলাবি।যোগেশ থাকিবই।বাকী যি যেনেকৈ পাব লাগে পাইছে।আপত্তি কৰিবলৈ থল নাই।তই যে একো নল'লি।
:কিবা এটা খুজিম দিবা?
:কি লাগে ক আকৌ।
:মা আৰু যোগেশ দাৰ কাষত সহায় হিচাপে মই সদায় থাকিম, যি কৰিব লাগে কৰিম।কিন্তু মই সদায় ইয়াত থাকিব নোৱাৰিম।সকলো ঠিক কৰি থুপুক লৈ গুচি যাম মই।অনুমতি দিবা নে?

ককা উঠি গ'ল,একো উত্তৰ নিদিলে।আজিৰ দিনটো বহু কিবা কিবি ঘটি গ'ল,হয়তো ককাক সময় লাগিব ইমানবোৰ নিজৰ মাজত সামৰিবলৈ।
দেউতাই ঘৰৰ বহুকেইটা পুৰণা বস্তু মাৰ্ঘেৰিটাৰ ঘৰলৈ লৈ গৈছে।
মানুহজনলৈ খং নুঠা হৈছে আজিকালি।দুখ হে লাগে।বস্তুবাদী মানুহৰ সুখ নাই বুলি এনেই নকয়।অধীৰ গোস্বামী তাৰ জ্বলন্ত উদাহৰণ।ৰাজু দাক লৈ মাৰ্ঘেৰিটাৰ পাৰ্টি কৰিব আজি।

কৰক।ভালে থাকক তেওঁলোক।মাত্ৰ মোৰ পৰা, মাৰ পৰা, ককাৰ পৰা আৰু বিশেষকৈ থুপুৰ পৰা বহুত দূৰৈত থাকক।

তিনিটা মাহ পাৰ হৈ গ'ল।

ককা আৰু যোগেশদাৰ লগত বহু কাম,কথা শিকিছোঁ।কিছু পুৰণি কৰ্মচাৰী দেউতাৰ লগত গুচি যোৱাৰ বাবে ফেক্টৰীত নতুন কৰ্মচাৰী নিয়োগ কৰিব লগীয়া হৈছে।পাত কঢ়িওৱা ট্ৰাক কেইখনৰ প্ৰতিখনৰ ড্ৰাইভাৰ আৰু লগত যোৱা ল'ৰাকেইজনক এতিয়া নামেৰে সৈতে চিনি পোৱা হৈছোঁ।ওচৰৰ সৰু সৰু বাগানবোৰৰ যিসকলে আমাৰ ফেক্টৰীত চাহপাত দিয়েহি তেওঁলোকৰ সৈতেও চিনাকি হৈছোঁ।মায়ে আগৰপৰাই চিনি পায়।মন কৰিছোঁ দেউতাতকৈ বহুত বেছি ভালকৈ মায়ে সকলো মেনেজ কৰিব পাৰে।বহু কথা জানে।হয়তো সেইবাবেই দেউতাৰ ইমান মেইল ইগো হাৰ্ট হয় মাৰ সন্মুখত।

ককা লাহে লাহে সুস্থ হৈছে।তিনিমাহৰ পৰতিটো দিন মই ককাৰ লগতেই পাৰ কৰিছোঁ।খুব কথা পাতিছোঁ।থুপু,মই, মা আৰু ককা একেলগে বহি লুডু খেলিছো,পুৰণা হিন্দী চিনেমা চাই হাঁহিছোঁ।ফুৰিবলৈ গৈছোঁ।
দেউতাৰ বাবেই ককাৰ পৰাও আঁতৰ হোৱা আত্মীয় মানুহৰ ঘৰলৈ ককাক লৈ গৈছোঁ।মানুহবোৰ কোনো বেয়া নহয়,মাত্ৰ দেউতাই হে ভাল নাপালে কাকোৰেই।

মোৰো দিনবোৰ সলনি হ'ল।মদ, চিগাৰেট বাদ দিলোঁ।নিয়মিত যোগ কৰোঁ।কাৰণ মোৰ ব্লাড প্ৰেচাৰ বাঢ়ি বহুত বেছি হৈছিল।যাৰ বাবে নাকৰ পৰা তেজ ওলোৱা ঘনাই হ'বলৈ ধৰিছিল।ডক্টৰে সকলো ধৰণৰ নিচা এৰিবলৈ কৈছিল।নিৰ্দিষ্ট এক ডায়েট মানি চলিছোঁ।যিমান পাৰোঁ।নিজৰ যত্ন লওঁ।আৰু মায়ে মাহৰ মূৰত পাৰ্লাৰলৈ টানি আজুৰি নি ছাল চুলি বোৰ ঠিক কৰি দিয়ে।সেইদিনা ঘৰত বেলেগ এখন যুদ্ধ চলে।

থুপুৰ ৰুটিন বেলেগ।ককাৰ লগতেই দিনটো থাকে।আনকি চেৰেলেক দুবাটি বনাই দিব লাগে, দুয়ো একেলগে খায়।কোন বেছি কেঁচুৱা বুজাই টান হৈছে।

শেৱালিৰ সুবাস লৈ আহিনো আহিল।আহিনৰ দিনবোৰ এনেও প্ৰিয় ককাৰ।আইতাক ঘূৰাই পোৱা যেন লাগে হেনো।
আজিও ৰাতিপুৱাই উঠি সৰু বাঁহৰ খৰাহী এটাত শেৱালি ফুল বুটলি আনিছে।লগত আমাৰ থুপু।
:ই কেতিয়া পাবহি?
:উফ পাবহি ৰ'ব।ফ্লাইট হ'লেও সময় লাগে নহয়।

অনিৰুদ্ধক নিজেই মাতিছে ককাই।কেইদিনমানৰ পৰা বেংগালুৰৰ মোৰ ঘৰটোৰ ওচৰৰ এখন বিশেষ মিঠাইৰ দোকানৰ পৰা কাজু মাইচুৰ পাক খাবলৈ মন গৈছে।লৈ আনিবলৈ কৈছে।

যদিও বাহিৰত দেখুৱাই দিয়া নাই, ককা আৰু থুপুৰ দৰেই মোৰ মনটো ও যে উগুল থুগুল।বাৰে বাৰে ঘড়ী চাইছোঁ।এক বাজিবলৈ এতিয়াও দহ মিনিট।ফোনটো হাততে ৰাখিছোঁ।
এয়াৰপোর্টৰ সন্মুখত বৈ বৈ ভাবি আছোঁ।তেওঁ বাৰু একেই আছে নে সলনি হ'ল।

হোৱাইট টি চার্টৰ ওপৰত এটা পাতল ডেনিম চার্ট, বুটামকেইটা খোলা, ব্লেক জিনছ পিন্ধি ওলাই আহিছে অনিৰুদ্ধ।একেই আছে।অলপো সলনি হোৱা নাই।মাত্র চুলি খিনি অকণমান আগতকৈ দীঘল হ'ল।
পিঠিত এটা সৰু বেগ।
দেখাৰ লগে লগে দৌৰি আহিল।

:Missed you like hell.
মানুহৰ মাজতে গাৰ জোৰেৰে সাৱটি ধৰিলে মোক।সৰেই চাইছে।নাই তেওঁৰ ভ্রূক্ষেপ নাই।
:ময়ো বহুত মিছ কৰিলোঁ।
:You became more beautiful,more like my wife.

কথাবোৰো অলপো সলনি হোৱা নাই।মোৰ হে কিয় জানো তেওঁলৈ অলপ লাজ লগাৰ দৰে লাগিল।
:তুমি চলাবা?
:কিয়?নাজানো বুলি ভাবিছে?ক্লাছ এইটতে শিকিছিলোঁ যোগেশ দাৰ পৰা।এতিয়া বেছি ভালকৈ পৰা হ'লো।
গোটেই ৰাস্তাটো অনিৰুদ্ধৰ কথা শেষ নহ'ল।

ককা আৰু থুপু বাৰাণ্ডাতে ৰৈয়ে আছিল।সদায় ভিডিঅ' কলত দেখা 'অনিমুন'ক সন্মুখত দেখি থুপু দৌৰি আহি কোঁচত উঠিল।ককাই আথে বেথে নি বহুৱালে।মই কেনেকৈ সব কাম চম্ভালি আছোঁ বুজালে।মোৰ গুণ গাবলৈ পালে ককাক একোৱেই নালাগে।মায়ে খোৱাৰ যোগাৰ কৰাত লাগিল।

:তুমি fresh হৈ লোৱা যোৱা।মাজু, তেওঁক টাৱেল এখন দি দে।
:মো ধুনু খন দিবা দেই।
থুপুৰ chota bheem অঁকা টাৱেল খন সি এনেই কাকো নিদিয়ে, কিন্তু অনিৰুদ্ধক দিব।

:তুমি বহুত সলনি হ'লা।
:মায়ে জোৰ কৰি হ'লেও পার্লাৰলৈ লৈ যায় যে।
:No I am seriouse.You are happy from inside now.You are glowing.

উত্তৰ নিদিলোঁ।তেওঁৰ ওচৰ চাপি দীঘলকৈ এটা উশাহ টানি লৈছোঁ।
উফ।
কিমান যে মিছ কৰিছিলোঁ 'অনিৰুদ্ধ অনিৰুদ্ধ' লগা মোৰ এই চিনাকি সুবাস।
:তিনিমাহ, দহদিন,১৪ ঘণ্টা আৰু চল্লিছ মিনিট পিছত দেখিছোঁ তোমাক।
:হিচাপ কৰি আছিল আপুনি?
:আৰু বহুত হিচাপ বাকী আছে।
আঁতৰি আহিব খোজতেই তেওঁ টানি নিলে, দৰ্জা খোলা।তলত সৰ বহি আছে।
যিমানেই এৰাই আহিব খুজিলোঁ, তেওঁ আৰু জোৰেৰে সাৰটি ধৰিলে।

:থুমি মাক কিয় ধই লৈথা?মা দুপ পাব।
মাজত সুমাই দুয়োটাকে বেলেগ কৰিহে শান্তি তাৰ।
:বাপ কা দুচমন!

ভোৰভোৰাই অনিৰুদ্ধ বাথৰুমত সোমাল।থুপুক কোলাত লৈ তললৈ নামি আহিলোঁ।

সন্ধিয়াৰ আকাশত পূৰ্ণচন্দ্ৰৰ ৰূপোৱালী জোনাক।
বতাহত শৰতৰ কোমল সুবাস।
জানকী কাননৰ চাৰিও কোণত ধূপ ধুনাৰ সুগন্ধি।
ককাৰ নিৰ্দেশমতে আজি ভগৱানক সন্ধিয়াৰ পূজাত ভোগ দিয়া হৈছে।মায়ে গা ধুই ভগৱানৰ বাবে পায়স বনাইছে।আগলি কলপাতত সজাই শৰাই আগবঢ়াইছে।কোনো বিশেষ দিন নহয় আজি।কিন্তু ককাৰ ইচ্ছা।আজি মাধৱক ভোগ দি পূজা কৰিব।আমাকো সন্ধিয়াৰ পূজাত বহিবলৈ কৈছে।
:এওঁক ধুতি এখন দে।
হাতত সেইখন লৈ মোৰ ফালে চালে অনিৰুদ্ধই।
পিন্ধিব নাজানে।দৰ্জা বন্ধ কৰি এঘণ্টা মান যুঁজি যুঁজিও নোৱাৰিলে।ইউটিবৰ ভিডিঅ' কিমান চালে ঠিক নাই।শেষত বাহাদুৰে পিন্ধাই দিবলগীয়া হ'ল।ধুতি পিন্ধি বগা গেঞ্জিটোৰ ওপৰত কান্ধত গামোচা লৈ একেবাৰে অসমীয়া হৈ পৰিল অনিৰুদ্ধ।
আৰু অনিৰুদ্ধৰ কাৰ্বন কপি হৈ আমাৰ থুপু।ঠাণ্ডা লাগিব বুলি ক'লেও নুশুনে।অনিমুনৰ নিচিনা একেই হ'ব লাগিব।
:বডী আছে থুমা ,মো নাই।
আজিকালি খুব চিনি পায় কাৰ বডী আছে, কাৰ নাই।

:তুমি যে ভাত নোখোৱা সেইকাৰণে নাই।অনিমুনই সদায় ভাত খায়।গ্ৰীণ চবজি খায়, গাখীৰ খায়।
:ময়ো থাম।থুমি হে নিদিয়া।
মিছলীয়া টো!

বগাত গুলপীয়া আৰু সেউজীয়া সৰু সৰু এমব্ৰইদাৰী কৰা মাৰ কাপোৰ এযোৰ পিন্ধি লৈছোঁ।পূজাত আজি এনেকৈ বহিবলৈ কৈছে।কাপোৰ সাজ পিন্ধি ওলাই আহি দেখোঁ ৰুমৰ সন্মুখতে দুইটা ৰৈয়ে আছিল।

:Oi, wifey.
Wifey!
অনিৰুদ্ধই হঠাৎ তেনেকৈ মাতি দিয়াত উচপ খাই উঠিলোঁ।
:Come here.
:ককাই মাতি আছে।
:One pic please.
অনিৰুদ্ধৰ কোঁচত থুপু,কাষত মই।আমাৰ ফাৰ্ষ্ট ফেমিলি ফটো।কেৱল হাঁহি উপচি থকা এখিনি সময়ক বন্দী কৰা হ'ল কেমেৰাত।
:থুপু,ককাই মাতি আছে সোন।
মাৰ মাত শুনি সি অনিৰুদ্ধৰ কোলাৰ পৰা নামি দৌৰ মাৰিলে।
:একদম 'অসমীয়া' লাগিছে আপোনাক।
:ৰিয়েলি?
:উম।
:তুমি কেতিয়া মোৰ কাৰণে এনেকৈ পিন্ধিবা?
:আৰে, মই আকৌ কেলেই ধুতি পিন্ধিম।
মই জানো তেওঁ কিহৰ কথা কৈছে, এনেই সুধিলোঁ।
:The bridal lehenga, red one.. uff I am already having a heart attack.
:সেইকাৰণে নাই পিন্ধা।
আঁতৰি আহিলোঁ।
"You just wait and watch"
মায়ে যে শুনিব, তাৰ খবৰ নাই।ওপৰৰ পৰা ইমান জোৰেৰে চিঞৰি দিছে।চকু কেইটা টেলেকা কৰি দেখুৱালো, চকুটো টিপিয়াই হাঁহি দেখুৱালে।

"নাৰায়ণং নমস্কৃত্যং নৰঞ্চৈৱ নৰোত্তম
দেৱীং সৰস্বতীঞ্চৈৱ ততো জয় মোদীৰয়েৎ
মুকং কৰোতি বাচালং ,পংগু লংঘয়তে গিৰিম
যত কৃপা তমহং বন্দে পৰমানন্দ মাধৱম"

ককাই পূজা আৰম্ভ কৰিলে।
মা, মই, অনিৰুদ্ধ, থুপু,তৰা,বাহাদুৰ সকলোকে পূজাত বহিবলৈ কোৱা হৈছে আজি।
থুপুৱে গোটেই পূজাৰ সময়খিনি অনিৰুদ্ধৰ কোঁচত বহি টিলিঙাটোকে বজাই থাকিল।মই মেখেলা চাদৰ পিন্ধা দেখি সুধিছে আজিও সেইদিনাৰ নিচিনাকে নমো কৰিব নেকি, ইজনী আইতা নাই দেখোন।
:দুয়োটা এইফালে আহা।মোৰ ওচৰলৈ।
শালেগ্ৰামৰ ওচৰৰ পৰা নিৰ্মালি আনি ককাই আমাৰ হাতত দিলে।প্ৰাণ ভৰি আশীৰ্বাদ দিলে।কিন্তু শেষৰফালে হে কিয় ইমান কান্দিলে নাজানো।

:আশা, এইফালে আহা চোন।
:কওক দেউতা।
মাৰ হাত দুখন ধৰি ককাই কৈ উঠিল
:বহুত অন্যায় কৰিলোঁ তোমাৰ লগত।দেখিও নেদেখাৰ ভাও জুৰিলোঁ সময়ত।কিছুমান কথা তুমি আমাক নক'লাও।কিন্তু শেৱালি আৰু মই তোমাক সদায় নিজৰ ছোৱালী বুলিয়েই ভাবি আহিছিলোঁ।বেয়া পাই নাথাকিবা।
:এইবোৰ কথা কিয় কৈছে দেউতা।কি হৈছে আপোনাৰ?
:মাধৱে জানে, মোৰ মনত পাপ নাই ।কোনোদিন নাছিল।
:মই জানো দেউতা।আজি এইবোৰ থাকক চোন।ইহঁত দুটাক আশীৰ্বাদ দিছে, হ'ব।মোকো সেইয়াই লাগে।

ককাক আনি বিছনাত বহুৱালো।মানুহজন খুব বেছি আৰেগিক হৈ পৰিছে আজি।আজি প্ৰথম বাৰ ৰাতিৰ সাজত কি খাব মাক মাতি ফৰ্মাইছ কৰিছে।অমিতা দিয়া ৰহৰ ডালি,পটল আৰু পনীৰৰ অলপ জুলীয়া ভাজি এখন,মছুৰ মাহৰ বৰ দি জাতিলাওৰ জোল অকনমান লগত পুদিনাৰ চাটনী ।পাপৰ এখনো তেলত ভাজি খায় বোলে।ইমান দিনে একেবাৰেই তেল কমকৈ দিয়া পাতলীয়া খোৱাবোৰ হেনো আজি নাখায়।প্ৰসাদত দিয়া পায়স খুজি খুজি খাইছে।মানা কৰিলেও নাই শুনা।পূজাৰ শেষত মোক চাহ বনাবলৈ ক'লে।লগত মালপোৱা খাব।মায়ে লৰালৰিকৈ চুজি আৰু ময়দা মিহলাই বনাই দিছে।
চাহ খোৱাৰ পিছত আমাক সৰকে ককাৰ ৰুমতে বহিবলৈ ক'লে।

তৰাই থুপুক বাহিৰলৈ লৈ গ'ল।মই ককাৰ ওচৰতে বিছনাত বহিলো।মা আৰু অনিৰুদ্ধ দুখন চকীত।

:কথাবোৰ লৈ নাযাওঁ, কৈ থৈ যাওঁ।তুমিও জানিব লাগে অনিৰুদ্ধ।জনা দৰকাৰ।বাইশ বছৰ বয়সত বিয়া পাতিছিলোঁ।শেৱালিৰ বয়স তেতিয়া ঊনৈশ কি বিশ।মোৰ দেউতা আছিল হাতী পুহিব পৰা মানুহ।এম্বেচেদৰ গাড়ী দুখন।ব্ৰিটিছ চাহাবৰ সৈতে উঠা বহা আছিল দেউতাৰ।পাঁচজনী ছোৱালীৰ পিছত মই একমাত্ৰ ল'ৰা।বাইদেউ গোটেইকেইজনী মোতকৈ বয়সত বহুত ডাঙৰ।এতিয়া এজনীও নাই বাৰু।
মোৰ বিয়াৰ আঠ বছৰ পাৰ হৈ গ'ল,কিন্তু সন্তানৰ মুখ নেদেখিলো।শেষত বহুত পূজা-অৰ্চনা ডাক্তৰ কবিৰাজৰ ওচৰলৈ গৈ শেৱালি মাক হ'ল।অধীৰ আহিল আমাৰ মাজলৈ।ঘৰত ডাঙৰ উছৱ পাতিছিল সেইদিনা মোৰ

দেউতাই।তিনিখন গাঁৱৰ মানুহে ভোজ ভাত খাইছিল।লাহে লাহে আমাৰ ব্যৱসায় বহল হ'ল।মই প্ৰায়ে ঘৰৰ বাহিৰত থাকোঁ।বিদেশলৈ গৈ চাহৰ বিভিন্ন প্ৰকাৰ, তাৰ প্ৰস্তুত প্ৰণালী শিকিলো।ককাক আইতাক অসংখ্য লগুৱাৰ মাজত অধীৰ ডাঙৰ হ'ল।সৰুতেই হাতত ৰাইফল ল'বলৈ পালে।মই সেইবোৰ গমেই নাপালোঁ।মাকেও লুকুৱাই ৰাখিলে।তেওঁৰ দোষ নাই।কাকো টান কথা এষাৰ ক'ব নোৱাৰা মানুহ আছিল শেৱালি।চৰাই পোৱালীক দুপৰীয়া পানী খুৱাই খুৱাই ডাঙৰ কৰা মানুহ।সবলৈকে মৰম বেছি।একমাত্ৰ পুতেকলৈ নাথাকিব নে।অধীৰ ডেকা হৈ ব্যৱসায়ত নামিল।ময়ো সাহস পালোঁ।কিন্তু সি কেতিয়া মোৰ পৰা লুকুৱাই অসৎ কাম কিছুমান কৰিবলৈ লাগিলে মই বুজিয়েই নাপালোঁ।তাৰ বন্ধুবোৰো মোৰ ভাল লগা নাছিল।লাহেকৈ ৰাজনীতিৰ মেৰপেছতো সোমাই পৰিল।
তাৰ মাজতে এদিন আহি আমাক ক'লে,আশাপূৰ্ণক বিয়া পাতিব।আমি আনন্দত উথলি উঠিলোঁ।ছোৱালীজনীৰ শেঁতা মুখ খন এবাৰো মন নকৰিলোঁ।লৰালৰিকৈ বিয়াখন পাতি দিলোঁ।কিজানি সি সলনি হয়েই।তাতেই ভুল হ'ল আমাৰ।
কেতিয়াবা বৰ কষ্ট পাওঁ, দোষী দোষী ভাৱ এটাই হেঁচা মাৰি ধৰে।

:মই সেইবোৰ ধৰি থকা নাই দেউতা।আপুনি আৰু মায়ে মোক একো কষ্ট দিয়া নাই।সেইকাৰণে চাগে ইমান দিন থাকিব পৰিলোঁ।

অনিৰুদ্ধ অলপ অসহজ হৈছে।
:ককা,এইবোৰ থাকক আজি।

:তোৰ কথাও কৈ থৈ যাওঁ।অনিৰুদ্ধ, আমাৰ এইৰ খংটো অলপ বেছি, এতিয়া বাৰু কমিছে।হ'লেও তুমি অলপ মৰম বেছিকৈ কৰিবা।বেচেৰীয়ে জীৱনৰ এচোৱা সময় বৰ কষ্টত পাৰ কৰিলে।
:কিহে পাইছে তোমাক আজি?
:তই আমাৰ ঘৰলৈ অহাৰ দিনা ৰাতি সপোনত মই মোৰ মাক দেখিছিলোঁ।মোক আহি কৈছিলে, মই আহিছোঁ ইমানদিনৰ মূৰত, তই মাত এষাৰো নাই দিয়া ভালকৈ।ঘৰখন চাব লাগিব ।বৰ খেলিমেলি খন হৈছে।শেষ ৰাতিলৈ মোৰ কঁপি কঁপি জ্বৰ উঠিছিল।কথাবোৰ কেতিয়াও কাকোৱেই নাই কোৱা।শেৱালিকো নক'লো।কিজানি হাঁহি উৰুৱাই দিয়ে।তই ঘৰখন ভঙাৰ পৰা তুলি ধৰিলি।মই জানো, তোৰ মাজতে মোৰ বৌ আছে।

ককাই মাক বৌ বুলি মাতিছিল।ককাই মোৰ মূৰত হাত ফুৰাই দিলে।
ককাৰ কথাবোৰ ইমান বেলেগ বেলেগ লাগিছে আজি।

:গোসাঁনী,আজি কিবা এটা বজাই শুনা চোন।
:কোনটো শুনিবা?

:নতুনকৈ যে শিকি আছ,সেইটোকে বজা।
ককাৰ কথামতে বাঁহীটো হাতত তুলি ল'লো।সুৰটো মোৰেই নহয়, অনিৰুদ্ধৰো পিৰয়

“তুম প্ৰেম হ’,তুম প্ৰীত হ’ মন মীত হ’ ৰাধে, মেৰে মন মীত হ'”

শেষ হ'বলৈ নাপালে,দৌৰি আহি মোৰ পৰা বাঁহী থপিয়াই নি আমাৰ থুপু ওস্তাদে ফু ফু কে বজাবলৈ লাগিল।একেলগে সৰৰে মুখত হাঁহি এখিনি ফুলি উঠিল।

চকীখনৰ পৰা উঠি আহি অনিৰুদ্ধ ককাৰ ভৰিৰ ফালে বহিল।
:ককা,অনন্যাক মই আপোনালোকৰ পৰা কেতিয়াও আঁতৰাই নিনিও।তাই ইচ্ছা কৰিলে ইয়াত থাকিব,ইচ্ছা কৰিলে মোৰ লগত।মই মাজে মাজে আহি থাকিম।কিন্তু আপুনি জানে মই মোৰ কামটোক কিমান ভাল পাওঁ।
:জানো জানো।সৎ মনেৰে কাম কৰা মানুহক বৰ ভাল পাওঁ মই
তুমি বহুত উন্নতি কৰিবা জীৱনত।

:উমমতি কি হয় মা?
মোক কাণে কাণে সুধিছে সি।মাজে মাজে এনেকৈ বুজি নোপোৰা কথাবোৰ কাণে কাণে সোধে আজিকালি।ডাঙৰ হৈছে মোৰ ল'ৰাটো।
:মই কতা এটা ক'ম।অথনি দে অনিমুনই মাক এননেকে
মুখ খন হাতেৰে টিপি দিলোঁ।এইটো মোক লাজত পেলাই মাৰিব।
কিন্তু বুজিবলৈ কাৰো একো বাকী নাথাকিল।
:আশা, যোগেশক ফোন এটা কৰি মাতি দিয়া,সি ইয়াতে ভাত কেইটা খাওক।
:হ'ব দেউতা।মাজু, যা মেখেলা চাদৰ সলাই ল, ভাত খাবৰ হ'ল,অনিৰুদ্ধ যোৱা, কাপোৰ কানি সলাই লোৱা।

আজি ভাতকেইটা পৰম তৃপ্তিৰে খালে ককাই।মায়ে অনিৰুদ্ধৰ বাবেও কেইবা বিধো ৰান্ধিলে।যোগেশ দাক জোৰ কৰিও ককাৰ সৈতে বহি খুৱাব নোৱাৰিলে।কাষতে সৰু টেবুল এখন পাৰি ভাত কেইটা খালে।
:যোগেশ অ',তই আজি ইয়াতে থাক।
:হ'ব দেউতা।ৰাতিপুৱা ক'ৰবাত যাব নেকি?
:দৰকাৰ হ'ব পাৰে।তৰা, ইয়াৰ বিচনাখন মোৰ ৰুমতে ঠিক কৰি দিবি চোন।

খাই উঠিও আজি ককাই ইমান কথা কৈছে।আনদিনা দহটা বজাতে শুই যোৱা মানুহজন আজি এই বাৰ বজালৈকে শোৱা নাই।পুৰণি কথাবোৰ কৈয়ে আছে।থুপুক শুৱাবলৈ বুলি আনিলোঁ, নাই এইটোৰো আজি টোপনি নাই।দুবটল গাখীৰ শেষ কৰিলে।তাৰ ধান্দা ক'ত মই জানো।কথাৰ ভাগ লোৱাত ভাল এখেত।
:অনিমুনক মাতি দিয়া থোন।
:নুশুৱ ল'ৰা?

:ওহোঁ।
মুখ খন টিপি হাঁহি দেখুৱালে।আকৌ ককাৰ ৰূম পালোহি।
:ককা আমি সৰ শুব লাগে।আপোনাৰ গা বেয়া কৰিব।ইমান কথা কোৱা ভাল নহয় আপোনাৰ কাৰণে।আৰু থুপু সৰ নুশুলে নুশুৰে।মোৰ মূৰটো বেয়া কৰি দিছে।

:কিয় নো তেনেকৈ কৈছ তাক।গোসাঁইটো মোৰ।
:মায়ে মোক ইনেই ধুম কই দিছে।
:ঢকা লাগে ল'ৰা,সঁচাকৈ খাবি এছাট এতিয়া।
:Hey buddy, come here.
থুপুক লৈ অনিৰুদ্ধ ওলাই গ'ল।যাওঁতে মোলৈ চাই মুখ খন বেকেটা কৰি দেখুৱাইছে থুপুৱে।
:Come soon, I will be waiting.
কাণে কাণে কৈ যোৱা কথাষাৰে বহু দেৰিলৈকে মোৰ গাল দুখন ৰঙা কৰি ৰাখিলে।

মাটিত বিচনা পাৰি যোগেশ দাৰ শোৱাৰ ব্যৱস্থা কৰি দিলোঁ।ককাৰ গাৰু কেইটা ঠিক ঠাক কৰি শুবলৈ কৈ ৰৈ আছোঁ।ৰাতি বাথৰুমলৈ যাব লগীয়া হয় বাবে সৰু লাইট এটা জ্বলাই ৰাখোঁ।মায়ে ৰাতি দুবাৰ মান চাই যায়হি।কেতিয়াবা ময়ো আহোঁ।কম্বলখন গাত দি ওচৰতে বহি আছোঁ।
:গোসাঁনী।
:কোৱা।
:মই মৰিলে কামবোৰ তই আৰু যোগেশ মিলি কৰিবি।
:কিনো কৈ থাকা।শুই যোৱা চোন।
অলপ পিছত ককা টোপনি গ'ল।যোগেশ দাক ৰাতি এবাৰ চাবলৈ কৈ শুবলৈ আহিলোঁ।

ৰূমলৈ আহি দেখোঁ মোৰ বিছনাত অনিৰুদ্ধ আৰু থুপু শুই আছে।থুপুৱে মই অহা দেখি জোৰ কৰি চকু কেইটা মুদি থৈছে।অনিৰুদ্ধৰ কিন্তু সচাই টোপনি গৈছে।ভাগৰ লাগিছিল চাগে।কেনেকৈ উঠাও এতিয়া।

:শুৰক দে ইয়াতে।এতিয়া নো আৰু কি ইমান ফৰ্মেলিটি।আৰু এনেও মই এইবোৰ ইমান ভাবি নাথাকোঁ।মোক বিয়াই যি দিব নোৱাৰিলে, তই বিয়া নোহোৱাকৈয়ে সেইখিনি আদৰ, সন্মান পাইছ।মনটো ভৰি যায় তহঁতক দেখিলে।
আলহী ৰুমত পানীৰ বটল থ'বলৈ গৈ ঘূৰি আহি মা মোৰ ৰুমত সোমাল।শুই থকা থুপু আৰু অনিৰুদ্ধক দুইজনীয়ে চাই আছোঁ বহুপৰ।
:দুইটাই তোক কিন্তু ভাল জলা দিব মাজু।
:তাকেই।কি কৰোঁ টিপছ দিবা চোন।
দুইজনীয়ে মুখ টিপি হাঁহি আছোঁ।
:শুই থাক।সিটো ৰূমৰ পৰা কম্বলখন লৈ আন।ময়ো শুই যাওঁ।বৰ ভাগৰ লাগিছে আজি।

কম্বল খন অনিৰুদ্ধৰ গাত দি কপালত হাত ফুৰাই দিলো।গভীৰ টোপনি।কপালত লাহেকৈ চুমা এটা আঁকি দিলোঁ।তেওঁ বাগৰ সলাই মোকো লগতে সামৰি নিলে।

:Hey..

:Shh

:মই.. ইয়াত.. ।Sorry..

:শুই থাকক।

:খু থাকা অনিমুন।মা খম আছে বউত।

আহিবলগীয়া দিনবোৰৰ আগতীয়া অভ্যাস।

মাজত থুপুক লৈ আমি দুয়ো ইটোৱে সিটোক চাই আছোঁ।অনিৰুদ্ধৰ চকু কেইটা সৰু হৈ গৈছে।টোপনিৰ ভৰ স্পষ্ট।

:লাইট অফ কৰোঁ?

:ওহোঁ।

কেতিয়াবা এনেকৈয়ে ভাল লাগে।বুকুত সাঁচি ৰখা কথাবোৰ চকুৰ ভাষাৰেই কৈ দিব পাৰি।

লাহে লাহে থুপু মোৰ বুকুৰ মাজত কুৰুকি কুৰুকি সোমাই টোপনি গ'ল।

:I missed you Jaan.

আৰু অলপ কাষ চাপি আহিল অনিৰুদ্ধ।আমাৰ দুয়োটাকে এহাতেৰে মেৰিয়াই ধৰি টোপনি গ'ল।

:মাজু, মাজু

মাৰ চিঞৰ শুনি একেজাপে থিয় হ'লো।দৌৰি গৈ দৰ্জা খুলিলো।

:দেউতা...নাই..

মাক ঠেলি ককাৰ ৰুমলৈ দৌৰিছোঁ।মই শুৱাই থৈ যোৱা ভাগতে শুই আছে।কিন্তু কাষত কিয় যোগেশ দায়ে ইমান ফেঁকুৰি ফেঁকুৰি কান্দিছে।

:দেউতা অ',উঠক চোন।

মই দৰ্জামুখৰ পৰা আগবাঢ়িব পৰা নাই।মোৰ কাষেৰেই পাৰ হৈ অনিৰুদ্ধ আৰু মা সোমাই গৈছে।হাৰ্টবিট চেক কৰিছে।

ককাৰ হাত খন খামুচি চকুপানী টুকিছে অনিৰুদ্ধই।মায়ে ভৰি দুটা ধৰি কান্দি আছে।

আৰু মই...

ভাগি পৰা আকাশ এখন মূৰত লৈ লৰচৰ কৰিব নোৱাৰা হৈ ৰৈ আছোঁ একে ঠাইতে.. নামানো, কেতিয়াও নামানো এই নিৰ্মম সত্য।

এইয়া হ'বই নোৱাৰে।

কিন্তু যদি এইয়া সঁচা হয়, মই বাৰু কি কৰিম?

সাৰংগপাণি গোস্বামীৰ অবিহনে জানকী কাননৰ কি হ'ব?

মোৰ কি হ'ব?থুপুৰ কি হ'ব?

মাৰ কি হ'ব?
নাই ককা উঠিব,আকৌ মোক গোসাঁনী বুলি মাতিব।
মাতিব নে?

“কালের যাত্রার ধ্বনি শুনিতে কি পাও?
তারি রথ নিত্য উধাও।
জাগিছে অন্তরীক্ষে হৃদয়স্পন্দন
চক্রে পিষ্ট আধারের বক্ষ-ফাটা তারার ক্রন্দন।
ওগো বন্ধু,
সেই ধাবমান কাল
জড়ায়ে ধরিল মোরে ফেলি তার জাল
তুলে নিল দ্রুতরথে
দু'সাহসী ভ্রমনের পথে
তোমা হতে বহু দূরে।
মনে হয় অজস্র মৃত্যুরে
পার হয়ে আসিলাম
আজি নব প্রভাতের শিখর চুড়ায়;
রথের চঞ্চল বেগ হাওয়ায় উড়ায়
আমার পুরানো নাম।
ফিরিবার পথ নাহি;
দূর হতে যদি দেখ চাহি
পারিবে না চিনিতে আমায়।
হে বন্ধু বিদায়।”

(ৰবীন্দ্রনাথ ঠাকুৰ)

জীৱনৰ চৰম সত্যক মানিবলৈ কোনেও মোক এবাৰো বুজাবলৈ নাহিল।
গোসাঁইঘৰত মই মাত্র থাপনাখনলৈ চাই বহি আছোঁ।
এই মৃত্যু অপমৃত্যু নহয়..কিন্তু অবাঞ্চিত নিশ্চয় হয়।
যদি ককাক লৈয়ে যাব খুজিছিলা, সুস্থ কৰি মোক নতুন সপোন কিয় দেখুৱাইছিলা মাধৱ?

কি কৰিম এতিয়া মই?ক'ৰ পৰা আৰম্ভ কৰি ক'ত শেষ কৰিম?
মই কি হৈ কথাবোৰ ভাৱিম?
মাক হৈ?জী হৈ?পত্নী হৈ?
নে বগা বাংলোৰ মালিক হৈ?
ককাই ৰাতিয়েই জ্বলোৱা চাকি গছ এতিয়াও জ্বলি আছে।মাধৱৰ ডাঙৰ মূৰ্তিটোৰ মুখ খনহে ম্লান পৰা।
কিমান সময় পাৰ হৈ গৈছে মই নাজানো..
কোনো মোৰ কাষ চাপি অহা নাই।
অতপৰে মোৰ চকুৰ পৰা এটোপাল পানীও ওলোৱা নাই।

বাহিৰত মানুহৰ গুণগুণনি শুনিছোঁ, দেউতাৰ মাত আনতকৈ বেছি জোৰত মোৰ কাণত পৰিছেহি।
:ক, কি কৰিলি তই?কোনে ইয়াক দেউতাৰ ৰূমত শুৱলৈ দিছিল?

আজিৰ দিনটো তো পাৰিছে এইবোৰ কৰিব, আচৰিত হওঁ বুলিও হ'ব পৰা নাই মই।দেউতাৰ পৰা আৰু বেলেগ কিবা আশা কৰিবও যে নোৱাৰি।
:অনন্যা,এবাৰ বাহিৰলৈ যোৱা প্লিজ।
অনিৰুদ্ধৰ কোঁচত থুপু,কান্দি কান্দি ঠেৰেঙা লাগিছে,মোক চকুৰ ইংগিতেৰে তেওঁ বাহিৰলৈ যাবলৈ দেখুৱাইছে।
:Let me know if you need me, but I dont want to interfare.
He is really sick.
অনিৰুদ্ধৰ মুখ খন খঙত কঠোৰ হৈ পৰিছে।দেউতাই কিয় আজিও এইবোৰ কৰি অশান্তি কৰিছে!!

নিজৰ গাৰ ওজন মই কঢ়িয়াব পৰা নাই।খোজবোৰ থৰক বৰক হৈছে।বাৰে বাৰে উজুটি খাইছোঁ মই।

ককাক ইতিমধ্যে বাহিৰলৈ নিয়া হৈছে।চোতালত মানুহৰ সমাগম।বাৰাণ্ডাৰ খুঁটা এটাত ধৰি কান্দি আছে মায়ে।বগা কাপোৰেৰে ঢাকি থোৱা ককাৰ ভৰিত পৰি যোগেশ দা, তৰা, বাহাদুৰৰ কান্দোন।মাৰ কাষত আয়ুৰ মাক।পৱিত্ৰ দা, বৌ সৱ আহিছে।ওচৰৰ মানুহ কিছুমানক আজি প্ৰথম বাৰৰ বাবে দেখিছোঁ মই।
আৰু মাৰ একেবাৰে ওচৰতে ৰৈ যোগেশ দাৰ ফালে আঙুলি টোঁৱাই দেউতাৰ চিঞৰ বাখৰ।
:কেলেই ৰাখিছিলা তাক ঘৰত?
মানুহৰ মাজত নতুন ৰহস্যৰ সোৱাদ।চাৰনিবোৰ, ফুচফুচনিবোৰ সৱ মাৰ ফালেই লক্ষ্য কৰি আৰম্ভ হৈছে, শেষ নাই, চলিয়েই থাকিব।
:দেউতা, আজি নহয় প্লিজ।
:চুপ,শেষ কৰি দিলে এই ঘৰখন।কি ঠিক কি ষড়যন্ত্ৰ কৰি যোগেশক কালি দেউতাৰ ৰূমত ৰাখিছিল।
মায়ে চাদৰৰ আচলেৰে মুখ ঢাকি ককাৰ ওচৰলৈ নামি গৈছে।দেউতাক তেনেকৈয়ে উপেক্ষা কৰে সদায়।আজিও কৰিছে।

হঠাৎ মূৰৰ ভিতৰত ভমক কৈ জুই একোৰা জ্বলি উঠিল।
:আজিৰ দিনটোত শান্তিৰে থাকক।প্লিজ।
চেপা মাতেৰে দেউতাৰ ওচৰত বৈ কথা কেইটা ক'লো।
:কি কৰিবি নহ'লে?
:মই কৰিব নোৱাৰা কাম একো নাই দেউতা।বাধ্য নকৰিব।ককাই আপোনাক ইয়াত বিচৰাও নাছিল।মৰিবৰ সময়ত মোক কৈ থৈ গৈছে, গতিকে কামবোৰ যোগেশ দায়ে কৰিব।কিন্তু মই বিচাৰোঁ আপুনিও কৰক।অন্ততঃ শেষবাৰৰ বাবে পুত্ৰৰ দায়িত্ব পালন কৰক।প্লিজ।
আৰু নহ'লে এতিয়াই যাওক ইয়াৰপৰা।

মোৰ কান্দিবলৈ সময় ক'ত?পুৰোহিত অহাৰ পাছত কৰিবলগীয়া সকলো নিয়ম কৰিলোঁ।আইতাৰ সমাধিৰ ওচৰতে ককাক সমাধিস্থ কৰা হ'ল।ককাৰ ইচ্ছামতেই যোগেশ দায়ে মুখাগ্নি কৰিলে।খবৰ কৰিবলৈ অহা সকলো মানুহক যিমান পাৰোঁ মাত বোল কৰিছোঁ, ঘৰলৈ অহা মানুহক ভালকৈ মাত নিদিলে ককাই বেয়া পাইছিল।

কিন্তু সকলোৰে মনত থুপুক লৈ অলেখ প্ৰশ্ন।
ককাক সমাধি দি ঘূৰি আহি বাৰাণ্ডাত ভৰি দিছোঁহে..
:এইটো তোমাৰ বাইদেউৰ ৰ ল'ৰা নেকি?
:নহয়, মোৰ।
চকু কেইটা ডাঙৰ হৈ গ'ল।
জানে, সকলোৰে জানে, নজনাৰ ভাও জুৰিছে।
এইটো মানুহৰ স্বভাৱ, ক'ত আঘাট কৰিলে মানুহে বেছি দোষ পায় সেইয়া ধুনীয়াকৈ বিচাৰি উলিয়াব পাৰে।আৰু তাতেই বাৰে বাৰে আঁচোৰ মাৰি দিয়ে।বিষ এটাত যে আমি কান্দি দিওঁ, খুব ফুৰ্টি পায় কিছুমান মানুহে।
দ্বিতীয়টো প্ৰশ্ন এনেধৰণৰ আছিল..
:আলহী এজন যে দেখিছোঁ, কোন হয় নো?তোমাৰ ল'ৰাটো যে লৈ ফুৰিছে।
:Her husband, hello, myself Anirudh, his father.

প্ৰয়োজন আছিল নে নাই নাজানো, কিন্তু অনিৰুদ্ধৰ উত্তৰে বহুকেইখন মুখ একেবাৰে বন্ধ কৰি পেলালে।মন কৰিলোঁ, উত্তৰটো শুনি দেউতাই প্ৰথমবাৰৰ কাৰণে অনিৰুদ্ধৰ ফালে মুখ ঘূৰাই চালে।অথনিৰে পৰা সম্পূৰ্ণৰূপে তেওঁৰ উপস্থিতিক উপেক্ষা কৰি আছিল,এতিয়া পৰা নাই।

সন্ধিয়া নামি অহাৰ লগে লগে ঘৰখনলৈ এক অদ্ভুত শূন্যতা নামি আহিল।যেন হাজাৰ লাইটৰ পোহৰেও পোহৰাব নোৱাৰা এখিনি আন্ধাৰে গ্ৰাস কৰি পেলাইছে জানকী কানন।গোটেই দিনটো মই কেনেকৈ কি কৰি আছিলোঁ মই নিজেই নাজানো।কিন্তু সন্ধিয়াৰ এই শূন্যতাই মোক একেবাৰেই ভাঙি পেলাইছে।ককাৰ ৰূমত

সোমাই দৰ্জাখন বন্ধ কৰি দিছোঁ।
এতিয়াও চন্দন, দৰৰ, ধূপ, ককাই ব্যৱহাৰ কৰা সেই বিশেষ তেল বিধৰ সুগন্ধি ৰুমটোত বিয়পি আছে.. যি ফালেই চাইছোঁ সেইফালেই ককাকেই দেখিছোঁ।এই যেন মাতিব “গোসাঁনী” বুলি, এই যেন ক’ব “মোক আজি গাখীৰ ভাত দিবি”,”তইনো ল’ৰাটোক কেলেই বকি থাক”,”মোক চেক এখন লিখি দেচোন”,”আদা দিয়া চাহ অকণ দে চোন”,”তোৰ বিয়াত মই অনিৰুদ্ধক পাটৰ ধুতি পাঞ্জাৰী চোলা দিম”...
ইমানবোৰ কথা এতিয়া মই ক’ত বিচাৰি ফুৰিম..
ককাৰ বিছনাৰ খুঁটি টোত ধৰি মই চিঞৰি চিঞৰি কান্দিছোঁ, গাৰ সমস্ত জোৰেৰে মাতিছোঁ..
“ককা.. ককা”
নাই, উত্তৰ নাই, কেতিয়াও নাহে উত্তৰ।চোতালৰ একেবাৰে সিটো মূৰে আইতাৰ কাষতে চিৰনিদ্ৰাত শুই আছে মোৰ ককা.. আৰু কেতিয়াও ঘূৰি নাহে.. কেতিয়াও...!

দুৱাৰত পৰা টুকৰবোৰ মই শুনা নাই, থুপুৰ কান্দোন, অনিৰুদ্ধৰ বুজনি, মাৰ উচুপনি একো মোৰ শুনিবৰ ইচ্ছা নাই।এটা দীঘল ৰাতি মই ককাৰ ৰুমৰ মজিয়াত পৰি পাৰ কৰি দিলোঁ... মোৰ আটাইতকৈ দীঘল আৰু দুখৰ ৰাতি আছিল এইটো..

ৰাতিপুৱা ওলাই আহিছিলোঁ বেলেগ এজনী অনন্যা হৈ, দায়িত্ব বোৰ কান্ধ পাতি লৈছিলোঁ আকৌ এবাৰ, দেউতাৰ পৰা মাক আঁতৰাই ৰাখিছিলোঁ, যোগেশ দাক জোৰ কৰি কিবা এটা খুৱাইছিলোঁ।কামৰ তাগিদাত ঘূৰি যাবলগীয়া হোৱা অনিৰুদ্ধক বিদায় দিছিলোঁ..
যাবৰ সময়ত বাৰে বাৰে উভতি আহি মোক সামৰি লৈছিল অনিৰুদ্ধই
“মই আকৌ সোনকালেই আহিম,তুমি প্লিজ ভালকৈ থাকিবা”
“দেউতাৰ পৰা আঁতৰি থাকিবা”
“বেছি দিগদাৰ হ’লে মোক মাতি দিবা”
উত্তৰ দিবলৈ একোৱেই নাছিল।

মাত্ৰ এটা কথাত মই বাৰে বাৰে হাৰি গৈছিলোঁ, যেতিয়া থুপুৱে সুধিছিল

“ককা ক’ত কুকাই থাকিলে মা,মাতি দিয়া থুন”
ৰাতি সি ককাক মাতি মাতিয়েই কান্দি কান্দি শুই পৰিছিল, আৰু তাক শুৱাই থাকোঁতে কাণত পৰিছিল, দেউতা আৰু মাৰ ৰুমৰ পৰা অহা শুনিব নোখোজা কথা কিছুমান..
“চাওঁ এইখন ঘৰত কেনেকৈ থাক তই, চোঁচৰাই উলিয়াই দিম মই তোক, তোৰ জীয়েৰক।”

জীৱন!সৰৱে বাবে তুমি অনুপম নহয় কিয়?

ককা নথকা ঘৰখন সুস্থিৰ হ'বলৈ এমাহতকৈ বেছি সময় লাগিল।
এমাহ সময়, প্ৰত্যেক ৰাতি মই উঠি আহি ককাৰ ৰুমত নিজকে বন্ধ কৰি ৰাখিলো বহু সময়লৈকে।
যেন পাতিবলগীয়া কথাবোৰ অকলেই পাতি পেলালোঁ।

ককাৰ চিনাকি সকলোকে নিমন্ত্ৰণ কৰি ককাৰ আদ্যশ্ৰাদ্ধ পাতিছিলোঁ।
সেইদিনা সকলো মানুহৰ সন্মুখত দেউতা এজন খুব দায়িত্বশিল পুত্ৰ হৈ সকলোকে মাত বোল কৰিছিল।
ভাবিছিলোঁ, অলপ সলনি হৈছে।
নাই।
পিছদিনাই মাৰ পৰা আজুৰি ককাৰ কণ্টেছাৰৰ ছাবি লৈ দেউতাই মাৰ্ঘেৰিটাৰ ঘৰলৈ লৈ গৈছিল।লগত কৰো বহুত কিবাকিবি।
লৈ যাওক, তেনেকৈয়ে সুখী হওক অসুখী আত্মাৰ মানুহজন।

নাহিলে বেয়া হয় বুলি শ্ৰাদ্ধৰ আগদিনা বা আৰু ৰাজু দা আহিল।কোনো দুখ নাই,আত্মীয়তা নাই।কেঁচুৰাৰ লগতে দুয়োটা ব্যস্ত হৈ থাকিল।যোৱাৰ আগতে যিমান পাৰে ককাৰ বস্তু কিছুমান টোপোলা বান্ধি লৈ গ'ল।

ককাক ভালপোৱা সকলো মানুহ আমাৰ ঘৰলৈ এবাৰ মাত লগাবলৈ আহিল।তাৰে মাজত এজন অনিৰুদ্ধৰ দেউতাকো আছিল।মানুহজনে মোক বুজিছিল, মোৰ দায়িত্বসমূহ দেখি কিছু পৰামৰ্শ দিছিল।কাণ পাতি শুনিছিলোঁ।মোৰ মূৰত হাত ফুৰাই মৰম কৰি দিছিল।জীৱনত প্ৰথমবাৰৰ বাবে 'দেউতা' সম্বন্ধটোৰ প্ৰতি মৰম আৰু শ্ৰদ্ধাৰে মোৰ মন উপচি পৰিছিল।
থুপুক তেওঁ ককাৰ দৰেই সাৱটি লৈছিল।
"তুমছে এইছে মিলনা হ'গা, কভি চ'ছা নেহী থা বেটা"
এখন আশীৰ্বাদৰ হাত হেৰুৱালো,আন এখনে মেৰিয়াই ধৰিলে নতুনকৈ।
ককা নথকা সময়খিনিত নিজৰ দেউতাৰ পৰা পোৱা অশান্তি বোৰ সেই এটা দিনত মোক অনিৰুদ্ধৰ দেউতাকে পাহৰাই ৰাখিছিল।
এটা দিন আমাৰ সৈতে থাকি তেখেত গুচি গৈছিল।

মা আৰু মোক আচৰিত কৰি ককাৰ মৃত্যুৰ খবৰ পায় প্ৰদীপ খুড়া আৰু খুড়ী আহিছিল আমাৰ ঘৰলৈ।দেউতাই লগত লৈ আনিছিল।মই ওলাই মাত দিয়া নাছিলোঁ।খুড়ী নিজেই মোৰ ৰুমলৈ সোমাই আহিছিল।
:তুমি চাগে মোক এতিয়াও বেয়া পাই আছা?
:আপোনাক মই মনতেই ৰখা নাই, ভাল পোৱা বেয়া পোৱা কি আছে।
মানুহগৰাকী মোৰ ৰুমৰ পৰা ওলাই গৈছিল।বুকৰ দাগটোত নতুনকৈ বিষ অকণ অনুভৱ কৰিছিলো।কিন্তু অনিৰুদ্ধৰ নামটোৱে সেইয়া বাঢ়িবলৈ নিদিলে।

পিছত মাৰ পৰা গম পাইছিলোঁ, তেওঁলোকৰ একমাত্ৰ পুত্ৰ এই পৃথিৱীত নাই।সিদ্ধাৰ্থৰ মৃত্যু হৈছে।হত্যা কৰিছে কোনোবাই।তিনিবছৰ আগতেই ঘটি যোৱা ঘটনাটোৰ আজিও বিচাৰ চলিয়েই আছে।লগৰ ল'ৰাৰ লগত হোৱা কাজিয়াৰ পৰিণতিতেই হত্যা কৰা হ'ল সিদ্ধাৰ্থক।মাক দেউতাকৰ ওচৰলৈ মৃতদেহটো হে ঘূৰি আহিছিল।হত্যাৰ সময়ত সিদ্ধাৰ্থৰ ওপৰত দুটাকৈ ধৰ্ষণৰ গোচৰ আছিল।সেইবাবে মৃত্যুৰ আঁৰৰ কাৰণ এতিয়াও নিশ্চিত নহয়।
:মানুহ হাললৈ দুখ লাগে, খুড়া মানুহজন ভাল।
:তাকেই।

ককাৰ ৰুমত সোমাই কান্দি থকা অৱস্থাত এদিন মায়ে আনি নিজৰ লগত শোৱাইছিল।তেতিয়াৰ পৰা থুপুক মাজত লৈ দুইজনী একেলগেই শোৱা হ'লো।এদিন ৰাতি মায়ে ক'লে..
:মাজু।
:হমম।
:অনিৰুদ্ধৰ ওচৰলৈ কেতিয়া যাবি?
:ভৰা নাই এতিয়াই,ককাৰ ছমহীয়া পাতিব লাগে, তাকেহে ভাবি আছোঁ।
:মোৰ এটা ইচ্ছা আছে।কওঁ নে?
:কোৱা আকৌ।
মাৰ ধুনীয়া সপোন।বিশাল বগা বাংলোত মায়ে কাৰোবাক আশ্ৰয় দিয়াৰ কথা ভাবিছে।
:অনাথ আশ্ৰম খুলিব খুজিছা?নে বৃদ্ধাশ্ৰম?
:এটাও নহয়।
:তেন্তে?
:মোৰ নিচিনা মানুহক আশ্ৰয় দিম।যাৰ নিজাকৈ ঘৰ এখন হোৱা নাই এতিয়াও।ঘৰৰ মানুহে বিয়া দি আৰু উভতি নোচোৱা হাজাৰজনী ছোৱালী এতিয়াও আছে।যি কেৱল উভতি যাব নোৱাৰে কাৰণেই অত্যাচাৰ সহি সহি অধীৰৰ দৰে মানুহৰ লগত থাকে।মোৰ তেতিয়া বয়স কম আছিল, নিজৰ উপাৰ্জন নাছিল।ঘৰৰ মানুহৰ চাপোৰ্ট নাছিল।ক'লৈ যাম বুলিয়েইতো থাকি গ'লো।ককা আইতাৰ মৰম নোপোৱা হ'লে চাগে মৰিয়েই থাকিলেহেঁতেন।সেইকাৰণে ভাবিছোঁ, মই মোৰ দৰে মানুহক আশ্ৰয় দিম।যাৰ সদ্যহতে যাবলৈ এখন ঘৰ নাই,দুবেলা দুমুঠি খাব পৰাকৈ উপাৰ্জন নাই।সকলোতকৈ জৰুৰী, নিৰাপত্তা নাই।থাকিব, যিমান জনীক পাৰোঁ মই ৰাখিম, খুৱাম।আৰু স্বাৱলম্বী হ'বলৈ শিকাম..মুকলি মনেৰে থাকিব ইয়াত।দৰকাৰ হ'লে ওপৰত আৰু ৰুম বনাই দিম.. তৰা আছে, বাহাদুৰ আছে,সৰেই মিলি কৰি মেলি খালেই হ'ল....
কথাবোৰ কৈ যাওঁতে মাৰ মুখ খন পোহৰ হৈ গৈছে।
ইমান ধুনীয়া মনৰ মানুহজনীক ভগৱানে ধুনীয়া জীৱন দিবলৈ কিয় পাহৰি গ'ল!
:শুনিছ নে মাজু।
:শুনি আছোঁ কোৱা..
:তেতিয়া যে মই এইখন ঘৰৰ পৰা কিমানবাৰ পলাই যোৱাৰ কথা ভাবিছিলোঁ।যেতিয়া দেউতাৰে ৰাতি মদ খায় আহি উৎপাত কৰে, তেতিয়া বন্ধ দুৱাৰৰ সিপাৰে কোনেও গম নাপায়।মই অকলেই সহি থাকোঁ।এবাৰ নিজৰ মাক কৈছিলোঁ, উত্তৰ দিছিলে মোৰ হেনো অহংকাৰ বেছি, মাইকী মানুহৰ ইমান বেছি অহংকাৰ হ'ব

নালাগে।স্বামীয়ে যি বিচাৰে দিব লাগে,যি কয় শুনিব লাগে।
কাৰোবাক মনে প্ৰাণে ভাল পায় আন কাৰোবাৰ লগত শুবলৈ মোৰ কষ্ট হৈছিল, সেই কথা নিজৰ মায়েই নুবুজিলে।মোৰ আত্মসন্মানক অহংকাৰ বুলি ক'লে,সকলো দোষ মোকেই জাপি দিলে।এনেকুৰা চাগে আৰু কিমানৰ লগত হৈ আছে।যাওঁ বুলি গুচি যাব পৰা নাই,ওলাই আহোঁ বুলিও বান্ধোন ছিঙি আহিব পৰা নাই। মই বেয়া ভাবিছোঁ নেকি মাজু?

:ওহোঁ।মই যোগেশ দাৰ লগত কথা পাতি কি কৰিব লাগে কৰিম।

সমাজৰ আগত অগ্নিপৰীক্ষা দিব নোখোজা বহু জনী জানকীক আমি 'জানকী কানন'ত ঠাই দিম।
ইয়াতকৈ ভাল লগা আৰু কি হ'ব পাৰে।
:তেতিয়া তই গুচি গ'লেও ঘৰখন ভৰি থাকিব।
:মই এতিয়াই ক'তো নাযাওঁ।
:মাজু, অনিৰুদ্ধৰ প্ৰতি জানো তোৰ দায়িত্ব নাই?তাৰ কথা আমি নাভাবিলে নহ'ব নহয়।সি তোৰ বাবেই ৰৈ আছে।অকণমান নিজৰ আৰু তাৰ কাৰণেও ভাবিবি।ককাৰ ঘৰখন চাবলৈ মই আছোঁ, যোগেশ আছে, অনিৰুদ্ধ অকলে থাকে।
:তোমাক অকলে এৰি যাবলৈ ভয় লাগে, দেউতাই যদি..
:বুঢ়া সিংহই গুজৰিব হে পাৰে, চিকাৰ কৰিব নোৱাৰে.. একো নহয় মোৰ।ভালে থাকিম।মানুহৰ কাৰণে কাম কৰিম।ছোৱালীবোৰক কাম শিকাম।ভাবিছোঁ আয়ুৰ মাকক ক'ম এই বিষয়ে।আৰু শুন, যেতিয়াই মন বেয়া লাগিব, তোৰ ওচৰলৈ গুচি আহিম, বেয়া পাবি নেকি?
:এটা ৰুম তোমাৰ বাবেই ৰাখিম।
:হ'ব শু এতিয়া।

শোৱা নহ'ল।ফোনটো লৈ উঠি আহিলোঁ।অনিৰুদ্ধৰ সৈতে শেষ দেখা হোৱাৰ প্ৰায় ছয় মাহ পাৰ হৈছে।তেওঁ আহিব খুজিছিল, কিন্তু সেইটো সময়ত দেউতাৰ বাবেই মানা কৰিব লগীয়া হৈছিল।
:Hey!
:শোৱা নাই কিয়?
:Have a production deploy this weekend, lot of work.
:Hmm.
:ই শুলে?
:উম।
মাৰ সপোনটোৰ কথা তেওঁক ক'লো।আজিকালি প্ৰায় সকলো কথাই share কৰোঁ।কাকো একো কথা খুলি ক'ব নোৱাৰা মই এতিয়া একো কথাই লুকুৱাই ৰাখিব নোৱাৰা হৈছোঁ।
:You both can do anything ,proud of you dear!
: তাৰ পাছত মায়ে আৰু এটা কথা ক'লে।

:কি কথা।
:নকওঁ।
:বেছি হৈছে অলপ, আহি আছো।

ফোনটো থৈ ঘূৰি আহি মাৰ ওচৰত বহিলো।দিনটো মোৰ লগত কামৰ মাজত ডুবি থকা মানুহজনীৰ সপোনটো মই পুৰা কৰিম, কৰিবই লাগিব।প্ৰয়োজনীয় সকলো কাম কাইলৈৰ পৰাই আৰম্ভ হ'ব।

কাষৰ টেবুলত থকা ককাৰ ফটোখনলৈ চাই সুধিলো
"মই পাৰিম নে?"
উত্তৰ আহিল
"পৰিবি তো,তই যে মোৰ গোসাঁনী ছোৱালী"

"Ashapurnaa-Womens Refuge"
ফাইলটো তৈয়াৰ কৰিলোঁ।যথেষ্ট কাম কৰিবলগীয়া আছে।সদ্যহতে উকিলৰ লগত কথা-বতৰা আৰম্ভ কৰিলোঁ।ইতিমধ্যে এনেধৰণৰ কাম কৰি থকা দুটা Womens Refuge ৰ লগত কথা পাতিলোঁ।তেওঁলোকে যথেষ্ট সহায়, দিহা-পৰামৰ্শ দিলে।ইমান সহজ নহয়।প্ৰথমতেই পুৰণা ডোপ্লেক্স ঘৰটোৰ ওপৰত construction ৰ কাম আৰম্ভ কৰিলোঁ।লাইচেন্সৰ বাবে আবেদন কৰাৰ আগতে ঘৰত যাৱতীয় সকলো সুবিধা থকা জৰুৰী।

আজিও ৰাতিপুৱা উঠিয়েই যোগেশ দাৰ লগত এইটো কামতে ওলাই যাবলৈ ৰেডি হৈছোঁ , তেনেতে হাতত ফোনটো লৈ থুপু কান্দি কান্দি আহিছে।আজিকালি নিজেই ফোন কৰিব পৰা হৈছে মনে মনে।লক কৰিলে কন্দা কটা লগায়।
এতিয়া বা আকৌ কি হ'ল!
:কি হ'ল জান?
গোটেইটো কান্দি কান্দি নাকেৰে পানী বৈ গৈছে।কি হ'ল?
তাক মই মোৰ বিয়ালৈ নিনিলোঁ বোলে।অনিমুন আৰু মোৰ বিয়াত সি ইয়াতে শুই থাকিলে।ঠগিলোঁ মই।
:কোনে কৈছে তোমাক?
:অ.. নি.. মু.. ন. ই।
হিকটিয়াই গৈছে কান্দি কান্দি।
:কেনে নিনিলা মোক বিয়ালে।
কি কৰ কৰ।
ভিডিঅ' কলত সেইফালে অনিৰুদ্ধ।

:কেলেই ইমান কামুৰি আছে তাক?
:যেতিয়ালৈকে মোৰ ওচৰলৈ নাহা, এনেকৈয়ে জ্বলাই থাকিম তোমাক।

ককাৰ মৃত্যৰ সম্পূৰ্ণ ছটা মাহ পাৰ হৈ যোৱাৰ পাছত, ককাৰ ৰূমৰ বিছনাৰ সন্মুখৰ খালি দেৱালখনত আউজি আমি দুটা আকৌ বহিছোঁ।
সৰুতে এনেকৈ তলত বহি আমি ককাৰ পৰা সাধু শুনিছিলোঁ।
আমি মানে মই আৰু আয়ু।
সি নাহিল, ককাৰ ঢুকোৱাৰ খবৰ পায়ো সি নাহিল, সৰেই তাক বেয়া পাইছিল, মই নাই পোৱা।ভালকৈ জানো মই তাক।নোৱাৰে সি মুখা-মুখি হ'ব,পলাই ফুৰিব কেইদিনমান।মনে মনে ভাৰিব হয় যদি মিছা হওঁকচোন।সি এনেকুৱাই, মোৰ বাবে সেইকাৰণে সি থুপুতকৈ অলপো বেলেগ নহয়।ইমানদিনে ফোনত কথা পাতিলেও সি কেতিয়াও ককা ঢুকোৱাৰ কথা মোক কেতিয়াও নকয়।মই ক'লেও সি লৰালৰিকৈ ফোনটো থৈ দিয়ে।
:আমি যে আগতে ইয়াত বহি লিচু গুটিত জুইশলা কাঠি ভৰাই ঘূৰাইছিলোঁ, তোৰ মনত আছে?
:আছে।
:তই সদায় নিজৰ টো ভাঙি মোৰ পৰা কাঢ়ি নিয়।আগৰ পৰাই ডাকু এজনী।
:ইমান দিন কিয় নাহিলি আয়ু?ইয়ালৈ আহিব লাগিব বুলিয়েই ঘৰলৈও ইমান দিন নহাকৈ থাকিলি।কেলেই এনেকুৱা তই?সৰ আহিল, কোনো নহাকৈ নাই থকা, তোৰ বাহিৰে।

:বেয়া পালি?
:অলপ তো পামেই ন।
:মায়ে যেতিয়া খবৰটো দিছিলে, মই চিধাই তোৰ পুৰণা ঘৰটোলৈ দৌৰিছিলোঁ, কিজানি ককাক আকৌ দেখি যাওঁ।কিমান দেৰি যে গেইটৰ সন্মুখত ৰৈ থাকিলোঁ।তাৰ পাছতো বহুত দিন অফিচৰ পৰা আহি সেইখিনিলৈ যাওঁ।মোৰ ভয় লাগে বুলি তয়ো জান।সঁচা বুলি জানিলেও কিছুমান কথা ফেছ কৰিব নোৱাৰো।মই পলাই ফুৰিয়েই ভাল পাওঁ।
:হম।তোক মিছ কৰিছিলোঁ বহুত,আমাৰ আগৰ কথাবোৰ পাতিবলৈ কোনো নাছিল মোৰ লগত।মই এইটো ৰূমত ৰাতি ৰাতি অকলে বহি থাকোঁ, বহুত মনত পৰে তেতিয়া তোলৈ।

:অনিৰুদ্ধ আছে তোৰ লগত এতিয়া, মই আঁতৰি যোৱা ভাল নহ'ব জানো।
সি কি বুজাইছে ময়ো বুজিছোঁ।
:যাব মন কৰিছ যা।মই থাক বুলি যে নকওঁ তয়ো জান।কিন্তু তোৰ আৰু অনিৰুদ্ধৰ মাজত মই কেতিয়াও তুলনা কৰি পোৱা নাই আয়ু।তয়ো ভালকৈয়ে জান মই তোক কিমান ভাল পাওঁ।তই মোতকৈ সৰু,

সৰুৰেপৰাই ভাইটিৰ নিচিনাকৈ ভাবি আহিছোঁ।বহুত মৰম কৰোঁ তোক
তোৰ মনত কি আছে মই এতিয়া জানো, সেইবুলি মই অনিৰুদ্ধৰ দৰে তোক ভাবিব নোৱাৰোঁ।কেতিয়াও নোৱাৰোঁ।জোৰ কৰি প্ৰেম নহয় আয়ু।যদি মোৰ জীৱনত অনিৰুদ্ধ নাহিলেও হেঁতেন,তেতিয়াও মই কেতিয়াও তোক সেই স্থান নিদিলোঁহেঁতেন।তই বুজিলে বুজিবি নুবুজিলে নাই।কিন্তু এটা কথা জানিবি, তই নাথাকিলে মই মোৰ গোটেই শৈশৱটোকে মচি পেলাব লাগিব।

সি মনে মনে আছে, এনেকুৱা এটা দিন আহিব বুলি মই ভবা নাছিলো।সি যদি ভাবিছিল মই নাজানোঁ।

:তই বহুত বেলেগ হ'লি ,এতিয়া আগৰ 'জাপৰী গোসাঁনী' হৈ থকা নাই।
:সময়ে সৱকে সলনি কৰি দিয়ে।
:মই একেই আছোঁ, সৰ সদায় একেই হৈ থকা হ'লেই ভাল আছিল।আমি দুটা আৰু ককা আগৰ নিচিনাকৈ থাকিব পৰা হ'লে!
:আমি জানো সৰু হৈ আছোঁ?
সি উত্তৰ নিদি হুমুনিয়াহ কাঢ়িলে।কিছু সময় মনে মনে থাকি ক'লে
:US গৈ আছোঁ মই।
:What the!কেতিয়া????
:দুমাহ পাছত যাব লাগে।অলপ যোগাৰ বাকী আছে।
:কোৱা নাই কিয়?
:পাহৰি থাকোঁ।
:আজিকালি মিছা কথা খুব ধুনীয়াকৈ ক'ব পৰা হ'লি।
MS কৰিবলৈ যাব সি।আগতে মই পঢ়িবলৈ কৈ কৈ ভাগৰি যাওঁ, এতিয়া নিজেই সৰ কৰিব পৰা হ'ল।সুখী হৈছোঁ তাৰ কাৰণে।আয়ুক মই কিমান মৰম কৰোঁ সি নাজানে, নালাগে জানিব।সদায় প্ৰাৰ্থনা কৰোঁ তাৰ কাৰণে,আজীৱন সি মোৰ প্ৰাৰ্থনাত থাকিব।
তাৰ কি যোগাৰ হোৱা নাই মই ভালকৈয়ে বুজিছোঁ।
:আয়ু ককাই তোৰ কাৰণে গিফ্ট এটা থৈ গৈছে, মোক দি দিবলৈ কৈছিল।লৈ যাবি আজি।
:কি গিফ্ট?
:মনত নাই? আগতে যে আমি ককাক খুচুৰা পইচা বোৰ আনি দিওঁ, আমি ডাঙৰ হোৱালৈ সেইবোৰ বহুত বেছি হৈ যাব বুলি কয় ককাই, মোৰ খিনি মই ল'লো, তোৰ খিনি থৈ দিছোঁ।
:খুচুৰা পইচা?
:ওহোঁ, ককাই চেক লিখি গৈছে আমাৰ দুইটাৰে নামত।
সি জানে, সেইয়া মই কোৱা কথা।তাক এতিয়া দৰকাৰ হৈছে, কিন্তু আগৰ নিচিনাকৈ সি মোক আজিকালি নোখোজে।কিন্তু মইতো তাক নুবুজা নহয়।
এমাউন্ট টো লিখি তাৰ হাতত দিলোঁ।
:পিছত ডলাৰত ঘূৰাই দিবি।ধাৰলৈ দিছোঁ।বেংকৰ লোণ বুলি ল।

সি হাত পাতি ল'লে।

এটা পইচাও যদি সি সাঁচিবলৈ শিকিলেহেঁতেন।আজি এনেকুৱা নহয়।গাহৰি আৰু বিয়েৰতে দৰমহা শেষ চাগে।

:আয়ু,মই অনিৰুদ্ধৰ লগত বিয়াৰ কথা ভাবিছোঁ।

:জানো।খুড়ীয়ে ক'লে।

:তই থাকিবিনে?যদি বেয়া পাৱ..

:থাকিম, কিন্তু গিফ্ট নিদিওঁ, পইচা নাই মোৰ।

পাগলটো!

আৰু বহুত কথাই পাতিলোঁ আমি।কিমান কথা যে আছিল আমাৰ মাজত। আজিয়েই যেন সৱ পাতি শেষ কৰি পেলাম।

:অনন্যা,অনিৰুদ্ধ তোৰ কাৰণে পাৰফেক্ট।মই প্ৰথমতে তাক বহুত সন্দেহ কৰিছিলোঁ।কিন্তু সি যেনেকৈ থুপুক একচেপ্ট কৰিছে, মানিছোঁ সঁচাকৈ।তই হেপ্পী থাকিবি মই জানো।

:উম।

:কিন্তু অলপ চেনি হয় আকৌ বেয়া নাপাবি।আগতে যে সেই টানিয়াজনীৰ লগত ঘূৰি ফুৰে।

:দুইটাকে কম বকিলোঁ নে এটা টাইমত।

দুইটাই বাগৰি বাগৰি হাঁহিছোঁ।কথাবোৰ এনেকুৱাই।

কিছুমান স্পেচিয়েল মানুহৰ লগতহে স্পেচিয়েল কথা শ্বেয়াৰ কৰিব পাৰি।আয়ু মোৰ ওচৰত সদায় থাকিব।'স্পেচিয়েল' হৈ।সেই স্থান আন কোনেও ল'ব নোৱাৰে।কাকো নিদিওঁ মই।

আবেলিৰ পৰা কেতিয়া সন্ধিয়া পাৰ হ'ল আমাৰ খবৰ নাই।তৰাৰ কোলাত শোৱাৰ পৰা উঠি চকু মোহাৰি মোহাৰি থুপু।আয়ুক দেখি গোটেইটো ক'ব নোৱাৰা হৈছে।

'পেটু মামা' ৰ পেটত ঘুছিয়াবলৈ দৌৰি আহিল।

:মোলে কি আনিথা?

আৰু দুয়োটাকে চাই মই মোৰ বুকুখন আকৌ এবাৰ মমতাৰে উপচি পৰিল।

আয়ুৰ কাৰণে পোলাও চিকেন বনাবলৈ উঠি আহিলোঁ।

মা আৰু যোগেশদাৰ লগত দিনে নিশাই কাম কৰি অৱশেষত মাৰ সপোনটোক অলপ হ'লেও আকাৰ দিব পাৰিলোঁ।বগা বাংলোৰ ওপৰত পাঁচটা কোঠাৰ এটা ঘৰ হ'ল।নতুন ফলক লাগিল “আশাপূৰ্ণা -Womens Refuge”।

নতুন মানুহক নিযুক্তি দিয়া হ'ল।বাতৰিত প্ৰচাৰ হোৱাৰ পাছত অহা ইটোৰ পিছত সিটো ফোনে মা আৰু মোক আমাৰ সমাজখনৰ বিভৎস ৰূপ এটাৰ লগত চিনাকি কৰাই দিলে।

আজিও মনত আছে, যেতিয়া পূজা নামৰ একৈশ বছৰীয়া ছোৱালীজনীক আমি ইয়ালৈ লৈ আনিছিলোঁ।গোটেই গাতে দাগ, আগফালৰ দাঁত দুটা ভগা,মদাহী বাপেকে ধাৰ মাৰিব নোৱাৰি বিক্ৰী কৰি দিয়াৰ দৰে মানুহ এটাৰ লগত বিয়া দিছিল তাইক।তাৰ পাছত নৰকৰ জীৱন দুবছৰ কটাই শেষত ওচৰৰ মানুহৰ সহায়ত আমাৰ ওচৰ পাইছিল।

তাৰ পাছত আনিছিলোঁ উপাসনা বাইদেউক।সম্ভ্ৰান্ত ঘৰৰ বোৱাৰী, অধ্যাপকৰ পত্নী।মুখৰ আধা অংশ এচিডে পুৰি পেলালে।বিয়াৰ ষোল্ল বছৰৰ পিছতো সন্তান দিব নোৱাৰাৰ বাবে স্বামীয়ে দ্বিতীয় বিবাহ কৰিব খুজিছে।আপত্তি কৰাৰ বাবে শাস্তি এইয়া।মাক দেউতাক নথকা ঘৰখনত ভায়েক দুজনে নাৰাখে, তেওঁলোকৰ সৰু সৰু ল'ৰা ছোৱালীয়ে ভয় খায় হেনো বাইদেউৰ জ্বলি যোৱা মুখ খন দেখিলে।

আৰু মই অতদিনে নিজৰ দুখ খিনিকে লৈ কান্দি আছিলোঁ।এতিয়া এনে লাগে, যদি সমাজৰ প্ৰতি জনী নাৰীয়ে নিজৰ কাহিনী ক'বলৈ হয়, এই পৃথিৱীত চকুপানীৰ এখন সাগৰ অহৰহ বৈ থাকিব।
মৌনতাত ডুব যোৱা কাহিনীবোৰ চাগে কিমান বেছি ভয়ংকৰ!

লাহে লাহে আমাৰ ইয়াত বাৰগৰাকী মহিলাক আশ্ৰয় দিলোঁ।তেওঁলোকৰ খোৱা বোৱাৰ পৰা চিকিৎসালৈকে সকলোবোৰ মায়ে নিজেই চায়।সহায় কৰিবলৈ ওচৰৰে ছোৱালী এজনী নিজেই আগবাঢ়ি আহিছিল।লাহে লাহে মায়ে মানুহৰ মাজলৈ আকৌ উভতি গৈছে।বহুতো কলেজীয়া ছোৱালী আজিকালি আমাৰ ইয়ালৈ আহে।যি পাৰে সহায় কৰে।মাৰ লগত কথা পাতে।মাৰ হেৰাই যোৱা হাঁহিটো আকৌ ঘূৰি আহিল।অকল সেইয়াই নহয়,মায়ে তেওঁলোকৰ সংস্থাপনৰ কাৰণেও কাম কৰি আছে।মা এগৰাকী স্বয়ংসম্পূৰ্ণ নাৰী হৈ জিলিকি উঠিছে।মাক বেয়া পোৱা মানুহেও মাৰ এই কামক প্ৰশংসা কৰিবলৈ বাধ্য হৈছে।মায়ে যেতিয়া আশ্ৰিত মহিলাসকলক সাহস দিয়ে, মই দূৰৈৰ পৰাই চাই থাকোঁ।
আৰু সৰৰে মাজত আমাৰ হিৰো থুপু।সৰৰে মৰমত গোটেইটো গদগদ।আজিকালি মোক পাত্তাই নিদিয়া হৈছে।দিনৰ দিনটোত বাইদেউ সকলৰ মাজত থাকে।ক খ লিখে, আম আঁকে।
চিঞৰি চিঞৰি গান গায়।
অকলশৰীয়া মানুহবোৰৰ মুখত সি হাঁহি এটা আনি দিয়ে, আৰু সেই হাঁহিটো ভগাই লৈ মা আৰু মই সুখী হওঁ।

আৰু দেউতা!
সাহস নকৰে এতিয়া ইয়ালৈ আহি উৎপাত কৰিবলৈ।কেতিয়াবা আহি নিজৰ অধিকাৰ দেখুৱাই দুই এটা উপদেশ দিয়ে।আমি মনে মনে শুনি থাকোঁ।তাৰ পাছত অহাৰ দৰেই উভতি যায়।
মাৰ স্পষ্ট কথা..”আপোনাৰ যেতিয়াই ইচ্ছা আহিব পাৰে, যেতিয়াই ইচ্ছা যাব পাৰে।মাত্ৰ মই সেই লৈ মোৰ ঘমাব নোৱাৰোঁ, সময় নাই মোৰ”।

ককাৰ প্ৰতি, মাৰ প্ৰতি ,জানকী কাননৰ প্ৰতি মোৰ এতিয়াও বহুত দায়িত্ব আছে।কৰি যাম সদায়।কিন্তু এতিয়া যে অনিৰুদ্ধৰ পৰা আঁতৰি থকাটো মোৰ বাবেও কষ্টকৰ।পৰতিটো সুখ দুখত মোৰ কাষত থকা মানুহজনক আৰু কিমান দিন নিজৰ পৰা, থুপুৰ পৰা আঁতৰাই ৰাখিম!

এটি সন্ধিয়া আমি বাৰাণ্ডাত বহি চাহ খাই আছোঁ..

:মাজু, কামবোৰ হ'ল।তই জীয়েকৰ সৱ দায়িত্ব পালন কৰিলি।এতিয়া মোক মাক হৈ কামবোৰ কৰিবলৈ দে।পাৰিলেতো সদায় তোক লগতে ৰাখিলোঁ হেঁতেন, কিন্তু স্বাৰ্থপৰ নহওঁ।তোৰ সুখ অনিৰুদ্ধৰ লগত।থুপুৰ বাবে তহঁত দুটা সোনকালেই একেলগ হোৱাটো জৰুৰী।বিয়া পাতিবলৈ মোৰো ইচ্ছা নাই, তোৰো নাই, তেওঁলোকৰ লগত পাতি কি কয় চাওঁ।কিন্তু দেৰি নকৰোঁ আৰু।

:তুমি যি ভাল দেখা।
:আয়ৈ, তই লাজ কৰিছ নেকি।
হাঁহি হাঁহি মায়ে মোক চপাই ল'লে বুকুৰ মাজত।তাৰ পাছত আৰু একো কথা কোৱা নহ'ল।মাৰ চকুপানীবোৰ মোৰ চুলিত পৰাহে অনুভৱ কৰিলো।

মায়ে তেওঁৰ মাক-দেউতাকৰ লগত ইতিমধ্যে সকলো কথা আলোচনা কৰিছে।এতিয়াও তেওঁৰ আইতাকে মোক মানি লোৱা নাই।মই সেইখন ঘৰত তেখেত থকালৈকে সোমাব নোৱাৰোঁ।কিন্তু তেখেতে অনিৰুদ্ধৰ সুখৰ বাবে বিয়াত সন্মতি দিছে।তেওঁলোকৰ পৰিয়ালৰ বহুতৰে আপত্তি থকাৰ বাবে আমাৰ কোনোধৰণৰ 'গ্ৰেণ্ড ৱেডিং' হ'ব নোৱাৰে।অৱশ্যে মই বা অনিৰুদ্ধ কোনো এজনেই সেইয়া বিচৰা নাই।আমাৰ বাবে বিয়া মাত্ৰ এটা ফৰ্মেলিটি হে।নহ'লেও আপত্তি নাই।মাত্ৰ তেওঁৰ মাক দেউতাকে কৰিব খোজা সামান্য নিয়মখিনি আমি মানি লৈছোঁ।আৰু সেইমতে মায়ে সকলো যোগাৰ কৰিছে।

দেউতাক মই নিজেই ফোন কৰি জনাইছো।
:আহিব নে?
:চাওঁ চোন।
নাহে তাৰমানে।হ'ব ।যি যেনেকৈ সুখী, তেনেকৈয়ে থাকক।
সকলো যোগাৰ হোৱাৰ পাছতহে দৰাক জনোৱা হৈছে।তাকো এসপ্তাহৰ আগত।
:আপুনি ইয়ালৈ আহিব লাগিব?
:কেতিয়া?
:অহা শনিবাৰে।
:Okkay, so you both are coming with me this time right?
:Nope!
:Okay ,I will bring you, Thupu and your 'Nope' all together.

এই সকলোবোৰৰ মাজত এখন যুদ্ধ আকৌ যুঁজিছোঁ মই।কাকো খুলি ক'ব নোৱাৰা।কাকো বুজাব নোৱাৰা।মোৰ ফেচবুকৰ একাউন্টৰ পৰা বিচাৰি বিচাৰি উলিয়ালো এটা পুৰণা নাম।কলেজৰ সেই চুলি কেঁকুৰা, চকু ডাঙৰ ল'ৰাটোৰ।

নাই, তাৰ প্ৰতি মোৰ আজিও প্ৰেম নাই,তেতিয়াও নাছিল।কিন্তু তাক এবাৰ জনাবৰ ইচ্ছা হ'ল।ক'বৰ মন গ'ল মোক জীয়াই ৰখা থুপু তাৰ বাবেই মোৰ জীৱনলৈ আহিল।কিন্তু তাৰ পিছত কি হ'ব সেইয়া ভাৱি আকৌ বাৰে বাৰে ৰৈ যাওঁ মই।

“Hi,Ananya here, please give me a call at this number..99...

মোক আচৰিত কৰি এটা ইণ্টাৰনেচনেল ফোন কল পিছদিনাই আহিল।একেবাৰেই অচিনাকি যেন লগা এটা মাত।

কোনো আন্তৰিকতা নাছিল।অত্যাধিক ব্যস্ত যেন লাগিল।সাহিল।যাৰ লগত মাত্ৰ এটা নিশাৰ ভুলৰ বাবেই মোৰ জীৱন সলনি হৈ গৈছিল..

কথা বহলাই থকাৰ ইচ্ছা মোৰো নাছিল..থুপুৰ কথা কোৱাৰ লগে লগে সিফালৰ পৰা প্ৰতিক্ৰিয়া এনেধৰণৰ আছিল যেন মই গৈ তাৰ ডিঙিত ওলমি হে দিম।সি বৰ্তমান তাৰ প্ৰেমিকাৰ সৈতে লিভ-ইনত থাকে, দুয়োটা একেলগে পঢ়িবলৈ UK লৈ গৈছে,তাতেই একেলগে আছে।মোক বা থুপুক লৈ সি ব্যস্ত হোৱাটো মই বিচৰাও নাছিলোঁ।মাত্ৰ জনোৱাটো মোৰ দায়িত আছিল।পালন কৰিলোঁ।

:How stupid Ananya,you should have gone for abortion,I mean, you were too young, and we never loved each other right, it was all because of that weed..

: Enough Sahil, enough.

বুকুৰ পৰা গধুৰ শিল এটা আঁতৰাই পেলালোঁ।নাই, কোনো অপৰাধবোধ এতিয়া মোৰ নাই।থুপু মোৰ,কেৱল মোৰ।

তাৰ দায়িত্ব, তাৰ অধিকাৰ, সকলোবোৰ কেৱল মোৰ।

নতুন জীৱনলৈ আগবাঢ়ি যাবলৈ ইয়াতকৈ ডাঙৰ সকাহ আৰু মোক নালাগে।সেই পুৰণি অধ্যায় মই চিৰদিনৰ বাবেই জপাই থ'লো।খুলি নাচাওঁ কোনোদিন।

অপেক্ষা মাথোঁ অনিৰুদ্ধৰ।

হয়, তেওঁ কোৱাৰ দৰেই মোক আৰু থুপুক নিবলৈ তেওঁ আহিল।
অকলে।

তেওঁৰ বেংগালুৰুৰ ঘৰত মোক আদৰিবলৈ ৰৈ থাকিল তেওঁৰ মাক-দেউতাক আৰু তেওঁৰ দুগৰাকী সম্বন্ধীয় ভনীয়েক।তেওঁলোকৰ নিয়মখিনি তাত কৰিব লাগিব।

অৱশেষত, বাখৰুৱা সপোন এটাৰ হাতত ধৰি মই নতুন জীৱনলৈ খোজ ল'লো।
ব'হাগৰ এটা কপৌফুলীয়া দুপৰীয়া মই বগা বাংলো এৰি যাবলৈ ওলালোঁ।ঘৰখন ফুল আৰু আমডালিৰে সজাই তুলিছে মা তৰা আৰু সকলো মিলি।উখল মাখল পৰিৱেশ।অগতানুগতিক বিয়া আমাৰ।কোনো মন্ত্ৰ নাই, পুৰোহিত নাই।আছে কেৱল অকৃত্ৰিম মৰম ভালপোৱা আৰু আশীৰ্বাদ।

গুণাৰ ফুল বচা বগা পাটৰ কাপোৰ সাজ পিন্ধি ৰুমৰ পৰা ওলাই আহোঁতেই মায়ে হুকহুকাই কান্দিলে।সৰু খোপা এটা বান্ধি ৰাতিপুৱাই অনিৰুদ্ধই আনি দিয়া গোলাপ পাহ গুঁজি লৈ মই কইনা সাজিলোঁ।
বছ, সিমানেই সাজোন কাচোন।
ককাৰ ইচ্ছামতেই মায়ে অনিৰুদ্ধক আনি দিয়া পাটৰ ধুতি পাঞ্জাৱী পিন্ধি মোৰ সপোনৰ ৰাজকোঁৱৰ আহি মোৰ কাষত থিয় হ'ল।মায়ে একো নাজানে।
আয়ুৰ মাকে শিকাই দিবলগীয়া হৈছে সৱ।পাকঘৰত চাউল ছটিয়াই দে,গোসাঁইঘৰত ছটিয়াই দে, ইটো কৰ সিটো কৰ।দুয়োটাই এতিয়া থাপনাত সেৱা কৰ।
জোঁৱাইকো সেৱা কৰ।
থাপনাৰ সন্মুখতে অনিৰুদ্ধই মোৰ ভৰি চুই দিওঁতে সৱেই হাঁহি দিলে।
:What?I resepect you too right?So?

নিজৰ জীৱনৰ দুখবোৰ একাষৰীয়া কৰি আশ্ৰিত প্ৰতিগৰাকী বাইদেৱে মোক হিয়াভৰি আশীৰ্বাদ দিছে।মোৰ কাষে কাষে থুপু।
অনিৰুদ্ধই লৈ অনা কোট পেণ্ট পিন্ধি গোটেইটো ডাঙৰ ল'ৰা।
মা ভাগৰ বিয়া পাতিথে, দৰা সি নিজেই।

মায়ে দুৱাৰ ধৰি উলিয়াই দিছে মোক,কাষত আয়ুৰ মাক আৰু উপাসনা বাইদেউ।মাক ইমানকৈ কন্দা মই কেতিয়াও দেখা নাই।মেলি থোৱা হাত দুখন তেনেকৈয়ে কঁপি কঁপি চাদৰ খন ধৰি আছে।থুপুৰ হাতত ধৰি মাৰ হাতৰ তলেদি সৰকি ওলাই আহিছোঁ।
:লগতে বেংলু যাবাই চোন ইমান কেলেই কান্দিছা আশা।তাত এৰি থৈ আহোঁতে কান্দিবলৈ আছেই।
আয়ুৰ মাকৰ বুজনিয়ে ৰখাব পৰা নাই মাৰ কান্দোন।

তৰা, বাহাদুৰ ,যোগেশদা সৱৰে পৰাই বিদায় লওঁতে শোক এটাই মোক খুন্দা মাৰি ধৰিছে।
ড্ৰয়িংৰুমত থকা ককাৰ ডাঙৰ ফটোখনত সেৱা কৰোঁতে মোৰ লগতে অনিৰুদ্ধ আৰু মায়েও কান্দিছে।মনে মনে এটাই কৈছোঁ
“ককা, এইখন ঘৰ মই এৰি যোৱা নাই, মোৰ প্ৰথম ঘৰ এইখনেই, মই প্ৰথমে এইখন ঘৰৰ ছোৱালী, পিছতহে কাৰোবাৰ পত্নী, কাৰোবাৰ বোৱাৰী।সমাজৰ নিয়ম মই ওলোটাই দিম।তাৰ বাবে যদি মই স্বাৰ্থপৰ হওঁ, মোৰ আপত্তি নাই।আহি থাকিম তোমাৰ ওচৰলৈ,আইতাৰ ওচৰলৈ, ‘জানকী কাননলৈ’।আমাক আশীৰ্বাদ কৰিবা সদায়।”

ককা আইতাৰ সমাধিত দুপাহ ফুল দি বিদায় ল’লো।
নিয়মবোৰ কৰি অনিৰুদ্ধই কাপোৰ সলাই আহিল, মোৰহে কিয় নাজানো, মন নগ’ল।মায়ে দিয়া কাপোৰযোৰ পিন্ধিয়েই এয়াৰপোৰ্টলৈ ওলালোঁ।

:Are you comfortable?
পাটৰ মেখেলা চাদৰ পিন্ধি ফ্লাইটত যাম প্ৰথমবাৰ।উজুটি খাই পৰোঁ বুলি অনিৰুদ্ধৰ চিন্তা।
:থুমি ইমান ধুনু লাগিথা আদি, কেনে কানিছা ?মা, থুমি মোক বিয়া পাতিবা নে অনিমুনক?মোক পাতিবা দেই।

চকুপানীবোৰ হাঁহিলৈ ৰূপান্তৰিত হ’ল।

গাড়ীৰ পিছৰ ছিটত মই আৰু অনিৰুদ্ধ, মাজত থুপু,যোগেশ দায়ে গাড়ী চলাইছে, মা কাষৰ ছিটত।

নতুন জীৱনলৈ যাত্ৰা মোৰ।পুৰণিক মই এৰি অহা নাই, বুকুত বান্ধি আনিছোঁ, প্ৰতিশ্ৰুতি দি আহিছোঁ।
বুকুখন অকণমান জোৰেৰে ধক কৰি গৈছে মোৰ।
:Hey buddy, we gonna be staying together from now.

এয়াৰপোৰ্টত আমাক নমাই ঘূৰি যাওঁতে যোগেশ দাৰ ভৰি চুই আশীৰ্বাদ লৈছোঁ।
মোক আশীৰ্বাদ দি অনিৰুদ্ধৰ ওচৰত হাত যোৰ কৰিছে যোগেশ দায়ে
:আমাৰ মাজু অলপ বেলেগ, তুমি বেয়া পালেও বুজাই মেলি ল’বা।দেউতাই বৰ মৰম কৰিছিল তাইক...

সজল দুচকুৰে আমাক নেদেখা লৈকে চাই আছে যোগেশ দায়ে।

থুপুৰ হাতত ধৰি মা আৰু অনিৰুদ্ধৰ পিছে পিছে ফ্লাইটত উঠিলোঁ।

:You are blushing Mrs Anirudh, keep it for our wedding night,when I kiss every...”
মাৰ হাত এৰি দৌৰি আহিল থুপু।

:মোকো কোৱা কথাটো।

:বাপ কা দুচমন!ইচক’ সৱ অভি ছে জাননা হে!

খিড়িকী কাষৰ ছিটটোত বহি কাণত হেডফোন লগাই চকু দুটা মুদি দিছোঁ।

“होश बातों का अक्सर नहीं था
दिल हमारा शायर नहीं
था तूने लिख दी ये तकदीर वरना
इश्क़ वाला मुक़द्दर नहीं था”

ডাৱৰৰ কোলাত বহি গৈ থাকোঁতে এনে লাগিল মোৰ লগে লগে ডাৱৰৰ অকাশীযান এখন সাজি সৌৰা ককা আৰু আইতাও আহি আছে।

ইমানবোৰ ভাললগা!
ক’ত লুকুৱাই ৰাখিছিলা অ’ মোৰ যাযাবৰী জীৱন?
মোৰ হাতত ধৰি এইবাবেই বাৰে বাৰে উভতাই আনিছিলা মোক?
এই বাবেই বিষণ্ণ ৰাতিৰ শেষত মোক কৈছিলা.. জীয়াই থাক অনন্যা..জীয়াই থাক..
ধূসৰ ধূসৰ দিনতেই লিখিছলা নে এই সেউজীয়া দিনবোৰৰ কাহিনী!
আছিল নে তেতিয়াও মোৰ বাবেই অতবোৰ বুকুত ইমানবোৰ হেঁপাহ!
জীৱন!
নতুন বন্ধুত্বৰ বাবে অভিনন্দন তোমাক!
তোমাক ভাল পাওঁ এতিয়া, ভীষণ!

হেৰাই যোৱা দিনবোৰৰ ছবিবোৰে মনত দোলা দি গৈছে আজি ঘনে ঘনে..
কলিকতাৰ অসহায় দিনবোৰ..
থুপুক মোৰ ভিতৰত অনুভৱ কৰা দিনবোৰ..
তাৰ পৰা আঁতৰি মৰি মৰি জীয়াই থকা দিনবোৰ..
আৰু..
এযোৰ চকুৰ গভীৰতাত হেৰাই যাওঁ বুলিও নিজৰ পৰাই পলায় ফুৰা দিনবোৰ..
সেই প্ৰথম ভিডিঅ’ কলত তেওঁক দেখি অনুভৱ কৰা সেই অনামী শিহৰণ..
য়েৰকাদৰ সেই বিশেষ নিশাটোত যেতিয়া মেৰিয়াই ধৰিছিল তেওঁ মোক..

কাণত গুঞ্জৰিত সেই মধুৰ শব্দৰ গুণ গুণ..
“I love you Ananya”
বুকুৰ অৰণ্যত বনজুইৰ দৰে বিয়পি যোৱা দুখবোৰক নিমিষতে নুমোৱাই দিব পৰা এজাক প্ৰশান্তিৰ বৰযুণ হৈ নামিছিল অনিৰুদ্ধৰ
ভালপোৱা।
আজিও একেই আছে, হয়তো আজীৱন থাকিব।
থুপুক ছিটৰ পৰা তুলি নিজৰ বুকুত সাৱটি শুৱাই লোৱা মানুহজনক মই এতিয়া কিমান বেছি ভালপাওঁ হয়তো মই নিজেই নাজানো।
:কি চাই আছা তেনেকৈ?
:একো নাই।
ধৰা পৰি আনফালে মুখ ঘূৰালো।

বেংগালুৰু এয়াৰপোৰ্টৰ বাহিৰত অনিৰুদ্ধৰ মাক দেউতাক আৰু দুজনী বৰ মৰমলগা ছোৱালী ৰৈ আছে।আমি ওলাই অহাৰ লগে লগে দুইজনী দৌৰি মোৰ ওচৰ পালেহি।
“ভাবী, আপ কীতনি প্যাৰী লগ ৰহি হ’!
তনভি আৰু নেহা ।অনিৰুদ্ধৰ পেহীয়েকৰ ছোৱালী।
দুইজনীয়ে মোক দুফালৰ পৰা হেঁচা মাৰি ধৰিলেহি ।ঘৰৰ মানুহৰ লগত কাজিয়া কৰি দুইজনী অনিৰুদ্ধৰ কইনাক চাবলৈ তেওঁৰ মাক দেউতাকৰ লগত ইণ্ডোৰৰ পৰা আহিছে।
আৰু সিহঁতক দেখি পাৰে মানে মোৰ পিছফালে লুকাইছে আমাৰ থুপু।
:য়ে কীতনা গুলো গুলো চা হে’,ক্যা নাম হে তুমহাৰা?
:আবিল (আবিৰ)।
সি মিচিক মিচিকি হাঁহি কৈছে।
:পৰ হামনে ত’ শুনা হে আপকা নাম থুপু হে,হাম আপকৌ থুপু বুলা সকতে হে?
সি মোৰ চাদৰ খনত ধৰি পাৰে মানে টানিছে।
হাউলি দিলত কাণে কাণে কৈছে
:কি নো কৈ আথে,মো লাছ লাগিথে।
নেহাই তাক কোলাত তুলি ল’লেই।দুইজনীয়ে তাৰ গাল দুখন টিপি চুমা খাই অৱস্থা নাইকিয়া কৰিছে।
:অনন্যা বেটা,তুম ইস গাড়ী মে’ বেইথ’।অনি,তুম ঘৰ যাঅ’
:What??
মা আৰু মোৰ কাৰণে হোটেলত থকাৰ ব্যৱস্থা কৰা হৈছে।শুনি অনিৰুদ্ধৰ মুখ খন সেমেকি গ’ল।তেওঁক অকলে কেবত উঠি ঘৰলৈ যাবলৈ দিয়া হৈছে।মোক আৰু মাক তেওঁৰ SUV ত সকলোৱে সৈতে হোটেললৈ লৈ যোৱা হ’ব।আৰু তাতে আজি ৰাতিলৈ মোৰ মেহেন্দি আৰু কাইলৈ ৰাতিপুৱা ‘হলদি’ৰ নিয়ম কৰা হ’ব।কোনোটো নিয়মেই আচলতে ভালকৈ হোৱা নাই,এতিয়া যি হ’ব সেইয়াও নেহা আৰু তনভিৰ প্লেনিং মতেই হৈছে।সিহঁত দুইজনীয়ে ইমানেই কথা কৈছে যে মই কোনজনীক উত্তৰ দিম বুজিয়েই নাই পোৱা।

:মই কিয় আহিব নোৱাৰোঁ মা?প্লিজ, মই অকলে কি কৰিম ঘৰত।
:এইটো যে বৰ 'বেচৰম' হৈ গৈছে দেই।
:তা মানে অনিমুন বমাথ হৈথে ন ইদনি আইতা।
ইজনী আইতা!
মায়ে তাৰ আগত যেতিয়াই অনিৰুদ্ধৰ মাকৰ কথা কিবা কয়, তেতিয়া ইজনী আইতা বুলি তাক বুজায়।সি সেইটোকে নাম বুলি ভাবিলে।আৰু মাতিছেও তেনেকৈয়ে।

মায়ে মৰ্য়ে হাঁহি ৰখাব নাই পৰা।বাকীবোৰে ভালকৈ বুজিয়েই নাপালে।

আমাৰ থকাৰ ব্যৱস্থা কৰা ৰিজৰ্টটো অনিৰুদ্ধৰ ঘৰৰ ওচৰতেই।এটা ডাঙৰ ক'টেজ বুক কৰা হৈছে।আমাক ড্ৰপ কৰি অনিৰুদ্ধৰ মাক আৰু দেউতাক ঘৰৰপৰা নিয়মৰ বাবে প্ৰয়োজনীয় বস্তু আনিবলৈ গ'ল।নেহা আৰু তনভি মোৰ ওচৰৰ পৰা লৰচৰ নহয়।আমাৰ কেনেকৈ চিনাকি হ'ল,কোনে প্ৰপ'জ কৰিলে, কোনে ফাৰ্ষ্ট আই লাভ ইউ ক'লে,সব জানিবলৈ লাগে।মেখেলা চাদৰ যোৰ পিটিকি পিটিকি চাইছে।মই গা ধুবলৈ যাওঁতেও বাথৰুমৰ বাহিৰৰ পৰা কথা কৈ আছে।

সন্ধিয়া সময়ত তেওঁৰ মাক দেউতাক আহিল, লগত অনিৰুদ্ধ।মাকে আহিয়েই মোক কুৰ্তী খুলি মেৰুণ কালাৰৰ শাৰী এখন পিন্ধিবলৈ দিলে।সলাই আহি অঁকৰা দৰে ৰৈ আছোঁ।মায়ে মোলৈ চাইছে, মই মালৈ।আমি দুইজনীয়ে তেওঁলোকৰ নিয়মবোৰ একোৰেই যে নাজানো।

:ভাইয়া আপ কিউ আয়ে?আপক' নেহী আনা ছাহিয়ে থা না?
:চুপ।
:চুপ ক্যা, আপ হলদি কে বাদ ভাবী ক' নেহী দেখ সকতে, য়ে বুৰা ছগুন হ' জায়গা।হে না মামী জী।
:ইছিলিয়ে ত' দেখনে আয়া হুঁ। Excuse us please.

লাজ বুলিবলৈ অকণো নাই।সৱৰে সন্মুখতে মোক হাতত ধৰি ৰুমৰ পৰা উলিয়াই বাহিৰলৈ লৈ গ'ল।
:কি কৰি থাকে আপুনি?মা পাপাই কি ভাবিছে চাগে!
:Thats not my problem. 'হলদি'ৰ পিছত চাব নাপায়, সেইকাৰণে ভালকৈ চাই লৈছোঁ।
:দেখিলে নহয়, যাওক এতিয়া।
:I have something for you, close your eyes.
চকু দুটা বন্ধ কৰি ৰাখিলো।অলপ পাছত মোৰ হাতত কাৰোবাৰ কোমল পৰশ লাগিল।চিনাকি চিনাকি গোন্ধ। হিবা।
:হিবু!
জোৰেৰে সাৱটি ধৰিলোঁ।মোৰ বিশেষ দিনটো আৰু বিশেষ হৈ উঠিল।অনিৰুদ্ধই নিজেই গৈ লৈ আনিছে তাইক।মই ফোন কৰাৰ আগতেই।

কোন সময়ত মোক কি প্ৰয়োজন, মোতকৈ বেছি ভালকৈ জানে তেওঁ।
আজি ৰাতিটো হিবা মোৰ লগতেই থাকিব।আমাৰ মাজত বিয়াৰ নামত হোৱা সৰু সৰু নিয়মবোৰত তাই মোৰ ওচৰত থকাটো মইয়ো বিচাৰোঁ।
:Happy now?
মই উত্তৰ দিবলৈ নাপালোঁ।এনেতে হাতত গোমধান এটা খায় খায় পেটুৰা ওলালহি।
:শাৰী পিন্ধিলে তোক আৰু বুঢ়ী বুঢ়ী লাগে।
আয়ু।
:তোমাৰ চংগু মংগো দুইটাকে আনি দিছোঁ।এতিয়া মই যাওঁ।মোৰ কাম হৈ গ'ল ইয়াত।
আয়ু মাক মাত লগাবলৈ ভিতৰলৈ গ'ল।পিছে পিছে হিবা।
:সোনকালে শুই যাবা।আৰু মেহেন্দিত নামটো বেছি লুকুৱাই নিলিখিবা।
:কিয়?
:I cant waste time searching stupid name.
:Haww!
:What Haww. Now everyone knows I am shameless.
:আগতকৈ বেছি হ'ল এতিয়া।
:এক বছৰ কোনে তৰপাই আছিল?

আয়ু আমাৰ ফালে অহা দেখি দুয়োটা মনে মনে থাকিলোঁ।
:তোৰ পইচা টো তই দিবি নে অনিৰুদ্ধয়ে দিব?
:মই হে কইনা।তই হে মোক গিফ্ট দিব লাগে।
:ই আই।চেণ্টি চা।আমি মাল খাব যাম এতিয়া।বেচেলৰ পাৰ্টি।প্ৰশান্ত আৰু অমৃত ৰৈ আছে।অনিৰুদ্ধৰ পৰা খামেই, তোৰ ফালৰপৰাও খাম।পইচা দে।
:ধেই এইডাল।
দুইটা হাঁহি হাঁহি গুচি গ'ল।
বুকুখন অকণমান কৈ বিষাই গ'ল।আয়ুৰ কাৰণে উঠিছে এই বিষ।তাৰ জীৱনটো ভালপোৱাৰে উপচাই দিব পৰা কোনোবা সোনকালেই আহক তাৰ জীৱনলৈ।
সি সদায় হাঁহি এটা বান্ধি ৰাখক ওঁঠত!

দুহাতত,দুভৰিত মেহেন্দি আঁকিবলৈ মেহেন্দি আৰ্টিষ্ট আহিল।মা, শাহু মা,হিবা,নেহা, তনভি আৰু লগতে থুপুৰ মাজত বহি অনিৰুদ্ধৰ কইনা হ'বলৈ সাজু হ'লো।এনেকুৱা দিন যে একেবাৰেই নতুন মা আৰু মোৰ বাবে।মাৰ হাতত মেহেন্দি লগাই দিছে হিবাই।অনিৰুদ্ধৰ দেউতাকে আমাক মাজে মাজে খোৱা বস্তুৰ যোগাৰ দি আছে।লগতে কাইলৈৰ বাবে মণ্ডপৰ কামো চাই আছে।

হাঁহি আৰু গানৰ মাজেৰে কেতিয়া যে তিনিঘণ্টা সময় পাৰ হ'ল নাজানো।সকলোৰে লগত ডিনাৰ কৰি তেওঁলোক গুচি গ'ল।কাইলৈ ৰাতিপুৰা হলদিৰ নিয়ম কেনেকৈ কি কৰিব লাগে অনিৰুদ্ধৰ মাকে বাৰে বাৰে শিকাই দি থৈ গৈছে।

আৰু এই এটা ৰাতিত মা মই আৰু হিবা কলেজীয়া বান্ধৱী হৈ পৰিলোঁ।ৰাতি দুই বজালৈকে কথা।অনিৰুদ্ধই ফোন কৰি মোক গালি পাৰি শুবলৈ কৈছে।তাৰ পাছতো আমাৰ খিতখিতনি চলিয়েই থাকিলে।

:মাজু, মাজনী উঠ উঠ।হালধি সানিব লাগে ঐ ছোৱালী উঠ।তই যে কেলেই এনেকুৱা বাৰু।

:মা উঠা, হালধি খাব লাগে।

ন বাজিল।আৰামত তেতিয়াও শুয়ে আছোঁ মই।

তাৰ পিছত দৌৰা দৌৰি।হালধীয়া শাৰী এখন পিন্ধাই মায়ে হালধি সানিলে গোটেই গাতে।ভিডিঅ' কলত শাহু মায়ে বুজাই আছে, পাণখন এনেকৈ লওক।এতিয়া গালত লগাওক, এতিয়া ভৰিত।

মাজে মাজে অনিৰুদ্ধই জুমি চায়, মাকে ঠেলা মাৰি দিয়ে।

নিয়ম নাই হোৱা, জমনি হে হৈছে।

থুপুৰে তাৰে হালধি অকণ চেলেকি চাই তিতা তিতা পাই চিঞৰৰ বাখৰ।গাত বাৰু গোটেইখন সানিলেই।

তাক দেখি হিবা হাঁহি হাঁহি পকাতে বহি দিছে।

:থুমি কেনে হাঁহিথা মোক।ধুম ধুম পিটিম।

কোঁচত বহি ল'লেহি মোৰ।মায়ে মোৰ লগতে তাকো সানি দিছে।

:ভাল খন হ'ল মাজু।

এইবাৰ মা হাঁহি হাঁহি বেহুচ।

এনেকৈয়ে আমাৰ 'হলদি ৰচম' শেষ হ'ল।

কোনোদিনে মেক আপৰ নামত একো কৰি নোপোৱা মই তিনিঘণ্টা বহি মেক আপ লৈছোঁ।ৰঙা লেহেংগা চ'লিযোৰ পিন্ধি দুপাত্তা খন মূৰৰ ওপৰত লৈ মাক চিঞৰি আছোঁ।

:আকৌ কি হ'ল?

:ইমান গধুৰ।উশাহ নাই পোৱা।

:তই মানুহ মাৰিবি দেই।গহনা পিন্ধাই নাই।ভাল হৈছে, অসমীয়া ল'ৰা এটা নাপালি বিচাৰি।পা মজা এতিয়া।দে হাত দে।

দুয়োখন হাতত এসোপামান খাৰু।নাকত নাকফুলি।কপালত মাংগটীকা।কমৰত কমৰবান্ধ।ভৰিত পায়েল।হাত ভৰিত মেহেন্দিৰ ডাঠ ৰঙ।

আইনাত দেখা মানুহজনী মই হয় নে নহয় বাৰে বাৰে চাইছোঁ।

:বৰ ধুনীয়া লাগিছে তোক।

:তোমাৰ সমান নহয়।

পাতল গুলপীয়া গুণাৰ কাপোৰযোৰ,সামান্য মেক আপ কৰা ধুনীয়া মানুহজনী।আজিকালি মায়ে সেন্দূৰ নলয়।ককা যোৱাৰ পাছত মায়ে দেউতাকো যেন একেবাৰেই বিদায় দিলে।

:ব'ল,সৰ বৈ আছে।
:থুপুক মাতি দিয়া।
:সি গ'লেই।
:আয়ুক মাতা চোন।হিবা,যা না প্লিজ, আয়ু ক' বুলা।
মেক আপ কৰা মানুহ দুগৰাকী গুচি গ'ল।ৰূমত অকলে বহি থাকোঁতে হাজাৰটা ভাৱনাই মোক জুমুৰি দি ধৰিছে।হঠাৎ ভীষণ নাৰ্ভাছ হৈছোঁ মই।লগতে গধুৰ কাপোৰ আৰু গহনাই মোক আৰু বেছি হেঁচি ধৰিছে।
:কি হ'ল?...উই মা..তোক পুতলা টাইপ লাগিছে, ৰছী দি যে নচুৱায়।
ইমান ফোঁপাই আছ যে কি হ'ল।
:লাইটাৰ টো দে।
:কি?..তই এইবোৰ এৰিছিলি নহয়।
:আজি লাষ্ট।দে না,বহুত জৰুৰী।
দিওঁ নিদিওঁ কৈ সি পকেটৰ পৰা উলিয়াই লাইটাৰ টো মোৰ হাতত দিলে।

:কইনাই এনেকে পাফ টনা ক'ত দেখিছ?
:কিমান টেনশ্যন তই কি বুজিবি পেটুৱা।ইমান গধুৰ কাপোৰ, গহনা পিন্ধি পাইছ?
:কেনেকুৱা আধা পাগল কইনা বে তই?ল,এইটো মাৰি ল মুখত।
:বহুত নাৰ্ভাছ হৈছোঁ ৰে এতিয়া।কাইলৈৰ পৰা সৱ বেলেগ হৈ যাব ন।
পলাই দিওঁ টাইপ লাগিছে এতিয়া।মইতো ভাল ৱাইফ হ'ব নোৱাৰিম চিউৰ।কি হ'ব ন তেতিয়া?ক না কি কৰোঁ মই।
:এইফালে আহ পাগলী।
আয়ুয়ে সান্তনা দিবলৈ গৈ নিজেও নাৰ্ভাছ হৈছে।লাহেকৈ সাৰটি ধৰোঁতে সি নিজেও কঁপিছে।

থুপুক লৈ মা আহিল।সি মোক দেখি বহুত দেৰি একো কোৱা নাই।যেন চিনিয়েই পোৱা নাই।
:মা, মোক অকণমান সময় থুপুৰ সৈতে অকলে লাগে।
আয়ু, হিবা আৰু মা ৰূমৰ বাহিৰলৈ ওলাই গ'ল।
থুপুক বিছনাত বহুৱাই নিজে পকাত আঁঠু লৈ বহিলো।
:থুপু।
:উম।
:এতিয়াৰ পৰা আমাৰ লগত অনিমুনও থাকিব।কাৰণ অনিমুন আৰু মোৰ বিয়া হ'ব আজি।তাৰ পাছত আমি সদায় একেলগে থাকিম।অনিমুন তোমাৰ 'buddy' যে সেইকাৰণে।কিন্তু মই সদায় তোমাকে এগাল খোপা ভাল পায় থাকিম।তাৰ পাছত অকণ অকণ অনিমুনক
।হ'ব নে?
তাৰ ফুলা গাল দুখন মোহাৰি কপালত চুমা এটা খালোঁ।
আজিও সি অনিৰুদ্ধই দিয়া চুইটযোৰে পিন্ধিছে।হাতত এপাহ ৰঙা গোলাপ।গাল দুখন দৌৰি দৌৰি ৰঙা।চুলি

খিনি খেলিমেলি।
:থুমি মো হে কইনা কিবা।
সি একো বুজা নাই মই জানো।কিন্তু এইকেইটা কথা তাক কোৱাটো মোৰ বাবে প্ৰয়োজন।
সাৰটি ল'লো তাক বুকুৰ মাজত।অলপো লৰচৰ নকৰাকৈ সি আজি সোমাই আছে।কি বা বুজি পাইছে!
চকু কেইটা সেমেকি আহিল তাৰ, ফেঁকুৰি উঠিছে।
:ঠিক আছে, মই তোমাৰ কইনা।মোক ধৰি ধৰি লৈ যোৱা এতিয়া, নহ'লে মই পৰি যাম নহয়।

থুপুৰ হাতত ধৰি এখোজ দুখোজকৈ আমাৰ বাবে বিশেষকৈ সজাই থোৱা ঠাইকণলৈ আগবাঢ়িছোঁ।
ফুলেৰে সজাই থোৱা ষ্টেজটোলৈ যোৱা বাটটোৰ সন্মুখত এখন ফলক
“Ananya and Abir weds Anirudh”
আনতকৈ বেলেগ আমাৰ বিয়াখন।সেইবাবে ফলক খনো ‘বিশেষ’।
অলপ আগবাঢ়ি গৈ আঁতৰত বৈ থকা অনিৰুদ্ধৰ পৰিয়ালৰ মানুহখিনিক দেখিলো।
সন্মুখত লাইনকৈ পাৰি থোৱা চকীত অফিচৰ সকলো আছে।টানিয়া, প্ৰশান্ত, সুৰেশ, সুভাষিণী অনিৰুদ্ধৰ নতুন টিমৰ মানুহ।
:আৰে দুলহন আ গয়ী।
পিছফালৰ পৰা অনিৰুদ্ধক দেখি উশাহ এটা ৰৈ গ'ল মোৰ।
বগা শ্বেৰৱানী যোৰৰ ওপৰত এখন মেৰুণ স্বল।ডিঙিত তেওঁলোকৰ বিশেষ অলংকাৰ।যেন কোনোবা দেশৰ ৰাজকুমাৰ।যি কেৱল সপোনত হে দেখা দিয়ে।
আৰু ঘূৰি চাই মোক দেখি একেভাগেই ৰৈ গ'ল অনিৰুদ্ধ।
আমাৰ চৌপাশৰ সকলো কোলাহল যেন মুহূৰ্ততে নাইকিয়া হৈ গ'ল।
এই ক্ষণত আছোঁ কেৱল মই আৰু অনিৰুদ্ধ, আৰু আমাৰ আকুলি বিকুলি হিয়াৰ পাৰভঙা আৱেগ।
এই এটি মুহূৰ্তৰ বাবেই যে অতবোৰ আয়োজন,দুখৰ পৰা সুখলৈ,অভিমানৰ পৰা অভিযোগলৈ,আঘাতৰ পৰা আশীৰ্বাদলৈ..
একেসময়তে ৰৈ গ'ল দুটি উশাহ..
একেসময়তে বৈ আহিল দুটোপাল চকুলো..
একেসময়তে বুকুত বাজিছে একেটি প্ৰাৰ্থনা..
আগুৱাই গৈছোঁ, এখোজ দুখোজ, দুয়ো দুয়োৰে কাষলৈ..
আৰু..
:Let’sget married.
বাওঁহাতেৰে থুপুক আৰু সোঁহাতেৰে অনিৰুদ্ধক ধৰি মই মণ্ডপলৈ আগবাঢ়িলোঁ।
কোঁচত থুপুক বহাই শিৰত সেন্দূৰ ল'লো,মঙলসূত্ৰ পিন্ধিলোঁ আৰু তাৰ হাতত ধৰিয়েই অনিৰুদ্ধৰ সৈতে ‘সাত ফেৰা’ সম্পূৰ্ণ কৰিলোঁ।
মায়ে কন্যাদান কৰি দেউতাক পাহৰাই ৰাখিলে।
‘বৰমালা’ৰ মালাডাল পিন্ধাওঁতে মোৰ সন্মুখত আঁঠুকাঢ়ি বহিল অনিৰুদ্ধ।আৰু থুপু আৰু মই দুয়োটাই ধৰি

তেওঁক বৰমালা পিন্ধাই আমাৰ জীৱনলৈ আদৰি আনিলোঁ।
কাষে কাষে থাকিল হিবা আৰু আয়ু..
সকলো কাম হৈ যোৱাৰ পাছত যেতিয়া মই আয়ুৰ ওচৰলৈ গ'লো..
সি মাত্র এটা বাক্য কৈ আঁতৰি গ'ল..
"সুখী হ,মই আছোঁ লগত"।
তাৰ পাছত আৰু সি মোলৈ উভতি নাচালে..!

"ভালে আছা আশাপূর্ণা ?"

হয়, অনিৰুদ্ধ আৰু মই কথা পাতিয়েই নিমন্ত্রণ কৰিছিলোঁ সেই বিশেষ অসমীয়া পৰিয়ালটোক।সকলো আহিছে, সেই মানুহজন, তেখেতৰ পত্নী, জী-জোঁৱাই।অনিৰুদ্ধৰ সৈতে কিছুদিন একেটা প্রজেক্টত কাম কৰা মানুহজনৰ জৰিয়তে মায়ে অতীতৰ অসমাপ্ত এটা অধ্যায় আকৌ খুলি চাব পাৰিব।

মায়ে মোলৈ চাইছে, মই অনিৰুদ্ধলৈ।

:মা, দাদা আৰু অনিৰুদ্ধ একেলগেই কাম কৰিছিল।

মায়ে নমস্কাৰ দিছে যদিও একো কোৱা নাই।মানুহজনৰ দৃষ্টি মাৰ ওপৰতে স্থিৰ।মানুহগৰাকী আৰু তেওঁৰ জীয়েকৰ লগত মই কথা পাতিছোঁ।অনিৰুদ্ধই জোঁৱায়েকক অলপ আঁতৰাই নিলে।

মোক তেওঁলোকে ইটো সিটো সুধি আছে যদিও মই মাৰ ফালেই চাই আছোঁ।দুয়োজনেই মনে মনে আছে।

:কথাবোৰ মই ধৰি থকা নাই।পূর্ণিমাই মোৰ জীৱনটো পৰিপূর্ণ কৰি পেলালে।তুমিও চাগে সুখী?মানুহজন ক'ত?

:ঢুকাল।

:অহ,কেতিয়া, বৰ দুখ পালোঁ শুনি।

:খোৱা-বোৱা কৰি লওঁক, অহাৰ বাবে ভাল লাগিল।মাজু, আলহীক খোৱাৰ ঠাইলৈ লৈ যাওঁ মই,আপোনালোক আহকচোন।

এইবাবেই এই মানুহজনী আনতকৈ বেলেগ।সুস্থিৰ।স্বাভিমানী।

যিজন মানুহৰ বাবে আজীৱন প্ৰেমৰ চাকি জ্বলাই ৰাখিলে, দেউতাক গ্ৰহণ নকৰিলে, সেই মানুহজনৰ পত্নীক আথে বেথে নি আপ্যায়ন কৰিলে, চকুত এটোপাল পানী নাই,মুখত কোনো অভিব্যক্তি নাই।

আঁতৰৰ পৰাই চাই থাকিলোঁ মাত্ৰ।

:ঘৰ ছলে?
ঘৰ!
আমাৰ ঘৰ।

চাউল ভৰ্তি কলহটো লাহেকৈ ঠেলি ফুল আৰু নানাৰঙী লাইটেৰে সজাই থোৱা ঘৰটোত সুমাওঁতে বুকুখন ধক কৰি উঠিল।সেন্দূৰ মিহলি পানীত ভৰি দুটা তিয়াই মই অনিৰুদ্ধৰ ঘৰলৈ "লক্ষ্মী" হৈ সোমাই আহিছোঁ।আগতে দুই তিনিবাৰ অহা ঘৰটোৰ সকলো বস্তু যেন মোক আদৰিবলৈ নতুনকৈ সজোৱা হৈছে আজি।
:Welcome home wifey!
কোনেও নেদেখাকৈ কাণত ওঁঠ লগাই কৈ থৈ যোৱা কথাষাৰ বুকুত বিলীন হৈ গ'ল।
দুই এটা সৰু নিয়মৰ পাছত আমাক আশীৰ্বাদ দি সকলো যাবলৈ ওলাল।
:ক'লৈ যায়?
মোৰ প্ৰশ্ন শুনি সৱেই হাঁহিছে।
আমাক আজি কোনেও 'আমনি' কৰিব খোজা নাই।গতিকে সকলো হোটেলত থাকিব।আগতেই সব ঠিক কৰা আছে।
কিন্তু..
অনিৰুদ্ধৰ ৰুমৰ ফুলেৰে সুসজ্জিত বিছনাত সকলোতকৈ আগতেই থুপু উঠি আছে।অথনিৰে পৰা সি তাতেই জপিয়াই আছিল।
মায়ে তাক যিমান বুজালেও সি নাযায়।
আৰু ময়ো যে বিচৰা নাই আজিৰ দিনটোত সি আঁতৰি যোৱাটো।
কিন্তু অনিৰুদ্ধ...
মই কিবা কোৱাৰ আগতেই..
:মা, সি আমাৰ লগত থাকিব আজি।
কি যাদু জানে অনিৰুদ্ধই?
কেনেকৈ মই কোৱাৰ আগতেই বুজি উঠে সকলো কথা।
:ঠিক আছে, আমি যাওঁ, কাইলৈ আহিম।
সকলো গুচি যোৱাৰ পাছত নতুনকৈ আকৌ কপিছোঁ মই, বিছনাত জপিয়াই জপিয়াই ভাগৰি টোপনি যোৱা থুপুৰ ওচৰত বৈ হিচাপ কৰি আছো এটা এটা মিনিট..

সকলোকে তলত গাড়ীত উঠাই ঘূৰি আহিছে অনিৰুদ্ধ..
দৰ্জা বন্ধ হোৱাৰ শব্দ..
টেবুলত পানীৰ বটল খুলি পানী খুৱাৰ শব্দ..
তাৰ পাছত ক্ৰমলৈ বিয়পি আহিছে প্ৰথম দিনৰপৰাই চিনাকি সেই বিশেষ সুগন্ধি..
আৰু নোৱাৰো..
বেলকনিলৈ খৰখেদাকৈ ওলাই গৈছোঁ..
হাতৰ খাৰু, ভৰিৰ পায়েল জুনুককৈ বাজি উঠিছে..
:কিধৰ ভাগ ৰহি হ'..?
মাজত মাত্ৰ কেইটামান মুহূৰ্ত..
নিশাৰ আকাশত গলা জোনাকৰ এমুঠি মোৰ আশে পাশে সিঁচি মোক পিছফালৰ পৰা মেৰিয়াই ধৰিছে অনিৰুদ্ধই..
গাল দুখন আকৌ পুৰিছে..কাণ দুখন গৰম..
দুটি তৰাই চাই আছে আমাক..
মোৰ বুকুৰ চিনাকি মানুহ..ককা আৰু আইতা..
খহি পৰিছে মূৰৰ দুপাত্তা..
দুয়োৰে ডিঙিত তেতিয়াও গোলাপৰ মালা..
আকাশলৈ চাই ভৰি আহিছে মোৰ বুকু.. চকু..
একো ক'ব নাই পৰা মই..
মাত্ৰ আকাশলৈ আঙুলিয়াই দেখুৱাইছোঁ অনিৰুদ্ধক..
তেওঁ কৈ উঠিল..
:কষ্ট নিদিওঁ তোমাক, কেতিয়াও।আই প্ৰমিজ ককা, আইতা।
এইবাৰ লাহেকৈ উভতি দুহাতেৰে আঁকোৱালি লৈছোঁ অনিৰুদ্ধক।
ইটোৰ পিছত সিটো কথা আহি ওঁঠত লাগি ধৰিছে, ক'ব কিন্তু একোৱেই পৰা নাই।
কিবা যেন আধৰুৱা...
আৰু আমাৰ আধৰুৱা মুহূৰ্তটো সম্পূৰ্ণ কৰিবলৈ চকু মোহাৰি মোহাৰি আগবাঢ়ি আহিছে থুপু..
:কি হ'ল সোণ?
হাত দুখন ডাঙি দেখুৱালে সি, সদায় কৰাৰ দৰেই.. কিন্তু আজি মোৰ ফালে নহয়..
অনিৰুদ্ধৰ ফালে..
তুলি ল'লে তেওঁ..
ডিঙিত মূৰ থৈ দুহাতেৰে 'অনিমুন'ক সাৱটি ধৰিছে সি..
এটি ধুনীয়া ৰাতি.. এটা সম্পূৰ্ণ ৰাতি..
মই, থুপু আৰু অনিৰুদ্ধৰ নতুন জীৱনৰ প্ৰথম ৰজনী..
ফুলেৰে সজোৱা বিছনাত মাজত থুপুক লৈ মই আৰু অনিৰুদ্ধ..
আৰু অলেখ সপোনৰ আগজাননী...

জীৱন?অনুপম!

বন্ধুত্ব?আয়ু!

ভালপোৱা?অনিৰুদ্ধ!

সময়?অনন্য!

উশাহ?আবিৰ!

(সমাপ্ত)